# স্খলন নাহিকে কদাচিত

## (‘পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ’ৰ প্ৰতিবাদ)

জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘ


**জীৱকান্ত নাথ**



**শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘ**

মূল কাৰ্যালয় ঃ হলধৰ ভূঞা পথ, কলংপাৰ, নগাঁও

৫৬৩ শঙ্কৰাব্দ ঃ ২০১২ খ্ৰীষ্টাব্দ

**Skhalana Nahike Kadacita :** A Monograph, written by Jiba Kanta Nath, aimed at removing some misconceptions and misinterpretations about Srimanta Sankaradeva Sangha, as well as Srimanta Sankaradeva, and published by Hariprasad Hazarika, General Secretary, for and on behalf of Srimanta Sankaradeva Sangha.

Head Office : Kalongpar, Nagaon, Assam.
*1st Published : May, 2012.* *Price Rs. 150.00*

(C) শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

প্ৰকাশক ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ হৈ -
হৰিপ্ৰসাদ হাজৰিকা, প্ৰধান সম্পাদক
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
মূল কাৰ্যালয় ঃ কলংপাৰ, নগাঁও (অসম)

প্ৰথম প্ৰকাশ ঃ বহাগ, ৫৬৩ শঙ্কৰাব্দ
মে, ২০১২ খ্ৰীষ্টাব্দ

ছপা সংখ্যা ঃ ২,০০০ (দুই হাজাৰ)

মূল্য ঃ ১৫০.০০ (এশ পঞ্চাশ টকা)

অক্ষৰ বিন্যাস ঃ চিটুল কুমাৰ ডেকা
**শাশ্বত প্ৰকাশন**
**ন-ভেটি**
**মৰিগাঁও ঃ অসম**

মুদ্ৰক ঃ মাতৃ অফছেট প্ৰেছ,
হেদায়েৎপুৰ, গুৱাহাটী - ৩

# পদাধিকাৰৰ একাষাৰ

সমালোচনা শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ হ'ল সমভাৱে আলোচনা কৰা। এই আলোচনা প্ৰকৃততে শালীন হ'ব লাগিব, পৰিশুদ্ধ হ'ব লাগিব আৰু যথাৰ্থভাৱে সমদৃষ্টি সম্পন্ন হ'ব লাগিব। তাৰ বাবে সমালোচকজনৰ বিষয় বুদ্ধি আৰু সমালোচিত তত্ত্বৰ ওপৰত বিশদ জ্ঞানৰ একান্ত প্ৰয়োজন। অন্যথা সমালোচনাৰ নামত যদি সমালোচনাৰ কলম হাতত তুলি লোৱা হয় - সি সকলো পক্ষৰ বাবেই ক্ষতিকাৰক হ'ব। সমালোচনাৰ অধিকাৰ সকলোৰে আছে। হ'লেও সেই অধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত আগপাচ নুগুণিলে হিতে বিপৰীত হোৱাৰহে সম্ভাৱনা।

ময়ূৰ বৰা নামৰ এজন সমালোচকে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘক সমালোচনা কৰি এখন কিতাপকে লিখি প্ৰকাশ কৰি পেলালে। কিতাপখনৰ নাম দিলে "পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ"; শিৰোনামটোৱে ঋণাত্মক অৰ্থ প্ৰকাশ নকৰি ধ্বনাত্মক অৰ্থ প্ৰকাশ কৰিছে। তেওঁৰ মতে "শংকৰ সংঘ" পথভ্ৰষ্ট হৈছে। কাৰোবাৰ দেউতাক, কাৰোবাৰ ককাক এটা অনুষ্ঠানত থাকিলেই তেওঁ সেই অনুষ্ঠানৰ সম্পৰ্কত সৰ্বজ্ঞাতা হ'ব, ই কেতিয়াও শুদ্ধ কথা নহয়। অনুষ্ঠানৰ ভিতৰত থকা বহুজনৰ বাবেও ই সম্ভৱ নহয়। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ বোলা অনুষ্ঠানটো এনে এটা অনুষ্ঠান নহয়, যাৰ যি মন যায় তাকে কৈ বিৰুদ্ধবাদী ধাৰণা প্ৰকট কৰি তুলিব।

হালধীয়া চশমা পিন্ধা মানুহৰ চকুৰ আগত গোটেই পৃথিৱীখনেই আচল ৰঙ হেৰুৱাই পেলায়। লেখক বোলে এজন লব্ধপ্ৰতিষ্ঠ সমালোচক। তেওঁৰ সমালোচনাত হেনো বিষয়ৰ প্ৰকৃত ৰূপ প্ৰকাশ পায়। কিন্তু আমাৰ দৃষ্টিত এই লেখকজনক সমালোচক নুবুলি কুৎসা ৰটনাকাৰী এজন ব্যক্তি ৰূপেহে ধৰা দিছে। যিটো বিষয়ৰ ওপৰত সমালোচনা কৰা হয়, সেই বিষয়টোৰ ওপৰত সম্যক জ্ঞান, ধ্যান-ধাৰণা অবিহনে সুষ্ঠ ৰূপত সমালোচনা কৰিব পৰা নাযায়। ময়ূৰ বৰাই সঙ্ঘৰ প্ৰকৃত ৰূপটো দেখা নাই নহয়, চাবহে খোজা নাই। প্ৰতিষ্ঠা কালত ককাকৰ কিছু বৰঙণি থকাৰ বাবে তেওঁৰ উপৰিপুৰুষীয়া প্ৰেমে গা-কৰি উঠিছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সংগ্ৰামী গতিৰ প্ৰতি তেওঁহে যে প্ৰকৃততে নিৰ্লিপ্ত, এই কথা তেওঁ নিৰ্মোহভাৱে চাব খোজা নাই। অবাঞ্চিত উদ্দেশ্য নিহিত হৈ থকা কোনো কামেই লক্ষ্যত উপনীত হ'ব নোৱাৰে। "সমালোচনা হেনো সাহিত্য বৰগছ জুপিৰ ফল পৰা হাকুটি।" এই কথা যদি সঁচা হয়, তেতিয়া হ'লে ময়ূৰ বৰাক প্ৰকৃতপক্ষে স্খলিত চৰিত্ৰৰ এজন নায়কৰ শাৰীতহে থব পৰা যায়।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ লক্ষ্য, উদ্দেশ্য আদি সমস্ত কথা অনুষ্ঠানৰ চাৰি পুথিত মুকলিভাৱে প্ৰকাশ কৰা হৈছে। যোৱা চাৰিকুৰি বছৰে এই লক্ষ্য সাধনৰ প্ৰতি সঙ্ঘ পৰিয়ালে দৃঢ় পদক্ষেপেৰে আগবাঢ়িছে। ঘোষিত উদ্দেশ্য আৰু অনুমোদিত পথৰ পৰা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই তিলমানো আঁতৰি অহা নাই। চাব নোখোজা ওপৰ চকুৰাৰ শালীনতাহীন বাক্যবাণে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ এই গতি কেতিয়াও স্তব্ধ কৰিব নোৱাৰে।

বহু শৰণৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত এক শৰণ হৰি নাম ধৰ্মৰ পৰিশুদ্ধ ৰূপ জনসমাজত প্ৰচাৰ, প্ৰসাৰ আৰু পালন-পোষণৰ উদ্দেশ্যে স্থাপিত হোৱা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ এই পৰ্যন্ত সঠিক পথৰ পৰা স্খলিত হোৱা নাই। বৰাহঁতৰ দৰে সমালোচকেহে এই পথত ঔপচাৰিক (Rituals) দৃষ্টি নিক্ষেপ কৰে। প্ৰকৃততে ই হৰি ভক্তি ৰাজমাৰ্গহে। লগে লগে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই, গুৰুজনাই দি যোৱা সাহিত্য-সংস্কৃতিৰ সোণসেৰীয়া পথৰ পথীকৃত ৰূপে ঘোষিত লক্ষ্যৰ প্ৰতি গতি কৰিছে আৰু বিশ্বমানৱৰো দৃষ্টি আকৰ্ষণ কৰিবলৈ যত্নপৰ হৈছে।

ময়ূৰ বৰাই 'সংঘত নৱ ব্ৰাহ্মণ্যবাদ' অধ্যায়ত অতি উদংভাৱে নিজকে প্ৰকাশ কৰিছে। সমালোচকৰ সকলো শুদ্ধতা পৰিহাৰ কৰি তেওঁ **'শুনিবলৈ পোৱামতে'**, **'বহুতে কোৱা মতে'** আদি সন্দেহজনক বাক্যাংশৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ নেতৃত্বৰ ওপৰত অপবাদ জাপি দিব খুজিছে। এইয়া তেওঁৰ বাবেই নহয়, সামগ্ৰিকভাৱে সুষ্ঠ সমালোচনাৰ বাবেই পৰিপন্থী পথ। কেৱল ব্যক্তিগতভাৱে আমি লজ্জাবোধ নকৰিলেও এটা অনুষ্ঠানৰ মুৰব্বীৰূপে বৰা ডাঙৰীয়াই আমাক **'ৰাবাৰ ষ্টাম্প'** আখ্যা দিয়াটো তেওঁৰ বাবে নিতান্তই ধৃষ্টতাৰ অন্য নাম। সুস্থ গণতান্ত্ৰিক পৰম্পৰাৰ সিপাৰত থাকি অগণতান্ত্ৰিক মানসিকতাক জীপাল কৰিব বিচৰা মানুহৰ মনত ইয়াতকৈ কিবা ভাল ভাৱনা জন্ম হ'ব বুলি ভাবিবই নোৱাৰি।

ময়ূৰ বৰাই অনুচিত আৰু অশালীনভাৱে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ওপৰত জাপি দিয়া মিছা আৰু অবান্তৰ অভিযোগবোৰ জনচক্ষুৰ ওচৰত সঁচা ৰূপ পাব পাৰে বুলি শংকা কৰি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই এই অবান্তৰ কথাবোৰৰ এটি সমুচিত উত্তৰ দি গুৰুপ্ৰেমী জনসাধাৰণ যাতে বিভ্ৰান্ত নহয়, তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মূল কাৰ্যনিৰ্বাহক সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰে আৰু সঙ্ঘৰ

সাহিত্য শাখা সমিতিৰ ওপৰত দায়িত্ব অৰ্পণ কৰে।

সঙ্ঘৰ সাহিত্য শাখা সমিতিয়ে এই দায়িত্ব অত্যন্ত গুৰুত্ব সহকাৰে মূৰ পাতি লৈছে। সাহিত্য শাখাৰ সভাপতি শ্ৰীজীৰকান্ত নাথ বাপে প্ৰতিবাদী গ্ৰন্থখনি প্ৰস্তুত কৰি শলাগৰ পাত্ৰ হৈছে। আমি আশা কৰিছোঁ সমালোচনাৰ নামত ময়ূৰ বৰাৰ কিতাপখনত প্ৰচাৰিত ভিত্তিহীন, অমূলক অপপ্ৰচাৰসমূহ পাঠকসমাজে এই গ্ৰন্থৰ যোগে সুন্দৰ ৰূপত অনুভৱ কৰিব পাৰিব। লগে লগে এনে শ্ৰেণীৰ দুষ্ট বুদ্ধিৰ সমালোচকে সমাজ জীৱনত সৃষ্টি কৰা অযথা তিক্ততাৰ অৱসান ঘটিব।

এই গ্ৰন্থখনিৰ যোগেদি ময়ূৰ বৰাৰ সমালোচনাৰ আঁৰত লুকাই থকা দুষ্ট অভিপ্ৰায়, সকলো পক্ষই অনুধাৱন কৰিবলৈ সমৰ্থ হ'ব।

সাহিত্য শাখাৰ বিষয়ববীয়া বাপ সমস্ত আৰু সদস্য-সদস্যাসকললৈ ধন্যবাদ জ্ঞাপন কৰাৰ লগতে কৃতজ্ঞতা স্বীকাৰ কৰিছোঁ। ভগৱন্তই তাৰাসকলৰ শিৰত কৃপাবৰ্ষণ কৰক।

ইতি

মূল কাৰ্যালয় ঃ
নগাঁও, কলংপাৰ
মে/২০১২, ৫৬৩ শঙ্কৰাব্দ

সেৱাৰে
শ্ৰীৰজনীকান্ত দত্ত,
পদাধিকাৰ,
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# প্ৰধান সম্পাদকৰ নিবেদন

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ ধৰ্মীয় দৰ্শনেৰে পৰিপুষ্ট, সুসংগঠিত উত্তৰ-পূৰ্বাঞ্চলৰ এটি বৃহৎ সামাজিক-সাংস্কৃতিক অনুষ্ঠান। ১৯৩০ চনতে জন্ম লাভ কৰা অনুষ্ঠানটি বৰ্তমান এজোপা মহীৰুহলৈ ৰূপান্তৰিত হৈছে। জন্মলগ্নৰে পৰা দোপত-দোপে আগুৱাই অহা গুৰুজনাৰ মানৱতাবাদী ধৰ্মীয় মতাদৰ্শৰে বহুধা বিভক্ত সমাজখনক একত্ৰিত কৰাত অনুষ্ঠানটিয়ে বহুলাংশে কৃতকাৰ্য লাভ কৰিছে। সঙ্ঘই গুৰুজনাৰ সাহিত্য-সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰেৰে তাঁৰাৰ মহান শিল্প প্ৰতিভাৰ প্ৰকাশ কৰি আহিছে জনসমাজত। সঙ্ঘই গুৰুজনাৰ একশৰণ  তত্ত্ব আৰু অস্পৃশ্যতা বিসৰ্জনৰ বৈশিষ্ট্যৰে উত্তৰ-পূৰ্বাঞ্চলৰ পাহাৰ-ভৈয়ামৰ ভিন ভিন জনগোষ্ঠীৰ মাজত সম্প্ৰীতিৰ সাকোঁ নিৰ্মাণ কৰিছে।

কিন্তু মহাপুৰুষগৰাকীৰ ধৰ্মীয় মতাদৰ্শৰ লগত পৰিচয় নথকা সমাজৰ এচাম লোকে সময়ে সময়ে তাঁৰাৰ ধৰ্ম বিকৃত কৰাৰ প্ৰচেষ্টা চলাই আহিছে। লগে লগে গুৰুজনাৰ ধৰ্মাদৰ্শৰ অনুগামী অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘকো আক্ৰমণৰ লক্ষ্য কৰি অনুষ্ঠানটিক জনমানসত হেয় কৰাৰ ষড়যন্ত্ৰ ৰচনা কৰিছে। এনেবোৰ কথাৰেই প্ৰতিফলন ঘটিছে ময়ূৰ বৰা নামৰ ব্যক্তিগৰাকীৰ ‘পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ’ নামৰ গ্ৰন্থখনত। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘক বৰাই ভিত্তিহীন অসত্য কথাৰ আশ্ৰয় লৈ অনুষ্ঠানটি বিপথে পৰিচালিত হোৱা বুলি জনসমাজৰ সমুখত বিকৃত ছবি এখন দাঙি ধৰিছে। ইয়াৰ উপৰি গুৰুজনাৰ একশৰণ ভক্তিধৰ্মক বিকৃত ৰূপ দিবলৈ চেষ্টা কৰি সমাজক প্ৰভাৱান্বিত কৰিবলৈ বিচাৰিছে। ফলত গ্ৰন্থখন পঢ়ি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰকৃত লক্ষ্য-উদ্দেশ্যৰ কথা নজনা, সঙ্ঘৰ কৰ্মৰ অগ্ৰগতিৰ বিষয়ে অজ্ঞ আৰু গুৰুজনাৰ ধৰ্মতত্ত্বৰ লগতো সমূলি পৰিচয় নথকা কিছু লোকে লেখকৰ লগতে হাত উজান দিয়া পৰিলক্ষিত হৈছে। বাতৰি কাকত, দূৰদৰ্শনৰ মঞ্চতো তেখেতলোকে বিভ্ৰান্তিৰ সৃষ্টি কৰিবলৈ যত্ন কৰিছে। সেয়েহে গুৰুজনাৰ ধৰ্ম-দৰ্শনৰ তত্ত্ব বুজা আৰু সঙ্ঘৰ উদ্দেশ্যৰ কথা জনা অসমৰ চিন্তাশীল একাংশ লোকে বাতৰি কাকতৰ যোগেদি গ্ৰন্থখনৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে। গুৰুজনাৰ ধৰ্ম-দৰ্শনৰ অনুসৰণকাৰী শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘইও সেয়েহে এখনি প্ৰতিবাদী গ্ৰন্থ প্ৰকাশৰ সিদ্ধান্ত লয়। অৱশ্যে ইয়াৰ পূৰ্বেই সঙ্ঘই কলিয়াবৰ অধিৱেশনস্থলীত বিক্ৰী নিষিদ্ধ ঘোষণা কৰি গ্ৰন্থখনৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল। সঙ্ঘৰ দ্বাৰা প্ৰকাশিত প্ৰতিবাদী গ্ৰন্থখনৰ শিৰোনাম ৰখা হৈছে - ‘স্খলন নাহিকে কদাচিত’। এই গ্ৰন্থৰ দ্বাৰা লেখকে সৃষ্টি কৰা বিভ্ৰান্তি দূৰ কৰাৰ উপৰি বাতৰি কাকতত প্ৰকাশিত সঙ্ঘৰ বিদ্বেষীসকলকো উত্তৰ প্ৰদান কৰা হৈছে।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ হৈ গ্ৰন্থখন প্ৰস্তুত কৰি দিয়াৰ বাবে সাহিত্য শাখাৰ সভাপতি শ্ৰীজীৱকান্ত নাথ বাপলৈ সঙ্ঘৰ তৰফৰ পৰা কৃতজ্ঞতা আৰু শলাগ জ্ঞাপন কৰিলোঁ। গ্ৰন্থখনি প্ৰকাশৰ পূৰ্বে কাৰ্যনিৰ্বাহকৰ সিদ্ধান্ত মৰ্মে উপ-পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকা আৰু সাহিত্য গৱেষণা পৰিষদৰ গৱেষক ড° ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী বাপে প্ৰস্তুত গ্ৰন্থখন নিৰীক্ষণ কৰি সু-পৰামৰ্শ আগবঢ়ায়। দুয়োগৰাকী বাপলৈ সঙ্ঘৰ হৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। গ্ৰন্থখনত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ শ্ৰীযুত ৰজনীকান্ত দত্তবাপে ‘পদাধিকাৰৰ একাষাৰ’ত নিজৰ অভিমত ব্যক্ত কৰিছে। তেখেতলৈকো কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। গ্ৰন্থখন প্ৰস্তুত কৰোঁতে যিসকল সদাশয় ব্যক্তি তথা বাপ-বান্ধৱে সহায়ৰ হাত আগবঢ়ালে, সেই সকললৈয়ো আমাৰ ফালৰ পৰা শলাগ যাচিছোঁ।

গ্ৰন্থখনিৰ অক্ষৰ বিন্যাস কৰোঁতা সঙ্ঘৰ সঙ্গী শ্ৰীচিটুল কুমাৰ ডেকা আৰু মাতৃ অফছেট প্ৰেছৰ স্বত্বাধিকাৰী প্ৰমুখ্যে কৰ্মচাৰীবৃন্দলৈ ধন্যবাদ জনাইছোঁ।

আমাৰ আশা, এই গ্ৰন্থখনিৰ জৰিয়তে সহৃদয় পাঠকসকল নিশ্চয় উপকৃত হ’ব আৰু পাঠকসমাজে সঙ্ঘ বিদ্বেষীসকলৰ বিদ্বেষৰ কাৰণ বিচাৰি পাব। আমি আশা কৰিছোঁ, গুৰুজনাৰ ধৰ্ম-দৰ্শনৰ তত্ত্বজ্ঞান আহৰণ কৰি আজি আশী বছৰে তাক সমাজত কাৰ্যকৰী ৰূপ দিয়া অনুষ্ঠানটোৰ লক্ষ্যৰ সম্ভেদ লৈহে যেন ভৱিষ্যতলৈ কোনো ব্যক্তি সমালোচনাত প্ৰবৃত্ত হয়। চালে-বেৰে কোবোৱা কথাই সমাজত পোহৰৰ পথ দেখুৱাব নোৱাৰে।

সেৱাৰে -

মূল কাৰ্যালয় ঃ
নগাঁও, কলংপাৰ
মে/২০১২, ৫৬৩ শঙ্কৰাব্দ

হৰিপ্ৰসাদ হাজৰিকা
প্ৰধান সম্পাদক
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

## জয় গুৰু শঙ্কৰ
# সাহিত্য শাখাৰ সম্পাদকৰ বক্তব্য

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ২০১১-১২ বৰ্ষৰ কলিয়াবৰ অধিৱেশনৰ আগে আগে বাতৰি কাকতত প্ৰকাশিত এটা বাতৰিয়ে অধিৱেশনৰ উৎসাহ উদ্দীপনাত ৰঙিয়াল হৈ থকা ভকত বৈষ্ণৱৰ মনলৈ বিষাদৰ এছাটি কলীয়া ডাৱৰ কঢ়িয়াই আনে। ২০১২ চনৰ ৩০ জানুৱাৰী তাৰিখৰ দূৰদৰ্শন আৰু ৩১ জানুৱাৰী তাৰিখৰ বাতৰি কাকতসমূহত প্ৰকাশ পায় যে জনৈক ময়ূৰ বৰা নামৰ এজন লেখকে 'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ' নামেৰে এখন কিতাপ লিখি প্ৰকাশ কৰিছে আৰু সেই গ্ৰন্থখন গুৱাহাটীত এটা জাকজমকীয়া অনুষ্ঠান আয়োজন কৰি অসম সাহিত্য সভাৰ সন্মানীয় প্ৰাক্তন সভাপতি শ্ৰীযুত লক্ষ্মীনন্দন বৰাদেৱৰ দ্বাৰা উন্মোচন কৰোৱা হৈছে। কিতাপখনৰ শিৰোনাম, সেইখনৰ উন্মোচনী অনুষ্ঠানৰ প্ৰচাৰৰ ব্যাপকতা আৰু সংবাদ মাধ্যমত প্ৰকাশ পোৱা কথাবোৰে সঙ্ঘৰ সদস্যসকলক তৎমুহূৰ্ততেই এই সকীয়নী দিছিল যে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ বিৰুদ্ধবাদীসকলৰ এয়া অন্যতম কৌশলী আৰু দীৰ্ঘম্যাদী আক্ৰমণ। অনুসন্ধিৎসু সদস্যসকলৰ দুই একে কিতাপখন সংগ্ৰহ কৰি তাৰ পাত লুটিয়াই দেখে যে অনুমান কৰাত কৈ আক্ৰমণ অধিক শক্তিশালী। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ভকত বৈষ্ণৱৰ হাতত অৰ্পণ কৰা কিতাপখনত নিৰ্মম নিদাৰুণভাৱে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ '....বৌদ্ধিক দিশত লাজ লগা ধৰণে বিভ্ৰান্ত' হোৱা, 'দূৰদৃষ্টিহীনতা আৰু বৌদ্ধিক তাৰল্যৰ বাবে সংখ্যাগত দিশত অধিক সদস্য থকা সত্বেও তাৰ সমানুপাতিকভাৱে গুৰুজনাৰ আদৰ্শৰ সকলো দিশ সঙ্ঘই মানুহৰ মাজত জনপ্ৰিয় কৰিব' নোৱাৰা, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ 'বৌদ্ধিক যানজঁটত আৱদ্ধ হৈ' পৰা, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ 'প্ৰয়োজনাধিক ৰক্ষণশীলতা, গোড়ামি আৰু আচাৰ-নীতিকেন্দ্ৰিক মানসিকতা', শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ 'হকে-বিহকে বামুণক গালি' পাৰি থকা এটা অনুষ্ঠান, 'নিৰ্লিপ্ততাৰ ধ্বজাবাহী শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ', 'শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নেতৃবৃন্দৰ হিন্দী ইংৰাজী ভাষাৰ জ্ঞান নাই', 'গুৰুজনাক লোকাচাৰৰ চক্ৰবেহুত আৱদ্ধ কৰি সংঘই তেওঁৰ বিশাল মানৱতাবাদী দৰ্শনক লুকুৱাই পেলাইছে' - আদি অনুষ্ঠানটোৰ ওপৰত এটাৰ পিছত এটা কলঙ্ক জাপি দিব বিচৰা হৈছে আৰু কিতাপখনৰ প্ৰতিটো অধ্যায়ত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ নেতৃবৃন্দৰ বিৰুদ্ধে অতি নিম্ন মানৰ অশালীন মন্তব্য প্ৰকাশ কৰি লেখকগৰাকী আত্মতৃপ্তিত আত্মহাৰা হৈছে। ৫ ফেব্ৰুৱাৰী/২০১২ তাৰিখে কলিয়াবৰ অধিৱেশন থলীত অনুষ্ঠিত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যনিৰ্বাহক সভাত সঙ্ঘ-নিন্দাৰে কুখ্যাত এই গ্ৰন্থখনিৰ বিষয়ে গভীৰভাৱে আলোচনা কৰা হয় আৰু নিম্নলিখিত কাৰণসমূহৰ আধাৰত গ্ৰন্থখনি অধিৱেশনথলীত বিক্ৰী কৰাটো নিষিদ্ধ কৰাৰ সিদ্ধান্ত লোৱা হয় -

১/ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰতিষ্ঠা কালৰ সদস্য সনতৰাম বৰাৰ নাতিয়েক আৰু এই অনুষ্ঠানটোৰ শুভাকাঙ্খী বুলি পৰিচয় দি অনুষ্ঠানটোৰ বাপ-আইসকললৈ আগবঢ়োৱা গ্ৰন্থখনিত বৰাই শ্ৰীমন্ত শঙ্কৰদেৱৰ আন এগৰাকী শিষ্য দামোদৰদেৱ সম্পৰ্কে কিছুমান অশালীন মন্তব্য কৰিছে, যিবোৰ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই মুঠেই সমৰ্থন নকৰে। বৰাই লিখিছে - **"মহান পুৰুষ বুলি সকলোৰে পৰা স্বীকৃতি পোৱা সত্বেও যে সকলো চাৰিত্ৰিক দুৰ্বলতা মানুহে পৰিহাৰ কৰিব নোৱাৰে; তাৰ জলন্ত উদাহৰণ হৈছে দামোদৰদেৱ। মনত থকা প্ৰৱল আত্মবোধৰ (ego) বাবেই তেওঁ মাধৱদেৱক শংকৰদেৱে ধৰ্মীয় উত্তৰাধিকাৰী পাতি থৈ যোৱা কথাটো সমূলি গ্ৰহণ কৰিব পৰা নাছিল। কিন্তু অপ্ৰিয় হ'লেও এটা কথা ক'বই লাগিব যে অসমৰ বৈষ্ণৱ ইতিহাসৰ লগত কিঞ্চিৎমানো সম্পৰ্ক থকা আৰু বস্তুনিষ্ঠভাৱে চিন্তা কৰা মানুহৰ বাবে দামোদৰদেৱ কোনো ক্ষেত্ৰতেই মাধৱদেৱৰ সমকক্ষ হ'ব নোৱাৰে। তথাপি দামোদৰদেৱে নিজৰ সীমাবদ্ধতাৰ কথা পাহৰি আৰু আত্মবোধৰ দ্বাৰা প্ৰয়োজনাধিকভাৱে উদ্বুদ্ধ হৈ মাধৱদেৱৰ লগ এৰিছিল। এই কথা কিছু ভিন্ন ধৰণে অসমৰ দুজন প্ৰসিদ্ধ পণ্ডিত ড° মহেশ্বৰ নেওগ আৰু ড° সত্যেন্দ্ৰ নাথ শৰ্মাই তেওঁলোকৰ জীৱনৰ অন্যতম কীৰ্তিস্তম্ভস্বৰূপ 'Sankardev and His Times' আৰু 'The Neo-Vaishnavite and Satra Institution of Assam' গ্ৰন্থ দুখনত প্ৰকাশ কৰি থৈ গৈছে।"** (পৃ. ১৪-১৫) গুৰুত্বপূৰ্ণ কথা - দামোদৰদেৱ সম্পৰ্কে বৰাই কৰা অপমানজনক মন্তব্যবোৰৰ দায়িত্ব অসমৰ দুগৰাকী পণ্ডিতৰ মূৰত জাপি দিছে তেখেতসকলৰ গ্ৰন্থৰ এটা বাক্যৰো উদ্ধৃতি নিদিয়াকৈ। বৰাৰ এই কাৰ্যই অসমীয়া সমাজখনত সাম্প্ৰদায়িক বিষবাষ্প বিয়পোৱাৰ সম্ভাৱনা সুচাইছে আৰু তাৰ দোষৰ চিটিকনি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ গাতো পৰাৰ সম্ভাৱনা বৰাই কৰা কামৰ মাজতে নিহিত হৈ আছে।

২/ গুৰুজনাৰ আদৰ্শক এশ শতাংশ শুদ্ধ ৰূপত পালন কৰি অহা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘত জাত-পাতৰ বিচাৰ থকা বুলি আৰু নিম্নজাতিৰ লোক হোৱা বাবেই ইলাৰাম দাসক সঙ্ঘৰ পৰা বহিস্কাৰ কৰা বুলি ভিত্তিহীন আৰু চূড়ান্ত দায়িত্বহীন অভিযোগ উত্থাপন কৰি বৰাই অনুষ্ঠানটোক জনমানসত হেয় প্ৰতিপন্ন কৰাৰ নীচ ষড়যন্ত্ৰ কৰিছে। মন কৰিবলগীয়া কথা বৰাই লোকৰ মুখে শুনা কথাৰ ওপৰত নিৰ্ভৰ কৰিয়ে এই বৃহৎ অনুষ্ঠানটোৰ বিৰুদ্ধে এই ধ্বংসাত্মক অভিযোগ উত্থাপন কৰিছে। বৰাৰ এই কথাখিনি

পঢ়ক - "**ইলাৰাম দাস আৰু সংঘৰ তদানীন্তন নেতৃবৰ্গৰ সংঘাতৰ বিষয়ে নানা কথা জনা যায়। সঁচা কথা ক'বলৈ গ'লে এই সংঘাতত কোন কিমান দোষী সেই কথাতো ডাঠি কোৱা দিগ্‌দাৰ। কিন্তু গুৰুজনাৰ আদৰ্শক চালিকা শক্তি কৰি গঢ় লৈ উঠা এটা অনুষ্ঠানৰ মাজত জাত-পাতৰ কথা আহি পৰাটো আছিল অত্যন্ত লজ্জাজনক।**" (পৃ. ৬৬)

আনহাতে শ্ৰীমন্ত শঙ্কৰদেৱে সৃষ্টি কৰা নৃত্যগীতৰ ধাৰাটোৰ নাম সৃষ্টিকৰ্তাগৰাকীৰ নামেৰে 'শঙ্কৰী নৃত্য' আৰু 'শঙ্কৰী সঙ্গীত' হ'ব লাগে বুলি শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘই কৰা দাবীটো এটা সাংঘাতিক ভুল বুলি, সেই ভুলৰ বাবে ক্ষমা খুজিব নোৱাৰাটোৱে সঁঘক বৌদ্ধিকভাৱে নিস্তেজ কৰা বুলি আৰু সেই দাবীটোৱে অসমৰ সদ্যপ্ৰয়াত আধুনিক অসমৰ সবাতোকৈ জনপ্ৰিয় কণ্ঠশিল্পী ড° ভূপেন হাজৰিকাক সঁঘই মনোকষ্ট দিয়া বুলি অভিযোগ আনি অনুষ্ঠানটোক জনমানসত হেয় প্ৰতিপন্ন কৰাৰ অহিন এক অপচেষ্টা কৰিছে।

৩/ শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘক ধ্বংস কৰিবলৈ বৰাই কৰা অপচেষ্টাৰ চূড়ান্ত নিদৰ্শন ফুটি উঠিছে কিতাপখনৰ ৭৩-৭৫ পৃষ্ঠাত। গোটেই কিতাপখনতে বৰাই অসমৰ ব্ৰাহ্মণ সম্প্ৰদায়টোক 'বামুণ বামুণ' বুলি লিখি তেখেতসকলৰ প্ৰতি একপ্ৰকাৰৰ তাচ্ছিল্যৰ মনোভাৱ প্ৰকাশ কৰিছে। সাপ হৈ খুটি বেজ হৈ জাৰিবলৈ ভাল পোৱা বৰাই সেই সম্প্ৰদায়ৰ লোকসকলৰ মন জিনি শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘৰ বিৰুদ্ধে সম্প্ৰদায়টোক উচটনি দিবলৈ লিখিছে - "**... শংকৰ সংঘৰ এচাম নেতায়ো আজিকালি কথাই প্ৰতি সামগ্ৰিকভাৱে বামুণ জাতিটোক ব্যংগ, শ্লেষ আৰু ভৰ্ৎসনাৰ লক্ষ্য কৰি লোৱা দেখা যায়।**" তাৰ পিছত বৰাই অতি বিজ্ঞৰ দৰে শ্ৰীমন্ত শঙ্কৰদেৱৰ ব্ৰাহ্মণ শিষ্যসকলৰ তালিকা দিছে আৰু বেজবৰুৱাকে ধৰি আধুনিক অসমৰ কোন কোন ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোকে গুৰুজনাৰ ধৰ্ম প্ৰচাৰ-প্ৰসাৰৰ বাবে কিমান অৱদান আগবঢ়াইছে তাৰ বৰ্ণনা দিছে যেন শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘৰ কোনো সদস্যই সেইবোৰ কথা আজিলৈকে শুনাই নাই আৰু সেইবাবে তেওঁলোক অসমীয়া মানুহৰ ভিতৰতে মহামূৰ্খ হৈ আছে। কিতাপখনৰ আৰম্ভণিতে ব্ৰহ্মসংহতিৰ প্ৰতিষ্ঠাতা দামোদৰদেৱক খলনায়ক ৰূপে প্ৰতিষ্ঠা কৰিবৰ চেষ্টা কৰা বৰাই ইয়াত লিখিছে - "**বামুণক আক্ৰমণৰ লক্ষ্য কৰি লৈ সংঘই গুৰুজনাৰ প্ৰতি অনুৰক্ত এচাম ব্ৰাহ্মণ সম্প্ৰদায়ৰ পুৰুষ, নিকা আৰু কালসংহতিভুক্ত সত্ৰৰ সত্ৰাধিকাৰৰ পৰিয়ালক লাহে লাহে গুৰুজনাৰ দৰ্শনৰ পৰা আঁতৰাই পঠাইছে।**" বৰাৰ নিচিনা বুদ্ধিজীৱীয়ে নেজানিলেও অসমৰ মানুহে জানে যে শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘই বৈষ্ণৱ ধৰ্মৰ কোনোটো সংহতিক প্ৰতিনিধিত্ব নকৰে। এই অনুষ্ঠানে কোনোটো সংহতিৰ নিয়ম মতেও নচলে, কোনোটো সংহতিৰ প্ৰতি বিদ্বেষ পোষণো নকৰে। শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘ গুৰুজনা আৰু তেখেতৰ প্ৰধান শিষ্য মহাপুৰুষ মাধৱদেৱৰ গ্ৰন্থসমূহত লিপিবদ্ধ হৈ থকা নীতি-আদৰ্শমতেহে পৰিচালিত হয়। সঁঘৰ নীতি-আদৰ্শ, কাৰ্যাৱলী আদিৰ বিষয়ে সম্পূৰ্ণ অমনোযোগী বৰাই নেজানিলেও সাধাৰণ অসমীয়া মানুহে জানে যে প্ৰয়াত অচ্যুত কৃষ্ণ মিশ্ৰ বাপৰ নিচিনা নৈষ্ঠিক ব্ৰাহ্মণে সঁঘৰ পদাধিকাৰৰ আসন অলংকৃত কৰাৰ উপৰি মৃত্যুৰ দিনালৈকে শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘৰ নীতি-আদৰ্শ প্ৰচাৰ-প্ৰসাৰকে জীৱনৰ ব্ৰত হিচাপে পালন কৰি গৈছে। বৰাৰ নিচিনা বুদ্ধিজীৱীৰ চাৰিওটা গুণেৰে সমৃদ্ধ লোকজনে খবৰ নেপালেও বেছিভাগ অসমীয়া মানুহে জানে যে শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘৰ নীতি-আদৰ্শ অনুসৰণ কৰা নকৰা সাম্প্ৰতিক সময়ৰ অনেক গুণী-জ্ঞানী ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোকে শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘৰ আহ্বানৰ প্ৰতি সহাৰি জনাই সঁঘৰ বিভিন্ন কামত সহযোগ কৰি আহিছে। এই কথাৰ প্ৰমাণ হিচাপে আমি মাত্ৰ শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘৰ দ্বাৰা প্ৰকাশিত হৈ অহা 'MAHAPURUSHA JYOTI' নামৰ ইংৰাজী জাৰ্ণেলখনৰ কথা উল্লেখ কৰিব বিচাৰিছো। জাৰ্ণেলখনৰ সংখ্যাবোৰৰ সূচীপৃষ্ঠাত চালে দেখা যায় অন্যান্য পণ্ডিতসকলৰ লগত ব্ৰাহ্মণ সম্প্ৰদায়ৰ ড° প্ৰফুল্ল দত্ত গোস্বামী, ড° মুকুন্দ মাধৱ শৰ্মা, ড° অশোক কুমাৰ গোস্বামী, ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তী, ড° অমলেন্দু চক্ৰৱৰ্তী, ড° নগেন্দ্ৰ নাথ আচাৰ্য, ড° দীপক কুমাৰ শৰ্মা আদি ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিদ্বান মণ্ডলী আৰু ড° অঞ্জলী শৰ্মা, ড° মালিনী গোস্বামী, ড° হীৰণ শৰ্মা, ড° নন্দিতা ভট্টাচাৰ্যী গোস্বামী, ড° প্ৰণীতা দেৱী, ড° মাইনা শৰ্মা আদি বিদূষীসকলে গভীৰ সাধনাৰে লিখা গৱেষণামূলক লেখাসমূহেও সেই সংখ্যাবোৰ সমৃদ্ধ কৰিছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘক 'বামুণ বিদ্বেষী' অনুষ্ঠান বুলি প্ৰতিপন্ন কৰিবলৈ গৈ এই লিখকজনে এই নমস্য পণ্ডিতসকলকো নিদাৰুণভাৱে অপমান কৰিছে আৰু নিজৰ সম্প্ৰদায়টোৰ মাজত তেখেতসকলক খলনায়ক সজাবলৈ গৈছে। কাৰণ এতিয়া সাধাৰণ মানুহে এনে ধাৰণা কৰিব পাৰে যে নিজৰ সম্প্ৰদায়টোক গালিগালাজ পাৰি অপমান কৰি থকা অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘৰ লগত হলিগলি কৰি এইসকল লোকে ব্ৰাহ্মণ সম্প্ৰদায়টোক চূড়ান্ত অপমান কৰিছে।

কিতাপখনত ওপৰত উল্লেখ কৰা নীচ উদ্দেশ্য আৰু ষড়যন্ত্ৰসমূহ নিহিত থকাৰ উপৰি বৰাই অনুষ্ঠানটো আৰু ইয়াৰ নেতৃবৃন্দৰ বিৰুদ্ধে প্ৰয়োগ কৰিছে অতি অশালীন, ভিত্তিহীন কিছুমান মন্তব্য। যেনে, শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘৰ বৰ্তমানৰ পদাধিকাৰগৰাকী হেনো '**ৰাবাৰ ষ্টাম্প**', প্ৰধান সম্পাদকে হেনো তেওঁক ৰাবাৰ ষ্টাম্প হিচাপে ব্যৱহাৰ কৰি সকলো ক্ষমতা কুক্ষীগত কৰিছে, শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘ হেনো '**মৌলবাদী, তালিবানী আদৰ্শৰে অনুপ্ৰাণিত**', '**বৌদ্ধিক দিশত লাজলগা ধৰণে বিভ্ৰান্ত**' অনুষ্ঠান। শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘৰ নেতৃত্বৰ হেনো '**শৰীৰৰ ছাল গঁড়ৰ দৰে হৈ পৰিছে**' তেওঁলোক হেনো '**চকুমুদা কুলি হৈ থাকে**', 'তেওঁলোকে অনুষ্ঠিত কৰা যিকোনো সভা-সমিতিত ডিঙি ফুলাই ফুলাই বক্তৃতা প্ৰদান কৰি ৰাইজৰ হাতচাপৰিৰে

নিজৰ আত্মবোধ (ego)ক তৃপ্ত কৰে' আৰু 'তেওঁলোকে বাতৰি কাকত আৰু আলোচনীৰ যোগেদি প্ৰকাশ পোৱা যিকোনো বিতৰ্কৰ সময়ত **বালিত মূৰ গোঁজা উটপক্ষী** বা **ভিজা মেকুৰী**ৰ দৰে আচৰণ কৰে' ইত্যাদি। এনেবোৰ নীচ ষড়যন্ত্ৰ আৰু নীচ মন্তব্যৰে পৰিপূৰ্ণ কিতাপখন লিখি লিখকজনে তাকে আকৌ সঙ্ঘৰে **'প্ৰতিগৰাকী সংগী আই আৰু বাপলৈ'** আগবঢ়োৱাই নহয়, কিতাপখনৰ প্ৰকাশন গোষ্ঠীটোৱে সঙ্ঘৰ ভকতৰ ওচৰতে তাক বিক্ৰী কৰি ধন ঘটিবৰ অভিপ্ৰায়েৰে অধিৱেশনৰ আদৰণী সমিতিৰ পৰা প্ৰদৰ্শনী থলীত বিক্ৰীকেন্দ্ৰ (Stall) লৈ সাজু হৈ আছিল। এনে ষড়যন্ত্ৰ প্ৰতিহত কৰাৰ স্বাৰ্থত মূল কাৰ্যনিৰ্বাহকে কুখ্যাত গ্ৰন্থখনৰ বিক্ৰী সঙ্ঘৰ অধিৱেশন থলীত নিষিদ্ধ কৰাৰ লগতে সাহিত্য শাখা সমিতিক এমাহৰ ভিতৰতে ইয়াৰ প্ৰতিবাদী গ্ৰন্থ এখনি প্ৰস্তুত কৰি তাৰ পাণ্ডুলিপি মূল কাৰ্যনিৰ্বাহকত দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। কাৰ্যনিৰ্বাহকৰ সেই নিৰ্দেশতেই সৃষ্টি হ'ল এই গ্ৰন্থৰ।

ময়ূৰ বৰা নামৰ ব্যক্তিগৰাকীৰ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ বিৰুদ্ধে ষড়যন্ত্ৰ বা আক্ৰমণ এয়াই প্ৰথম নহয়। Assam Tribune কাকতৰ ২ জুলাই/২০১১ তাৰিখৰ Saturday Special 'HORIZON'ত প্ৰকাশ পোৱাৰ উপৰি 'ফল'ৱাৰ্ছ অৱ শ্ৰীমন্ত শঙ্কৰদেৱ' নামৰ গোট এটাৰ (যিটো গোটৰ বৰা নিজে এজন সদস্য) ফেচবুকৰ পৃষ্ঠাতো একেদিনাই উপলব্ধ হৈছিল বৰাৰ এটা লেখা য'ত 'ফল'ৱাৰ্ছ অৱ শ্ৰীমন্ত শঙ্কৰদেৱ' নামৰ ফেচবুকৰ গোটটোৰ মহত্ত্ব প্ৰচাৰ কৰিবলৈ গৈ বৰাই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ উপৰি অসম সাহিত্য সভা, অসম সত্ৰ মহাসভা আদিক কটু সমালোচনা কৰিছিল। বৰাৰ সেই লিখনিটোৰ কিয়দংশ ইয়াত উদ্ধৃত কৰা হ'ল - "...Regrettably, two other non-political organizations of the state viz., Asam Sahitya Sabha and Srimanta Sankaradeva Sangha have also failed to effectively disseminate the principles of Sankaradeva outside Assam. People had a lot of faith in them as they are quite popular and wield great influence among the common people. However, it is a matter of great concern that both the organizations have been bogged down by the internal petty politics. As a result lofty objectives of these organizations remain only on paper. The style of functioning of these organizations often reaffirmed the fact contained in the old dictum –'missing the woods for the trees'. Sahitya Sabha can do something meaningful in this regard, but for the reasons best known to them; they always soft-pedal the issue after the concerned meeting or seminar is over. There is no doubt about the willingness of Sankar Sangha in this regard, but honestly speaking the intellectual adequacy of the some of their top people to popularize Sankaradeva's ideologies outside Assam is not reasonable doubt. Therefore, neither we have seen much in the past nor can we expect much from these two gigantic organizations in the future." ইণ্টাৰনেটৰ ফেচবুক আৰু The Assam Tribune কাকতত প্ৰকাশ পোৱা বৰাৰ সেই লিখনিৰ ইণ্টাৰনেট আৰু বাতৰি কাকত দুয়োটা মাধ্যমতে প্ৰতিবাদ হৈছিল। ফেচবুকৰ 'ফল'ৱাৰ্ছ অৱ শ্ৰীমন্ত শঙ্কৰদেৱ'ৰ পৃষ্ঠাত সেই প্ৰবন্ধটো দেখি প্ৰথমে atributetosankaradeva.org নামৰ ৱেবচাইটটোৰ এডিটৰগৰাকীয়ে তাৰ প্ৰতিবাদ কৰি এই গোটৰ প্ৰশাসকসকললৈ লিখা চিঠিখন পাঠকসকলৰ জ্ঞাতাৰ্থে ইয়াত সন্নিৱিষ্ট কৰি দিয়া হ'ল -

Date: Sat, 02 Jul 2011 06:29:06 -0500
From: editor@atributetosankaradeva.org
Subject: Protest Against Uncultured Article 'Saint on the Net'
To : drsanjib.borkakoti@gmail.com, bj.mahanta@gmail.com,
kumarsanjayk@hotmail.com, skmahanta@gmail.com, mgohain@facebook.com
Cc: mayurbora@yahoo.com

JAI GURU SANKARA

Dear Administrators of Facebook Group 'Followers of Srimanta Sankaradeva',
Krishna!
Our attention is drawn to the article, 'Saint on the Net' (Assam Tribune, Horizon, Saturday Special, July 02, 2011) written by one of your members, Mayur Bora (URL,http://www.assamtribune.com/scripts/showpage.asp?id=Horizon%2C1%2C84%2C384%2C1335%2C1167).
We are very sorry to let you know that we take strong exception to the manner in which Mr. Bora has sought to 'advertise' your group through this article. Surely, this is not the way in which 'Followers of Srimanta Sankaradeva' can expect to draw attention to itself. In particular, we strongly object to and protest against the uncivilized and thoroughly unqualified manner in which Mr. Bora has sought to denigrate the Srimanta Sankaradeva Sangha along with other institutions like the Sattra and the Assam Sahitya Sabha. Our site 'A Tribute to Sankaradeva' works in close collaboration with the Srimanta Sankaradeva Sangha and we deem it our responsibility to write these lines to you.

In his 'article', Mr Bora has made a number of sweeping and unsubstantiated statements against the Sangha:-

1."The Sangha has failed to effectively disseminate the principles of Sankaradeva outside Assam." (Citation Needed)

2. "It is a matter of concern that both organizations have been bogged down by their internal petty politics" (Citation Needed)Moreover,if these were not enough, betraying a mentality of the most vulgar kind, Mr Bora even goes to question the intellectual calibre of the 'top people' of the Sangha [the Sangha, Mr. Mayur Bora would do well to know, is not run like an MNC, where there are some 'top' people and 'bottom' people. If his intellect would give him the consent to do so, then he may read a little bit about the Sangha on the following pages:-

http://www.atributetosankaradeva.org /Assam_Vaisnavism_ %20and_Sankaradeva_Sangha.pdf.

and here, http://www.atributetosankaradeva.org/Sangha.htm]

3."The intellectual adequacy of some of their top people to popularize Sankaradeva's ideologies outside Assam is not beyond reasonable doubt" (has Mr. Bora devised some sort of a 'meter' to gauge the intellect of the leaders of the Sangha?)This last statement is clearly an uncivilized remark and it goes against the very guideline of this Group to air one's views in a cultured manner. Constructive criticism of any organization is always welcome but mud-slinging, never. Moreover, we might well ask, what is the 'intellectual adequacy' of a person who makes unsubstantiated statements? Does Mr. Bora know that his 'article' insults lakhs of devotees and devotee-scholars of the Sangha like the venerable Vaisnava Pandit of Assam, Sonaram Chutiya and other intellectuals who have made the most distinguished contribution to the Sankaradeva Movement? Does he know that the founder of his own group, our most respected Dr. SK Borkakoti, is actively associated with the Sangha? [Member, Cultural Research Council, Srimanta Sankaradeva Sangha, 2007-2009 & Member, Masterplan Committee, Mahapurusha Srimanta Sankaradeva Vishwavidyalaya, Srimanta Sankaradeva Sangha, Nagaon, 2005; http://borkakoti.blogspot.com/2011/05/my-research-association.html]. Administrators, there is a very clear guideline on your site which reads, "The group members subscribe to the egalitarian philosophy of the Saint, who taught people to treat every being as equal". Does that 'equality' extend to the field of 'intellectual calibre' also or do the members have full license to question the intellectual adequacy' of the 'top people' of the Sangha? If yes, then we request you kindly to delete the posts by Mayur Bora advertising his 'intellectual brilliance' or else we would feel that the message of Sankaradeva and Madhavadeva (Who, by the way, for Mr. Bora's information, viewed themselves as only a 'servant' (kinkara) and a 'foolish-one' (murukhamati) - not 'intellectuals', mind you) is NOT being propagated in the right manner and spirit on your site.

Best Regards,
editor

আনহাতে ‘আমাৰ অসম’ কাকতৰ ১৪ জুলাই ২০১১ তাৰিখৰ সংখ্যাত নৱৰেৰ পৰা পঙ্কজ বৰা আৰু দিল্লীৰ পৰা হিমজ্যোতি তালুকদাৰে লিখা চিঠি দুখন যুক্তিপূৰ্ণ বুলি মানি লৈয়ো ময়ূৰ বৰাই নিজৰ দোষ স্বীকাৰ কৰাৰ পৰিৱৰ্তে পঙ্কজ বৰাৰ চিঠিখনত আৱেগৰ বন্যা থকা বুলি অভিযোগ কৰি “আৱেগৰ উচ্ছাসত যেতিয়া যুক্তিয়ে উজুটি খায় ... ইণ্টাৰনেটত শ্ৰীমন্ত শঙ্কৰদেৱৰ সম্পৰ্কীয় বিতৰ্ক” শীৰ্ষক লেখা এটি প্ৰকাশ কৰে য'ত তেওঁ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ বিৰুদ্ধে কেতবোৰ অভিযোগ সাজি উলিয়াইছে আৰু অনুষ্ঠানটোৰ প্ৰতিষ্ঠা কালৰ সদস্য সনতৰাম বৰাৰ নাতি হোৱাৰ সূত্ৰে নে ‘বুদ্ধিজীৱীৰ চাৰিওটা গুণ আয়ত্ব কৰিব পৰা'ৰ গৌৰৱৰ আতিশয্যতে সঙ্ঘৰ নেতৃবৃন্দক সাৱধান বাণী শুনাই শাসন কৰিব নোৱাৰি বৰাই আৰু কিছু অভিযোগ সংযোগ কৰি লগতে কিছুমান অশালীন, বৰ্বৰ গালি-গালাজৰ হেঙুল হাইতাল বোলাই ‘পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ’ নামৰ কুৎসাৰটনাকাৰী কিতাপখন প্ৰস্তুত কৰিছে।

আমোদজনক কথাটো হ'ল কিতাপখন শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘক ভাল পাইহে লিখা বুলি প্ৰতিপন্ন কৰিব বিচাৰে। গ্ৰন্থখনি পঢ়ি এটা কথাত আমি আচৰিত হ'লো যে ককাকৰ দিনৰে পৰা নিজৰ পিতৃবংশৰ লগতে নিজৰ শহুৰেকৰ বংশৰ লোকসকলো গুৰুজনাৰ ধৰ্মৰ একান্ত অনুগামী বুলি নিজেই কোৱা ময়ূৰ বৰাৰ গ্ৰন্থখনিৰ ক'তো মহাপুৰুষজনাৰ (অথবা তাৰাৰ প্ৰিয় শিষ্য মাধৱদেৱৰ) অনুপম সাহিত্যৰাজিৰ, তাৰাৰ আদৰ্শ প্ৰকাশক মহান বাণীসমূহৰ এটা পদো পাবলৈ নাই, যিটোৱে প্ৰমাণ কৰে যে গুৰুজনাৰ সৃষ্টিৰাজিৰ লগত বৰাৰ কোনো পৰিচয় নাই।

ময়ূৰ বৰাৰ লগতে অসমৰ কিছুসংখ্যক বুদ্ধিজীৱী, সাহিত্যিক, সাংবাদিকেও সেই সময়ছোৱাত ময়ূৰ বৰাক সমৰ্থন জনাবৰ বাবেই হওক অথবা সঙ্ঘৰ প্ৰতি পুহি ৰখা বহুদিনীয়া আখেজতে হওক, অনুষ্ঠানটোৰ বিৰূদ্ধে বিভিন্ন অভিযোগ আনিছিল আৰু ইয়াৰ কৰ্মকৰ্তা আৰু সদস্যসকলৰ প্ৰতি পক্ষপাতিত্বমূলক আচৰণ কৰিছিল। তাৰে কেইটামান নিদৰ্শন দাঙি ধৰা হ'ল -

গ্ৰন্থখনি উন্মোচন কৰি দিয়া ভাষণত অসমৰ প্ৰখ্যাত কথা সাহিত্যিক অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি লক্ষ্মীনন্দন বৰাদেৱে কৈছিল - "**... শংকৰ সংঘই কি কৰা উচিত বা অনুচিত আৰু সংঘৰ ভুল-ক্ৰুটীবোৰ আমি আঙুলিয়াই দেখুৱাব লাগিব। ময়ূৰ বৰাৰ পদক্ষেপ এইক্ষেত্ৰত সঁচাকৈ প্ৰশংসনীয়।**" ময়ূৰ বৰাৰ প্ৰশংসনীয় পদক্ষেপ স্বৰূপ গ্ৰন্থখনৰ ৬৩ পৃষ্ঠাত এইখিনি কথাও লিখা আছে - "**... কিন্তু লবীকেন্দ্ৰীক ৰাজনীতিৰ ধামখুমীয়াত তেনে কোনো স্থায়ী সাহিত্যকেন্দ্ৰিক কামৰ আভাস দেখিবলৈ পোৱা নাযায়। সাহিত্য সভাৰ সাম্প্ৰতিক ইতিহাসত একমাত্ৰ ব্যতিক্ৰম যশস্বী সাহিত্যিক হোমেন বৰগোহাঞিৰ সভাপতিত্বৰ কালছোৱাত আৰম্ভ কৰা বিশ্বকোষ প্ৰণয়নৰ কামটো।**" ময়ূৰ বৰাৰ উক্তিটোৱে হোমেন বৰগোহাঞিৰ বাহিৰে অসম সাহিত্য সভাৰ বাকী সন্মানীয় সভাপতিসকলক লবীকেন্দ্ৰিক ৰাজনীতি কৰা একোগৰাকী খলনায়কত পৰিণত কৰিলে। সেইসকলৰ ভিতৰত আছে বৰাৰ কিতাপ উন্মোচন কৰি প্ৰশংসাত পঞ্চমুখ হৈ পৰা ড° লক্ষ্মীনন্দন বৰা, যাৰ পৰামৰ্শ নমনা বাবে সঁঘক বৰাই 'নিৰ্লিপ্ততাৰ ধ্বজাবাহী' বুলিছে ড° নগেন শইকীয়া, সঁঘৰ কাৰ্যত দুখ পোৱা ড° ভূপেন হাজৰিকা আৰু অসমৰ ৰাইজৰ পৰা উচ্চ সন্মান পাই অহা অনেকগৰাকী গুণী-জ্ঞানী ব্যক্তি। Assam Tribune কাকতত শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘৰ লগতে অসম সাহিত্য সভাক it is a matter of great concern that both the organizations have been bogged down by the internal petty politics. As a result lofty objectives of these organizations remain only on paper. The style of functioning of these organizations often reaffirmed the fact contained in the old dictum -'missing the woods for the trees' বুলি তাচ্ছিল্যৰে অপমান কৰা ময়ূৰ বৰাৰ উপৰিউক্ত কথাৰে এজনৰ বাহিৰে বাকীবোৰ সভাপতিক খলনায়কত পৰিণত কৰা গ্ৰন্থখন উন্মোচিত হ'ল অসম সাহিত্য সভাৰে এগৰাকী সন্মানীয় সভাপতিৰ দ্বাৰা। অসমৰ ইতিহাসত ইয়াতকৈ মহত্বপূৰ্ণ ঘটনা আৰু কিজানি নঘটিব!

২০ ফেব্ৰুৱাৰী ২০১২ তাৰিখৰ 'আমাৰ অসম' কাকতত সমালোচক প্ৰফুল্ল বৰাদেৱে ময়ূৰ বৰাৰ গ্ৰন্থখনক প্ৰশংসা কৰি লিখা এটা লেখা প্ৰকাশ পালে, য'ত লেখক ময়ূৰ বৰাই শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘ সম্পৰ্কে কিমান ভাল ভাল কথা লেখিছে তাৰ তালিকা আকাৰে বৰ্ণনা দিলে কিন্তু বৰাই অনুষ্ঠানটোৰ বিৰুদ্ধে কৰা অশালীন, অৰুচিকৰ মন্তব্যবোৰৰ এটাৰো উল্লেখ নকৰিলে। বৰাৰ সেই পক্ষপাতিত্বমূলক লেখাটোৰ প্ৰতিবাদ কৰি সঁঘৰ সদস্য এগৰাকীয়ে যেতিয়া লেখা এটি পঠিয়ালে, তেতিয়া আমাৰ অসমৰ সম্পাদনা কক্ষৰ পৰা জনাই দিয়া হ'ল যে তেনেবোৰ বিতৰ্ক আমাৰ অসমৰ পাতত হ'বলৈ দিয়া নহয়। এটা অনুষ্ঠানৰ কুৎসা ৰটনা কৰি লিখা কুখ্যাত গ্ৰন্থ এখনক ভাল গ্ৰন্থ বুলি প্ৰতিপন্ন কৰিব বিচৰা পক্ষপাতিত্বপূৰ্ণ লেখা এটা যিখন কাকতত প্ৰকাশ পায়, তাত তাৰ প্ৰতিবাদ কৰি লিখা কথাখিনি প্ৰকাশ পোৱাৰ নিয়ম নাই।

DY365 নামৰ দূৰদৰ্শনৰ চেনেলটোত এদিন সঁঘৰ কোনো সদস্যক আমন্ত্ৰণ নজনোৱাকৈ সম্পূৰ্ণ একপক্ষীয়ভাৱে অনুষ্ঠানটোৰ বিৰুদ্ধে আৰু বৰাৰ গ্ৰন্থখনৰ সপক্ষে প্ৰচাৰ চলোৱা হ'ল (মন কৰিব এই কাৰ্যবোৰ শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘৰ অধিৱেশন চলি থকাৰ মাজতে কৰিলে)। সঁঘৰ ফালৰ পৰা এই কাৰ্যৰ প্ৰতিবাদ জনোৱাত চেনেলটোৱে আন এদিন সঁঘৰ সদস্য, ময়ূৰ বৰা আৰু সাংবাদিক অজিত ভূঞাক লৈ বিতৰ্কৰ আয়োজন কৰে যদিও চেনেলটোৰ ফালৰ পৰা যথেষ্ট পক্ষপাতিত্ব কৰা পৰিলক্ষিত হ'ল। অনুষ্ঠানটো আৰম্ভ হোৱাৰ আগৰ পৰাই চেনেলটোত এই দুটা কথা দৰ্শকক দেখুৱাই থকা হ'ল - 'পথভ্ৰষ্ট শঙ্কৰ সংঘ', 'নিয়মৰ মেৰপেচত সংঘ'। অৰ্থাৎ বিতৰ্ক আৰম্ভ নৌহওঁতেই সিদ্ধান্ত দিয়া হ'ল যে শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘ পথভ্ৰষ্ট হৈছে আৰু ই নিয়মৰ মেৰপেছত সোমাই পৰিছে। বিতৰ্ক চলি থাকোঁতেও পৰিচালকগৰাকীয়ে দৃষ্টিকটুভাৱে সঁঘৰ সদস্যগৰাকীৰ প্ৰতি অন্যায় আচৰণ কৰা দেখা গ'ল। দূৰদৰ্শনৰ সেই অনুষ্ঠানটোত সঁঘক আটাইতকৈ বেছি আক্ৰমণ কৰিছিল সাংবাদিক অজিত ভূঞাদেৱে। প্ৰথম মুখ খুলিয়ে তেখেতে কৈছে - "**উগ্ৰবাদী মৌলবাদী সংগঠনেহে গ্ৰন্থ নিষিদ্ধ কৰে। সঁঘই যিহেতু গ্ৰন্থ নিষিদ্ধ কৰিছে ই এটা উগ্ৰপন্থী মৌলবাদী সংগঠন।**" যিখন গ্ৰন্থৰ বিক্ৰী সঁঘৰ অধিৱেশনত নিষিদ্ধ কৰা বাবে ভূঞাদেৱে শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘক মৌলবাদী, উগ্ৰপন্থী আখ্যা দিলে সেইখন গ্ৰন্থৰ ৪৬ পৃষ্ঠাত 'শংকৰ বিভ্ৰাট' নামৰ গ্ৰন্থখনিৰ বিষয়ে এইখিনি কথা আছে - "**অসমৰ বিভিন্ন সংগঠনে আৰু বিভিন্ন ব্যক্তিয়ে ক্ৰোধত জ্বলি-পকি গ্ৰন্থখনৰ বিষয়ে নিজৰ উষ্ম প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। কিতাপখন অনতিপলমে নিষিদ্ধ কৰি শ্ৰীশৰ্মাক উচিত শাস্তি প্ৰদান কৰাৰ দাবীও ৰাজ্যখনৰ বিভিন্ন ঠাইত উঠিছিল। সদৌ অসম ছাত্ৰ সন্থায়ো কিতাপখন নিষিদ্ধ কৰাৰ ক্ষেত্ৰত কিছু বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছিল। ৰাজ্যৰ ছপা আৰু বৈদ্যুতিন মাধ্যম উভয়তে বহু লোকে কিতাপখনৰ বিৰুদ্ধে তীব্ৰ বিষোদ্‌গাৰ কৰিছিল।....**" এতিয়া ভূঞাদেৱৰ সূত্ৰমতে সদৌ অসম ছাত্ৰ সন্থাকে ধৰি ৰাজ্যৰ ছপা আৰু বৈদ্যুতিন মাধ্যমৰ সেই আটাইবোৰ লোক উগ্ৰপন্থী মৌলবাদী হ'ব দেখোন!

শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দ্বাৰা যুগ-যুগৰ ভাৰতীয় জ্ঞানসাধনাৰে পুষ্ট বেদ-বেদান্তৰ সাৰ স্বৰূপ শ্ৰীমদ্ভাগৱত আৰু শ্ৰীমদ্ভগৱদ্ গীতাৰ আধাৰত প্ৰতিষ্ঠিত বিজ্ঞানসন্মত একশৰণ ভাগৱতী বৈষ্ণৱ ধৰ্মত সম্পূৰ্ণভাৱে বিশ্বাসী অনুষ্ঠান। সঁঘই বিশ্বাস কৰে গুৰুজনাৰ ধৰ্মত কেৱল ঈশ্বৰ উপাসনাৰ কথাই নাই, এই ধৰ্মতে আছে শোষণহীন, শ্ৰেণীহীন, সমতা আৰু ভাতৃত্ববোধৰ আধাৰত এখন শান্তিপূৰ্ণ গণতান্ত্ৰিক সমাজ গঢ়াৰ মন্ত্ৰ। গুৰুজনাৰ সেই বিশুদ্ধ মহতোমহীয়ান ধৰ্মৰ

প্ৰভাৱতেই ধৰ্মৰ নামত চূড়ান্ত ব্যভিচাৰ পালন কৰা, নৰবলি পৰ্যন্ত দিবলৈ কুণ্ঠাবোধ নকৰা উত্তৰ-পূৰ্বাঞ্চলৰ এই সমাজখন এখন আদৰ্শ সমাজৰূপে গঢ়ি উঠিল আৰু আজিও সৰ্বভাৰতৰ ভিতৰতে শোষণমুক্ত, শ্ৰেণীহীন সমাজৰূপে বৰ্তি আছে। গুৰুজনাৰ ধৰ্মাদৰ্শৰ সেই মহামূল্যবান সম্পদসমূহৰ বিষয়ে বেজবৰুৱা, বাণীকান্ত কাকতি, মহেশ্বৰ নেওগ আদি আধুনিক কালৰ নমস্য ব্যক্তিসকলে বহুল প্ৰচাৰ কৰি থৈ গৈছে। তদুপৰি মহাপুৰুষ দুগৰাকীৰ গ্ৰন্থসমূহতে আছে সমস্ত পালনীয়, আচৰণীয় নীতি আদৰ্শৰ নান্দনিক অভিব্যক্তি। গুৰুজনাৰ সেই ধৰ্মমতক 'লোকাচাৰকেন্দ্ৰিক' বুলি কোনোবা বুদ্ধিজীৱীয়ে কাৰোবাৰ উৎসাহত, কাৰোবাৰ সমৰ্থনত, কাৰোবাৰ প্ৰৰোচনাত পৰি দপ-দপনি মাৰিলেও শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই লোকাচাৰ আৰু গুৰুজনাৰ ধৰ্মীয় দৰ্শনৰ নীতিনিষ্ঠাৰ পাৰ্থক্য বুজি পায়। কাৰণ সঙ্ঘৰ ভকতৰ কাণত বাজি থাকে গুৰুজনাৰ কীৰ্ত্তন-ঘোষাৰ পদাৱলী -

ঘোষা ঃ কলিৰ ধৰ্ম্ম হৰি নাম জান।
পাপীৰ নিন্দাত নেদিবা কাণ।।৭।।
......
জ্ঞানতো কৰ্ম্মতো কৰি সম্প্ৰতি।
হৰি কীৰ্ত্তনেসে পৰম গতি।।১০২
......
তথাপিতো আঁখি ফুটিল তাৰ।
হৰি কীৰ্ত্তনক কৰৈ ধিক্কাৰ।।১০৩
শুনা সৰ্ব্বজন কহোঁ সাক্ষাত।
মূঢ়ৰ বোলত নাহি সঞ্জাত।।
বোলোক আসি ভাগৱত চাই।
তেৰেসে বুজো তাৰ মুনিযাই।।১০৪
পুৰাণ সূৰ্য্য মহাভাগৱত।
বেদান্তৰো ইটো পৰম তত্ত্ব।।
আক নুবুজি ফুৰৈ নিন্দা কৰি।
তাৰ মুখ দেখি বুলিবা হৰি।।১০৫।। (পাষণ্ড-মৰ্দ্দন)

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই ইয়াকো বিশ্বাস কৰে যে ধৰ্ম বিশ্বাস মানুহৰ একান্ত ব্যক্তিগত অধিকাৰ। কিন্তু সঙ্ঘই এইটো কথাও জানে যে ধৰ্মৰ নামত কোনোৱে কাৰো মৌলিক অধিকাৰত হস্তক্ষেপ কৰিব নোৱাৰে, ধৰ্মৰ নামত কোনোৱে কাকো শোষণ কৰিব নোৱাৰে, ধৰ্মৰ নামত অবোধ পশু-পক্ষীক হত্যা কৰিব নোৱাৰে, ধৰ্মৰ নামত প্ৰকৃতি ধ্বংস কৰিব নোৱাৰে, পৰিৱেশ প্ৰদূষিত কৰিব নোৱাৰে। এনেবোৰ কাৰ্যৰ সঙ্ঘই বিৰোধিতা কৰি আহিছে। কৰি থাকিব এই সমাজখনৰে স্বাৰ্থত। কৰ্মকাণ্ডৰ বিৰোধিতা সঙ্ঘই গুৰুজনাই শিকাই যোৱা নীতিৰ আধাৰতে কৰে। সেই দোষত যিসকলে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘক বেয়া পায়, তেওঁলোকে শ্ৰীমন্ত শঙ্কৰদেৱকো বেয়া পায়। কিন্তু কৰ্মকাণ্ডৰ বিৰোধিতা কৰা কাৰণেই অনুষ্ঠানটোক ব্ৰাহ্মণবিৰোধী বুলি ক'লেহে আমাৰ আপত্তি। কাৰণ কৰ্মকাণ্ড কেৱল ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোকেই পালন নকৰে, অসমৰ অব্ৰাহ্মণ সম্প্ৰদায়ৰ আধামান লোকেই এতিয়াও কৰ্মকাণ্ড মানি চলে। তাৰে কিছুসংখকে আকৌ বলি-বিধানৰ দৰে অতি জঘন্য কাৰ্যও ধৰ্মৰ নামত কৰি আহিছে। সমাজৰ মূল চালিকাশক্তিস্বৰূপ বুদ্ধিজীৱীসকলৰ এচামে শ্ৰীমন্ত শঙ্কৰদেৱক জাতিৰ গুৰু বুলি কয়, কিন্তু তেখেতে নাটকৰ মাজেদি, কাব্যৰ মাজেদি, গীতৰ মাজেদি, নৃত্যৰ মাজেদি আমাক শিকাই যোৱা তেখেতৰ আদৰ্শৰ সম্পূৰ্ণ পৰিপন্থী আনকি বলিবিধানৰ দৰে কুপ্ৰথাৰ বিৰোধিতা নকৰি সেই গুৰুজনাৰ আদৰ্শ শুদ্ধভাৱে মানি চলা বৈষ্ণৱ সম্প্ৰদায়ৰ মানুহখিনিৰ বিৰুদ্ধে তথাকথিত সমন্বয় বিনষ্ট কৰাৰ বদনাম জাপি দিয়াৰ প্ৰচেষ্টা কৰে। **এইক্ষেত্ৰত সঙ্ঘৰ প্ৰশ্ন হ'ল কাৰোবাৰ যদি শঙ্কৰদেৱক গুৰু বুলি স্বীকৃতি নিদিয়াকৈ চলিবৰ অধিকাৰ আছে, কাৰোবাৰ যদি মহাপুৰুষক গুৰু বুলি মানিও তাৰাৰ ধৰ্মমত পালন নকৰাকৈ চলিবৰ অধিকাৰ আছে আৰু কাৰোবাৰ যদি ঈশ্বৰক বিশ্বাস নকৰাকৈ চলিবৰ অধিকাৰ আছে, তেন্তে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সদস্যসকলৰ গুৰুজনাৰ ধৰ্মমতে চলিবৰ অধিকাৰ কিয় নেথাকে?** এনেবোৰ কথা ময়ূৰ বৰা আৰু তেখেতৰ সমৰ্থনকাৰী বুদ্ধিজীৱীসকলক জনোৱাটোৱে এই গ্ৰন্থ লিখাৰ মূল উদ্দেশ্য।

গ্ৰন্থখনি প্ৰস্তুত কৰাৰ দায়িত্ব লোৱা বাবে সাহিত্য শাখা সমিতিৰ সভাপতি শ্ৰীযুত জীৱকান্ত নাথবাপজনালৈ শাখাৰ হৈ আমি আন্তৰিক কৃতজ্ঞতা যাচিছোঁ। আনহাতে ময়ূৰ বৰাৰ সমৰ্থনত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ বিৰুদ্ধে বাতৰি কাকত, ইণ্টাৰনেট, দূৰদৰ্শন আৰু কিতাপ প্ৰকাশেৰে চলোৱা অনৈতিক আক্ৰমণ প্ৰতিহত কৰিবৰ বাবে সেই সেই মাধ্যমত যিসকল সদাশয় বাপ-আই, অনুষ্ঠান-প্ৰতিষ্ঠানে নিজৰ অমূল্য সময় খৰছ কৰিলে, কষ্ট স্বীকাৰ কৰিলে, সেই সকলোলৈকে সাহিত্য শাখা সমিতিৰ হৈ

আমি কৃতজ্ঞতাৰ সেৱা যাচিলোঁ আৰু তাৰাসৱৰ মঙ্গল কামনা কৰি ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনালোঁ। আমি লগতে কৃতজ্ঞতাৰ শৰাই যাচিলোঁ 'অসমীয়া খবৰ', আজিৰ দৈনিক বাতৰি', 'অসমীয়া প্ৰতিদিন', 'নিয়মীয়া বাৰ্তা' আদি সংবাদ গোষ্ঠী আৰু 'নিউজ লাইভ' দূৰদৰ্শন গোষ্ঠীলৈ, যিসকলে এই বিতৰ্কত নিৰপেক্ষ ভুমিকা গ্ৰহণ কৰি সংবাদ সেৱাৰ প্ৰকৃত ধৰ্ম পালনেৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘক সহায় কৰিলে।

গ্ৰন্থভাগিত থাকিব পৰা ভুল-ত্ৰুটিৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যনিৰ্বাহকৰ লগতে সমূহ সদাশয় পাঠকৰ ওচৰত সাহিত্য শাখা সমিতিৰ হৈ আমি ক্ষমা বিচাৰিছোঁ। আশা কৰো, গ্ৰন্থখনিৰ প্ৰকাশে আমাৰ উদ্দেশ্য সফল কৰি শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ পৱিত্ৰ ধৰ্ম-সাহিত্য-সংস্কৃতি সংৰক্ষণ সংৰৰ্ধনত আৰু তাৰ যোগেদি সমাজৰ শান্তি-শৃঙ্খলা ৰক্ষা কৰাত ঈশ্বৰে আমাক সহায় কৰিব।

হৰি ও হৰি　　　　করুণা সাগৰ
কৰিয়ো কৃপা আম্মাক।
প্ৰিয়তম আত্মা　　　　সখা ইষ্ট গুৰু
মানিয়া আছো তোম্মাক।।

সেৱাৰে -
জগত চন্দ্ৰ কলিতা
সম্পাদক
সাহিত্য শাখা সমিতি
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# লেখকৰ মনৰ কথাৰে

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ - অসমৰ সমাজ জীৱনৰ এটি চিনাকি নাম। 'অসমৰ জাতীয় অনুষ্ঠান' বুলি বিজ্ঞসকলে মত প্ৰকাশ কৰি গৈছে আৰু এতিয়াও কৰিছে। মহাপুৰুষ শঙ্কৰদেৱৰ ধৰ্মাদৰ্শক মূলাধাৰ হিচাপে গ্ৰহণ কৰিছে অনুষ্ঠানটিয়ে। ধৰ্মবস্তুক আশ্ৰয় কৰিয়ে ১৯৩০ চনত গঠন কৰা এমুঠিমান মানুহৰ পৰিৱৰ্তে বৰ্তমান হাজাৰ-হাজাৰ ভক্তপ্ৰাণ ৰাইজে ভিৰ কৰিছেহি অনুষ্ঠানটিৰ মজিয়াত। অনুষ্ঠানটিৰ প্ৰতি মানুহৰ ইমান আকৰ্ষণ কিয়? নিশ্চয় ইয়াত কিবা আকৰ্ষণৰ কেন্দ্ৰবিন্দু আছে, চুম্বকে লো আকৰ্ষণ কৰাদি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘইও অগণন ভক্তপ্ৰাণ লোকক আকৰ্ষণ কৰি আনিবৰ বাবে সক্ষম হৈছে। বিভিন্ন সম্প্ৰদায়ৰ লোক সঙ্ঘৰ মঞ্চখনলৈ অহৰহ প্ৰৱেশ ঘটিয়েই আছে। ঢকুৱাখানা, জোনাই, ধেমাজি, লখিমপুৰৰ ফালৰ পৰা মিচিংসকল আহিছে; যোৰহাট, তিতাবৰ, ডিব্ৰুগড়, তিনিচুকীয়া আদি কৰি উজনিৰ পৰা চাহমজদুৰসকল আহিছে; মৰিগাঁও-নগাঁৰৰ পৰা লালুংসকল আহিছে; ধুবুৰী, গোৱালপাৰা, ওদালগুৰি, কোক্ৰাঝাৰৰ পৰা বড়ো, ৰাভা, ৰাজবংশীসকল আহিছে। এইসকলৰ উপৰি উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন স্থানৰ পৰা অহা সোণোৱাল কছাৰী, ঠেঙাল কছাৰী, কাৰ্বি, নমোশূদ্ৰ, নেপালী, দেউৰী আদি বিভিন্ন জনগোষ্ঠীৰে মিলনভূমিলৈ পৰিণত হৈছে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ। এক বৃহৎ পৰিমানৰ অনুসূচীত জাতিৰ লোক সঙ্ঘৰ সঙ্গী হিচাপে অন্তৰ্ভূক্ত হৈ আছে। ইমানবিলাক জনগোষ্ঠীৰ সঙ্ঘৰ বুকুত জীণ যোৱাৰ প্ৰধান কাৰণটো হ'ল মাধৱ মহাপুৰুষজনাৰ দৃষ্টিৰে -

'নোহো জানা আমি চাৰি জাতি চাৰিও আশ্ৰমী নোহো আতি
নোহো ধৰ্মশীল দান ব্ৰত তীৰ্থগামী।
কিন্তু পূৰ্ণানন্দ সমুদ্ৰৰ গোপীভৰ্ত্তা পদকমলৰ
দাসৰো দাস তান দাস ভৈলো আমি।।৬৭০।।

(নাম-ঘোষা)

সঙ্ঘৰ তথাকথিত উচ্চ কুলৰ সঙ্গীসকলে তথাকথিত নীহকুলীয়াসকলৰ লগত একেখন মজিয়াতে কৃষ্ণ কৃষ্ণ ধ্বনিৰে খোৱা-বোৱা কৰিছে, বিয়া-বাৰুৰ ক্ষেত্ৰত জাত-পাতৰ খবৰ নকৰি বৈৱাহিক সম্বন্ধ স্থাপন কৰিছে। ইমানদিনে এইখন সমাজৰে একাংশ লোকে নীহকুলীয়া বুলি ভবাসকলক সঙ্ঘই একেটা জাপতে সোমোৱাই লৈছে। 'ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল'ৰ গুৰুজনাৰ আদৰ্শ প্ৰকৃতাৰ্থত সঙ্ঘই গ্ৰহণ কৰাৰ বাবেই এচামৰ চকুত এই নীহকুলীয়াসকল সঙ্ঘৰ বুকুলৈ ঢাপলি মেলিছে। ইয়াত পাইছে মানুহ হৈ জন্ম লোৱাৰ সাৰ্থকতা - 'হৰিৰ চৰণত শৰণ লৈলো এ হৰি নাৰায়ণ/মানৱী জনম সম্ফল কৈলো এ হৰি নাৰায়ণ।' (নাম-ঘোষা)

দ্বিতীয়তে, এইসকল লোকে সঙ্ঘৰ আদৰ্শত অনুপ্ৰাণিত হোৱাৰ কাৰণটো হৈছে ধৰ্মৰ নামত সঙ্ঘত তেত্ৰিশ কোটি দেৱতাৰ বাবে অনৰ্থক জীৱ হিংসাৰ ব্যৱস্থা নাই, মানুহক ঈশ্বৰ জ্ঞান নকৰি গছজোপা, মাটিৰ মূৰ্তিটো আৰু শিলটোকে ঈশ্বৰ বুলি এবাৰ আহ্বান কৰি সেই ঈশ্বৰকে পানীত পেলাই টকা-পইছা খৰছ কৰি ব্যস্ততাৰ যুগত সময় অতিবাহিত কৰাৰ ব্যৱস্থা নাই। গুৰুজনাৰ ধৰ্মাদৰ্শৰ এই গূঢ়তত্ত্ব বুজি পাইছে জকাইচুকীয়া বুলি তুচ্চ-তাচ্ছিল্য কৰা গঞা সমাজৰ অনাখৰী ভকতি ৰসিক আই-বাপসকলে। কিন্তু ইয়াৰ বিপৰীতে আধুনিক শিক্ষাৰে শিক্ষিত শিক্ষা-দীক্ষা পোৱা এচাম ব্যক্তিয়ে এনেবোৰ কথা কলে গোজগোজাই উঠে। লোকৰ ধৰ্মক নিন্দা কৰা বুলি কয়। গুৰুজনাক ভাল পাওঁ, ভক্তি-শ্ৰদ্ধা কৰোঁ, মহাপুৰুষ বুলি মানো, গুৰুজনাৰ সাহিত্য-সংস্কৃতি বিশ্বজনীন - এই সকলোবোৰ ইমানলৈকে ঠিকেই; কিন্তু গুৰুজনাৰ একশৰণ নামধৰ্মটো গ্ৰহণ কৰিবলৈ বেয়া। হয়, আমিও মানি লৈছো - ধৰ্ম এটা ব্যক্তিগত বিষয়। সঙ্ঘই কাকো ধৰি বান্ধি একশৰণ নামধৰ্ম গ্ৰহণ কৰিবলৈ বাধ্য কৰোৱা নাই। সঙ্ঘই গুৰুজনাৰ এনে বিজ্ঞানমনস্ক মানবীয় ধৰ্মক আধাৰ স্বৰূপে গ্ৰহণ কৰি ছেদেলি-ভেদেলি হৈ থকা সমাজখনক গুৰুজনাৰ আদৰ্শৰে এটা নিয়মৰ মাজলৈ আনিবলৈ অহোপুৰুষাৰ্থ কৰি আহিছে আজি চাৰিকুৰি বছৰে। শঙ্কৰদেৱ বঁটা প্ৰাপক বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া, ইলাৰাম দাসকে মুখ্যকৰি বহু শাস্ত্ৰজ্ঞ ব্যক্তিয়ে সঙ্ঘৰ পালনীয় নীতি-কাষ্ঠা প্ৰণয়ন কৰি গৈছে গুৰুজনাৰ আধ্যাত্মিক তথা ধৰ্মীয় মতাদৰ্শৰ আধাৰক আশ্ৰয় কৰি। কোনোবাই সোণাৰাম চুতীয়াক তালিবান বুলি কলেই সমাজৰ সমস্যা সমাধান নহয়। কওঁতাজনে আত্মবিশ্লেষণেৰে এবাৰ নিজকে সোধক- সমাজৰ বাবে তেখেতৰ অৱদান কিমান? সমাজখন একত্ৰিত কৰিবৰ বাবে কিবা নীতি-নিয়ম প্ৰণয়ন কৰি সমাধানৰ সূত্ৰ নিৰ্ণয় কৰিব পাৰিছে নেকি? দুৰদৰ্শন কেন্দ্ৰত অজিত ভূঞা ডাঙৰীয়াই কৈছে - "মই এই গ্ৰন্থ লিখা হ'লে ময়ূৰ বৰাতকৈ চোকাকৈ লিখিলোহেঁতেন।" ভূঞা ডাঙৰীয়াক আমি কওঁ যে চোকাকৈ বাৰু লিখক; কিন্তু ইয়াৰ লগে লগে অসমৰ সমাজখনক একত্ৰিত কৰিবৰ বাবেও গৱেষণা দৃষ্টিভংগীৰে এখন গ্ৰন্থ লিখি সমাজ সংগঠনৰ

বাবে আগবাঢ়ি আহক। গছ পুলি এটা ৰুই সাৰপানী দি ডাঙৰ-দীঘল কৰিবলৈ সময় লাগে; কিন্তু কুঠাৰেৰে বগৰাই দিবলৈ বেছি সময় নালাগে। পৃথিৱীত বোধকৰো কথা কোৱাতকৈ সহজ কাম নাই।

দুখনমান বিভিন্ন কাকতত প্ৰকাশ পোৱা ময়ূৰ বৰাদেৱৰ কথাবোৰৰ সমৰ্থনত লিখা চিঠি-পত্ৰবোৰ পঢ়িলো। কিছু চিঠি-পত্ৰৰ মূল কথাবোৰৰ উত্তৰো গ্ৰন্থত দিবলৈ যত্ন কৰিছোঁ। চিঠি পত্ৰবোৰ পঢ়ি এটা কথাই আমি বুজি পালো যে তেখেতলোকৰ প্ৰধান আপত্তিটো হ'ল - কৰ্মকাণ্ডীয় নীতি-নিয়মেৰে কৰা পূজা-পাতল, যাগ-যজ্ঞৰ খাদ্য সঙ্ঘৰ সঙ্গীয়ে, বাপ-আইসকলে গ্ৰহণ কৰিব লাগে। ইয়াৰ অন্যথাই সমাজখনত অনৈক্যৰ সৃষ্টি হৈছে, সমাজ বিভাজনমুখী হৈছে, ককাই-ভাই, মিতিৰ কুটুম্বৰ মাজত মিলা-প্ৰীতি হ্ৰাস পাইছে। কিন্তু তেখেতলোকে এনে কথাবোৰৰ বিপৰীতে সমাজক পৰামৰ্শ নিদিলে যে গুৰুজনক শ্ৰদ্ধা-ভক্তি কৰাসকলে একশৰণ গ্ৰহণ কৰক, জাত-পাতবোৰ এৰক, মানুহ এজন ভগৱানৰেই সৃষ্টি, গুৰুজনাৰ মতে ঈশ্বৰো এজনেই। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই ধৰ্মীয় অনুষ্ঠান হিচাপে গুৰুজনাৰ আদৰ্শৰে কৰ্মকাণ্ড, আগম পন্থৰ পৰিহাৰ কৰি ভক্তিমাৰ্গ গ্ৰহণ কৰিছে আৰু লগে লগে এখন নতুন মঞ্চ সমাজ জীৱনক দিবৰ বাবে সমৰ্থ হৈছে। **এনে ক্ষেত্ৰত অসংগঠিত সমাজৰ দুই-চাৰিজনে সুসংগঠিত বৃহৎ সমাজ এখনক পৰামৰ্শ দিয়াটো উচিত নে সুসংগঠিত সমাজখনৰ আদৰ্শ আনক পালন কৰিবলৈ পৰামৰ্শ দিয়া উচিত, সেই কথাটো বিচাৰ কৰি চোৱা নাই।** পক্ষপাতিত্ব আৰু অনৰ্থক ক্ষোভৰ তাড়নাতে সঙ্ঘক আক্ৰমণৰ লক্ষ্য কৰি লৈছে ময়ূৰ বৰা আৰু একাংশ সমৰ্থকে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ গুৰুজনাৰ ধৰ্মীয় দৰ্শনৰ ওপৰত বিশ্বাসী আৰু সমাজ জীৱনক এটা আদৰ্শৰে অনুপ্ৰাণিত কৰি এখন সমাজ গঠনৰ কাৰণে কাম কৰি যোৱাত দৃঢ় প্ৰতিজ্ঞ।

ময়ূৰ বৰাদেৱৰ 'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ' নামৰ গ্ৰন্থখনৰ নামকৰণত প্ৰশ্নবোধক ভাৱ নিহিত থকাৰ বাবে এটা কথাত পাঠকসকল নিশ্চিত হ'ব পাৰিছে যে সঙ্ঘ প্ৰকৃততে পথৰ পৰা বিচলিত হৈছে নে নাই - এই সম্পৰ্কত লেখকে নিজেই দুই নাৱত দুই ভৰি দিবলগীয়া হৈছে। এনে ক্ষেত্ৰত একাংশ বৰাৰ সমৰ্থকে সঙ্ঘক হলা গছ বুলি ভাবি বাগী কুঠাৰ মৰাৰ কৌশল ৰচনা কৰাৰ ক্ষেত্ৰতহে আমি আশ্চৰ্য প্ৰকাশ কৰিছোঁ। লেখক বৰাই গ্ৰন্থৰ ভিতৰতো বহু ঠাইত এনে সন্দেহ প্ৰকাশ কৰিছে। সেয়েহে আমি ভাবো বৰাই গ্ৰন্থখনত সঙ্ঘ সম্পৰ্কত যিমানবোৰ বিষয় বলেৰে টানি-আজুৰি আনিলে, তেনে বিষয়বোৰক লৈ সঙ্ঘক সুপৰামৰ্শ বা গঠনমূলক সমালোচনা কৰিবলৈ এটা প্ৰবন্ধই যথেষ্ট হ'লহেঁতেন। বৰাৰ গ্ৰন্থখনৰ ক্ষেত্ৰত লৰ্ড বেকনে কোনোবা এঠাইত কোৱা কথা এষাৰহে মনত পৰিছে - 'Some books are swallowed, some books are chewed and some books are digested' বৰাৰ গ্ৰন্থখনো গলাধঃকৰণ কৰিয়েই অনুসন্ধিৎসু পাঠক সন্তুষ্ট হ'ব পাৰিব নিশ্চয়। বাদৰায়ণ ব্যাসৰ মতে সকলো গ্ৰন্থৰ বিষয়ে কোৱা বা শুনাৰ প্ৰয়োজন নাই; তাৰাৰ মতে সেইখন গ্ৰন্থহে পঢ়িব বা শুনিব লাগে, যিখনে মুকুন্দৰ পাদপদ্মৰ প্ৰতি ভক্তি ভাৱ জাগৃত কৰি মানুহৰ আধ্যাত্মিক জীৱনৰ পথ সুগম কৰে -

'তদহং তেহভিধাস্যামি মহাপৌৰুষিকো ভৱান্।
যস্য শ্ৰদ্দধতামাশু স্যান্মুকুন্দে মতিঃ সতী।।'

(ভাগৱত পুৰাণ, ২.১.১০)

মহামুনি শুকে মৃত্যুমুখী যাত্ৰী ৰজা পৰীক্ষিতক কোৱা এই সাৰুৱা কথাখিনিকে মাধৱ মহাপুৰুষজনাই প্ৰাঞ্জলভাৱে ভাঙনি কৰি আমালৈ এৰি থৈ গৈছে -

'তোম্মাত কহিবো সেহি শাস্ত্ৰ তুমি আক শুনিবাৰ পাত্ৰ
মহাপুৰুষৰ সেৱক তুমি সম্প্ৰতি।
ই শাস্ত্ৰৰ শ্ৰদ্ধা মাত্ৰকত মুকুন্দৰ পাদ পঙ্কজত
আতি শীঘ্ৰে তাৰ হুইবে জানা সতী মতি।।৬৫০।।'

(নাম-ঘোষা)

ময়ূৰ বৰাদেৱে সন্দেহ কৰিছে যদিও সঙ্ঘ পথভ্ৰষ্ট হোৱা নাই। লক্ষ্য পথত সঙ্ঘৰ কৰ্মকৰ্তাসকল, সঙ্গীসকল অবিৰত গতিত আগবাঢ়ি গৈ আছে; হৰিভক্তিক ৰাজমাৰ্গ হিচাপে গ্ৰহণ কৰি আনন্দ মনেৰে মানুহৰ সমাজ এখন গঢ়াৰ পৰিকল্পনাৰে স্খলন নোহোৱাকৈ আগুৱাই গৈছে। স্খলিত হোৱাসকলৰ কাৰণে গুৰুজনাৰ আদৰ্শ স্থাপনৰ আৰ্হিৰে বাট বুলিছে পেগু, টাইড, বড়ো, ৰাভা, কছাৰী, কাৰ্বি, দাস, নাথ, বৰদলৈ, চুতীয়া, গগৈ, বৰা, দত্ত, হাজৰিকা, শইকীয়া, মহন্ত, গোস্বামী, মিশ্ৰ সকলো জাতি-জনগোষ্ঠীৰ লোকসকল। মাধৱ মহাপুৰুষজনাৰ সুৰতে সুৰ মিলাই আকৌ কৈছোঁ-

'হৰিভক্তি ৰাজমাৰ্গে গুৰু পদনখ চন্দ্ৰ প্ৰকাশিত
শ্ৰুতি জননীৰ পদপন্থ অনুসৰি।
ফুৰো হুয়া আমি আনন্দিত স্খলন নাহিকে কদাচিত
মহাজনসৱ জানিবা নিশ্চয় কৰি।।৬২৪।।

(নাম-ঘোষা)

সাংগঠনিক দিশত সঙ্ঘই **'পক্ষীসৰ উৰয় পখা অনুসাৰে'**ই অগ্ৰগতি লাভ কৰিছে। বৰাই কবৰ দৰে **'চকুমুদা কুলি'** হৈ মাহ-প্ৰসাদ খাই নামঘৰৰৰ ভিতৰতে সঙ্ঘৰ সঙ্গীসকল বহি থকা নাই। বৰাদেৱে সঙ্ঘৰ কৰ্মকৰ্তাসকলৰ পৰা তথ্য সংগ্ৰহ কৰি গ্ৰন্থখন লিখা হ'লে ভিত্তিহীন কথাবিলাকৰ অৱতাৰণা কৰিব লগা নহ'লহেঁতেন। আমি বৰাৰ সমৰ্থকসকলক অসমৰ বুদ্ধিজীৱী, সমালোচকসকলক এই গ্ৰন্থৰ যোগেদিয়েই আহ্বান জনাবলৈ বিচাৰিছোঁ যাতে তেখেতলোকে শঙ্কৰদেৱৰ ভক্তিধৰ্ম সম্পৰ্কত, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ সম্পৰ্কত সমালোচনা কৰিবলৈ যোৱাৰ পূৰ্বেই সঙ্ঘৰ বিষয়ববীয়াসকলৰ পৰা প্ৰকৃত তথ্য-পাতি সংগ্ৰহ কৰিহে যেন অনুষ্ঠানটোৰ প্ৰকৃত ছবি এখন নিৰপেক্ষভাৱে দাঙি ধৰে। এনে কৰিলেহে জাতিৰ, সমাজৰ মঙ্গল কামনা কৰা হ'ব আৰু জাতি গঠনৰ কামত আত্মোৎসৰ্গ কৰা অনুষ্ঠানটো উপকৃত হ'ব। অন্যথা আমাৰ নিজৰ ভিতৰতে শক্তি অপচয় কৰাৰ বাহিৰে একো লাভ নহ'ব। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ এতিয়া গৱেষণাৰ উপযুক্ত বিষয়- তেনে ক্ষেত্ৰত ইয়াৰ বিৰুদ্ধে কুৎসা ৰটনা কৰি থকাটোৱে দেশ আৰু দহৰ উপকাৰ সাধিব নোৱাৰে। মনোৰঞ্জন শাস্ত্ৰী মহাশয়ৰ পৰা আৰম্ভ কৰি শ্ৰীকান্ত দেৱশৰ্মা আৰু ময়ূৰ বৰালৈকে যি কেইখন গ্ৰন্থ এতিয়ালৈকে মহাপুৰুষ শঙ্কৰদেৱ আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ বিৰুদ্ধে প্ৰকাশ হ'ল - কেউখনতে মাধৱদেৱৰ ভাষাৰে **'অধমে কেৱলে দোষ লৱয়'**হে হ'লস **'মধ্যমে গুণ-দোষ লৱে কৰিয়া বিচাৰ'** (নাম-ঘোষা) নহ'ল।

ময়ূৰ বৰাৰ গ্ৰন্থ 'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ'ৰ বিৰুদ্ধে এখন প্ৰতিবাদী গ্ৰন্থ প্ৰণয়ন কৰিবৰ বাবে কলিয়াবৰ অধিৱেশনস্থলীত অনুষ্ঠিত হোৱা কাৰ্যনিৰ্বাহক সভাই প্ৰস্তাৱ গ্ৰহণ কৰি সাহিত্য শাখা সমিতিক এই দায়িত্ব অৰ্পণ কৰে। সাহিত্য শাখা সমিতিৰ বৈঠকত শাখাৰ সভাপতি জীৱকান্ত নাথ আৰু সম্পাদক ড° জগত চন্দ্ৰ কলিতাক গ্ৰন্থ ৰচনাৰ দায়িত্ব অৰ্পণ কৰা হয়। সম্পাদক কলিতাবাপৰ ব্যক্তিগত অসুবিধাৰ কাৰণত তেখেতে আমাকেই গ্ৰন্থখন প্ৰস্তুত কৰিবৰ বাবে অনুৰোধ জনায়। সেয়েহে ময়ূৰ বৰাদেৱৰ পৰীক্ষাৰ প্ৰশ্নকাকতৰ দৰে চুটি চুটি প্ৰশ্নবোৰৰ বিষয়ে বহলাই কবলৈ যাওঁতে পৰীক্ষাৰ উত্তৰ বহীৰ দৰেই অলপ দীঘলীয়া হ'ল। অৱশ্যে কিছুমান কথাৰ উত্তৰ দীঘলীয়া কৰাৰ প্ৰয়োজনীয়তা নাই বুলি ভাবি চুটি কৰিলোঁ। কিছুমান বিষয় বিভিন্ন স্থানত পুনৰাবৃত্তি কৰাৰ বাবে তেনেবোৰ কথাৰ উত্তৰ দীঘলীয়া হোৱাৰ প্ৰয়োজনো নাছিল। ইয়াৰ উপৰি, বৰাৰ লগতে সঙ্ঘৰ সপক্ষে-বিপক্ষে বহুজনৰ পৰাই বিভিন্ন প্ৰশ্ন বাতৰি কাকতত উত্থাপিত হৈছে। প্ৰতিবাদী গ্ৰন্থ হিচাপে তেনে পত্ৰবিলাকৰো উত্তৰ দিবলৈ যত্ন কৰিছোঁ সময়ৰ ছবি এখন ধৰি ৰাখিবৰ বাবে। এটা সময়ত এনে কথাবোৰৰ বিষয়ে বুৰঞ্জীয়ে নিশ্চয় উত্তৰ দিব।

গ্ৰন্থখনত মাননীয় পদাধিকাৰ ৰজনীকান্ত দত্তবাপে 'পদাধিকাৰৰ একাষাৰ' লিখি দিয়াৰ বাবে তেখেতক আমাৰ সেৱা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। প্ৰধান সম্পাদক হৰিপ্ৰসাদ হাজৰিকাবাপে 'প্ৰধান সম্পাদকৰ নিবেদন'ৰে আমাক কৃতাৰ্থ কৰাৰ বাবে তেখেতলৈও আমাৰ কৃতজ্ঞতা আৰু ধন্যবাদ থাকিল। সাহিত্য শাখাৰ সম্পাদক ড° জগত চন্দ্ৰ কলিতাবাপে 'সাহিত্য শাখাৰ সম্পাদকৰ বক্তব্য' শীৰ্ষক লেখাটিত দূৰদৰ্শন কেন্দ্ৰ, ৱেবচাইট, বাতৰি কাকত আদিৰ সমালোচনাৰ ওপৰত নিজৰ অভিমত প্ৰকাশ কৰি প্ৰতিবাদী গ্ৰন্থখনৰ গুৰুত্ব বৃদ্ধি কৰিলে। ড° কলিতাবাপলৈ আমাৰ ধন্যবাদ জনালোঁ। গ্ৰন্থখনিৰ বিষয়বস্তু চাই নিৰীক্ষণ কৰি দিলে সঙ্ঘৰ মাননীয় উপ-পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকা বাপ আৰু সাহিত্য গৱেষণা পৰিষদৰ গৱেষক ড° ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী বাপে। দুয়োগৰাকী মান্যবৰলৈ আমাৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সঙ্ঘৰ প্ৰাক্তন পদাধিকাৰ শ্ৰীযুত কৰুণাকান্ত কলিতা বাপ,সাহিত্য গৱেষণা পৰিষদৰ গৱেষক কৈলাস দাস, গৱেষক হেমচন্দ্ৰ শইকীয়া, গৱেষক প্ৰভাত চন্দ্ৰ দাস, গৱেষক ড° প্ৰদীপ হাজৰিকা, সাহিত্য শাখাৰ সদস্য ভূপেন শইকীয়া, প্ৰদীপ কুমাৰ শইকীয়া, ড° ইন্দিৰা শইকীয়া বৰা, ফণী হাজৰিকা বাপকে মুখ্য কৰি কেইবাজনো সঙ্গীয়ে গ্ৰন্থ ৰচনাৰ অগ্ৰগতিৰ বুজ লৈ আমাক অনুপ্ৰেৰণা দিয়াৰ বাবে তেখেতলোকৰ ওচৰত আমি কৃতজ্ঞ হৈ ৰলোঁ। গ্ৰন্থখনিৰ ৰচনা কৰোঁতে বিভিন্ন তথ্য-পাতি সংগ্ৰহ কৰি দিলে ডিব্ৰুগড় জিলা শাখাৰ সম্পাদক হেমচন্দ্ৰ দাস, তিনিচুকীয়া জিলা শাখাৰ সম্পাদক লোকেশ্বৰ নাথ, শিৱসাগৰ জিলা শাখাৰ সম্পাদক প্ৰহ্লাদ শইকীয়া, যোৰহাট জিলা শাখাৰ সভাপতি জীৱেশ্বৰ বৰা, তিতাবৰ জিলা শাখাৰ সম্পাদক ঘনকান্ত শইকীয়া, বোকাখাত জিলাৰ মূলৰ সদস্য যোগেশ লয়িং, কাৰ্বি আংলং জিলা শাখাৰ সম্পাদক মাধৱ বৰা, মৰিগাঁও জিলা শাখাৰ সম্পাদক দীপাঙ্কৰ বৰদলৈ, লখিমপুৰ জিলা শাখাৰ সম্পাদক ভৱকান্ত দত্ত, ঢকুৱাখনা জিলা শাখাৰ সম্পাদক পৰমা কোঁৱৰ, দৰং জিলা শাখাৰ সম্পাদক ৰামচন্দ্ৰ ডেকা, ধেমাজি জিলা শাখাৰ সম্পাদক দেৱ চুতিয়া, জোনাই জিলা শাখাৰ সম্পাদক প্ৰদীপ বৰুৱা, কামপুৰ জিলা শাখাৰ সম্পাদক মুনিন্দ্ৰ নাথ বৰা, সেৱা বাহিনীৰ মুখ্য অধিনায়ক অঞ্জন সাধনিদাৰ, প্ৰচাৰ শাখাৰ সভাপতি চন্দ্ৰ হাজৰিকা, প্ৰচাৰ শাখাৰ সম্পাদক আনন্দ কুমাৰ বৰা, সংস্কৃতি শাখাৰ সম্পাদক পবিত্ৰ প্ৰাণ বৰা, শিৱসাগৰ জিলা শাখাৰ সাহিত্য শাখাৰ সম্পাদক যুগল গগৈ, তেওঁৰ সহধৰ্মিনী ৰূপা গোঁহাই গগৈ, ঝৰ্ণা দেৱী (নগাঁও), বন্দনা দেৱী (মৰিগাঁও), ট্ৰাষ্ট সমিতিৰ সভাপতি ডাঃ পুনিৰাম পাতৰ, পদ্মকান্ত মুদৈ (মৰিগাঁও), জনাৰ্দ্দন বৰা (নগাঁও), ভৱেশ বৰ্মণ (গুৱাহাটী), ৰমেন মেধি আদিয়ে। এই সকলোলৈকে আমাৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। অতি নিষ্ঠাৰে গ্ৰন্থখনৰ অক্ষৰ বিন্যাস কৰি দিলে শাশ্বত প্ৰকাশনৰ কৰ্মী চিটুল ডেকায়ে। তেওঁলৈ শলাগ যাচিলোঁ। গুৱাহাটীৰ মাতৃ অফছেটে নিৰ্দিষ্ট সময়ত গ্ৰন্থখনি ছপাই-বান্ধি-মেলি দিয়াৰ বাবে প্ৰেছৰ স্বত্বাধিকাৰ প্ৰমুখ্যে কৰ্মীবৃন্দলৈ কৃতজ্ঞতা জনালোঁ।

অসমীয়া খবৰ, অসমীয়া প্ৰতিদিন, নিয়মীয়া বাৰ্তা, আজিৰ দৈনিক বাতৰি আদি বাতৰি কাকত গোষ্ঠীলৈ আমাৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছোঁ। বাতৰি কাকতত নিজৰ মনৰ ভাৱ প্ৰকাশ কৰা সকলো পক্ষলৈ আমাৰ শ্ৰদ্ধা জনাইছোঁ।

প্ৰস্তুত গ্ৰন্থখনে যদি শ্ৰীমন্ত শঙ্কৰদেৱৰ সঁঘৰ স্বৰূপ উদ্ঘাটন আৰু ভুল ধাৰণা আঁতৰ কৰাত আমি আশা কৰামতে পাঠক সমাজক উপকৃত কৰে, তেন্তে আমাৰ সেৱা সফল হোৱা বুলি ভাবিম। গ্ৰন্থখনিৰ বিষয়বস্তু অতি স্পষ্ট ভাষাত দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে। আশা কৰো, সহৃদয় পাঠক সমাজে গ্ৰন্থখন আদৰি ল'ব। অৱশেষত, লেখক হিচাপে হ'ব পৰা ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলোঁ।

শ্ৰদ্ধাৰে -

জীৱকান্ত নাথ

ন-ভেটি, মৰিগাঁও
২০/০৪/২০১২
দূৰভাষ - ৯৪৩৫৯-৪৩৪৫০

# সূচীপত্ৰ


| | | |
|---|---|---|
| প্ৰথম অধ্যায় ঃ | শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ জন্ম আৰু ক্ৰমবিকাশ | ১ - ১৫ |
| দ্বিতীয় অধ্যায় ঃ | অৰ্পণ ভকতিৰ বিড়ম্বনা | ১৬ - ১৮ |
| তৃতীয় অধ্যায় ঃ | সঙঘৰ প্ৰতীক প্ৰয়োগত অনধিকাৰ | ১৯ - ২০ |
| চতুৰ্থ অধ্যায় ঃ | শঙ্কৰদেৱৰ ধৰ্মাদৰ্শ বনাম ময়ূৰ বৰা | ২১ - ৩৫ |
| পঞ্চম অধ্যায় ঃ | প্ৰতিবাদী কাৰ্যত সঙ্ঘ নিৰ্লিপ্ত আৰু নীৰৱ নহয় | ৩৬ - ৪৫ |
| ষষ্ঠ অধ্যায় ঃ | মহাপুৰুষ শঙ্কৰদেৱৰ জন্মস্থান, কৰ্মস্থান আৰু সঙঘৰ স্থিতি | ৪৬ - ৬০ |
| সপ্তম অধ্যায় ঃ | মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় ঃ এটি বাস্তৱ চিত্ৰ | ৬১ - ৬৯ |
| অষ্টম অধ্যায় ঃ | শঙ্কৰী নৃত্য আৰু ড° ভূপেন হাজৰিকা | ৭০ - ৭৮ |
| নৱম অধ্যায় ঃ | শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আৰু ড° নগেন শইকীয়া | ৭৯ - ৮৭ |
| দশম অধ্যায় ঃ | ব্ৰাহ্মণ-বিদ্বেষ বদনামৰ বেদনা | ৮৮ - ৯৫ |
| একাদশ অধ্যায় ঃ | ইলাৰাম দাস আৰু জাত্যাভিমান প্ৰসংগ | ৯৬ - ১০৫ |
| দ্বাদশ অধ্যায় ঃ | ভাষা-জিজ্ঞাসা | ১০৬ - ১১৫ |
| ত্ৰয়োদশ অধ্যায় ঃ | শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আৰু অসমৰ জাতীয় অনুষ্ঠানসমূহ | ১১৬ - ১১৯ |
| চতুৰ্দ্দশ অধ্যায় ঃ | সঙঘৰ বাৰ্ষিক অধিৱেশনসমূহৰ গুৰুত্ব আৰু তাৎপৰ্য | ১২০ - ১২৬ |
| পঞ্চদশ অধ্যায় ঃ | অন্যান্য | ১২৭ - ১৩২ |
| পৰিশিষ্ট | | |
| ক) | বাতৰি কাকতত প্ৰকাশিত চিঠি-পত্ৰৰ কিয়দংশ আৰু উত্তৰ | ১৩৩ - ২০২ |
| খ) | নিৰ্বাচিত গ্ৰন্থপঞ্জী | ২০৩ - ২০৬ |

# প্ৰথম অধ্যায়
## শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ জন্ম আৰু ক্ৰমবিকাশ

**ভক্তি আন্দোলন আৰু মহাপুৰুষ শংকৰদেৱ ঃ**

খৃষ্টীয় পঞ্চদশ-ষোড়শ শতিকাৰ কালছোৱা অসমৰ লগতে সমগ্ৰ ভাৰতবৰ্ষৰ বাবেই এক যুগান্তকাৰী কাল। ভক্তি ধৰ্মৰ আন্দোলনে সমগ্ৰ ভাৰতবৰ্ষকেই আলোড়িত কৰি এক সাংস্কৃতিক জাগৰণৰ সূত্ৰপাত ঘটাইছিল। খৃষ্টীয় চতুৰ্থৰ পৰা সপ্তম শতাব্দী মানত তামিল দেশৰ আলোৱাৰ ভক্তসকলে কথিত তামিল ভাষাত কৃষ্ণকেন্দ্ৰিক ভক্তিমূলক গীত-পদ ৰচনা কৰি হিন্দু ধৰ্মৰ প্ৰবৃত্তি মাৰ্গৰ কৰ্মবহুল ক্ৰিয়াকাণ্ড পৰিহাৰ কৰিছিল। ইয়াৰ বিকল্পৰূপে নিবৃত্তি মাৰ্গৰ সাধন পদ্ধতিৰে কৃষ্ণভক্তিক গুৰুত্ব দি ধৰ্মৰ ক্ষেত্ৰত এক নৱজাগৰণৰ সূচনা কৰিছিল। 'বেদৰ গুপুত বিত্ত নাৰায়ণ' (নাম-ঘোষা)ক প্ৰধান দেৱতা হিচাপে গ্ৰহণ কৰি তেওঁলোকে ভিন ভিন দাৰ্শনিক মতাদৰ্শৰে ভক্তি ধৰ্ম তথা ভক্তি আন্দোলনটিৰ পথ প্ৰশস্ত কৰি তুলিছিল। এইসকলৰ ভিতৰত ৰামানুজাচাৰ্য, মাধৱাচাৰ্য, নিম্বাকাচাৰ্য, যমুনাচাৰ্য, ৰামানন্দ, জ্ঞানদেৱ, নামদেৱ, কবীৰ, বল্লভাচাৰ্য, দাদুদয়াল, চৈতন্যদেৱ আৰু শ্ৰীমন্ত শংকৰদেৱ আদিয়েই প্ৰধান।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে পঞ্চদশ শতিকাৰ শেহৰফালে তদানীন্তন অসম ভূমিত একশৰণ হৰিনাম ধৰ্মৰ পাতনি মেলে। পঞ্চদশ শতিকাৰ অসমৰ সমাজ জীৱন নানা কুসংস্কাৰ, অন্ধবিশ্বাস, অনাচাৰ, ব্যভিচাৰ, তান্ত্ৰিক সাধন পদ্ধতি আদিয়ে অন্ধকাৰাছন্ন কৰি ৰাখিছিল। এই সম্পৰ্কত চৰিত পুথিৰ এটি বৰ্ণনা মন কৰিবলগীয়া-

'ইদেশত পূৰ্বকালে নাছিল ভকতি।
নানা ধৰ্ম্ম কৰ্ম্ম লোকে কৰিল সম্প্ৰতি।।৮।।
নানা দেৱ পূজয় কৰয় বলিদান।
হংস ছাগ পাৰ কাটে সহস্ৰ প্ৰমাণ।।
তপ জপ যজ্ঞ দান তীৰ্থস্থান কৰে।
ঘোৰ নৰকত পৰি পৰি সৰে মৰে।।৯।।
উপজয় মৰয় সংসাৰে বাৰম্বাৰ।
নাহি সুখ নেৰাৱয় সংসাৰ নিকাৰ।।
তল গৈলা লোক কলি পাপ-সাগৰত।
কৃপাময় কৃষ্ণে জানি গুণিলা মনত।।১০।।
সিটো লোক সমস্তক কৰিবে উদ্ধাৰ।
শংকৰ-মাধৱৰূপে ভৈলা অৱতাৰ।।...১১।।

(শ্ৰীশ্ৰীশংকৰদেৱ-মাধৱদেৱ চৰিত ঃ দৈত্যাৰি ঠাকুৰ, সম্পাদনা-ৰাজমোহন নাথ, পৃ.২-৩)

মহাপুৰুষ শংকৰদেৱে ধৰ্মৰ নামত সমাজত এনে পুতিগন্ধময় পৰিৱেশ দেখি গীতা-ভাগৱতক আধাৰ স্বৰূপে লৈ একশৰণ হৰিনাম ধৰ্মৰ প্ৰচাৰ প্ৰসাৰত আত্মনিয়োগ কৰে। মানৱতাবাদী আদৰ্শ, যুক্তিসন্মত তথা বিজ্ঞানসন্মত দৃষ্টিভংগী থকা একশৰণ হৰিনাম ধৰ্মক সেইসময়ৰ জনসাধাৰণেও বিনাদ্বিধাই গ্ৰহণ কৰিছিল। গুৰুজনাৰ ভক্তি ধৰ্মৰ আন্দোলনে জাতি-বৰ্ণ নিৰ্বিশেষে সকলোকে মানৱ জীৱনৰ এক বিশেষ মৰ্যাদা প্ৰদান কৰিছিল।

আনহাতেদি সংস্কৃত ভাষাত থকা প্ৰাচীন ধৰ্ম গ্ৰন্থসমূহৰ বিষয়ে সৰ্বসাধাৰণে একো জ্ঞান লাভ কৰিব পৰা নাছিল। সংস্কৃত জনা পুৰোহিত শ্ৰেণীটোৱেই জনসাধাৰণৰ প্ৰধান প্ৰবক্তাৰূপে ধৰ্মৰ অধিকাৰী হৈছিল। মহাপুৰুষজনাই আৰু লগতে তাৰাৰ অনুগামী ভক্ত-কবিসকলেও সংস্কৃত ধৰ্মীয় গ্ৰন্থসমূহ অসমীয়া ভাষালৈ সহজ-সৰলভাৱে অনুবাদ তথা ভাবানুবাদ কৰি মধ্যস্থতাকাৰীৰ অন্তৰায়সমূহ দূৰীকৰণ কৰে। গুৰুজনে অসীম কবিত্ব গুণৰ প্ৰভাৱত সৃষ্টি কৰা গীত-নাট, ভটিমা, নৃত্য, বাদ্য, ভাওনা, ভাস্কৰ্য, চিত্ৰকলা আদিক ভক্তিধৰ্মৰ প্ৰচাৰৰ মাধ্যমৰূপে ব্যৱহাৰ কৰিছিল। গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে নামঘৰৰ মজিয়াত ভক্তিধৰ্মৰ সকলো সমস্যাৰ ওৰ পেলোৱাৰ ব্যৱস্থা কৰিছিল মহাপুৰুষজনাই। অসম মাতৃৰ পুণ্যভূমিত মহাপুৰুষ শংকৰদেৱৰ একশৰণ হৰিনাম ধৰ্মৰ নৌকাখনৰ গুৰি বঠা ধৰি চলাই লৈ যোৱাত প্ৰধানভাৱে সহায়ক আছিল গুৰুজনাৰ সোঁহাত স্বৰূপ বৰাৰ পো মহাপুৰুষ মাধৱদেৱ।

**শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ জন্ম ঃ**

মহাপুৰুষ শংকৰদেৱে একশৰণ হৰিনাম ধৰ্মৰ সহায়েৰে সাম্য-মৈত্ৰী আৰু বিশ্বভাতৃত্বৰ আদৰ্শৰে যি মহান মানৱ সমাজ এখন গঢ়াৰ পৰিকল্পনা হাতত লৈ বাস্তৱত ৰূপ দিছিল, সেই আদৰ্শ আৰু উদ্দেশ্য সময় বাগৰাৰ লগেলগে শিথিল হৈ আহিবলৈ

ধৰিলে। যিবিলাক ধৰ্মানুষ্ঠানে গুৰুজনাৰ মানৱতাবাদী ধৰ্মৰ গুৰু দায়িত্ব গ্ৰহণ কৰিছিল, সেইসকলৰো বহুতেই তেনে আদৰ্শ আৰু লক্ষ্যৰ পৰা ফালৰি কাটি আহিবলৈ ধৰিলে। জাত-পাতৰ নামত, ধৰ্মৰ নামত কুসংস্কাৰ, অন্ধবিশ্বাস আদিয়ে প্ৰাক্‌শংকৰী যুগৰ দৰেই পুনৰ সমাজখনক ৰঘুমলাৰ দৰে মেৰিয়াই ধৰিলে। গুৰুজনাৰ পবিত্ৰ একশৰণ হৰিনাম ধৰ্মৰ নামত আগম পন্থৰ পূজা-পাতল, যাগ-যজ্ঞ, বলি-বিধান আদিৰে গুৰুজনাৰ প্ৰচাৰিত ভক্তিধৰ্মৰ ৰূপ বিকৃত কৰাত লাগিল। আগম-নিগম দুয়োটা পন্থক সনা-পোতোকা কৰি একাকাৰ কৰাত ব্যভিচাৰী ৰূপ এটাই গুৰুজনাৰ ভক্তিধৰ্মৰ স্বৰূপ ঢাকি পেলালে। অস্পৃশ্যতাই সমাজৰ ঐক্য-সম্প্ৰীতি বিনষ্ট কৰি গুৰুজনাৰ মতাদৰ্শত আঘাত হানিলে। সেয়েহে এনেবোৰ বিভ্ৰান্তি দূৰীকৰণাৰ্থে আৰু গুৰুজনাৰ ধৰ্মাদৰ্শৰ বিশুদ্ধ ৰূপ সমাজত পুনঃ প্ৰতিষ্ঠাৰ অৰ্থে এক আন্দোলনৰ প্ৰয়োজন হ'ল। যদিও এই 'নব্য শঙ্কৰদেৱ আন্দোলনে' ১৯৩০ চন মানৰ পৰাহে সুসংগঠিত ৰূপত আত্মপ্ৰকাশ কৰিছিল, তথাপি কুৰি শতিকাৰ আৰম্ভণিৰ পৰাই নব্য শঙ্কৰদেৱ আন্দোলনৰ বীজ অংকুৰিত হৈছিল। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, বাণীকান্ত কাকতি, কালিৰাম মেধি, কনকলাল বৰুৱা প্ৰমুখ্যে ভালেকেইজন মহানুভৱ পুৰুষে মহাপুৰুষ শঙ্কৰদেৱৰ ধৰ্ম-সাহিত্য আদিৰ তত্ত্বগধুৰ সমালোচনাৰে প্ৰবন্ধ, গ্ৰন্থাদি প্ৰকাশ কৰি নব্য শঙ্কৰদেৱ আন্দোলনক সজীৱ কৰি তুলিছিল। বিশেষকৈ বেজবৰুৱাদেৱে বাঁহী আলোচনীৰ যোগেদি মহাপুৰুষৰ জীৱনী গ্ৰন্থ ৰচনা কৰি একশৰণ হৰিনাম ধৰ্ম তথা কৃষ্ণ সংস্কৃতিৰ সম্পৰ্কত তত্ত্বমূলক প্ৰবন্ধ ৰচনা কৰি গুৰুজনাক নামঘৰৰ চাৰিবেৰৰ পৰা উলিয়াই আনিলে বহল সমাজখনলৈ। উল্লেখযোগ্য যে গুৰুজনাৰ মহাপ্ৰতিভাক প্ৰথমেই বৰাৰ পো মাধৱদেৱে চিনি পাই যিদৰে সমাজত প্ৰতিষ্ঠা কৰিলে, তেনেদৰে আধুনিক কালত বেজবৰুৱাই শঙ্কৰদেৱৰ ধৰ্মতত্ত্ব আৰু সাহিত্য প্ৰতিভাক সমাজৰ আগত দাঙি ধৰিলে।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ একেদিনাই জন্ম হোৱা অনুষ্ঠান নহয়। সঙ্ঘ জন্মৰ পূৰ্বৰ সময়ছোৱাৰ কুৰি বছৰমান কাল প্ৰসৱ যন্ত্ৰণাত ভুগি আছিল। অসমৰ চুকে-কোণে বহুতো স্থানত সৰু সৰু সংগঠনৰ জন্ম হৈ গুৰুজনাৰ ধৰ্মৰ গ্লানিৰ বিৰুদ্ধে ভক্তপ্ৰাণ লোকে কথন-মথন চলাই আহিছিল। গুৰুজনাৰ ভক্তিধৰ্মৰ নামত শাসন-শোষণ, বিভেদ নীতি, দমন, নিপীড়নক মূলধন হিচাপে লৈ এচাম সামন্তবাদীয়ে কালৈকো কেৰেপ নকৰি সমাজ জীৱনক বিপথে পৰিচালিত কৰিছিল। এনেদৰে নানা কাৰণৰ বশৱৰ্তী হৈয়েই নগাঁও জিলাৰ বাৰপূজীয়া (বৰ্তমান মৰিগাঁও জিলা), পলাশনি, কলিয়াবৰ আদি স্থানত আৰু তদানীন্তন শিৱসাগৰ জিলাৰ গোলাঘাট, ঢেকিয়াল আদি স্থানত আৰু অসমৰ অন্যান্য স্থানতো বিপ্লৱী ধৰ্ম-সংগঠনৰ জন্ম হৈছিল। এই ক্ষেত্ৰত প্ৰথমেই নাম লব লাগিব প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰায়চাহাব ঘনশ্যাম বৰুৱাৰ। ১৯০৯-১০ চন মানৰ পৰাই ঘনশ্যাম বৰুৱাই গোলাঘাটত ধৰ্মালোচনা চক্ৰ অনুষ্ঠিত কৰি ধৰ্মানুৰাগী লোকসকলৰ লগত গুৰুজনাৰ একশৰণ হৰিনাম ধৰ্মত কৰ্মকাণ্ডীয় আগ্ৰাসনৰ বিষয়ে গভীৰভাৱে চৰ্চা কৰিছিল। ১৯২৩ চনলৈকে চলি থকা এই ধৰ্মালোচনা চক্ৰই গোলাঘাট অঞ্চলত বিশেষ প্ৰভাৱ পেলাইছিল। ১৯৩৩-৩৪ চনৰ সঙ্ঘৰ পদাধিকাৰৰ আসন অলংকৃত কৰা পণ্ডিত গোপিকাবল্লভ গোস্বামীও এই ধৰ্মালোচনা চক্ৰৰ লগত বিশেষভাৱে জড়িত হৈ পৰিছিল।

দ্বিতীয়তে ১৯১৫-১৬ চন মানৰ পৰা বৰ্তমান মৰিগাঁও জিলাৰ বাৰপূজীয়া, হাবি বৰঙাবাৰী, নিজ মিকিৰগাঁও, সোণাৰুগুৰি, বামুণবৰি, পলাশগুৰি আদি গাঁওবোৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰথমজন উপ-পদাধিকাৰ (তেতিয়া উপ-সভাপতি) ৰমাকান্ত মুক্তিয়াৰে দিচিয়াল সত্ৰৰ অধিকাৰ জয়কান্ত মহন্তৰ সৈতে লগ লাগি গুৰুজনাৰ একশৰণ নামধৰ্মৰ বিষয়ে ধৰ্মালোচনা সভা পাতি ফুৰিছিল। উল্লেখযোগ্য যে এনে গভীৰ ধৰ্ম চৰ্চাৰ ফলস্বৰূপে ১৯২৫-২৬ চনতেই পুৰোহিতৰ আঁকোৰগোজ স্বভাৱৰ কাৰণে এই অঞ্চলৰ ৰাইজে এটি পৰিয়ালৰ শাহু-বোৱাৰীৰ শ্ৰাদ্ধ নামকীৰ্ত্তনেৰে সমাপন কৰিছিল।

ঠিক তেনেদৰে মৰিগাঁও-বাৰপূজীয়া অঞ্চলত হোৱাৰ সমসাময়িক কালতেই কলিয়াবৰ অঞ্চলতো গুৰুজনাৰ একশৰণ হৰিনাম ধৰ্মৰ চৰ্চা অনুশীলন আদি চলিছিল। এই ক্ষেত্ৰত ১৯২৩ চনত কলিয়াবৰত জন্ম হোৱা 'সনাতন ধৰ্ম সভা'ৰ ভূমিকা বিশেষভাৱে উল্লেখযোগ্য। 'সনাতন ধৰ্ম সভা'ৰ প্ৰভাৱত আৰু কলিয়াবৰ অঞ্চলৰ কেইবাগৰাকী সংস্কাৰকামী গোঁসাই-মহন্তৰ উদগণিত ১৯২৮ চনত কেশৰাম বৰা নামৰ ব্যক্তিগৰাকীৰ বোৱাৰীয়েকৰ আদ্যশ্ৰাদ্ধ নাম-কীৰ্ত্তনেৰে সম্পন্ন কৰা হৈছিল।

এনেদৰে ধৰ্মীয় সংস্কাৰৰ হকে অসমৰ চুকে-কোণে কেইবাঠাইতো বিদ্ৰোহৰ সূত্ৰপাত হৈছিল যদিও সাংগঠনিক নেতৃত্বৰ অভাৱত এক দিক্‌নিৰ্ণায়ক ভূমিকাৰে সমাজক একত্ৰিত কৰাত বিশেষ সফলকাম হোৱা নাছিল। ধৰ্মৰ বিদ্ৰোহৰ উকমুকনিতেই দুজন মহানুভৱ পুৰুষৰ মহামিলনে এক নতুন আশাৰ ৰেঙণি পুণ্যভূমি অসমলৈ যেন আওঁসীৰ আন্ধাৰ ফালি নমাই আনিলে পোহৰৰ উৎসৱ। এই দুজন পুণ্যাত্মা হ'ল লোকসেৱক হলধৰ ভূঞা আৰু কৰ্মযোগী ৰমাকান্ত মুক্তিয়াৰ আতা। মহাপুৰুষ গুৰুজনাৰ একশৰণ হৰিনাম ধৰ্মত কৰ্মকাণ্ডীয় বিধি-ব্যৱস্থাৰ সংমিশ্ৰণ, অস্পৃশ্যতা আদি সামাজিক সমস্যাৰ দূৰীকৰণাৰ্থে হলধৰ ভূঞা আৰু ৰমাকান্ত মুক্তিয়াৰ আতাই মাৰবান্ধি যুজিবৰ বাবে আলোচনা কৰি মন সুদৃঢ় কৰি ললে। লোকসেৱক হলধৰ ভূঞাই মহাপুৰুষীয়া ধৰ্মজ্ঞান থকা, উদাসীন ভকত, সত্ৰীয়া নিয়মৰ ভিতৰ-বাহিৰ জনা মুক্তিয়াৰক মনৰ পৰিকল্পনাৰ কথা বেকত কৰিলে। ভূঞাদেৱৰ পৰিকল্পনা আৰু আহ্বানক্ৰমে এদিন ৰমাকান্ত মুক্তিয়াৰ আতা উপস্থিত হ'লগৈ নগাঁও নগৰৰ পৰা আঠ কিলোমিটাৰ দূৰত্বত পূবলৈ থকা পলাশনি নামৰ গাঁওখনত। উল্লেখযোগ্য যে ১৯১৮ চনতে পলাশনিত স্থাপিত হোৱা 'জ্ঞানমালিনী সভা' নামে এটি অনুষ্ঠানে

নিকটৱৰ্তী কেইবাখনি গাঁৱৰ ধৰ্মানুৰাগী ব্যক্তিসকলৰ লগ হৈ মহাপুৰুষীয়া শাস্ত্ৰৰ চৰ্চা চলাই আহিছিল। 'জ্ঞানমালিনী সভা'খন ১৯২৪ চনত 'ধৰ্মালোচনী সভা' নামে নামকৰণ কৰা হৈছিল। মুক্তিয়াৰ আতাই পলাশনিলৈ গৈ ধৰ্মালোচনী সভাৰ লগত নিবিড়ভাৱে জড়িত হৈ পৰিল আৰু ভক্তপ্ৰাণ লোকৰ আগত গুৰুজনাৰ ভক্তিধৰ্মৰ বিষয়ে খৰচি মাৰি ব্যাখ্যা দাঙি ধৰিলে। ৰমাকান্ত মুক্তিয়াৰ আতাৰ শাস্ত্ৰ চৰ্চা আৰু ব্যাখ্যাই দিনক দিনে সকলোৰে আকৰ্ষণ বৃদ্ধি কৰিবলৈ ধৰিলে। শাস্ত্ৰ ব্যাখ্যা চলি থকাৰ মাজতেই এদিন মুক্তিয়াৰ আতাই এটি প্ৰস্তাৱ সভাক আগবঢ়ালে যে এই 'ধৰ্মালোচনী সভা'খনৰ লগত মহাপুৰুষ শঙ্কৰদেৱ-মাধৱদেৱৰ নাম জড়িত কৰিব পাৰিলে ভাল হয়। ভক্তপ্ৰাণ ৰাইজে মুক্তিয়াৰ আতাৰ কথাত সহাৰি জনোৱাত আতাই আজিৰে পৰা 'ধৰ্মালোচনী সভা'ৰ নাম 'শঙ্কৰ সঙ্ঘ' হওক বুলি ঘোষণা কৰিলে। সেই সময়ত এই অনুষ্ঠানটোৰ বিষয়ববীয়াসকল আছিল - সভাপতি - ঔ-অনা গাঁৱৰ মণিপদ বৰা, সম্পাদক আছিল পলাশনিৰ সনতৰাম বৰা আৰু সহকাৰী সম্পাদক কৰৈয়নী বামুণ গাঁৱৰ চেনীৰাম সুত। 'শঙ্কৰ সঙ্ঘ' নামটো অৱশ্যে পাঁচ বছৰমানহে আছিল অৰ্থাৎ ১৯৩৫ চনলৈকেহে 'শঙ্কৰ সঙ্ঘ' নামেৰে অনুষ্ঠানটিক জনা গৈছিল। ১৯৩৫ চনত নগাঁৱৰ নতুন বজাৰত গোপিকাবল্লভ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সঙ্ঘৰ বাৰ্ষিক অধিৱেশনত ককা নীলমণি ফুকনৰ প্ৰস্তাৱমৰ্মে 'শঙ্কৰ সঙ্ঘ'ৰ পৰিৱৰ্তে 'শ্ৰীশ্ৰীশঙ্কৰদেৱ সঙ্ঘ' নামেৰে নামকৰণ কৰা হয়। ১৯৩৫ চনৰ পৰা ১৯৭০ চনলৈকে ৩৫ বছৰ কাল উক্ত নামেৰে অনুষ্ঠানটি চলি থকাৰ পিছত ১৯৭০ চনত উত্তৰ লক্ষিমপুৰত অনুষ্ঠিত হোৱা সঙ্ঘৰ ৩৯ সংখ্যক অধিৱেশনত অনুষ্ঠানটিৰ নাম 'শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ' কৰা হয় আৰু বৰ্তমানলৈকে এই নামেৰেই জনাজাত হৈ অনুষ্ঠানটিয়ে নিজ কৰ্মত অগ্ৰসৰ হৈ আহিছে। এনেদৰেই পলাশনিৰ 'জ্ঞানমালিনী সভা'খনেই বৰ্তমান উত্তৰ-পূব ভাৰতৰ বৃহৎ ধৰ্মীয়, সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ' নামেৰে জনাজাত হৈ আছে।

**সঙ্ঘৰ ক্ৰমবিকশিত ৰূপ ঃ**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই প্ৰথম অৱস্থাত কেৱল ধৰ্মক মূল বিষয় হিচাপে লৈয়েই সমাজ সংস্কাৰৰ কামত আত্মনিয়োগ কৰিছিল। মৰণাশৌচ বা মৃতকৰ শ্ৰাদ্ধ, জননাশৌচ, বিবাহ আদি সামাজিক জীৱনৰ অনুষ্ঠান সমূহত যাতে কৰ্মকাণ্ডৰ নীতি-নিয়মেৰে সম্পন্ন নকৰি মহাপুৰুষীয়া ধৰ্মৰ নাম কীৰ্ত্তনেৰেহে সম্পন্ন কৰা উচিত - এই লৈ ৰাজহুৱা সভা, তৰ্কসভা আদি অনুষ্ঠিত কৰি ৰাইজক সজাগ কৰিবলগীয়া হৈছিল। গোলাঘাট জিলাৰ ঢেকিয়াল, ডুবিয়াল, নামলগোৱা নামঘৰ, তিতাবৰৰ বৰহোলা, নগাঁও জিলাৰ জুৰিয়া, ফুলগুৰি, কামৰূপ জিলাৰ বালাপেট, বৰপেটা সত্ৰ, মঙ্গলদৈ, পানপুৰৰ বাসুদেৱ থান, শিৱসাগৰ জিলাৰ চাৰিং আদি বহুতো অঞ্চলত জননাশৌচ, মৰণাশৌচ আদিত এমাহৰ পৰিৱৰ্তে এঘাৰ দিনত নাম-কীৰ্ত্তনেৰে ধৰ্মীয় কৰ্ম সম্পন্ন কৰা সংক্ৰান্তত এই তৰ্ক সভাবোৰত বিভিন্ন পণ্ডিতে অংশ গ্ৰহণ কৰিছিল। ইয়াৰ উপৰি বিবাহ আদিতো হোম যজ্ঞৰ পৰিবৰ্তে নাম-কীৰ্ত্তনৰ দ্বাৰা বিবাহ কাৰ্য সম্পন্ন কৰা হৈছিল। গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামী, গোপিকাবল্লভ গোস্বামী, ভুৱন চন্দ্ৰ ভূঞা, ইলাৰাম দাস আদি পণ্ডিতসকলে মহাপুৰুষীয়া ধৰ্মত কৰ্মকাণ্ডৰ বিৰোধিতা কৰি এই তৰ্ক সভাবোৰত অংশ গ্ৰহণ কৰি বিৰোধীসকলৰ যুক্তি শাস্ত্ৰসন্মতভাৱে খণ্ডন কৰিছিল। তদুপৰি মহাপুৰুষীয়া সকলো লোকে মৃতকৰ কৰ্ম এঘাৰ দিনত সমাপ্ত কৰিবৰ বাবে এখেতলোকে অসমৰ ৰাইজক আহ্বান জনাইছিল। এনেবোৰ তৰ্ক সভা ত্ৰিশৰ দশকৰ পৰা সত্তৰ-আশী দশকমানলৈকে অসমৰ বিভিন্ন স্থানত অনুষ্ঠিত হৈছিল। মহাপুৰুষীয়া ধৰ্মৰ পবিত্ৰতা ৰক্ষা কৰিবলৈ ওলাই অহা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহসী পদক্ষেপৰ কথা জানিব পাৰি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, যোৰহাট কৰঙাৰ কাঠসত্ৰৰ সত্ৰাধিকাৰ কমলচন্দ্ৰ গোস্বামী, আৰ্য সমাজৰ প্ৰচাৰক ভি.পি. যোশী, অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মহেন্দ্ৰমোহন চৌধুৰীকে প্ৰমুখ্য কৰি বহুজন গুণী জ্ঞানী ব্যক্তিয়ে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ এনে অভিযানৰ কথা জানিব পাৰি পত্ৰযোগে তেখেতলোকৰ সমৰ্থনৰ কথা ব্যক্ত কৰিছিল। উদাহৰণ স্বৰূপে ইয়াত কেৱল দুখন পত্ৰ উল্লেখ কৰিলোঁ।

(১) 'জন্মগত বৰ্ণ বিভাগে যিদিনাই ভাৰতত ঠাই পালে, সেইদিনাই ভাৰতৰ আৰু অবৈদিক কৰ্মকাণ্ডই যিদিনাই একশৰণ ধৰ্মত ঠাই পালে সেইদিনাই একশৰণ ধৰ্মৰ অধঃপতন আৰম্ভ হ'ল।' (পত্ৰৰ কিয়দংশ)

লক্ষ্মীনাথ বেজবৰুৱা

।।২১/৪/৩৫।।

(ইতিবৃত্ত ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ঃ প্ৰথম খণ্ড, সম্পাদনা - হেম শইকীয়া, পৃ. ২১, প্ৰকাশক - শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ১৯৮৫ চন)

(২) 'বেদৰ কৰ্মকাণ্ড মহাপুৰুষীয়া ধৰ্মৰ পালনীয় নহয়। বেদৰ অৰ্থ নুবুজিহে কৰ্মকাণ্ডত লিপ্ত থাকে। শ্ৰীকৃষ্ণদেৱেই একশৰণ ধৰ্ম প্ৰৱৰ্তন কৰিছে। কৰ্মত বিশ্বাস থকা লোকৰ পৰা ঈশ্বৰ বহুত আঁতৰত থাকে। শ্ৰীশ্ৰীশংকৰদেৱ সংঘই বেদ এৰিলে বুলি কোৱা মই শুনিবলৈ পাইছিলোঁ। আজি বুজিছোঁ যে এই কথা মিছা। বিবাহ আদি কাৰ্যত হোম এৰি হৰি নামেৰে সমাধা কৰিব পাৰে। সত্ৰ-সংঘত ৫০০শ খন সত্ৰ সোমাই আছে। কিন্তু এক মত হ'ব নোৱাৰাৰ কাৰণে কোনো কাম কৰিব পৰা নাই। শ্ৰীশ্ৰীশংকৰদেৱ সংঘই এই কাম কৰিব পাৰিব। ভৱিষ্যতে শংকৰদেৱ সংঘই যাতে ধৰ্মত সোমোৱা অন্ধকাৰ দূৰ কৰিব পাৰে, তাৰ বাবে ঈশ্বৰক খাটিছোঁ।'

কমল চন্দ্ৰ গোস্বামী
কৰঙা, যোৰহাট, কাঠসত্ৰ
১৪ বহাগ, ৫১৫ শংকৰাব্দ

(ইতিবৃত্ত ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ঃ প্ৰথম খণ্ড, সম্পাদনা - হেম শইকীয়া, পৃ. ২১, প্ৰকাশক - শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ১৯৮৫ চন)

এনেদৰে গুৰুজনাৰ প্ৰচাৰিত ভক্তিমাৰ্গৰ সংস্কাৰৰ কামত লাগি থাকিবলগীয়া হৈছিল প্ৰায় সত্তৰ-আশী দশকমানলৈকে।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই নবৈৰ দশক মানৰ পৰাহে অৰ্থাৎ আজিৰ পৰা ২৫-৩০ বছৰ মানৰ পূৰ্বৰ পৰাহে বিভিন্ন শাখা-সমিতিসমূহ সৃষ্টি কৰি এইবিলাকৰ যোগেদি সঙ্ঘই বিস্তৃত কাৰ্যসূচী গ্ৰহণ কৰিছে। পদাধিকাৰ ডিম্বেশ্বৰ নেওগৰ কাৰ্যকালতেই অৰ্থাৎ ১৯৫৫-৫৬ চনতেই সঙ্ঘত সাহিত্য শাখা আৰু সংস্কৃতি শাখা দুটি গঠন কৰি সভা-সমিতি অনুষ্ঠিত কৰি আহিছিল যদিও দুয়োটা শাখাই ২৫-৩০ বছৰ মানৰ পৰাহে অধিক সক্ৰিয়ভাৱে কৰ্মত নিয়োজিত হোৱা পৰিলক্ষিত হয়। কিন্তু ময়ূৰ বৰাদেৱে তেখেতৰ গ্ৰন্থখনত পাঠক সমাজ তথা অসমৰ ৰাইজক এটা ওলোটা ছবি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ বিৰুদ্ধে দাঙি ধৰাৰ অপচেষ্টা কৰিছে। বৰাই কবলৈ গৈছে যে - '... **নিৰ্মোহভাৱে বিশ্লেষণ কৰিলে জলজল পটপটকৈ ওলাই পৰে যে যোৱা ২৫-৩০ বছৰৰ পৰা সংঘৰ শীৰ্ষ নেতৃত্বৰ দায়িত্বভাৰ লোৱা অধিকাংশ নেতাৰে কোনো দূৰদৰ্শী পৰিকল্পনা আৰু সংগঠনটোক বৌদ্ধিকভাৱে শক্তিশালী কৰাৰ আঁচনি নাই। কিবা আঁচনি থাকিলেও সেয়া কেৱল সংঘৰ কাগজে কলমে বন্দী হৈ আছে।'** (পৃ. ৩২) এনেদৰে বৰাই পাকে-প্ৰকাৰে গ্ৰন্থখনৰ আৰু কেইবাঠাইতো এনে অভিযোগ উত্থাপন কৰা দেখিবলৈ পোৱা যায়। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পৰিকল্পনা আৰু কৰ্মআঁচনি কেনেদৰে যোৱা ২৫-৩০ বছৰত কাৰ্যকৰী কৰা হৈছে - সেই বিষয়ে কিছু কথা ইয়াত চমুকৈ হ'লেও বৰাক অৱগত কৰিবলৈ লৈছোঁ।

১৯৭৯ চনৰ পৰাই সঙ্ঘই প্ৰচাৰক নিযুক্তি দি গুৰুজনাৰ ধৰ্মাদৰ্শ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচাৰ কৰ্ম চলাই আহিছে আৰু ইয়াৰ ফলত ভিন ভিন জনগোষ্ঠীৰ লোকে গুৰুজনাৰ একশৰণ নামধৰ্ম গ্ৰহণ কৰিছে। এই সম্পৰ্কত পিছৰ এটা অধ্যায়ত কেইখনমান জিলাৰ এখন ছবি বৰাক দিবলৈ যত্ন কৰিছোঁ। যিনহওক - ১৯৯৫ চনত সঙ্ঘত **'প্ৰচাৰ শাখা সমিতি'** নামেৰে এটি নতুন শাখা গঠন কৰা হ'ল। দুবছৰৰ অন্তৰে অন্তৰে সমিতিখনৰ বিষয়ববীয়াসকলক সলনি কৰাৰ নিয়ম। প্ৰচাৰ শাখা সমিতিয়ে তেতিয়াৰ পৰাই গুৰুজনাৰ ধৰ্মাদৰ্শৰ প্ৰচাৰত নিয়োজিত হৈ আহিছে। প্ৰতিবছৰে মূল কাৰ্যনিৰ্বাহকৰ দ্বাৰা অনুমোদিত কৰ্ম আঁচনি মতে প্ৰচাৰ শাখাই প্ৰচাৰক প্ৰশিক্ষণ কৰ্মশালা, বক্তা প্ৰশিক্ষণ, ভাগৱত পাঠ আদিৰ কাৰ্যসূচী অনুষ্ঠিত কৰি আহিছে। ফলস্বৰূপে গুৰুজনাৰ ধৰ্মাদৰ্শৰ প্ৰভাৱ নপৰা ভিন ভিন স্থানত প্ৰচাৰ কাৰ্য চলাই বহুতো জনগোষ্ঠীয় লোকক সঙ্ঘৰ অন্তৰ্ভুক্ত কৰাৰ উপৰি বহুতো নতুন প্ৰাথমিক গঠন কৰিছে। ১৯৭৯ চনৰ পৰা বৰ্তমানলৈ প্ৰচাৰ শাখাই অবিৰতভাৱে নিজৰ কৰ্মত নিয়োজিত হৈ আহিছে। ২০১১ বৰ্যত প্ৰচাৰ শাখাৰ উদ্যোগতে গুজৰাটৰ আহমেদাবাদত গুৰুজনাৰ ৫৬৩ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ উদ্‌যাপিত হোৱাটো উল্লেখযোগ্য।

সঙ্ঘৰ অন্য এটি শাখা হ'ল **'শিক্ষা শাখা সমিতি'**। ১৯৯৭ চনত সঙ্ঘই শিক্ষা শাখা সমিতি গঠন কৰে। শিক্ষা শাখা সমিতিৰ যোগেদিয়েই বৰ্তমান ৫২ খন শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছে আৰু কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে উচ্চ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ সন্তোষজনক ফলাফল দেখুৱাবলৈ সমৰ্থ হৈছে। (এই সম্পৰ্কে বৰাই **'শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আৰু ড° নগেন শইকীয়া'** শীৰ্ষক অধ্যায়ত বিতং তথ্য পাব) ১৯৯৭ চনৰে পৰা প্ৰতি জিলাত শিক্ষা শাখা সমিতিসমূহে এইক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰি আহিছে।

শিক্ষা শাখা সমিতিৰ সমান্তৰাল ভাৱেই ১৯৯৭ চনতে সঙ্ঘৰ **'গ্ৰন্থ বিপণন শাখা সমিতি'** গঠন কৰা হয়। এই শাখাৰ জৰিয়তে সঙ্ঘই প্ৰকাশ কৰা গ্ৰন্থসমূহ সঙ্ঘৰ কাৰ্যালয়(ভিন ভিন স্থানত থকা), গ্ৰন্থমেলা, প্ৰদৰ্শনী আৰু মূল অধিৱেশনস্থলীত বিক্ৰী কৰাৰ ব্যৱস্থা কৰি আহিছে। ইয়াৰ উপৰি অন্যান্য প্ৰকাশকৰ গ্ৰন্থ ক্ৰয় কৰি আনি বিপণন কৰি সঙ্ঘৰ পুঁজি টনকিয়াল কৰিছে। মূলৰ দৰে প্ৰায়বিলাক জিলাতো গ্ৰন্থ বিপণন শাখা গঠন কৰা হৈছে। ১৯৯৭ চনৰ পৰা সঙ্ঘই গ্ৰন্থাদি ছপাৰ সংখ্যা বৃদ্ধি কৰি বিপণনৰ যোগেদি সঙ্ঘৰ পুঁজি শক্তিশালী কৰি তোলে।

সঙ্ঘৰ **'বাৰ্তালোচনী প্ৰকাশন শাখা সমিতি'** ১৯৯৩ চনত গঠন কৰা হয়। এই শাখা সমিতিৰ তত্বাৱধানত ১৯৯৪ চনৰ পৰা **'মণিকাঞ্চন'** নামৰ এখনি বাৰ্তালোচনী বৰ্তমানলৈকে প্ৰকাশ পাই আহিছে। ১৯৯৮ চনত সঙ্ঘৰ ৬৩ সংখ্যক বিশ্বনাথ চাৰিআলিৰ অধিৱেশনত মাহেকীয়া বাৰ্তালোচনী 'মণিকাঞ্চন'ৰ প্ৰথম সংখ্যাটি উন্মোচন কৰা হয়। ইয়াৰ প্ৰথমজন সম্পাদক আছিল বৰ্তমান উপ-পদাধিকাৰ পদত কাৰ্যনিৰ্বাহ কৰি থকা ভৱেন্দ্ৰনাথ ডেকা।

যুৱক-যুৱতীসকলক গুৰুধৰ্মৰ প্ৰতি আকৃষ্ট কৰিবৰ বাবে, গুৰুজনাৰ সাহিত্য-সংস্কৃতিৰ প্ৰতি অনুৰাগ বৃদ্ধি কৰা আদি কেইবাটাও লক্ষ্যৰে সঙ্ঘই **'সেৱাবাহিনী সঞ্চালন শাখা সমিতি'** নামেৰে ১৯৯৭ চনতে এটি শাখা গঠন কৰে। সেয়েহে ১৯৯৭ চনৰ ৮ অক্টোবৰ তাৰিখটো সেৱা বাহিনীৰ প্ৰতিষ্ঠা দিৱস হিচাপে পালন কৰা হয়। অসমীয়াৰ বাপতি সাহোন স্বৰূপ ৰঙালী বিহুটি

২০০৫ চনৰ পৰা সেৱাবাহিনীয়ে কোনো এখন জিলাত ‘‘কেন্দ্ৰীয় বহাগী উৎসৱ’ হিচাপে পালন কৰি আহিছে। প্ৰধানকৈ সেৱা বাহিনীৰ এই যুৱক-যুৱতীসকলৰ কাৰণেই ২০০১ চনৰ পৰা ‘ডেকাগিৰী’ নামৰ যুৱ আলোচনী এখন প্ৰতি বছৰৰ যুৱ সমাৰোহত প্ৰকাশ পাই আহিছে। কেন্দ্ৰীয় সেৱা বাহিনীয়ে কবিতা পুথি প্ৰকাশ কৰাকে আদি কৰি স্বৰচিত কবিতা পাঠ, বিভিন্ন বিষয়ৰ আলোচনা চক্ৰ আদি অনুষ্ঠিত কৰি আহিছে। সঙ্ঘৰ প্ৰতিখন অধিৱেশনত সেৱা বাহিনীয়ে শৃঙ্খলাবদ্ধতাৰে, সেৱামূলক মনোভাৱেৰে অধিৱেশনৰ প্ৰতিটো কাৰ্যসূচীতে সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰি আহিছে।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই নাৰী শক্তিক জাগ্ৰত কৰি, সুসংগঠিত কৰি আৰ্থ-সামাজিক আৰু আধ্যাত্মিক বিকাশৰ বাবে ২০০৪ চনত কেন্দ্ৰীয়ভাৱে **‘শিশু আৰু আইমাতৃ কল্যাণ শাখা সমিতি’** নামেৰে এটি শাখা গঠন কৰে। নাৰীসকলৰ লগতে শিশুসকলকো আধ্যাত্মিক শিক্ষাৰে শিক্ষিত কৰি তুলিবৰ বাবে দুয়োটি শাখা এটি শাখা হিচাপে গঠন কৰা হয়। ইয়াৰ পূৰ্বে ‘আইমাতৃ কল্যাণ সমিতি’ অৱশ্যে ১৯৯৪ চনৰে পৰা বিভিন্ন জিলাত গঠন হৈছিল। ১৯৯৫ চনৰে পৰা কেন্দ্ৰীয়ভাৱে শিশু আৰু আইমাতৃ সমাৰোহ অনুষ্ঠিত হৈ আহিছে। ২০০২ চনৰে পৰা শিশুসকলৰ বাবে ‘শিশুমঞ্জৰী’ আৰু আইসকলৰ বাবে ‘মহীয়সী’ নামৰ দুখন আলোচনী প্ৰতিবছৰে সমাৰোহৰ সময়ত প্ৰকাশ হৈ আহিছে। ইয়াৰ উপৰি উক্ত আদৰণী সমিতিসমূহেও স্মৃতিগ্ৰন্থ প্ৰকাশ কৰি আহিছে।

২০০৬ চনত সঙ্ঘৰ **‘শিক্ষা আৰু আৰ্থ-সামাজিক উন্নয়ন ন্যাস’** গঠন কৰা হয়। উক্ত ন্যাস সমিতিৰ অধীনত ২০০৬ চনৰে পৰা **‘মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়’**ৰ কাম পূৰ্ণগতিত চলি থকাৰ পিছত অন্তিম পৰ্বত ভৰি দিছেহি। ইয়াৰ লগে লগে **‘শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আৰ্থিক বিকাশ সমিতি’**ৰ যোগেদি কেইবাখনো জিলাত বেঙ্ক জাতীয় প্ৰতিষ্ঠান খুলি নিবনুৱা যুৱক-যুৱতীক কৰ্ম সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে। (বিতং তথ্যৰ বাবে **‘শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় ঃ এটি বাস্তৱ চিত্ৰ’** শীৰ্ষক প্ৰবন্ধ চাওক)

সাহিত্য শাখা ১৯৫৫-৫৬ চনতেই গঠন কৰা হৈছিল যদিও যোৱা ২৫-৩০ বছৰৰ ভিতৰতে সাহিত্য শাখা সমিতিৰ প্ৰচেষ্টাত সঙ্ঘই যথেষ্ট সংখ্যক গ্ৰন্থ প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে বৰ্তমানলৈকে সঙ্ঘই প্ৰকাশ কৰা চাৰিকুৰিখনতকৈ অধিক গ্ৰন্থই যোৱা ৩০ বছৰমানৰ ভিতৰত প্ৰকাশ হোৱা গ্ৰন্থ। আলোচনা চক্ৰ, কৰ্মশালাকে আদি কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত ৰচনা প্ৰতিযোগিতা, প্ৰশ্নোত্তৰ প্ৰতিযোগিতাসমূহো উক্ত সময়ছোৱাৰ ভিতৰতে অধিকভাৱে অনুষ্ঠিত কৰা হৈছে। উক্ত সময়ছোৱাৰ ভিতৰত সঙ্ঘৰ গ্ৰন্থ প্ৰকাশৰ এখন তালিকা মন কৰিলেই এনে কথাৰ সত্যতা প্ৰমাণিত হ’ব -

০ **শ্ৰীমদ্ভাগৱত**
প্ৰথম প্ৰকাশ - ২০০০, দ্বিতীয় প্ৰকাশ - ২০০৪

০ **মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বাক্যামৃত**
প্ৰথম প্ৰকাশ - ১৯৯৮

০ **মহাপুৰুষ মাধৱদেৱ বাক্যামৃত**
প্ৰথম প্ৰকাশ - ১৯৯৪, দ্বিতীয় প্ৰকাশ - ২০০৯

০ **নাম-ধৰ্ম একত্ৰ সংকলন ঃ প্ৰথম খণ্ড**
সম্পাদক - কৈলাস দাস,
সহঃ সম্পাদক - জীৱকান্ত নাথ
প্ৰথম প্ৰকাশ - ২০০৬

০ **শঙ্কৰী সংগীতৰ আধাৰগ্ৰন্থ**
গোলাপ মহন্ত
প্ৰথম প্ৰকাশ - ২০০২

০ **বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া ৰচনাৱলী**
মুখ্য সম্পাদক - কৈলাস দাস,
সম্পাদক - কমলাকান্ত বৰা
প্ৰথম প্ৰকাশ - ২০০৬

০ **শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰসকলৰ অভিভাষণ**
সঙ্কলক-সম্পাদক - জীৱকান্ত নাথ
প্ৰথম প্ৰকাশ - ২০০৫

০ **অসমৰ সত্ৰ ঃ এক অনুসন্ধান**

সোণাৰাম চুতীয়া
প্ৰথম প্ৰকাশ - ২০০৩

- **শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰাক্তন পদাধিকাৰ ধৰ্মৰত্ন গহন চন্দ্ৰ গোস্বামীঃ**
  জন্মশতবাৰ্ষিকী স্মাৰক গ্ৰন্থ
  সঙ্কলক আৰু সম্পাদক - কমলাকান্ত বৰা
  প্ৰথম প্ৰকাশ - ২০০০
- **শঙ্কৰী সংস্কৃতিৰ অধ্যয়ন**
  সম্পাদক - ভৱপ্ৰসাদ চলিহা
  প্ৰথম প্ৰকাশ - ১৯৭৮, দ্বিতীয় প্ৰকাশ - ১৯৯৯
- **শঙ্কৰদেৱ-চৰ্চা ঃ বিদ্বেষ আৰু বিভ্ৰান্তি** ('শঙ্কৰ বিভ্ৰাট'ৰ প্ৰতিবাদ)
  কৈলাস দাস আৰু জীৱকান্ত নাথ
  প্ৰথম প্ৰকাশ - ২০১০
- **শঙ্কৰী সঙ্গীত-ৰত্ন গোলাপ মহন্ত স্মাৰক গ্ৰন্থ**
  সম্পাদনা - কৈলাস দাস, খগেন্দ্ৰ নাথ বৰা
  প্ৰথম প্ৰকাশ - ২০১০
- **শ্ৰদ্ধাঞ্জলি ঃ বৈষ্ণৱ পণ্ডিত শ্ৰীসোণাৰাম চুতীয়া ঃ সম্বৰ্দ্ধনা গ্ৰন্থ**
  সম্পাদক ঃ ড° ধৰ্মেশ্বৰ চুতীয়া
  সহঃ সম্পাদক - কমলাকান্ত বৰা
  প্ৰথম প্ৰকাশ - ১৯৯৮
- **মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ**
  ড° ৰবীন্দ্ৰনাৰায়ণ চৌধুৰী
  প্ৰথম প্ৰকাশ - ২০০০
- **শঙ্কৰী সাহিত্যৰ সমীক্ষা**
  সম্পাদক - ভৱপ্ৰসাদ চলিহা
  প্ৰথম প্ৰকাশ - ১৯৮১, দ্বিতীয় প্ৰকাশ - ১৯৯৮
- **শ্ৰীশ্ৰীমাধৱদেৱ**
  ড° মহেশ্বৰ নেওগ
  প্ৰথম প্ৰকাশ - ১৯৮৯
- **অসমৰ বৈষ্ণৱ দৰ্শনৰ স্বৰ্ণৰেখা**
  সোণাৰাম চুতীয়া
  প্ৰথম প্ৰকাশ - ১৯৯৫
- **প্ৰাক্তন পদাধিকাৰ অচ্যুতকৃষ্ণ মিশ্ৰ ঃ স্মাৰক গ্ৰন্থ আৰু ৰচনাৱলী**
  সম্পাদনা - জীৱকান্ত নাথ, হেমপ্ৰসাদ বৰা
  প্ৰথম প্ৰকাশ - ২০১০
- **বৰগীত**
  সম্পাদক - কৈলাস দাস
  প্ৰথম প্ৰকাশ - ২০০২, দ্বিতীয় প্ৰকাশ - ২০০৩
  তৃতীয় প্ৰকাশ - ২০০৬
- **নাম-ঘোষাৰ সমীক্ষাত্মক অধ্যয়ন**
  সম্পাদক - জীৱকান্ত নাথ
  প্ৰথম প্ৰকাশ - ২০০১, দ্বিতীয় প্ৰকাশ - ২০০৭
- **বিষোদগাৰৰ বিচিত্ৰ কাহিনী**
  সোণাৰাম চুতীয়া

প্ৰথম প্ৰকাশ - ১৯৭৬, দ্বিতীয় প্ৰকাশ - ১৯৯০
তৃতীয় প্ৰকাশ - ২০০১

- **শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ইতিহাস**
  মুখ্য সম্পাদক - কৈলাস দাস
  সম্পাদক - জীৱকান্ত নাথ
  প্ৰথম প্ৰকাশ - ২০১২
- **কীৰ্ত্তন-ঘোষা আৰু নাম-ঘোষা**
  প্ৰথম প্ৰকাশ - ১৯৯১, দ্বিতীয় প্ৰকাশ - ১৯৯৫, তৃতীয় প্ৰকাশ - ১৯৯৯
  চতুৰ্থ প্ৰকাশ - ২০০২, পঞ্চম প্ৰকাশ - ২০০৫
- **নাম-ঘোষা** (ক্ষুদ্ৰ সংস্কৰণ)
  প্ৰথম প্ৰকাশ - ১৯৯৫, দ্বিতীয় প্ৰকাশ - ১৯৯৭, তৃতীয় প্ৰকাশ - ২০০১
  চতুৰ্থ প্ৰকাশ - ২০০৩, পঞ্চম প্ৰকাশ - ২০১০
- **মাধৱদেৱৰ সাহিত্য**
  সম্পাদনা - ভৱপ্ৰসাদ চলিহা
  প্ৰথম প্ৰকাশ - ১৯৮৭, দ্বিতীয় প্ৰকাশ - ২০০০
- **বাদ্য বিশাৰদ শ্ৰীযোগেশ্বৰ বৰদলৈ ৰচনা সম্ভাৰ** (প্ৰথম খণ্ড)
  সম্পাদক - ড° ধৰ্মেশ্বৰ চুতীয়া
  প্ৰথম প্ৰকাশ - ২০০২
- **বৰগীত মুকুৰ**
  সম্পাদক - গোলাপ মহন্ত
  প্ৰথম প্ৰকাশ - ১৯৯৯, দ্বিতীয় প্ৰকাশ - ২০০৬, তৃতীয় প্ৰকাশ - ২০০৯
- **দীননাথ ডেকা ৰচনাৱলী**
  মুখ্য সম্পাদক - কৈলাস দাস
  সম্পাদক - প্ৰসন্ন চহৰীয়া
  প্ৰথম প্ৰকাশ - ২০০৪
- **SRIMANTA SANKARADEVA'S**
  **THE KIRTAN-GHOSA**
  [AN ENGLISH VERSE RENDERING]
  By Dr. Purnananda Saikia
  First Edition - 2005
- **Srimanta Sankaradeva and His Philosophy**
  Chief Editor - Dr. Girish Barua
  Editors - Jibakanta Nath, Kailash Das,
  Dr. Suresh Ch. Bora
  First Edition - 2008, Second Edition - 2011
- **JAGAT-GURU SANKARDEW**
  **THE FOUNDER OF MAHAPURUSISM**
  By Dimbeswar Neog
  First Edition - 1963, Second Edition - 1998

উপৰিউক্ত গ্ৰন্থসমূহৰ উপৰি - **মাধৱদেৱ আৰু সংস্কৃতি** (সম্পাঃ ভৱপ্ৰসাদ চলিহা), **ৰামেশ্বৰ বৰুৱা স্মৃতিমাল্য** (সম্পাঃ ভৱপ্ৰসাদ চলিহা), **Sankaradeva : Studies in Culture** (Editor : Prof. Bhaba Prasad Chaliha) **খোল অঙ্ক** (গোলাপ মহন্ত), **শঙ্কৰী নৃত্যৰ মাটি আখৰা** (যতীন গোস্বামী), **ভাগৱত ৰসজ্ঞ মাধৱচন্দ্ৰ ভাগৱতী ঃ অভিনন্দন গ্ৰন্থ** (সম্পাঃ কমলাকান্ত বৰা), **খোলবাদ্য** (যোগেশ্বৰ বৰদলৈ), **মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু ভ্ৰান্ত পাণ্ডিত্য** (অসমীয়া, ইংৰাজী, লক্ষেশ্বৰ হাজৰিকা), **আমাৰ শঙ্কৰদেৱ** (শিশু পুথি, কেশপ্ৰভা নাথ), **অসমীয়া ভাষা-সাহিত্যৰ কৃতি সাধক**

**ডিম্বেশ্বৰ নেওগ** (হৰিপ্ৰসাদ চলিহা), **শ্ৰীমন্ত শঙ্কৰদেৱ বিৰচিত 'কীৰ্ত্তন-ঘোষা'** (বাংলা অনুবাদ, অনুবাদক - মুৰাৰিমোহন চৰকাৰ), **সমিধান** (শোভন চন্দ্ৰ শইকীয়া), **বৰগীতৰ তত্ত্বসুধা সন্ধান** (যোগেন্দ্ৰ নাথ ভূঞা), **গীতেৰে নীতিশিক্ষা** (চম্পা বৰা), **আমাৰ অ-আ** (চম্পা বৰা), **শাস্ত্ৰৰ শিক্ষা** (কিৰণ শইকীয়া বৰা), **বৰগীতৰ ৰাগৰ হাতপুথি** (নীলকান্ত বৰা), **মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ** (বাংলা, মুৰাৰি মোহন চৰকাৰ) আদি গ্ৰন্থসমূহো যোৱা ২৫-৩০ বছৰৰ ভিতৰতে সঙ্ঘই প্ৰকাশ কৰিছে। ১৯৫১ চনৰ পৰা প্ৰকাশ পাই অহা সঙ্ঘৰ **'নাম-ধৰ্ম'** মুখপত্ৰখনি বৰ্তমানলৈকে একেৰাহে ছমহীয়াভাৱে প্ৰকাশ পাই থকাটো সঙ্ঘৰ বাবে এক লেখত লবলগীয়া কৰ্ম। ইয়াৰ উপৰি ইংৰাজী ভাষাৰ গৱেষণা পত্ৰিকা **'MAHAPURUSA JYOTI'** ১৯৯৭ চনৰ পৰা প্ৰতিবছৰে প্ৰকাশ পাই আহিছে। প্ৰথম সংখ্যা প্ৰকাশ হৈছিল - ড° ধৰ্মেশ্বৰ চুতীয়াৰ সম্পাদনাত। এনেদৰে দেখা যায় যে যোৱা ২৫-৩০ বছৰৰ ভিতৰতহে সঙ্ঘই বিভিন্ন দিশৰ গ্ৰন্থবোৰ প্ৰকাশ কৰিছে। ইয়াৰ পূৰ্বে কেইখনমান গ্ৰন্থহে প্ৰকাশ পাইছিল। বৰাই কোৱাৰ দৰে **'আঁচনি থাকিলেও সেয়া কেৱল সংঘৰ কাগজে-কলমে বন্দী হৈ আছে'** বুলি কোৱা কথাটো সম্পূৰ্ণ অসত্য আৰু ভিত্তিহীন।

সংস্কৃতি শাখাৰ ক্ষেত্ৰতো দেখিবলৈ পোৱা যায় যে ১৯৭২ চনতে সঙ্ঘই সংস্কৃতি শাখাটো পূৰ্ণাঙ্গ ৰূপত গঠন কৰি শঙ্কৰী সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰ ঘটাই আহিছিল যদিও যোৱা ২৫-৩০ বছৰৰ পৰা এই শাখাটোৱে অধিক কৰ্মঠ আৰু সক্ৰিয় ৰূপত আত্মপ্ৰকাশ কৰিছে। 'শঙ্কৰী সংস্কৃতিৰ সুবাস' নামৰ এখনি বাৰ্ষিক আলোচনী ২০০১ চনৰ পৰা অধিৱেশন সমূহত প্ৰকাশ পাই আহিছে। ১৯৮৫ চনত সঙ্ঘই এটি 'কেন্দ্ৰীয় শিল্পী দল' গঠন কৰি গুৰুজনাৰ গীত, নৃত্য, বাদ্য আদি অমূল্য অৱদানৰাজি ৰাজ্যৰ ভিতৰে-বাহিৰে সকলো শ্ৰেণীৰ লোকৰ মাজত প্ৰচাৰ-প্ৰসাৰ ঘটাই আহিছে। ১৯৭২ চনতে 'শঙ্কৰী সঙ্গীত বিদ্যালয়' এখনি নগাঁৱত স্থাপন হৈছিল যদিও ১৯৯৭ চনৰ পৰাহে সঙ্ঘই এনে বিদ্যালয়সমূহ বিভিন্ন জিলাত স্থাপন কৰি আহিছে। ১৯৯৭ চনতে অসমৰ সাতখন জিলাত সাতখন 'শঙ্কৰী সঙ্গীত বিদ্যালয়' প্ৰতিষ্ঠা কৰা হয়। বৰ্তমান ৩৫ খন 'শঙ্কৰী সঙ্গীত বিদ্যালয়' সঙ্ঘৰ তত্বাবধানত সক্ৰিয়ভাৱে চলি আছে। মন কৰিবলগীয়া কথা যে ২০০০ চনৰ পৰা সংস্কৃতি শাখাই বিশেষ কৰ্ম আঁচনি প্ৰস্তুত কৰি অঙ্কীয়া নাট সমাৰোহ আৰু জনগোষ্ঠীয় কৃষ্টি-সংস্কৃতিৰ কৰ্মশালা আদি বিভিন্ন জিলাত প্ৰতিবছৰে অনুষ্ঠিত কৰি আহিছে। সঙ্ঘৰ বাৰ্ষিক অধিৱেশন, যুৱ সমাৰোহ, শিশু-আইমাতৃ সমাৰোহ আদিত সংস্কৃতি শাখাই শঙ্কৰী গীত-নৃত্যৰ প্ৰতিযোগিতা আৰু প্ৰদৰ্শন কৰি কলানুৰাগীসকলক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ জিলা পৰ্যায়ত সাংগঠনিক দিশ আৰু প্ৰচাৰ-প্ৰসাৰলৈ মন কৰিলে এটা কথা দেখা যায় যে যোৱা ২৫-৩০ বছৰৰ ভিতৰত জিলাৰ সংখ্যা আৰু গৃহস্থীৰ সংখ্যা পূৰ্বৰ তুলনাত অধিক হৈছে। বৰ্তমান শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ জিলা সংখ্যা ৪৭ খন। ইয়াৰে আধাতকৈ বেছি জিলা যোৱা ২৫-৩০ বছৰৰ ভিতৰত গঠন হৈছে। জিলা গঠনৰ চন মন কৰিলেই এই কথাৰ প্ৰমাণ পোৱা যাব। সঙ্ঘৰ ১৭ নং জিলা চৰাইদেউ জিলা শাখা(স্থাপিত ১৯৮৩)ৰ পৰা ৪৭ নং জিলা বাক্সা জিলা শাখা(স্থাপিত ২০১০) অৰ্থাৎ ৩১ খন জিলা গঠন কৰা হয় যোৱা ৩০ বছৰৰ ভিতৰত। ১ নং জিলা নগাঁও (১৯৩০)ৰ পৰা ১৬ নং জিলা নলবাৰী জিলা শাখা(১৯৭৮) অৰ্থাৎ ১৬ খন জিলা শাখাহে ৩০ বছৰৰ পূৰ্বতে গঠন হোৱা। (দ্ৰষ্টব্য - শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ইতিহাস)

মুঠৰ ওপৰত যোৱা ২৫-৩০ বছৰৰ ভিতৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই সাহিত্য, সংস্কৃতি, শিক্ষাকে আদি কৰি শিশু, যুৱ, আইমাতৃসকলৰ বিকাশৰ কাৰণে সমিতি গঠন কৰি, সমাৰোহ আদি অনুষ্ঠিত কৰি আৰু জিলা পৰ্যায়তো সাংগঠনিক স্থিতি শক্তিশালী কৰি যি ভূমিকা পালন কৰি আহিছে, সেইটো ওপৰৰ কথাখিনি ভালদৰে নিৰীক্ষণ কৰিলেই বৰাদেৱে বুজিব পাৰিব। কি কাৰণত বৰাই কোনো দূৰদৰ্শী পৰিকল্পনা নাই বুলি কলে আৰু থাকিলেও সেইবোৰ কাগজ-কলমতে বন্দী বুলি কলে - সেইটোহে আচৰিত কথা। বৰ্তমান বিষয়ববীয়াসকলৰ প্ৰতি বৰাই এনে আক্ৰোশমূলক দৃষ্টিভংগী কিয় গ্ৰহণ কৰিবলগীয়া হ'ল ? বৰাই আমাৰ এই কথাবোৰৰ উচিত উত্তৰ দিবনে ?

# দ্বিতীয় অধ্যায়
# অৰ্পণ ভকতিৰ বিড়ম্বনা

মহাপুৰুষ শঙ্কৰদেৱে কীৰ্ত্তন-ঘোষাৰ প্ৰহ্লাদ চৰিতৰ দ্বাদশ কীৰ্ত্তনত নৱবিধ ভকতিৰ উল্লেখ কৰিছে এনেদৰে -

'শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চ্চন পদ সেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুত
কৰিব দেহা অৰ্পণ।।'

গুৰুজনে ভকতিৰ দুৱাৰমুখ স্বৰূপ শ্ৰৱণ-কীৰ্ত্তনক শ্ৰেষ্ঠত্ব দিলেও অৱশেষত নিজৰ দেহাটো অৰ্পণ কৰিব পাৰিলেহে ভকতিৰ চৰম শিখৰত আৰোহণ কৰিব পাৰিব বুলি ঘোষণা কৰিছে। কিয়নো নিজৰ দেহটোৰ মায়া সকলোৰে বাবেই সৰ্বাধিক। এঢাপ এঢাপকৈ ভকতিৰ স্তৰত আগুৱাই গৈ থাকি কৃতকাৰ্য হ'ব পাৰিলেহে অৱশেষত দেহাৰ মায়া তৰাটো সম্ভৱ বুলি গুৰুজনে কবলৈ গৈছে। আমাৰ সমাজত যোজনা এটি আছে - 'অতি ভক্তি চোৰৰ লক্ষণ' অৰ্থাৎ ভক্তি কৰিবৰ বাবে ভকত চোৰৰ দৰেই হ'ব লাগিব। চোৰে যিদৰে গৃহস্থই গম নোপোৱাকৈয়ে ঘৰৰ সকলো সম্পদ লৈ যায়, তেনেদৰে ভকতেও আনে গম নোপোৱাকৈয়ে ভিতৰি ভিতৰি ভগৱানৰ লগত একাত্মতা স্থাপন কৰিব পাৰিলেহে ভকতিৰ পন্থত উত্তীৰ্ণ হ'ব পাৰিব। অৱশ্যে এই যোজনাটি আমাৰ মাজত অলপ বিপৰীত ভাৱেহে চৰ্চা হোৱা দেখা যায়। মুখেৰে কিবা এটা বস্তু অৰ্পণ কৰিছোঁ বুলি কৈ বা লিখি অৰ্পণ কৰিলেই ভক্তি নহয়।

মহাপুৰুষ মাধৱদেৱে 'ভক্তি-ৰত্নাৱলী'ৰ দ্বাদশ অধ্যায়ৰ 'আত্মনিৱেদন বিৰচন'ত দেহা অৰ্পণ সম্পৰ্কত কৈছে -

'আত অনন্তৰে আৰু শুনা বিচৰণ।
আত্ম নিৱেদন ভক্তি কৰো নিৰূপণ।।
অৰ্পিলেক দেহ যিটো কৃষ্ণক সাক্ষাত।
হোৱয় কৃতাৰ্থ আতি কৃষ্ণৰ কৃপাত।। ১১৩৩
সৰ্ব্ব পুৰুষাৰ্থ সিদ্ধি হোৱে সিজনৰ।
লৈয়োক ইহাৰ সাক্ষী বচনে কৃষ্ণৰ।।
উদ্ধৱক বোলন্ত শুনিয়ো মহাবল।
যিকালত নৰে কৰ্ম্ম এৰিয়া সকল।। ১১৩৪
মোত দেহ অৰ্পি ভৈল কৃতাৰ্থ পৰম।
নাই আন মোৰ প্ৰিয়তম তাক সম।।
যেন গৰু পৰত বিকিলে যিটো জনে।
পোষণ পালন চিন্তা নকৰে সিজনে।। ১১৩৫
সেহিমতে মোত অৰ্পি দেহাদি সমস্ত।
ৰৈল যিটোজন হুয়া নিশ্চিন্ত মনত।।
কেৱলে কৰয় চিন্তা ভকতিৰ মাত্ৰ।
ভৈল সিটো মোৰ ইষ্ট ভকতিৰ পাত্ৰ।। ১১৩৬'

যি নহওক, এতিয়া মহাপুৰুষ দুজনে কোৱা অৰ্পণ ভকতিৰ কথা এৰি ময়ূৰ বৰাদেৱে গ্ৰন্থখন অৰ্পণ কৰা ভকতিলৈ আহোঁ। বৰাদেৱে শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ প্ৰতিগৰাকী সংগী, আই আৰু বাপৰ হাতত গ্ৰন্থখন অৰ্পণ কৰি লিখিছে -**'শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ প্ৰতিগৰাকী সংগী আই আৰু বাপলৈ এই গ্ৰন্থখন আগবঢ়ালোঁ অসীম শ্ৰদ্ধা আৰু আগ্ৰহেৰে....'**। বৰাৰ দৃষ্টিত সঙ্ঘৰ ভক্তসকল বালিত মূৰ গোজা উটপক্ষী, ভিজা মেকুৰী, গড়ৰ ছালৰ দৰে ডাঠ, তালিবানী, মৌলবাদী বিষয়ববীয়া সংগীসকলে বৰাৰ গ্ৰন্থখন গ্ৰহণ কৰিব পাৰিব জানো ? এইটো পাঠকসকলৰ বিচাৰ্য বিষয়। বৰাইও এবাৰ ভাবি চাবচোন। প্ৰতিগৰাকী সংগী বোলোতে বিষয়ববীয়াসকলো অন্তৰ্ভূক্ত নহ'ব জানো ? বিষয়বাব নোলোৱা সংগীসকলেও গ্ৰহণ কৰিব পাৰিব জানো ? কিয়নো সেইসকল বাপ-আইৰ দৃষ্টিত বিষয়ববীয়াসকল তালিবানী, ভিজা মেকুৰী বা চকুমুদা কুলি নহয়। তেনে দৃষ্টিভংগীৰ বাপ-আই, সংগী সঙ্ঘৰ মজিয়াত আছে বুলি আমি কব নোৱাৰোঁ।

এই প্ৰসঙ্গত আৰু এটি কথা বৰাক জনাবলৈ বিচাৰিছোঁ। পিতৃ হিৰণ্যকশিপুৰ নিৰ্দেশত ৰখীয়া-পহৰীয়াই শাস্তি প্ৰদান কৰোঁতে এদিন প্ৰহ্লাদক বিহপান কৰিবলৈ কোৱাত প্ৰহ্লাদে মনত বৰ দুখ পাইছিল। হাতীৰে গছকাওঁতে, অস্ত্ৰ-শস্ত্ৰৰে কাটোতে, জুইৰ মাজত নিক্ষেপ কৰোঁতে, সাগৰৰ মাজত পেলাই দিওঁতে, পাহাৰৰ পৰা বগৰাই দিওঁতে, সাপে খুটাওঁতে প্ৰহ্লাদে কিন্তু মনত দুখ কৰা নাছিল অথবা মৃত্যুলৈকো ভয় কৰা নাছিল। বিহ খাবলৈ দিয়াৰ দিনা প্ৰহ্লাদে বিহপান কৰি মৰিম বুলি ভয় কৰা নাছিল। তেওঁ মনত দুখ পাইছিল বিহৰ দৰে অপবিত্ৰ অখাদ্য দ্ৰব্য ভগৱানৰ চৰণত অৰ্পণ কৰি ভক্ষণ কৰিব লাগিব। ভগৱানৰ ওচৰত সদায় পৱিত্ৰ দ্ৰব্যহে ভক্তই অৰ্পণ কৰে। ময়ূৰ বৰাদেৱে সীমাহীন শ্ৰদ্ধাৰে (?) আগবঢ়োৱা গ্ৰন্থখন ভগৱন্তস্বৰূপ ভক্তসকলক ভিজা মেকুৰী সজাই অৰ্পণ কৰাটো কিমানদূৰ সমীচীন হ'ল - বুজি নাপালোঁ। অৱশ্যে বৰাদেৱে যদি ওপৰত কৈ অহাৰ দৰে চৌৰ্য ভক্তি কৰিছোঁ বুলি ভাবিছে আৰু দেখুৱাইহে ভকতসকলক ভিজা মেকুৰী, চকুমুদা কুলি বুলি কৈছে, সেইটো কব নোৱাৰিম। কিয়নো কাৰ মনত কি আছে সেইটো অন্তৰ্যামীজনেহে বুজি পায়। আমাৰ নিচিনা পথালি চকুৰা নৰ-মনিচেনো ক'ত বুজি পাব! তথাপিতো বৰাদেৱৰ শ্ৰীমুখৰ বাক্য পুথিত প্ৰকাশ পাইছে যেতিয়া 'ভিজা মেকুৰী' স্বৰূপ ভকতে কিন্তু গ্ৰহণ কৰাত অসমৰ্থতা প্ৰকাশ কৰিছে। কিমাধিকম্

# তৃতীয় অধ্যায়
# সঙ্ঘৰ প্ৰতীক প্ৰয়োগত অনধিকাৰ

কোনো এটা সংগঠন অথবা অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰিচয় দাঙি ধৰিবৰ বাবে সংগঠনটোৰ এটা নিজস্ব প্ৰতীক বা চিহ্ন (Emblem) থাকে। সেই প্ৰতীকটোৱে মানুহৰ মনত এনে এটা সাঁচ বহুৱায় যে সেইটো দেখাৰ লগে লগে অনুষ্ঠানটোৰ এখন ছবি মনত ভাঁহি উঠে। সেই প্ৰতীকটোৱে অনুষ্ঠান এটাৰ মান-মৰ্যাদা বহন কৰে। প্ৰতীকটো উক্ত সংগঠন অথবা অনুষ্ঠানটোৰ ৰাইটিং পেড, অন্যান্য নথি-পত্ৰ, ৰচিদ বহী, প্ৰমাণ পত্ৰ, অনুষ্ঠানটোৱে প্ৰকাশ কৰা গ্ৰন্থ, স্মৃতিগ্ৰন্থ, মুখপত্ৰ, আলোচনী আদিত ব্যৱহাৰ কৰা হয়। এটা সংগঠনৰ প্ৰতীক যিকোনো লোকে বা আন সংগঠনে ব্যৱহাৰ কৰাটো আইনৰ চকুত দণ্ডনীয়। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰো এটা নিজা প্ৰতীক আছে। অসমৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভা, সদৌ অসম ছাত্ৰ সন্থা, অসম সত্ৰ মহাসভা আদি বহুতো সৰু-বৰ অনুষ্ঠানৰ নিজা প্ৰতীক আছে। ৰাজনৈতিক দলবিলাকৰো একোটা একোটা নিজস্ব প্ৰতীক থাকে। শিক্ষানুষ্ঠানবিলাকৰো নিজা প্ৰতীক থাকে। সেই প্ৰতীক অনুষ্ঠানটোৰ ৰাজহুৱা কাম-কাজততহে ব্যৱহাৰ কৰা নিয়ম। অনুষ্ঠান এটাৰ সদস্য হ'লেও ব্যক্তিগত কামত প্ৰতীক ব্যৱহাৰ কৰিব নোৱাৰে।

এটা সংগঠনৰ জন্মৰ লগে লগে সাধাৰণতে প্ৰতীক থকা দেখা নাযায়। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰো জন্মৰ লগে লগে প্ৰতীক নাছিল। ১৯৭৮-৭৯ চন মানৰ পৰাহে সঙ্ঘৰ প্ৰতীকটো ব্যৱহাৰ কৰা হয়। সঙ্ঘৰ প্ৰতীকটো অঙ্কন কৰিছিল বিশিষ্ট চিত্ৰ শিল্পী বেণু মিশ্ৰদেৱে। গুৰুজনাৰ সৃষ্টি সূত্ৰধাৰ এজনে হাতযোৰ কৰি থকা ছবিটোৱেই হ'ল শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰতীক। ভকতৰ মূৰ্তিমান প্ৰতীক স্বৰূপ সূত্ৰধাৰজনে দাস্য ভকতিৰে গুৰু, দেৱ, নাম, ভকতৰ প্ৰতি সেৱা জনাই থকা এটা অপূৰ্ব দৃশ্য। প্ৰতীকৰ ওপৰ ভাগত নামঘৰৰ সমুখভাগ জিলিকি উঠিছে। প্ৰতীকৰ ওপৰ ভাগত মাধৱদেৱৰ গুৰুভটিমাৰ 'জয় গুৰু শঙ্কৰ' শব্দ তিনিটিৰে গুৰুজনৰ জয় ঘোষণা কৰা হৈছে আৰু তলত সংগঠনটোৰ নাম 'শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ' বুলি লিখা আছে।

ময়ূৰ বৰাদেৱে তেখেতৰ গ্ৰন্থখনৰ ক্ষেত্ৰত কৰা গুৰুতৰ অপৰাধটো হ'ল শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰতীক ব্যৱহাৰ। বৰাই সঙ্ঘৰ প্ৰতীক ব্যৱহাৰ কৰি অনধিকাৰ প্ৰৱেশ কৰিছে। বুদ্ধিজীৱী হিচাপে পৰিচয় দিয়া বৰাদেৱে জনা উচিত আছিল যে যিকোনো অনুষ্ঠান বা সংগঠনৰ প্ৰতীক ব্যক্তিগতভাৱে ব্যৱহাৰ কৰিব নোৱাৰি। সঙ্ঘৰ শুভাকাঙ্খী নালাগে সঙ্ঘৰ নিয়মীয়া সংগী এজনেও ব্যক্তিগতভাৱে প্ৰকাশ কৰা গ্ৰন্থত সঙ্ঘৰ প্ৰতীকটো ব্যৱহাৰ কৰিব নোৱাৰে। প্ৰতীক ব্যৱহাৰ সম্পৰ্কত সঙ্ঘৰ সংবিধানৰ ৩১ নং দফাৰ ২, ৩ আৰু ৪ উপদফাত আছে-

(২) এই প্ৰতীক মূলৰ দ্বাৰা প্ৰকাশিত সকলো আলোচনী, গ্ৰন্থাদি, পৰীক্ষাৰ প্ৰমাণ পত্ৰ, সংগঠনৰ যাৱতীয় সকলো নথি পত্ৰৰ ক্ষেত্ৰতো ব্যৱহাৰ কৰিব পাৰিব। উক্ত প্ৰতীকৰ বাহিৰে অন্য কোনো প্ৰতীক ব্যৱহাৰ কৰিব নোৱাৰিব।

(৩) জিলা, আঞ্চলিক, প্ৰাথমিক শাখাসমূহেও এই প্ৰতীক সংবিধানৰ ৩১ নং দফাৰ ২ উপদফাৰ উল্লিখিত ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰিব। সঙ্ঘৰ অধিৱেশন, আবিৰ্ভাৱ মহোৎসৱৰ আদৰণী সমিতি সমূহেও ব্যৱহাৰ কৰিব পাৰিব।

(৪) ব্যক্তি বিশেষে প্ৰকাশ কৰা গ্ৰন্থত এই প্ৰতীক ব্যৱহাৰ কৰিব নোৱাৰিব।

বৰাই সঙ্ঘৰ প্ৰতীক ব্যৱহাৰ কৰাৰ বাবেই আৰু কিছুমান ভিত্তিহীন কথা গ্ৰন্থখনত স্থান পোৱাৰ বাবে অধিৱেশনস্থলীত কাৰ্যনিৰ্বাহকৰ সিদ্ধান্তমৰ্মে বিক্ৰী কাৰ্য নিষিদ্ধ কৰা হৈছিল। বৰাৰ লগতে কিছু সমৰ্থক, বুদ্ধিজীৱীয়ে এই কাৰ্যৰ প্ৰতি বিৰূপ মনোভাৱ পোষণ কৰিলেও সঙ্ঘৰ নীতি-আদৰ্শ ৰক্ষা কৰিহে এনে সিদ্ধান্ত লবলগীয়া হৈছিল। এনে গুৰুতৰ অপৰাধৰ বাবে বৰা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ওচৰত ক্ষমাপ্ৰাৰ্থী হোৱাৰ যোগ্য অথবা আইনৰ দৃষ্টিৰে বিচাৰাধীন হোৱাৰ যোগ্য।

কোনো অনুষ্ঠান, সংগঠন বা ব্যক্তিবিশেষক সমালোচনা কৰিবলৈ যাওঁতে, প্ৰতীক আদি ব্যৱহাৰ কৰোতে সমালোচকসকল যথেষ্ট অধ্যয়নশীল, চিন্তাশীল আৰু সচেষ্ট হোৱা নিতান্তই বাঞ্চনীয়।

# চতুৰ্থ অধ্যায়
# শঙ্কৰদেৱৰ ধৰ্মাদৰ্শ বনাম ময়ূৰ বৰা

ধৰ্ম সম্পৰ্কে অতীতৰে পৰা বৰ্তমানলৈকে মহাপুৰুষসকলে, পণ্ডিতসকলে নিজৰ নিজৰ মতামত আগবঢ়াই আহিছে। নিজৰ নিজৰ ধৰ্মাৱলম্বী লোকৰ বাবে নিজৰ ধৰ্মটোৱেই ভাল, উৎকৃষ্ট। কিন্তু এটা কথা ঠিক যে ভাল বুলি কলেও নিৰপেক্ষ, যুক্তিসন্মত, বিজ্ঞানসন্মত বিচাৰ-বিশ্লেষণৰো প্ৰয়োজন আছে। জগতত প্ৰকৃতাৰ্থত সৰ্বোৎকৃষ্ট বুলি কথা এটা আছেই আৰু সেইটো সকলোৱেই ভাল পায়। কিন্তু ধৰ্ম বিষয়টো ইমান স্পৰ্শকাতৰ যে নিজৰটো হে ভাল দেখে। সেয়েহে প্ৰত্যেকেই নিজৰ নিজৰ ধৰ্মমতটো শুদ্ধ বুলি ভাবি আচৰণ কৰে। প্ৰকৃতাৰ্থত কিছুমান ধৰ্মৰ মাজত যে কিছুমান বেয়া নীতি আছে, সেই কথা সকলোৱে জানে। কিন্তু ধৰ্ম পালন কৰিবলৈ গৈ জীৱৰ প্ৰতি সমদৃষ্টি, দয়া, পৰোপকাৰ, অহিংসা, ক্ষমা আদি গুণৰ যিজনে কৰ্ষণ কৰিব পৰা নাই, তেনে ধৰ্ম কোনো লোকৰ বাবেই শ্ৰেষ্ঠ ধৰ্ম হ'ব নোৱাৰে। ধৰ্মৰ নামত অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ কৰা কামৰ মূল্য কেতিয়াও স্থায়ী হ'ব নোৱাৰে। যি ধৰ্মই মানুহৰ মাজত প্ৰেম-কৰুণাৰ বাণী, শান্তি-সম্প্ৰীতিৰ বীজ সিঁচি মানৱীয় প্ৰমূল্যৰে পূৰ্ণ এখন সমাজৰ সৃষ্টি কৰিব নোৱাৰে, তেনে ধৰ্ম সমাজৰ বাবে প্ৰয়োজন নাই। যি ধৰ্মত প্ৰাণী হিংসা আছে, যি ধৰ্মত মানুহৰ প্ৰতি মানুহৰ সমদৃষ্টি নাই, যি ধৰ্ম অন্ধবিশ্বাসৰ ভেটিত প্ৰতিষ্ঠিত, তেনে ধৰ্ম সমাজৰ বাবে উপকাৰী হ'ব নোৱাৰে। সেয়েহে মহাপুৰুষ শঙ্কৰদেৱে সমাজত দেখা পোৱা অন্ধবিশ্বাস, সমাজত ধৰ্মৰ নামত চলি থকা অস্পৃশ্যতা, জীৱৰ প্ৰতি সমদৃষ্টিহীনতা, মানুহে মানুহক কৰা অন্যায়, ধৰ্মীয় শোষণ আদি নিৰ্মূল কৰি এখন শান্তিপূৰ্ণ মানৱীয় প্ৰমূল্যৰে ভৰা সমাজৰ পৰিকল্পনা কৰি কৰ্মত অগ্ৰসৰ হৈছিল। শঙ্কৰদেৱে প্ৰচাৰ কৰা ধৰ্মত আছে যুক্তি, আছে বিজ্ঞান আৰু আছে মানৱীয়তাৰ জয়গান। মহাপুৰুজনাই বেদ-বেদান্ত সমস্ত শাস্ত্ৰ অধ্যয়ন কৰি যুগৰ লগত ৰজিতা খোৱাই তাৰাৰ শাস্ত্ৰৰাজিৰ মাজত ধৰ্মৰ নীতি প্ৰচাৰ কৰি গৈছে। সকলোৱেই জ্ঞাত যে মহাপুৰুষজনা বৈকুণ্ঠী হোৱাৰ পাছৰে পৰাই সমাজ জীৱনত তাৰাৰ প্ৰচাৰিত ধৰ্মৰ নীতি স্খলিত হ'বলৈ ধৰিলে।

ময়ূৰ বৰাদেৱে শঙ্কৰদেৱৰ ধৰ্মাদৰ্শক শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘই সংকীৰ্ণ কৰিছে বুলি প্ৰশ্ন উত্থাপন কৰিছে। বৰাই **'গুৰুজনাৰ আদৰ্শক সংকীৰ্ণ কৰিছে নেকি সংঘই'** (পৃ. ৭৯) শীৰ্ষক লেখাটোত কৈছে - **'বৰং গুণগত দিশত বৌদ্ধিক উৎকৰ্ষৰ পিনে যোৱাৰ চেষ্টা নকৰি একেই আচাৰ-নীতিসৰ্বস্ব কাৰ্যপন্থা সংঘই চলাই থাকিলে অনতিপলমে গুৰুজনাৰ আদৰ্শক সংকীৰ্ণ কৰাৰ অপবাদো তেওঁলোকৰ গাৰ্লৈ আহিব।'** (পৃ. ৮১) শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘৰ জন্মৰ অন্তৰালত নিহিত হৈ থকা কাৰণটোৱেই আছিল গুৰুজনাৰ ধৰ্মমত শুদ্ধ ৰূপত সমাজত পুনঃ প্ৰতিষ্ঠা কৰা। তেনেক্ষেত্ৰত সঁঘই গুৰুজনাৰ ধৰ্মাদৰ্শক সংকীৰ্ণ বা বিকৃত কৰাৰ প্ৰশ্ন উত্থাপন হোৱাটোৱেই অবান্তৰ কথা। ময়ূৰ বৰাদেৱে সঁঘলৈ দিয়া পৰামৰ্শৰ কথা আলোচনা কৰাৰ পূৰ্বে শঙ্কৰদেৱ গুৰুজনাৰ দ্বাৰা প্ৰচাৰিত একশৰণ নামধৰ্মৰ প্ৰধান কেইটিমান বৈশিষ্ট্য চমুকৈ দাঙি ধৰাটো প্ৰাসঙ্গিক হ'ব বুলি ভাবিছোঁ-

(১) **<u>একেশ্বৰবাদ বা একশৰণবাদ</u>** ঃ একশৰণ শঙ্কৰদেৱ গুৰুজনাৰ ভক্তিধৰ্মৰ মূল বস্তু। 'কৃষ্ণস্তু ভগৱান স্বয়ম্' (শ্ৰীমদ্ভাগৱত ১/৩/৮) অৰ্থাৎ কৃষ্ণয়েই স্বয়ং ভগৱান। কৃষ্ণয়েই পৰম ব্ৰহ্মৰ পূৰ্ণ অৱতাৰ। মহাপুৰুষ মাধৱদেৱে **'একশৰণ হৰি নামধৰম কহু'** বুলি গুৰু ভটিমাত গুৰুজনাৰ ধৰ্মৰ নামকৰণ কৰিছে। মহাপুৰুষ শঙ্কৰদেৱে শ্ৰীমদ্ভগৱদ গীতাৰ পৰা একশৰণৰ তত্ত্ব গ্ৰহণ কৰিছে। গীতাত ভগৱান কৃষ্ণই সখা অৰ্জ্জুনক সকলো ধৰ্ম পৰিত্যাগ কৰি তেওঁৰ চৰণত শৰণ লবৰ কাৰণে উপদেশ দিছে -

> 'সৰ্ব্বধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
> অহং ত্বাং সৰ্ব্বপাপেভ্যোঃ মোক্ষয়িষ্যামি মা শুচঃ।৬৬'
>
> (অষ্টাদশ অধ্যায়)

গুৰুজনে একাদশ স্কন্ধত শ্লোকটিৰ তত্ত্ব প্ৰকাশ কৰিছে এনেদৰে -

> "সৰ্ব্ব ধৰ্ম্ম এড়ি এক শৰণ সাক্ষাত।
> সুদৃঢ় বিশ্বাসে সখি লৈয়োক আম্মাত।। ১৯০।।
> নকৰিবা ভয় হেৰা কৰোঁ অঙ্গীকাৰ।
> সমস্তে পাপতে মই কৰিবো নিস্তাৰ।।"

মহাপুৰুষ মাধৱদেৱে 'ভক্তি ৰত্নাৱলী'ৰ ত্ৰয়োদশ অধ্যায় 'শৰণ বিৰচন'ত একে কথাকেই কৈছে -

> "গীতাত মাধৱে কহিলন্ত অৰ্জ্জুনত।
> ত্যজিয়োক সখি ধৰ্ম্ম কৰ্ম্ম যত যত।।

কেৱলে শৰণ মোত লৈয়ো ধনঞ্জয়।
ৰাখিবো সৰাতে মই নকৰিবা ভয়।।১১৮২”

সেয়েহে কৃষ্ণ ব্যতিৰেকে আন দেৱ-দেৱীৰ পূজা-সেৱা শঙ্কৰদেৱৰ একশৰণ ভক্তি ধৰ্মত নিষিদ্ধ। শঙ্কৰদেৱ গুৰুজনাই এই কথা দৃঢ়তাৰে ঘোষণা কৰিছে এনেদৰে -

“অন্য দেৱী-দেৱ নকৰিবা সেৱ
নখাইবা প্ৰসাদ তাৰ।
মূৰ্ত্তিকো নচাইবা গৃহো নপশিবা
ভক্তি হৈব ব্যভিচাৰ।। ১২৪
এককৃষ্ণ দেৱ কৰিয়োক সেৱ
ধৰিয়ো তাহান নাম।
কৃষ্ণদাস হুয়া প্ৰসাদ ভুঞ্জিয়া
হস্তে কৰা তান কাম।।”
(শ্ৰীমদ্ভাগৱত মহাপুৰাণ, দ্বিতীয় স্কন্ধ)

গুৰুজনৰ ধৰ্মত ৰামানুজ, চৈতন্যদেৱ আদিৰ দৰে যুগল উপাসনাৰ কোনো স্থান নাই। **‘একদেৱ একসেৱ এক বিনে নাই কেৱ’** - এইটোৱেই গুৰুজনাৰ ধৰ্মবস্তুৰ মূল তত্ত্ব।

**‘কৃষ্ণস্তু ভগৱান স্বয়ম’** এই কৃষ্ণ তত্ত্বটোকেই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে সহজভাৱে ব্যাখ্যা কৰিছে এনেদৰে - **‘আজি মহাত্মাৰ অভিযান শ্ৰীমন্ত শঙ্কৰে কোন কাহানিয়েই অসমত আৰম্ভ কৰিছিল। কৃষ্ণকেই যদিও তেওঁ সনাতন মানৱ সংস্কৃতিৰ সত্য বুলি জানি আকৌ তাকেই অসমীয়াক দি গৈছে, কিন্তু এইবাৰ কৃষ্ণ নামটোহে লবলৈ কলে - আৰু কৃষ্ণৰ গুণ গাবলৈ। তাৰমানে সুদা নামটো লৈ থাকি তাৰ গুণ নামৰ অৰ্থ নুবুজিলে, কৃষ্ণৰ আগেয়ে প্ৰতিমাটোকে পূজা কৰি অৰ্থ পাহৰি যি সাংস্কৃতিক ভ্ৰষ্টতা আহিছিল তাকে হ'ব বুলি - গুণো গাবলৈ কলে। এই যে কৃষ্ণকে ব্ৰাহ্মণ্য সংস্কৃতিকে আকৌ দিলে - কেৱল সেই যুগৰ উপযোগীকৈ তাক নাম ধৰ্ম কৰি দিলে - ইয়াতেই ওলাই আছে যে ‘কৃষ্ণ’টো সলাবৰ উপায় নাই। সি সনাতন। কিন্তু তাৰ ৰূপ যুগে পৰিবৰ্তন হ'বই লাগিব। কিন্তু আজি আমি কৃষ্ণৰ নামো লৈছোঁ, গুণো গাইছোঁ - তাৰ কিন্তু অৰ্থ হেৰুৱাইছোঁ।’** (জ্যোতিপ্ৰসাদ ৰচনাৱলী ঃ প্ৰঃ শিল্পীৰ পৃথিৱী ঃ সম্পাদনা, ড° হীৰেন গোঁহাই, প্ৰকাশক-অসম প্ৰকাশন পৰিষদ,২০০৭চন,পৃ.৪৬৯)

আমাৰ মনলৈ এটা দৃশ্য ভাঁহি আহিছে - **‘ৰাম নাম সত্য হ্যাঁয়, ৰাম নাম সত্য হ্যাঁয়’** বুলি আওৰাই আওৰাই শটো কান্ধত লৈ শ্মশান যাত্ৰাৰ পূৰ্বেই জীৱিত অৱস্থাতেই জানো এনে তত্ত্ব উপলব্ধি কৰা উচিত নহয়? জীৱিত কালত তেত্ৰিশ কৌটি দেৱতা ‘সত্য’ আৰু মানুহ মৰাৰ পিছতে ‘ৰাম নাম সত্য’ - এই দুটা সত্য আকৌ কেনেকুৰা! ধনং দেহি, পুত্ৰং দেহি, ভাৰ্য্যাং দেহি, যশো দেহি - বুলি দেৱ-দেৱীসকলক বন্দনা কৰি থকাসকলে ভূমিকম্প আহিলেই ‘হৰি বোল, হৰি বোল’ কোৱাৰ শিক্ষা শঙ্কৰদেৱ গুৰুজনাই দিয়া নাই। গুৰুজনাৰ শিক্ষা হ'ল - **‘বনমালী এ জগমোহন ৰাম। সুখে দুখে মুখে** জোনো **ছাড়ে ৰাম নাম।।” (স্যমন্তক হৰণ); ‘কেশৱ শিৰ শিৰ ঘুৰিও সদায়। ৰামনাম বিনে বান্ধৱ নাই।।’** (প্ৰহ্লাদ চৰিত, কীৰ্ত্তন ঘোষা) ৰূপকোঁৱৰে এনেবোৰ কথাকে অৰ্থ হেৰুওৱা কথা বুলি কোৱা নাই জানো? কথা আৰু কামক একাকাৰ কৰি আদৰ্শ মানৱ ৰূপান্তৰৰ শিল্পী ৰূপকোঁৱৰে শঙ্কৰদেৱৰ ‘কৃষ্ণ সংস্কৃতি’ৰ আদৰ্শ বাস্তৱত ৰূপ দি ৰূপান্তৰৰ সমাজ গঢ়াৰ কথাহে কৈছে।

(২) <u>কৰ্মকাণ্ড বিসৰ্জন</u> ঃ হিন্দু ধৰ্মৰ মূল পন্থ দুটা - আগম বা প্ৰবৃত্তি মাৰ্গ আৰু নিগম বা নিবৃত্তি মাৰ্গ। মহাপুৰুষ শঙ্কৰদেৱে বেদৰ প্ৰবৃত্তি মাৰ্গ অৰ্থাৎ যাগ-যজ্ঞ, পূজা-পাতল আদি পৰিহাৰ কৰি নিগম পন্থ গ্ৰহণ কৰিবৰ বাবে নৰলোকক তাৰাৰ দ্বাৰা প্ৰণীত শাস্ত্ৰৰাজিত উপদেশ দিছে। নিগম পন্থত এক কৃষ্ণ ভক্তিৰ ব্যতিৰেকে মূৰ্ত্তি পূজা, বলি-বিধান আদি জীৱ হিংসাৰ কোনো স্থান নাই। কৰ্ম্মকাণ্ডৰ বাহুল্যই সমাজত ৰাজসিক, তামসিক গুণৰ প্ৰতি আকৃষ্ট কৰায়; কৰ্মকাণ্ড ব্যয় বাহুল্য। যাগ-যজ্ঞ, পূজা-পাতলত মধ্যভোগী এক শ্ৰেণী লোকৰ সৃষ্টি হয়। সৰ্বসাধাৰণক ভগৱান সেৱাৰ পৰা বঞ্চিত কৰি নানা দেৱ-দেৱীৰ সৃষ্টি কৰে। এটা কথা স্পষ্ট যে কৃষ্ণৰ শৰণাগত হ'লে কৰ্মকাণ্ড ত্যাগ কৰাটো উচিত। কৃষ্ণৰ শৰণীয়াসকলে কৰ্মকাণ্ড পালন কৰিলে সেইটোকে গুৰুজনে ব্যভিচাৰ বুলি কৈছে। অশৰণীয়া, অভকতীয়া লোকৰ কাৰণেহে কৰ্মকাণ্ডৰ বিধানসমূহ ভগৱন্তই ৰাখি থৈ গৈছে। গুৰুজনাৰ ভাষাত -

“ৰাখিলন্ত কৰ্মকাণ্ড অজ্ঞানীৰ পদে।
কৰ্ম্মীক নেৰিব ঘোৰ পৰম আপদে।।
উপজি মৰিবে মহা ভুঞ্জিয়া নিকাৰ।

কোটি কোটি কল্পে নাহি কৰ্ম্মীৰ নিস্তাৰ।। ৩৮৯”

(শ্ৰীমদ্ভাগৱত মহাপুৰাণ, ষষ্ঠ স্কন্ধ, অজামিল উপাখ্যান)

একশৰণীয়া ভকতৰ ব্যভিচাৰ সম্পৰ্কে মাধৱদেৱে তাঁৰাৰ ভক্তি ৰত্নাৱলী গ্ৰন্থত অতি মুকলিভাৱে প্ৰকাশ কৰি গৈছে -

“বুলিবা মুকুতি সুখে ইচ্ছা আছে যাৰ।
ভগৱন্ত ঈশ্বৰ ভজনি দেৱ তাৰ।।
অন্যত্ৰ সুখক ইচ্ছা কৰে যিটো নৰ।
তাহাৰ ভজনি দেৱ নোহন্ত ঈশ্বৰ।।৩৭
শুনা আত অনন্তৰে উত্তম যুগুতি।
ভকতি জ্ঞানৰ ফল দেখাওঁ মুকুতি।।
ঈশ্বৰ কেশৱ দেৱ ভকতৰ নিধি।
যেই যিবা চাৱে তাৰ হোৱে সেই সিদ্ধি।।৩৮
এতেকেসে পৰম উদাৰ বুদ্ধি যাৰ।
তাৰা সৱে নকৰে ভকতি ব্যভিচাৰ।।”

(মহাপুৰুষ মাধৱদেৱ বাক্যামৃত ঃ প্ৰকাশক - শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ঃ দ্বিতীয় প্ৰকাশ, ২০০৯ খ্ৰীষ্টাব্দ, পৃ. ৩২৯)

দ্বিজ ৰমানন্দৰ বংশী গোপাল চৰিততো ব্যভিচাৰৰ অৰ্থ ব্যাখ্যা কৰিছে-

“ইদেশত কতো কতো ভকত আছয়।
ব্যভিচাৰী মতে দেখো কতো প্ৰৱৰ্ত্তয়।।
অন্ন যোনি বিচাৰ আচাৰ কিছু নাই।
প্ৰৱৰ্তি চাহিলে পাষণ্ড হেন পাই।।”

(শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰসকলৰ অভিভাষণ ঃ পদাধিকাৰ দীননাথ ডেকাৰ অভিভাষণ ঃ পৃ. ৩৩০)

গতিকে কৃষ্ণ শৰণীয়াজনে অন্ন-যোনি বিচাৰ নকৰি আচাৰ ভ্ৰষ্ট হ'লে সেইজনকে পাষণ্ড বা ব্যভিচাৰী বুলি কোৱা হৈছে।

শঙ্কৰদেৱে পৰৰ ধৰ্মক নিন্দা নকৰিবৰ কাৰণেও বাণী প্ৰদান কৰি থৈ গৈছে-

‘পৰৰ ধৰ্ম্মক নিহিংসিবা কদাচিত।’ ১৪১।। (ভক্তি প্ৰদীপ)

(৩) <u>সাধন পদ্ধতি</u> ঃ শঙ্কৰদেৱ প্ৰচাৰিত নামধৰ্মৰ সাধন পদ্ধতি হ'ল ভক্তি। নৱবিধ ভক্তিৰ ভিতৰত গুৰুজনে শ্ৰৱণ-কীৰ্ত্তনৰ প্ৰাধান্য স্বীকাৰ কৰিছে। ভক্তি হ'ল লাগিব নিষ্কাম অৰ্থাৎ নিঃস্বাৰ্থভাৱে ভগৱানক ভাল পাব লাগিব। সকাম ভক্তিৰ স্থান গুৰুজন প্ৰচাৰিত ধৰ্মত নাই। ভক্তিধৰ্ম সম্পৰ্কে মহৰ্ষি নাৰদে কৈছে - ‘সা তস্মৈ পৰম প্ৰেমৰূপা’ (নাৰদ ভক্তিসূত্ৰ - ২) অৰ্থাৎ সমস্ততে ব্যাপি থকা পৰম ব্ৰহ্মাৰ প্ৰতি একান্ত প্ৰেম। মহৰ্ষি শাণ্ডিল্যই ভক্তিমাৰ্গৰ বিষয়ে কৈছে - ‘সা ভক্তি পৰানুৰক্তিৰীশ্বৰে’ (শাণ্ডিল্য ভক্তিসূত্ৰ - ২) অৰ্থাৎ ভগৱানৰ প্ৰতি একান্ত প্ৰেমেই হ'ল ভক্তি। পৰম বৈষ্ণৱ আৰু ভক্ত ভীষ্ম, ব্ৰহ্মা, প্ৰহ্লাদ, উদ্ধৱৰ মতেও কোনো কামনা-বাসনা নৰখাকৈ সৃষ্টি-স্থিতি অন্তকাৰী বিষ্ণুৰ চৰণত একান্তভাৱে আত্ম সমৰ্পণেই ভক্তি।

‘অনন্য মমতা বিষ্ণৌ মমতা প্ৰেমসঙ্গতা।
ভক্তি ৰিত্যুচ্যতে ভীষ্ম প্ৰহ্লাদোদ্ধৱনাৰদৈঃ।।”

(নাৰদ পঞ্চৰাত্ৰ)

ভক্তিৰ স্বৰূপ আৰু ভক্তিমাৰ্গ গ্ৰহণ কৰোতাজনৰ স্থিতি সম্পৰ্কে মহামুনি নাৰদে ব্যাসদেৱক জ্ঞান দিছে এনেদৰে-

‘ভকতিসি কৰে সংসাৰৰ বন্ধ নাশ।
ভকতিৰ প্ৰভাৱ শুনিয়ো ঋষি ব্যাস।।৪২।।
স্বধৰ্ম্মক তেজি ভজৈ কৃষ্ণক সম্প্ৰতি।
তাত প্ৰেমপূৰ্ণ যেৱে নভৈল ভকতি।।
ভৈল ভ্ৰষ্ট যদি বা অল্পতে গৈল প্ৰাণ।
জানা নাহি তথাপি তাহাৰ অকল্যাণ।।৪৩।।
উৰ্দ্ধবাহু কৰি হেৰা কৰো অঙ্গীকাৰ।
অধম জাতিতো যদি জন্ম ভৈল তাৰ।।
জ্ঞানীতো কৰ্ম্মীতো কৰি তথাপি অধিক।

দেৱৰো বন্দনি সিটো ভকতি ৰসিক।।৪৪।।

(শ্ৰীমদ্ভাগৱত মহাপুৰাণ, প্ৰথম স্কন্ধ)

গতিকে এনেদৰে শুদ্ধ নিষ্কাম ভক্তিধৰ্ম ত্যাগ কৰি বা গ্ৰহণ নকৰি সকামী হোৱাজনৰ কল্যাণ নাই বুলি গুৰুজনে দৃঢ়তাৰে প্ৰকাশ কৰি গৈছে।

(৪) <u>অস্পৃশ্যতা বৰ্জন</u> ঃ ব্ৰাহ্মণ্যবাদৰ মূল আধাৰ জাতি ভেদ প্ৰথাক শঙ্কৰদেৱ গুৰুজনাই সম্পূৰ্ণ নস্যাৎ কৰি লিখিছে -

'কৃষ্ণৰ কথাত যিটো ৰসিক।
ব্ৰাহ্মণ জন্ম তাৰ লাগেঁ কিক।।
স্মৰোক মাত্ৰ হৰি দিনে ৰাতি।
নবাছে ভকতি জাতি অজাতি।। ১২৯।।

(কীৰ্ত্তন-ঘোষা ঃ পাষণ্ড মৰ্দ্দন)

গুৰুজন প্ৰচাৰিত ভক্তিধৰ্মৰ এইটো আছিল অতি গুৰুত্বপূৰ্ণ আৰু তাৎপৰ্যপূৰ্ণ দিশ। এই ধৰ্মত মানুহৰ মাজত কোনো পাৰ্থক্য নাই। সকলো মানুহ সমান। ভক্তিধৰ্মত অহিংসা, দয়া, ক্ষমা, বিনয়, ত্যাগ, সহনশীলতা আদি মানৱীয় প্ৰমূল্যৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। ভক্তিমাৰ্গত কৃষ্ণ সেৱকৰ সঙ্গত যে জাত-পাতৰ প্ৰশ্ন থাকিব নোৱাৰে, সেই কথা গুৰুজনে স্পষ্ট ভাষাৰে ব্যক্ত কৰি গৈছে-

'কিৰাত কছাৰী খাচি গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
অসম মলুক ধোবা যে তুৰুক
কুবাচ ম্লেচ চণ্ডাল।।৫৩।।
আনো পাপীনৰ কৃষ্ণ সেৱকৰ
সঙ্গত পৱিত্ৰ হয়।
ভকতি লভিয়া সংসাৰ তৰিয়া
বৈকুণ্ঠে সুখে চলয়।।'

(শ্ৰীমদ্ভাগৱত পুৰাণ, দ্বিতীয় স্কন্ধ, ঈশ্বৰ-তত্ব কথন)

এতিয়া বিজ্ঞানৰ যুগতো ৰক্ত পৰীক্ষা কৰি জাত-পাত নিৰ্ণয় কৰি দিব নোৱাৰে। পৰমপিতাৰ সৃষ্টিত সকলোৰে তেজৰ ৰং ৰঙা। শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘই গুৰুজনৰ এনে মহান আদৰ্শ বাস্তৱত ৰূপ দি ঐক্য-সম্প্ৰীতিৰে জগতত এখন মানুহৰ সমাজ গঢ়াৰ পৰিকল্পনাত ব্ৰতী হৈ আহিছে। ময়ূৰ বৰাদেৱে কোৱাৰ দৰে গুৰুজনৰ ধৰ্মাদৰ্শৰ মাজত এৰাধৰা বা বুজাবুজি কৰাৰ প্ৰশ্ন আহিব নোৱাৰে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘক পথভ্ৰষ্ট হোৱা বুলি দোষ জাপি দি বৰাই গুৰুজনৰ ধৰ্মৰ উৰ্দ্ধলৈ উঠি উপদেশ দিবলৈ গৈ নিজেই পথৰ পৰা পিছলি পৰিছে। পথভ্ৰষ্ট কোন হৈছে - সেইকথা বৰাদেৱে অন্তৰাত্মাক এবাৰ পুনৰ সুধি চাবচোন। বৰাদেৱে ধৰ্ম বিষয়ত গ্ৰন্থখনৰ ভিন ভিন স্থানত পৰামৰ্শৰ পুনৰোক্তি কৰিছে যদিও আমি তেখেতৰ পৰামৰ্শৰ এটি মাথো দফা ইয়াত দাঙি ধৰিছোঁ - **'সেয়েহে একবিংশ শতিকাত অসমত বৰ্তমান পৰিস্থিতিত সংঘৰ ধৰ্মমতক আৰু অধিক মানুহৰ হৃদয়ত সোমোৱাবলৈ হ'লে কিছু এৰাধৰা কৰা নিতান্তই প্ৰয়োজন। সেই এৰাধৰা কৰিবলৈ নেতৃত্বৰ লাগিব এটা বহল মন। অন্যথা অসমৰ গাঁৱত ভিতৰি ভিতৰি হ'লেও শংকৰী-অনাশংকৰী এক অনাহক বিতৰ্ক চিৰদিন চলি থাকিব। গুৰুজনাৰ আদৰ্শ প্ৰতিষ্ঠা কৰিবলৈ আগবাঢ়ি অহা বৃহৎ অনুষ্ঠানটোৰ যদি সেইখিনি ভৱিষ্যদৰ্শী চিন্তাচৰ্চা কৰাৰ সামৰ্থ্য নাথাকে, তেতিয়া কেৱল সংখ্যাগত দিশত অধিক সদস্য থকাটোৱেই সদায় এটা গৌৰৱৰ বিষয় হ'ব নোৱাৰে। বৰং গুণগত দিশত বৌদ্ধিক উৎকৰ্ষৰ পিনে যোৱাৰ চেষ্টা নকৰি একেই আচাৰ নীতিসৰ্বস্ব কাৰ্যপন্থা সংঘই চলাই থাকিলে অনতিপলমে গুৰুজনাৰ আদৰ্শক সংকীৰ্ণ কৰাৰ অপবাদো তেওঁলোকৰ গালৈ আহিব।' (পৃ. ৮১)**

উপৰিউক্ত এই দফাটোত বৰাই সঙঘৰ প্ৰতি কেইটামান পৰামৰ্শ প্ৰদান কৰিছে। একবিংশ শতিকাত যুগৰ লগত সঙঘৰ নীতি খাপখোৱাই লোৱা, অধিক মানুহৰ হৃদয়ত সোমোৱা, এৰাধৰা কৰাৰ প্ৰয়োজনীয়তা, নেতৃত্বৰ এটা বহল মন, শঙ্কৰী-অনাশঙ্কৰীৰ অনাহক বিতৰ্ক, বৌদ্ধিক উৎকৰ্ষৰ চেষ্টা নকৰা আদি কেইবাটাও পৰামৰ্শ বৰাই দিছে।

প্ৰথম কথা হ'ল - যুগৰ লগত ৰজিতা খোৱাই হে মহাপুৰুষ শঙ্কৰদেৱে একশৰণ ভক্তিধৰ্ম প্ৰচাৰ কৰিছিল। যুগধৰ্মৰ কথা কবলৈ গৈ গুৰুজনে কৈছে-

'সত্যযুগে কৰি ধ্যান সমাধি।
ত্ৰেতাত সমস্ত যজ্ঞে আৰাধি।।

দ্বাপৰে পূজি নানা ভক্তিভাৱে।
কলিত কীৰ্ত্তনে সিগতি পাৱে।।৭৪।।

(কীৰ্ত্তন-ঘোষা, পাষণ্ড মৰ্দ্দন, প্ৰথম কীৰ্ত্তন)

সত্যযুগত ধ্যান, ত্ৰেতা যুগত যজ্ঞ, দ্বাপৰত পূজা আৰু কলি কালত হৰি কীৰ্ত্তনেই হ'ল শঙ্কৰদেৱে দিয়া শাস্ত্ৰসন্মত যুগৰ ধৰ্ম। শঙ্কৰদেৱ সঁঘই গুৰুজনৰ এই নীতি-আদৰ্শৰ প্ৰতি সন্মান জনাই কলিকালত বৰ্তমান হৰি কীৰ্ত্তনৰ দ্বাৰাই সমস্ত ধৰ্মীয় কৰ্ম সম্পন্ন কৰে। শঙ্কৰদেৱে ধৰ্মৰ নামত প্ৰাচীন কালৰে পৰা প্ৰচলিত হৈ অহা কিছুমান বেয়া পৰম্পৰা পৰিত্যাগ কৰি ভাল পৰম্পৰাবোৰ গ্ৰহণ কৰিবৰ বাবে নৰলোকক পৰামৰ্শ দিছিল। বৰ্তমান বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ যুগত বাস কৰি অবিজ্ঞানসন্মত ৰীতি-নীতিবোৰ পৰিহাৰ কৰিব নোৱাৰিলে একবিংশ শতিকাৰ লোক বুলি কোৱাৰ যুক্তিয়েই বা ক'ত? বৰ্তমান সময়ৰ সমাজত পূৰ্বৰ সভ্যতা-সংস্কৃতিৰ উপাদানবোৰ ধৰ্মৰ বাহিৰে কোনেও ৰক্ষা কৰি জীৱন যাত্ৰাত বাট বুলিব পৰা নাই। খোৱা-বোৱা, পিন্ধন-উৰণ, কৃষি-বাণিজ্য, গৃহনিৰ্মাণ, শিক্ষা-দীক্ষা, যাতায়ত ব্যৱস্থা, যোগাযোগ, ভাষা আদি জাতীয় সংস্কৃতিৰ উপাদানবোৰ আজিৰ পৰা এশ বছৰৰ পূৰ্বৰ সমাজৰ লগত মিলাই চালে কিবা বিচাৰি পোৱা যাবনে? অধিকাংশ লোকেই কেৱল ধৰ্মৰ নামত চলি অহা বোপা-ককাৰ বৃত্তিটো এৰি নিদি শোকোতাকে মুকুতা বুলি খামোচ মাৰি ধৰি আছে। বৰাই বা কি কয়?

ময়ূৰ বৰাদেৱে শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘৰ নিজা ধৰ্মমত থকা বুলি কবলৈ গৈছে। প্ৰকৃতাৰ্থত সঁঘৰ কোনো নিজস্ব ধৰ্মমত নাই। শঙ্কৰদেৱ গুৰুজনাৰ ধৰ্মমতেই সঁঘৰো ধৰ্মমত। গীতা-ভাগৱত, কীৰ্ত্তন, নাম-ঘোষাৰ ধৰ্মীয় তত্ত্বসমূহহে সঁঘই চয়ন কৰি শাস্ত্ৰত থকাৰ দৰেই পালন কৰি আহিছে। বৰাই এৰাধৰা কৰিবলৈ পৰামৰ্শ দিছে হয়, কিন্তু এৰাধৰা কৰিবলৈ হ'লে কীৰ্ত্তন, নাম-ঘোষাৰ কথাবিলাকো সলনি কৰি লব লাগিব। কোনটো এৰিব লাগে কোনটো ধৰিব লাগে বৰাই দেখোন একো স্পষ্ট কৰি কোৱা নাই। লক্ষ লক্ষ সঙ্গী ভকতে স্বীকৃতি দিয়া সঁঘৰ সংবিধান, অশৌচ পদ্ধতি, বিবাহ পদ্ধতি আৰু প্ৰসঙ্গ প্ৰণালী এৰি কি ধৰিব লাগে বৰাই স্পষ্টভাৱে কওক। গুৰুজনাৰ নামধৰ্ম সমাজত বিকৃতপ্ৰাপ্ত হোৱাৰ বাবেহে তাক শুদ্ধৰূপত প্ৰচাৰ-প্ৰসাৰ ঘটাবৰ কাৰণে সঁঘ নামৰ সংগঠনটোৰ জন্ম হৈছিল।

বৰাৰ মতে নেতৃত্বৰ বহল মন এটা হ'লেই এৰাধৰা কৰিব পাৰি। নেতৃত্বত থকা লোকসকলো গুৰুজনৰেই একান্ত সেৱক নহয়জানো? এৰাধৰা কৰিবলৈ পৰামৰ্শ দিবৰ বাবে সঁঘৰ সংবিধানে নেতৃত্ব বহনকাৰীসকলক অধিকাৰ দিয়া নাই। দেশৰ ৰাষ্ট্ৰপতিগৰাকীৰ বহল মন এটা থাকিলেই অসাংবিধানিক কাৰ্য কৰিবলৈ পৰামৰ্শ দিয়াটো উচিত কাম হ'বজানো?

ময়ূৰ বৰাদেৱে 'শঙ্কৰী-অনাশঙ্কৰী এক অনাহক বিতৰ্ক চিৰদিন চলি থাকিব' - বুলি আশংকা প্ৰকাশ কৰিছে। সঁঘই সঁঘৰ সদস্য নোহোৱা লোকক শঙ্কৰী নহয় বুলি কবলৈ যোৱা নাই। শঙ্কৰদেৱ সঁঘ-অনাসঁঘ অৰ্থাৎ সমস্ত অসমবাসীৰেই গুৰু। সঁঘ আৰু অনাসঁঘৰ মাজত মাথোন এটাই পাৰ্থক্য যে সঁঘই গুৰুজনাৰ ভক্তিধৰ্মত কৰ্মকাণ্ডৰ স্থান দিয়া নাই আৰু ইয়াৰ বিপৰীতে অনাসঁঘৰ লোকসকলে আগম-নিগম দুয়োটি পন্থৰে মিশ্ৰণ ঘটাই ধৰ্মীয় কাৰ্য সম্পন্ন কৰি গুৰুজনাৰ উপদেশ মানি চলা নাই। এইখিনিতেই এটা কথা বিশেষভাৱে উল্লেখযোগ্য যে সঁঘৰ উপৰি অসমত যিকেইটা ধৰ্মীয় সংগঠনে একশৰণ নামধৰ্ম প্ৰচাৰত ব্ৰতী হৈ আহিছে, তেখেতলোকেও কৰ্মকাণ্ডৰ প্ৰয়োগ নকৰে। বৰাই অনাশঙ্কৰী বুলি যিটো শ্ৰেণীৰ কথা কবলৈ গৈছে সেইসকলৰ মাজত জানো কিবা মিল দেখা পাইছে? তথাকথিত উচ্চ বৰ্ণৰ হিন্দুসকলে তথাকথিত অনুসূচীত জাতি-জনজাতিৰ লোকসকলক জানো বাস্তৱ সমাজ জীৱনত হেয় জ্ঞান কৰি অহা নাই? উচ্চ-নীচৰ মাজত বিয়া-বাৰু, আদান-প্ৰদান, খোৱা-বোৱা আদি সমাজ জীৱনৰ বিভিন্ন স্তৰত এখন অভেদ্য প্ৰাচীৰ গঢ় লৈ উঠিছে। এক কথাত কবলৈ গ'লে **'ওৰাক নিন্দে কোৰাই পুথি খলিহনাক নিন্দে ভেৰপেটি মোৰাই।'** কিন্তু ইয়াৰ বিপৰীতে শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘই গুৰুজনাৰ আদৰ্শ গ্ৰহণ কৰি অসমৰ সমাজ জীৱনৰ প্ৰতিটো সম্প্ৰদায়ৰ লোকক বুকুত সাৱতি লৈছে। তিৱা, ৰাভা, মিছিং, বড়ো, চাহ মজদুৰ, কাৰ্বি লোককে প্ৰমুখ্য কৰি সকলো জনজাতি আৰু অনুসূচীত জাতিৰ লোকে শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘৰ সদস্য পদ গ্ৰহণ কৰি তথাকথিত উচ্চ বৰ্ণসকলৰ লগত একেলগে উঠা বহা কৰিছে। কোনে ৰান্ধিছে, কোনে বাঢ়িছে, কোনে নামাচাৰ্য হৈ প্ৰসংগ কৰিছে - তাৰ হিচাপ সঁঘৰ মজিয়াত আহিব নোৱাৰে। এই কথাটো সম্ভৱ হৈছে গুৰুজনৰ একশৰণ নামধৰ্ম গ্ৰহণ কৰাৰ কাৰণেহে। মানৱীয় প্ৰমূল্যবোধ স্থাপন কৰি সঁঘই সমাজ জীৱনত এক মহান আদৰ্শ দাঙি ধৰিছে।

শঙ্কৰী-অশঙ্কৰী, সঁঘ-অনাসঁঘ যি বুলিয়েই নকওক কিয়, বৰাই কোৱাৰ দৰে এৰাধৰা নীতি গ্ৰহণ নকৰিলেও শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘলৈ মানুহৰ সোঁত ববলৈ এৰা নাই। মাত্ৰ কেইজনমান মহানুভৱ ব্যক্তিয়ে (বৰাৰ ককাক সনতৰাম বৰাও) জন্ম দিয়া অনুষ্ঠানটো আজি চাৰিকুৰি এবছৰত হাজাৰ হাজাৰ ভক্তপ্ৰাণ লোকে ভৰি পৰিছে। আৰু চাৰিকুৰি এবছৰত যে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ আধাভাগ মানুহে একশৰণ নামধৰ্ম গ্ৰহণ নকৰিব সেই কথা বৰাই ডাঠি কব নোৱাৰিব নিশ্চয়। বৰ্তমান সময়ত শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘই হে যে কেৱল গুৰুজনৰ আদৰ্শৰে একশৰণ নামধৰ্ম প্ৰচাৰ কৰিছে, এনে নহয়; ইয়াৰ উপৰি অসমৰ আৰু দহ-পোন্ধৰটামান সৰু-বৰ ধৰ্মীয় সংগঠনে গুৰুজনৰ ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰত আত্মনিয়োগ কৰি আহিছে। এটা সময় হয়তো সমাগত হ'ব,

যি সময়ত সকলো সংগঠনে একত্রিত হৈ গুৰুজনৰ ধৰ্মাদৰ্শৰে সমাজ জীৱনক এটা নিয়মৰ মাজলৈ আনি শান্তি-সম্প্ৰীতিৰ নিজৰা বোৱাবলৈ সমৰ্থ হ'ব। স্মৰ্তব্য যে সঙ্ঘৰ সঙ্গীসকলৰ মাজত কোনো বিভাজন নাই। বিভাজনৰ বীজ সিঁচিছে এনে এচাম লোকে যিসকলে গুৰুজনৰ প্ৰৱৰ্তিত ধৰ্মৰ প্ৰতি অকণো আস্থা নাই। ৰাম সৰস্বতীয়ে তাহানিতে ব্যক্ত কৰিছে **'আপোনাৰ মান্য ভঙ্গ ভয়ে শঙ্কৰক নসহয়'**। শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘ স্ব আদৰ্শত অচল-অটল। ময়ূৰ বৰাৰ নিচিনা এৰাধৰা কৰা লোকৰ পৰামৰ্শ শুনিবলৈ শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘ বাধ্য নহয়।

বৰাই শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘক বৌদ্ধিক দিশত অনগ্ৰসৰ বুলি যি মন্তব্য কৰিছে, সেয়া সুস্থমনৰ পৰিচায়ক নহয়। ৰাজ্যৰ ভিতৰে-বাহিৰে আলোচনা চক্ৰ, কৰ্মশালা আদি সঙ্ঘই অনুষ্ঠিত কৰি আহিছে। দিল্লী, আহমেদাবাদ, পুৰী, কলিকতা, কোচবিহাৰ আদি স্থানত আলোচনা চক্ৰৰ লগতে শঙ্কৰী গীত-নৃত্যৰ পৰিৱেশন কৰিছে। ৰাজ্যত প্ৰতিবছৰে যিকোনো এখন মহাবিদ্যালয়ত অন্ততঃ এখনকৈ হ'লেও আলোচনা চক্ৰ অনুষ্ঠিত কৰি আহিছে। বৰ্তমানলৈকে সঙ্ঘই চাৰিকুৰিখনমান গ্ৰন্থ অসমীয়া, বঙালী, ইংৰাজী, হিন্দী আদি ভাষাত প্ৰকাশ কৰি শঙ্কৰদেৱৰ প্ৰচাৰত ব্ৰতী হৈছে। বৰাক এটা কথা কৈ থওঁ যে মানৱতাবাদক ভেঁটি কৰি সঙ্ঘই সমস্ত শ্ৰেণীৰ লোকৰ মাজত যি প্ৰেমৰ বাণী বিলাই দিছে, তেনেবোৰ কাৰ্য বৌদ্ধিক উৎকৰ্ষৰ ভিতৰত নপৰে নেকি? উপৰিউক্ত বহু দিশত বৰাই অনৰ্থক পৰামৰ্শ দিবলৈ গৈ নিজেই পথভ্ৰষ্ট হোৱা নাইতো?

বৌদ্ধিক দৈন্য শব্দৰ দ্বাৰা ময়ূৰ বৰাই কি বুজাব খুজিছে? গুৰুজনাই দেখোন কৈছিল **'নলাগে ভক্তিত দেৱ দ্বিজ ঋষি হুইবে। নলাগে সম্ভূত শাস্ত্ৰ বিস্তৰ জানিবে।।'** মনত ৰখা উচিত যে শঙ্কৰী ধৰ্ম ভক্তি প্ৰধান। সৰ্বসাধাৰণ লোকৰ লগত সম্পৰ্ক ৰহিত বৈঠকখানাত বহি বুদ্ধিৰ কচৰৎ কৰা লোকসকলে ভক্তিধৰ্মৰ গূঢ়াৰ্থ অনুধাৱন কৰিব নোৱাৰে। বিশ্ববিদ্যালয়ৰ উচ্চ ডিগ্ৰীধাৰী নহৈও অনাখৰী লোক এজনো বুদ্ধিদীপ্ত মন এটিৰ অধিকাৰী হ'ব পাৰে। সেইসকল লোকক তুচ্ছ-তাচ্ছিল্য কৰা লোকসকল হ'ল 'গৰ্ব্ব পৰ্ব্বতত' উঠি থকা গুৰুজনাৰ ধৰ্ম ধৰাৰ অযোগ্য লোক। বৰাই কথাটো অলপ তং কৰিলে ভাল হ'ব।

ময়ূৰ বৰাই **'লোকাচাৰৰ চক্ৰবেহুত গুৰুজনাৰ মানৱতাবাদী দৰ্শন ধৰাশায়ী'** (পৃ. ৮৪) শীৰ্ষক লেখাটোত কৈছে যে - **'কাৰণ গুৰুজনাক লোকাচাৰৰ চক্ৰবেহুত আবদ্ধ কৰি সংঘই তেওঁৰ বিশাল মানৱতাবাদী দৰ্শনক লুকুৱাই পেলাইছে। দুখৰ কথা, এইক্ষেত্ৰত তেওঁলোকৰ কোনো আত্মসমালোচনাও নাই, উদ্বিগ্নতাও নাই। নামঘৰ বা তেওঁলোকে অনুষ্ঠিত কৰা সভা-সমিতিৰ মাহ-প্ৰসাদৰ ভিতৰত বন্দী গুৰুজনাৰ মানৱহিতৈষী দৰ্শন।'** (পৃ. ৮৬) বৰাদেৱে লোকাচাৰ আৰু মানৱতাবাদী দৰ্শনৰ যি পাৰ্থক্য দেখুৱাবলৈ প্ৰয়াস কৰিছে, সেইটো আমাৰ বোধেৰে শুদ্ধ হোৱা নাই। লোকাচাৰ মানে সমাজৰ সৰ্বসাধাৰণে পৰম্পৰাগতভাৱে যুক্তিহীনভাৱে যিবোৰ আচাৰ বা নীতি পালন কৰে, সেইবোৰহে লোকাচাৰ বা লোকসংস্কৃতি (Folk Culture)। লোকাচাৰ বা লোকসংস্কৃতিত অন্ধবিশ্বাস আছে, যুক্তি নাই। অসমীয়া সমাজজীৱনৰ স্তৰে স্তৰে এনে লোকাচাৰে সাংঘাতিকভাৱে প্ৰভাৱ বিস্তাৰ কৰি আহিছে। বিয়া-বাৰু অনুষ্ঠান কৰোঁতে, সন্তান জন্মৰ সময়ত পালন কৰা ৰীতি-নীতিত, ঘৰৰ কোনোজনৰ মৃত্যুৰ সময়ত পালন কৰা নিয়ম-নীতিত, কুকুৰ-মেকুৰী, ফেঁচা আদি জীৱ-জন্তু, চৰাই-চিৰিকতিৰ ব্যৱহাৰ বা আগমনত, গছ পূজা, শিল পূজা আদি এশ এবুৰি পূজা-পাতলকে আদি কৰি অসমীয়া সমাজ জীৱনত লোকাচাৰৰ প্ৰভাৱ অপৰিসীম। কিন্তু গুৰুজনৰ নামঘৰৰ ভিতৰত মাহ-প্ৰসাদৰ লগত ভক্তিধৰ্মৰহে সম্পৰ্ক, লোকাচাৰৰ সম্পৰ্ক নাই।

বৰাই বিয়া খোৱা, প্ৰসাদ খোৱা আদি কথাক কেন্দ্ৰ কৰি কৈছে - **'আমাৰ ধৰ্ম বিশ্বাসৰ ভেটি ইমান থুনুকা নহয় যে কাৰোবাৰ ঘৰত হোম পোৱা বিয়াখন চালে বা সত্যনাৰায়ণ পূজাৰ প্ৰসাদ খালেই সেয়া ভাঙি চুৰমাৰ হ'ব।'** (পৃ. ৮০) 'এদেও দুদেও লোটা নিয়াৰ চেও' কৰি বৰাই এদিন হয়তো সঙ্ঘক পৰামৰ্শ দিব - আপোনালোকে দেখোন বলি দিয়া থানবোৰলৈ গৈ বলিৰ তেজৰ ফোঁট এটাও লৈ আহিব পাৰে। বৰাদেউ, এনেবোৰ কথা গুৰুজনাৰ ধৰ্মত নাই। পূজা-পাতল, যাগ-যজ্ঞ আদি আগম পন্থ ত্যাগ কৰি কেৱল নাম-ধৰ্মহে পালন কৰিবলৈ গুৰুজনে পৰামৰ্শ দিছে - **'হৰি ৰাম হৰি ৰাম এ মূল মন্ত্ৰ। কলিত নাহি তপ যজ্ঞ যন্ত্ৰ।।'২৪।।** (প্ৰহ্লাদ চৰিত, অষ্টম কীৰ্ত্তন) বৰাই কবৰ দৰে ধৰ্মৰ ভেটি থুনুকা হয় নহয় সঙ্ঘৰ ভকতে নাজানে, জানে মাথো গুৰুজনাৰ সজ উপদেশ। বৰাই যি পৰামৰ্শ দিছে, তেনে পৰামৰ্শ দিওঁতাক গুৰুজনে কি বুলিছে চাওক-

'বোলন্ত শুকে কিনো ভৈল খেদ।
পাষণ্ডে কৰিবে বুদ্ধিক ভেদ।।
কলিত হৰিৰ কীৰ্ত্তন এড়ি।
ফুৰিবে লোকে আন কৰ্ম্ম কৰি।।১৪০।।
পাইবেক শ্ৰম তপ ব্ৰত কৰি।
একান্তে যিটো নুসুমৰৈ হৰি।।
জ্ঞানতো কৰ্ম্মতো কৰিয়া নৰ।
হৰি কীৰ্ত্তনত কৰা আদৰ।।১৪১।।

(কীৰ্ত্তন-ঘোষা, পাষণ্ড মৰ্দ্দন, চতুৰ্থ কীৰ্ত্তন)

বৰাই কিয় মহাপুৰুষীয়া বুলি দাবী কৰাসকলক কব নোৱাৰিলে যে - আগম পন্থৰ নীতি-নিয়মবোৰ এৰক, নামধৰ্ম গ্ৰহণ কৰক। এই প্ৰসংগত সঙ্ঘৰ এগৰাকী পদাধিকাৰ ঋষেশ্বৰ দলৈ বাপৰ মন্তব্য প্ৰনিধানযোগ্য - **'গুৰুজনাৰ পিছত হোৱা ধৰ্মাধিকাৰসকলে হয়তো ভাবিছিল যে কিছু পৰিমাণে বৈদিক ক্ৰিয়া-কাণ্ড মানি ললে, এক-শৰণ-ধৰ্মই বিস্তৃতি লাভ কৰিব। পিছে সি হৈ নুঠিল। স্মৃতিকাৰসকলে এই সুবিধা গ্ৰহণ কৰি, ধৰ্ম, অৰ্থ আৰু কাম, এই তিনি বৰ্গৰ জয়গান কৰি এক শৰণীয়াকো মুহিলে। মুক্তিত নিস্পৃহক নমস্কাৰ কৰি কাম-স্পৃহাক সাৰতি ধৰে। কথা এনেহে হ'লগৈ। এতিয়া শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই এক-শৰণীয়াকো পুনৰ সংস্কাৰ কৰিবলগীয়া হ'ল। এইটোও এটা অন্য সমস্যা।**

**তাকে কৰোঁতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ নানা তৰ্ক, সমালোচনা আৰু অভিযোগৰ সন্মুখীন হ'ব লগীয়া হৈছে। ডাঢ়ি-চুলি খুৰুৱাৰে পৰা একেবাৰেই ভাগৱত পাঠলৈকে সমস্ত কাৰ্যত খেলিমেলিৰ সৃষ্টি কৰিছে বুলি এক-শৰণীয়া সমাজৰে এইখিনিয়ে অভিযোগ তুলিছে। পিছে সংস্কাৰে কাৰো ওজৰ আপত্তিলৈ কাণ নকৰে। সদায় আগবাঢ়ি গৈয়েই থাকে। সংস্কাৰৰ ক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘও আগবাঢ়ি গৈ আছে।'** (শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰসকলৰ অভিভাষণ ঃ সঙ্কলক-সম্পাদক - জীৱকান্ত নাথ, প্ৰথম প্ৰকাশ - ২০০৫, পৃ. ২৭৩) একশৰণীয়াসকলক কৰ্মকাণ্ডীয় অনুষ্ঠানলৈ নাযাবলৈ গুৰুজনেই পৰামৰ্শ দিছে। বৰাই বিশ্বৰ ধৰ্মবোৰলৈ মন কৰিলে নিশ্চয় উমান পাব যে খ্ৰীষ্টান, ইছলামসকল একেশ্বৰবাদী হোৱাৰ বাবে তেওঁলোকৰ সমস্যা হিন্দু ধৰ্মৰ মানুহতকৈ বহুত কম। আৰবৰ পৰা এজন মুছলমান আহি অসমত খোৱা-বোৱা, বিয়া-বাৰু আদি কৰাত একোতে বাধা নাই। কিন্তু হিন্দু এজনে একেখন গাঁৱতে একেলগে খাব নোৱাৰে, একে ধৰ্মৰ মানুহৰ মাজত বিবাহ হোৱাতো বাধা আছে ইত্যাদি। গুৰুজনে এনেবোৰ সামাজিক ব্যাধি নাইকিয়া কৰিবৰ বাবেই একেশ্বৰবাদী ধৰ্ম প্ৰৱৰ্ত্তনত গুৰুত্ব দিছিল। সঙ্ঘইও এনে নীতি মানি মানুহৰ সমাজ এখন কৰিবলৈ অন্তঃসলিলা ৰূপত অৱতীৰ্ণ হৈছে। গুৰুজনাৰ এনেবোৰ উদাৰ ধৰ্মীয় নীতিৰ লগত লোকাচাৰক সনা-পোতোকা কৰি ভক্তিমাৰ্গৰ ধৰ্মটো বিকৃত কৰাৰ মানসিকতা সমাজ জীৱনৰ বাবে ক্ষতিকাৰক। গুৰুজনাৰ ধৰ্মাদৰ্শৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ সঙ্ঘই যি এখন বহল মানৱ সমাজৰ ভেটি নিৰ্মাণ কৰিবলৈ আগবাঢ়ি গৈ আছে - সি সূৰ্যৰ পোহৰেৰে উদ্ভাসিত দিনৰ পোহৰৰ দৰেই সত্য। গুৰুজনাৰ সত্য-শুদ্ধ ধৰ্মই এদিন বিশ্বৰ সমাজত প্ৰতিষ্ঠা লাভ কৰি এখন মানৱ সমাজ গঢ়ি তুলিব - সঙ্ঘৰ এয়ে কামনা আৰু উদ্দেশ্য।

বৰাই দেৱালী সম্পৰ্কত সঙ্ঘক কটাক্ষ কৰি কৈছে - **'একেখিনি কথা দেৱালীৰ সময়ত চাকি বা লাইট জ্বলোৱাৰ ক্ষেত্ৰতো আহি পৰে। সেইবোৰ বিষয়তো সংঘৰ তৰফৰ পৰা কঠোৰ নিষেধাজ্ঞা আছে। আমি কিন্তু সেই নিষেধাজ্ঞা নামানি দেৱালীত চাকি-বন্তি বা লাইট জ্বলাওঁ। কাৰণ দেৱালী মানে পোহৰৰ উৎসৱ। ইয়াক প্ৰয়োজনতকৈ বেছি ধৰ্মৰ আৱৰণ নিপিন্ধাই সকলো ধৰ্মৰ মানুহে পালন কৰিব পাৰে। সেয়েহে হয়তো আজিকালি আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ চৰকাৰী বাসগৃহ হোৱাইট হাউছতো এই উৎসৱ উদ্‌যাপিত হয়।' (পৃ. ৮০-৮১)** বৰাক এটা কথা সোঁৱৰাই দিওঁ যে সঙ্ঘৰ ভকতে দেৱালীত চাকি নজ্বলালেও ৩৬৫ দিন গুৰু আসনৰ সন্মুখত বছৰেকত ৭৩০ বাৰ চাকি-বন্তি জ্বলাই জগতত শান্তি-সম্প্ৰীতিৰ পোহৰেৰে আলোকিত হোৱাৰ কামনাৰে ভগৱানৰ চৰণত নিবেদন কৰে। পোহৰৰ উৎসৱ পাতিবলৈ গৈ ফট্‌কা, ব'ম, ফুলজাৰি জ্বলাই পৰিৱেশ প্ৰদূষিত কৰাৰ পক্ষত সঙ্ঘৰ সংগীসকল নাই। ভাৰতৰ সৰ্বসাধাৰণ লোকৰ অন্ন-বস্ত্ৰৰ সমস্যা, এটুপি খোৱা পানীৰ সমস্যা, নিবনুৱা সমস্যা, সন্ত্ৰাসবাদীৰ সমস্যা, দুৰ্নীতিৰে ভৰা আদি এশ এবুৰি সমস্যাৰ সমাজখনত দেৱালীৰ চাকি জ্বলাই পোহৰ আনিব বিচৰা বৰাৰ দৰে বুদ্ধিজীৱীয়ে দিয়া পৰামৰ্শ কিমান উপাদেয় - সেই কথা সঙ্ঘৰ ভকতৰ লগতে আনসকলেও বুজি পাইছে। দেৱালীৰ নিচিনা সমাজৰ এনেবোৰ নিয়মে দেশৰ অৰ্থনীতিও দুৰ্বল কৰা নাই জানো? কাৰণ এনে উৎপাদন কৰ্মত কোনো সৃষ্টিমূলক উদ্দেশ্য নাই, কেৱল ধ্বংসাত্মক উদ্দেশ্যহে জড়িত হৈ আছে। বৰাই দেৱালীৰ চাকি জ্বলোৱাত বাধা নাই, বৰা সঙ্ঘৰ সংগী নহয় যেতিয়া যি মন যায় তাকে কৰিব পৰাৰ স্বাধীনতা বৰাৰ আছে বা আনৰো আছে। বৰাদেউ, অনুষ্ঠান-প্ৰতিষ্ঠানৰ কিছুমান নীতি-নিয়ম থাকিবই। দেশৰ সংবিধানতো নীতি-নিয়ম থকাৰ দৰে কোনো সংগঠনত নীতি নিয়ম নোহোৱাকৈ চলিব নোৱাৰে। কিন্তু আপোনাৰ যুক্তিহীন পৰামৰ্শ মানি সঙ্ঘই নীতি-নিয়ম পৰিবৰ্তন কৰিবলৈ বাধ্য নহয়। আমেৰিকাৰ লগত ভাৰতৰ তুলনা কৰিলে নিজৰ ফোপোলা স্বৰূপটোহে ওলাব। গুৰুজনাৰ দৃষ্টিভংগীৰে তথা ভাষাৰে বৰাদেৰক অৱশেষত এই সম্পৰ্কত এটা কথাই কবলৈ বিচাৰিছোঁ-

'তীৰ্থ বুলি কৰৈ জলত শুদ্ধি।
প্ৰতিমাত কৰৈ দেৱতা বুদ্ধি।।
বৈষ্ণৱত নাই ইসৰ মতি।
গৰুতো অধম কৃষ্ণ বদতি।।১৩২।।
একান্তে মৰৈ কৰ্ম্মমাত্ৰ কৰি।

হৃদয়ে থাকিয়া বিদূৰ হৰি।।
শ্ৰৱণ কীৰ্ত্তন যাৰ অভ্যাস।
নছাড়ন্ত হৰি তাহাৰ পাশ।।১৩৩।।

(কীৰ্ত্তন-ঘোষা, পাষণ্ড মৰ্দ্দন, চতুৰ্থ কীৰ্ত্তন)

বৰাদেউ, গুৰুজনে কেৱল প্ৰসাদ খাবৰ বাবেই কীৰ্ত্তন-ঘোষাখন প্ৰণয়ন কৰা নাই, তাত থকা কথাবোৰ পালন কৰিলেহে গুৰুজনাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা হ'ব। শঙ্কৰদেৱক সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মহামানৱ বুলি প্ৰমাণ পত্ৰ দি থাকিলেই মানৱ সমাজৰ সমস্যাৰ শেষ নহয়। শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘই গুৰুজনাৰ আদৰ্শক বুকুত বান্ধি এক অবিৰত যাত্ৰাৰ পথিক ৰূপে কৰ্মপথত অগ্ৰসৰ হৈছে। যুক্তিসন্মত, শাস্ত্ৰসন্মত সিদ্ধান্তহে শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ বাবে গ্ৰহণীয় - যুক্তিহীন পৰামৰ্শ বৰ্জনীয়।

# পঞ্চম অধ্যায়
# প্ৰতিবাদী কাৰ্যত সঙ্ঘ নিৰ্লিপ্ত আৰু নীৰৱ নহয়

ময়ূৰ বৰাই তেখেতৰ গ্ৰন্থখনত শ্ৰীমন্ত শঙ্কৰদেৱ সম্পৰ্কত বিভিন্নজনে দিয়া বিসংগতিপূৰ্ণ মন্তব্যত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই নিয়মৰ মেৰপেঁচৰ কাৰণে নিৰ্লিপ্ত মনোভাৱ পোষণ কৰে বুলি কেইটামান দিশৰ অভিযোগ উত্থাপন কৰিছে। গুৰুজনাৰ জন্মস্থান-কৰ্মস্থান সম্পৰ্কত বৰাই কৰা অভিযোগৰ আলোচনা পিছলৈ থৈ আন কেইটামান অভিযোগ হ'ল - (১) নিৰ্লিপ্ত মনোভাৱ আৰু নিয়মৰ মেৰপেঁচ, (২) 'শংকৰ বিভ্ৰাট' আৰু শংকৰ সংঘ, (৩) 'কীৰ্তন বিতৰ্ক'ৰ সময়ত সঙ্ঘৰ শামুকীয়া গতি আৰু (৪) 'ৰাম বিজয় নাট' বিকৃতকৰণৰ সময়ত সঙ্ঘৰ নীৰৱতা। 'নিৰ্লিপ্ত মনোভাৱ আৰু নিয়মৰ মেৰপেঁচ' শীৰ্ষক লেখাটোত বৰাই লিখিছে যে - **'যোৱা দুটামান দশকত শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ একান্ত অনুগত যিকোনো সচেতন সদস্য বা সদস্যাকে শংকৰদেৱৰ সংক্ৰান্তীয় বিতৰ্কৰ সময়ত অনুষ্ঠানটোৰ শীতল নিৰ্লিপ্ততাই জোকাৰি নোযোৱাকৈ থকা নাই। সংঘৰ মজিয়াত আনুষ্ঠানিকভাৱে কিমানে এই বিষয়টো চালিজাৰি চাইছে সেই বিষয়ে আমি অৱগত নহয়। কিন্তু অনানুষ্ঠানিকভাৱে আমি লগ পোৱা আই-বাপসকলে এই নিৰ্লিপ্ত মনোভাৱৰ বাবে শীৰ্ষ নেতৃত্বকে জগৰীয়া কৰিছে। ন্যস্তস্বাৰ্থ মহলৰ দ্বাৰা প্ৰৰোচিত শংকৰদেৱৰ সংক্ৰান্তীয় কিছুমান বিতৰ্ক ইমান নেতিবাচক দিশত গতি কৰে যে সাধাৰণ মানুহে সংঘৰ দৰে বৃহৎ অনুষ্ঠানৰ পৰা তাৎক্ষণিকভাৱে কিছু সুচিন্তিত মতামত আৰু পৰামৰ্শ আশা কৰে। কিন্তু প্ৰায়বোৰ ক্ষেত্ৰতে কিবা এটা মিছা অজুহাত দেখুৱাই সংঘৰ নেতৃবৃন্দ তেনে মতামত প্ৰদানৰ পৰা বিৰত থাকে। সংঘৰ মজিয়াত তেনে দৃষ্টান্ত ইমানেই বেছি যে বহু চিন্তাশীল মানুহে আজিকালি শীৰ্ষ নেতৃত্বৰ বৌদ্ধিক সামৰ্থ্যৰ বিষয়ে মুকলি প্ৰশ্ন অৱতাৰণা কৰিবলৈকো কুণ্ঠাবোধ নকৰে।'** (পৃ. ৩৯) বৰাই আকৌ লিখিছে - **'নিৰ্মোহভাৱে বিশ্লেষণ কৰিলে পৰিষ্কাৰকৈ ওলাই পৰে এনে প্ৰৱণতাৰ বাবে সংঘৰ নিয়ম-কানুনসমূহ দায়ী নহয়। কাৰণ নিয়ম-কানুন বাহিৰৰ মানুহে বনোৱা নাই, বনাই লৈছে সংঘৰ নেতৃবৃন্দইহে। নিয়ম-কানুনৰ ভুৱা অছিলা লৈ গুৰুত্বপূৰ্ণ সময়ত মৌনব্ৰত ধাৰণ কৰাটো কোনো প্ৰগতিশীল আৰু গতিশীল অনুষ্ঠানৰ লক্ষণ নহয়।' (পৃ. ৪১)**

বৰাৰ এই যুক্তিৰ উত্তৰত আমি প্ৰথমে এটা কথাই কব বিচাৰোঁ যে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ধৰ্মীয়, আধ্যাত্মিক আৰু সাহিত্য-সংস্কৃতিমূলক এটা সামাজিক গণতান্ত্ৰিক অনুষ্ঠান। সামন্তবাদীয় একনায়কত্বৰ অধিকাৰৰ কথা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সংবিধানত পাবলৈ নাই। নিয়ম-কানুন কপ্‌কপীয়া নহৈ শিথিল হ'লে যিকোনো এটা সামাজিক অনুষ্ঠানৰ আয়ুস হ্ৰাস হোৱাটোৱেই স্বাভাৱিক। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘত মূল কাৰ্যনিৰ্বাহক সভা আৰু প্ৰতিনিধি সভাৰ সিদ্ধান্তমৰ্মেহে যিকোনো এটা বিতৰ্কিত জটিল বিষয়ৰ সমাধান সূত্ৰ নিৰ্দ্ধাৰিণ কৰা নিয়ম। এই নিয়মৰ প্ৰতি সঙ্ঘৰ প্ৰতিজন সংগীয়েই আনুগত্য প্ৰকাশ কৰি আহিছে। বাতৰি কাকত, দূৰদৰ্শন আদি প্ৰচাৰ মাধ্যমৰ যোগেদি সঙ্ঘৰ সংগী আৰু বিষয়ববীয়াসকলে জটিল বিষয়ৰ প্ৰতিবাদ জনাই আহিছে। এই সম্পৰ্কত অধ্যায়ৰ যথাস্থানত আমি ব্যক্ত কৰিম। ময়ূৰ বৰাই সঙ্ঘৰ এই গণতান্ত্ৰিক নীতিৰ বিৰুদ্ধে তেখেতৰ গ্ৰন্থখনত তাচ্ছিল্যৰ সুৰত ব্যক্ত কৰা কথাটোৱে এটা কথাই প্ৰমাণ কৰে যে বৰা গণতান্ত্ৰিকতাত বিশ্বাসী নহয়। মহাপুৰুষ গুৰুজনাৰ প্ৰচাৰিত একশৰণ নাম-ধৰ্মৰ প্ৰতিটো ক্ষেত্ৰতে যে তাৰাই গণতান্ত্ৰিকতাৰ প্ৰতি দৃষ্টি ৰাখিহে পদক্ষেপ হাতত লৈছিল - সেইকথা সকলোৰে জ্ঞাত।

ময়ূৰ বৰাই শ্ৰীকান্ত দেৱশৰ্মা নামৰ 'বুদ্ধিভ্ৰষ্ট পুৰোহিত'জনে লিখা 'শঙ্কৰ বিভ্ৰাট' নামৰ গ্ৰন্থখনৰ সন্দৰ্ভত সঙ্ঘই **'... তাৎক্ষণিকভাৱে এই কুৎসিত কিতাপখনৰ বিপক্ষে কোনো বলিষ্ঠ পদক্ষেপ লোৱা নাছিল।'** বুলি অভিযোগ আনিছে। এতিয়া কথা হ'ল এই পুৰোহিতজনে লিখা **'ভিত্তিহীন আৰু মনেসজা কথাবিলাক'**ৰ (পৃ. ৪৬) বিতংভাৱে উত্তৰ দিবলৈ সঙ্ঘক কিছু সময়ৰ প্ৰয়োজন নিশ্চয় আছিল। অলপ পলম হ'লেও 'কাছ আৰু শহা' সাধুটোৰ দৰে অৱশেষত কাছটোৱেই গন্তব্যস্থান আগতেই পাইছিলগৈ। ইংৰাজী ভাষাৰ 'Slow & Steady wins the race' প্ৰৱচনটোও এইক্ষেত্ৰত মন কৰিবলগীয়া। বৰাক এটা কথা কৈ থওঁ যে সঙ্ঘই শ্ৰীকান্ত দেৱশৰ্মাই শঙ্কৰদেৱৰ সম্পৰ্কত লিখা নাভূত-নাশ্ৰুত কথাবিলাকৰ উত্তৰ কেৱল পুৰোহিতজনক দিয়াৰ কাৰণেই প্ৰতিবাদী গ্ৰন্থ প্ৰকাশ কৰাৰ কথা ভবা নাছিল। শঙ্কৰদেৱৰ অনুৰাগী সাধাৰণ পাঠকসকলে যাতে শ্ৰীকান্ত দেৱশৰ্মাৰ ভিত্তিহীন কথাৰ প্ৰতি ভোল নাযায় - তাৰ বাবে বিতংভাৱে পঢ়ি লিখিবৰ বাবে লেখকক সময়ৰো প্ৰয়োজন আছিল। শঙ্কৰদেৱ সঙ্ঘই প্ৰকাশ কৰি উলিওৱা কৈলাস দাস আৰু জীৱকান্ত নাথে যুটীয়াভাৱে ৰচনা কৰা **'শঙ্কৰদেৱ চৰ্চা ঃ বিদ্বেষ আৰু বিভ্ৰান্তি'** নামৰ গ্ৰন্থখনৰ পূৰ্বে দুখন প্ৰতিবাদী গ্ৰন্থ আৰু শঙ্কৰদেৱৰ অনুৰাগী বহু সংখ্যক ব্যক্তিয়ে আৰু শঙ্কৰদেৱ সঙ্ঘৰ বহু সংগীয়ে প্ৰতিবাদ কৰি লিখা বহু চিঠি-পত্ৰ বাতৰি কাকতত প্ৰকাশ হৈছিল। ২০০৮ চনৰ শেষৰফালে প্ৰকাশ কৰা ('শঙ্কৰ-বিভ্ৰাট'ত তাৰিখ

আৰু মাহৰ উল্লেখ নাই) শ্ৰীকান্ত দেৱশৰ্মাৰ গ্ৰন্থৰ প্ৰতিবাদকল্পে প্ৰথমখন প্ৰতিবাদী গ্ৰন্থ ইছমাইল হোছেইনদেৱে **'শঙ্কৰ-বিভ্ৰাটৰ প্ৰত্যুত্তৰ'** নামে চাৰি-পাঁচ মাহৰ ভিতৰতে অৰ্থাৎ ২০০৯ চনৰ ফেব্ৰুৱাৰী মাহত প্ৰকাশ কৰে। দ্বিতীয়খন প্ৰতিবাদী গ্ৰন্থ হেমচন্দ্ৰ শইকীয়াদেৱে **'অসমীয়াৰ ব্ৰহ্মতালুত সৰ্পদংশন'** প্ৰথমখন গ্ৰন্থৰ এমাহৰ পিছতে অৰ্থাৎ ২০০৯ চনৰ ১১ মাৰ্চ তাৰিখে প্ৰকাশ কৰে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থখন ২০১০ চনৰ ফেব্ৰুৱাৰী মাহত প্ৰকাশ পায়। হোছেইন আৰু শইকীয়াৰ প্ৰতি কৃতজ্ঞতা জনাই শ্ৰদ্ধাসহকাৰে কবলৈ বিচাৰিছোঁ যে ইছমাইল হোছেইনৰ ১৫ টা অধ্যায়ত বিভক্ত ৭৮ পৃষ্ঠাত প্ৰকাশ পোৱা গ্ৰন্থখনত (চিঠি-পত্ৰৰ পৃষ্ঠা সংখ্যা বাদ দি) শ্ৰীকান্ত দেৱশৰ্মাৰ সকলো কথাৰ উত্তৰ বিতংভাৱে দিয়া হোৱা নাছিল। খৰধৰ কৰি লিখি উলিওৱাৰ বাবেই বোধকৰো হোছেইন ডাঙৰীয়াই সকলো কথাৰ উত্তৰ বিস্তাৰিতভাৱে দিয়াৰ পৰা বিৰত থাকিবলগীয়া হ'ল। অৱশ্যে গ্ৰন্থখনে তাৎক্ষণিকভাৱে শ্ৰীকান্ত দেৱশৰ্মা আৰু অন্ধ সমৰ্থকসকলক 'জোকৰ মুখত চুণ দিয়া'ৰ দৰে মুখৰ মাত হৰিছিল। হেমচন্দ্ৰ শইকীয়াদেৱে পত্ৰাকাৰে লিখা গ্ৰন্থখনত শ্ৰীকান্ত দেৱশৰ্মাৰ গ্ৰন্থৰ প্ৰত্যুত্তৰ হিচাপে ব্ৰাহ্মণ্যবাদে সমাজত সৃষ্টি কৰা বিষবাষ্পৰ কথাতহে অধিক গুৰুত্ব প্ৰদান কৰিছে। অসমীয়া, বঙালী, সংস্কৃত আৰু ইংৰাজী ভাষাৰ ৩৫০ খন গ্ৰন্থৰ অধ্যয়নেৰে শইকীয়াই ভাৰতবৰ্ষত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা ব্ৰাহ্মণ্যবাদৰ ধাৰাটোক গ্ৰন্থখনৰ মাজেদি সম্পূৰ্ণৰূপে নস্যাৎ কৰিছে। শইকীয়াই এই সম্পৰ্কত গ্ৰন্থত লিখিছে যে - **' এই গ্ৰন্থখন যুগুত কৰোঁতে আমি প্ৰায় ৩৫০(তিনিশ পঞ্চাশ) খন গ্ৰন্থৰ সহায় লৈছোঁ, যদিও স্থানাভাৱত ২৭৯খন গ্ৰন্থৰ তালিকাহে ইয়াত দিয়া হৈছে। গতিকে এই গ্ৰন্থত সন্নিবিষ্ট কোনো তথ্যৰ তাৎপৰ্য বা সত্যাসত্য বুজিবৰ বাবে প্ৰয়োজন সাপেক্ষে সুধীসকলৰ লগত আলোচনা-বিলোচনা কৰে যেন - এয়ে অনুৰোধ।'** (আগকথা, পৃ. ৪) সন্দেহ নাই ২৭৩ পৃষ্ঠাত ৰচিত হেমচন্দ্ৰ শইকীয়াৰ গ্ৰন্থখন এজন অনুসন্ধিৎসু পাঠকৰ বাবে উপভোগ্য আৰু গৱেষণামূলক গ্ৰন্থ। ইয়াৰ বিপৰীতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই বিশটা অধ্যায়ত প্ৰকাশ কৰি উলিওৱা তিনিশতকৈও অধিক পৃষ্ঠাত লিখি উলিওৱা গ্ৰন্থখনত শ্ৰীকান্ত দেৱশৰ্মাৰ প্ৰায় প্ৰত্যেকটো অবান্তৰ কথাৰ উত্তৰ দি মূল কথাবোৰৰ অৱতাৰণা কৰা হৈছে। গীতা-ভাগৱত, কীৰ্ত্তন, নাম-ঘোষা, চৰিতপুথি আৰু ইংৰাজী ভাষাৰ শঙ্কৰদেৱ সম্পৰ্কে ৰচিত গ্ৰন্থসমূহৰ আধাৰত বিভিন্ন যুক্তিৰে গ্ৰন্থখন ৰচনা কৰা হৈছে। সঙ্ঘই প্ৰকাশ কৰা গ্ৰন্থ কাৰণেই আত্মপক্ষ সমৰ্থন কৰি এনে যুক্তি প্ৰদৰ্শন কৰা নাই। বৰাই তিনিওখন গ্ৰন্থৰে তুলনামূলক অধ্যয়ন কৰিলে এনে কথাৰ নিশ্চয় উমান পাব। অৱশ্যে বৰাই গ্ৰন্থখনৰ খুঁতি-নাতি সম্পৰ্কে তেখেতৰ গ্ৰন্থখনত সমালোচনা কৰা নাই। সঙ্ঘৰ প্ৰতিবাদী গ্ৰন্থখন প্ৰকাশ কৰাত পলম হোৱাৰ বাবেহে বৰাৰ ক্ষোভ। বৰাক এইখিনিতে এটা কথা কওঁ যে এজন ব্যক্তিয়ে এখন গ্ৰন্থ লিখি প্ৰকাশ কৰা আৰু এটা বিশেষ অনুষ্ঠান বা সংগঠনে প্ৰকাশ কৰা গ্ৰন্থৰ মাজত যথেষ্ট পাৰ্থক্য আছে। এজন ব্যক্তিয়ে এখন গ্ৰন্থ লিখি ৰাইজৰ গৰিহণা খোৱাটো (উদাহৰণ স্বৰূপে শ্ৰীকান্ত দেৱশৰ্মাৰ গ্ৰন্থখনৰ কথাই কব পাৰি) বৰ ডাঙৰ কথ নহয়। কিন্তু সংগঠন এটাই গ্ৰন্থ এখন প্ৰকাশ কৰি নিজৰ ভাৱমূৰ্ত্তি কেতিয়াও ম্লান হ'বলৈ দিব নোৱাৰে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই লেখকে লিখাৰ পিছত নিৰীক্ষকৰ হতুৱাই নিৰীক্ষণ কৰি খুঁতি-নাতি মাৰি প্ৰকাশ কৰোঁতে নিশ্চয় সময়ৰ প্ৰয়োজন আছিল। বৰাই তাৰ বাবে সঙ্ঘৰ নেতৃবৃন্দৰ বা বিষয়ববীয়াৰ বৌদ্ধিক সামৰ্থ্য নাই বুলি কবলৈ যোৱাটোতহে নিজৰ অদূৰদৰ্শিতাৰ পৰিচয় পোৱা যায়। হাজাৰ-বিজাৰ সদস্য থকা এটা সংগঠনৰ কোনো নেতৃবৃন্দই এনে কথা কব নোৱাৰিব নিশ্চয়। ময়ূৰ বৰাদেৱেই হওক বা এজন সংগীয়েই হওক বা সঙ্ঘৰ এজন নিৰ্দিষ্ট বিষয়ববীয়াই হওক - এজনৰ কথাত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ পৰিচালিত হোৱা অনুষ্ঠান নহয়।

উল্লেখযোগ্য যে শ্ৰীকান্ত দেৱশৰ্মাৰ গ্ৰন্থখন প্ৰকাশ হোৱাৰ পিছত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ নিৰ্লিপ্ততাৰে নিমাতে থকা নাছিল। কাৰ্যনিৰ্বাহকৰ সিদ্ধান্তমৰ্মে প্ৰতিখন জিলাতে শোভাযাত্ৰা কৰি জাগৰণ সভা পাতি জিলাৰ উপায়ুক্তৰ যোগেদি গ্ৰন্থখন বাজেয়াপ্ত কৰিবৰ বাবে চৰকাৰলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰা হৈছিল। বাতৰি কাকতত অন্যান্য প্ৰতিবাদী লেখকসকলৰ লগতে সঙ্ঘৰ সংগীসকলেও প্ৰতিবাদ জনাই চিঠি পত্ৰ লিখিছিল। গ্ৰন্থখনৰ বিৰুদ্ধে অসমৰ ৰাইজৰ বিপুল প্ৰতিবাদকল্পে গ্ৰন্থখন নিষিদ্ধ কৰিছিল যদিও অৱশেষত সঙ্ঘৰ শক্তিশালী প্ৰতিবাদতহে যে চৰকাৰে অধিক গুৰুত্ব দিছিল, সেই কথাও ধ্ৰুৱ। ২০০৯ চনৰ ২৬ জানুৱাৰীত দৈনিক অগ্ৰদূত কাকতত এই সংক্ৰান্তত প্ৰকাশ পোৱা বাতৰিটো এই প্ৰসঙ্গত উল্লেখযোগ্য। বাতৰিটো হ'ল - **"শংকৰ সংঘৰ দাবীলৈ সঁহাৰি ঃ অৱশেষত নিষিদ্ধ হ'ল বিতৰ্কিত 'শংকৰ বিভ্ৰাট', ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৫ জানুৱাৰী ঃ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ গুণ-গৰিমাক বিকৃত কৰি চৰম কুখ্যাতি অৰ্জন কৰা শ্ৰীকান্ত দেৱশৰ্মা ৰচিত 'শঙ্কৰ বিভ্ৰাট' নামৰ গ্ৰন্থখন আজি নিষিদ্ধ কৰে ৰাজ্য চৰকাৰে। মহাপুৰুষজনাৰ চৰিত্ৰহননৰ লগতে বিভ্ৰান্তি সৃষ্টি কৰাৰ অভিযোগত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই জনোৱা দাবীৰ ভিত্তিত আজি মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে উক্ত গ্ৰন্থখন নিষিদ্ধ কৰিবলৈ সংশ্লিষ্ট বিভাগলৈ নিৰ্দেশ জাৰি কৰে। গ্ৰন্থখনৰ বিক্ৰীত আজিৰে পৰা নিষেধাজ্ঞা আৰোপ কৰিবলৈ প্ৰশাসনক নিৰ্দেশ দিয়ে চৰকাৰে। গ্ৰন্থখনৰ বিক্ৰী বন্ধ কৰিবলৈ আজি জিলা উপায়ুক্ত আৰু মহকুমাধিপতিসকলক নিৰ্দেশ দিয়া হৈছে। কিন্তু উক্ত গ্ৰন্থখনৰ ওপৰত আনুষ্ঠানিক নিষেধাজ্ঞা জাৰিৰ নিৰ্দেশ ওলাব অহা ২৭ জানুৱাৰীতহে। কি পৰিস্থিতিত আৰু কিহৰ বাবে গ্ৰন্থখনৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা হ'ল সেয়া পৰীক্ষা কৰি আছে ৰাজ্য চৰকাৰৰ ন্যায়িক আৰু বিধায়িনী বিভাগে।**

**বিভাগটোৰ আইনগত পৰামৰ্শৰ ভিত্তিতে গ্ৰন্থখন নিষিদ্ধ কৰণৰ সন্দৰ্ভত অধিসূচনা জাৰি কৰা হ'ব। দৈনিক অগ্ৰদূত/২৬ জানুৱাৰী, ২০০৯"**। ময়ূৰ বৰাই তাৎক্ষণিকভাৱে সঙ্ঘই কোনো বলিষ্ঠ পদক্ষেপ লোৱা নাই বুলি যি অভিযোগ আনিছে সেইটোও অসত্য কথা। শ্ৰীকান্ত দেৱশৰ্মাৰ গ্ৰন্থখন প্ৰকাশৰ পৰা তিনি-চাৰি মাহৰ ভিতৰতে চৰকাৰে গ্ৰন্থখন নিষিদ্ধ কৰিছে। ২০০৮ চনৰ শেষৰ ফালে প্ৰকাশ পোৱা গ্ৰন্থখন ২০০৯ চনৰ জানুৱাৰী মাহত চৰকাৰে নিষিদ্ধ ঘোষণা কৰিলে সঙ্ঘৰ দাবীৰ প্ৰতি সঁহাৰি জনায়। নিষিদ্ধ কৰাৰ পিছত প্ৰতিবাদী গ্ৰন্থখন লিখাত পলম হোৱাটোত আচৰিত হ'বলগীয়া একো কথা নাই।

'কীৰ্ত্তন বিতৰ্কৰ সময়ত সংঘৰ শামুকীয়া গতি' লেখাটোত ময়ূৰ বৰাৰ অভিযোগটো হ'ল - **'এই সকলো কাম কৰি থকাৰ সময়ত শংকৰ সংঘৰ নিৰ্লিপ্ততাই আমাক আমনি নকৰাকৈ নাছিল। ভাৱিছিলোঁ কীৰ্ত্তন পুথিক কেন্দ্ৰ কৰি হোৱা বিতৰ্কৰ সময়ত সংঘই বলিষ্ঠ ভূমিকা লৈ নিজৰ অস্তিত্বৰ সবল পৰিচয় দাঙি ধৰিব। কিন্তু জোঁৰ পুৰি হাত পোৱাৰ পাছত শংকৰ সংঘই তেওঁলোকৰ আমোলাতান্ত্ৰিক মেৰপেঁচৰ মাজেদি প্ৰকাশ কৰিলে এক বহুপ্ৰতীক্ষিত বিবৃতি। সেই বিবৃতিত নাছিল কোনো বলিষ্ঠ মতামত আৰু নাছিল আত্মবিশ্বাসৰ ৰেঙনি। সম্পূৰ্ণ পালমৰা ধৰণৰ এটা বিবৃতি অত্যন্ত লেহেমকৈ বাতৰি কাকতৰ যোগেদি প্ৰকাশ কৰি সংঘই 'কীৰ্তন বিতৰ্ক' সন্দৰ্ভত নিজৰ বৌদ্ধিক তৎপৰতা প্ৰদৰ্শন কৰে।'** (পৃ. ৫০) বৰাৰ এই মন্তব্যৰ যুক্তিযুক্ততা যথোচিত হোৱা নাই। বৰাই বোধকৰো সঙ্ঘৰ সাংবিধানিক গঠন পদ্ধতিৰ বিষয়ে সম্পূৰ্ণ অৱগত নহয়। বৰাৰ জ্ঞাতাৰ্থে জনাওঁ যে সঙ্ঘৰ 'সাহিত্য শাখা সমিতি' আৰু 'সাহিত্য গৱেষণা পৰিষদ' নামৰ দুখন সমিতি আছে। সংস্কৃতিৰ ক্ষেত্ৰতো তদ্ৰূপ তেনে দুখন সমিতি আছে। এই সমিতি কেইখনৰ সদস্যসকলে গুৰুজনাৰ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত কোনো বিদ্বেষমূলক কথা বা জালপুথি আদিৰ সন্ধেদ পালে বাতৰি কাকত, দূৰদৰ্শন কেন্দ্ৰ অথবা অনাতাঁৰ কেন্দ্ৰ আদি প্ৰচাৰ মাধ্যমৰ যোগেদি ৰাইজৰ সমুখত অভিযোগ প্ৰদৰ্শন কৰি প্ৰতিবাদ সাব্যস্ত কৰে। সঙ্ঘৰ সংবিধানৰ উদ্দেশ্যসমূহৰ ভিতৰত দহ নম্বৰ উদ্দেশ্যটোৱেই হ'ল - **'শ্ৰীমন্ত শঙ্কৰদেৱ-মাধৱদেৱ মহাপুৰুষ দুজনাৰ নামত সাম্প্ৰদায়িক বা জাতি বিদ্বেষমূলক কথা, জালপুথি আৰু অপপ্ৰচাৰ আদিৰ অসাৰতা প্ৰতিপন্ন কৰা।'** (সংবিধানৰ পৃষ্ঠা নং ২) আকৌ এই দুখন সমিতিৰ গঠন পদ্ধতি আৰু উদ্দেশ্য সংক্ৰান্তত 'ঙ'ত এনেদৰে লিখা আছে - **'সাহিত্য গৱেষণা পৰিষদে গৱেষক নিযুক্তি দি গৱেষণামূলক কাৰ্য সম্পাদন কৰিব পাৰিব।' (সং. পৃ. ২২) 'গৱেষণামূলক কাৰ্য সম্পাদন কৰিব পাৰিব'** কথাযাৰতেই গৱেষকসকলক প্ৰচাৰ মাধ্যমৰ যোগেদি প্ৰতিবাদ জনাবৰ বাবে স্বাধীনতা দিয়া হৈছে। গৱেষক নিযুক্তি দিবৰ বাবে গৱেষণা পৰিষদে সঙ্ঘৰ সঙ্গী অথবা সঙ্ঘৰ সদস্য নোহোৱা কোনো বিশিষ্ট সাহিত্যিক, শিল্পী, গৱেষক, চিন্তাবিদ আদি পাৰদৰ্শী ব্যক্তিক সঙ্ঘৰ গৱেষক হিচাপে নিযুক্তি দি আহিছে। চৰকাৰী চোৱাংচোৱা বিভাগৰ কৰ্মচাৰীৰ দৰেই সঙ্ঘৰ গৱেষকসকলে অতন্দ্ৰ পহৰীৰ দৃষ্টিৰে মহাপুৰুষ দুজনাৰ সাহিত্য সংস্কৃতিৰ সংক্ৰান্তত হোৱা যিকোনো ধৰণৰ বিদ্বেষমূলক কথাৰ প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। গৱেষকসকলে অৱশ্যে সঙ্ঘৰ গৱেষক হিচাপে বা সংগী হিচাপে নিজৰ পৰিচয় প্ৰচাৰ মাধ্যমৰ সমুখত সাধাৰণতে দাঙি নধৰে। গুৰুজনাৰ আদৰ্শৰে জাতিৰ সেৱা কৰিবলৈ নিজৰ পৰিচয় আনৰ আগত দাঙি ধৰাৰো কোনো প্ৰয়োজনবোধ গৱেষকসকলে নকৰে বা আনৰ জনাৰো কোনো দৰকাৰ নাই। অৱশ্যে গৱেষক হিচাপে পৰিচয় দিয়াটো সঙ্ঘৰ সংবিধানত কোনো বাধা-নিষেধো নাই। প্ৰয়োজনবোধ হোৱাৰ বাবেই ময়ূৰ বৰাদেৱক জনাওঁ যে সঙ্ঘৰ 'সাহিত্য গৱেষণা পৰিষদ'ৰ সভাপতি-সম্পাদকসহ ৯ জন গৱেষকৰে এজন গৱেষক হ'ল প্ৰভাত দাসদেৱ। দাসে 'শঙ্কৰ বিভ্ৰাট', 'কীৰ্ত্তন বিতৰ্ক', 'ৰামবিজয় নাটৰ বিকৃতকৰণ' আৰু বৰাৰ নিজৰেই গ্ৰন্থ 'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ' আদি বিতৰ্কিত বিষয়সমূহত সক্ৰিয় অংশ গ্ৰহণ কৰি প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। প্ৰভাত দাসদেৱৰ দৰেই কেইবাজনো গৱেষকে গুৰুজনাৰ সাহিত্য-সংস্কৃতিৰ বিকৃতিৰ বিৰুদ্ধে মাত মাতি আহিছে। অৱশ্যে বৰাদেৱে নামে-মানুহে সকলোকে চিনি পালেও নোপোৱাৰ দৰে।

সুদীৰ্ঘ ১২৪ বছৰ বিকৃতপ্ৰাপ্ত অৱস্থাত প্ৰচলিত হৈ থকা আউনীআটি সত্ৰৰ পৰা প্ৰকাশিত কীৰ্ত্তন পুথিখনৰ সন্দৰ্ভতো সঙ্ঘৰ এগৰাকী সংগী প্ৰভাত দাসদেৱেহে ২০১০ চনৰ ২০ ডিচেম্বৰ তাৰিখে প্ৰথমে দূৰদৰ্শন কেন্দ্ৰৰ যোগেদি প্ৰতিবাদ সাব্যস্ত কৰিছিল। প্ৰভাত দাসে কথাটো আগভাগ লোৱাৰ পিছত সঙ্ঘৰ আৰু দুই-এজন গৱেষক আৰু সংগীয়ে ভাগ লয়। তাৰ পিছতহে শঙ্কৰদেৱৰ অনুৰাগী সচেতন নাগৰিকসকলে বাতৰি কাকতৰ যোগেদি প্ৰতিবাদ সাব্যস্ত কৰিছিল। এই ক্ষেত্ৰত ময়ূৰ বৰাই সঙ্ঘই লোৱা সিদ্ধান্তক 'শামুকীয়া গতি' বুলি কোৱাৰ যুক্তি নাই; কিয়নো ২০১০ চনৰ ২০ ডিচেম্বৰ তাৰিখে উত্থাপন হোৱা বিষয় এটা ২০১১ চনৰ ৯ ফেব্ৰুৱাৰী তাৰিখলৈকে সময় মাত্ৰ ১ মাহ ২০ দিন। ২০১১ চনৰ ৯ ফেব্ৰুৱাৰী তাৰিখে কাৰ্বি আংলঙৰ সঙ্ঘৰ আশীতিতম বাৰ্ষিক অধিৱেশনৰ জয়হৰি ক্ষেত্ৰত অনুষ্ঠিত হোৱা কাৰ্যনিৰ্বাহক সভাত এই বিষয়টো উত্থাপন হয়। ১১ ফেব্ৰুৱাৰীৰ ৰাতিলৈ অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাত প্ৰস্তাৱ গ্ৰহণ কৰি বাতৰি কাকতলৈ প্ৰেৰণ কৰা হয়। বাতৰি কাকতত মাত্ৰ দুমাহ ধৰিও নচলা এই বিতৰ্কিত বিষয়টো সঙ্ঘই হস্তক্ষেপ কৰাৰ পিছতেই আউনীআটি সত্ৰ তৰফৰ পৰা নিজৰ ভুল স্বীকাৰ কৰি পুথিখনৰ প্ৰকাশ আৰু বিক্ৰী বন্ধ কৰাৰ প্ৰতিশ্ৰুতি বাতৰি কাকতত প্ৰকাশ কৰে। এই সন্দৰ্ভত সঙ্ঘই লোৱা প্ৰস্তাৱটো **'পালমৰা ধৰণৰ'** বা **'বলিষ্ঠ মতামত'** নথকা বুলি বৰাই কৰা অভিযোগটোও সত্য নহয়। পাঠকৰ জ্ঞাতাৰ্থে প্ৰস্তাৱৰ প্ৰতিলিপি ইয়াত সন্নিবিষ্ট কৰা

হ'ল-

**"আউনীআটী সত্ৰৰ কীৰ্ত্তন-পুথিৰ প্ৰসঙ্গত**

আউনীআটী সত্ৰৰ প্ৰাক্তন সত্ৰাধিকাৰ মাননীয় দত্তদেৱ গোস্বামীয়ে ১৮৮০ চনত ছপা কৰি উলিওৱা কীৰ্ত্তন-পুথিভাগ সত্ৰখনৰ প্ৰকাশন-সমিতিয়ে ২০০৪ আৰু ২০০৫ চনত পুনৰ্মুদ্ৰণ কৰে। পুনৰ্মুদ্ৰিত পুথিভাগ গুৰুতৰভাৱে আঁসোৱাহযুক্ত বুলি ৰাজহুৱা বিতৰ্কৰ অৱতাৰণা হোৱাত, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই বিষয়টো চালি-জাৰি চাই নিম্নোক্ত আঁসোৱাহসমূহ লক্ষ্য কৰে ঃ

১। আউনীআটী-কীৰ্ত্তনপুথিৰ দ্বিতীয় প্ৰকাশৰ 'কৰাপাট'ত বৰ্তমানৰ সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱগোস্বামীয়ে লেখিছে, "অসমৰ সৰ্বজনমান্য কীৰ্ত্তনপুথিভাগী মহাপুৰুষৰ অমৰ কাপৰ পৰা ওলোৱা অমৃত কীৰ্ত্তি। ...অবিকৃতভাৱে পুথিখনিৰ দ্বিতীয় প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে। আমাৰ ধাৰণা, এইভাগ পুথিতেহে আজিলৈকে প্ৰকাশ পোৱা সকলো প্ৰকাশকৰ কীৰ্ত্তন-ঘোষাতকৈ বিস্তৃত বৰ্ণনা আছে...। দ্বিতীয় প্ৰকাশৰ ছপাৰূপ ৰাইজৰ হাতত পৰিলেই ৰাইজে এই পুথিৰ গুৰুত্ব বিচাৰি পাব।"

পিছে, আউনীআটী - কীৰ্ত্তনপুথি মেলি দেখা গ'ল যে তাত সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীয়ে নিজৰ ৰচিত দুটি খণ্ড - ধ্ৰুৱচৰিত্ৰ আৰু বনাগ্নিপান-বৈকুণ্ঠদৰ্শন- প্ৰক্ষেপ কৰিছে আৰু 'কৃষ্ণৰ কিঙ্কৰ' আৰু 'গোবিন্দ দাস'ৰ নামত ভণিতা পেলাইছে। ইয়াৰ উপৰি, শিশুলীলা-খণ্ডত চাৰিটা নতুন কীৰ্ত্তন দত্তদেৱ গোস্বামীয়ে প্ৰক্ষেপ কৰিছে।

তেনেহ'লে বৰ্তমান সত্ৰাধিকাৰজনাই কৰাপাটত উল্লেখ কৰা মহাপুৰুষৰ অমৰ কাপৰ পৰা ওলোৱা, 'বিস্তৃত বৰ্ণনা' থকা কীৰ্ত্তনপুথি এইখনেই য'ত দত্তদেৱ গোস্বামীয়ে নিজৰ ৰচিত উক্ত খণ্ড দুটি আৰু চাৰিটা কীৰ্ত্তন প্ৰক্ষেপ কৰি গৈছে। দত্তদেৱ গোস্বামীয়ে অসমত দ্বিতীয়টো ছপাশাল স্থাপন কৰি সাংবাদিকতা আৰু বৈষ্ণৱ পুথি ছপোৱাৰ ক্ষেত্ৰত অৰিহণা যোগালেও, গুৰুজনাৰ অমৰ সৃষ্টি কীৰ্ত্তনপুথিত নিজৰ ভণিতাযুক্ত ৰচনা প্ৰক্ষেপ কৰাটো এটা ভুল আছিল, যিটো কোনো কাৰণত কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে।

২। একবিংশ শতিকাত আউনীআটী সত্ৰই দত্তদেৱ গোস্বামীয়ে ছপোৱা কীৰ্ত্তনপুথিৰ দ্বিতীয় আৰু তৃতীয় পুনৰ্মুদ্ৰণ প্ৰকাশ কৰিলে -- অসমৰ ধৰ্মপ্ৰাণ ৰাইজৰ বাঞ্ছা পূৰাবলৈ। কিন্তু প্ৰকাশন সমিতিত বিশ্ববিদ্যালয়ৰ পণ্ডিতসকল থকা স্বত্বেও আৰু সত্ৰাধিকাৰ জনা ডক্টৰেট ডিগ্ৰীধাৰী হোৱা সত্বেও, প্ৰকাশিত কীৰ্ত্তন পুথিভাগত ঘূণাক্ষৰেও উল্লেখ কৰা নহ'ল যে তাত দত্তদেৱ গোস্বামী ৰচিত ৰচনাও সন্নিৱিষ্ট হৈ আছে। অসম-অসমীয়াৰ বাবে ইয়াতকৈ দুৰ্ভাগ্যৰ কথা কি হ'ব পাৰে?

প্ৰসঙ্গত সুঁৱৰিব পাৰি যে আউনীআটী সত্ৰৰ পৃষ্ঠপোষকতাতে জনৈক একনাথ ব্ৰহ্মচাৰীয়ে ২০০৩ খ্ৰীঃত 'ভগৱানৰ ওপৰত 'মই' নামে এখন পুস্তিকা লেখি মহাপুৰুষ মাধৱদেৱৰ নামঘোষাৰ বিকৃতি ঘটাই গুৰুধৰ্ম ঢাকিব খুজিছিল। ব্ৰহ্মচাৰীৰ পুস্তিকাখন প্ৰসংসা কৰি আউনীআটীৰ বৰ্তমান সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীয়েও আশীৰ্বাদ দিছিল।

৩। প্ৰকাশন সমিতিয়ে "কীৰ্ত্তন পুথি সম্পৰ্কে আউনীআটী সত্ৰৰ বক্তব্য"ত (আমাৰ অসম ২১-০১-২০১১) কৈছে যে ছপা কীৰ্ত্তন পুথিখনৰ প্ৰচাৰ বন্ধ ৰখা হ'ব - পুথিখন একমাত্ৰ সত্ৰৰ সম্পত্তি হিচাপেহে সংৰক্ষিত হৈ থাকিব। কিন্তু লগতে কীৰ্ত্তন পুথিখনৰ ভিত্তিত গৱেষণা কাৰ্য চলাবলৈও বিশ্ববিদ্যালয় আদিক আহ্বান জনোৱা হৈছে। এই পৰস্পৰ-বিৰোধী স্থিতিৰ ফল মাৰাত্মক হ'ব, কিয়নো শঙ্কৰদেৱৰ কীৰ্ত্তনপুথি আৰু দত্তদেৱ গোস্বামীয়ে ছপোৱা কীৰ্ত্তনপুথি বুলি দুভাগ কীৰ্ত্তনপুথিক বিদ্যায়তনিক স্বীকৃতি দিয়া হ'ব।

এনে পৰিপ্ৰেক্ষিতত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই দৃঢ়ভাৱে মত প্ৰকাশ কৰে যে, আউনীআটী সত্ৰই দত্তদেৱ গোস্বামীৰ প্ৰক্ষেপযুক্ত কীৰ্ত্তন-পুথিভাগ পুনৰ্মুদ্ৰণ কৰাটো এক গৰ্হিত কৰ্ম হৈছে। কাৰণ ইয়াৰ দ্বাৰা দত্তদেৱ গোস্বামীয়ে কৰি যোৱা ভুলটো শুদ্ধ বুলি সামাজিক আৰু বিদ্যায়তনিক স্বীকৃতি আদায় কৰিব খোজা হৈছে। তদুপৰি এই কৰ্মটোৱে মহাপুৰুষ শঙ্কৰদেৱৰ অনুগামী বৃহত্তৰ সমাজখনৰ মনত তীব্ৰ আঘাত হানিছে। গতিকে উক্ত পুনৰ্মুদ্ৰিত কীৰ্ত্তন-পুথিভাগ মাননীয় অসম চৰকাৰে বাজেয়াপ্ত কৰি ইয়াৰ প্ৰচাৰ, পুনৰ্মুদ্ৰণ আৰু বিদ্যায়তনিক চৰ্চা-গৱেষণা বন্ধ কৰিব লাগে।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ হৈ --

শ্ৰীহৰিপ্ৰসাদ হাজৰিকা

প্ৰধান সম্পাদক

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

তাৰিখ ঃ ০৭-০২-২০১১"

এইটো বিবৃতি কেতিয়াও 'পালমৰা ধৰণৰ' বা 'বলিষ্ঠ মতামত' নাই বুলি কোৱাটো অৰ্থহীন। কিয়নো সত্ৰাধিকাৰ বা সংশ্লিষ্ট ব্যক্তিসকলক কঠোৰ আৰু কিবা শাস্তি দিয়াৰ ক্ষমতা সঙ্ঘৰ ওচৰত নাই। সেই ক্ষমতা কোনো ব্যক্তি আৰু সংগঠনৰেই নাই। চৰকাৰৰ ওচৰতহে আছে।

'ৰাম বিজয় নাট বিকৃতকৰণৰ সময়ত সংঘৰ নিৰৱতা' শীৰ্ষক লেখাটোত ময়ূৰ বৰাই যি অভিযোগ আনিছে, সেই ক্ষেত্ৰতো সঁঘৰ গৱেষকসকল নীৰৱ হৈ থকা নাছিল। নাটখনিৰ বিকৃতকৰণ দেখা পাই সঁঘৰ গৱেষক আৰু সংগীসকলে বাতৰি কাকতৰ যোগেদি প্ৰতিবাদ কৰাৰ উপৰি সংগীত নাটক একাডেমীৰ কৰ্তৃপক্ষলৈ প্ৰতিবাদী পত্ৰ প্ৰেৰণ কৰি অভিযোগ উত্থাপন কৰিছিল। উল্লেখযোগ্য যে দুলাল ৰয়ৰ পৰিচালনাত আৰু সঙ্গীত নাটক একাডেমীৰ উত্তৰ পূৰ্বাঞ্চলৰ শাখা 'সত্ৰীয়া কেন্দ্ৰ'ই দিছপুৰত থকা ৰুদ্ৰসিংহ প্ৰকল্পত ২০১১ চনৰ ৩, ৪, ৫ আৰু ৬ মাৰ্চত চাৰিদিনীয়াকৈ অনুষ্ঠিত হোৱা অনুষ্ঠানত গুৰুজনাৰ জীৱনৰ অন্তিম ৰচনা 'ৰাম বিজয়' নাটখনিৰ মঞ্চস্থ কৰিছিল। সংলাপ বিকৃত কৰাকে আদি কৰি বহুকেইটা বিসংগতিৰে মঞ্চস্থ কৰা নাটখনি উপভোগ কৰি থকাৰ সময়তে কেইবাজনো কলা অনুৰাগী সচেতন ব্যক্তিয়ে প্ৰেক্ষাগৃহতে প্ৰতিবাদ কৰি তাৰপৰা দুখ মনেৰে প্ৰত্যাৱৰ্তন কৰিছিল। সঁঘৰ সাহিত্য গৱেষণা পৰিষদৰ অন্যতম গৱেষক প্ৰভাত চন্দ্ৰ দাসেও 'সত্ৰীয়া কেন্দ্ৰ'ৰ দায়িত্বত থকা কেইবাজনো বিশিষ্ট ব্যক্তিক নাটখনিৰ বিসংগতিৰ সম্পৰ্কে অৱগত কৰিছিল। 'অসম সত্ৰ মহাসভা'ৰ কেইবাজনো ব্যক্তিয়ে প্ৰেক্ষাগৃহতে এই কথাৰ প্ৰতিবাদ জনাইছিল। শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘৰ ভূমিকা সংক্ৰান্তত আমি কওঁ যে সঁঘৰ সাহিত্য গৱেষণা পৰিষদৰ দুগৰাকী মাননীয় গৱেষক সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামী আৰু প্ৰভাত চন্দ্ৰ দাসে সঙ্গীত নাটক একাডেমীৰ কৰ্তৃপক্ষলৈ এই সংক্ৰান্তত প্ৰতিবাদ জনাই পত্ৰ প্ৰেৰণ কৰিছিল। এই পত্ৰ পাই সংগীত নাটক একাডেমীৰ সংশ্লিষ্ট বিষয়ববীয়াই দুলাল ৰয়ক এনেধৰণৰ সাংঘাতিক ভুল নকৰিবৰ বাবে মৌখিকভাৱে সতৰ্ক কৰি দিছিল বুলিও আমি বিশেষসূত্ৰে জানিব পাৰিছোঁ। সঁঘৰ গৱেষক প্ৰভাত চন্দ্ৰ দাসকে প্ৰমূখ্য কৰি দুই-এজন গৱেষক আৰু সংগীয়ে প্ৰতিবাদী পত্ৰ বাতৰি কাকতৰ যোগেদি প্ৰকাশ কৰিছিল। মুঠৰ ওপৰত উপৰিউক্ত আলোচনাৰ পৰা ময়ূৰ বৰাদেৱক এটা কথাই স্পষ্টভাৱে কব পাৰোঁ যে শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘই কোনো ক্ষেত্ৰতে নিৰ্লিপ্ত হৈ লেহেম গতিৰে প্ৰতিবাদ নকৰাকৈ থকা নাই। এটা কথা ঠিক যে - যিকোনো এটা বিবৃতি আনুষ্ঠানিকভাৱে সঁঘৰ বিষয়ববীয়াৰ পৰা বাতৰি কাকতত প্ৰকাশ কৰিবলগীয়া হ'লে মূলৰ কাৰ্যনিৰ্বাহক আৰু লগতে কেতিয়াবা প্ৰতিনিধি সভাৰো সমৰ্থনৰ প্ৰয়োজন হয়। তাৰ পূৰ্বে তথ্য-পাতি সংগ্ৰহ কৰি সাহিত্য শাখা সমিতিয়ে গৱেষকসকলৰ লগত বহি পুংখানুপুংখভাৱে সত্যাসত্য বিচাৰ কৰি কাৰ্যনিৰ্বাহকত দাখিল কৰে। তাৰ বাবে কিছু সময়ৰ প্ৰয়োজন হোৱাটো স্বাভাৱিক কথা।

# ষষ্ঠ অধ্যায়
# মহাপুৰুষ শঙ্কৰদেৱৰ জন্মস্থান, কৰ্মস্থান আৰু সঙঘৰ স্থিতি

ময়ূৰ বৰাদেৱে মহাপুৰুষ শঙ্কৰদেৱৰ জন্মস্থান আৰু কৰ্মস্থানক কেন্দ্ৰ কৰি তিনিটা লেখা তেখেতৰ গ্ৰন্থখনিত সন্নিবিষ্ট কৰিছে। এই লেখা তিনিটা হ'ল - (১) গুৰুজনাৰ জন্মস্থান সম্পৰ্কত সংঘৰ মৌনতা (পৃ. ৪২), (২) পাটেকিবৰীত বেদখল সন্দৰ্ভতো সংঘ নীৰৱ (পৃ. ৪৪) আৰু (৩) মধুপুৰ সঁচাকৈ বহুদূৰ (পৃ. ৫৩)। বৰাই 'গুৰুজনাৰ জন্মস্থান সন্দৰ্ভত সংঘৰ মৌনতা' শীৰ্ষক লেখাটোত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘই জন্মস্থান সম্পৰ্কত নিমাতে থকাটো অতি লজ্জাজনক বুলি মন্তব্য কৰিছে- **'কিন্তু মূল বিভ্ৰান্তিৰ কাৰণ হ'ল শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ মৌনতা। আজি ইমানদিন পাৰ হৈ যোৱাৰ পাছতো সংঘৰ পিনৰ পৰা জন্মস্থান সম্পৰ্কীয় বিষয়টোত ৰাইজে এষাৰ মাত শুনা নাই। সংঘই কোৱা কথাটো শেষ সত্য হ'ব বুলি আমি ভৰা নাই। কিন্তু গুৰুজনাৰ জন্মস্থান সম্পৰ্কীয় বিষয়টোত অনুষ্ঠানটো এনেদৰে নীৰৱ হৈ থকাটো অত্যন্ত লজ্জাজনক।'** (পৃ. ৪৩) গুৰুজনাৰ জন্মস্থানক লৈ পণ্ডিত-গৱেষকৰ পৰা গুৰুজনাৰ ভক্তবৃন্দ তথা সচেতন মহলৰ মাজত দীৰ্ঘদিনীয়া বিতৰ্ক চলি আহিছে। সাহিত্য ৰত্ন হৰিনাৰায়ণ দত্ত বৰুৱাৰ পৰা আৰম্ভ কৰি লক্ষ্মীনাথ বেজবৰুৱা, ৰমাকান্ত মুক্তিয়াৰ, ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰনাথ শৰ্মা, ড° কেশৱানন্দ দেৱগোস্বামী, ড° লক্ষ্মীনন্দন বৰা, বাপচন্দ্ৰ মহন্ত, উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, ড° বিৰিঞ্চি কুমাৰ বৰুৱা, ডিম্বেশ্বৰ নেওগ, ছৈয়দ আব্দুল মালিক, ড° হেমন্ত কুমাৰ শৰ্মা, ড° শিৱনাথ বৰ্মণ, অধ্যাপক ভৱপ্ৰসাদ চলিহা, ড° নৰেন কলিতা, ড° সঞ্জীৱ কুমাৰ বৰকাকতি, প্ৰভাত চন্দ্ৰ দাস আৰু হেমচন্দ্ৰ শইকীয়াকে আদি কৰি বহু গৱেষকে গুৰুজনাৰ জন্মস্থান সম্পৰ্কত নিজ নিজ মন্তব্য প্ৰকাশ কৰি আহিছে। এই গৱেষকসকলৰ প্ৰাথমিক উৎস হ'ল ৰামচৰণ ঠাকুৰে প্ৰণয়ন কৰা 'গুৰু-চৰিত'ৰ পৰা আৰম্ভ কৰি আধুনিক যুগত ৰচনা কৰা দীননাথ বেজবৰুৱাৰ 'বৰ-চৰিত'লৈকে দীৰ্ঘদিনীয়া সময়ত ৰচনা কৰা পদ্য-গদ্য চৰিত পুথিসমূহ। এই চৰিত পুথিসমূহকে প্ৰধানতঃ মূলধন হিচাপে লৈ গৱেষক আৰু লেখকসকলে গুৰুজনাৰ জন্মস্থান নিৰ্ণয় কৰিবলৈ যত্ন কৰি আহিছে। চৰিত পুথিসমূহৰ মাজত মত পাৰ্থক্য থকাৰ হেতুকে গৱেষকসকলৰ মাজতো মত পাৰ্থক্য থকাটো স্বাভাৱিক কথা। গুৰুজনাৰ জন্মস্থান বৰদোৱা নে আলিপুখুৰী (পাটেকিবৰি) - এই মীমাংসা বিদ্যায়তনিক বিষয় হিচাপে পণ্ডিতসকল একমতত উপনীত হ'ব নোৱাৰাৰ বাবেই বিতৰ্কৰ অৱসান ঘটা নাই।

উল্লেখযোগ্য যে শঙ্কৰদেৱ গুৰুজনাই নিজৰ জন্মস্থান সম্পৰ্কত স্পষ্টভাৱে এটা সিদ্ধান্ত দি যোৱা নাই যদিও তাঁৰাৰ ৰচনাৰাজিত বৰদোৱাৰ প্ৰশস্তিৰে ওপচাই পেলাইছে। কিন্তু ইয়াৰ বিপৰীতে মন কৰিবলগীয়া কথাটো হ'ল যে গুৰুজনে তাঁৰাৰ সাহিত্যকৰ্মৰ কোনো স্থানতে আলিপুখুৰী বা পাটেকিবৰিৰ এটা শব্দও উল্লেখ কৰি যোৱা নাই। মহাপুৰুষ শঙ্কৰদেৱে তাঁৰাৰ ৰচনাৰাজিৰ আঠ স্থানত বৰদোৱাৰ গুণানুকীৰ্ত্তন কৰিছে। এই আঠ স্থান হ'ল - (১) হৰিশ্চন্দ্ৰ উপাখ্যান, (২) ৰুক্মিণী হৰণ কাব্য, (৩) অজামিল উপাখ্যান, (৪) বলিছলন, (৫) অষ্টম স্কন্ধ (অমৃত মন্থন), (৬) দশম স্কন্ধ, (৭) একাদশ স্কন্ধ আৰু (৮) উত্তৰাকাণ্ড ৰামায়ণ। উদাহৰণ স্বৰূপে - গুৰুজনাৰ প্ৰথম কাব্যগ্ৰন্থ 'হৰিশ্চন্দ্ৰ উপাখ্যান'ত দিয়া বৰ্ণনাটি ইয়াত উদ্ধৃত কৰিলোঁ-

।। ছবি।।

'টেম্বুৱানি বন্ধে গ্ৰাম বৰদোৱা যাৰ নাম
লোহিত্যৰ জলে অনুকূল।
ভৈলা সেহি গ্ৰামেশ্বৰ যাৰ নাম ৰাজধৰ
দানে মানে যাক নাহি তুল।।
অতিথি চৰ্চ্চাত পৰেআন চিন্ত নাহি ঘৰে
সৰ্ব্বদায়ে আনন্দ উৎসৱ।
তানে পুত্ৰ ভৈলা চাৰি সূৰ্য্যবৰ মুখ্য কৰি
হলায়ুধ জয়ন্তা মাধৱ।।২৯২।।
জ্যেষ্ঠ ভৈলা সূৰ্য্যবৰ মহা বৰা দেশধৰ
নয়স্থ কায়স্থ কূল দীপ।
মহাদাতা হেন শুনি ব্ৰাহ্মণ সজ্জন গুণি
চলিযান্ত যাহাৰ সমীপ।।

তানে ভৈলা গৰ্ব্বেশ্বৰ মহামানী বংশধৰ
প্ৰসিদ্ধ কুসুম নাম যাৰ।
ভৌমিকৰ চূড়ামণি দাতাৰ আগত গণি
যাৰ যশে ব্যাপিল সংসাৰ।।২৯৩।।
তানে পুত্ৰ অল্পমতি শঙ্কৰে কৰিয়া নতি
কৃষ্ণনামে ৰচিলা পয়াৰ।
শুনা সৱে বুদ্ধজনে সাৰশেযে জানা কোনে
পুৰাণ কথাৰ তত্ত্ব সাৰ।।'

(মহাপুৰুষ শঙ্কৰদেৱ বাক্যামৃত, প্ৰকাশক ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, প্ৰথম প্ৰকাশ - ১৯৯৮, পৃ. ৮১৯)

এনেদৰে দুই এটা শব্দৰ ইফাল-সিফাল কৰি গুৰুজনাই প্ৰায় একেখিনি কথাৰেই বাকীবিলাকতো আত্ম পৰিচয় দাঙি ধৰিছে। গুৰুজনে 'বৰদোৱা' শব্দটো কোনো কোনো স্থানত 'বটদ্ৰৱা' আৰু 'লোহিত্য'ৰ ঠাইত 'লোহিত' আৰু 'ব্ৰহ্মপুত্ৰ' শব্দ দুটা ব্যৱহাৰ কৰিছে। যি নহওক, গুৰুজনৰ দিনৰে পৰা আৰু গুৰুজনৰ নাতি বোৱাৰী আই কনকলতাই বৰদোৱা থান উদ্ধাৰ কৰাকে ধৰি বৰ্তমানলৈকে বৰদোৱায়েই শঙ্কৰদেৱ গুৰুজনাৰ জন্মস্থান হিচাপে জনাজাত হৈ আহিছে আৰু অসমৰ ভক্তপ্ৰাণ ৰাইজে পৱিত্ৰ তীৰ্থস্থান ৰূপে মান্যতা প্ৰদান কৰি আহিছে। সেয়েহে শঙ্কৰদেৱ গুৰুজনাই গুৰুত্ব সহকাৰে বৰদোৱাৰ বন্দনা কৰি যোৱাৰ বাবে আৰু কিছু চৰিত পুথিৰ তথ্য আৰু একাংশ গৱেষকৰ মতৰ ওপৰত ভিত্তি কৰি বৰদোৱাকেই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই গুৰুজনাৰ জন্মস্থান ৰূপে ভক্তপ্ৰাণ ৰাইজৰ লগতে স্বীকৃতি দি আহিছে। অৱশ্যে বৰ্তমান সময়ত হৰিনাৰায়ণ দত্ত বৰুৱাকে ধৰি অনেকজন গুণীমানী গৱেষকে সঙ্ঘৰ ভিতৰে-বাহিৰে এই বিষয়টোত পুনৰ গভীৰ ভাৱে মনোনিৱেশ কৰাৰ কাৰণে ৰাইজৰ মাজত নতুন নতুন চিন্তাৰ উন্মেষ ঘটিছে। যি নহওক, গুৰুজনাৰ জন্মস্থান নিৰ্ণয় আমাৰ মূল বক্তব্য নহয় যেতিয়া আমি এই বিষয়ত পণ্ডিত মণ্ডলীৰ মতামতক শ্ৰদ্ধা জনাই আৰু বিদ্যায়তনিকভাৱে বিষয়টোৰ মষিমূৰ হোৱাৰ কামনাৰে ময়ূৰ বৰাদেৱৰ দুই এটা কথাৰহে উত্তৰ দিবলৈ ইচ্ছা প্ৰকাশ কৰিছোঁ। গুৰুজনৰ জন্মস্থানক লৈ সঙ্ঘই মৌনতা অৱলম্বন কৰা কথাটো সত্য নহয় এই কাৰণেই যে সঙ্ঘই ইতিমধ্যে বৰদোৱাকেই জন্মস্থান হিচাপে মান্যতা দি থানখনিৰ উন্নয়নৰ কাৰণে বহু দিনৰ পৰাই কাম কৰি সঙ্ঘৰ স্থিতি ৰাইজক অৱগত কৰি আহিছে। তেনেক্ষেত্ৰত বিতৰ্কিত বিষয় এটাত সঙ্ঘই মাত মতা নাই বুলি কোৱাটো সত্য শুদ্ধ কথা হ'ব নোৱাৰে। এই ক্ষেত্ৰত বৰাদেৱক আমি প্ৰথমেই কবলৈ বিচাৰিছোঁ যে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ অন্যতম প্ৰধান প্ৰতিষ্ঠাপক, উদাসীন ভক্ত, সঙ্ঘৰ উপ-পদাধিকাৰ (উপ-সভাপতি) ৰমাকান্ত মুক্তিয়াৰ আতাই **'জগদগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ বাল্যলীলা ও জন্মভূমি, বটদ্ৰৱা থানৰ চৰিত্ৰ'** শীৰ্ষক এখনি গ্ৰন্থ ৰচনা কৰি প্ৰকাশ কৰি থৈ গৈছে। লক্ষ্মীনাথ বেজবৰুৱাৰ পৰা গ্ৰন্থখনিৰ সম্পৰ্কত ৰমাকান্ত মুক্তিয়াৰ আতাই কিবা এটি লেখা বিচাৰিছিল। এই সংক্ৰান্তত বেজবৰুৱাদেৱে মুক্তিয়াৰ আতালৈ লেখা এখন চিঠি গ্ৰন্থখনিৰ দ্বিতীয় তাঙৰণৰ পাতনিত সন্নিবিষ্ট কৰিছে। চিঠিখন হ'ল - 'কিতাপখনি লিখি প্ৰশংসা লবলৈ মোলৈ পঠোৱাৰ বাহিৰে আৰু অন্যলৈ নপঠাবা। কাৰণ তুমি যিজন শঙ্কৰদেৱৰ আৰু জন্মভূমি বটদ্ৰৱাৰ সংগ্ৰহ কৰিছা, আসামৰ গোঁসাইসকলে বিশেষকৈ মহাপুৰুষীয়া নাম কৈ অসমীয়া ৰাইজক বিশ্বাসঘাটক কৰি খাই থকা মহন্তসকলে এইজনা শঙ্কৰদেৱৰ নামকে নুশুনে। অন্য কি তোমাৰ বটদ্ৰৱাৰ গোঁসাই-ভকতেই বটদ্ৰৱা কিতাপৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰহে সম্ভাৱনা আছে। বৰদোৱাৰ বাট-পদূলী, ঘৰ-দুৱাৰ ভাল কৰিবলৈ টকা পয়ছা দিয়া, মান-সন্মান কৰা, বুদ্ধি পৰামৰ্শৰে সহায় কৰা দূৰৰ কথা গোছৰ কৰি বন্ধ কৰিবলৈ সাজু হৈছে। মহাপুৰুষীয়া ধৰ্ম্মৰ আভাষ যিটো দিছা, সেইদৰে কাম কৰিবলৈ গ'লে, মহাপুৰুষীয়া নামৰ মহন্তখিনিৰ পৰা, বিশেষকৈ বৰদোৱাৰ ভকত-মহন্তৰ পৰাই প্ৰাণৰ হতাহত হ'ব। সাৱধান। এটা কথা মাত্ৰ, বৰদোৱাৰ ভকত-মহন্তই হওক বা কামৰূপীয়া ভগনীয়া হৈ যোৱা উজনীয়া মহন্তই হওক, শঙ্কৰদেৱৰ দুশ বছৰ মানৰ পাছত চৰিত্ৰ লেখকসকলে বঙ্গাল দেশৰ পৰা ৰাধিকাক নি শান্তিজান বন্ধাত থিয় কৰাই লৈ সত্ৰবোৰত ৰাধাকৃষ্ণৰ যুগলমূৰ্ত্তি প্ৰতিষ্ঠা কৰিলে - বটদ্ৰৱা কিতাপতো সেই ৰাধিকাই আসন পোৱাটোত ভকত মহন্তসকলে সাদৰেৰে মূৰ চপৰাব। পাছে শান্তিজান বন্ধাত ভ্ৰষ্ট বৌধ ধৰ্ম্মত প্ৰৱৰ্ত্তা মানুহৰ মাজৰ পৰাই এজনী শান্তি উলিয়াই ভ্ৰষ্ট তান্ত্ৰিক পথত চলা লোকসকলৰ মুখ মাৰিছিল; সেই শান্তিৰ নাম ৰাধিকা নহয়, মই পিতৃদেৱতা দীননাথ বেজবৰুৱাৰ মুখে ব্যাখ্যা কৰা পুথিও শুনিছিলো। এতিয়া মোৰ হাততো নাই, মনতো নাই। দ্বিতীয় ভাগ বটদ্ৰৱাও তোমাৰ পৰা সংগ্ৰহ হৈ ওলাব বুলি আশা কৰিলো। ঁ পিতৃদেৱতাৰ সংগৃহীত তথ্যখিনিয়ে বটদ্ৰৱাত ঠাই পোৱাত আনন্দ পাইছোঁ, ধন্যবাদ জনাইছোঁ।"

লক্ষ্মীনাথ বেজবৰুৱা

(বটদ্ৰৱা থানৰ চৰিত্ৰ ঃ ৰমাকান্ত মুক্তিয়াৰ ঃ ২ য় তাঙৰণৰ পাতনি ঃ প্ৰকাশক - গোলাপ চন্দ্ৰ নাথ, পদ্ম প্ৰকাশন, মৰিগাঁও, ২০০১)

মুক্তিয়াৰ আতাই বৰদোৱাকেই জন্মস্থান বুলি ঘোষণা কৰা তলৰ বক্তব্যখিনিও অতি তাৎপৰ্যপূৰ্ণ-

"শঙ্কৰদেৱে নিজেই নিজৰ জীৱনী বংশাৱলীত, জন্ম ঠাই ঠিককৈ থৈ গৈছে। পাচত চৰিত্ৰ লিখকসকলে সমূদায় থানৰ ওচৰৰ

সকলো কথা আতিগুৰি নমৰাকৈ একোখনি গাৱঁৰ উল্লেখ কৰি যোৱাৰ বাবে বৰদোৱাও এখন, বটদ্ৰৱাও এখন, আলিপুখুৰীও এখন, টেম্বুৱানী বন্ধও এখন, নলছা গাওঁ এখন, প্ৰত্যেক খন গাওঁ বহুত দূৰৰ দূৰৰ যেন বুজাই পেলাইছে। এই এটাইবোৰ গাওঁ যে একেখন থলতে তাক শঙ্কৰদেৱৰ বাক্যই বুজাই দিছে। শঙ্কৰদেৱ যে বৰদোৱাতে জন্ম হৈছে তাক শঙ্কৰদেৱ জন্ম হোৱাৰ ২০০ বছৰৰ পূৰ্ব্বে বিষ্ণুপুৰী সন্ন্যাসীয়ে তেওঁৰ শিষ্যসকলক পূবে বটদ্ৰৱা নামেৰে ঠাইত শঙ্কৰ নামেৰে ঈশ্বৰ অৱতাৰ হ'ব বুলি কৈ যায়। আৰু সেই জন অৱতাৰী পুৰুষৰ অৰ্থে নিজে অনেক শাস্ত্ৰ-সমুদ্ৰ মন্থন কৰি ৰত্নাৱলী গ্ৰন্থ সংগ্ৰহ কৰি থৈ সময় মতে পঠাই দিবলৈ তেওঁৰ শিষ্যক দঢ়াই দঢ়াই কৈ যায়। সকলো চৰিত্ৰতে সেই গ্ৰন্থ প্ৰাপ্তী কথা প্ৰকাশ কৰিছে। বিষ্ণুপুৰী সন্ন্যাসীয়ে তেওঁৰ শিষ্য ব্ৰহ্মানন্দৰ আগত কওঁতে-

ৰাকাৰাদি নিৰ্ম্মাণানী শকাৰ হৰি উচ্যতে।
ভক্তি ৰত্নাৱলী গ্ৰন্থং যোৎমেৰ তৱাৰ্পিতং।।
পূৰ্ব্বে বটদ্ৰৱা গ্ৰামে শ্ৰীভাগৱত প্ৰকাশয়েৎ।
শূদ্ৰকুলে সুৰিখ্যাত শঙ্কৰো নাম উচ্যতে।।

ধৰ্ম্ম পুৰাণত কৈছে-

"অল্পহাস্য কৰি হৰে প্ৰিয়াক বুলিবে লৈলা
শুনিয়োক আমাৰ বচন।
ব্ৰহ্মপুত্ৰ সমীপত বৰদোৱা নামে গ্ৰাম
তাতে উপজিব নাৰায়ণ।।"

শঙ্কৰদেৱ-মাধৱদেৱ দুজনা গুৰু ভটিয়াই যাওঁতে শিঙ্গৰী ঘাটৰ পৰা মহাপুৰুষ, মাধৱদেৱক মোৰ জন্ম ভূমি বটদ্ৰৱা থান সৌৱা বুলি দেখুৱাইছিল।

"ৰজনী পুহাইল দেখি নৌকাক মেলিলা।
তাৰপৰা গৈয়া শিঙ্গৰীৰ ঘাট পাইলা।।
মাধৱত পূৰ্ব্বে কথা-কহিলা শঙ্কৰ।
পূৰ্ব্বজন্ম ভিঠা আছে জানা আমাসাৰ।।
টেম্বুৱানী বন্ধে গ্ৰাম নাম বৰদোৱা।
সেহি স্থানে আছিলন্ত জানা বাঢ়ভূঞা।।
গঙ্গা শান্তিধৰ আছে আনো নানা চিহ্ন যত।
শুনিয়া মাধৱে কথা পুছে শঙ্কৰত।।
উঠিওক বাপ তেৱে সেই চিহ্ন চাওঁ।
শঙ্কৰে বোলন্ত আৰ সিঠাইক নাযাওঁ।।
পুনু পুনু মাধৱে বোলন্ত শঙ্কৰক।
নুঠিবা নুঠিবা মাধৱক দেই হাক।।
ইটো থানে উঠিনে নপাৰে যাইবাক।
সেহিসে কাৰণে মাধৱক দেই হাক।।
ভক্তি প্ৰকাশিতে কামৰূপে আছে মন।
সেহি হেতু নুঠিলন্ত বৰদোৱা থান।।"

(বটদ্ৰৱা থানৰ চৰিত্ৰ ঃ পৃ. ৫৭-৫৮)

তেখেতৰ পিছত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ অন্যতম প্ৰধান প্ৰতিষ্ঠাপক, সঙঘৰ প্ৰথমজনা প্ৰধান সম্পাদক আৰু প্ৰথম পদাধিকাৰ লোকসেৱক হলধৰ ভূঞাই ১৯৬২ চনৰ বকো অধিৱেশনতেই তেখেতৰ অভিভাষণত 'বৰদোৱা গুৰুজনাৰ জন্মথান' বুলি ঘোষণা দি গৈছে -

পদাধিকাৰ অভিভাষণ
১৯৬২ চন ৫১৩ শঙ্কৰাব্দ, বকো অধিৱেশন,
হলধৰ ভূঞা

**'মহাপুৰুষৰ জন্মস্থান বৰদোৱাৰ পৰাই একশৰণ নামধৰ্ম সাহিত্য-নাট্য-কলা সৃষ্টি বিকীৰ্ণ হৈছিল (Rediated)। এতিয়া আমি বৰদোৱাক কেন্দ্ৰ কৰি উঠিব লাগিব; তাকে কৰিবলৈ বৰদোৱাৰ কীৰ্ত্তন ঘৰ এখন কৰা হৈ গৈছে। ইয়াত উচ্চ**

**খাপৰ এখন সংস্কৃত কলেজ পাতিব লাগিব; তাকে আমাৰ বিদ্যুৎসাহী ডেকাসকলক দেশ-বিদেশৰো ভাষা শিকাব লাগিব আৰু সকলো ধৰ্মৰ শিক্ষা দি দেশে-বিদেশে তেওঁলোকক পঠিয়াই মহাপুৰুষৰ ধৰ্ম আৰু অন্যান্য উদাৰ শিক্ষা প্ৰচাৰ কৰিব লাগিব; তেতিয়াহে মহাপুৰুষৰ কীৰ্তি বিশ্বব্যাপি হ'ব আৰু অসমীয়া জাতিৰ মুখ উজ্জ্বল হ'ব। তদুপৰি যিসকল লোকে তীৰ্থ বিচাৰি কাশী বৃন্দাবন পুৰীলৈ যায়, তেনে লোকসকলক বটদ্ৰৱাতে থকাৰ সুবিধা কৰি দিব লাগিব। কিয়নো সাতো বৈকুণ্ঠৰ সাৰ বটদ্ৰৱা থান। ইয়াতে থাকি চৌধ্য প্ৰসঙ্গ নাম কীৰ্ত্তন ধৰ্ম চৰ্চা বৈষ্ণৱ্য সাহিত্য চৰ্চা কৰি ইহকাল পৰকাল আৰু জাতিৰ উদ্‌গতি সাধন কৰিব পাৰিব। আকাশী গঙ্গা আৰু দৌল মণ্ডপৰো উন্নতি সাধন কৰাৰ লগে যাত্ৰী থকা ঘৰ ঠায়ে ঠায়ে সাজি দি, প্ৰসাৱ পাইখানাৰ আৰু পানীৰ বন্দৱস্ত কৰিব লাগিব আৰু গোটেই বৰদোৱা ৰমক-জমক কৰি দিলে ভাৰতৰ ভিতৰত এখন লেখত ল'বলগীয়া তীৰ্থ থান আৰু বিশ্ব ভ্ৰমণকাৰীসকলকো আকৃষ্ট কৰিব পৰা যাব। ইয়াৰ ভিতৰতে এতিয়া আলহী ঘৰ দুটা হৈ গ'ল।**

**মই ৰাজহ মন্ত্ৰী মহোদয়ক বৰদোৱাৰ চাৰিওফালে থকা ৰিজাৰ্ভৰ মাটি পত্তন নিদিবলৈ অনুৰোধ কৰিছোঁ, কিয়নো ভৱিষ্যতে বটদ্ৰৱা বিশ্ববিদ্যালয় কৰাৰ মোৰ পৰিকল্পনা আছে - যেনে, বোলপুৰ শান্তি নিকেতন বিশ্বভাৰতীৰ দৰে।'** (শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰসকলৰ অভিভাষণ ঃ সঙ্কলক-সম্পাদক - জীৱকান্ত নাথ ঃ প্ৰথম প্ৰকাশ, ২০০৫, ফেব্ৰুৱাৰী, পৃ. ৮৩-৮৪, প্ৰকাশক - শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ)

ভূঞাদেৱৰ পৰিকল্পনা আৰু বহুজন গুণীমানী লোকৰ পৰামৰ্শতেই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই থানৰ উন্নয়নৰ লগত জড়িত হৈছে আৰু বৰ্ত্তমান বৰদোৱা-আলিপুখুৰীৰ নিকটৱৰ্তী অঞ্চল ৰাইদঙীয়া-ভকতগাঁৱত চৰকাৰে দিয়া ভূমিত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ গৃহ নিৰ্মাণৰ বাবে প্ৰাৰম্ভিক কাৰ্যত আগবঢ়া হৈছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ নৰমগৰাকী পদাধিকাৰ পণ্ডিত ডিম্বেশ্বৰ নেওগদেৱে বৰদোৱাকেই গুৰুজনাৰ জন্মস্থান বুলি উল্লেখ কৰিছে - **'তেওঁ পোনতে তেওঁৰ জন্ম-স্থান বৰদোৱা অঞ্চলত আৰু তাৰ পিছে আন আন ঠাইত নাম-প্ৰসঙ্গৰ বাবে যি নাম-ঘৰ সজোৱাইছিল, তাৰ চাৰি বেৰ সদায় মুকলি। ইয়াৰ পৰাও তেওঁৰ নীতিৰ উদাৰতাৰ কথা বুজিব পাৰি।'** (যুগনায়ক শঙ্কৰদেৱ ঃ ডিম্বেশ্বৰ নেওগ; পূৰ্বশ্ৰী প্ৰকাশন, যোৰহাট, ৫২৮ শঙ্কৰাব্দ, পৃ. ২৯৩)

আন এগৰাকী সঙ্ঘৰ পদাধিকাৰ কৰ্মযোগী ঋযেশ্বৰ দলৈ বাপজনাইও সঙ্ঘৰ পৰা গুৰুজনাৰ জন্মস্থান বৰদোৱা সম্পৰ্কত এনেদৰে মনৰ কথা ঘোষণা কৰিছে - **'... তাৰ উপৰি জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱ এই পবিত্ৰভূমি নগাঁৱতেই আৱিৰ্ভাৱ হৈছিল। নগাঁও মহাপুৰুষজনাৰ জন্ম আৰু কৰ্মভূমি। দূৰ-দূৰণিৰ পৰা অনেক লোক, বৰদোৱাক দ্বিতীয় বৈকুণ্ঠ বুলি ভাবি দৰ্শন কৰিবলৈ আহে। নগাঁও জিলাৰ শ শ নামঘৰ, নাটে-ভাওনাই, গায়নে-বায়নে, পাঠে-প্ৰসঙ্গে আজিও মুখৰিত হৈ শঙ্কৰদেৱ আৰু মাধৱদেৱ দুয়োজনা মহাপুৰুষৰে মহিমা প্ৰকাশ কৰি আছে।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ২৫৯, সোণালী জয়ন্তী অধিৱেশন, নগাঁও নেহেৰুবালি, ১৯৮১ চন)**

দলৈ বাপজনাৰ বহল মনৰ পৰিচয় পোৱা যায় আন এখনি অভিভাষণত। ১৯৮২ চনৰ মঙ্গলদৈ অধিৱেশনৰ পদাধিকাৰৰ অভিভাষণত তেখেতে বৰদোৱা থানৰ কথা উল্লেখ কৰিলেও সমগ্ৰ অসমেই শঙ্কৰদেৱৰ জন্মস্থান বুলি গৌৰৱবোধ কৰিছে - **'এসময়ত কোচবেহাৰৰ পৰা শদিয়ালৈকে এই ভূ-খণ্ডক বৰ অসম বোলা হৈছিল। এই বৰ অসমৰ ধৰ্মাকাশতে শ্ৰীমন্ত শঙ্কৰ সূৰ্যৰ উদয় হৈছিল। বৰদোৱা থানকে কেন্দ্ৰ কৰি শঙ্কৰ সূৰ্যৰ পোহৰ উজনিৰ পৰা নামনিলৈকে সমগ্ৰ বৰ অসমতে পৰিছিল।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ২৭৭)**

১৯৬৩ চনত নাহৰকটীয়া অধিৱেশনত সঙ্ঘৰ আন এগৰাকী পদাধিকাৰ শশী চন্দ্ৰ বৰবৰুৱাই গুৰুজনাৰ জন্মস্থান সম্পৰ্কত কৈছিল - **'ব্ৰহ্মপুত্ৰৰ পাৰত মহাপুৰুষে জন্ম গ্ৰহণ কৰিছিল। তাৰাৰ ভক্তসৰ আমি সকলোটি আচল গুৰুক আৰু ভগৱানক চিনি পাই আমি প্ৰত্যেকেই ব্ৰহ্মাৰ পুত্ৰ বুলি ভাৱিব লাগে। মহাপুৰুষৰ নামত অস্পৃশ্যতা মহাপাপ ব্ৰহ্মপুত্ৰৰ সুঁতিত উটোৱাই দি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দেশ আমি সকলোৱে নিৰ্মল কৰা উচিত আৰু ৰাষ্ট্ৰৰ পিতা যুগাৱতাৰ মহাত্মাজীৰ কামনা সফল কৰি মঙ্গলময় ৰাষ্ট্ৰ গঢ়ি তোলাত সকলোৱে সহায় কৰিব লাগে। মই বৰ তেওঁ সৰু - এইভাৱেই পাপীৰ লক্ষণ। এইভাৱ পোষণ কৰি কোনো পাপীৰ শাৰীত নপৰক যেন।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১১৯)** এইজনা পদাধিকাৰে শঙ্কৰদেৱৰ জন্মস্থানৰ এবেগেত ভূমিৰ কথা নকৈ গুৰুজনাৰ আদৰ্শকহে গুৰুত্ব দি ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰতি থকা দেশৰ নাগৰিকৰ দায়-দায়িত্বৰ প্ৰতি সাৱধান বাণী শুনাই থৈ গৈছে। **'অথিৰ ধন-জন জীৱন-যৌৱন অথিৰ এহু সংসাৰ'** বুলি জীৱনদৰ্শন স্পষ্টভাষাৰে প্ৰকাশ কৰি যোৱা গুৰুজনে সেয়েহে বোধকৰো তাৰাৰ সৃষ্টিকৰ্মত নিজৰ জন্মস্থানৰ খাটাং সিদ্ধান্ত দি থৈ নগ'ল। ব্যক্তিগতভাৱে সেয়েহে আমিও ভাৱো ভূমিষ্ঠ হোৱা ক্ষুদ্ৰমান ভূমিৰ সন্ধানত লাগি নাথাকি বহল মনেৰে অসমবাসীয়ে গুৰুজনাৰ ধৰ্ম-দৰ্শন, সাহিত্য-সংস্কৃতি জগতত প্ৰচাৰ কৰি তাৰাৰ ধৰ্মাদৰ্শ সমাজ জীৱনক বাস্তৱত ৰূপ দি সমাজলৈ ৰূপান্তৰ আনক। বৰদোৱাৰ পৰা আলিপুখুৰী-পাটেকিবৰিলৈকে এই সমস্ত অঞ্চলেই শঙ্কৰদেৱৰ জন্মস্থান বুলি সকলোৱে মানি লৈ দুয়োখন থানৰে উন্নতিকল্পে কাম

কৰিব পাৰিলেই গুৰুজনৰ বৈকুণ্ঠপ্ৰাপ্তি আত্মাই চিৰশান্তি পাব নিশ্চয়। দুখন থানেই কিয়, দুয়োখন থানৰ মাজত অথবা কাষে-পাজৰে সমগ্ৰ অঞ্চলটোতেই গুৰুজনৰ নামত শিক্ষানুষ্ঠান প্ৰতিষ্ঠা হওক, সংগ্ৰহালয় প্ৰতিষ্ঠা হওক, গীত-নৃত্য-বাদ্যৰ গৱেষণাগাৰ হওক, থান-নামঘৰ আৰু অধিক প্ৰতিষ্ঠা কৰি পুৱা-গধূলি খোল-তালৰ, নাম-কীৰ্ত্তনৰ ধ্বনিৰে বৰদোৱা-আলিপুখুৰীৰ আকাশ ৰজনজনাই দিয়ক। মহাপুৰুষ গুৰুজনা বৰদোৱা-আলিপুখুৰীত জন্ম নহৈ যদি জি.এম.চি.ত জন্ম হ'লহেঁতেন, তেতিয়া আৰ.চি.চি. বিল্ডিং ভাঙি এবেগেত ভূমিত আধাৰশিলা স্থাপন কৰিবলৈ দিলেহেঁতেননে? তেতিয়া নিশ্চয় গুৱাহাটীৰ মাজমজিয়াত কোনোবা স্থানত শঙ্কৰদেৱৰ জন্মভূমি বুলি ধৰি লৈ প্ৰকল্প নিৰ্মাণ কৰিলেহেঁতেন। উৰাজাহাজ থকাৰ দিন হোৱা হ'লে উৰাজাহাজৰ ওপৰতে বৰদোৱা-আলিপুখুৰীৰ অঞ্চলত জন্ম হোৱা হ'লে তেতিয়া বাৰু কি দশা হ'লহেঁতেন? লক্ষ্মীনাথ বেজবৰুৱাৰ ক্ষেত্ৰতো একেই ঘটনা ঘটি আছে মৰিগাঁও জিলাত। শঙ্কৰদেৱক জগতগুৰু বুলি মানি লোৱা শঙ্কৰদেৱৰ ভক্ত লক্ষ্মীনাথ বেজবৰুৱাই নিজৰ ক্ষেত্ৰতো জন্মস্থানৰ বিতৰ্ক হ'ব বুলি ভাৱিয়েই 'মোৰ জীৱন সোঁৱৰণ'ত লিখি থৈ গৈছে অতি তাৎপৰ্যপূৰ্ণ আৰু দাৰ্শনিক ধ্যান-ধাৰণাৰে -

**'মোৰ জন্মস্থান। ক'ত সেই important অৰ্থাৎ সাৰুৱা ঘটনা ঘটিছিল, মই থিৰাংকৈ ক'ব নোৱাৰোঁ। জীৱিতসকলৰ ভিতৰতে কোনোৱে ক'ব পাৰে বুলিও মই বিশ্বাস নকৰোঁ। ইয়াৰ কাৰণটো কি, অৱশ্যে মই ক'বলৈ বাধ্য। মোৰ জন্মবিৱৰণ যিটো মোৰ শ্ৰুতিগোচৰ হৈছিল সেইটো নিম্নলিখিত প্ৰকাৰৰ -**

**ঁপিতৃদেৱতা মুন্সেফ কামত নগাৱঁৰ পৰা বৰপেটালৈ বদলি হৈ নাৱেৰে গৈছিল। সেইকালত আসামত আজি-কালিৰ নিচিনা জাহাজ চলাচল যে নাছিল, সেইটো কোৱাই বাহুল্য। আঁহতগুৰি নামেৰে এডোখৰ ঠাইৰ বালিত গধূলি নাও বন্ধা হ'ল। ঁমাতৃদেৱীয়ে বালিত আঁৰ কাপোৰৰ ভিতৰত ভাত ৰান্ধিবলৈ সোমাইছিল, এনেতে তেওঁৰ গা বেয়া কৰাত তেওঁ ভাত ৰান্ধিবলৈ এৰি, নাৱৰ কুন্ধিলৈ আহিল, আৰু আজিৰ এই জীৱন-সোঁৱৰণ-লেখক তেতিয়াৰ কোনো এক শুভ মুহুৰ্তত ভূমিষ্ঠ নহৈ নৌকাস্থ হ'ল। শুনিছিলোঁ, সেইদিনা হেনো পূৰ্ণিমা আৰু ঁলক্ষ্মীপূজা আছিল; সেইদেখিয়েই এই লেখকৰ নাম পিছত লক্ষ্মীনাথ ৰখা হৈছিল। বিৱৰণটোৰ গড়-গতি এই। আঁহতগুৰিৰ কাষৰ ব্ৰহ্মপুত্ৰৰ সেই ভাতৰন্ধা বালি কেতিয়া তল গ'ল, সেই বালিৰ পৰা, সেই চাপৰি খহাই শান্তনু কুলনন্দন আমোঘা গৰ্ভসম্ভূত লৌহিত্যই আকৌ কেতিয়া তাক ক'ত পাতিলে, মোৰ ভাৰসহোঁতা ব্ৰহ্মপুত্ৰৰ সেই চলন্তা পানী কলৈ বৈ গ'ল, কাঠৰ সেই নাওখন মোৰ জন্ম কুন্ধিটিৰে সৈতে কেতিয়া ক'ত পচি ভাগি ছিগি কোন পঞ্চভূতত বিলীন হ'ল, কোনে জানে, কোনে ক'ব পাৰে? হয়তো ব্ৰহ্মপুত্ৰৰ সেই চলন্তা পানী সাগৰত পৰি, কালক্ৰমত উভতি আকাশলৈ উঠি, ডাৱৰ হৈ বতাহৰ কোবত আকৌ ব্ৰহ্মপুত্ৰত বৰষুণৰূপে পৰি বৈ গৈ আকৌ সমুদ্ৰত পৰি, আকৌ কতবাৰ সেই পৰিৱৰ্তনৰ খেল খেলিছে; আৰু হয়তো তাৰে এটোপা গোটাদিয়েক কৃষ্ণবৰ্ণ দ্ৰব্যৰে সৈতে মিশ্ৰিত হৈ আজি এই লেখকৰ মৈলামত সোমাই কাপৰ আগেহি ওলাই এই তুলাপাতত লেখকৰ জীৱন-সোঁৱৰণ লেখাৰ সহায়ক হৈ পৰিছে, কোনে জানে, কোনে ক'ব পাৰে?"**

(মোৰ জীৱন সোঁৱৰণ ঃ লক্ষ্মীনাথ বেজবৰুৱা, প্ৰকাশক - বনলতা, ডিব্ৰুগড়, ১৯৯৮ চন, পৃ. ২-৩)

বেজবৰুৱাৰ দৃষ্টিৰে কবলৈ গ'লে - শঙ্কৰদেৱৰ জন্ম হোৱা ক্ষুদ্ৰমান ভূমিৰ ধূলি-বালি কোন কাহানিবাই বতাহে উৰুৱাই নিলে কোনে কব পাৰিব? 'নৌকাস্থ' হোৱা বেজবৰুৱাৰ দৰেই যদি শঙ্কৰদেৱো নৌকাস্থ হ'লহেঁতেন? সেয়েহে শশীচন্দ্ৰ বৰবৰুৱাদেৱে ঠিকেই কৈছে - '**ব্ৰহ্মপুত্ৰৰ পাৰত মহাপুৰুষে জন্ম গ্ৰহণ কৰিছিল।**' এই ব্ৰহ্মপুত্ৰৰ পাৰেই হ'ল বৰদোৱা-আলিপুখুৰী। আজি ৫৬৩ বছৰ পাৰ হৈ যোৱাৰ পিছত আৰু ৫৬৩ বছৰতো গুৰুজনাৰ জন্মস্থানৰ শেষ সিদ্ধান্ত অসমৰ ৰাইজে আশা কৰিব পাৰিব জানো? সেয়েহে জ্যামিতিত ধৰি লোৱাৰ দৰেই অসমবাসীয়েও বৰদোৱা-আলিপুখুৰী অঞ্চলকেই গুৰুজনাৰ জন্মস্থান হিচাপে ধৰি লোৱাত আপত্তি কি? বহুজনে হয়তো কব - এইয়া গৱেষণামূলক দৃষ্টিভংগী নহয়। গৱেষণামূলক দৃষ্টিভংগীৰে ইমান বছৰে সমস্যাৰ সমাধান নহ'ল যেতিয়া আৱেগ-অনুভূতিৰে ভক্তি ভাৱেৰে মানি নললে বোধকৰো বৰদোৱা-আলিপুখুৰীবাসী তথা অসমবাসীৰ পৰিত্ৰাণ নাই। আমিও ভাৱো আমি সৰ্বজনে গুৰুজনাৰ মতাদৰ্শক বাস্তৱত ৰূপ দিব লাগে।

বৰাদেউ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই গৱেষণামূলক দৃষ্টিভংগীৰেও জন্মস্থানৰ আঁতিগুৰি নিবিচৰা নহয়। সঙ্ঘৰ সাহিত্য গৱেষণা পৰিষদৰ বৰ্তমান বৰ্ষৰ এগৰাকী গৱেষক হেমচন্দ্ৰ শইকীয়াদেৱে ২০১১ চনৰ জুলাই-চেপ্তেম্বৰ মাহৰ ভিতৰত জন্মস্থান সন্দৰ্ভত এলানি গৱেষণামূলক লেখা অসমীয়া খবৰ কাগজত প্ৰকাশ কৰিছিল। বৰাদেৱৰ নিশ্চয় দৃষ্টিগোচৰ হৈছে। শইকীয়াদেৱকে আদি কৰি সঙ্ঘৰ বিষয়ববীয়া আৰু সংগীসকলে নিজৰ নিজৰ মতামত কাগজে-পত্ৰই, গ্ৰন্থ-আলোচনী আদিত প্ৰকাশ কৰি আহিছে। বৰাই অৱশ্যে সকলোকে চিনি নাপায় অথবা সঙ্ঘৰ কি দায়িত্বত কোন আছে তাকো নাজানে। অৱশ্যে জনাৰো প্ৰয়োজন নাই। আচল সত্যটোহে প্ৰকাশ পাব লাগে। শইকীয়াৰ বক্তব্য শুনি সঙ্ঘৰ মানুহে হাত চাপৰি বজোৱাৰ আঁৰৰ কাহিনী কি বৰাই এতিয়া গম পাইছে ছাগে। বৰাক আৰু সোঁৱৰাই থওঁ যে কেতিয়াবা কোনো লোকৰ বক্তব্য শুনি সঙ্ঘৰ মানুহে হাত চাপৰি বজালে তেতিয়া 'উৰহী গছৰ ওৰ' লবলৈ বৰাই নাপাহৰে যেন। এতিয়া দেখা গ'ল সঙ্ঘৰ তৰফৰ পৰা ৰমাকান্ত মুক্তিয়াৰ, হলধৰ ভূঞাৰ

পৰা হেমচন্দ্ৰ শইকীয়া, প্ৰভাত দাসলৈকে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ বিষয়ববীয়াসকলে, সংগীসকলে বৰদোৱা-আলিপুখুৰী সম্পৰ্কত যে নিজস্ব মতামত আগবঢ়াই আহিছে, সেই কথা বৰাক আৰু বিতংভাৱে নকলেও হ'ব বুলি ভাৱিছোঁ।

ময়ূৰ বৰাদেৱে সঙ্ঘৰ ওপৰত শঙ্কৰদেৱ বিষয়ৰ বহু ভাৰ জাপি দি এইবাৰ আকৌ পশ্চিমবঙ্গৰ ভিতৰত থকা মধুপুৰ সত্ৰৰ উন্নয়নত কিয় সঙ্ঘই মাত মতা নাই বা কৰ্মত হাত দিয়া নাই - এই লৈ সঙ্ঘক আচামীৰ কাঠগড়াত থিয় কৰাইছে। বৰাৰ বক্তব্য হ'ল -

**'গুৰুজনাক অসমৰ বাহিৰত প্ৰচাৰ কৰাৰ কথা শুনিলেই আমাৰ মনলৈ শংকাৰ ভাৱ আহে। যিটো অনুষ্ঠানে ইমানবোৰ মানুহৰ সমৰ্থন লাভ কৰাৰ পাছতো কোনো এক ভৱিষ্যদৰ্শী আঁচনি লৈ গুৰুজনাক অসমৰ ভিতৰৰ বহু জাতি-জনগোষ্ঠীৰ হৃদয়ত প্ৰৱেশ কৰোৱাব পৰা নাই, তেওঁলোকে বাহিৰত প্ৰচাৰ কৰাৰ কথা ক'লে হাঁহিয়তাৰ পাত্ৰ নহ'বনে?' (পৃ. ৫৩-৫৪)**
বৰাই আকৌ কৈছে - **'তদুপৰি সকলো বিষয়তে চৰকাৰকেন্দ্ৰিক ভূমিকা নলৈ সংঘৰ দৰে বৃহৎ অনুষ্ঠানটোৱে নিজৰ ফালৰ পৰা সত্ৰখনক এক নূন্যতম মৰ্যাদাপূৰ্ণ অৱস্থালৈ আনিব নোৱাৰেনে? নে মধুপুৰৰ লগত সত্ৰ শব্দটো জড়িত আছে বাবে সংঘ দূৰতে বিদূৰ হয়? এনে সংকীৰ্ণ মনোভাৱেৰে আমি গুৰুজনাক অসমৰ বাহিৰত প্ৰচাৰ কৰিব পাৰিম জানো? আমি জানো, সংঘয়ো জানে কথাবোৰ। কিন্তু কেতিয়াবা চকু মুদা কুলি হৈ থকাৰ সুবিধাওতো কম নহয়।' (পৃ. ৫৪)**

অসমৰ ভিতৰত সঙ্ঘই জাতি-জনগোষ্ঠীৰ মাজত গুৰুজনাক কিমান প্ৰচাৰ কৰিছে, সেই কথাৰ উত্তৰ পিছলৈ থৈ মধুপুৰ সম্পৰ্কত তোলা প্ৰশ্নৰ উত্তৰহে ইয়াত বৰাদেৱৰ জ্ঞাতাৰ্থে প্ৰকাশ কৰিছোঁ। মধুপুৰ সত্ৰৰ লগত সত্ৰ শব্দ জড়িত থকাৰ বাবে সঙ্ঘৰ কোনো অসুবিধা হোৱা নাই। সত্ৰসমূহেও বা অসম সত্ৰ মহাসভাইও গুৰুজনাৰ সৃজিত সম্পদৰাজিকে মূলধন হিচাপে লৈ কাম কৰি আছে আৰু সঙ্ঘইও শঙ্কৰদেৱ গুৰুজনাৰ সম্পদৰাজিৰ আধাৰতেই তাঁৰাৰ ধৰ্মাদৰ্শ প্ৰচাৰ কৰিছে। দুই-এটা আদৰ্শগত দিশত দুয়োটা অনুষ্ঠানৰ কিছু বিৰোধ থাকিলেও কোনো কাৰো চিৰবৈৰী নহয়। এনেবোৰ অশুভ প্ৰাক্‌কল্পনাৰ বীজ সমাজৰ বাবে ক্ষতিকাৰক। বৰাই নিশ্চয় দেখিছে বা আজিৰ পৰা এমাহমানৰ আগতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, অসম সত্ৰ মহাসভা, একশৰণ নামধৰ্ম ভাগৱতী সমাজ আৰু চ'চাইটি ফৰ শঙ্কৰদেৱে গুৰুজনাক বাহিৰত প্ৰচাৰ কৰাৰ কাৰণে মিলিত হৈ খচৰা প্ৰস্তুত কৰিছে। শঙ্কৰদেৱৰ ধৰ্মাদৰ্শ প্ৰচাৰ কৰি থকা অসমৰ আন সংগঠন সমূহকো আহ্বান জনাই একত্ৰিত হৈ কাম কৰাৰ পৰিকল্পনা কৰা হৈছে। বাতৰি কাকতত প্ৰচাৰিত বাতৰিটোও বৰাৰ জ্ঞাতাৰ্থে লিপিবদ্ধ কৰি দিলোঁ -

**"গুৰুজনাক বিশ্ব দৰবাৰলৈ নিয়াৰ মহৎ লক্ষ্য ঃ একত্ৰিত হ'ল সত্ৰ মহাসভা শংকৰদেৱ সংঘ-ভাগৱতী সমাজ**
**প্ৰতিদিন সংবাদ, গুৱাহাটী, ১২ মাৰ্চ ঃ** বৃহত্তৰ অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম-সংস্কৃতি বিশ্ব দৰবাৰত প্ৰচাৰ-প্ৰসাৰৰ মহৎ লক্ষ্যৰে একত্ৰিত হৈছে অসমৰ সৰ্ববৃহৎ ধৰ্মীয়-সাংস্কৃতিক অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘ, অসম সত্ৰ মহাসভা আৰু একশৰণ ভাগৱতী সমাজ। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ ঐক্যবদ্ধ প্ৰচেষ্টাৰে গুৰুজনাক বিশ্ব দৰবাৰলৈ নিয়াৰ উদ্দেশ্যে ৰাজ্যৰ তিনিওটা ধৰ্মীয়-সাংস্কৃতিক অনুষ্ঠানে হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী আঁচনি প্ৰস্তুত কৰাৰ বাবে ইতিমধ্যে এখন কৰ্মনিৰ্ধাৰণ সমিতি গঠন কৰিছে। আজি এক সংবাদমেলযোগে এই সন্দৰ্ভত সবিশেষ ব্যাখ্যা আগবঢ়ায় একশৰণ ভাগৱতী সমাজৰ অসমৰ আচাৰ্য তথা কৰ্মনিৰ্ধাৰণ সমিতিখনৰ আহ্বায়ক দয়ালকৃষ্ণ বৰাই। তেওঁ কয় - 'শ্ৰীমন্ত শংকৰদেৱ সংঘ, অসম সত্ৰ মহাসভা আৰু একশৰণ ভাগৱতী সমাজ একেলগে বহি গুৰুজনাৰ ধৰ্ম-সংস্কৃতি প্ৰসাৰ-প্ৰচাৰৰ বিষয়ে আলোচনা কৰাটোৱেই এক ঐতিহাসিক ঘটনা। মহাপুৰুষজনা সৰ্বগুণাকৰ। যাকেৰি নাহিকে উপাম। তেৰাক বিশ্ব দৰবাৰলৈ লৈ যাবলৈ আমাৰ শক্তি নাই এনে নহয়, কিন্তু তাৰ বাবে প্ৰয়োজনীয় আঁচনি, সেই আঁচনি ৰূপায়ণৰ কাৰণে জনশক্তি, ধনশক্তি তাতোকৈ অধিক প্ৰয়োজন ইচ্ছাশক্তিৰ। আনহাতে উত্তৰ-পূৰ্বাঞ্চলতেই বিভিন্ন জনগোষ্ঠীৰ মাজত যি যি আঁচনিৰে আমি কাম কৰিব লাগে সেয়াও হোৱা নাই। গতিকে এইবোৰ দিশৰ লগতে মহাপুৰুষজনাৰ ধৰ্ম-সংস্কৃতি প্ৰচাৰ-প্ৰসাৰৰ অৰ্থে মহাপুৰুষজনাৰ ধৰ্ম-সংস্কৃতি প্ৰসাৰত জড়িত অসমৰ সকলো সৰু-বৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ মিলিত শক্তিৰে আমি আগবাঢ়িবলৈ মনস্থ কৰিছোঁ।' বৰাই কয় - 'এই উদ্দেশ্য আগত ৰাখি যোৱা ৬ মাৰ্চত আমাৰ আহ্বানক্ৰমে শ্ৰীমন্ত শংকৰদেৱ সংঘ, সত্ৰ মহাসভা আৰু একশৰণ ভাগৱতী সমাজৰ এখন যৌথ বৈঠক অনুষ্ঠিত হয়। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ পদাধিকাৰ ৰজনীকান্ত দত্তৰ সভাপতিত্বত অনুষ্ঠিত গুৰুত্বপূৰ্ণ সভাখনত সত্ৰ মহাসভাৰ উপ-সভাপতি ৰিপু মহন্ত, নিৰঞ্জন মহন্ত, জিতেন মহন্ত, একশৰণ ভাগৱতী সমাজৰ অধ্যক্ষ প্ৰতাপ চন্দ্ৰ মেধি, লক্ষ্মীজিৎ দাস, সোণালী বৰা হাজৰিকাকে ধৰি অসম চেম্বাৰ অৱ্ কমাৰ্চৰ সভাপতি ৰূপম গোস্বামী, ছ'চাইটি ফৰ শ্ৰীমন্ত শংকৰদেৱৰ অমল মহন্ত আদিয়ে গুৰুজনাৰ ধৰ্ম-সংস্কৃতি প্ৰচাৰ-প্ৰসাৰ সন্দৰ্ভত বিভিন্ন পৰামৰ্শ আগবঢ়ায়। এই সভাতেই প্ৰতিটো অনুষ্ঠানে নিজৰ নিজৰ বৈশিষ্ট্য ৰক্ষা কৰি গুৰুজনাৰ ধৰ্ম-সংস্কৃতি প্ৰচাৰ-প্ৰসাৰৰ উদ্দেশ্যে একত্ৰিত হৈ কাম কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। মহাপুৰুষীয়া সকলোবোৰ সৰু-বৰ অনুষ্ঠানকো সহযোগী হিচাপে লৈ সভাই মূল লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে প্ৰস্তাৱ গ্ৰহণ কৰে আৰু গুৰুজনাৰ কাৰণে যিয়ে সেৱা আগবঢ়াব খোজে, তেওঁলোক সকলোৱে কাৰণে দুৱাৰ মুকলি ৰখাৰো সিদ্ধান্ত গ্ৰহণ কৰে।' এইক্ষেত্ৰত হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী আঁচনি প্ৰস্তুত কৰাৰ উদ্দেশ্যে ইতিমধ্যে দয়ালকৃষ্ণ বৰাক আহ্বায়ক হিচাপে লৈ

ভাগৱতী সমাজৰ প্ৰতাপ চন্দ্ৰ মেধি, শংকৰদেৱ সংঘৰ জীৱকান্ত নাথ, ৰবীন্দ্ৰনাৰায়ণ চৌধুৰী, সত্ৰ মহাসভাৰ ৰিপু মহন্ত, নিৰঞ্জন মহন্ত আৰু ছ'চাইটি ফৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ ড° সঞ্জীৱ বৰকাকতী আৰু অমল মহন্তক সদস্যৰূপে লৈ এখন কৰ্মনিৰ্ধাৰণ সমিতিও গঠন কৰা হৈছে বুলি আজি সংবাদমেলযোগে বৰাই প্ৰকাশ কৰে। বৰাই জনোৱা অনুসৰি কৰ্মনিৰ্ধাৰণ সমিতিয়ে শীঘ্ৰে বৈঠকত মিলিত হৈ আঁচনিৰ খচৰা প্ৰস্তুত কৰিব। তেওঁ লগতে গুৰুজনাক বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ মহৎ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত সকলোৰে সহযোগিতাও কামনা কৰে। সংবাদমেলত সত্ৰ মহাসভাৰ প্ৰাক্তন সভাপতি ভদ্ৰকৃষ্ণ গোস্বামী, উপ-সভাপতি ৰিপু মহন্ত, শংকৰদেৱ সংঘৰ ৰবীন্দ্ৰনাৰায়ণ চৌধুৰীও উপস্থিত থাকে।"

যি নহওক, মধুপুৰ সত্ৰৰ বাবে, বৰদোৱা থান সম্পৰ্কে অসম সত্ৰ মহাসভা, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ লগতে গুৰুজনাক ভালপোৱা সকলোৱেই মাত মাতি আহিছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই এই ক্ষেত্ৰত আনুষ্ঠানিকভাৱে মাত মতাৰ প্ৰমাণ পোৱা যায় ১৯৫৫ চনত দৰং জিলাত অনুষ্ঠিত হোৱা সঙ্ঘৰ অধিৱেশনত গৃহীত হোৱা প্ৰস্তাৱৰ পৰা। ১৯৫৫ চনত দৰং জিলাৰ জামুগুৰিহাটত ১৪, ১৫, ১৬ চ'তত পদাধিকাৰ হৰমোহন দাসৰ সভাপতিত্বত যি অধিৱেশন অনুষ্ঠিত হৈছিল, তাত মুঠ সাতটা প্ৰস্তাৱ গ্ৰহণ কৰি চৰকাৰলৈ প্ৰেৰণ কৰা হৈছিল। অসম আৰু অসমীয়াৰ জাতীয় স্বাৰ্থ ৰক্ষা কৰাৰ এই সাতটা প্ৰস্তাৱৰ ভিতৰতে দ্বিতীয় প্ৰস্তাৱটো আছিল মধুপুৰ সত্ৰৰ উল্লেখেৰে কোচবিহাৰক অসমৰ লগত চামিলকৰণ প্ৰস্তাৱ। প্ৰস্তাৱটো আছিল- **'দ্বিতীয় প্ৰস্তাৱ ঃ সভ্যতাৰ আৰহমান কালৰে পৰা কোচবিহাৰৰ লগত অসমৰ যোগসূত্ৰ দৃঢ় হৈ আহিছে। ভৌগোলিক, ঐতিহাসিক আৰু সাংস্কৃতিক সকলো ফালৰে পৰা কোচবিহাৰৰ মধুপুৰ অসমৰ অবিচ্ছেদ্য অংগ। কোচবিহাৰৰ মধুপুৰ অসমৰ তীৰ্থক্ষেত্ৰ। এনে অৱস্থাত কোচবিহাৰক ভাৰত চৰকাৰে পশ্চিমবঙ্গৰ লগত চামিল কৰা দুৰ্যোৰ অন্যায় হৈছে আৰু সেই সময়ত অসম চৰকাৰে প্ৰতিবাদ নকৰাটো দুখৰ কথা। গতিকে আজিৰ শ্ৰীশ্ৰী শঙ্কৰদেৱ সঙ্ঘ চতুৰ্বিংশ বাৰ্ষিক অধিৱেশনে বৰ্তমান সীমা কমিচনাৰৰ ওচৰত, ভাৰত চৰকাৰৰ ওচৰত দাবী কৰা হয়।' (নাম-ধৰ্ম, একত্ৰ সংকলন ঃ প্ৰথম খণ্ড ঃ সম্পাদক - কৈলাশ দাস আৰু সহযোগী সম্পাদক - জীৱকান্ত নাথ, প্ৰকাশক - শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, প্ৰথম প্ৰকাশ - ফেব্ৰুৱাৰী/২০০৬, পৃ. ৩৬০)** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই মধুপুৰ থান থকা কোচবিহাৰ অসমৰ লগত একত্ৰিত কৰিবৰ বাবে **'কোচবিহাৰ দিৱস'**ও পালন কৰি ৰাইজ আৰু চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে। (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৩৬৩), কোচবিহাৰক বিষয় হিচাপে লৈ 'নামধৰ্ম' মুখপত্ৰত সম্পাদকীয়ও প্ৰকাশ পাইছে। (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৪৪৬-৪৪৭), **'বৰদোৱা থানৰ সংৰক্ষণ'** শীৰ্ষক এটি লেখা সম্পাদকীয় পৃষ্ঠাত প্ৰকাশ পাইছে (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৫৭০), **'আই কনকলতা আৰু বৰদোৱা থান'** শীৰ্ষক এটি প্ৰৱন্ধ 'নামধৰ্ম'ত প্ৰকাশ কৰা হৈছে (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৬২১-৬২৩), **'বৰদোৱা থান'** সম্পৰ্কত কৃতজ্ঞতাসূচক এটি প্ৰস্তাৱ 'নামধৰ্ম'ত প্ৰকাশিত হৈছে (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৬২৯), বৰদোৱা থান সম্পৰ্কত এটি লেখা 'নামধৰ্ম'ত প্ৰকাশিত হৈছে (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৭০১)। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই বৰদোৱা সম্পৰ্কত ২০১২ চনৰ মাৰ্চ মাহত কোনো বেদখলকাৰীয়ে ভূমি অধিগ্ৰহণ কৰাৰ সম্পৰ্কত এটি বিবৃতি বাতৰি কাকতলৈ প্ৰেৰণ কৰে। সঙ্ঘৰ পদাধিকাৰ ৰজনী কান্ত দত্তই বাতৰি কাকতলৈ দিয়া বিবৃতিটো হ'ল -

**"বটদ্ৰৱা সত্ৰত মছজিদ নিৰ্মাণ ঃ উদ্বেগ প্ৰকাশ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ**

**প্ৰতিনিধি, শিৱসাগৰ, ১৮ মাৰ্চ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাৰ সন্দৰ্ভত শেহতীয়াকৈ মুখ খুলিছে শ্ৰীমন্ত শংকৰদেৱ সংঘই। অসমৰ জাতীয় জীৱনৰ আবেগ-অনুভূতি জড়িত হৈ থকা পবিত্ৰ বটদ্ৰৱা সত্ৰৰ কিছু অংশ মাটি বেদখলকাৰীৰ কৱলত পৰাত সংঘই গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ৰজনীকান্ত দত্তই বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক বিজ্ঞপ্তিত কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পবিত্ৰ জন্মস্থান বটদ্ৰৱা সত্ৰ। এই পবিত্ৰ ভূমিতে ১৪৪৯ খ্ৰীষ্টাব্দত মহাপুৰুষ শংকৰদেৱে অৱতাৰ গ্ৰহণ কৰি জগতৰ সকলো লোককে মানৱতাৰ মহামন্ত্ৰ দান কৰি থৈ গৈছিল। পবিত্ৰ সত্ৰখনত মুঠ ১৩০ বিঘা ১৩ লোচা মাটি আছিল যদিও বেদখলকাৰীৰ কৱলত পৰি সত্ৰখন সংকুচিত হৈ পৰা বুলি ব্যক্ত কৰি পদাধিকাৰ দত্তই আক্ষেপ কৰে। বেদখলকাৰীসকলে এনে হঠকাৰী কাৰ্যত লিপ্ত হৈ সত্ৰখন সংকুচিত কৰাৰ সময়তে আন এক ন্যস্তস্বাৰ্থ জড়িত মহলে সত্ৰখনৰ বিৰুদ্ধে গভীৰ ষড়যন্ত্ৰ কৰা বুলিও তেওঁ অভিযোগ কৰে। ন্যস্তস্বাৰ্থ জড়িত মহলটোৱে গুৰুজনাৰ পবিত্ৰ ধৰ্মীয় অনুভূতিত আঘাত হানি সত্ৰখনত মছজিদ নিৰ্মাণৰ অভিসন্ধি ৰচনা কৰা বুলি প্ৰকাশ কৰি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই এই কাৰ্যৰ পৰা সকলো লোককে আঁতৰি থাকিবলৈ পদাধিকাৰ ৰজনীকান্ত দত্তই বিজ্ঞপ্তিটোৰ যোগেদি আহ্বান জনাইছে।" (আজিৰ দৈনিক বাতৰি, ডিব্ৰুগড়, ১৯ মাৰ্চ, ২০১২)

এনেদৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই বৰদোৱা আৰু কোচবিহাৰ তথা মধুপুৰ সত্ৰ সম্পৰ্কত বিভিন্ন সময়ত বিভিন্ন প্ৰকাৰে মাত মাতি আহিছে। কেৱল ইমানেই নহয়, গুৰুজনৰ কৰ্মভূমি কোচবিহাৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই জিলা শাখা গঠন কৰি গুৰুজনাৰ মতাদৰ্শ প্ৰচাৰ-প্ৰসাৰ ঘটাই আছে। 'কোচবিহাৰ জিলা শাখা'খন সঙ্ঘৰ ৪৩ নং জিলা শাখা। ২০০৫ চনত কোচবিহাৰ জিলা শাখা গঠন কৰা হয়। অৱশ্যে ১৯৯৮ চন মানৰ পৰাই গুৰুজনাৰ সাহিত্য-সংস্কৃতি, ধৰ্মাদৰ্শ প্ৰচাৰ কৰিবৰ বাবে সঙ্ঘৰ পদাধিকাৰ, প্ৰধান সম্পাদক আৰু বিষয়ববীয়াসকল কোচবিহাৰলৈ গৈছে আৰু সংগঠনৰ দিশত প্ৰসাৰতা লাভৰ অৰ্থে সাংগঠনিক

সভা-সমিতি অনুষ্ঠিত কৰিছে। কোচবিহাৰৰ শালবাৰীত জিলা নামঘৰ স্থাপন কৰি জিলাৰ সাংগঠনিক কাম-কাজ চলোৱাৰ লগতে মূলৰ লগত যোগাযোগ ৰক্ষা কৰি আহিছে। বৰ্তমান জিলা শাখাৰ সভাপতি পুষ্পনাৰায়ণ ভকত আৰু সম্পাদক ধনপ্ৰসাদ দাস। জিলাখনত তিনিখন প্ৰাথমিক শাখা ইতিমধ্যে গঠন কৰা হৈছে। প্ৰাথমিক শাখা তিনিখন হ'ল - কালজানী প্ৰাথমিক, কাকতকুটা-দামোদৰপুৰ প্ৰাথমিক আৰু নৰনাৰায়ণ চিলাৰায় প্ৰাথমিক। জিলা শাখাৰ বিষয়ববীয়া আৰু প্ৰাথমিকৰ বিষয়ববীয়াসকলে মধুপুৰ সত্ৰৰ লগত সংযোগ সূত্ৰ ৰক্ষা কৰি সত্ৰৰ উন্নয়ন কল্পে যৎপৰোনাস্তি সহযোগিতা আগবঢ়াই আহিছে। এনেদৰে দেখা যায় যে গুৰুজনাৰ জন্মস্থান, কৰ্মস্থান আদিত সঙ্ঘই সহযোগিতা, সহমৰ্মিতাৰে নিজৰ সক্ৰিয় স্থিতি ৰক্ষা কৰি আহিছে। বৰাদেৱে সঙ্ঘই বাহিৰত ধৰ্ম প্ৰচাৰ কৰিব পৰা নাই বুলি ইতিকিং, তাচ্ছিল্য কৰিলেও সঙ্ঘই কোচবিহাৰৰ উপৰি মেঘালয়, অৰুণাচল, নাগালেণ্ড আদি ৰাজ্যত প্ৰাথমিক শাখা গঠন কৰি গুৰুজনাৰ ধৰ্ম, সাহিত্য-সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰ ঘটাই আহিছে। (দ্ৰষ্টব্য ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ইতিহাস)

# ষষ্ঠ অধ্যায়
# মহাপুৰুষ শঙ্কৰদেৱৰ জন্মস্থান, কৰ্মস্থান আৰু সঙ্ঘৰ স্থিতি

ময়ূৰ বৰাদেৱে মহাপুৰুষ শঙ্কৰদেৱৰ জন্মস্থান আৰু কৰ্মস্থানক কেন্দ্ৰ কৰি তিনিটা লেখা তেখেতৰ গ্ৰন্থখনিত সন্নিবিষ্ট কৰিছে। এই লেখা তিনিটা হ'ল - (১) গুৰুজনাৰ জন্মস্থান সম্পৰ্কত সংঘৰ মৌনতা (পৃ. ৪২), (২) পাটেকিবৰীত বেদখল সন্দৰ্ভতো সংঘ নীৰৱ (পৃ. ৪৪) আৰু (৩) মধুপুৰ সঁচাকৈ বহুদূৰ (পৃ. ৫৩)। বৰাই 'গুৰুজনাৰ জন্মস্থান সন্দৰ্ভত সংঘৰ মৌনতা' শীৰ্ষক লেখাটোত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই জন্মস্থান সম্পৰ্কত নিমাতে থকাটো অতি লজ্জাজনক বুলি মন্তব্য কৰিছে- **'কিন্তু মূল বিভ্ৰান্তিৰ কাৰণ হ'ল শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ মৌনতা। আজি ইমানদিন পাৰ হৈ যোৱাৰ পাছতো সংঘৰ পিনৰ পৰা জন্মস্থান সম্পৰ্কীয় বিষয়টোত ৰাইজে এষাৰ মাত শুনা নাই। সংঘই কোৱা কথাটো শেষ সত্য হ'ব বুলি আমি ভৰা নাই। কিন্তু গুৰুজনাৰ জন্মস্থান সম্পৰ্কীয় বিষয়টোত অনুষ্ঠানটো এনেদৰে নীৰৱ হৈ থকাটো অত্যন্ত লজ্জাজনক।'** (পৃ. ৪৩) গুৰুজনাৰ জন্মস্থানক লৈ পণ্ডিত-গৱেষকৰ পৰা গুৰুজনাৰ ভক্তবৃন্দ তথা সচেতন মহলৰ মাজত দীৰ্ঘদিনীয়া বিতৰ্ক চলি আহিছে। সাহিত্য ৰত্ন হৰিনাৰায়ণ দত্ত বৰুৱাৰ পৰা আৰম্ভ কৰি লক্ষ্মীনাথ বেজবৰুৱা, ৰমাকান্ত মুক্তিয়াৰ, ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰনাথ শৰ্মা, ড° কেশৱানন্দ দেৱগোস্বামী, ড° লক্ষ্মীনন্দন বৰা, বাপচন্দ্ৰ মহন্ত, উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, ড° বিৰিঞ্চি কুমাৰ বৰুৱা, ডিম্বেশ্বৰ নেওগ, ছৈয়দ আব্দুল মালিক, ড° হেমন্ত কুমাৰ শৰ্মা, ড° শিৱনাথ বৰ্মণ, অধ্যাপক ভৱপ্ৰসাদ চলিহা, ড° নৱেন কলিতা, ড° সঞ্জীৱ কুমাৰ বৰকাকতি, প্ৰভাত চন্দ্ৰ দাস আৰু হেমচন্দ্ৰ শইকীয়াকে আদি কৰি বহু গৱেষকে গুৰুজনাৰ জন্মস্থান সম্পৰ্কত নিজ নিজ মন্তব্য প্ৰকাশ কৰি আহিছে। এই গৱেষকসকলৰ প্ৰাথমিক উৎস হ'ল ৰামচৰণ ঠাকুৰে প্ৰণয়ন কৰা 'গুৰু-চৰিত'ৰ পৰা আৰম্ভ কৰি আধুনিক যুগত ৰচনা কৰা দীননাথ বেজবৰুৱাৰ 'বৰ-চৰিত'লৈকে দীৰ্ঘদিনীয়া সময়ত ৰচনা কৰা পদ্য-গদ্য চৰিত পুথিসমূহ। এই চৰিত পুথিসমূহকে প্ৰধানতঃ মূলধন হিচাপে লৈ গৱেষক আৰু লেখকসকলে গুৰুজনাৰ জন্মস্থান নিৰ্ণয় কৰিবলৈ যত্ন কৰি আহিছে। চৰিত পুথিসমূহৰ মাজত মত পাৰ্থক্য থকাৰ হেতুকে গৱেষকসকলৰ মাজতো মত পাৰ্থক্য থকাটো স্বাভাৱিক কথা। গুৰুজনাৰ জন্মস্থান বৰদোৱা নে আলিপুখুৰী (পাটেকিবৰি) - এই মীমাংসা বিদ্যায়তনিক বিষয় হিচাপে পণ্ডিতসকল একমতত উপনীত হ'ব নোৱাৰাৰ বাবেই বিতৰ্কৰ অৱসান ঘটা নাই।

উল্লেখযোগ্য যে শঙ্কৰদেৱ গুৰুজনাই নিজৰ জন্মস্থান সম্পৰ্কত স্পষ্টভাৱে এটা সিদ্ধান্ত দি যোৱা নাই যদিও তাৰাৰ ৰচনাৰাজিত বৰদোৱাৰ প্ৰশস্তিৰে ওপচাই পেলাইছে। কিন্তু ইয়াৰ বিপৰীতে মন কৰিবলগীয়া কথাটো হ'ল যে গুৰুজনে তাৰাৰ সাহিত্যকৰ্মৰ কোনো স্থানতে আলিপুখুৰী বা পাটেকিবৰিৰ এটা শব্দও উল্লেখ কৰি যোৱা নাই। মহাপুৰুষ শঙ্কৰদেৱে তাৰাৰ ৰচনাৰাজিৰ আঠ স্থানত বৰদোৱাৰ গুণানুকীৰ্ত্তন কৰিছে। এই আঠ স্থান হ'ল - (১) হৰিশ্চন্দ্ৰ উপাখ্যান, (২) ৰুক্মিণী হৰণ কাব্য, (৩) অজামিল উপাখ্যান, (৪) বলিছলন, (৫) অষ্টম স্কন্ধ (অমৃত মন্থন), (৬) দশম স্কন্ধ, (৭) একাদশ স্কন্ধ আৰু (৮) উত্তৰাকাণ্ড ৰামায়ণ। উদাহৰণ স্বৰূপে - গুৰুজনাৰ প্ৰথম কাব্যগ্ৰন্থ 'হৰিশ্চন্দ্ৰ উপাখ্যান'ত দিয়া বৰ্ণনাটি ইয়াত উদ্ধৃত কৰিলোঁ-

।। ছবি।।

'টেম্বুৱানি বন্ধে গ্ৰাম বৰদোৱা যাৰ নাম
লোহিত্যৰ জলে অনুকূল।
ভৈলা সেহি গ্ৰামেশ্বৰ যাৰ নাম ৰাজধৰ
দানে মানে যাক নাহি তুল।।
অতিথি চৰ্চ্চাত পৰেআন চিন্ত নাহি ঘৰে
সৰ্ব্বদায়ে আনন্দ উৎসৱ।
তানে পুত্ৰ ভৈলা চাৰি সূৰ্য্যবৰ মুখ্য কৰি
হলায়ুধ জয়ন্তা মাধৱ।।২৯২।।
জ্যেষ্ঠ ভৈলা সূৰ্য্যবৰ মহা বৰা দেশধৰ
নয়স্থ কায়স্থ কূল দীপ।
মহাদাতা হেন শুনি ব্ৰাহ্মণ সজ্জন গুণি
চলিযান্ত যাহাৰ সমীপ।।

তানে ভৈলা গৰ্ব্বেশ্বৰ　　মহামানী বংশধৰ
প্ৰসিদ্ধ কুসুম নাম যাৰ।
ভৌমিকৰ চূড়ামণি　দাতাৰ আগত গণি
যাৰ যশে ব্যাপিল সংসাৰ।।২৯৩।।
তানে পুত্ৰ অল্পমতি　শঙ্কৰে কৰিয়া নতি
কৃষ্ণনামে ৰচিলা পয়াৰ।
শুনা সৱে বুদ্ধজনে　সাৰশেষে জানা কোনে
পুৰাণ কথাৰ তত্ত্ব সাৰ।।'

(মহাপুৰুষ শঙ্কৰদেৱ বাক্যামৃত, প্ৰকাশক ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, প্ৰথম প্ৰকাশ - ১৯৯৮, পৃ. ৮১৯)

এনেদৰে দুই এটা শব্দৰ ইফাল-সিফাল কৰি গুৰুজনাই প্ৰায় একেখিনি কথাৰেই বাকীবিলাকতো আত্ম পৰিচয় দাঙি ধৰিছে। গুৰুজনে 'বৰদোৱা' শব্দটো কোনো কোনো স্থানত 'বটদ্ৰৱা' আৰু 'লোহিত্য'ৰ ঠাইত 'লোহিত' আৰু 'ব্ৰহ্মপুত্ৰ' শব্দ দুটা ব্যৱহাৰ কৰিছে। যি নহওক, গুৰুজনৰ দিনৰে পৰা আৰু গুৰুজনৰ নাতি বোৱাৰী আই কনকলতাই বৰদোৱা থান উদ্ধাৰ কৰাকে ধৰি বৰ্তমানলৈকে বৰদোৱায়েই শঙ্কৰদেৱ গুৰুজনাৰ জন্মস্থান হিচাপে জনাজাত হৈ আহিছে আৰু অসমৰ ভক্তপ্ৰাণ ৰাইজে পৱিত্ৰ তীৰ্থস্থান ৰূপে মান্যতা প্ৰদান কৰি আহিছে। সেয়েহে শঙ্কৰদেৱ গুৰুজনাই গুৰুত্ব সহকাৰে বৰদোৱাৰ বন্দনা কৰি যোৱাৰ বাবে আৰু কিছু চৰিত পুথিৰ তথ্য আৰু একাংশ গৱেষকৰ মতৰ ওপৰত ভিত্তি কৰি বৰদোৱাকেই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই গুৰুজনাৰ জন্মস্থান ৰূপে ভক্তপ্ৰাণ ৰাইজৰ লগতে স্বীকৃতি দি আহিছে। অৱশ্যে বৰ্তমান সময়ত হৰিনাৰায়ণ দত্ত বৰুৱাকে ধৰি অনেকজন গুণীমানী গৱেষকে সঙ্ঘৰ ভিতৰে-বাহিৰে এই বিষয়টোত পুনৰ গভীৰ ভাৱে মনোনিৱেশ কৰাৰ কাৰণে ৰাইজৰ মাজত নতুন নতুন চিন্তাৰ উন্মেষ ঘটিছে। যি নহওক, গুৰুজনাৰ জন্মস্থান নিৰ্ণয় আমাৰ মূল বক্তব্য নহয় যেতিয়া আমি এই বিষয়ত পণ্ডিত মণ্ডলীৰ মতামতক শ্ৰদ্ধা জনাই আৰু বিদ্যায়তনিকভাৱে বিষয়টোৰ মিমাংসা হোৱাৰ কামনাৰে ময়ূৰ বৰাদেৱৰ দুই এটা কথাৰহে উত্তৰ দিবলৈ ইচ্ছা প্ৰকাশ কৰিছোঁ। গুৰুজনৰ জন্মস্থানক লৈ সঙ্ঘই মৌনতা অৱলম্বন কৰা কথাটো সত্য নহয় এই কাৰণেই যে সঙ্ঘই ইতিমধ্যে বৰদোৱাকেই জন্মস্থান হিচাপে মান্যতা দি থানখনিৰ উন্নয়নৰ কাৰণে বহু দিনৰ পৰাই কাম কৰি সঙ্ঘৰ স্থিতি ৰাইজক অৱগত কৰি আহিছে। তেনেক্ষেত্ৰত বিতৰ্কিত বিষয় এটাত সঙ্ঘই মাত মতা নাই বুলি কোৱাটো সত্য শুদ্ধ কথা হ'ব নোৱাৰে। এই ক্ষেত্ৰত বৰাদেৱক আমি প্ৰথমেই কবলৈ বিচাৰিছোঁ যে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ অন্যতম প্ৰধান প্ৰতিষ্ঠাপক, উদাসীন ভক্ত, সঙ্ঘৰ উপ-পদাধিকাৰ (উপ-সভাপতি) ৰমাকান্ত মুক্তিয়াৰ আতাই **'জগদগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ বাল্যলীলা ও জন্মভূমি, বটদ্ৰৱা থানৰ চৰিত্ৰ'** শীৰ্ষক এখনি গ্ৰন্থ ৰচনা কৰি প্ৰকাশ কৰি থৈ গৈছে। লক্ষ্মীনাথ বেজবৰুৱাৰ পৰা গ্ৰন্থখনিৰ সম্পৰ্কত ৰমাকান্ত মুক্তিয়াৰ আতাই কিবা এটি লেখা বিচাৰিছিল। এই সংক্ৰান্তত বেজবৰুৱাদেৱে মুক্তিয়াৰ আতালৈ লেখা এখন চিঠি গ্ৰন্থখনিৰ দ্বিতীয় তাঙৰণৰ পাতনিত সন্নিবিষ্ট কৰিছে। চিঠিখন হ'ল - 'কিতাপখনি লিখি প্ৰশংসা লবলৈ মোলৈ পঠোৱাৰ বাহিৰে আৰু অন্যলৈ নপঠাবা। কাৰণ তুমি যিজন শঙ্কৰদেৱৰ আৰু জন্মভূমি বটদ্ৰৱাৰ সংগ্ৰহ কৰিছা, আসামৰ গোঁসাইসকলে বিশেষকৈ মহাপুৰুষীয়া নাম কৈ অসমীয়া ৰাইজক বিশ্বাসঘাটক কৰি খাই থকা মহন্তসকলে এইজনা শঙ্কৰদেৱৰ নামকে নুশুনে। অন্য কি তোমাৰ বটদ্ৰৱাৰ গোঁসাই-ভকতেই বটদ্ৰৱা কিতাপৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰহে সম্ভাৱনা আছে। বৰদোৱাৰ বাট-পদূলী, ঘৰ-দুৱাৰ ভাল কৰিবলৈ টকা পয়ছা দিয়া, মান-সন্মান কৰা, বুদ্ধি পৰামৰ্শৰে সহায় কৰা দূৰৰ কথা গোছৰ কৰি বন্ধ কৰিবলৈ সাজু হৈছে। মহাপুৰুষীয়া ধৰ্ম্মৰ আভাষ যিটো দিছা, সেইদৰে কাম কৰিবলৈ গ'লে, মহাপুৰুষীয়া নামৰ মহন্তখিনিৰ পৰা, বিশেষকৈ বৰদোৱাৰ ভকত-মহন্তৰ পৰাই প্ৰাণৰ হতাহত হ'ব। সাৱধান। এটা কথা মাত্ৰ, বৰদোৱাৰ ভকত-মহন্তই হওক বা কামৰূপীয়া ভগনীয়া হৈ যোৱা উজনীয়া মহন্তই হওক, শঙ্কৰদেৱৰ দুশ বছৰ মানৰ পাছত চৰিত্ৰ লেখকসকলে বঙ্গাল দেশৰ পৰা ৰাধিকাক নি শান্তিজান বন্ধাত থিয় কৰাই লৈ সত্ৰবোৰত ৰাধাকৃষ্ণৰ যুগলমূৰ্ত্তি প্ৰতিষ্ঠা কৰিলে - বটদ্ৰৱা কিতাপতো সেই ৰাধিকাই আসন পোৱাটোত ভকত মহন্তসকলে সাদৰেৰে মূৰ চপৰাব। পাছে শান্তিজান বন্ধাত ভ্ৰষ্ট বৌধ ধৰ্ম্মত প্ৰৱৰ্ত্তা মানুহৰ মাজৰ পৰাই এজনী শান্তি উলিয়াই ভ্ৰষ্ট তান্ত্ৰিক পথত চলা লোকসকলৰ মুখ মাৰিছিল; সেই শান্তিৰ নাম ৰাধিকা নহয়, মই পিতৃদেৱতা ঁদীননাথ বেজবৰুৱাৰ মুখে ব্যাখ্যা কৰা পুথিও শুনিছিলো। এতিয়া মোৰ হাততো নাই, মনতো নাই। দ্বিতীয় ভাগ বটদ্ৰৱাও তোমাৰ পৰা সংগ্ৰহ হৈ ওলাব বুলি আশা কৰিলো। ঁপিতৃদেৱতাৰ সংগৃহীত তথ্যখিনিয়ে বটদ্ৰৱাত ঠাই পোৱাত আনন্দ পাইছোঁ, ধন্যবাদ জনাইছোঁ।"

লক্ষ্মীনাথ বেজবৰুৱা

(বটদ্ৰৱা থানৰ চৰিত্ৰ ঃ ৰমাকান্ত মুক্তিয়াৰ ঃ ২ য় তাঙৰণৰ পাতনি ঃ প্ৰকাশক - গোলাপ চন্দ্ৰ নাথ, পদ্ম প্ৰকাশন, মৰিগাঁও, ২০০১)

মুক্তিয়াৰ আতাই বৰদোৱাকেই জন্মস্থান বুলি ঘোষণা কৰা তলৰ বক্তব্যখিনিও অতি তাৎপৰ্যপূৰ্ণ-

"শঙ্কৰদেৱে নিজেই নিজৰ জীৱনী বংশাৱলীত, জন্ম ঠাই ঠিককৈ থৈ গৈছে। পাচত চৰিত্ৰ লিখকসকলে সমূদায় থানৰ ওচৰৰ সকলো কথা আতিগুৰি নমৰাকৈ একোখনি গাৱঁৰ উল্লেখ কৰি যোৱাৰ বাবে বৰদোৱাও এখন, বটদ্ৰৱাও এখন, আলিপুখুৰীও এখন, টেম্বুৱানী বন্ধও এখন, নলছা গাওঁ এখন, প্ৰত্যেক খন গাওঁ বহুত দূৰৰ দূৰৰ যেন বুজাই পেলাইছে। এই এটাইবোৰ গাওঁ যে একেখন থলতে তাক শঙ্কৰদেৱৰ বাক্যই বুজাই দিছে। শঙ্কৰদেৱ যে বৰদোৱাতে জন্ম হৈছে তাক শঙ্কৰদেৱ জন্ম হোৱাৰ ২০০ বছৰৰ পূৰ্ব্বে বিষ্ণুপুৰী সন্ন্যাসীয়ে তেওঁৰ শিষ্যসকলক পূবে বটদ্ৰৱা নামেৰে ঠাইত শঙ্কৰ নামেৰে ঈশ্বৰ অৱতাৰ হ'ব বুলি কৈ যায়। আৰু সেই জন অৱতাৰী পুৰুষৰ অৰ্থে নিজে অনেক শাস্ত্ৰ-সমুদ্ৰ মন্থন কৰি ৰত্নাৱলী গ্ৰন্থ সংগ্ৰহ কৰি থৈ সময় মতে পঠাই দিবলৈ তেওঁৰ শিষ্যক দঢ়াই দঢ়াই কৈ যায়। সকলো চৰিত্ৰতে সেই গ্ৰন্থ প্ৰাপ্তী কথা প্ৰকাশ কৰিছে। বিষ্ণুপুৰী সন্ন্যাসীয়ে তেওঁৰ শিষ্য ব্ৰহ্মানন্দৰ আগত কওঁতে-

ৰাকাৰাদি নিৰ্ম্মাণানী শকাৰ হৰি উচ্যতে।
ভক্তি ৰত্নাৱলী গ্ৰন্থং যোৎমেৰ তৱাৰ্পিতং।।
পূৰ্ব্বে বটদ্ৰৱা গ্ৰামে শ্ৰীভাগৱত প্ৰকাশয়েৎ।
শূদ্ৰকুলে সুৰিখ্যাত শঙ্কৰো নাম উচ্যতে।।

ধৰ্ম্ম পুৰাণত কৈছে-

"অল্পহাস্য কৰি হৰে প্ৰিয়াক বুলিবে লৈলা
শুনিয়োক আমাৰ বচন।
ব্ৰহ্মপুত্ৰ সমীপত বৰদোৱা নামে গ্ৰাম
তাতে উপজিব নাৰায়ণ।।"

শঙ্কৰদেৱ-মাধৱদেৱ দুজনা গুৰু ভটিয়াই যাওঁতে শিঙ্গৰী ঘাটৰ পৰা মহাপুৰুষ, মাধৱদেৱক মোৰ জন্ম ভূমি বটদ্ৰৱা থান সৌৱা বুলি দেখুৱাইছিল।

"ৰজনী পুহাইল দেখি নৌকাক মেলিলা।
তাৰপৰা গৈয়া শিঙ্গৰীৰ ঘাট পাইলা।।
মাধৱত পূৰ্ব্বে কথা-কহিলা শঙ্কৰ।
পূৰ্ব্বজন্ম ভিঠা আছে জানা আমাসাৰ।।
টেম্বুৱানী বন্ধে গ্ৰাম নাম বৰদোৱা।
সেহি স্থানে আছিলন্ত জানা বাঢ়ভূঞা।।
গঙ্গা শান্তিধৰ আছে আনো নানা চিহ্ন যত।
শুনিয়া মাধৱে কথা পুছে শঙ্কৰত।।
উঠিওক বাপ তেৱে সেই চিহ্ন চাওঁ।
শঙ্কৰে বোলন্ত আৰ সিঠাইক নাযাওঁ।।
পুনু পুনু মাধৱে বোলন্ত শঙ্কৰক।
নুঠিবা নুঠিবা মাধৱক দেই হাক।।
ইটো থানে উঠিনে নপাৰে যাইবাক।
সেহিসে কাৰণে মাধৱক দেই হাক।।
ভক্তি প্ৰকাশিতে কামৰূপে আছে মন।
সেহি হেতু নুঠিলন্ত বৰদোৱা থান।।"

(বটদ্ৰৱা থানৰ চৰিত্ৰ ঃ পৃ. ৫৭-৫৮)

তেখেতৰ পিছত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ অন্যতম প্ৰধান প্ৰতিষ্ঠাপক, সঙঘৰ প্ৰথমজনা প্ৰধান সম্পাদক আৰু প্ৰথম পদাধিকাৰ লোকসেৱক হলধৰ ভূঞাই ১৯৬২ চনৰ বকো অধিৱেশনতেই তেখেতৰ অভিভাষণত 'বৰদোৱা গুৰুজনাৰ জন্মথান' বুলি ঘোষণা দি গৈছে -

পদাধিকাৰ অভিভাষণ
১৯৬২ চন ৫১৩ শঙ্কৰাব্দ, বকো অধিৱেশন,
হলধৰ ভূঞা

**'মহাপুৰুষৰ জন্মস্থান বৰদোৱাৰ পৰাই একশৰণ নামধৰ্ম সাহিত্য-নাট্য-কলা সৃষ্টি বিকীৰ্ণ হৈছিল (Rediated)। এতিয়া আমি বৰদোৱাক কেন্দ্ৰ কৰি উঠিব লাগিব; তাকে কৰিবলৈ বৰদোৱাৰ কীৰ্ত্তন ঘৰ এখন কৰা হৈ গৈছে। ইয়াত উচ্চ খাপৰ এখন সংস্কৃত কলেজ পাতিব লাগিব; তাকে আমাৰ বিদ্যুৎসাহী ডেকাসকলক দেশ-বিদেশৰো ভাষা শিকাব লাগিব আৰু সকলো ধৰ্মৰ শিক্ষা দি দেশে-বিদেশে তেওঁলোকক পঠিয়াই মহাপুৰুষৰ ধৰ্ম আৰু অন্যান্য উদাৰ শিক্ষা প্ৰচাৰ কৰিব লাগিব; তেতিয়াহে মহাপুৰুষৰ কীৰ্তি বিশ্বব্যাপি হ'ব আৰু অসমীয়া জাতিৰ মুখ উজ্জ্বল হ'ব। তদুপৰি যিসকল লোকে তীৰ্থ বিচাৰি কাশী বৃন্দাবন পুৰীলৈ যায়, তেনে লোকসকলক বটদ্ৰৱাতে থকাৰ সুবিধা কৰি দিব লাগিব। কিয়নো সাতো বৈকুণ্ঠৰ সাৰ বটদ্ৰৱা থান। ইয়াতে থাকি চৌধ্য প্ৰসঙ্গ নাম কীৰ্ত্তন ধৰ্ম চৰ্চা বৈষ্ণব্য সাহিত্য চৰ্চা কৰি ইহকাল পৰকাল আৰু জাতিৰ উদ্‌গতি সাধন কৰিব পাৰিব। আকাশী গঙ্গা আৰু দৌল মণ্ডপৰো উন্নতি সাধন কৰাৰ লগে যাত্ৰী থকা ঘৰ ঠায়ে ঠায়ে সাজি দি, প্ৰসাৰ পাইখানাৰ আৰু পানীৰ বন্দৱস্ত কৰিব লাগিব আৰু গোটেই বৰদোৱা ৰমক-জমক কৰি দিলে ভাৰতৰ ভিতৰত এখন লেখত ল'বলগীয়া তীৰ্থ থান আৰু বিশ্ব ভ্ৰমণকাৰীসকলকো আকৃষ্ট কৰিব পৰা যাব। ইয়াৰ ভিতৰতে এতিয়া আলহী ঘৰ দুটা হৈ গ'ল।**

**মই ৰাজহ মন্ত্ৰী মহোদয়ক বৰদোৱাৰ চাৰিওফালে থকা ৰিজাৰ্ভৰ মাটি পত্তন নিদিবলৈ অনুৰোধ কৰিছোঁ, কিয়নো ভৱিষ্যতে বটদ্ৰৱা বিশ্ববিদ্যালয় কৰাৰ মোৰ পৰিকল্পনা আছে - যেনে, বোলপুৰ শান্তি নিকেতন বিশ্বভাৰতীৰ দৰে।'** (শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰসকলৰ অভিভাষণ ঃ সঙ্কলক-সম্পাদক - জীৱকান্ত নাথ ঃ প্ৰথম প্ৰকাশ, ২০০৫, ফেব্ৰুৱাৰী, পৃ. ৮৩-৮৪, প্ৰকাশক - শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ)

ভূঞাদেৱৰ পৰিকল্পনা আৰু বহুজন গুণীমানী লোকৰ পৰামৰ্শতেই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই থানৰ উন্নয়নৰ লগত জড়িত হৈছে আৰু বৰ্ত্তমান বৰদোৱা-আলিপুখুৰীৰ নিকটৱৰ্তী অঞ্চল ৰাইদঙীয়া-ভকতগাঁৱত চৰকাৰে দিয়া ভূমিত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ গৃহ নিৰ্মাণৰ বাবে প্ৰাৰম্ভিক কাৰ্যত আগবঢ়া হৈছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ নৰমগৰাকী পদাধিকাৰ পণ্ডিত ডিম্বেশ্বৰ নেওগদেৱে বৰদোৱাকেই গুৰুজনাৰ জন্মস্থান বুলি উল্লেখ কৰিছে - **'তেওঁ পোনতে তেওঁৰ জন্ম-স্থান বৰদোৱা অঞ্চলত আৰু তাৰ পিছে আন আন ঠাইত নাম-প্ৰসঙ্গৰ বাবে যি নাম-ঘৰ সজোৱাইছিল, তাৰ চাৰি বেৰ সদায় মুকলি। ইয়াৰ পৰাও তেওঁৰ নীতিৰ উদাৰতাৰ কথা বুজিব পাৰি।'** (যুগনায়ক শঙ্কৰদেৱ ঃ ডিম্বেশ্বৰ নেওগ; পূৰ্বশ্ৰী প্ৰকাশন, যোৰহাট, ৫২৮ শঙ্কৰাব্দ, পৃ. ২৯৩)

আন এগৰাকী সঙ্ঘৰ পদাধিকাৰ কৰ্মযোগী ঋষেশ্বৰ দলৈ বাপজনাইও সঙ্ঘৰ পৰা গুৰুজনাৰ জন্মস্থান বৰদোৱা সম্পৰ্কত এনেদৰে মনৰ কথা ঘোষণা কৰিছে - **'... তাৰ উপৰি জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱ এই পৱিত্ৰভূমি নগাঁৱতেই আৱিৰ্ভাৱ হৈছিল। নগাঁও মহাপুৰুষজনাৰ জন্ম আৰু কৰ্মভূমি। দূৰ-দূৰণিৰ পৰা অনেক লোক, বৰদোৱাক দ্বিতীয় বৈকুণ্ঠ বুলি ভাৱি দৰ্শন কৰিবলৈ আহে। নগাঁও জিলাৰ শ শ নামঘৰ, নাটে-ভাওনাই, গায়নে-বায়নে, পাঠে-প্ৰসঙ্গে আজিও মুখৰিত হৈ শঙ্কৰদেৱ আৰু মাধৱদেৱ দুয়োজনা মহাপুৰুষৰে মহিমা প্ৰকাশ কৰি আছে।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ২৫৯, সোণালী জয়ন্তী অধিৱেশন, নগাঁও নেহেৰুবালি, ১৯৮১ চন)**

দলৈ বাপজনাৰ বহল মনৰ পৰিচয় পোৱা যায় আন এখনি অভিভাষণত। ১৯৮২ চনৰ মঙ্গলদৈ অধিৱেশনৰ পদাধিকাৰৰ অভিভাষণত তেখেতে বৰদোৱা থানৰ কথা উল্লেখ কৰিলেও সমগ্ৰ অসমেই শঙ্কৰদেৱৰ জন্মস্থান বুলি গৌৰৱবোধ কৰিছে - **'এসময়ত কোচবেহাৰৰ পৰা শদিয়ালৈকে এই ভূ-খণ্ডক বৰ অসম বোলা হৈছিল। এই বৰ অসমৰ ধৰ্মাকাশতে শ্ৰীমন্ত শঙ্কৰ সূৰ্যৰ উদয় হৈছিল। বৰদোৱা থানকে কেন্দ্ৰ কৰি শঙ্কৰ সূৰ্যৰ পোহৰ উজনিৰ পৰা নামনিলৈকে সমগ্ৰ বৰ অসমতে পৰিছিল।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ২৭৭)**

১৯৬৩ চনত নাহৰকটীয়া অধিৱেশনত সঙ্ঘৰ আন এগৰাকী পদাধিকাৰ শশী চন্দ্ৰ বৰবৰুৱাই গুৰুজনাৰ জন্মস্থান সম্পৰ্কত কৈছিল - **'ব্ৰহ্মপুত্ৰৰ পাৰত মহাপুৰুষে জন্ম গ্ৰহণ কৰিছিল। তাৰাৰ ভক্তসৰ আমি সকলোটি আচল গুৰুক আৰু ভগৱানক চিনি পাই আমি প্ৰত্যেকেই ব্ৰহ্মাৰ পুত্ৰ বুলি ভাৱিব লাগে। মহাপুৰুষৰ নামত অস্পৃশ্যতা মহাপাপ ব্ৰহ্মপুত্ৰৰ সুঁতিত উটোৱাই দি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দেশ আমি সকলোৱে নিৰ্মল কৰা উচিত আৰু ৰাষ্ট্ৰৰ পিতা যুগাৱতাৰ মহাত্মাজীৰ কামনা সফল কৰি মঙ্গলময় ৰাষ্ট্ৰ গঢ়ি তোলাত সকলোৱে সহায় কৰিব লাগে। মই বৰ তেওঁ সৰু - এইভাৱেই পাপীৰ লক্ষণ। এইভাৱ পোষণ কৰি কোনো পাপীৰ শাৰীত নপৰক যেন।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১১৯)** এইজনা পদাধিকাৰে শঙ্কৰদেৱৰ জন্মস্থানৰ এবেগেত ভূমিৰ কথা নকৈ গুৰুজনাৰ আদৰ্শকহে গুৰুত্ব দি ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰতি থকা দেশৰ নাগৰিকৰ দায়-

দায়িত্বৰ প্ৰতি সাৱধান বাণী শুনাই থৈ গৈছে। **‘অথিৰ ধন-জন জীৱন-যৌৱন অথিৰ এহু সংসাৰ’** বুলি জীৱনদৰ্শন স্পষ্টভাষাৰে প্ৰকাশ কৰি যোৱা গুৰুজনে সেয়েহে বোধকৰো তাৰাৰ সৃষ্টিকৰ্মত নিজৰ জন্মস্থানৰ খাটাং সিদ্ধান্ত দি থৈ নগ’ল। ব্যক্তিগতভাৱে সেয়েহে আমিও ভাৱো ভূমিষ্ঠ হোৱা ক্ষুদ্ৰমান ভূমিৰ সন্ধানত লাগি নাথাকি বহল মনেৰে অসমবাসীয়ে গুৰুজনাৰ ধৰ্ম-দৰ্শন, সাহিত্য-সংস্কৃতি জগতত প্ৰচাৰ কৰি তাৰাৰ ধৰ্মাদৰ্শ সমাজ জীৱনক বাস্তৱত ৰূপ দি সমাজলৈ ৰূপান্তৰ আনক। বৰদোৱাৰ পৰা আলিপুখুৰী-পাটেকিবৰিলৈকে এই সমস্ত অঞ্চলেই শংকৰদেৱৰ জন্মস্থান বুলি সকলোৱে মানি লৈ দুয়োখন থানৰে উন্নতিকল্পে কাম কৰিব পাৰিলেই গুৰুজনৰ বৈকুণ্ঠপ্ৰাপ্তি আত্মাই চিৰশান্তি পাব নিশ্চয়। দুখন থানেই কিয়, দুয়োখন থানৰ মাজত অথবা কাষে-পাজৰে সমগ্ৰ অঞ্চলটোতেই গুৰুজনৰ নামত শিক্ষানুষ্ঠান প্ৰতিষ্ঠা হওক, সংগ্ৰহালয় প্ৰতিষ্ঠা হওক, গীত-নৃত্য-বাদ্যৰ গৱেষণাগাৰ হওক, থান-নামঘৰ আৰু অধিক প্ৰতিষ্ঠা কৰি পুৱা-গধূলি খোল-তালৰ, নাম-কীৰ্ত্তনৰ ধ্বনিৰে বৰদোৱা-আলিপুখুৰীৰ আকাশ ৰজনজনাই দিয়ক। মহাপুৰুষ গুৰুজনা বৰদোৱা-আলিপুখুৰীত জন্ম নহৈ যদি জি.এম.চি.ত জন্ম হ’লহেঁতেন, তেতিয়া আৰ.চি.চি. বিল্ডিং ভাঙি এবেগেত ভূমিত আধাৰশিলা স্থাপন কৰিবলৈ দিলেহেঁতেননে? তেতিয়া নিশ্চয় গুৱাহাটীৰ মাজমজিয়াত কোনোবা স্থানত শংকৰদেৱৰ জন্মভূমি বুলি ধৰি লৈ প্ৰকল্প নিৰ্মাণ কৰিলেহেঁতেন। উৰাজাহাজ থকাৰ দিন হোৱা হ’লে উৰাজাহাজৰ ওপৰতে বৰদোৱা-আলিপুখুৰীৰ অঞ্চলত জন্ম হোৱা হ’লে তেতিয়া বাৰু কি দশা হ’লহেঁতেন? লক্ষ্মীনাথ বেজবৰুৱাৰ ক্ষেত্ৰতো একেই ঘটনা ঘটি আছে মৰিগাঁও জিলাত। শংকৰদেৱক জগতগুৰু বুলি মানি লোৱা শংকৰদেৱৰ ভক্ত লক্ষ্মীনাথ বেজবৰুৱাই নিজৰ ক্ষেত্ৰতো জন্মস্থানৰ বিতৰ্ক হ’ব বুলি ভাৱিয়েই ‘মোৰ জীৱন সোঁৱৰণ’ত লিখি থৈ গৈছে অতি তাৎপৰ্যপূৰ্ণ আৰু দাৰ্শনিক ধ্যান-ধাৰণাৰে -

**‘মোৰ জন্মস্থান। ক’ত সেই important অৰ্থাৎ সাৰুৱা ঘটনা ঘটিছিল, মই থিৰাংকৈ ক’ব নোৱাৰোঁ। জীৱিতসকলৰ ভিতৰতে কোনোৱে ক’ব পাৰে বুলিও মই বিশ্বাস নকৰোঁ। ইয়াৰ কাৰণটো কি, অৱশ্যে মই ক’বলৈ বাধ্য। মোৰ জন্মবিৱৰণ যিটো মোৰ শ্ৰুতিগোচৰ হৈছিল সেইটো নিম্নলিখিত প্ৰকাৰৰ -**

**ঁপিতৃদেৱতা মুন্সেফ কামত নগাৱঁৰ পৰা বৰপেটালৈ বদলি হৈ নাৱেৰে গৈছিল। সেইকালত আসামত আজি-কালিৰ নিচিনা জাহাজ চলাচল যে নাছিল, সেইটো কোৱাই বাহুল্য। আঁহতগুৰি নামেৰে এডোখৰ ঠাইৰ বালিত গধূলি নাও বন্ধা হ’ল। ঁ মাতৃদেৱীয়ে বালিত আঁৰ কাপোৰৰ ভিতৰত ভাত ৰান্ধিবলৈ সোমাইছিল, এনেতে তেওঁৰ গা বেয়া কৰাত তেওঁ ভাত ৰান্ধিবলৈ এৰি, নাৱৰ কুন্ধিলৈ আহিল, আৰু আজিৰ এই জীৱন-সোঁৱৰণ-লেখক তেতিয়াৰ কোনো এক শুভ মুহূৰ্তত ভূমিষ্ঠ নহৈ নৌকাস্থ হ’ল। শুনিছিলোঁ, সেইদিনা হেনো পূৰ্ণিমা আৰু ঁলক্ষ্মীপূজা আছিল; সেইদেখিয়েই এই লেখকৰ নাম পিছত লক্ষ্মীনাথ ৰখা হৈছিল। বিৱৰণটোৰ গঢ়-গতি এই। আঁহতগুৰিৰ কাষৰ ব্ৰহ্মপুত্ৰৰ সেই ভাতৰন্ধা বালি কেতিয়া তল গ’ল, সেই বালিৰ পৰা, সেই চাপৰি খহাই শান্তনু কুলনন্দন আমোঘা গৰ্ভসম্ভূত লৌহিত্যই আকৌ কেতিয়া তাক ক’ত পাতিলে, মোৰ ভাৰসহোঁতা ব্ৰহ্মপুত্ৰৰ সেই চলন্তা পানী কলৈ বৈ গ’ল, কাঠৰ সেই নাওখন মোৰ জন্ম কুন্ধিটিৰে সৈতে কেতিয়া ক’ত পচি ভাগি ছিগি কোন পঞ্চভূতত বিলীন হ’ল, কোনে জানে, কোনে ক’ব পাৰে? হয়তো ব্ৰহ্মপুত্ৰৰ সেই চলন্তা পানী সাগৰত পৰি, কালক্ৰমত উভতি আকাশলৈ উঠি, ডাৱৰ হৈ বতাহৰ কোবত আকৌ ব্ৰহ্মপুত্ৰত বৰষুণৰূপে পৰি বৈ গৈ আকৌ সমুদ্ৰত পৰি, আকৌ কতবাৰ সেই পৰিৱৰ্তনৰ খেল খেলিছে; আৰু হয়তো তাৰে এটোপা গোটাদিয়েক কৃষ্ণবৰ্ণ দ্ৰব্যৰে সৈতে মিশ্ৰিত হৈ আজি এই লেখকৰ মৈলামত সোমাই কাপৰ আগেহি ওলাই এই তুলাপাতত লেখকৰ জীৱন-সোঁৱৰণ লেখাৰ সহায়ক হৈ পৰিছে, কোনে জানে, কোনে ক’ব পাৰে?”**

(মোৰ জীৱন সোঁৱৰণ ঃ লক্ষ্মীনাথ বেজবৰুৱা, প্ৰকাশক - বনলতা, ডিব্ৰুগড়, ১৯৯৮ চন, পৃ. ২-৩)

বেজবৰুৱাৰ দৃষ্টিৰে কবলৈ গ’লে - শংকৰদেৱ জন্ম হোৱা ক্ষুদ্ৰমান ভূমিৰ ধূলি-বালি কোন কাহানিবাই বতাহে উৰুৱাই নিলে কোনে কব পাৰিব? ‘নৌকাস্থ’ হোৱা বেজবৰুৱাৰ দৰেই যদি শংকৰদেৱো নৌকাস্থ হ’লহেঁতেন? সেয়েহে শশীচন্দ্ৰ বৰবৰুৱাদেৱে ঠিকেই কৈছে - **‘ব্ৰহ্মপুত্ৰৰ পাৰত মহাপুৰুষে জন্ম গ্ৰহণ কৰিছিল।’** এই ব্ৰহ্মপুত্ৰৰ পাৰেই হ’ল বৰদোৱা-আলিপুখুৰী। আজি ৫৬৩ বছৰ পাৰ হৈ যোৱাৰ পিছত আৰু ৫৬৩ বছৰতো গুৰুজনাৰ জন্মস্থানৰ শেষ সিদ্ধান্ত অসমৰ ৰাইজে আশা কৰিব পাৰিব জানো? সেয়েহে জ্যামিতিত ধৰি লোৱাৰ দৰেই অসমবাসীয়েও বৰদোৱা-আলিপুখুৰী অঞ্চলকেই গুৰুজনাৰ জন্মস্থান হিচাপে ধৰি লোৱাত আপত্তি কি? বহুজনে হয়তো কব - এইয়া গৱেষণামূলক দৃষ্টিভংগী নহয়। গৱেষণামূলক দৃষ্টিভংগীৰে ইমান বছৰে সমস্যাৰ সমাধান নহ’ল যেতিয়া আৱেগ-অনুভূতিৰে ভক্তি ভাৱেৰে মানি নললে বোধকৰো বৰদোৱা-আলিপুখুৰীবাসী তথা অসমবাসীৰ পৰিত্ৰাণ নাই। আমিও ভাৱো আমি সৰ্বজনে গুৰুজনাৰ মতাদৰ্শক বাস্তৱত ৰূপ দিব লাগে।

বৰাদেউ, শ্ৰীমন্ত শংকৰদেৱ সঁঘই গৱেষণামূলক দৃষ্টিভংগীৰেও জন্মস্থানৰ আঁতিগুৰি নিবিচৰা নহয়। সঁঘৰ সাহিত্য গৱেষণা পৰিষদৰ বৰ্তমান বৰ্ষৰ এগৰাকী গৱেষক হেমচন্দ্ৰ শইকীয়াদেৱে ২০১১ চনৰ জুলাই-চেপ্তেম্বৰ মাহৰ ভিতৰত জন্মস্থান সন্দৰ্ভত এলানি গৱেষণামূলক লেখা অসমীয়া খবৰ কাগজত প্ৰকাশ কৰিছিল। বৰাদেৱৰ নিশ্চয় দৃষ্টিগোচৰ হৈছে। শইকীয়াদেৱকে

আদি কৰি সঙ্ঘৰ বিষয়ববীয়া আৰু সংগীসকলে নিজৰ নিজৰ মতামত কাগজে-পত্ৰই, গ্ৰন্থ-আলোচনী আদিত প্ৰকাশ কৰি আহিছে। বৰাই অৱশ্যে সকলোকে চিনি নাপায় অথবা সঙ্ঘৰ কি দায়িত্বত কোন আছে তাকো নাজানে। অৱশ্যে জনাৰো প্ৰয়োজন নাই। আচল সত্যটোহে প্ৰকাশ পাব লাগে। শইকীয়াৰ বক্তব্য শুনি সঙ্ঘৰ মানুহে হাত চাপৰি বজোৱাৰ আঁৰৰ কাহিনী কি বৰাই এতিয়া গম পাইছে ছাগে। বৰাক আৰু সোঁৱৰাই থওঁ যে কেতিয়াবা কোনো লোকৰ বক্তব্য শুনি সঙ্ঘৰ মানুহে হাত চাপৰি বজালে তেতিয়া 'উৰহী গছৰ ওৰ' লবলৈ বৰাই নাপাহৰে যেন। এতিয়া দেখা গ'ল সঙ্ঘৰ তৰফৰ পৰা ৰমাকান্ত মুক্তিয়াৰ, হলধৰ ভূঞাৰ পৰা হেমচন্দ্ৰ শইকীয়া, প্ৰভাত দাসলৈকে শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ বিষয়ববীয়াসকলে, সংগীসকলে বৰদোৱা-আলিপুখুৰী সম্পৰ্কত যে নিজস্ব মতামত আগবঢ়াই আহিছে, সেই কথা বৰাক আৰু বিতংভাৱে নকলেও হ'ব বুলি ভাবিছোঁ।

ময়ূৰ বৰাদেৱে সঙ্ঘৰ ওপৰত শঙ্কৰদেৱৰ বিষয়ৰ বহু ভাৰ জাপি দি এইবাৰ আকৌ পশ্চিমবঙ্গৰ ভিতৰত থকা মধুপুৰ সত্ৰৰ উন্নয়নত কিয় সঙ্ঘই মাত মতা নাই বা কৰ্মত হাত দিয়া নাই - এই লৈ সঙ্ঘক আচামীৰ কাঠগড়াত থিয় কৰাইছে। বৰাৰ বক্তব্য হ'ল -

**'গুৰুজনাক অসমৰ বাহিৰত প্ৰচাৰ কৰাৰ কথা শুনিলেই আমাৰ মনলৈ শংকাৰ ভাৱ আহে। যিটো অনুষ্ঠানে ইমানবোৰ মানুহৰ সমৰ্থন লাভ কৰাৰ পাছতো কোনো এক ভৱিষ্যদৰ্শী আঁচনি লৈ গুৰুজনাক অসমৰ ভিতৰৰ বহু জাতি-জনগোষ্ঠীৰ হৃদয়ত প্ৰৱেশ কৰোৱাব পৰা নাই, তেওঁলোকে বাহিৰত প্ৰচাৰ কৰাৰ কথা ক'লে হাঁহিয়তাৰ পাত্ৰ নহ'বনে?'** (পৃ. ৫৩-৫৪)

বৰাই আকৌ কৈছে - **'তদুপৰি সকলো বিষয়তে চৰকাৰকেন্দ্ৰিক ভূমিকা নলৈ সংঘৰ দৰে বৃহৎ অনুষ্ঠানটোৱে নিজৰ ফালৰ পৰা সত্ৰখনক এক নূন্যতম মৰ্যাদাপূৰ্ণ অৱস্থালৈ আনিব নোৱাৰেনে? নে মধুপুৰৰ লগত সত্ৰ শব্দটো জড়িত আছে বাবে সংঘ দূৰতে বিদূৰ হয়? এনে সংকীৰ্ণ মনোভাৱেৰে আমি গুৰুজনাক অসমৰ বাহিৰত প্ৰচাৰ কৰিব পাৰিম জানো? আমি জানো, সংঘয়ো জানে কথাবোৰ। কিন্তু কেতিয়াবা চকু মুদা কুলি হৈ থকাৰ সুবিধাওতো কম নহয়।'** (পৃ. ৫৪)

অসমৰ ভিতৰত সঙ্ঘই জাতি-জনগোষ্ঠীৰ মাজত গুৰুজনাক কিমান প্ৰচাৰ কৰিছে, সেই কথাৰ উত্তৰ পিছলৈ থৈ মধুপুৰ সম্পৰ্কত তোলা প্ৰশ্নৰ উত্তৰহে ইয়াত বৰাদেৱৰ জ্ঞাতাৰ্থে প্ৰকাশ কৰিছোঁ। মধুপুৰ সত্ৰৰ লগত সত্ৰ শব্দ জড়িত থকাৰ বাবে সঙ্ঘৰ কোনো অসুবিধা হোৱা নাই। সত্ৰসমূহেও বা অসম সত্ৰ মহাসভাইও গুৰুজনাৰ সৃজিত সম্পদৰাজিকে মূলধন হিচাপে লৈ কাম কৰি আছে আৰু সঙ্ঘইও শঙ্কৰদেৱৰ গুৰুজনাৰ সম্পদৰাজিৰ আধাৰতেই তাৰাৰ ধৰ্মাদৰ্শ প্ৰচাৰ কৰিছে। দুই-এটা আদৰ্শগত দিশত দুয়োটা অনুষ্ঠানৰ কিছু বিৰোধ থাকিলেও কোনো কাৰো চিৰবৈৰী নহয়। এনেবোৰ অশুভ প্ৰাক্‌কল্পনাৰ বীজ সমাজৰ বাবে ক্ষতিকাৰক। বৰাই নিশ্চয় দেখিছে বা আজিৰ পৰা এমাহমানৰ আগতে শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘ, অসম সত্ৰ মহাসভা, একশৰণ নামধৰ্ম ভাগৱতী সমাজ আৰু চ'চাইটি ফৰ শঙ্কৰদেৱে গুৰুজনাক বাহিৰত প্ৰচাৰ কৰাৰ কাৰণে মিলিত হৈ খচৰা প্ৰস্তুত কৰিছে। শঙ্কৰদেৱৰ ধৰ্মাদৰ্শ প্ৰচাৰ কৰি থকা অসমৰ আন সংগঠন সমূহকো আহ্বান জনাই একত্ৰিত হৈ কাম কৰাৰ পৰিকল্পনা কৰা হৈছে। বাতৰি কাকতত প্ৰচাৰিত বাতৰিটোও বৰাৰ জ্ঞাতাৰ্থে লিপিবদ্ধ কৰি দিলোঁ -

**"গুৰুজনাক বিশ্ব দৰবাৰলৈ নিয়াৰ মহৎ লক্ষ্য ঃ একত্ৰিত হ'ল সত্ৰ মহাসভা শংকৰদেৱৰ সংঘ-ভাগৱতী সমাজ**

**প্ৰতিদিন সংবাদ, গুৱাহাটী, ১২ মাৰ্চ ঃ** বৃহত্তৰ অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম-সংস্কৃতি বিশ্ব দৰবাৰত প্ৰচাৰ-প্ৰসাৰৰ মহৎ লক্ষ্যৰে একত্ৰিত হৈছে অসমৰ সৰ্ববৃহৎ ধৰ্মীয়-সাংস্কৃতিক অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘ, অসম সত্ৰ মহাসভা আৰু একশৰণ ভাগৱতী সমাজ। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ ঐক্যবদ্ধ প্ৰচেষ্টাৰে গুৰুজনাক বিশ্ব দৰবাৰলৈ নিয়াৰ উদ্দেশ্যে ৰাজ্যৰ তিনিওটা ধৰ্মীয়-সাংস্কৃতিক অনুষ্ঠানে হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী আঁচনি প্ৰস্তুত কৰাৰ বাবে ইতিমধ্যে এখন কৰ্মনিৰ্ধাৰণ সমিতি গঠন কৰিছে। আজি এক সংবাদমেলযোগে এই সন্দৰ্ভত সবিশেষ ব্যাখ্যা আগবঢ়ায় একশৰণ ভাগৱতী সমাজৰ অসমৰ আচাৰ্য তথা কৰ্মনিৰ্ধাৰণ সমিতিখনৰ আহ্বায়ক দয়ালকৃষ্ণ বৰাই। তেওঁ কয় - 'শ্ৰীমন্ত শংকৰদেৱৰ সংঘ, অসম সত্ৰ মহাসভা আৰু একশৰণ ভাগৱতী সমাজ একেলগে বহি গুৰুজনাৰ ধৰ্ম-সংস্কৃতি প্ৰসাৰ-প্ৰচাৰৰ বিষয়ে আলোচনা কৰাটোৱেই এক ঐতিহাসিক ঘটনা। মহাপুৰুষজনা সৰ্বগুণাকৰ। যাকেৰি নাহিকে উপাম। তেৰাক বিশ্ব দৰবাৰলৈ লৈ যাবলৈ আমাৰ শক্তি নাই এনে নহয়, কিন্তু তাৰ বাবে প্ৰয়োজনীয় আঁচনি, সেই আঁচনি ৰূপায়ণৰ কাৰণে জনশক্তি, ধনশক্তি তাতোকৈ অধিক প্ৰয়োজন ইচ্ছাশক্তিৰ। আনহাতে উত্তৰ-পূৰ্বাঞ্চলতেই বিভিন্ন জনগোষ্ঠীৰ মাজত যি যি আঁচনিৰে আমি কাম কৰিব লাগে সেয়াও হোৱা নাই। গতিকে এইবোৰ দিশৰ লগতে মহাপুৰুষজনাৰ ধৰ্ম-সংস্কৃতি প্ৰচাৰ-প্ৰসাৰৰ অৰ্থে মহাপুৰুষজনাৰ ধৰ্ম-সংস্কৃতি প্ৰসাৰত জড়িত অসমৰ সকলো সৰু-বৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ মিলিত শক্তিৰে আমি আগবাঢ়িবলৈ মনস্থ কৰিছোঁ।' বৰাই কয় - 'এই উদ্দেশ্য আগত ৰাখি যোৱা ৬ মাৰ্চত আমাৰ আহ্বানক্ৰমে শ্ৰীমন্ত শংকৰদেৱৰ সংঘ, সত্ৰ মহাসভা আৰু একশৰণ ভাগৱতী সমাজৰ এখন যৌথ বৈঠক অনুষ্ঠিত হয়। শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ পদাধিকাৰ ৰজনীকান্ত দত্তৰ সভাপতিত্বত অনুষ্ঠিত গুৰুত্বপূৰ্ণ সভাখনত সত্ৰ মহাসভাৰ উপ-সভাপতি ৰিপু মহন্ত, নিৰঞ্জন মহন্ত, জিতেন মহন্ত, একশৰণ ভাগৱতী সমাজৰ অধ্যক্ষ প্ৰতাপ চন্দ্ৰ মেধি, লক্ষ্মীজিৎ দাস, সোণালী বৰা হাজৰিকাকে ধৰি অসম চেম্বাৰ অব্ কমাৰ্চৰ সভাপতি ৰূপম গোস্বামী, ছ'চাইটি ফৰ শ্ৰীমন্ত শংকৰদেৱৰ

অমল মহন্ত আদিয়ে গুৰুজনাৰ ধৰ্ম-সংস্কৃতি প্ৰচাৰ-প্ৰসাৰ সন্দৰ্ভত বিভিন্ন পৰামৰ্শ আগবঢ়ায়। এই সভাতেই প্ৰতিটো অনুষ্ঠানে নিজৰ নিজৰ বৈশিষ্ট্য ৰক্ষা কৰি গুৰুজনাৰ ধৰ্ম-সংস্কৃতি প্ৰচাৰ-প্ৰসাৰৰ উদ্দেশ্যে একত্ৰিত হৈ কাম কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। মহাপুৰুষীয়া সকলোবোৰ সৰু-বৰ অনুষ্ঠানকো সহযোগী হিচাপে লৈ সভাই মূল লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে প্ৰস্তাৱ গ্ৰহণ কৰে আৰু গুৰুজনাৰ কাৰণে যিয়ে সেৱা আগবঢ়াব খোজে, তেওঁলোক সকলোৰে কাৰণে দুৱাৰ মুকলি ৰখাৰো সিদ্ধান্ত গ্ৰহণ কৰে।' এইক্ষেত্ৰত হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী আঁচনি প্ৰস্তুত কৰাৰ উদ্দেশ্যে ইতিমধ্যে দয়ালকৃষ্ণ বৰাক আহ্বায়ক হিচাপে লৈ ভাগৱতী সমাজৰ প্ৰতাপ চন্দ্ৰ মেধি, শংকৰদেৱ সংঘৰ জীৱকান্ত নাথ, ৰবীন্দ্ৰনাৰায়ণ চৌধুৰী, সত্ৰ মহাসভাৰ ৰিপু মহন্ত, নিৰঞ্জন মহন্ত আৰু ছ'চাইটি ফৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ ড° সঞ্জীৱ বৰকাকতী আৰু অমল মহন্তক সদস্যৰূপে লৈ এখন কৰ্মনিৰ্ধাৰণ সমিতিও গঠন কৰা হৈছে বুলি আজি সংবাদমেলযোগে বৰাই প্ৰকাশ কৰে। বৰাই জনোৱা অনুসৰি কৰ্মনিৰ্ধাৰণ সমিতিয়ে শীঘ্ৰে বৈঠকত মিলিত হৈ আঁচনিৰ খচৰা প্ৰস্তুত কৰিব। তেওঁ লগতে গুৰুজনাক বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ মহৎ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত সকলোৰে সহযোগিতাও কামনা কৰে। সংবাদমেলত সত্ৰ মহাসভাৰ প্ৰাক্তন সভাপতি ভদ্ৰকৃষ্ণ গোস্বামী, উপ-সভাপতি ৰিপু মহন্ত, শংকৰদেৱ সংঘৰ ৰবীন্দ্ৰনাৰায়ণ চৌধুৰীও উপস্থিত থাকে।"

যি নহওক, মধুপুৰ সত্ৰৰ বাবে, বৰদোৱা থান সম্পৰ্কে অসম সত্ৰ মহাসভা, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ লগতে গুৰুজনাক ভালপোৱা সকলোৰেই মাত মাতি আহিছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই এই ক্ষেত্ৰত আনুষ্ঠানিকভাৱে মাত মতাৰ প্ৰমাণ পোৱা যায় ১৯৫৫ চনত দৰং জিলাত অনুষ্ঠিত হোৱা সঙ্ঘৰ অধিৱেশনত গৃহীত হোৱা প্ৰস্তাৱৰ পৰা। ১৯৫৫ চনত দৰং জিলাৰ জামুগুৰিহাটত ১৪, ১৫, ১৬ চ'তত পদাধিকাৰ হৰমোহন দাসৰ সভাপতিত্বত যি অধিৱেশন অনুষ্ঠিত হৈছিল, তাত মুঠ সাতটা প্ৰস্তাৱ গ্ৰহণ কৰি চৰকাৰলৈ প্ৰেৰণ কৰা হৈছিল। অসম আৰু অসমীয়াৰ জাতীয় স্বাৰ্থ ৰক্ষা কৰাৰ এই সাতটা প্ৰস্তাৱৰ ভিতৰতে দ্বিতীয় প্ৰস্তাৱটো আছিল মধুপুৰ সত্ৰৰ উল্লেখেৰে কোচবিহাৰক অসমৰ লগত চামিলকৰণ প্ৰস্তাৱ। প্ৰস্তাৱটো আছিল- **'দ্বিতীয় প্ৰস্তাৱ ঃ সভ্যতাৰ আৰহমান কালৰে পৰা কোচবিহাৰৰ লগত অসমৰ যোগসূত্ৰ দৃঢ় হৈ আহিছে। ভৌগোলিক, ঐতিহাসিক আৰু সাংস্কৃতিক সকলো ফালৰে পৰা কোচবিহাৰৰ মধুপুৰ অসমৰ অবিচ্ছেদ্য অংগ। কোচবিহাৰৰ মধুপুৰ অসমৰ তীৰ্থক্ষেত্ৰ। এনে অৱস্থাত কোচবিহাৰক ভাৰত চৰকাৰে পশ্চিমবঙ্গৰ লগত চামিল কৰা দুৰ্ঘোৰ অন্যায় হৈছে আৰু সেই সময়ত অসম চৰকাৰে প্ৰতিবাদ নকৰাটো দুখৰ কথা। গতিকে আজিৰ শ্ৰীশ্ৰী শঙ্কৰদেৱ সঙ্ঘ চতুৰ্বিংশ বাৰ্ষিক অধিৱেশনে বৰ্তমান সীমা কমিচনাৰৰ ওচৰত, ভাৰত চৰকাৰৰ ওচৰত দাবী কৰা হয়।' (নাম-ধৰ্ম, একত্ৰ সংকলন ঃ প্ৰথম খণ্ড ঃ সম্পাদক - কৈলাশ দাস আৰু সহযোগী সম্পাদক - জীৱকান্ত নাথ, প্ৰকাশক - শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, প্ৰথম প্ৰকাশ - ফেব্ৰুৱাৰী/২০০৬, পৃ. ৩৬০)** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই মধুপুৰ থান থকা কোচবিহাৰ অসমৰ লগত একত্ৰিত কৰিবৰ বাবে **'কোচবিহাৰ দিৱস'**ও পালন কৰি ৰাইজ আৰু চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে। (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৩৬৩), কোচবিহাৰক বিষয় হিচাপে লৈ 'নামধৰ্ম' মুখপত্ৰত সম্পাদকীয়ও প্ৰকাশ পাইছে। (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৪৪৬-৪৪৭), **'বৰদোৱা থানৰ সংৰক্ষণ'** শীৰ্ষক এটি লেখা সম্পাদকীয় পৃষ্ঠাত প্ৰকাশ পাইছে (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৫৭০), **'আই কনকলতা আৰু বৰদোৱা থান'** শীৰ্ষক এটি প্ৰৱন্ধ 'নামধৰ্ম'ত প্ৰকাশ কৰা হৈছে (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৬২১-৬২৩), **'বৰদোৱা থান'** সম্পৰ্কত কৃতজ্ঞতাসূচক এটি প্ৰস্তাৱ 'নামধৰ্ম'ত প্ৰকাশিত হৈছে (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৬২৯), বৰদোৱা থান সম্পৰ্কত এটি লেখা 'নামধৰ্ম'ত প্ৰকাশিত হৈছে (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৭০১)। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই বৰদোৱা সম্পৰ্কত ২০১২ চনৰ মাৰ্চ মাহত কোনো বেদখলকাৰীয়ে ভূমি অধিগ্ৰহণ কৰাৰ সম্পৰ্কত এটি বিবৃতি বাতৰি কাকতলৈ প্ৰেৰণ কৰে। সঙ্ঘৰ পদাধিকাৰ ৰজনী কান্ত দত্তই বাতৰি কাকতলৈ দিয়া বিবৃতিটো হ'ল -

**"বটদ্ৰৱা সত্ৰত মছজিদ নিৰ্মাণ ঃ উদ্বেগ প্ৰকাশ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ**

**প্ৰতিনিধি, শিৱসাগৰ, ১৮ মাৰ্চ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাৰ সন্দৰ্ভত শেহতীয়াকৈ মুখ খুলিছে শ্ৰীমন্ত শংকৰদেৱ সংঘই। অসমৰ জাতীয় জীৱনৰ আবেগ-অনুভূতি জড়িত হৈ থকা পবিত্ৰ বটদ্ৰৱা সত্ৰৰ কিছু অংশ মাটি বেদখলকাৰীৰ কৱলত পৰাত সংঘই গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ৰজনীকান্ত দত্তই বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক বিজ্ঞপ্তিত কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পবিত্ৰ জন্মস্থান বটদ্ৰৱা সত্ৰ। এই পবিত্ৰ ভূমিতে ১৪৪৯ খ্ৰীষ্টাব্দত মহাপুৰুষ শংকৰদেৱে অৱতাৰ গ্ৰহণ কৰি জগতৰ সকলো লোককে মানৱতাৰ মহামন্ত্ৰ দান কৰি থৈ গৈছিল। পবিত্ৰ সত্ৰখনত মুঠ ১৩০ বিঘা ১৩ লোচা মাটি আছিল যদিও বেদখলকাৰীৰ কৱলত পৰি সত্ৰখন সংকুচিত হৈ পৰা বুলি ব্যক্ত কৰি পদাধিকাৰ দত্তই আক্ষেপ কৰে। বেদখলকাৰীসকলে এনে হঠকাৰী কাৰ্যত লিপ্ত হৈ সত্ৰখন সংকুচিত কৰাৰ সময়তে আন এক ন্যস্তস্বাৰ্থ জড়িত মহলে সত্ৰখনৰ বিৰুদ্ধে গভীৰ ষড়যন্ত্ৰ কৰা বুলিও তেওঁ অভিযোগ কৰে। ন্যস্তস্বাৰ্থ জড়িত মহলটোৱে গুৰুজনাৰ পবিত্ৰ ধৰ্মীয় অনুভূতিত আঘাত হানি সত্ৰখনত মছজিদ নিৰ্মাণৰ অভিসন্ধি ৰচনা কৰা বুলি প্ৰকাশ কৰি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই এই কাৰ্যৰ পৰা সকলো লোককে আঁতৰি থাকিবলৈ পদাধিকাৰ ৰজনীকান্ত দত্তই বিজ্ঞপ্তিটোৰ যোগেদি আহ্বান জনাইছে।" (আজিৰ দৈনিক বাতৰি, ডিব্ৰুগড়, ১৯ মাৰ্চ, ২০১২)

এনেদৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই বৰদোৱা আৰু কোচবিহাৰ তথা মধুপুৰ সত্ৰ সম্পৰ্কত বিভিন্ন সময়ত বিভিন্ন প্ৰকাৰে মাত মাতি আহিছে। কেৱল ইমানেই নহয়, গুৰুজনৰ কৰ্মভূমি কোচবিহাৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই জিলা শাখা গঠন কৰি গুৰুজনাৰ মতাদৰ্শ প্ৰচাৰ-প্ৰসাৰ ঘটাই আছে। 'কোচবিহাৰ জিলা শাখা'খন সঙ্ঘৰ ৪৩ নং জিলা শাখা। ২০০৫ চনত কোচবিহাৰ জিলা শাখা গঠন কৰা হয়। অৱশ্যে ১৯৯৮ চন মানৰ পৰাই গুৰুজনাৰ সাহিত্য-সংস্কৃতি, ধৰ্মাদৰ্শ প্ৰচাৰ কৰিবৰ বাবে সঙ্ঘৰ পদাধিকাৰ, প্ৰধান সম্পাদক আৰু বিষয়ববীয়াসকল কোচবিহাৰলৈ গৈছে আৰু সংগঠনৰ দিশত প্ৰসাৰতা লাভৰ অৰ্থে সাংগঠনিক সভা-সমিতি অনুষ্ঠিত কৰিছে। কোচবিহাৰৰ শালবাৰীত জিলা নামঘৰ স্থাপন কৰি জিলাৰ সাংগঠনিক কাম-কাজ চলোৱাৰ লগতে মূলৰ লগত যোগাযোগ ৰক্ষা কৰি আহিছে। বৰ্তমান জিলা শাখাৰ সভাপতি পুষ্পনাৰায়ণ ভকত আৰু সম্পাদক ধনপ্ৰসাদ দাস। জিলাখনত তিনিখন প্ৰাথমিক শাখা ইতিমধ্যে গঠন কৰা হৈছে। প্ৰাথমিক শাখা তিনিখন হ'ল - কালজানী প্ৰাথমিক, কাকতকুটা-দামোদৰপুৰ প্ৰাথমিক আৰু নৰনাৰায়ণ চিলাৰায় প্ৰাথমিক। জিলা শাখাৰ বিষয়ববীয়া আৰু প্ৰাথমিকৰ বিষয়ববীয়াসকলে মধুপুৰ সত্ৰৰ লগত সংযোগ সূত্ৰ ৰক্ষা কৰি সত্ৰৰ উন্নয়ন কল্পে যৎপৰোনাস্তি সহযোগিতা আগবঢ়াই আহিছে। এনেদৰে দেখা যায় যে গুৰুজনাৰ জন্মস্থান, কৰ্মস্থান আদিত সঙ্ঘই সহযোগিতা, সহমৰ্মিতাৰে নিজৰ সক্ৰিয় স্থিতি ৰক্ষা কৰি আহিছে। বৰাদেৱে সঙ্ঘই বাহিৰত ধৰ্ম প্ৰচাৰ কৰিব পৰা নাই বুলি ইতিকিং, তাচ্ছিল্য কৰিলেও সঙ্ঘই কোচবিহাৰৰ উপৰি মেঘালয়, অৰুণাচল, নাগালেণ্ড আদি ৰাজ্যত প্ৰাথমিক শাখা গঠন কৰি গুৰুজনাৰ ধৰ্ম, সাহিত্য-সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰ ঘটাই আহিছে। (দ্ৰষ্টব্য ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ইতিহাস)

# সপ্তম অধ্যায়

# মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় ঃ এটি বাস্তৱ চিত্ৰ

ময়ুৰ বৰা ডাঙৰীয়াই 'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ' নামৰ গ্ৰন্থখনিত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘক অপবাদ দিয়াৰ পৰিকল্পনাৰে যিমানবোৰ জোৰা-তাপলি মৰা বিষয় উত্থাপন কৰিছে - এইবোৰৰ ভিতৰত এটা হৈছে **'শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ নামত ভেঁকো-ভাওনা'** শীৰ্ষক লেখাটো। (পৃ. ৫৭-৫৮) বিশ্ববিদ্যালয় সংক্ৰান্তত কোনো তথ্য-পাতি সংশ্লিষ্ট বিষয়ববীয়াৰ পৰা সংগ্ৰহ নকৰাকৈয়ে কেৱল দুটা অসম্পূৰ্ণ পৃষ্ঠাত যি তুলুঙা মন্তব্য দাঙি ধৰিছে - সেইটো পঢ়িলে বা জানিলে বৰাৰ দৰে বুদ্ধিজীৱীলৈ(?) কোনো লোকৰে পুতৌ নুপজি নোৱাৰে। বৰাই এঠাইত লিখিছে - **'শ্ৰীমন্ত শঙ্কৰদেৱৰ নামত সংঘই কেইবছৰমানৰ আগতে নগাঁও জিলাত এখন বিশ্ববিদ্যালয় স্থাপন কৰিব বুলি কোৱা বাতৰিত কিছু মানুহে স্বস্তিৰ নিশ্বাস কাঢ়িছিল। আমি নিজেও দেৰিকৈ হ'লেও অনুষ্ঠানটোৰ সুমতি হৈছে বুলি ভাৱিছিলোঁ। কিন্তু আমাৰ সন্তুষ্টিক অসাৰ প্ৰতিপন্ন কৰিবলৈ সংঘই বেছি সময় নল'লে।'** (পৃ. ৫৭) সচেতন নাগৰিক বুলি জানি বৰাৰ উৎসাহ-অনুপ্ৰেৰণাৰ উমান পাই ভাল লাগিছিল যদিও প্ৰস্তাৱিত বিশ্ববিদ্যালয়খনৰ অগ্ৰগতিৰ খতিয়ান এটা নোলোৱাকৈয়ে বৰাই অসন্তুষ্টি প্ৰকাশ কৰি মিছা অভিযোগ আনি সঙ্ঘৰ ভাৱমূৰ্ত্তি বিনষ্ট কৰিবৰ কাৰণে কৰা অপচেষ্টা দেখিহে আচৰিত নহৈ নোৱাৰিলোঁ। ব্যক্তি বিশেষৰ সন্তুষ্টি-অসন্তুষ্টিৰ ওপৰত নিৰ্ভৰ কৰি ৰাজহুৱা অনুষ্ঠান গঢ়ি নুঠে। বৰাই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘক গুৰুজনাৰ নামত প্ৰতিষ্ঠা কৰিবলৈ লোৱা বিশ্ববিদ্যালয়খনৰ আন্তঃগাঁঠনিৰ সংক্ৰান্তত মাত্ৰ এটা তুলুঙা বাক্যৰে যি পৰামৰ্শ প্ৰদান কৰিছে, সেইটোহে কিন্তু মন কৰিবলগীয়া। এই সংক্ৰান্তত বৰাই লিখিছে- **'আমি ভাবোঁ, বিশ্ববিদ্যালয়ৰ নামত এটা শীত-তাপ নিয়ন্ত্ৰিত ডাঙৰ ঘৰ, কেইখনমান ডাঙৰ গাড়ীৰ লগতে গুৰুজনাৰ আদৰ্শৰ লগত ৰজিতা খুৱাই এক সৰ্বাঙ্গসুন্দৰ অৰ্থবহ পাঠ্যক্ৰম তৈয়াৰ কৰি সুস্থ বৌদ্ধিক বাতাৱৰণ সৃষ্টি কৰি নল'লে এই সমগ্ৰ প্ৰক্ৰিয়াটো ভেঁকো-ভাওনাৰ নামান্তৰ হ'ব।'** (পৃ.৫৮) বৰাই কেইখনমান ডাঙৰ গাড়ী আৰু এটা শীত-তাপ নিয়ন্ত্ৰিত ঘৰতেই বিশ্ববিদ্যালয়ৰ দৰে উচ্চ শিক্ষাৰ অনুষ্ঠান এটা প্ৰতিষ্ঠা কৰিবলৈ দিয়া পৰামৰ্শটো 'অন্ধৰ হস্তী দৰ্শন'ৰ দৰেই নহ'বনে? বৰাই গুৰুজনাৰ আদৰ্শৰ লগত ৰজিতা খোৱাই পাঠ্যক্ৰম প্ৰস্তুত কৰিবলৈ দিয়া পৰামৰ্শটো গ্ৰহণযোগ্য যদিও গ্ৰন্থখনৰ কোনো কোনো ঠাইত এৰা-ধৰাভাৱে গুৰুজনাৰ আদৰ্শ পালন কৰিবলৈ দিয়া পৰামৰ্শটোহে অস্পষ্ট হৈ ৰ'ল। গুৰুজনাৰ কোনবোৰ আদৰ্শ ধৰিব লাগে আৰু কোনবোৰ এৰিব লাগে - এই সম্পৰ্কত গ্ৰন্থখনত এটা লেখা থকাহ'লে পাঠকৰ বুজিবলৈ সুবিধা হ'লহেঁতেন।

ময়ূৰ বৰাদেৱৰ পৰামৰ্শবোৰৰ লগতে কটাক্ষপাত কৰি কোৱা কথা এষাৰো মন কৰিবলগীয়া। বৰাই লিখিছে - **'আন এটা হাস্যকৰ কথা হ'ল প্ৰস্তাৱিত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য পদবীৰ বাবে উচ্চাকাংক্ষী এচামৰ মাজত কচৰৎ ইতিমধ্যে আৰম্ভ হৈছে।'** (পৃ. ৫৮) বৰাই বিশ্ববিদ্যালয়খনৰ আন একো তথ্য দিব নোৱাৰিলেও এই তথ্যটো বা ক'ৰ পৰা সংগ্ৰহ কৰিলে? বৰাই এনে কথা হাস্যকৰ বুলি ক'লেও বৰাৰ কথাষাৰো আমি হাস্যকৰ বুলি ভাবিছোঁ আৰু উচ্চাকাঙ্খা থকা সকলো লোকেই নিশ্চয় ভাবিব। সঙ্ঘৰ ভিতৰে-বাহিৰে কোনোবাই যদি উপাচাৰ্য হ'বলৈ কচৰৎ আৰম্ভ কৰিছে - সেইটো অৱশ্যে নাজানো। কিন্তু উচ্চ পদবী লাভ কৰিবলৈ উচ্চাকাঙ্খা কৰা কথাটো কেনেদৰে 'হাস্যকৰ' হ'ব পাৰে, সেইটোহে নুবুজিলোঁ। উচ্চাকাঙ্খা কাৰনো নাই! বৰা ডাঙৰীয়াৰ নাই জানো? বৰাই এই কথাবোৰ লিখি মনোবিজ্ঞানৰ কিবা নতুন তথ্যৰ সম্ভেদ দিম বুলি ভাবিছে নেকি - সেইটোহে বিচাৰ্য।

বৰ্তমান সময়ত এটা কথা সকলোৰে জানে যে এখন প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা কৰি চৰকাৰী স্বীকৃতি লাভ কৰোঁতে কমেও দহ-পোন্ধৰ বছৰৰ প্ৰয়োজন হয়। বৰাইও এইটো কথা নজনা নহয়। অসমত এনে শিক্ষানুষ্ঠানো ওলাব নিশ্চয়, যিবিলাকৰ পৰা প্ৰতিষ্ঠাপক শিক্ষকসকলে চৰকাৰী বেতন লাভ নকৰাকৈয়ে অৱসৰ গ্ৰহণ কৰিবলগীয়া হয়। চৰকাৰী নীতি-নিয়মৰ মেৰপাকত পৰি এখন শিক্ষানুষ্ঠান গঢ় দিয়া কিমান কষ্টসাধ্য কাম - সেইকথা ভুক্তভোগীসকলৰ বাহিৰে আনে বোধকৰো অনুভৱ কৰিব নোৱাৰিব। ২০০৬ চনত আৰম্ভ কৰিবলৈ লোৱা 'মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়'ৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। ময়ূৰ বৰাদেৱে কোৱাৰ দৰে কথা হয়তো বহুতেই কব পাৰিব - কিন্তু কাম কৰি বাস্তৱত ৰূপ দিয়াটো সিমান সহজ নহয়। প্ৰস্তাৱিত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ কাম ২০০৬ চনৰ পৰা ২০১১-১২ চনলৈ এই ছবছৰত প্ৰায় সম্পূৰ্ণ হোৱাৰ অন্তিম পৰ্যায়ত। ময়ূৰ বৰাদেৱৰ লগতে সকলোৰে জ্ঞাতাৰ্থে বিশ্ববিদ্যালয়খনৰ অগ্ৰগতিৰ এটি চমু খতিয়ান দাঙি ধৰাৰ প্ৰয়াস কৰিছোঁ।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই গুৰুজনাৰ নামত এখন বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ আনুষ্ঠানিকভাৱে আলোচনা কৰে নলবাৰী অধিৱেশন স্থলীত। ২০০৬ চনত নলবাৰী অধিৱেশন স্থলীত অনুষ্ঠিত হোৱা মূলৰ কাৰ্যনিৰ্বাহক সভাই 'মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়' প্ৰতিষ্ঠা সম্পৰ্কত গুৰি ধৰিবৰ বাবে এখন ট্ৰাষ্ট সমিতি গঠন কৰি অনুমোদন জনায়। ট্ৰাষ্টৰ নাম দিয়া হ'ল -

'Srimanta Sankaradeva Education and Socio-Economic Development Trust' অৰ্থাৎ 'শ্ৰীমন্ত শঙ্কৰদেৱ শিক্ষা আৰু আৰ্থ-সামাজিক উন্নয়ন ন্যাস'। প্ৰথমখন ট্ৰাষ্ট সমিতি হ'ল - উপদেষ্টা ঃ কমলেশ্বৰ বৰা (অৱসৰপ্ৰাপ্ত ভাৰতীয় প্ৰশাসনিক বিষয়া আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য), উপদেষ্টা ঃ মাধৱ কুমাৰ নাথ (ডিজাষ্টাৰ মেনেজমেণ্ট কেন্দ্ৰৰ প্ৰাক্তন সঞ্চালক আৰু দক্ষিণ-পশ্চিম এচিয়াৰ উত্তৰ-পূৱ ভাৰতৰ ডিজাষ্টাৰ মেনেজমেণ্টৰ পৰামৰ্শদাতা), সভাপতি ঃ ৰজনীকান্ত দত্ত (বৰ্তমানৰ পদাধিকাৰ), সম্পাদক ঃ উপেন চন্দ্ৰ নাথ (তেজপুৰ), কোষাধ্যক্ষ ঃ হৰিপ্ৰসাদ হাজৰিকা (প্ৰধান সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ), সদস্যসকল ঃ ড° ৰাতুল চন্দ্ৰ বৰা (যোৰহাট), ড° সঞ্জীৱ কুমাৰ বৰকাকতি (নগাঁও), পদ্মনাথ কাকতি (যোৰহাট), ঘনশ্যাম পাঠক (তেজপুৰ), কৈলাস দাস (নগাঁও), অনন্তৰাম বৰা (কলিয়াবৰ), হৰেণ বৰা (গুৱাহাটী) আৰু বন্দনা দেৱী (মৰিগাঁও)। ইয়াৰ পিছতো বৰ্তমান বৰ্ষলৈকে বিষয়বাব সাল-সলনি কৰি আৰু দুখন ট্ৰাষ্ট সমিতিয়ে প্ৰস্তাৱিত বিশ্ববিদ্যালয়খনৰ কাম-কাজ নিয়াৰিকৈ সম্পাদন কৰি বৰ্তমান অৱস্থা পোৱাইছেহি।

২০০৬ চনত প্ৰথমখন ট্ৰাষ্ট সমিতি গঠন হোৱাৰ পিছত ২০০৭ চনৰ জানুৱাৰী মাহৰ ২৪ তাৰিখে নগাঁৱৰ চিনিয়ৰ চাব ৰেজিষ্ট্ৰাৰ কাৰ্যালয়ত এখন ট্ৰাষ্ট ডিড পঞ্জীয়ন কৰা হয়। পঞ্জীয়ন নম্বৰ হ'ল - (218/181V)। ইয়াৰ পিছত ২০০৭ চনৰ ২৯ নৱেম্বৰ তাৰিখে অসম চৰকাৰৰ ১৮৬০ চনৰ ছছাইটি ৰেজিষ্ট্ৰেচন এক্টৰ অধীনত পঞ্জীয়ন কৰা হয়। পঞ্জীয়ন নম্বৰ হ'ল - RG/ NG/254/H/133, ট্ৰাষ্টৰ ই-মেইল হ'ল - ssesedtrust@rediffmail.com আৰু ট্ৰাষ্টৰ PAN NO. AAFAS 6894 N. আয়কৰ বিভাগৰ ৰেজিষ্ট্ৰেচন নং U/S 12 AA ৰ নং 54/12A(a)/CIT/GHY-1/2010-2011.

ট্ৰাষ্ট সমিতিয়ে নিজৰ লক্ষ্য আৰু উদ্দেশ্যৰে নিৰ্দিষ্ট স্থানত উপনীত হোৱাৰ পৰিকল্পনাৰে কিছু উদ্দেশ্য আগত ৰাখি কাম কৰি যাবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ উত্তৰ-পূৰ্বাঞ্চলৰ এটি বৃহৎ ধৰ্মীয়-সামাজিক-সাংস্কৃতিক সংগঠন। সঙ্ঘৰ শিক্ষামূলক, আৰ্থসামাজিক আৰু জনকল্যাণমুখী আঁচনিসমূহ সুপৰিকল্পিতভাৱে বাস্তৱ ৰূপ দিব পৰাটোৱেই ট্ৰাষ্টৰ মূল লক্ষ্য আৰু উদ্দেশ্য। ট্ৰাষ্ট গঠনৰ মূল লক্ষ্য আৰু উদ্দেশ্য সমূহ চমুকৈ উল্লেখ কৰা হ'ল - (১) আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ শিক্ষাৰ লগতে নৈতিক আৰু আধ্যাত্মিক শিক্ষা প্ৰদানৰ অৰ্থে প্ৰাক-প্ৰাথমিকৰে পৰা বিশ্ববিদ্যালয় পৰ্যন্ত সুপৰিকল্পিতভাৱে শিক্ষানুষ্ঠান স্থাপন কৰা, (২) বৃত্তিমুখী শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা, (৩) শঙ্কৰদেৱৰ নামত চিকিৎসালয় স্থাপন কৰি অৰ্থনৈতিকভাৱে অনগ্ৰসৰ অঞ্চলত বিনামূলীয়া চিকিৎসা সেৱা প্ৰদান কৰা আৰু ব্লাড বেঙ্ক, আই বেঙ্ক আৰু এম্বুলেঞ্চ সেৱা প্ৰৱৰ্তন কৰা, (৪) নিবনুৱা যুৱক-যুৱতীসকলৰ সংস্থাপনৰ কাৰণে স্বাৱলম্বী গোট গঠন কৰা, (৫) স্বাস্থ্যসন্মত বিশুদ্ধ খোৱাপানী যোগান ধৰা, (৬) সামাজিক অন্যায়, কু-সংস্কাৰ, অন্ধবিশ্বাস আদিৰ বিৰুদ্ধে সমাজত সজাগতা সৃষ্টি কৰা, (৭) সঙ্ঘৰ শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয় আৰু শঙ্কৰী সংগীত বিদ্যালয়সমূহৰ আন্তঃগাঁঠনি উন্নত কৰণ, (৮) অতিথিশালা, অনাথ আশ্ৰম আৰু বৃদ্ধ নিৰাস গঢ়ি তোলা, (৯) বিত্তীয় প্ৰতিষ্ঠান স্থাপনৰ যোগেদি আৰ্থিক সমস্যা সমাধান কৰা, (১০) শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম-দৰ্শন, সাহিত্য-সংস্কৃতিৰ চৰ্চাকেন্দ্ৰৰূপে প্ৰকল্প, গৱেষণা কেন্দ্ৰ, পুথিভঁড়াল, প্ৰেক্ষাগৃহ আদি নিৰ্মাণ কৰা, (১১) শিশু আৰু মহিলাক সৱলীকৰণৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰা। উপৰিউক্ত লক্ষ্যসমূহৰ ভিতৰৰে কেইবাটাও দিশত ইতিমধ্যে আগবাঢ়ি কৰ্ম সম্পাদন কৰি থকা হৈছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়খনৰ কাম প্ৰায় অন্তিম পৰ্যায়ত। বিত্তীয় প্ৰতিষ্ঠান স্থাপনৰ উদ্দেশ্যৰে 'শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আৰ্থিক বিকাশ সমিতি' নামেৰে বেঙ্ক পৰ্যায়ৰ এটি প্ৰতিষ্ঠান চৰকাৰীভাৱে পঞ্জীয়ন কৰাই ১১ টা শাখা গঠন কৰি বিত্তীয় লেনদেনৰ কাম পূৰ্ণ গতিত চলি আছে। অসমৰ বিভিন্ন জিলাৰ আৰ্থিক বিকাশ সমিতিৰ শাখাসমূহ হ'ল - কলিয়াবৰ, নগাঁও, মঙ্গলদৈ, কামৰূপ, শিৱসাগৰ, যোৰহাট, তিনিচুকীয়া, ডিব্ৰুগড়, তেজপুৰ, ডিমৌ আৰু মৰাণ শাখা। ২০১২ বৰ্ষত গোলাঘাট, চাবুৱা, মৰিগাঁও আদি স্থানত শাখা স্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বৰ্তমান ১১ টা শাখাত ১১ জন শাখা পৰিচালক আৰু ১১ জন কাৰ্যালয় সহকাৰীসহ মুঠ ২২ জন নিবনুৱা যুৱক-যুৱতীক সংস্থাপিত কৰা হৈছে। নগাঁও জিলাত চিকিৎসা সেৱা কেন্দ্ৰ স্থাপন কৰি এম্বুলেঞ্চ সহ চিকিৎসা সেৱা ট্ৰাষ্ট সমিতিয়ে কাৰ্যক্ষম কৰি তুলিছে। ২০০৬ চনত গঠন হোৱা আৰু চৰকাৰীভাৱে অনুমতি লাভ কৰা ট্ৰাষ্ট সমিতিখনে উপৰিউক্ত এই তিনিটা দিশত সাফল্য মুখ দেখিবলৈ পাইছে। ময়ূৰ বৰাক প্ৰস্তাৱিত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ কথা অৱগত কৰিম বুলি আমি ট্ৰাষ্ট সমিতিৰ কাম-কাজবোৰৰ কথাও চমুকৈ হ'লেও কাণচোৱাবলগীয়া হ'ল এইকাৰণেই যে বিশ্ববিদ্যালয়খন ট্ৰাষ্ট সমিতিয়ে কৰা কামৰ এটা উদ্দেশ্য বা লক্ষ্যহে। এতিয়া আমি বিশ্ববিদ্যালয়খনৰ এটি চমু খতিয়ান আৰু অগ্ৰগতি দাঙি ধৰিবলৈ প্ৰয়াস কৰিছোঁ।

"শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ"ক "Sponsoring Body" আৰু "শ্ৰীমন্ত শঙ্কৰদেৱ এডুকেচন এণ্ড চচিঅ'ইক'নমিক ডেভেলপমেণ্ট ট্ৰাষ্ট"ক "Management Body" হিচাপে লৈ "মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়"ৰ সকলো দিশৰ কাম-কাজ ২০০৬ চনৰ পৰা ২০১১-১২ চনলৈকে পূৰ্ণগতিত ক্ৰমান্বয়ে আগবাঢ়ি যায়। প্ৰস্তাৱিত বিশ্ববিদ্যালয়খনৰ পৰিকল্পনা কৰিবৰ বাবে সঙ্ঘৰ মূল কাৰ্যনিৰ্বাহকৰ অনুমোদনক্ৰমে এখন 'মাষ্টাৰ প্লেন প্ৰস্তুতি সমিতি' গঠন কৰা হয়। মাষ্টাৰ প্লেন প্ৰস্তুতি সমিতিখনৰ প্ৰথম বৈঠক অনুষ্ঠিত হৈছিল ২৬-০২-২০০৬ তাৰিখে যোৰহাট নগৰৰ চন্দ্ৰকমল বেজবৰুৱা কমাৰ্চ কলেজত। এই বৈঠকতে বিশ্ববিদ্যালয়ৰ

কাম-কাজসমূহ সুপৰিকল্পিতভাৱে আগুৱাই নিবৰ বাবে কেইখনমান উপ-সমিতি গঠন কৰা হয়। এই উপ-সমিতি কেইখন হ'ল - (১) আন্তঃগাঠনি উপ-সমিতি, (২) বিশ্ববিদ্যালয় আইন আৰু নীতি নিৰ্দেশনা প্ৰণয়ন উপ-সমিতি, (৩) বিদ্যায়তনিক উপ-সমিতি, (৪) শাৰীৰিক, নৈতিক আৰু আধ্যাত্মিক উপ-সমিতি, (৫) Applied Science and Technology Sub-Committee, (৬) Social Science and Communication Sub-Committee, (৭) Natural Resource Management and Conservation Sub-Committee, (৮) আয়ুৰ্বেদ আৰু প্ৰাকৃতিক চিকিৎসা উপ-সমিতি।

মাষ্টাৰ প্লেন প্ৰস্তুতি সমিতিৰ দ্বিতীয়খন বৈঠক ১২-০৯-২০০৬ তাৰিখে গুৱাহাটীৰ ৰূপনগৰৰ শঙ্কৰী সংস্কৃতি কেন্দ্ৰত অনুষ্ঠিত কৰা হয়। আকৌ ১১-১১-২০০৬ তাৰিখে 'Academic Master Plan Meeting' হিচাপে তৃতীয় বৈঠকখনো ৰূপনগৰতে অনুষ্ঠিত হয়। উক্ত বৈঠকত 'Memorandum of Association' নামেৰে এখন সমিতি গঠন কৰা হয়। অসমৰ শিক্ষাবিদ আৰু প্ৰশাসনিক সেৱাৰ বিশেষ পাৰদৰ্শিতা থকা কেইবাজনো সদস্যৰে সৈতে এই সমিতি গঠন কৰা হয়। সদস্যসকল আছিল - (১) কমলেশ্বৰ বৰা, (২) ড° নিৰ্মল কুমাৰ চৌধুৰী, (৩) ড° কিশোৰীমোহন পাঠক, (৪) ড° ৰাতুল চন্দ্ৰ বৰা, (৫) ড° সঞ্জীৱ কুমাৰ বৰকাকতি, (৬) দেৱদাস কাকতি, (৭) মাধৱচন্দ্ৰ দাস আৰু (৮) সুমন্ত চলিহা। উক্ত সভাতে 35 AC ৰ যোগেদি বিশ্ববিদ্যালয়ৰ পুঁজি সংগ্ৰহৰ বাবে মাধৱ কুমাৰ নাথে ৭ টা প্ৰজেক্ট দাখিল কৰে।

'Memorandum of Association'ৰ প্ৰথমখন বৈঠক অনুষ্ঠিত কৰা হয় ১৮-১১-২০০৬ তাৰিখে ৰূপনগৰৰ শঙ্কৰী সংস্কৃতি কেন্দ্ৰত। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য কমলেশ্বৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত এখন আইন তথা নীতি নিৰ্দ্ধাৰণ সমিতি গঠন কৰা হয়। বিশ্ববিদ্যালয়ৰ আন্তঃগাঠনিৰ কাম-কাজ ৰূপায়ণৰ বাবে আন এখন সমিতিও গঠন কৰা হয়। বিশ্ববিদ্যালয়ৰ শৈক্ষিক দিশত পৰামৰ্শ দিবৰ বাবে ২০০৬ চনতে অসমৰ কেইবাজনো শিক্ষাবিদ সাহিত্যিকক লৈ এখন শক্তিশালী সমিতি গঠন কৰা হয়। কমলেশ্বৰ বৰাক সভাপতি আৰু উপেন চন্দ্ৰ নাথক সম্পাদক হিচাপে লৈ গঠন কৰা সমিতিখনৰ সদস্যসকল আছিল ড° লক্ষীনন্দন বৰা, ড° নিৰ্মল কুমাৰ চৌধুৰী, ড° কিশোৰীমোহন পাঠক, ড° ৰাতুল চন্দ্ৰ বৰা, ড° সঞ্জীৱ কুমাৰ বৰকাকতি, সুমন্ত চলিহা, মাধৱ চন্দ্ৰ দাস, বলিনাৰায়ণ ফুকন আৰু ৰজনীকান্ত দত্ত। সমিতিৰ উপদেষ্টাদ্বয় আছিল কৰুণাকান্ত কলিতা আৰু হৰিপ্ৰসাদ হাজৰিকা। উল্লেখযোগ্য যে এই সমিতিৰ অন্যতম সদস্য সুমন্ত চলিহাই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'অসমীয়া স্থাপত্যৰ নৱৰূপ' নামৰ অমূল্য ৰচনাখনিৰ ভিত্তিত প্ৰস্তাৱিত বিশ্ববিদ্যালয়ৰ মূল গৃহটোৰ এটি নক্সা সভাক প্ৰদান কৰে। চাৰিমহল যুক্ত গৃহটো এখন শৰাইৰ আকৃতিৰে অঙ্কন কৰি দিছিল চলিহাই।

এইখিনিতে এটা কথা বিশেষভাৱে উল্লেখযোগ্য যে ২০০৬ চনলৈকে অসমত Private University নথকাৰ বাবে অসম চৰকাৰৰ ওচৰত তেনে কোনো আইন নাছিল। শঙ্কৰদেৱ বিশ্ববিদ্যালয় স্থাপন কৰিবৰ বাবে চৰকাৰৰ এখন আইনৰ প্ৰয়োজন হ'ল। আইন এখন হ'লেহে চৰকাৰে গ্ৰহণ কৰি সঙ্ঘক এখন বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ অনুমতি দিব পাৰে। সেয়েহে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আৰু ট্ৰাষ্ট সমিতিৰ ফালৰ পৰাই আইন প্ৰস্তুত কৰি চৰকাৰৰ ওচৰত দাখিল কৰিবৰ বাবে আগবঢ়া হ'ল। সেয়েহে আইন এখন প্ৰস্তুত কৰিবৰ বাবে ট্ৰাষ্ট সমিতিয়ে অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত আয়ুক্ত সচিব মাধৱ চন্দ্ৰ দাসক লৈ এখন এজনীয়া সমিতি গঠন কৰি দিয়ে। দাস মহোদয়ে অশেষ কষ্ট স্বীকাৰ কৰি ভাৰতবৰ্ষৰ প্ৰাইভেট বিশ্ববিদ্যালয় থকা কেইবাখনো ৰাজ্যলৈ গৈ আইনসমূহ সংগ্ৰহ কৰি আনি সকলোবোৰ দিশ নিৰীক্ষণ কৰি শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ বাবে এখন আইন প্ৰণয়ন কৰি উলিয়ায়। মাধৱ চন্দ্ৰ দাসে প্ৰণয়ন কৰি উলিওৱা 'Assam Private Universities Act' খন ২০০৬ চনৰ ৭ ডিচেম্বৰ তাৰিকে ট্ৰাষ্ট সমিতিয়ে মুখ্যমন্ত্ৰী তৰুণ গগৈদেৱক দাখিল কৰে। মুখ্যমন্ত্ৰী মহোদয়ে আইনখন তদানীন্তন শিক্ষামন্ত্ৰী ৰিপুন বৰাদেৱলৈ প্ৰেৰণ কৰে। দুই-এটা কথা সংযোগ কৰি শিক্ষামন্ত্ৰী বৰাই ট্ৰাষ্ট সমিতিয়ে অনুমোদন দিয়া আইনখন পাচ কৰিবৰ বাবে বিধান সভাৰ মজিয়াত দাখিল কৰে। 'The Assam Private Universities Act, 2007' আইনখন ২০০৭ চনৰ ৮ মে তাৰিখে বিধান সভাত গৃহীত হয়। আমি কৰি অহা এনে আলোচনাৰ পৰা দেখা গ'ল যে বিভিন্ন সমিতি গঠন কৰি কাম-কাজসমূহ আগুৱাই নি চৰকাৰৰ ওচৰত আইন এখন পাচ কৰাই লোৱালৈকে প্ৰায় ডেৰ বছৰ কাল অতিক্ৰম কৰিলে।

কেৱল আইন এখন চৰকাৰে গ্ৰহণ কৰিলেই এটা শিক্ষানুষ্ঠান গঢ় লৈ নুঠে। চৰকাৰীভাৱে নিৰ্দ্ধাৰিত হৈ থকা নীতি-নিয়মসমূহ পৰ্যায়ক্ৰমে কাৰ্যকৰী ৰূপ দিব পাৰিলেহে শিক্ষানুষ্ঠান এটাই পোহৰৰ মুখ দেখিবলৈ সক্ষম হয়। পৰ্যায়ক্ৰমে আগবাঢ়িবলৈ যাওঁতে ট্ৰাষ্ট সমিতিয়ে আইন গৃহীত হোৱাৰ পিছত শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় স্থাপনৰ কাৰণে চৰকাৰৰ ওচৰত অনুমতি বিচাৰি আবেদন জনায়। ট্ৰাষ্ট সমিতিৰ পৰা আবেদন লাভ কৰি অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ পৰা ব্যক্তিগত বিশ্ববিদ্যালয় স্থাপনৰ বাবে আবেদন বিচাৰি ২০০৭ চনৰ ১২ চেপ্তেম্বৰ তাৰিখে 'The Assam Tribune' কাকতত জাননী জাৰি কৰে। চৰকাৰী জাননীমতে ব্যক্তিগত বিশ্ববিদ্যালয় স্থাপনৰ অনুমতিৰ বাবে ১০ লাখ টকাৰ (non refundable) সৈতে ১০ টা প্ৰজেক্ট আৰু ১০ টা Soft copy (CD) জমা দিব লাগে। সেয়েহে ট্ৰাষ্ট সমিতিয়ে পলম নকৰি দুমাহৰ ভিতৰতে অৰ্থাৎ ২০০৭ চনৰ ১২ নৱেম্বৰ তাৰিখে ১০ লাখ টকাসহ প্ৰজেক্টসমূহ জমা দিয়ে। ইয়াৰ লগে লগে প্ৰস্তাৱিত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ বাবে প্ৰয়োজনীয় ভূমি

আবণ্টন দিবৰ বাবে চৰকাৰৰ নিৰ্দিষ্ট বিভাগৰ ওচৰত আবেদন জনোৱা হয়। উল্লেখযোগ্য যে বিশ্ববিদ্যালয়ৰ বাবে অসম চৰকাৰে গঠন কৰি দিয়া এখন Screening Committeeৰ সন্মুখত বিশ্ববিদ্যালয়ৰ কাৰণে প্ৰস্তুত কৰা প্ৰজেক্টসমূহ উপস্থাপন কৰা হয়। Screening Committeeয়ে প্ৰজেক্টসমূহ চাই চৰকাৰৰ ওচৰত report দাখিল কৰে। ইয়াৰ পিছত অসম চৰকাৰে ২২-০৭-২০০৮ তাৰিখে বিশ্ববিদ্যালয় স্থাপনৰ অনুমতি প্ৰদানৰ বাবে সঙ্ঘৰ ট্ৰাষ্ট সমিতিলৈ দুবছৰৰ সময়সীমা বান্ধি দি 'Letter of Intent' প্ৰেৰণ কৰে। 'Letter of Intent'ত থকা মুখ্য চৰ্তসমূহ আছিল (১) ২০ একৰ অৰ্থাৎ ৬০ বিঘা মাটি ট্ৰাষ্ট সমিতিৰ নামত থাকিব লাগিব, (২) ১০ হেজাৰ বৰ্গমিটাৰ পৰিমাণৰ স্থায়ী গৃহ নিৰ্মাণ, (৩) পুথিভঁড়ালত ১০ লাখ টকা মূল্যৰ প্ৰয়োজনীয় গ্ৰন্থ, (৪) ২০ লাখ টকা মূল্যৰ কম্পিউটাৰ আৰু প্ৰয়োজনীয় আঁচবাব। ইয়াৰ উপৰি বিশ্ববিদ্যালয়ৰ অনুমতি দিয়াৰ লগে লগে ২ কোটি টকা 'কৰ্পাচ ফাণ্ড'ত স্থায়ীভাৱে জমা ৰাখিব লাগিব। ২০০৮ চনৰ 'Letter of Intent' লাভ কৰা দিনৰে পৰা সঙ্ঘ আৰু ট্ৰাষ্ট সমিতিয়ে অশেষ কষ্ট স্বীকাৰ কৰি বৰ্তমান তাৰিখলৈকে অৰ্থাৎ ২০১২ চনৰ প্ৰাৰম্ভলৈকে সকলো চৰ্ত পূৰণ কৰিবলৈ সক্ষম হৈছে। ০৬-০১-২০১১ তাৰিখে চৰকাৰী আদেশ নং RSS-338/2006/77 ৰ যোগেদি ৬০ বিঘা মাটি নগাঁও নগৰৰ পৰা ৮ কিলোমিটাৰ দূৰত্বত নগাঁও বৰদোৱা পথত ৰাইদঙীয়া নামে ঠাইত চৰকাৰী কতৃপক্ষই আবণ্টন দিয়ে আৰু উক্ত স্থানত চাৰিসীমা চম্জি লৈ বৰ্তমান প্ৰাৰম্ভিক কাম আৰম্ভ কৰা হৈছে। অৱশ্যে ইয়াৰ পূৰ্বে যোৱা তিনি বছৰত নগাঁৱৰ কলংপাৰত অৱস্থিত সঙ্ঘৰ মুখ্য কাৰ্যালয় চৌহদত নিজা মাটিত প্ৰয়োজনীয় গৃহ আৰু আঁচবাব ক্ৰয় কৰি পাঠ্যক্ৰম আৰম্ভ কৰিব পৰাকৈ ট্ৰাষ্ট সমিতি সাজু হৈ আছে। উক্ত গৃহতে অনুসন্ধান কেন্দ্ৰ, পুথিভঁড়াল, শ্ৰেণীকোঠা, লেবৰেটৰী, কম্পিউটাৰ লেবৰেটৰী আদি স্থাপনৰ কাম সম্পূৰ্ণ কৰা হৈছে। ১৪ লাখ টকা মূল্যৰ বিশ্ববিদ্যালয়ৰ প্ৰয়োজনীয় গ্ৰন্থ পুথিভঁড়ালত ইতিমধ্যে সংগৃহীত হৈছে। প্ৰয়োজনীয় কম্পিউটাৰ আৰু আচবাব সমূহো চৰ্ত অনুসৰি সমান মূল্যৰ সম্পদ ক্ৰয় কৰা হৈছে। চৰকাৰে অনুমতি প্ৰদান কৰিলেই 'কৰ্পাচ ফাণ্ড'ত জমা দিব লগীয়া প্ৰয়োজনীয় বৃহৎ পৰিমাণৰ ধনৰাশি বেঙ্কত জমা কৰি ৰখা হৈছে। পাঠ্যক্ৰম সমূহো প্ৰস্তুত কৰি তোলা হৈছে। পাঠ্যক্ৰম প্ৰস্তুত সন্দৰ্ভত ইতিমধ্যে কেইবাখনিও কৰ্মশালা অনুষ্ঠিত হৈ গৈছে। এনে পাঠ্যক্ৰম প্ৰস্তুতি কৰ্মশালাত ড° নগেন শইকীয়া, ড° কৰবী ডেকা হাজৰিকা, ড° সুনীল দত্ত, ড° প্ৰদীপ জ্যোতি মহন্তকে আদি কৰি কেইবাগৰাকীও সাহিত্যিক-শিক্ষাবিদে অংশ গ্ৰহণ কৰি এই সংক্ৰান্তত মূল্যবান পৰামৰ্শ আগবঢ়াইছে। যিমানদূৰ সম্ভৱ ২০১২ চনৰ মাজভাগৰ পৰাই দুই-চাৰিটা বিষয়ৰ পাঠ্যক্ৰম আৰম্ভ কৰিব পৰা হ'ব।

এতিয়া কথা হ'ল - প্ৰায় পাঁচ-ছবছৰৰ ভিতৰতে প্ৰায় সম্পূৰ্ণ হ'বলৈ ধৰা গুৰুজনৰ নামত প্ৰতিষ্ঠিত বিশ্ববিদ্যালয়খনক কি কাৰণত ময়ূৰ বৰা ডাঙৰীয়াই এই মহৎ প্ৰচেষ্টাক তাচ্ছিল্যৰ সুৰত 'ভেকোঁ-ভাওনা' বুলি মন্তব্য দিলে, সেই কথাহে সঙ্ঘৰ সংগী-বিষয়ববীয়া সকলোৰে কাৰণে সাৰ্থক হৈ ৰ'ল। অহুকাণে-পহুকাণে শুনা কথাৰ ওপৰত ভিত্তি নকৰি ক্ষেত্ৰ অধ্যয়নৰ দ্বাৰা তথ্য সংগ্ৰহ কৰি প্ৰকৃত ছবি এখন দাঙি ধৰা হ'লে সকলোৱে নিশ্চয় উৎসাহিত হ'লহেঁতেন। এতিয়াও বৰাদেৱে **'মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয় ভেকোঁ-ভাওনা নহয়, বাস্তৱ ঘটনা'** - শীৰ্ষক এটা লেখাৰে বাতৰি কাকতৰ যোগেদি প্ৰকাশ কৰি অসমৰ ৰাইজৰ ওচৰত ক্ষমা খোজাৰ সময় উকলি যোৱা নাই নিশ্চয়। অৱশ্যে এই লেখাত দিয়া তথ্যসমূহ সঁচা-মিছা প্ৰমাণ কৰিবৰ বাবে বৰাদেৱে ক্ষেত্ৰ অধ্যয়ন কৰি অকণমান কষ্ট কৰিব লাগিব।

# অষ্টম অধ্যায়
# শঙ্কৰী নৃত্য আৰু ড° ভূপেন হাজৰিকা

'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ'ৰ লেখক ময়ূৰ বৰাদেৱে তেখেতৰ গ্ৰন্থখনত অসম মাতৃৰ এজন সু-সন্তান, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মনত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই দুখ দিয়াৰ এটা অভিযোগ উত্থাপন কৰিছে। বৰাৰ অভিযোগ হ'ল 'শঙ্কৰী নৃত্য' আৰু 'সত্ৰীয়া নৃত্য'ৰ নামকৰণক কেন্দ্ৰ কৰি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই আদালতৰ কাষ চাপি ড° হাজৰিকাৰ মনত দুখ দিব নালাগিছিল। তেখেতে এই ক্ষেত্ৰত লিখিছে - **'এই আইনী প্ৰক্ৰিয়াৰ অংশ হিচাপে ড° ভূপেন হাজৰিকায়ো এখন কৰ্টৰ নোটিচ লাভ কৰিছিল আৰু তেখেতৰ বহু ঘনিষ্ঠ বন্ধুৰ মতে এই ঘটনাটোৱে তেওঁৰ অন্তৰত খুব আঘাত দিছিল।'** (পৃ. ৬০) এই বিশেষ নৃত্য ধাৰা যে নৃত্যবিশাৰদ শঙ্কৰদেৱ গুৰুজনাৰ অৱদান সেই কথা ময়ূৰ বৰাদেৱৰ লগতে অসমৰ গৱেষক পণ্ডিত মণ্ডলীয়েও জানে, সত্ৰাধিকাৰ প্ৰমুখ্যে সত্ৰীয়াসকলেও জানে আৰু অসমৰ চুকে-কোণে থকা অনাখৰী ভক্তপ্ৰাণ লোকসকলেও জানে। বৰাদেৱে লিখিছে - **'মহাপুৰুষ শঙ্কৰদেৱৰ সৃষ্ট অপূৰ্ব নৃত্যশৈলীয়ে তেৰাৰ (?) মহাপ্ৰয়াণৰ পাছত অসমৰ বিভিন্ন সত্ৰত চৰ্চিত আৰু সংৰক্ষিত হোৱাৰ সুবাদতে সত্ৰীয়া নৃত্য নাম পায়।'** (পৃ. ৫৯) আকৌ তেখেতে উল্লেখ কৰিছে - **'কাৰণ গৰিষ্ঠ সংখ্যক অসমীয়া মানুহৰ মনত সত্ৰীয়া নৃত্যৰ সৃষ্টিকৰ্তা সন্দৰ্ভত কিঞ্চিৎমানো ভ্ৰান্ত ধাৰণা নাছিল। সত্ৰীয়া নৃত্যৰ কথা আহিলেই সকলোৱে গুৰুজনাকে সশ্ৰদ্ধভাৱে সুঁৱৰিছিল।'** (পৃ. ৫৯) তেনেহ'লে বৰাদেৱক এটা কথা সোধো যে চৰ্চা আৰু সংৰক্ষণ কৰিলে বুলিয়েই গুৰুজনে সৃষ্টি কৰা সম্পদটি 'সত্ৰীয়া' নামেৰে নামকৰণ হোৱা উচিত বিচাৰ হ'লনে? মাটিৰ গৰাকীৰ কৃষিভূমিত আধিয়াৰে কৃষিকৰ্ম কৰিলে বুলিয়েই সুবিধা পাই আধিয়াৰৰ নামত নাম লগাই লোৱাটো আইনৰ চকুত ন্যায়সংগত হ'বনে? নাট্যকাৰৰ পৰা নাটক এখন পৰিচালকে মঞ্চস্থ কৰিবলৈ লৈ গৈ নিজৰ নাম লিখি প্ৰকাশ কৰিলে ভাল কথা হ'ব বুলি বৰাই ভাৱে নেকি? বৰাৰ গ্ৰন্থ এখন লোকৰ নাম লিখি প্ৰকাশ কৰিলে বৰাই দুহাত সাৱতি বহি থাকিবনে নে আইনৰ সহায় লব? ৰবীন্দ্ৰ নাথ ঠাকুৰে সৃষ্টি কৰা গীতক 'ৰবীন্দ্ৰ সংগীত', জ্যোতিপ্ৰসাদৰ নামত 'জ্যোতি সংগীত', বিষ্ণু ৰাভাৰ নামত 'বিষ্ণু সংগীত' যদি হ'ব পাৰে, তেনেহ'লে গুৰুজনাৰ নামত কিয় 'শঙ্কৰী সংগীত' বা 'শঙ্কৰী নৃত্য' হ'ব নোৱাৰে? ভূপেন হাজৰিকাই সৃষ্টি কৰি যোৱা গীতক কেন্দ্ৰ কৰি আজি 'ভূপেন্দ্ৰ সংগীত' নামকৰণ হোৱা নাই জানো? ভূপেন হাজৰিকাৰ জীৱিত কালত তেখেতৰ সংগীতক 'জয়ন্ত সংগীত' বুলি কোৱা হ'লে তেখেতে মনত দুখ নাপালেহেঁতেননে? শঙ্কৰদেৱৰ জীৱনকালত এনেদৰে অনধিকাৰ প্ৰৱেশ কৰাজনক শঙ্কৰদেৱে ভাল চকুৰে চালেহেঁতেননে? শঙ্কৰদেৱ গুৰুজনাই মনত দুখ নাপালেহেঁতেননে? শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই আৰু অসমৰ বহু গুণী-জ্ঞানী পণ্ডিতে আপোনাৰ এনেবোৰ যুক্তিহীন কথাক ভাল নোপোৱাটোৱেই স্বাভাৱিক।

আপুনি কৈছে যে **'সত্ৰীয়া নৃত্যৰ কথা আহিলেই সকলোৱে গুৰুজনাকে সশ্ৰদ্ধভাৱে সোঁৱৰিছিল।'** কোনে কাক সোঁৱৰণ কৰে আপুনি কেনেদৰে গম পাব? অন্তৰ্যামী ভগৱন্তৰ বাহিৰে নৰলোকত এনেকুৱা মনুষ্য নাই যে কাৰ মনত কি আছে কব পাৰিব। আপোনাক এনে ক্ষেত্ৰত বহুতো উদাহৰণ দিব নোৱাৰিলেও এটা উদাহৰণ দিওঁ যে **'অসম সত্ৰ মহাসভা'**ৰ নিয়মাৱলীখনত শঙ্কৰদেৱৰ নামটোও পাবলৈ নাই। বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাও সত্ৰ মহাসভাৰ মূল উদ্দেশ্য নহয়। সত্ৰ মহাসভাৰ ১২ টা উদ্দেশ্যৰ ভিতৰত (চ) উদ্দেশ্যটোত লিখা আছে যে **'প্ৰয়োজনবোধে বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ব্যৱস্থা কৰা।'** (পৃ. ৬) প্ৰয়োজনবোধেহে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিব খোজা 'অসম সত্ৰ মহাসভা'ৰ সত্ৰাধিকাৰ প্ৰমুখ্যে শিষ্য-প্ৰশিষ্যসকলে আৰু শঙ্কৰদেৱৰ নামটোও 'অসম সত্ৰ মহাসভা'ৰ নিয়মাৱলীত নথকা অনুষ্ঠানৰ সদস্যসকলে আপুনি কোৱাৰ দৰে সত্ৰীয়া নৃত্যৰ কথা আহিলেই গুৰুজনক স্মৰণ কৰিবনে? আপোনাৰ এনে যুক্তিহীন যুক্তিৰ কিবা অৰ্থ আছে বুলি আপুনি ভাৱেনে? শঙ্কৰদেৱে যদি সত্ৰানুষ্ঠান পাতিছিলেই, তেন্তে শঙ্কৰদেৱৰ নামটো 'অসম সত্ৰ মহাসভা'ৰ নিয়মাৱলীত কিয় নাই - এই সম্পৰ্কত আপোনাৰ মত-অমত জনাবচোন। শঙ্কৰদেৱৰ গীত-পদ, নৃত্য-নাট-নামঘৰ, খোল-তাল আদি সকলো সম্পদক লৈয়েই যদি সত্ৰানুষ্ঠানবোৰ প্ৰৱৰ্তি আছে, তেন্তে 'শঙ্কৰী নৃত্য' বোলাত আপত্তি কি? শঙ্কৰদেৱৰ নামটো সত্ৰ মহাসভাৰ নিয়মাৱলীত থকাত আপত্তি কি? ইয়াকে কয় - **'যাৰ যহত শাক সেন্দুৰ, তাকে পাতে ভেকোলা এন্দুৰ'**। বৰাদেউ, আপোনাৰ যুক্তিৰ খাতিৰত এই কথাবোৰ কলো মাথোন। কোনো সত্ৰানুষ্ঠান বা 'অসম সত্ৰ মহাসভা'ৰ প্ৰতি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কোনো বৈৰী ভাৱ নাই। বৰঞ্চ সত্ৰ মহাসভাক সঙ্ঘই কৃতজ্ঞতাহে জনায়। কৃতজ্ঞতা জনায় এই কাৰণেই যে সত্ৰানুষ্ঠানসমূহে অন্ততঃ গীত-পদ, নৃত্যাদি গুৰুজনৰ অমূল্য সম্পদসমূহ কলামোদী আৰু ভক্ত-বৈষ্ণৱৰ বাবে সংৰক্ষণ কৰি ৰাখিছিল।

সুধাকণ্ঠ গৰাকীয়ে দুখ পোৱাৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘও দুঃখিত। দুঃখিত হৈও কেতিয়াবা আনক দুখ দিবলগীয়া হয় যুক্তিৰ খাতিৰত, কৰ্ত্তব্যৰ খাতিৰত আৰু সত্য প্ৰকাশ কৰাৰ খাতিৰত। কবি আনন্দ চন্দ্ৰ আগৰৱালাৰ 'সুখ' নামৰ কবিতাত পাইছিলো - **'কেৱল নিজৰ নিমিত্তে নহয় আমাৰ জীৱন ভাই / পৰৰ কাৰণে খাটিব পাৰিলে সংসাৰ সুখৰ ঠাই।''** পৰৰ কাৰণে সুধাকণ্ঠগৰাকীয়ে আজীৱন খাটি গ'লেও পক্ষপাতহীনভাৱে খাটিলেহে সুখ পোৱা যায়। শঙ্কৰদেৱৰ সৃষ্টি বুলি জানিও

'সত্ৰীয়া নৃত্য' নামকৰণ কৰাত পক্ষপাতিত্ব নাছিল জানো? কিন্তু সৃষ্টিকৰ্তাজনক একেবাৰে নস্যাৎ কৰি তাৰ পৰিৱৰ্তে সংৰক্ষণ কৰি ৰখাজনৰ নামেৰে নামাঙ্কিত কৰাটোতেই পক্ষপাতিত্বৰ দোষে তেখেতক স্পৰ্শ কৰিলে। 'শঙ্কৰী নৃত্য' নামেৰে নামকৰণ হোৱা হ'লে শঙ্কৰদেৱক জগত সভাত প্ৰচাৰ কৰিবৰ বাবেও সুবিধা নহ'লহেঁতেননে? শঙ্কৰদেৱৰ নামটোকে লব নোখোজা 'অসম সত্ৰ মহাসভা'ৰ অন্তৰ্ভূক্ত সত্ৰসমূহক অকৃতজ্ঞতাৰ দোষে স্পৰ্শ কৰা নাইনে? সুধাকণ্ঠগৰাকীৰ প্ৰতি সন্মান আৰু শ্ৰদ্ধাঞ্জলি জনাইও কওঁ যে সঁঘৰ হাজাৰ হাজাৰ গুৰুজনৰ ভক্ত আৰু বহু গুণগ্ৰাহী ব্যক্তিয়ে মহাপুৰুষজনাৰ নামত সংগীত ধাৰাটি নামকৰণ নোহোৱাত তেখেতসকলেও অন্তৰত মৰ্মান্তিক আঘাত পাইছে। হৃদয় সকলোৰে একেখনেই। সুধাকণ্ঠ গৰাকীৰ প্ৰতি সন্মান জনাই এতিয়াও আমি কওঁ আৰু ভৱিষ্যতলৈ কম যে শঙ্কৰদেৱৰ সৃষ্ট গীত-নৃত্য-সাহিত্য আদি সমস্ত অমূল্য সম্পদ গুৰুজনৰ নামেৰেই হোৱা উচিত। এতিয়াও 'শঙ্কৰী নৃত্য' হিচাপে নামটো দি লবৰ বাবে সময় উকলি যোৱা নাই। সংগীত নাটক একাডেমীয়ে যুক্তিৰে পুনৰ বিবেচনা কৰি চোৱাত কি অসুবিধা আছে? মানুহৰ নাম, স্থানৰ নাম, দেশৰ নামবোৰ বিভিন্ন কাৰণত পৰিবৰ্তন কৰি লোৱা উদাহৰণ জগতত দেখাৰ আছে। 'হস্তীৰো পিছলে পাৱ, সজ্জনৰো বুৰে নাও' যেতিয়া, সুধাকণ্ঠগৰাকীয়ে তথা সংগীত নাটক একাডেমীয়ে ভুল কৰাটো একো ডাঙৰ কথা নহয়। সংগীত নাটক একাডেমীয়ে 'শঙ্কৰী নৃত্য' হিচাপে স্বীকৃতি নিদিলেও গুৰুজনৰ সৃষ্ট নৃত্য ধাৰাটিক গুণীৰ মোল বুজা সুধী-সজ্জনে 'শঙ্কৰী নৃত্য' ৰূপেহে নামকৰণ কৰি আহিছে। শঙ্কৰদেৱৰ নামত যদি সাহিত্যৰ বুৰঞ্জী প্ৰণেতাসকলে 'শঙ্কৰী যুগ' ৰূপে চিহ্নিত কৰিব পাৰে আৰু লগে লগে শঙ্কৰী সাহিত্য, শঙ্কৰী সংস্কৃতি, শঙ্কৰী সংগীত, শঙ্কৰী কলা-কৃষ্টি কেন্দ্ৰ আদি ৰূপে নাম দিব পাৰে তেন্তে তাৰাৰ দ্বাৰা সৃষ্ট নৃত্যশৈলীটিক 'শঙ্কৰী নৃত্য' বুলি মানি লব নোৱাৰাৰ যুক্তি ক'ত? কলা অনুৰাগী অসমৰ উত্তৰ পুৰুষৰ মনতো এনে প্ৰশ্নবোৰ চিৰদিন চলি নাথাকিবনে? ময়ূৰ বৰাদেৱে 'সত্ৰীয়া নৃত্য' হোৱা উচিত বুলি যি পক্ষপাতিত্ব কৰিছে, তাৰ কোনো যুক্তি নাই। ময়ূৰ বৰাদেৱে অথবা সংগীত নাটক একাডেমীয়ে অথবা বহু সত্ৰানুষ্ঠানে অথবা আন বহুলোকে কলেও তাৰে ভিতৰত প্ৰকৃত সত্যটো উদ্‌ঘাটন কৰা বহু পণ্ডিত-গৱেষকে কিন্তু 'সত্ৰীয়া নৃত্য' বুলি কবলৈ সংকোচবোধ কৰিছে। সত্য সদায় সত্যয়েই - হাজাৰজনৰ বিপৰীতে এজনে কোৱা কথাটোত সত্য হ'ব নোৱাৰে জানো? গেলিলিওৱে পৃথিৱীখনহে ঘূৰে - সূৰ্যটো ৰৈ থাকে বোলোতে বাকীবোৰে মানি লবলৈ টান পাইছিল। এতিয়াও 'শঙ্কৰী নৃত্য' বুলি মানি লবলৈ টান পালেও এইটোৱেই সত্য।

'শঙ্কৰী নৃত্য'ৰ সমৰ্থনত নৃত্যবিদ সুৰেশ চন্দ্ৰ গোস্বামীদেৱে 'শঙ্কৰী নাট্য-নৃত্য-কলা' নামৰ গ্ৰন্থত কি কৈছে চাওক - **'শ্ৰীমন্ত শঙ্কৰদেৱে বৈষ্ণৱ যুগৰ আৰম্ভণৰ লগে লগে (১৪৪৯-১৫৬৮) নিজস্ব অতুলনীয় প্ৰভাৱেৰে এটি মহামূল্যৱান আৰু আপুৰুগীয়া নৃত্যশৈলী আৰু নাট্যকলা অসমত সৃষ্টি কৰিলে। শ্ৰীমন্ত শঙ্কৰদেৱে সৃষ্টি কৰা এই নাট্য-নৃত্য-কলাই শঙ্কৰী নাট্য-নৃত্যকলা। ইয়াক সত্ৰীয়া নাট্য-নৃত্য কলাৰূপে পিছত অভিহিত কৰা হ'ল। অসমৰ বৈষ্ণৱ সত্ৰসমূহৰ লগত এই নাট্য-নৃত্যৰ অবিচ্ছেদ্য সম্বন্ধৰ কাৰণেই এই নামকৰণ হ'লেও প্ৰকৃতাৰ্থত ই শঙ্কৰী নাট্য-নৃত্যহে। গতিকে আমি গ্ৰন্থত শ্ৰীমন্ত শঙ্কৰদেৱৰ নামকৰণেই এই নাট্য-নৃত্যকলাক শঙ্কৰী নাট্য-নৃত্যকলা ৰূপেই অভিহিত কৰিছোঁ। সত্ৰীয়া বুলিলে কেৱল সত্ৰকেইখনত চলা নৃত্য, গীত, নাটককহে বুজায়। গাঁওবিলাকত, গাঁৱৰ নামঘৰত চৰ্চা কৰা শঙ্কৰী নাট্য-নৃত্য, গীত-বাদ্য বাদ পৰি যায়। শঙ্কৰী শব্দটি সকলোকে সামৰি লোৱা বহুত মৰ্যাদাপূৰ্ণ সাৰ্বজনীন এটি প্ৰিয় নাম। শঙ্কৰী সূক্ষ্ম কলাক সত্ৰীয়া বুলি ঠেক গণ্ডীত সুমোৱাতকৈ বহল দৃষ্টিভঙ্গীৰে, যুক্তি আৰু বিবেচনাৰে সত্ৰীয়াৰ ঠাইত প্ৰকৃততে সৃষ্টিকৰ্তাৰ নামেৰেহে নামকৰণ হ'ব লাগে অৰ্থাৎ শঙ্কৰী নাট্য-নৃত্য কলা। সত্ৰবিলাকে শঙ্কৰী সূক্ষ্ম কলা সৃষ্টি কৰা নাই, ই চৰ্চাৰ থলীহে।'** (শঙ্কৰী সংগীতৰ আধাৰ গ্ৰন্থ ঃ গোলাপ মহন্ত, প্ৰবন্ধ ঃ শঙ্কৰী সংগীত ঃ সত্ৰীয়া সংগীত; প্ৰকাশক, শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘ, প্ৰথম প্ৰকাশ, ২০০২, পৃ. ১০) সুৰেশ চন্দ্ৰ গোস্বামীদেৱৰ স্পষ্ট মত যে 'সত্ৰীয়া নৃত্য' হোৱা উচিত নহয়, 'শঙ্কৰী নৃত্য'হে হ'ব লাগে।

কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ, গৱেষক নাৰায়ণ চন্দ্ৰ গোস্বামীদেৱে তেখেতৰ 'সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা' নামৰ গ্ৰন্থৰ 'শঙ্কৰী সংগীতৰ ধাৰা আৰু দিগ্‌দৰ্শন' শীৰ্ষক লেখাটোত 'শঙ্কৰী নৃত্য' নামটোৱেই হ'ব লাগে বুলি ঘোষণা কৰিছে - **"শঙ্কৰদেৱে ভৰত নাট্য-শাস্ত্ৰৰ সম্পদসমূহক আঁকোৱালি লৈ থলুৱা উপাদানৰ সৈতে সংযোগ ঘটাই যি সঙ্গীত ধাৰা প্ৰৱৰ্তন কৰিলে, ইয়াক দৰাচলতে শুদ্ধৰূপত 'শঙ্কৰী সঙ্গীত', 'শঙ্কৰী নৃত্য' বুলি কলে ভুল নহয়। ...... উক্ত শক্তিসমূহৰ কেন্দ্ৰস্থান সত্ৰতে শঙ্কৰী নৃত্য আবদ্ধ থকা হেতুকে আৰু ইয়াৰ পৰা অন্য ঠাইলৈ বিকিৰিত হোৱা হেতুকে শঙ্কৰী নৃত্যক সত্ৰীয়া বুলি আজিকালিৰ বহুতো পণ্ডিতে অভিমত দাঙি ধৰিছে আৰু স্বীকৃত হৈছে।"** (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৯)

প্ৰাচ্যতত্ত্ববিদ পণ্ডিত মহেশ্বৰ নেওগে 'পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি আৰু সত্ৰীয়া নৃত্য আৰু নৃত্যৰ তাল' শীৰ্ষক গ্ৰন্থত এই সম্পৰ্কত কৈছে যে - **'কিন্তু এই কথা আমি বুজিব পাৰোঁ যে শঙ্কৰদেৱে শাস্ত্ৰীয় নৃত্যৰ সম্পদৰ লগত স্থানীয় উপাদানৰ সংযোগ ঘটাই তেওঁৰ অনুষ্ঠান সত্ৰত এক নব্য ধাৰাৰ নৃত্য সংস্থাপন কৰি যায়। ইয়াকেই আমি সত্ৰীয়া নৃত্য বুলিছোঁ। শঙ্কৰদেৱী নৃত্যও বুলিব পাৰিলেহেঁতেন। নৱ-বৈষ্ণৱ নৃত্য বোলা হ'লে নামটো আৰু স্পষ্ট হ'লহেঁতেন। কিন্তু সত্ৰীয়া নাচ এটি সৰ্বসাধাৰণৰ মাজত প্ৰচলিত আখ্যা, আৰু সি সহজ। ৰাষ্ট্ৰীয় সংগীত নাটক একাডেমীৰ পুৰস্কাৰৰ বাবে**

**'সত্ৰীয়া নৃত্য' নামটিকেই গ্ৰহণ কৰা হৈছে।''** (চন্দ্ৰ প্ৰকাশ ঃ পাণবজাৰ, চতুৰ্থ তাঙৰণ, ১৯৯৯, পৃ. ১৩২-১৩৩) নেওগদেৰৰ বক্তব্যত এটা স্পষ্ট সিদ্ধান্ত ফুটি নুঠাৰ বাবে শঙ্কৰী সংগীতৰ এগৰাকী নিৰলস সাধক গোলাপ মহন্তদেৱে এনেদৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে - **'সত্ৰীয়া নৃত্য নামকৰণত সবল যুক্তি নমস্য পণ্ডিতজনৰ উক্তিত বিচাৰি পোৱা নাযায়। থুলভেদে সঙ্গীত ধাৰাটিৰ মাজলৈ পৰিৱৰ্তন অহাৰ লগতে শিক্ষণ প্ৰণালীৰো পৰিৱৰ্তন হোৱা স্বাভাৱিক। কমলাবাৰী থুলত সংৰক্ষিত নৃত্য ধাৰাটিত কমলাবাৰী সত্ৰৰ সত্ৰীয়া ৰীতি-নীতিৰ ছাপ পৰিবই। মাটি আখৰাকে ধৰি বহুতো সত্ৰীয়া সাজ তাত সোমাই আছে গতিকে 'সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল' গ্ৰন্থত দেখুৱা নৃত্যসমূহৰ নাম সত্ৰীয়া নৃত্য বা সত্ৰীয়া সাজত শঙ্কৰী নৃত্য হ'ব। সত্ৰৰ বাহিৰৰ লোকসকলে উদাৰ মনেৰে ভবাৰ দৰে আমিও সত্ৰীয়া সাজেৰে সজোৱা নৃত্যকে শঙ্কৰী নৃত্য বুলি ক'ব খোজোঁ আৰু শঙ্কৰী সংগীতৰ অংগ কৰি ল'ব বিচাৰোঁ।''** (গোলাপ মহন্তৰ পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৯) গোলাপ মহন্তদেৱৰ মত স্পষ্ট যে শঙ্কৰদেৱৰ সৃষ্ট বিশেষ নৃত্যধাৰাটি 'শঙ্কৰী নৃত্য' নামেৰেই চিহ্নিত হ'ব লাগে। অৱশ্যে মহেশ্বৰ নেওগদেৱেও 'শঙ্কৰী নৃত্য' হ'ব নালাগে বুলি কোৱা নাই। ইয়াৰ লগতে দুই এটা বিকল্প নামৰহে মাথোন অনুসন্ধান কৰিছে। এটা কথা এই প্ৰসঙ্গত উল্লেখযোগ্য যে নেওগদেৱে তেখেতৰ গ্ৰন্থসমূহত কিন্তু 'শঙ্কৰী সংস্কৃতি' নামটোৰ কথা বাৰে বাৰে উল্লেখ কৰা দেখা যায়। উদাহৰণ স্বৰূপে কব পাৰি - **'অসমৰ সংস্কৃতিৰ বুৰঞ্জীত যোড়শ শতিকা এক নৱ অভ্যুদয়ৰ কাল। এই কালতে অসমীয়া জাতি আৰু সংস্কৃতিয়ে নিৰ্দিষ্ট এক গঢ় ললে। অসমৰ ধৰ্ম-জীৱন, সমাজ-নীতি, ভাষা, সাহিত্য, সঙ্গীত কলা আদি সংস্কৃতিৰ মূল উপাদানবোৰৰ ওপৰত শঙ্কৰদেৱৰ প্ৰভাৱ ইমান বেছি যে, অসমীয়া সংস্কৃতিৰ মাজৰ সুঁতিটোকে শঙ্কৰী সংস্কৃতি বুলি কব পাৰি।'** (শ্ৰীশ্ৰী শঙ্কৰদেৱ ঃ মহেশ্বৰ নেওগ, চন্দ্ৰ প্ৰকাশ, সপ্তম সংস্কৰণ, ১৯৮৭ চন, পৃ. ১৩৬) এতিয়া কথা হ'ল - 'শঙ্কৰী সংস্কৃতি' বুলি কলে 'শঙ্কৰী নৃত্য' তাৰ মাজতেই অন্তৰ্ভুক্ত নহ'ব জানো? গতিকে নেওগদেৱ 'শঙ্কৰী নৃত্য'ৰ নামকৰণৰ পক্ষতহে যে আছে - সেইটো কথা তেখেতৰ বক্তব্যৰ পৰাই স্পষ্ট হয়। এই একে দৃষ্টিভংগী লৈয়েই সঙ্ঘৰ পদাধিকাৰ ডিম্বেশ্বৰ নেওগদেৱে তেখেতৰ অভিভাষণত এনে মন্তব্য দি গৈছে - **'ধৰ্মগুৰু বুলি এতিয়ালৈকে নমনাসকলেও শঙ্কৰদেৱক জাতীয় গুৰু ৰূপে মানিবলৈ ন্যায়তঃ চিৰ বাধ্য, কিয়নো অসমীয়া সংস্কৃতি শঙ্কৰী সংস্কৃতিৰ নামান্তৰ মাত্ৰ যে তাত মোৰ ধনিষ্ঠমানো সন্দেহৰ ঠাই নাই। সেই দেখি কোনো দুৰ্কপলীয়াজনে যদি শঙ্কৰদেৱৰ নাম ল'বলৈ কেনেবাকৈ টান পায়, তেন্তে তেওঁ হয় নিৰ্জন হাবিত বাস কৰিব লাগিব নহয়, ব্ৰহ্মপুত্ৰই দি ভাটিলৈ ভটিয়াই যাব লাগিব আৰু তেনে কৰোঁতেও কাণত ঠিলা নল'লে, বেজবৰুৱাৰ ভাষাৰে, খৰিকটীয়া আৰু নাৰৱীয়াৰ মুখেদি শঙ্কৰদেৱৰ সুললিত পদ তেওঁলোকৰ কৰ্ণ পথে নোসোমাই নাথাকিব।'** (শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ সকলৰ অভিভাষণ ঃ সঙ্কলক/সম্পাদক-জীৱকান্ত নাথ, পৃ. ৪০)

অসমৰ এগৰাকী বুৰঞ্জীবিদ আৰু সুসাহিত্যিক ড° লীলা গগৈদেৱৰ এটি মন্তব্য এই সন্দৰ্ভত প্ৰণিধানযোগ্য। তেখেতৰ স্পষ্ট মত হ'ল যে - **''অসমৰ সংস্কৃতিৰ বুৰঞ্জীত শঙ্কৰী সংস্কৃতিৰ আসন বিশেষ উচ্চ খাপত অৱস্থিত। আজিকালি শঙ্কৰী সংস্কৃতিৰ কথা বুজাবলৈ সত্ৰ সংস্কৃতি বা সত্ৰীয়া সংস্কৃতি শব্দ দুটা বিশেষ উৎসাহেৰে ব্যৱহাৰ কৰা দেখা যায়; কিন্তু সকলো সত্ৰতে শঙ্কৰদেৱে দি থৈ যোৱা ঐতিহ্য পৰম্পৰা সংৰক্ষিত হোৱা নাই আৰু সেইদৰে শঙ্কৰী সংস্কৃতিক কেৱল সত্ৰকেইখনেই আঁৰ-ঢৰা দি ধৰি ৰখা নাই। এনে বহুতো সত্ৰ আছে, য'ত শঙ্কৰদেৱৰ ঐতিহ্য, পৰম্পৰা অগাহ্য কৰি বিজতৰীয়া ৰীতি-নীতি প্ৰচলন কৰাৰ উদাহৰণ আছে। তদুপৰি অসমত থকা চৈতন্য পন্থীয়া সত্ৰসমূহৰ শঙ্কৰী সংস্কৃতিৰ লগত কোনো পোনপটীয়া যোগসূত্ৰ নাই। শঙ্কৰী সংস্কৃতিৰ ঐশ্বৰ্য আৰু বিশালতা সমগ্ৰ অসমৰ নামঘৰ আৰু মানুহৰ মনৰ সম্পত্তি। ইয়াক কেৱল সত্ৰ-সংস্কৃতি বা সত্ৰীয়া সংস্কৃতি বুলি কলে যেন কেৱল কেইখনমান সত্ৰইহে শঙ্কৰদেৱৰ প্ৰতিভাৰ উত্তৰাধিকাৰত্ব গ্ৰহণ কৰিছে, এনে ধাৰণা হয়। সেয়ে নহয়, শঙ্কৰদেৱে সৃষ্টি কৰি থৈ যোৱাখিনিৰ বাহিৰে সত্ৰসমূহে শঙ্কৰী সংস্কৃতিৰ বিকাশত বিশেষ অৰিহণা যোগোৱা নাই আৰু কেৱল সত্ৰক কেন্দ্ৰ কৰিয়েই শঙ্কৰী সংস্কৃতি বৰ্তি থকাও নাই। শঙ্কৰদেৱে সৃষ্টি কৰি থৈ যোৱা সাংস্কৃতিক সম্পদসমূহক আমি শঙ্কৰী সংস্কৃতি নামেৰেই নামকৰণ কৰিব খুজিছোঁ।''** (গোলাপ মহন্তৰ পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১০) গগৈদেৱৰ স্পষ্ট কথাখিনিৰ পৰা কোনো লোকৰে বুজিবলৈ বাকী নাথাকিল যে শঙ্কৰী সংস্কৃতিৰ মৌলিকত্ব আৰু ব্যাপকতাৰ পৰিসীমা কিমান। গতিকে শঙ্কৰী সংস্কৃতিৰ বুকুতেই সোমাই আছে 'শঙ্কৰী নৃত্য'।

অসম সাহিত্য সভাৰ এগৰাকী প্ৰাক্তন সভাপতি, সুসাহিত্যিক যতীন্দ্ৰনাথ গোস্বামীদেৱে 'শঙ্কৰী সংস্কৃতি'ৰ সমৰ্থনত এনেদৰে নিজৰ মত প্ৰকাশ কৰিছে - **'ভক্তিধৰ্মক কেন্দ্ৰ কৰি অসমৰ ধৰ্ম, সমাজ, সাহিত্য, কলা আদি বিভিন্ন ক্ষেত্ৰত মহাপুৰুষে যি বহুমুখী দান দিলে তাৰ ফলত অসমত এক নতুন যুগৰ সূচনা হ'ল। এই যুগটোৰেই আমাৰ সাহিত্যত শঙ্কৰী যুগ। আমাৰ ধৰ্ম জীৱন, সামাজিক জীৱন, সাহিত্য, সঙ্গীত আদি সংস্কৃতিৰ ঘাই উপাদানবোৰৰ ওপৰত মহাপুৰুষৰ শঙ্কৰদেৱৰ প্ৰভাৱ অপৰিসীম। এক শঙ্কৰী সংস্কৃতিয়েই অসমীয়া সংস্কৃতিৰ বৰঘৰ পোহৰ কৰিছে আৰু ইয়াকে লৈ আজি আমি গৌৰৱ অনুভৱ কৰিছোঁহক।''** (অসমীয়া সংস্কৃতি ঃ সংকলন আৰু সম্পাদনা ঃ হৰিপ্ৰসাদ নেওগ আৰু লীলা গগৈ, প্ৰকাশক - বাণী প্ৰকাশ, গুৱাহাটী, দ্বিতীয় প্ৰকাশ, ১৯৭৫ চন, প্ৰবন্ধ ঃ শঙ্কৰী সংস্কৃতি, পৃ. ২৯৭) অসমীয়া সংস্কৃতিৰ বৰঘৰ পোহৰ কৰা আৰু অসমীয়া

জাতিয়ে গৌৰৱ কৰিব পৰা যুগটোৱেই যদি 'শঙ্কৰী যুগ' হ'ব পাৰে - তেনেহলে এইটো যুগৰ ভিতৰত থকা শঙ্কৰদেৱৰ নৃত্যকলাক 'শঙ্কৰী নৃত্য' নুবুলি বেলেগ নামেৰে নামকৰণ কৰাটো যুক্তিসঙ্গত বুলি ভাবিব পাৰিনে ?

ৰূপান্তৰৰ শিল্পী ৰূপকোঁৱৰে গুৰুজনাৰ গগনচুম্বী প্ৰতিভাক সন্মান জনাই মন্তব্য কৰিছে - **"এইদৰে চালে আমি শঙ্কৰদেৱৰ প্ৰতিভাৰ প্ৰত্যেক ক্ষেত্ৰৰ বিকাশতেই এটা বৈপ্লৱিক ভঙ্গী দেখিবলৈ পাওঁ। সেই কাৰণেই শঙ্কৰদেৱক আমি প্ৰগতিশীল বুলিব পাৰোঁ। তেওঁৰ দৰে সৰ্ব্বতোমুখী প্ৰতিভাৰ বিকাশ সেই সময়ৰ পৃথিৱীৰ কিয়, আজিৰ পৃথিৱীৰ মহাপুৰুষসকলৰ ভিতৰতো দেখা যাবনে নাযায় সন্দেহ। তেওঁ নতুন ধৰ্ম্ম প্ৰৱৰ্ত্তক, দাৰ্শনিক, তেওঁ বিদগ্ধ পণ্ডিত। তেওঁ সমাজ-সংগঠক, নতুন সংস্কৃতিৰ স্ৰষ্টা। তেওঁ নিজেই নাট্যকাৰ, নাটকীয় কাৰিকৰী উদ্ভাৱক, নাটকৰ প্ৰযোজক, পৰিচালক, অভিনেতা। সঙ্গীতৰ এটা ধাৰাৰ প্ৰৱৰ্ত্তক, গীত আৰু সুৰ ৰচনাত সিদ্ধহস্ত, নতুন নৃত্যভঙ্গীৰ পৰিকল্পনা দিওঁতা আৰু নিজেও নৃত্যবিশাৰদ। নতুন ধৰণৰ বাদ্য-বাজনা, খোল, ভোৰতাল ইত্যাদিৰ স্ৰষ্টা আৰু নিজেও সেইবোৰৰ ওজা বায়ন।"** (জ্যোতিপ্ৰসাদ ৰচনাৱলী ঃ সম্পাদনা - ড° হীৰেন গোহাঁই, অসম প্ৰকাশন পৰিষদ, ২০০৭, প্ৰবন্ধ ঃ নতুনৰ পূজা, পৃ. ৪৯৬) ধৰ্ম, সাহিত্য, সংস্কৃতি, দৰ্শন সকলোতে নতুনৰ বোল সনা এইগৰাকী মনীষাৰ সৃষ্টিক জ্যোতিপ্ৰসাদেও শঙ্কৰী সংস্কৃতি বুলিয়েই নামকৰণ কৰি গৈছে তেখেতৰ ৰচনাৰ বিভিন্ন স্থানত। 'নতুন নৃত্যভঙ্গীৰ পৰিকল্পনা দিওঁতা' বুলি কোৱা জ্যোতিপ্ৰসাদ যদি ২০০০ চনলৈ জীৱিত থাকিলেহেঁতেন, তেতিয়া জ্যোতিপ্ৰসাদে নিশ্চয় কলেহেঁতেন যে গুৰুজনাৰ নামেৰেহে তাৰাৰ সৃষ্ট নৃত্যধাৰাটিক 'শঙ্কৰী নৃত্য' নামেৰে নামকৰণ কৰা হওক।

যি নহওক, পণ্ডিত-গৱেষক, শিল্পী-সাহিত্যিকসকলে এই ক্ষেত্ৰত মন্তব্য দি যোৱা আৰু বহুতো উদাহৰণ দাঙি ধৰিব পাৰি। 'সত্ৰীয়া নৃত্য'ৰূপে সংগীত নাটক একাডেমীয়ে নামকৰণ কৰাৰ কথা বাতৰি কাকতত প্ৰকাশ পোৱাৰ লগে লগে এই সংক্ৰান্তত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বিজ্ঞজনে 'শঙ্কৰী নৃত্য'হে হ'ব লাগে বুলি মত প্ৰকাশ কৰিছিল। সেইবোৰ বাতৰি কাগজৰ তথ্য আমাৰ ওচৰত এতিয়া নাই। বাতৰি কাকত পঢ়া সকলোৰে সেই কথাবোৰ মনত নথকা নহয়। গতিকে আমি এতিয়াও কম 'সত্ৰীয়া নৃত্য'ৰ পৰিবৰ্তে 'শঙ্কৰী নৃত্য' হিচাপে নামকৰণ কৰিলেহে গুৰুজনাৰ প্ৰতি প্ৰকৃতাৰ্থত সন্মান প্ৰদৰ্শন কৰা হ'ব।

অৱশেষত ময়ূৰ বৰাদেৱৰ গ্ৰন্থখনিত কথাবিলাকৰ স্ববিৰোধ দেখি আমি আশ্চৰ্য প্ৰকাশ নকৰি পৰা নাই। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই প্ৰতিক্ৰিয়া প্ৰকাশ নকৰিলেও বৰাই সঙ্ঘক নিৰ্লিপ্ত হৈ 'চকুমুদা কুলি'ৰ দৰে ভাও ধৰা বুলি কৈছে কেইবাটাও কাৰণত আৰু 'শঙ্কৰী নৃত্য'ৰ কাৰণে মাত মতাৰ কাৰণেও কৈছে - **'এনে এটা বৃহৎ অনুষ্ঠানে কোন সময়ত নিজৰ মাজত কাজিয়া কৰিব নালাগে সেই কথা নজনাটো সঁচাকৈয়ে আশ্চৰ্যজনক।'**(পৃ. ৬০) বৰাদেউক এটা কথা কওঁ যে সঙ্ঘই কাৰো লগত অস্ত্ৰ-শস্ত্ৰ লৈ কাজিয়া কৰা নাই। গুৰুজনে তেনে শিক্ষা নৰলোকক দিয়া নাই বা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘকো দিয়া নাই। প্ৰকৃত সত্য এটা প্ৰতিষ্ঠা নকৰি গুৰুজনক অসন্মান কৰা কাৰণেহে সঙ্ঘই ন্যায় বিচাৰিছিল। ন্যায় বিচৰাটো কাজিয়া কৰা হ'ব নোৱাৰে। এনেধৰণৰ জাতীয় সমস্যাবোৰ আলোচনা বিলোচনা, আইন-আদালতৰ যোগেদিয়েই গণতান্ত্ৰিক দেশত সমাধান কৰাৰ নিয়ম।

# নৱম অধ্যায়
# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আৰু ড° নগেন শইকীয়া

ময়ূৰ বৰাদেৱৰ সদ্য প্ৰকাশিত বিতৰ্কিত গ্ৰন্থ ‘পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ’ শীৰ্ষক গ্ৰন্থখনিত ‘**ড° নগেন শইকীয়া কিদৰে অপমানিত হৈছিল**’ শিৰোনামেৰে এটি লেখা সন্নিবিষ্ট কৰিছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ৬৮ সংখ্যক বাৰ্ষিক অধিৱেশন ১৯৯৯ চনৰ (ময়ূৰ বৰাদেৱে তেখেতৰ গ্ৰন্থত লেখাৰ দৰে ১৯৯৮ চন নহয়) ফেব্ৰুৱাৰী মাহৰ ১০ ৰ পৰা ১৩ তাৰিখলৈ মৰিগাঁও জিলাৰ আমন্ত্ৰণক্ৰমে মৰিগাঁও নগৰত অনুষ্ঠিত হৈছিল। অধিৱেশনৰ দ্বিতীয়দিনা অৰ্থাৎ ১১ ফেব্ৰুৱাৰী বৃহস্পতিবাৰৰ দিনা দিনৰ ১ বজাত সাহিত্য শাখাৰ সভাপতি অধ্যাপক ভৱপ্ৰসাদ চলিহাদেৱৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত মুখ্য অতিথি হিচাপে উক্ত অধিৱেশনত অংশ গ্ৰহণ কৰিছিল অসম সাহিত্য সভাৰ সভাপতি ড° নগেন শইকীয়াদেৱে। শইকীয়াদেৱে ভাষণৰ মাজতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘক ধৰ্মৰ ক্ষেত্ৰত অসমৰ সমাজ জীৱনত কিছু বুজাবুজি ধ্যান-ধাৰণাৰে আগবাঢ়ি যাবৰ বাবে পৰামৰ্শ প্ৰদান কৰিছিল। এই কথাটোকে সহজভাৱে লব নোৱাৰি ১৩ ফেব্ৰুৱাৰীৰ মুকলি অধিৱেশনৰ উদ্বোধক প্ৰাক্তন পদাধিকাৰ মোহন মহন্তদেৱে এটি উপমাৰে অলপ টান ভাষাৰে প্ৰতিবাদ জনাইছিল। পিছদিনা সঙ্ঘৰ ভিতৰে-বাহিৰে, কাগজে-পত্ৰই বিভিন্নজনৰ প্ৰতিক্ৰিয়া প্ৰকাশ পাইছিল। গ'ল কথা গুচিল; কিন্তু ময়ূৰ বৰাদেৱৰ আকৌ মনত পৰিল। যি নহওক, মোহন মহন্তদেৱৰ কঠোৰ সমালোচনাৰ ভাষা কিছু কোমল হোৱাটো উচিত আছিল বুলি বৰায়ে তেখেতৰ গ্ৰন্থত লিখিছে - ‘**...সেই ভাষ্যক ভদ্ৰ ভাষাৰেও প্ৰত্যুত্তৰ দিব পৰা গ'লহেঁতেন।**’ (পৃ. ৬২) হয়, কথাষাৰ আমিও সমৰ্থন কৰোঁ। পিছে বৰাৰ নিজৰ বেলিকা একা। বৰাইও ‘পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ'ত সঙ্ঘৰ বিষয়ববীয়াসকলক কটু শব্দ আৰু বাক্যবাণেৰে কমখন থকা-সৰকা কৰিলেনে অনৰ্থক। বৰাই গ্ৰন্থখনৰ প্ৰতিটো বিষয়তে পথ এৰি বিপথে যাব লাগেনে বাৰু। তীব্ৰ বেগেৰে গাড়ী চলাই যাওঁতে গতি নিয়ন্ত্ৰণ কৰিব নোৱাৰি চালক যিদৰে দুৰ্ঘটনাত পতিত হয়; তেনেদৰে বৰাৰ দৰে লেখকসকলেও বোধকৰো আৱেগৰ বশৱৰ্তী হৈ অদৰকাৰী বিষয় উত্থাপন কৰি কোৰে কাটি গ্ৰহণী চপাই লয়। বৰা ডাঙৰীয়াই আজিৰ পৰা প্ৰায় ১৩-১৪ বছৰীয়া পুৰণি বিষয় এটাৰ পুনৰ উল্লিখনেৰে একেটাকে চেপেটা কৰাটো সমাজ জীৱনৰ বাবে ক্ষতিকাৰক আৰু দুখদায়ক। সেই সময়তেই কাগজে-পত্ৰই, কথাই-বতৰাই যিটো অপ্ৰীতিকৰ পৰিস্থিতিৰ নিষ্পত্তি হৈ গৈছিল, তেনে অৱস্থাত বৰ্তমান সময়ৰ বাবে অপ্ৰাসঙ্গিক তেনে বিষয় এটাই বৰাৰ গ্ৰন্থত স্থান নোপোৱাটোৱেই মঙ্গলদায়ক আছিল বুলি আমি অনুভৱ কৰোঁ। যিহেতু কওঁতাজনো ইহসংসাৰৰ পৰা কাহানিবাই বিদায় লৈছে। আশাবাদী কবি বেজবৰুৱাই সেয়েহে জাতীয় জীৱনৰ অতীতৰ দুখৰ কাহিনীবোৰ শুনিবলৈ অলপো প্ৰস্তুত নাছিল। তাৰ বিপৰীতে মনত উৎসাহ-অনুপ্ৰেৰণা দিব পৰা সুখৰ বাতৰিহে পৰিৱেশন কৰিবৰ কাৰণে ‘বৰাগী আৰু বীণ'ত বৰাগী ককাইজনক কাতৰভাৱে আহ্বান জনাইছিল।

**“শোকৰ সুৰটি নুশুনিও নোৱাৰোঁ, বাঘ-মোৰে ধৰে মোক।**
**আঁতৰি যাবৰ শকতি নাপাওঁ বেজাৰে পীড়িছে বুকু।**
**শুনা ঐ বৰাগী আনন্দ কাহিনী, অসমৰ যশৰাশি;**
**হিয়া মোৰ হেৰ' বলৱন্ত হোক, পৰাণ উঠক উলাসি।**
**বাণ-ভগদত্ত-নৰকাসুৰ, ভীষ্মকৰ গুণ গা;**
**ভাস্কৰবৰ্মাৰ কীৰিতি-সুখ্যাতি শুনো হেৰ বীণ বা।”**

ময়ূৰ বৰাদেৱেও দুখৰ কাহিনীবোৰ নবখানি আনন্দৰ কাহিনী কিছু আমাক শুনোৱাহ'লে ভাল পালোহেঁতেন। যি নহওক, ড° শইকীয়া চাৰেও (শইকীয়া চাৰ এই নিংকিন লেখকৰ বিশ্ববিদ্যালয়ৰ শিক্ষাগুৰু) সেই পুৰণি কথাবোৰ মনৰ মাজৰ পৰা কাহানিবাই মচি পেলালে নিশ্চয়। সেয়েহে ১৯৯৯ চনৰ পিছত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই গ্ৰহণ কৰা কাৰ্যসূচীত নগেন শইকীয়া চাৰে অংশ গ্ৰহণ কৰি মহানুভৱতাৰ পৰিচয় দিছে। ময়ূৰ বৰাদেৱে এই সুখৰ খবৰবোৰ ৰাখিবলৈ কেতিয়াবা যত্ন কৰিছে জানো? প্ৰসঙ্গক্ৰমে বৰাক এইখিনিতে আৰু এটা কথাও কৈ থওঁ যে সংসদত এজন সাংসদে কৰা দুৰ্ব্যৱহাৰৰ বাবে গোটেই সংসদখন আৰু সংসদীয় কাৰ্যক্ৰমণিকাবোৰ বেয়া হৈ নাযায়। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ অথবা আনবোৰ সংগঠনৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য।

ময়ূৰ বৰাদেৱৰ দ্বিতীয় এটা অভিযোগ হ'ল যে ড° নগেন শইকীয়াদেৱে দিয়া পৰামৰ্শ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই কাৰ্যকৰী নকৰি নিৰ্লিপ্ততাৰ পৰিচয় দিছে। বৰাৰ অভিযোগটো আছিল এনে ধৰণৰ - ‘**দ্বিতীয়তে ড° নগেন শইকীয়াই ১৯৭৫ চনৰ দেৰগাঁও অধিৱেশনত এক ভৱিষ্যদৰ্শী চিন্তাৰে শংকৰ সংঘক কিছু আৱাসিক বিদ্যালয় স্থাপন কৰাৰ পৰামৰ্শ দিছিল। তেখেতে নৰেন্দ্ৰপুৰৰ ৰামকৃষ্ণ মিছনৰ স্কুলৰ আৰ্হিত সংঘক আগবাঢ়িবলৈ কৈছিল। তেখেতৰ মতে সেই স্কুল সমূহত**

**আধুনিক শিক্ষাৰ সকলো বিষয়ৰ লগতে শংকৰী কৃষ্টি-সংস্কৃতিৰ বৰ্ণময় উপাদানেৰে এচাম শিশুক অনুপ্ৰাণিত কৰা হওক, যাতে ডাঙৰ হৈ তেওঁলোকে সেই চৰ্চা অব্যাহত ৰাখি ৰাজ্যলৈ সুনাম কঢ়িয়াব পাৰে। কিন্তু আজি ছয়ত্ৰিশ বছৰ পাৰ হৈ যোৱাৰ পাছতো তেনে কোনো স্থায়ী কামৰ বাবে সংঘই নূন্যতম আগ্ৰহ প্ৰদৰ্শন কৰা নাই। বিজ্ঞজনৰ সুপৰামৰ্শ আৰু লিখিত সমালোচনাক সৰ্বদা আওকাণ কৰি এইদৰেই আগবাঢ়িছে নিৰ্লিপ্ততাৰ ধ্বজাবাহী শ্ৰীমন্ত শংকৰদেৱৰ সংঘ।'** (পৃ. ৬২) ১৯৭৫ চনত (৫২৬ শঃ) গোলাঘাটৰ বৰুৱা বামুণগাঁৱত পদাধিকাৰ অচ্যুত কৃষ্ণ মিশ্ৰৰ সভাপতিত্বত যি চতুঃচত্বাৰিংশ বাৰ্ষিক অধিৱেশন হৈছিল, সেই অধিৱেশনত ড° নগেন শইকীয়াদেৱে দিয়া সুপৰামৰ্শ বৰাদেৱে কোৱাৰ দৰে সঙঘই আওকাণ কৰা নাই। শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘই যে ইতিমধ্যে **'শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়'** স্থাপন কৰি কৰ্মত বহুদূৰ আগুৱাই গ'ল, সেইটো খবৰ সঙঘৰ শুভাকাংক্ষী(?) বৰাদেৱে অদ্যপৰিমিত ঘূণাক্ষৰেও নজনাটোহে পৰিতাপৰ কথা। সঙঘৰ 'শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়' সম্পৰ্কে বৰাদেৱৰ জ্ঞাতাৰ্থে চমু খতিয়ান এটি দাঙি ধৰিবলৈ ইচ্ছা কৰিছোঁ।

১৯৯৫ চনতেই শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘই 'শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়' স্থাপনৰ কামত আগবাঢ়ে। সঙঘৰ তদানীন্তন পদাধিকাৰ কৰুণাকান্ত কলিতা আৰু প্ৰধান সম্পাদক মুখ্যেশ্বৰ শইকীয়াৰ কাৰ্যকালতে এই পদক্ষেপ গ্ৰহণ কৰা হৈছিল। ১৯৯৬ চনত মূল কাৰ্যনিৰ্বাহক সভাই এই বিষয়ত পৰামৰ্শ দিবৰ বাবে আঠজন সদস্যসহ ড° পূৰ্ণচন্দ্ৰ দলৈক সভাপতি আৰু ড° ৰাতুল চন্দ্ৰ বৰাক সম্পাদক হিচাপে লৈ এখনি 'শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয় উপদেষ্টা সমিতি' গঠন কৰি দিয়ে। উপদেষ্টা সমিতিৰ পৰামৰ্শক্ৰমে আৰু কাৰ্যনিৰ্বাহকৰ আলোচনা আৰু সিদ্ধান্তমৰ্মে ১৯৯৭ চনত 'শিক্ষা শাখা সমিতি' গঠন কৰে। ১৯৯৭ চনৰে পৰা বৰ্তমান ২০১১-১২ চনলৈকে প্ৰতিটো কাৰ্যকালৰ বাবে শিক্ষা শাখা সমিতি গঠন কৰি 'শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়'ৰ পৰিচালনা আৰু তত্ত্বাৱধান কৰি অহা হৈছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ ৪৭ খন সাংগঠিক জিলা, বিভিন্ন আঞ্চলিক আৰু প্ৰাথমিকসমূহৰ উদ্যোগত বৰ্তমানলৈকে অসমত ৫২ খন 'শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়' স্থাপন কৰা হৈছে। প্ৰাক্-প্ৰাথমিক পৰ্যায়ৰ পৰা উচ্চ পৰ্যায়লৈকে অৰ্থাৎ দশম শ্ৰেণীলৈকে 'শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়'ত ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰি আছে। প্ৰথমখন বিদ্যালয় স্থাপন হৈছিল ডিব্ৰুগড় জিলাৰ চাবুৱাৰ ফুকনৰ ঘাট নামৰ গাঁৱত ১৯৯৭ চনত। ২০১১ চনত শেষৰখন বিদ্যালয় স্থাপন কৰা হৈছে ধেমাজি জিলাৰ জোনাইত। (সঙঘৰ জোনাই জিলা শাখা) ৫২ খন বিদ্যালয়ৰ মাজৰে ৪ খন বিদ্যালয়ৰ পৰা ২০১১ বৰ্ষৰ পৰা প্ৰৱেশিকা পৰীক্ষাৰ ফলাফলো সন্তোষজনক। বৰাৰ জ্ঞাতাৰ্থে 'শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়'সমূহৰ তালিকাখন তথ্য সহকাৰে দাঙি ধৰা হ'ল।

শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়ৰ মণ্ডল সমূহৰ অৱস্থিতি-

**নগাঁও মণ্ডল**

| | <u>বিদ্যালয়ৰ নাম আৰু ঠিকনা</u> | <u>স্থাপিত চন</u> |
|---|---|---|
| ১/ | **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়**<br>কাকী ২ নং (হোজাই জিলা),<br>ডাক- ঠাইচুপাৰ, নগাঁও - ৭৮২৪৪৬ | ১৯৯৯ |
| ২/ | **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়**<br>বৈদ্যটুপ, নগাঁও জিলা শাখা, নগাঁও-৭৮২০০১ | ১৯৯৮ |
| ৩/ | **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়**<br>উত্তৰ হয়বৰগাঁও, সদৰ আঞ্চলিক শাখা<br>নগাঁও - ৭৮২০০১ | ১৯৯৮ |
| ৪/ | **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়**<br>দেউৰীগাঁও, কামপুৰ, ডাক- পতিয়াপাম<br>পিন - ৭৮২৪২৬ | ২০০০ |
| ৫/ | **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়**<br>দাৰিগজি, কলিয়াবৰ, ডাক- বৰভগিয়া<br>পিন - ৭৮২১৩৮ | ২০০৪ |
| ৬/ | **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়**<br>বকলিয়াঘাট, ডাক- বকলিয়াঘাট<br>কাৰ্বি আংলং, পিন - ৭৮২১৪২ | ২০০৫ |
| ৭/ | **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়**<br>জাজৰি, বৰিগাঁও, মৰিগাঁও - ৭৮২১৪২ | ২০০২ |
| ৮/ | **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়** | ২০০৭ |

হাওৰাঘাট, ডাক- হাওৰাঘাট
কাৰ্বি আংলং, পিন - ৭৮২৪৮১

৯/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ২০০৮
কাঢ়ালি মিচন, পূৰ্বাঞ্চলিক শাখা, নগাঁও - ৭৮২১৪১

### গুৱাহাটী মণ্ডল

১০/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ১৯৯৮
বৈকুণ্ঠধাম, মাধৱপুৰ, নুনমাটি
গুৱাহাটী, পিন - ৭৮১৩৩৯

১১/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ১৯৯৮
কৰিয়া, ডাক- কৰিয়া, নলবাৰী - ৭৮১৩৩৯

১২/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ১৯৯৮
বৰশিমলুগুৰি, ডাক- বৰশিমলুগুৰি
নলবাৰী, পিন - ৭৮১৩৪৬

১৩/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ২০০২
মহিনা, ডাক- মহিনা, নলবাৰী - ৭৮১৩৪৯

১৪/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ২০০২
কটলা, বৰকুছি, ডাক- মিলনপুৰ
নলবাৰী, পিন - ৭৮১৩৩৭

১৫/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ২০০১
শিয়ালমাৰী, শিয়ালমাৰী, নলবাৰী - ৭৮১৩৭১

১৬/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ২০০৪
ফেহুৰাখোৰা, ডাক- ভলুকাডোবা
বৰপেটা, পিন - ৭৮১৩১৭

১৭/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ২০০৪
শংকৰদেৱ নগৰ, ৰঙিয়া, ডাক- ৰঙিয়া - ৭৮১০২০

১৮/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ২০০৫
বেলশৰ, ডাক- বিলেশ্বৰ, নলবাৰী - ৭৮১৩০৪

১৯/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ২০০৯
হাউলী, ডাক- হাউলী, বৰপেটা - ৭৮১৩১৬

### বঙাইগাঁও মণ্ডল

২০/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ২০০২
দেৱীতোলা, ডাক- দেৱীতোলা, ধুবুৰী - ৭৮৩৩৩৯

২১/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ২০০১
শংকৰী সংস্কৃতি প্ৰকল্প, ডাক- বালাজান
দুমৰদহ, পিন - ৭৮৩৩৩১

২২/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ২০০২
কুৰশাকাটি, ডাক- মুলানডুবি, ধুবুৰী - ৭৮৩৩৩১

২৩/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ২০০৭
জিনকাটা, ডাক- জিনকাটা, ধুবুৰী

### তেজপুৰ মণ্ডল

২৪/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ১৯৯৯
মাজগাঁও, ডাক- কেতেকীবাৰী
তেজপুৰ - ৭৮৪১৫৪

২৫/ **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়** ২০০২
শান্তিপুৰ ২ নং, চেঙামাৰি, শোণিতপুৰ

২৬/ **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়** ১৯৯৮
পদুমপুখুৰী, উহঁাৰচক, মহলীয়াপাৰা

২৭/ **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়** ২০০৯
মঙ্গলদৈ

২৮/ **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়** ২০০৯
ৰাজগড়, ডাক- ওদালগুৰি, দৰং

**লক্ষিমপুৰ মণ্ডল**

২৯/ **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়** ২০০০
মিংমাং, ডাক- মিংমাং, বৰলা চাৰিআলি
ধেমাজী, পিন - ৭৮৭০৫৭

৩০/ **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়** ২০০৪
হাহি গোবিন্দপুৰ, ডাক- গোবিন্দপুৰ, ঢকুৱাখনা

৩১/ **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়** ২০০৩
জোনাই জিলা শাখা, ডাক- ধেমাজি - ৭৮৭০৬০

৩২/ **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়** ২০১১
পশ্চিম মাছখোৱা আঞ্চলিক,
ডাক- গন্ধিয়া, ঢকুৱাখনা

৩৩/ **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়** ২০০৬
ঢকুৱাখনা আঞ্চলিক শাখা

**যোৰহাট মণ্ডল**

৩৪/ **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়** ২০০০
বিষ্ণুপুৰ, নুমলীগড়, ডাক- কনাইঘাট
যোৰহাট, পিন - ৭৮২৪৪৬

৩৫/ **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়** ২০০২
গমাৰীগুৰি ৪ নং, ডাক- গমাৰীগুৰি

৩৬/ **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়** ২০০০
চাওদাং পথাৰ, ডাক- মেৰাপানী
গোলাঘাট, পিন - ৭৮৫৬৩১

৩৭/ **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়** ২০০০
তৰানি, ডাক- উজনি গোলাঘাট
গোলাঘাট, পিন - ৭৮৫৬৩১

৩৮/ **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়** ২০০৪
নগাবাট, বহহোলা, ডাক- মুক্তিনগৰ
তিতাবৰ, পিন - ৭৮৫৬০১

৩৯/ **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়** ২০০৪
লাচিত নগৰ, ডাক- ফৰকাটিং
গোলাঘাট, পিন - ৭৮৫৬০১

৪০/ **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়** ২০০৫
ৰেংমাগ্ৰাণ্ট, ডাক- ওপৰলাংঠা, ধনশিৰি
গোলাঘাট, পিন - ৭৮৫৬০২

৪১/ **শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়** ২০০৮

বোকাখাত, ডাক- বোকাখাত
পিন - ৭৮৫৬১২

**ডিব্ৰুগড় মণ্ডল**

৪২/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ২০০১
ঘুৰণীয়া, ডাক- ঘুৰণীয়া, বৰবৰুৱা
ডিব্ৰুগড়, পিন - ৭৮৫০০৭

৪৩/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ২০০৩
আমগুৰি, মুঢ়ানিগাঁও, ডাক- ৰঙচাঙি চাবুৱা
ডিব্ৰুগড়, পিন - ৭৮৬১৮৪

৪৪/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ২০০৫
ফুকনৰ ঘাট, ডাক- ফুকনৰ ঘাট, চাবুৱা
ডিব্ৰুগড়, পিন - ৭৮৬১০১

৪৫/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ১৯৯৭
মিলনদ্বীপ আঞ্চলিক শাখা, কেদান বজাৰ
অমৰপুৰ, শদিয়া

৪৬/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ১৯৯৯
নিতাইপুখুৰী, ডাক- নিতাইপুখুৰী
শিৱসাগৰ, পিন - ৭৮৫৬৭১

৪৭/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ২০০২
জুটুলনী গাঁও, ডাক- লংপতিয়া, শিৱসাগৰ

৪৮/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ২০০৪
হুলাংকাটনি, ডাক- লিগিৰি পুখুৰী
নাজিৰা, পিন - ৭৮৫৬৮৫

৪৯/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ২০০৪
নগাহাট, চৰাইদেউ, শিৱসাগৰ

৫০/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ২০০২
মিচাজান, গোহাইবাৰী, ডাক- দেউপানী
নামতি চাৰিআলি, শিৱসাগৰ - ৭৮৫৬৮৪

৫১/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ২০০৫
মিচাজান, ডাক- মিচাজান, নাজিৰা
শিৱসাগৰ, পিন - ৭৮৫৬৮৪

৫২/ **শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়** ২০০৭
আখৈফুটীয়া গাঁও, ডাক- আখৈফুটীয়া
শিৱসাগৰ, পিন - ৭৮৫৬৭১

অৱশ্যে ড° নগেন শইকীয়াদেৱে পৰামৰ্শ দিয়াৰ দৰে আৱাসিক বিদ্যালয় হিচাপে বিদ্যালয়সমূহ স্থাপন কৰা হোৱা নাই। ভৱিষ্যতলৈ আৱাসিক বিদ্যালয় স্থাপন কৰিবৰ বাবে সঙ্ঘই নিশ্চয় যত্ন কৰিব। মহাপুৰুষ শঙ্কৰদেৱৰ উদাৰ গণতান্ত্ৰিক ভাৱধাৰা, ভ্ৰাতৃত্ববোধ, সাম্যবাদী দৰ্শন, সকলো জীৱৰ প্ৰতি প্ৰেম-দয়া-কৰুণাৰ বাণী আৰু অধ্যাত্ম বিদ্যাৰ ওপৰত ভিত্তি কৰি নৱপ্ৰজন্মক সৃষ্টি কৰাই শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়ৰ মূল লক্ষ্য আৰু উদ্দেশ্য। চৰকাৰী বিদ্যালয়ত থকা বিষয়বোৰৰ লগতে কৰ্ম শিক্ষা, নীতি শিক্ষা, স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা আৰু সঙ্গীত শিক্ষা আদি বিষয় সন্নিবিষ্ট কৰি পাঠ্যক্ৰম প্ৰস্তুত কৰা হৈছে। গতিকে ময়ূৰ বৰাৰ অনৰ্থক মন্তব্যই সঙ্ঘৰ ভাৱমূৰ্তি অসমৰ জনসাধাৰণৰ দৃষ্টিত হেয় কৰা নাই জানো?

# দশম অধ্যায়
# ব্ৰাহ্মণ-বিদ্বেষ বদনামৰ বেদনা

ময়ূৰ বৰাই তেখেতৰ গ্ৰন্থখনত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘক কালিমা সানিবলৈ **‘হকে-বিহকে বামুণক গালি পৰাৰ প্ৰৱণতা’** শীৰ্ষক এটা লেখা সন্নিবিষ্ট কৰিছে। আৰম্ভণিতেই ময়ূৰ বৰাদেৱক এটা কথা স্মৰণ কৰাই দিওঁ যে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সংগীসকল মানসিক ৰোগী নহয় যে হকে-বিহকে এটা বিশেষ সম্প্ৰদায়ৰ লোকক গালি-শপনি পাৰি থাকিব। বৰাই লিখিছে - **‘যিদৰে একাংশ ব্ৰাহ্মণ পুৰোহিতে যুগ যুগ ধৰি ধৰ্মৰ নামত তথাকথিতভাৱে নীচ জাতিৰ মানুহক অৱজ্ঞা আৰু শোষণ চলাই আহিছিল, ঠিক তেনেদৰে শংকৰ সংঘৰ এচাম নেতায়ো আজিকালি কথাই প্ৰতি সামগ্ৰিকভাৱে বামুণ জাতিটোক ব্যংগ, শ্লেষ আৰু ভৰ্ৎসনাৰ লক্ষ্য কৰি লোৱা দেখা যায়।’** (পৃ. ৭৩) ৰাজনীতি দলত বা তেনেজাতীয় কোনো সংগঠনত নেতা থকাৰ দৰে সঙ্ঘত অৱশ্যে এতিয়ালৈকে তেনে কোনো নেতাৰ উদ্ভৱ হোৱা নাই। যি নহওক, বৰাই ওপৰে ওপৰে এনে কথা নকৈ বামুণক গালি পৰা নিৰ্দিষ্ট ব্যক্তি কেইজনৰ বিৰুদ্ধেহে অভিযোগ আনিব লাগিছিল। তাকে নকৰি হকে-বিহকে অভিযোগ উত্থাপন কৰা কথাটো বুদ্ধিজীৱীৰ (?) কাৰণে অশোভনীয়। **‘আজিকালি কথাই প্ৰতি সামগ্ৰিকভাৱে বামুণ জাতিটোক’** - গালি পৰাৰ কিবা প্ৰমাণ তথ্যসহকাৰে বৰাই সঙ্ঘক দিয়াহে উচিত আছিল। সঙ্ঘৰ মূল নীতিয়েই হৈছে অস্পৃশ্যতা বৰ্জন কৰা। তেনে ক্ষেত্ৰত এটা জাতিক বেয়া পোৱাৰ কোনো কাৰণ থাকিব নোৱাৰে। গুৰুজনে ব্ৰাহ্মণ পণ্ডিতসকলক সন্মান জনোৱাৰ দৰেই সঙ্ঘই ব্ৰাহ্মণ পণ্ডিতসকলক সন্মান জনাই আহিছে। ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোকক সন্মান যচা নাই বুলি বৰাই অভিযোগ কৰিছে যে **‘কিন্তু সংঘৰ এতিয়াৰ নেতৃত্বই তেনে বহল মন এটাৰ পৰিচয় দিবলৈ চেষ্টা নকৰাটো খুবেই চিন্তনীয়।’ (পৃ. ৭৪)** বৰাৰ এই কথাৰ উত্তৰত আমি কওঁ যে সঙ্ঘৰ জন্ম কালৰে পৰাই বৰ্তমানলৈকে ব্ৰাহ্মণ পণ্ডিতসকলক যথোচিতভাৱে সন্মান জনাই অহা হৈছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই ব্ৰাহ্মণ সম্প্ৰদায়ৰ পাঁচজন বিশিষ্ট ব্যক্তিক সঙ্ঘৰ শীৰ্ষতম সন্মানীয় পদত স্থলাভিষিক্ত কৰিছে। উল্লেখযোগ্য যে ১৯৩২ চনৰে পৰা বৰ্তমানলৈকে একৈশজন পদাধিকাৰৰে পাঁচজন ব্ৰাহ্মণ সম্প্ৰদায়ৰ ব্যক্তি। তেখেতলোক হ’ল যথাক্ৰমে পদাধিকাৰ গোপিকাবল্লভ গোস্বামী (১৯৩৩-৩৪ আৰু ১৯৩৫-৩৬ বৰ্ষ), পদাধিকাৰ পীতাম্বৰ দেৱগোস্বামী (১৯৫০-৫১), পদাধিকাৰ গহন চন্দ্ৰ গোস্বামী (১৯৫১-৫২), পদাধিকাৰ তীৰ্থ নাথ গোস্বামী (১৯৫৬-৫৭) আৰু পদাধিকাৰ অচ্যুতকৃষ্ণ মিশ্ৰ (১৯৭০-৭১ৰ পৰা ১৯৭৮-৮০)। ইয়াৰ উপৰি সঙ্ঘৰ মূলৰ অধিৱেশন, জিলা অধিৱেশন, আলোচনা চক্ৰ, কৰ্মশালা আদিত ব্ৰাহ্মণ পণ্ডিতসকলক নিমন্ত্ৰণ কৰি আনি যথাযোগ্য সন্মান দিয়া হৈছে। সঙ্ঘৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থ, স্মৃতিগ্ৰন্থ, অভিনন্দন গ্ৰন্থ আদিত বিশিষ্ট ব্ৰাহ্মণ লেখকৰ নিবন্ধ সন্নিবিষ্ট কৰা হৈছে। ময়ূৰ বৰা আৰু সহৃদয় পাঠকবৰ্গৰ জ্ঞাতাৰ্থে উপৰিউক্ত কথাৰ প্ৰমাণ দাঙি ধৰিবলৈ হাততে পোৱা কেইটামান তথ্য ইয়াত দিবলৈ প্ৰয়াস কৰিছোঁ। উল্লেখযোগ্য যে ১৯৫১ চনৰে পৰা প্ৰকাশ পাই অহা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মুখপত্ৰ ‘নাম-ধৰ্ম’খনৰ নামটো লক্ষ্মীনাথ বেজবৰুৱাৰ পৰামৰ্শমতেই নামকৰণ কৰা হৈছিল। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰতীকটো বিশিষ্ট চিত্ৰশিল্পী বেণু মিশ্ৰই অঙ্কন কৰি দিছিল। সভা সমিতিৰ ক্ষেত্ৰত কব পাৰি যে ১৯৭৩-৭৩ বৰ্ষৰ, ৫২৪ শঙ্কৰাব্দ, নগাঁও জিলাৰ নেহৰুবালিত অনুষ্ঠিত হোৱা সঙ্ঘৰ বাৰ্ষিক অধিৱেশনৰ সাহিত্য শাখাৰ অধিবেশনত সভাপতিত্ব কৰিছিল সুসাহিত্যিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই। ১৯৬৬ চনত তিনিচুকীয়াত অনুষ্ঠিত হোৱা পঞ্চত্ৰিংশতম সঙ্ঘৰ বাৰ্ষিক অধিৱেশনত নিৰ্দ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰিছিল জীৱনানন্দ গোস্বামীয়ে। ১৯৬৮ চনত বিজনীত অনুষ্ঠিত সপ্তত্ৰিংশত্তম বাৰ্ষিক অধিৱেশনৰ মুকলি সভাৰ উদ্বোধক আছিল জৰাবাৰী সত্ৰৰ সত্ৰাধিকাৰ গৌৰীকান্ত গোস্বামী। ১৯৮৫ চনত নলবাৰীত অনুষ্ঠিত সঙ্ঘৰ বাৰ্ষিক অধিৱেশনত সংস্কৃতি শাখাৰ অধিৱেশনত নিৰ্দ্দিষ্ট বক্তাৰূপে অংশ গ্ৰহণ কৰিছিল সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামীয়ে। ১৯৯৯ চনত মৰিগাঁৱত অনুষ্ঠিত হোৱা বাৰ্ষিক অধিৱেশনৰ সাহিত্য শাখাৰ অধিৱেশনত নিৰ্দ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰিছিল ড° অমলেন্দু চক্ৰৱৰ্তীয়ে আৰু সংস্কৃতি শাখাৰ অধিৱেশনত সাংসদ অৰুণ শৰ্মাই অংশ গ্ৰহণ কৰিছিল। ১৯৯৮ চনত যোৰহাট অধিৱেশনৰ সংস্কৃতি শাখাৰ অধিৱেশনত সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামী আৰু নৃত্য ভাৰতী যতীন্দ্ৰ নাথ গোস্বামীয়ে অংশ গ্ৰহণ কৰিছিল। ২০০৪ চনত মঙ্গলদৈত অনুষ্ঠিত হোৱা বাৰ্ষিক অধিৱেশনত ড° মামনি ৰয়ছম গোস্বামীয়ে মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰিছিল। এইখন সভাত ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক সভাপতি নাৰায়ণ চন্দ্ৰ বৰকটকীয়েও অংশ গ্ৰহণ কৰিছিল। ২০০৫ চনত ধুবুৰী জিলাৰ দুমৰদহত অনুষ্ঠিত হোৱা অধিৱেশনত সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা ড° সমুজ্জল কুমাৰ ভট্টাচাৰ্যই বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰিছিল। ২০০১ চনত ধেমাজি অধিৱেশনত সাংসদ অৰুণ কুমাৰ শৰ্মাই বিশিষ্ট অতিথি হিচাপে যোগদান কৰিছিল। ২০০২ চনত গুৱাহাটীৰ দলিবাৰীত হোৱা অধিৱেশনৰ সাহিত্য শাখাৰ অধিৱেশনত মুখ্য অতিথি ড° মামনি ৰয়ছম গোস্বামী আৰু নিৰ্দ্দিষ্ট বক্তা হিচাপে ড° অমলেন্দু চক্ৰৱৰ্ত্তীয়ে অংশ গ্ৰহণ কৰিছিল। প্ৰতিনিধি সভাৰ আদৰণী ভাষণ প্ৰদান

কৰিছিল জালুকবাৰী সমষ্টিৰ তদানীন্তন বিধায়ক হিমন্তবিশ্ব শৰ্মাই। মুকলি সভাৰ মুখ্য অতিথি আছিল অসম চৰকাৰৰ তদানীন্তন গড়কাপ্তানী মন্ত্ৰী শৰৎ বৰকটকী। সাংস্কৃতিক অনুষ্ঠানৰ উদ্বোধক আছিল বিশিষ্ট কণ্ঠশিল্পী জুবিন গাৰ্গ। দ্বিতীয় দিনৰ মুকলি সভাৰ বিশিষ্ট অতিথি আছিল তদানীন্তন কেন্দ্ৰীয় চৰকাৰৰ জলসম্পদ ৰাজ্যিক মন্ত্ৰী বিজয়া চক্ৰৱৰ্ত্তী আৰু যুৱ ছাত্ৰ পৰিষদৰ সভাপতি অপূৰ্ব কুমাৰ ভট্টাচাৰ্য। ২০০৩ চনৰ চৰাইদেউ অধিৱেশনত তেনেদৰে মন্ত্ৰী শৰৎ বৰকটকী, বিজয়া চক্ৰৱৰ্ত্তী, অগপ দলৰ তদানীন্তন সভাপতি বৃন্দাৱন গোস্বামী, ড° সমুজ্জল কুমাৰ ভট্টাচাৰ্য আৰু অপূৰ্ব কুমাৰ ভট্টাচাৰ্যই বিশিষ্ট অতিথি হিচাপে যোগদান কৰিছিল। ২০০৮ চনৰ সৰুপথাৰত অনুষ্ঠিত হোৱা অধিৱেশনত উপস্থিত আছিল শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰৰ সচিব গৌতম শৰ্মা, সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামী, অগপৰ সভাপতি বৃন্দাৱন গোস্বামী, ড° হিমন্তবিশ্ব শৰ্মা, ড° সমুজ্জল কুমাৰ ভট্টাচাৰ্য আৰু গোলাঘাট জিলা সাংবাদিক সন্থাৰ সভাপতি অপূৰ্ববল্লভ গোস্বামী। ২০০৯ চনত নাজিৰাত অনুষ্ঠিত হোৱা অধিৱেশনত বিশিষ্ট অতিথি হিচাপে উপস্থিত আছিল ড° সমুজ্জল কুমাৰ ভট্টাচাৰ্য আৰু সোণাৰি সমষ্টিৰ বিধায়ক শৰৎ বৰকটকী। ২০১২ চনৰ কলিয়াবৰ অধিৱেশনলৈ সত্ৰ মহাসভাৰ প্ৰাক্তন সভাপতি ভদ্ৰকৃষ্ণ গোস্বামীদেৱক নিমন্ত্ৰণ দিয়া হৈছিল। অৱশ্যে তেখেতে সভাত উপস্থিত নাছিল। চিন্তাবিদ-গৱেষক ড° দেৱব্ৰত শৰ্মাই নিৰ্দিষ্ট বক্তাৰূপে সভাত অংশ গ্ৰহণ কৰিছিল।

এতিয়া বৰাদেৱক সুধিবলৈ বিচাৰিছোঁ যে সংঘৰ এতিয়াৰ নেতৃবৃন্দৰ বহল মন এটা নাথাকিলে শৰ্মা, ভট্টাচাৰ্য, বৰকটকী, গোস্বামী, চক্ৰৱৰ্ত্তী, গাৰ্গ আদি ব্ৰাহ্মণ কুলৰ এইসকল বিশিষ্ট শিল্পী, সাহিত্যিক, সাংবাদিক, সমাজকৰ্মীক সভালৈ নিমন্ত্ৰণ কৰি আনি সাদৰ সম্ভাষণ জনাব পাৰিলেহেঁতেননে? **'হকে-বিহকে বামুণক গালি পৰা প্ৰৱণতা'** এটা লৈ এইসকলক গালি পাৰিবৰ বাবেই মাতিছিলনে? বুদ্ধিজীৱী হিচাপে বৰাদেৱৰ চিন্তাৰ দৌৰ দেখি আমি কিন্তু হতবাক!

সঙ্ঘৰ বৰ্তমানৰ বিষয়ববীয়াসকলৰ বহল মনৰ পৰিচয় দিবলৈ ২০১২ বৰ্ষৰ কলিয়াবৰ অধিৱেশনৰ এখন ছবি বৰাৰ সন্মুখত দাঙি ধৰিবলৈ বিচাৰিছোঁ। ২০১২ চনৰ একাশীতিতম কলিয়াবৰ অধিৱেশনৰ সঙ্ঘৰ কলিয়াবৰ জিলা শাখাই প্ৰকাশ কৰা 'দাপোণত কলিয়াবৰ' শীৰ্ষক মূল্যবান গ্ৰন্থখনিৰ সম্পাদক আছিল বিশিষ্ট লেখক উপেন বৰকটকী। গ্ৰন্থখনিৰ চাৰিজন উপদেষ্টাৰ ভিতৰৰে দুজন আছিল - ড° গকুল গোস্বামী আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি আৰু বিশিষ্ট লেখক ইন্দ্ৰেশ্বৰ গোস্বামী। সদস্যসকলৰ ভিতৰৰে অন্যতম তিনিজন সদস্য আছিল - নবীন বৰঠাকুৰ, ভূপেন শৰ্মা আৰু পল্লৱপ্ৰাণ গোস্বামী। গ্ৰন্থখনৰ লেখকসকলৰ ভিতৰৰে ব্ৰাহ্মণ কুলৰ লেখকসকল আছিল - ড° গকুল গোস্বামী, নবীন বৰঠাকুৰ, ইন্দ্ৰেশ্বৰ গোস্বামী, উপেন বৰকটকী, ড° দুবৰি গোস্বামী, বিপুল চন্দ্ৰ ভট্টাচাৰ্য, গিৰীশ কটকী আৰু ভূপেন শৰ্মা। অধিৱেশনৰ স্মৃতিগ্ৰন্থ 'অমিয়া মাধুৰী'তো উপৰিউক্ত ব্যক্তিকেইজনে সম্পাদনাৰ বিভিন্ন দায়িত্ব পালন কৰিছিল। স্মৃতিগ্ৰন্থখনিত ড° গিৰিকান্ত গোস্বামী, ড° গিৰিশ বৰুৱা, ড° সাৰদানন্দ দেৱগোস্বামী, ড° গকুল গোস্বামী আৰু নবীন বৰঠাকুৰে প্ৰবন্ধ লিখিছিল। সুবৃহৎ অধিৱেশন এখন সাফল্যমণ্ডিত কৰি তুলিবলৈ হ'লে সকলো লোকৰে অংশ গ্ৰহণ অনস্বীকাৰ্য। কলিয়াবৰ অধিৱেশনৰ আদৰণী সমিতিৰ বিভিন্ন দায়িত্ব পালন কৰা ব্ৰাহ্মণ সম্প্ৰদায়ৰ ব্যক্তিসকল আছিল - সৰ্বশ্ৰী গুণমনি শৰ্মা, কুশল ঠাকুৰীয়া, দীপক কুমাৰ গোস্বামী, ভূপেন শৰ্মা, অঞ্জলী গগৈ শৰ্মা, ঋতুপৰন বৰকটকী, পল্লৱ মিশ্ৰ, ৰঞ্জিত ভট্টাচাৰ্য, ৰণ্টু শৰ্মা, নিকুমনি শৰ্মা, গিৰিশ খাউণ্ড, ৰামেশ্বৰ গোস্বামী, টঙ্কেশ্বৰ শৰ্মা, প্ৰণৱ শৰ্মা, ৰাজলক্ষ্মী গোস্বামী, মণি শৰ্মা, প্ৰিয়বাস চক্ৰৱৰ্ত্তী, ড° দুবৰি গোস্বামী, মিনতি শৰ্মা বৰা, জয়ন্ত কুমাৰ শৰ্মা, কমল চন্দ্ৰ গোস্বামী, অনুজ শৰ্মা, দেৱাশিষ গোস্বামী, ৰাজীৱ গোস্বামী, গিৰিশ কটকী, যোগেন শৰ্মা, মুন্না শৰ্মা, অৰুণ কুমাৰ শৰ্মা আদি। এইসকল প্ৰায়বিলাকেই কলিয়াবৰ অঞ্চলৰেই বাসিন্দা। আমি ইয়াত মাত্ৰ এখন অধিৱেশনৰ ছবিহে দাঙি ধৰিলোঁ। আৰু আশীখন অধিৱেশনৰ বিৱৰণ দিবলৈ হ'লে এখন বৃহৎ কলেৱৰৰ গ্ৰন্থই হ'বগৈ। সেয়েহে সঙ্ঘৰ বহল মনৰ পৰিচয় পাবৰ কাৰণে বাকী অধিৱেশনবোৰৰ লগত ব্ৰাহ্মণ সম্প্ৰদায়ৰ কেনে নিবিড় সম্পৰ্ক সেইকথা বিভিন্ন স্মৃতিগ্ৰন্থ, গ্ৰন্থ আদিত চাই লবৰ বাবে বৰাদেৱক আহ্বান জনালোঁ।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই প্ৰকাশ কৰা গ্ৰন্থবিলাকো ব্ৰাহ্মণ পণ্ডিত লেখক সকলৰ ৰচনাৰে পৰিপূৰ্ণ। গ্ৰন্থ সম্পাদনা কৰা, স্মৃতিগ্ৰন্থ সম্পাদনা কৰা, গ্ৰন্থৰ পাতনি লেখা আদি সাহিত্য কৰ্মত ব্ৰাহ্মণ পণ্ডিত লেখকক সঙ্ঘই আগস্থান দি আহিছে। ময়ূৰ বৰাদেৱক অৱগত কৰাৰ মানসেৰে দুই-এটা উদাহৰণ মাত্ৰ ইয়াত দাঙি ধৰিছোঁ। ড° পূৰ্ণানন্দ শইকীয়াই ইংৰাজী ভাষালৈ অনুবাদ কৰা 'কীৰ্ত্তন ঘোষা'ৰ 'Introduction' লিখি দিছে আন্তৰ্জাতিক খ্যাতিসম্পন্ন পণ্ডিত ড° মুকুন্দ মাধৱ শৰ্মাই; যিখন গ্ৰন্থ ২০০৫ চনত ধুবুৰী জিলাৰ সঙ্ঘৰ দুমৰদহ অধিৱেশনত উন্মোচন কৰা হৈছিল। ড° শৰ্মাই তেখেতৰ লিখনিৰ শেষত এনেদৰে সামৰণি মাৰিছিল অতি তাৎপৰ্যপূৰ্ণভাৱে -

'Incidentally this book is published by a very great Socio-religio-cultural institution of Eastern India, Srimanta Sankaradeva Sangha, which has lakhs of lakhs of members, who are all dedicated souls. In appreciation of this laudable enterprise of the sangha. I am tempted to utter the following words of goodwill -

"Let all concerned be happy.
Let all concerned be free from ailments.
Let all see only auspicious things.
Let not a single person be subject to sorrow."

এই অধিৱেশনৰ স্মৃতিগ্ৰন্থ 'বৈকুণ্ঠ বেহাৰ'ৰ বাংলা শাখাৰ সম্পাদক আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অমলেন্দু চক্ৰৱৰ্ত্তী। ১৯৯৯ চনত দুলীয়াজানত অনুষ্ঠিত হোৱা বাৰ্ষিক অধিৱেশনৰ স্মৃতিগ্ৰন্থ 'সৌমাৰ তীৰ্থ'ৰ হিন্দী শাখাৰ সম্পাদনা কৰিছিল ভানুপ্ৰসাদ শৰ্মাই। ২০১০ চনত তিতাবৰত অনুষ্ঠিত সঙ্ঘৰ অধিৱেশনৰ স্মৃতিগ্ৰন্থৰ ইংৰাজী বিভাগৰ সম্পাদনা কৰিছে কেদাৰ নাথ পাণ্ডেয়ে। ২০১১ চনত সঙ্ঘই প্ৰকাশ কৰা 'Srimanta Sankaradeva and His Philosophy' গ্ৰন্থৰ মুখ্য সম্পাদক আছিল ড° গিৰিশ বৰুৱা। এই গ্ৰন্থখনিত অন্যান্যসকলৰ লগতে গৱেষণামূলক নিবন্ধ লিখিছিল ড° অমলেন্দু চক্ৰৱৰ্ত্তী, ড° গিৰিশ বৰুৱা, ড° মাইনা শৰ্মা, ড° নীলিমা শৰ্মা আৰু ড° শিৱনাথ শৰ্মাই। সঙ্ঘৰ প্ৰকাশিত গ্ৰন্থত বহু ব্ৰাহ্মণ লেখকে লেখা মেলা কৰি আহিছে। ইয়াৰে ভিতৰত কেইগৰাকীমান বিশিষ্ট লেখক হ'ল ড° উপেন্দ্ৰ নাথ গোস্বামী, ড° সৰ্বেশ্বৰ ৰাজগুৰু, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, ড° সত্যেন্দ্ৰনাথ শৰ্মা, ড° ৰজনীকান্ত দেৱশৰ্মা আৰু যতীন্দ্ৰ নাথ গোস্বামী। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই ৰাজ্যৰ ভিতৰে-বাহিৰে অনুষ্ঠিত কৰি অহা আলোচনা-চক্ৰ কৰ্মশালা আদিত ব্ৰাহ্মণ পণ্ডিতসকলে অংশ গ্ৰহণ কৰি গুৰুজনাৰ সাহিত্য-সংস্কৃতি, ধৰ্ম-দৰ্শন বিষয়ত সাৰগৰ্ভ বক্তৃতা প্ৰদান কৰিছে। এইসকলৰ ভিতৰত - ড° গিৰিশ বৰুৱা, ড° নীলিমা শৰ্মা, ড° অমলেন্দু চক্ৰৱৰ্ত্তী, ড° মাইনা শৰ্মা, ড° দেৱব্ৰত শৰ্মা আদিৰ নাম উল্লেখযোগ্য। আৰু বহল মনৰ পৰিচয় দিবলৈ হ'লে সঙ্ঘই কেনে কৰ্ম আঁচনি প্ৰস্তুত কৰিব লাগে - সেই বিষয়ে ময়ূৰ বৰাদেৱে পৰামৰ্শ প্ৰদান কৰিব পাৰিব।

বৰাই সঙ্ঘৰ মানুহৰ 'বৌদ্ধিক দৈন্যতা'ৰ কাৰণেই '**তদুপৰি বামুণ জাতি আৰু ব্ৰাহ্মণ্যবাদ যে একে বস্তু নহয় সেইকথাও তেওঁলোকে নুবুজে**' (পৃ. ৭৫) বুলি অভিযোগ উত্থাপন কৰিছে। সঙ্ঘৰ মানুহৰ বৌদ্ধিক দৈন্য নিৰ্মূল কৰিবৰ কাৰণে বৰাই দেখোন এখন গৱেষণামূলক গ্ৰন্থকে প্ৰণয়ন কৰিব পাৰিলেহেঁতেন। অৱশ্যে বৰাই আকৌ লিখিলেও লাভ নহ'ব বুলি ভাবিছে, কিয়নো - "**কিন্তু ব্ৰাহ্মণ লোক সন্দৰ্ভত সঙ্ঘৰ মানুহক কিবা কবলৈ যোৱা মানে 'অবুজনক বুজোৱা ঢেৰুৱা ঠাৰী সিজোৱা'ৰ নামান্তৰ।**" (পৃ. ৭৫) বামুণলোকক সঙ্ঘৰ মানুহে গালি পৰাৰ বদনাম দি বৰায়েই দেখোন নিজৰ গ্ৰন্থখনতে শ্ৰীকান্ত দেৱশৰ্মাক '**বুদ্ধিভ্ৰষ্ট পুৰোহিত**' (পৃ. ৪৬) বুলি ব্ৰাহ্মণ নিন্দা কৰিছে। বৰাৰ গ্ৰন্থখনৰ সমৰ্থন কৰি লিখা বিপুল শৰ্মাদেৱে ব্ৰাহ্মণক মূৰ্খ বুলি কবলৈ কুণ্ঠাবোধ কৰা নাই। শৰ্মাই লিখিছে - '**এইখিনিতে 'শঙ্কৰ বিভ্ৰাট' নামৰ পুথি লিখা পুৰোহিতজনৰ উপাধি আৰু মোৰ উপাধি একেবাৰে মাথো এযাৰ কথাই কওঁ - জাতিৰ পিতা মহাত্মা গান্ধীক গুলীয়াই হত্যা কৰাৰ পাছত জৱাহৰলাল নেহৰুৱে অনাতাঁৰ ভাষণযোগে ঘোষণা কৰিছিল এজন বলিয়াই আমাৰ জাতিৰ পিতাক গুলীয়াই হত্যা কৰিছিল।' ময়ো কওঁ এজন বুদ্ধিভ্ৰষ্ট মূৰ্খ শৰ্মা উপাধিধাৰী লোকে অসমীয়া জাতিৰ আধুনিক ভেটি নিৰ্মাতা শঙ্কৰদেৱক অপমান কৰাৰ চেষ্টা কৰিছিল। সঁচাকৈয়ে শংকৰ সংঘ পথভ্ৰষ্ট হৈছে নেকি ?**' (অসমীয়া খবৰ, ১৫ ফেব্ৰুৱাৰী, ২০১২, বুধবাৰ) এতিয়া কথা হ'ল - যিটো বেয়া সেইটো সকলোৰে বাবেই বেয়া। সেইজন ব্ৰাহ্মণেই হওক অথবা অব্ৰাহ্মণেই হওক। সঙ্ঘৰ দৃষ্টিত সামগ্ৰিকভাৱে ব্ৰাহ্মণ জাতিটো বেয়া হ'ব নোৱাৰে। কোনো জাতিয়েই হ'ব নোৱাৰে। গুৰুজনৰ আদৰ্শৰে সঙ্ঘই ভগৱানে সৃজন কৰা মানুহৰ জাত এটা বুলিয়েই বিশ্বাস কৰে।

বৰাদেৱে এটা কথা নিশ্চয় জানে যে এচাম ব্ৰাহ্মণেই জানো সংহিতা, স্মৃতিশাস্ত্ৰ, কৌমুদী শাস্ত্ৰসমূহ ৰচনা কৰা নাছিল। এইবোৰ গ্ৰন্থত থকা সকলো কথা মানি লব পৰা বিধৰ জানো ? এচাম ব্ৰাহ্মণেই জানো মূলতঃ ব্ৰাহ্মণ্যবাদৰ প্ৰৱৰ্তক আৰু মুখ্য পৃষ্ঠপোষক নাছিল ? মনু সংহিতাৰ শূদ্ৰ আৰু নাৰী সম্পৰ্কীয় অমানৱীয় কথাবোৰ বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগত মানুহে অন্তঃকৰণেৰে মানি লব পাৰিবনে ? গাড়ী আৰু গাড়ী চালকৰ মাজত যি সম্পৰ্ক, সেই একেই সম্পৰ্ক কিছু ব্ৰাহ্মণ আৰু ব্ৰাহ্মণ্যবাদৰ মাজত নহয় জানো ? গাড়ীখন দুৰ্ঘটনাত পতিত হোৱাৰ বাবে গাড়ীখনৰ যান্ত্ৰিক বিজুতিৰ বাবেও হ'ব পাৰে অথবা চালকৰ অসাৱধানতাৰ বাবেও হ'ব পাৰে। যান্ত্ৰিক বিজুতিয়েই হ'ল ব্ৰাহ্মণ্যবাদৰ অৱক্ষয় আৰু চালকৰ অসাৱধানতা বা ভুলটোৱেই হ'ল ব্ৰাহ্মণত্বৰ মূল্যবোধৰ অৱক্ষয়। ব্ৰহ্মতত্ত্বৰ অনুসন্ধান লাভ কৰা প্ৰাচীন ভাৰতৰ উপনিষদৰ যুগৰ ঋষি-মুনিসকলৰ মূল্যবোধ বৰ্তমান কালত ঋষি-মুনিসকলৰ সতি-সন্ততি ব্ৰাহ্মণ কুলৰ কিছু লোকৰ মাজত অৱক্ষয় ঘটাৰ ফলতেই ব্ৰাহ্মণ্যবাদে এক নতুন সাজ পিন্ধিলে। গাড়ীৰ চালক স্বৰূপ কিছু ব্ৰাহ্মণে ব্ৰহ্মচিন্তন এৰি গাড়ী দুৰ্ঘটনাত পতিত কৰাই যাত্ৰীৰ লটিঘটি কৰিছে। 'দুই ম'হৰ যুঁজ মাজত বিৰিণাৰ মৰণ' হোৱাৰ দৰেই আধুনিকতাৰ সাজ পিন্ধা ব্ৰাহ্মণ্যবাদে আৰু চালক স্বৰূপ কিছু ব্ৰাহ্মণে গাড়ীৰ যাত্ৰীস্বৰূপ তথাকথিত নীচকূলৰ লোকসকলক নাকত ধৰি চাকত ঘূৰাইছে। ফলত এইসকল তথাকথিত নীহকূলীয়া যাত্ৰীয়ে গাড়ীৰ চালক আৰু যান্ত্ৰিক বিজুতিৰ তৎ ধৰিব পাৰি তেনে গাড়ী আৰু চালক পৰিত্যাগ কৰি নতুন পথৰ অনুসন্ধান কৰিছে। পৰমজনৰ অনুসন্ধানত ব্ৰতী হৈ বেয়া প্ৰাচীন পৰম্পৰা পৰিত্যাগ কৰি যুগধৰ্ম অনুসৰি যুক্তিসন্মত, বিজ্ঞানসন্মত আৰু মানৱীয় মূল্যবোধ প্ৰতিষ্ঠাত

আত্মনিয়োগ কৰিছে। মহাপুৰুষ শঙ্কৰদেৱে নতুন সাজ পিন্ধা ব্ৰাহ্মণ্যবাদৰ দুৰ্ঘোৰ বিৰোধী আছিল কাৰণেই শ্ৰীকান্ত দেৱশৰ্মা বা তেনে কোনো দুই-এজন তথাকথিত ব্ৰাহ্মণ পণ্ডিতে যুক্তিহীনভাৱে, অশাস্ত্ৰীয়ভাৱে নিজৰ স্বাৰ্থ সিদ্ধি নোহোৱাৰ বাবেই খঙৰ ভমকত প্ৰলাপ বকি থকা নাই জানো? সেয়েহে লক্ষ্মীনাথ বেজবৰুৱাই তেনে এচাম ব্ৰাহ্মণক কটু কথা শুনাই থৈ গৈছে - **'তান্ত্ৰিক হিন্দু ধৰ্মই অসভ্য জাতিবোৰৰ জঘন্যধৰ্ম প্ৰথাৰে সৈতে মিহলি হৈ অধোগতি প্ৰাপ্ত হৈ কালক্ৰমত জঘন্য আকাৰ ধৰিছিল। ব্ৰাহ্মণসকল লোভী অনাচাৰী হৈ বেদবিহিত ব্ৰাহ্মণ্য কৰ্ম্মাদিৰ পৰা ভ্ৰষ্ট হৈ পৰিছিল।'** (বেজবৰুৱা গ্ৰন্থাৱলী, প্ৰথম খণ্ড, দ্বিতীয় প্ৰকাশ, ১৯৮৮, পৃ. ২৪৫) ব্ৰাহ্মণ আৰু হিন্দু ধৰ্মৰ অৱক্ষয়ৰ বিষয়ে কমলাকান্ত ভট্টাচাৰ্যই জানো কৈ যোৱা নাই - **'... হিন্দু ৰাজত্ব কালত কামাখ্যা আৰু শদিয়াৰ কেঁচাই খাইতী দেৱালয়ত বছৰি দুৰ্গা পূজা সময়ত ৬৪ টিকৈ নৰবলি উছৰ্গা কৰা হৈছিল; শ্ৰীমন্ত শঙ্কৰ আবিৰ্ভূত হোৱাৰ পৰা সেইবিলাক নিবাৰিত হ'ল। এনে ধৰ্মকো ব্ৰাহ্মণসকলে মোৰ বোলে আৰু হিন্দু ধৰ্ম পাতে।'** (কমলাকান্ত ভট্টাচাৰ্যৰ ৰচনাৱলী, প্ৰথম প্ৰকাশ, ১৯৮২, পৃ. ১৭৪) ব্ৰাহ্মণ আৰু ব্ৰাহ্মণ্যবাদৰ অৱক্ষয়ৰ এনে অলেখ উদাহৰণ দাঙি ধৰিব পাৰি।

তথাকথিত ব্ৰাহ্মণ্যবাদ আৰু ভক্তিবাদ যে দুটা ভিন্ন প্ৰকৃতিৰ বাদ সেইকথা শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ সংগীসকলৰ (বৰাৰ মতে সংগীসকলৰ বৌদ্ধিক দৈন্যতা থাকিলেও) বোধগম্য নোহোৱাকৈ থকা নাই। তেনেদৰে বিকৃতপ্ৰাপ্ত ব্ৰাহ্মণ্যবাদৰ সমৰ্থক আৰু পৰিচালকসকলৰ সৈতে যে শঙ্কৰদেৱৰ গুৰুজনাৰ একেশ্বৰবাদী একশৰণীয়া ভক্তবৃন্দৰ মাজত এক বিৰাট ব্যৱধান - সেই কথাটোও সকলোৰে জ্ঞাত। অৱশেষত বৰাদেৱক এটা কথাই কবলৈ বিচাৰোঁ যে ব্ৰাহ্মণ-অব্ৰাহ্মণৰ পাৰ্থক্য শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ মজিয়াত নাই। ঐক্য-সম্প্ৰীতিৰে যুগ যুগ ধৰি বসবাস কৰি অহা সমাজখনৰ মাজত এনে আঁহফলা কথাৰে **'ৰান্ধনি উচটাই জোল খোৱা'**ৰ সুবিধা কৰি নিজে পথভ্ৰষ্ট হোৱাৰ লগতে সমাজখনকো বিভ্ৰান্ত নকৰে যেন।

# একাদশ অধ্যায়
# ইলাৰাম দাস আৰু জাত্যাভিমান প্ৰসংগ

ময়ূৰ বৰাদেৱৰ 'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ' গ্ৰন্থখনিত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰাক্তন উপ-পদাধিকাৰ ইলাৰাম দাসদেৱক সঙ্ঘৰ পৰা বহিষ্কাৰ কৰাৰ সন্দৰ্ভত ভিত্তিহীন আৰু অসত্য তথ্যৰে লেখক বৰাই অভিযোগ উত্থাপন কৰাটো আশ্চৰ্যজনক কথা। ১৯২৮ চনত নগাঁও জিলাৰ (বৰ্তমান মৰিগাঁও জিলা) জালুগুটি অঞ্চলত জন্ম গ্ৰহণ কৰা বৈষ্ণৱ পণ্ডিত ইলাৰাম দাসে ১৯৫০ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘত (তেতিয়া শ্ৰীশ্ৰী শঙ্কৰদেৱ সঙ্ঘ) সংগী পদ গ্ৰহণ কৰিছিল। মূলৰ প্ৰচাৰক, শৰণাচাৰ্য আৰু উপ-পদাধিকাৰ আদিৰ দৰে গুৰুত্বপূৰ্ণ পদবী গ্ৰহণ কৰি গুৰুধৰ্ম প্ৰচাৰত দেহেকেহে আত্মনিয়োগ কৰিছিল আৰু অতি কম দিনৰ ভিতৰতে সঙ্ঘৰ মজিয়াত আৰু অসমৰ সমাজ জীৱনত দাসদেৱৰ পাণ্ডিত্য প্ৰকাশ পাইছিল। কিন্তু ধৰ্মীয় মতাদৰ্শক কেন্দ্ৰ কৰি মতানৈক্য ঘটাত দাসে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পৰা প্ৰত্যাগমন কৰে। যিকোনো সংগঠনৰ ভিতৰতে নিয়ম-নীতিৰ সংক্ৰান্তত সদস্য বা বিষয়ববীয়াৰ মাজত মতৰ অমিল হোৱাটো স্বাভাৱিক কথা। ইলাৰাম দাসদেৱৰো সেয়ে হ'ল। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘত তেতিয়াই বা এতিয়াও কিছুমান নীতি-নিয়ম কট্‌কটীয়াভাৱে বন্ধা আছে। উদাহৰণ স্বৰূপে - শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘত ধূলা-মালা ব্যৱহাৰ কৰা আৰু পালনাম অনুষ্ঠিত কৰাটো বাধ্যতামূলক নহয়। কিন্তু শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ১৯৭২-৭৩ চনৰ উপ-পদাধিকাৰ ইলাৰাম দাসদেৱে উপৰিউক্ত এই বিষয় তিনিটা অৰ্থাৎ ধূলা, মালা আৰু পালনাম - সঙ্ঘৰ সংবিধানত বাধ্যতামূলক কৰিবৰ বাবে ১৯৭৩ চনত নগাঁৱৰ নেহেৰুবালিত অনুষ্ঠিত হোৱা দ্বিচত্বাৰিংশ অধিৱেশনৰ প্ৰতিনিধি সভাত প্ৰস্তাৱ দাঙি ধৰে। কিন্তু প্ৰতিনিধি সভাত অধিকভাগ প্ৰতিনিধিয়েই দাসদেৱৰ প্ৰস্তাৱটোৰ বিৰোধিতা কৰাত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গৃহীত নহ'ল। ইলাৰাম দাসদেৱে লগে লগে প্ৰতিনিধি সভাকক্ষ ত্যাগ কৰি ওলাই আহে। ময়ূৰ বৰাই ৰাজনীতি দলক কোৱাৰ ভাষাৰে **'ইয়াৰ অলপ দিনৰ পাছতে দাসক দলবিৰোধী কাৰ্যকলাপত লিপ্ত থকাৰ অভিযোগত সংঘৰ পৰা বহিষ্কাৰ কৰা হয়।' (পৃ. ৬৫-৬৬)** বুলি কৈছে যদিও প্ৰকৃততে দাসক বহিষ্কাৰ কৰা হোৱা নাছিল। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সংবিধান মতে এজন সংগীয়ে যদি এবছৰৰ অন্তত নবীকৰণ নকৰে, তেনেক্ষেত্ৰত সংগী গৰাকীৰ সদস্য পদ বাতিল হয়। পিছত অৱশ্যে নবীকৰণ কৰিব পৰা ব্যৱস্থা আছে। কিন্তু ইলাৰাম দাসদেৱে পুনৰবাৰ নবীকৰণ নকৰি **'একশৰণ ভাগৱতী সমাজ'** গঠন কৰে। ময়ূৰ বৰাই লিখাৰ দৰে সঙ্ঘৰ কাৰ্যনিৰ্বাহিকে দাসক বহিষ্কাৰ কৰাৰ কোনো প্ৰস্তাৱ লোৱা হোৱা নাছিল। সেই সময়ৰ দুই-চাৰিজন সদস্য আৰু বিষয়ববীয়াৰ পৰা জানিব পৰা মতে সঙ্ঘৰ পৰা ওলাই নাহিবৰ বাবে তেখেতলোকে ইলাৰাম দাসদেৱক যথেষ্ট বুজনিও দিছিল। কিন্তু নিজৰ মতত অলৰ-অচৰ দাসদেৱ কোনোপধ্যে মান্তি হোৱা নাছিল।

এই সম্পৰ্কত ইলাৰাম দাসদেৱে ৰাজহুৱাভাৱে প্ৰকাশ কৰা বক্তব্যৰ কিয়দংশ ইয়াত আলোচনা কৰিলে বিষয়টো আৰু স্পষ্ট হ'ব বুলি ভাবিছোঁ। অসম সাহিত্য সভাৰ অন্তৰ্ভুক্ত মৰিগাঁও জিলা সাহিত্য সভাৰ এটি শাখা 'জ্যোতি শাখা সাহিত্য সভা'ই ইলাৰাম দাসদেৱক ৰাজহুৱাভাৱে সম্বৰ্দ্ধনা জনাবৰ বাবে মৰিগাঁও মহাবিদ্যালয়ত এখনি সভাৰ আয়োজন কৰিছিল। ১৯৯০ চনৰ কথা, শাখাৰ সম্পাদক হিচাপে আমি নিজে এই ক্ষেত্ৰত আগভাগ লবলগীয়া হৈছিল। উক্ত সভাখনত শাখাৰ সদস্য-বিষয়ববীয়াসকল উপস্থিত থকাৰ উপৰি মৰিগাঁৱৰ কেইবাজনো জ্যেষ্ঠ নাগৰিক, শিক্ষাবিদ, সমাজকৰ্মী উপস্থিত আছিল। সম্বৰ্দ্ধনাৰ অন্তত সুবক্তা দাসদেৱৰ শ্ৰুতিমধুৰ দীঘলীয়া ভাষণ সকলোৱে মনোযোগ দি কাণ পাতি শুনিছিল। ভাষণ শেষ হোৱাৰ পিছত দুই-চাৰিজন অনুসন্ধিৎসু শ্ৰোতা দৰ্শকে তেখেতক বিভিন্ন বিষয়ৰ বিশেষকৈ ধৰ্ম বিষয়ক প্ৰশ্ন সুধিছিল। আমি নিজেও সুবিধা বুজি উপৰিউক্ত এই স্পৰ্শকাতৰ বিষয়টোৰ অৱতাৰণা কৰি সঙ্ঘৰ পৰা ওলাই অহাৰ কাৰণ সুধিছিলোঁ। দাসদেৱে ধূলা-মালা আৰু পালনামৰ ক্ষেত্ৰত ঐক্যমতত উপনীত হ'ব নোৱাৰাৰ বাবেই তেখেতে সঙ্ঘৰ পৰা ওলাই আহিলোঁ বুলি ৰাজহুৱাভাৱে ব্যক্ত কৰিছিল। মই কেইবাটাও প্ৰশ্ন সুধি থকা দেখি তাত উপস্থিত থকা মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি ইলাৰাম দাসদেৱৰ নলে-গলে লগা বন্ধু শ্ৰীনৰেন্দ্ৰ নাথ কেওঁটদেৱে পুনৰ প্ৰশ্ন নকৰিবৰ বাবে মোক ইংগিত দিছিল। এই কথাবিলাক সেইদিনা সভাত উপস্থিত থকা প্ৰত্যেকৰে নিশ্চয় মনত আছে। একেখন জিলাতে ওচৰা-ওচৰিকৈ বাস কৰাৰ কাৰণে দাসদেৱক ব্যক্তিগতভাৱেও বহুবাৰ লগ পাইছিলোঁ। উক্ত সভাখনৰ আগমুহূৰ্তত সভাৰ আয়োজন পলম হোৱাত দাসদেৱক আমাৰ গৃহলৈ নি প্ৰায় দুঘণ্টা মান সময় গুৰুজনাৰ ধৰ্ম-দৰ্শন আৰু সমাজ জীৱনৰ বিভিন্ন বিষয়ৰ ভাৱ বিনিময় কৰি পৰম তৃপ্তি লাভ কৰিছিলোঁ। তেখেতে সেইদিনা আমাৰ গৃহত শঙ্কৰদেৱৰ ধৰ্মৰ কথা কবলৈ গৈ মীৰাবাঈ নে কবীৰৰ (এতিয়া ভালদৰে মনত নাই) এটি ভজন গাই মোক বুজাই দিছিল। ভজনটো আছিল -

'সচ্চা মাৰে লাঠি
মিথ্যা ভূৱন ভুলাই
গোৰস গলি গলি ফিৰে
সুৰা বৈঠে বিকাই।'

অৰ্থাৎ সঁচা কথা কলে মানুহে বিশ্বাস নকৰে, লাঠি মাৰি দিয়ে; মিথ্যা অৰ্থাৎ মিছা কথাৰে, ছলাহি কথাৰে গোটেই জগত ভোলাই পেলাইছে। গো-ৰস অৰ্থাৎ গৰুৰ গাখীৰ খা খা কৈ গোৱালে গলিয়ে গলিয়ে ঘূৰি ফুৰে, কিন্তু সুৰা বহি বহিয়েই দোকানীয়ে বিক্ৰী কৰে। তেখেতে ইয়াৰ উপমা দি কৈছিল যে গৰু গাখীৰৰ দৰে শঙ্কৰদেৱে কিছুমান ভাল কথা কৈছিল, কিন্তু মানুহে নামানে, বিশ্বাস নকৰে, কিন্তু সুৰাৰ দৰে বেয়া বস্তু অৰ্থাৎ ছলাহি কথাৰে ধৰ্ম বুলি কৈ মানুহক ঠগ-প্ৰৱঞ্চনা কৰি খায়। ইয়াকে কয় **'যাচি দিলে সোণৰো দাম নাই।'**

মুঠৰ ওপৰত ইলাৰাম দাসদেৰক সঙঘৰ পৰা বহিষ্কাৰ কৰা কথাটো এটা মাথোন মনে সজা অভিযোগৰ বাহিৰে আন একো নহয়। আজিৰ পৰা দুকুৰি বছৰৰ আগৰ কথাটোৰে বৰাদেৰক কিয় আমনি কৰি আছে — আমাৰ দৰে নিঃকিন সকলে একো তৎ ধৰিব পৰা নাই। বুৰঞ্জীৰ ছাত্ৰ হিচাপে অতীতৰ বুকুতেই বৰ্তমান আৰু বৰ্তমানৰ বুকুতেই ভৱিষ্যৎ বুলি বৰা ডাঙৰীয়াই জানে যদিও অসত্য কথা এটাক আশ্ৰয় কৰিলে সমাজে বা সংগঠনে কিবা শিক্ষা পাব জানো? বৰাই দেখোন এই বিষয়ত নিজেই এটা সিদ্ধান্তলৈ আহিব নোৱাৰি এনেদৰে স্বীকাৰ কৰিছে -- **'ইলাৰাম দাস আৰু সংঘৰ তদানীন্তন নেতৃবৰ্গৰ সংঘাতৰ বিষয়ে নানা কথা জনা যায়। সঁচা কথা কবলৈ গ'লে এই সংঘাতত কোন কিমান দোষী সেই কথাতো ডাঠি কোৱা দিগ্‌দাৰ।' (পৃ. ৬৬)** যদি ডাঠি কবই পৰা নাযায়, তেনেহ'লে **'মাছ ধৰিব নোৱাৰি পানী ঘোলা কৰা'** কৰ্মটো ভাল কথা বুলি কোনেও নকয়।

ইলাৰাম দাসৰ বহিষ্কাৰৰ (?) সন্দৰ্ভত ময়ূৰ বৰাই জাত্যাভিমান তথা জাত-পাতৰ গোন্ধ পোৱাৰ কথা গ্ৰন্থখনত উল্লেখ কৰিছে। তেখেতৰ মতে - **'আন এচাম লোকে ইয়াত সংঘৰ একাংশ নেতৃত্বৰ জাত্যাভিমানী চৰিত্ৰও দায়ী বুলি কব বিচাৰে।' (পৃ. ৬৬)** আকৌ আন এঠাইত লিখিছে - **'কিন্তু গুৰুজনাৰ আদৰ্শক চালিকা শক্তি কৰি গঢ় লৈ উঠা এটা অনুষ্ঠানৰ মাজত জাত-পাতৰ কথা আহি পৰাটো আছিল অত্যন্ত লজ্জাজনক।' (পৃ. ৬৬)** আন এঠাইত আকৌ লিখিছে - **'শুনিবলৈ আচৰিত যেন লাগিলেও এটা বা দুটা জাতিৰ বাহিৰে সংঘৰ পদাধিকাৰ আৰু অন্যান্য গুৰুত্বপূৰ্ণ পদত সকলো জাতিৰ মানুহ অধিষ্ঠিত হোৱা নাই। ইলাৰাম দাস সংঘৰ পৰা বহিষ্কৃত হ'ব লগা ঘটনাটোতো বহুতে এচাম নেতাৰ জাতিগত অহংকাৰ আৰু দুৰভিসন্ধিৰ গোন্ধ পায়। তদুপৰি অসমৰ প্ৰায়বোৰ জাতি-জনগোষ্ঠীৰে আই-ভকত থকা বুলি গৌৰৱ কৰি থকা সংঘই আজিলৈকে কোনো জনগোষ্ঠীয় লোকক গুৰুত্বপূৰ্ণ পদবীত অধিষ্ঠিত নকৰোৱা কথাটোৱে মানুহক আৰু সন্দেহৰ আৱৰ্তলৈ ঠেলি দিয়ে।' (পৃ. ৭৬)**

ময়ূৰ বৰাই ইলাৰাম দাস সঙঘৰ পৰা ওলাই অহা বিষয়টোত জাত-পাতৰ প্ৰশ্ন তোলাটো এটা মনে সজা অভিযোগৰ বাহিৰে আন একো নহয়। বৰাই এনে প্ৰমাণ তথ্য সহকাৰে ৰাজহুৱা ভাৱে ঘোষণা কৰিব পাৰিলে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ নিশ্চয় পতিয়ন যাব। কিন্তু তথ্যবিহীন ভাৱে ষড়যন্ত্ৰমূলক অভিপ্ৰায়েৰে এটা জাতীয় অনুষ্ঠানক কালিমা সানিবলৈ যোৱাটো কিমানদূৰ সমীচিন হৈছে - সেইটো কথা বৰাই পুনৰবাৰ গমি পিতি চাব। যিটো অনুষ্ঠানে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ সকলো জনগোষ্ঠীৰ লোকক লৈ এখন মানৱতাবাদী গণতান্ত্ৰিক সমাজ গঢ়ি তুলিছে, সেইটো অনুষ্ঠানক এনে কলংক দিয়াৰ ক্ষেত্ৰত বৰাৰ কি কু-অভিপ্ৰায় জড়িত হৈ আছে, সময়ে নিশ্চয় তাক এদিন বিচাৰ কৰিব।

ময়ূৰ বৰা ডাঙৰীয়াই এটা অভিযোগ আনিছে যে পদাধিকাৰ বা তেনে গুৰুত্বপূৰ্ণ পদবীত সকলো জাতি-জনগোষ্ঠীৰ লোকক অধিষ্ঠিত কৰা নাই। কিন্তু আমি তথ্য সহকাৰে বৰাদেৰক প্ৰমাণ দিবলৈ বিচাৰিছোঁ যে প্ৰায়বিলাক জাতি-জনগোষ্ঠীৰ লোকেই পদাধিকাৰ, উপ-পদাধিকাৰ, প্ৰধান সম্পাদক, শৰণাচাৰ্য, মূলৰ(ৰাজ্যিক) সদস্য, শাখা সমিতি সমূহৰ বিষয়ববীয়া, জিলা বিলাকৰ সভাপতি-সম্পাদক আদি সকলোতে গুৰুত্বপূৰ্ণ পদবী গ্ৰহণ কৰি গুৰুজনাৰ ধৰ্মাদৰ্শৰে সমাজ সংস্কাৰ আৰু সমাজ সংগঠনৰ পৱিত্ৰ কৰ্মত জড়িত হৈছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘত জাত-পাতৰ বিচাৰেৰে বিষয়বাব দিয়াৰ নিয়ম নাই। সাংবিধানিক নীতি-নিয়মৰ দ্বাৰাহে পদাধিকাৰ নিৰ্বাচন কৰা হয় আৰু যোগ্যতাৰ ভিত্তিতহে সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ-সমৰ্থনৰ যোগেদি পদবী দিয়া হয় অথবা মনোনীত কৰা হয়। বৰাৰ প্ৰশ্নৰ উত্তৰ দিবৰ বাবেহে মাথোন আমি জাত-পাতৰ কথা উল্লেখ কৰি তথ্য সহকাৰে প্ৰমাণ দিয়াৰ কথা ভাবিছোঁ।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘত বৰ্তমানলৈকে পদাধিকাৰৰ আসন অলংকৃত কৰিছে একুৰি এজন ব্যক্তিয়ে। ইয়াৰ ভিতৰত গোস্বামী, মিশ্ৰ, ফুকন, দেৱগোস্বামী, মহন্ত, ঠাকুৰ, ভূঞা, কলিতা উপাধিৰ তথাকথিত উচ্চ বৰ্ণ সকলৰ কথা নকৈ তথাকথিত নিম্ন বৰ্ণৰ বৰবৰুৱা, চুতীয়া, শইকীয়া, বাৰুৱতি, দত্ত উপাধিধাৰী কেইজনমান পদাধিকাৰ কোন জনগোষ্ঠীৰ লোক তাকে বিশ্লেষণ কৰিম বুলি ভাবিছোঁ। তিনিবাৰকৈ পদাধিকাৰৰ পদবী গ্ৰহণ কৰা শশীচন্দ্ৰ বৰবৰুৱা আৰু দুবাৰকৈ পদাধিকাৰৰ পদবী গ্ৰহণ কৰা

বিৰিঞ্চি কুমাৰ বাৰুৱতি আহোম সম্প্ৰদায়ৰ লোক। শশীচন্দ্ৰ বৰবৰুৱা বিখ্যাত বুৰঞ্জীবিদ, কবি-সাহিত্যিক হিতেশ্বৰ বৰবৰুৱাৰ ভতিজাক। চুকাফাৰ লগত অহা সাতঘৰ প্ৰধান প্ৰধান ফৈদৰে এটি ফৈদ হ'ল আদাবৰীয়া সন্দিকৈ ফৈদ। আদাবৰীয়া সন্দিকৈ ফৈদৰে সতি-সন্ততি বা পৰিনাতি হ'ল শশীচন্দ্ৰ বৰবৰুৱা। ১৯৩০ চনত যোৰহাট পুলিবৰত জন্ম গ্ৰহণ কৰা সমাজ-সংস্কাৰক শশীচন্দ্ৰ বৰবৰুৱা সাহিত্যিক, সুবক্তা আৰু ব্যায়ামবীৰ ৰূপে জনাজাত। আন এজন আহোম জনগোষ্ঠীৰ পদাধিকাৰ বিৰিঞ্চি কুমাৰ বাৰুৱতি ১৯১৭ চনত শিৱসাগৰ জিলাৰ জাঁজী হাঁহচৰাত জন্ম গ্ৰহণ কৰিছিল। এখেতো বাৰুৱতি খেল বা ফৈদৰে সতি-সন্ততি। বুৰঞ্জীৰ ছাত্ৰ হিচাপে ময়ূৰ বৰাদেৱে নিশ্চয় জানে যে বুৰঞ্জীবিদ আৰু নৃতাত্ত্বিকসকলৰ মতে আহোমসকল মংগোলীয় গোষ্ঠীৰ। নৃতত্ত্ববিদ ড° ভূবনমোহন দাসৰ এইক্ষেত্ৰত এটি মন্তব্য হ'ল - "In the historical period Assam witnessed a very significant wave of Mongoloid migration which brought The Ahoms." [The people of Assam origin and compositions; Page no 109; Gyan publishing house:2003;ISBN:81-212-0839-4] আহোমসকলক জনজাতীয় লোক হিচাপে চৰকাৰে কোনো চিল-মোহৰ এতিয়ালৈকে মাৰি দিয়া নাই যদিও নৃতত্ত্বৰ দৃষ্টিভংগীৰে তেওঁলোক মংগোলীয় গোষ্ঠীৰ জনজাতীয় লোক। ড° ভূবনমোহন দাসৰ আৰু এটি প্ৰণিধানযোগ্য মন্তব্য হ'ল - **'অসমৰ এটা প্ৰখ্যাত মংগ'লীয় জনগোট আহোমৰ দ্বাৰা গঠিত হৈছে। ইতিহাসে ঢুকি পোৱা কালত প্ৰবজনৰ এক তাৎপৰ্যপূৰ্ণ প্ৰৱাহে আহোমসকলক অসমলৈ আনে। উত্তৰ ম্যানমাৰৰ পৰা উত্তৰ-পূৰ কোণত থকা পথেৰে পাটকাই পৰ্বত পাৰ হৈ খৃষ্টাব্দ ১২২৮ চনত আহোমৰ অসম প্ৰৱেশ ঘটে। ইণ্ড'-আৰ্যৰ আগমনত ভাৰতবৰ্ষৰ ইতিহাসত নতুন অধ্যায় এটা মুকলি হোৱাৰ নিচিনাকৈ আহোমৰ অসম প্ৰৱেশৰ পিছৰে পৰা অসমৰ মানুহৰ ৰাজনৈতিক, সাংস্কৃতিক আৰু জৈৱিক চৰিত্ৰৰ দিশত নতুনৰ আৰম্ভণিৰ সূচনা হয়। আহোমসকল শ্বান বা টাই জনগোষ্ঠীৰ লোক।'** (অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয় ঃ ড° ভূবনমোহন দাস, প্ৰকাশক ঃ অসম বিজ্ঞান সমিতি, ২০০৩, পৃ. ৭৪)

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘত চুতীয়া জনগোষ্ঠীৰ দুজন পদাধিকাৰ হ'ল সোণাৰাম চুতীয়া আৰু মুখ্যেশ্বৰ শইকীয়া। সোণাৰাম চুতীয়াদেৱ ৯ বাৰ আৰু মূখ্যেশ্বৰ শইকীয়াদেৱে ২ বাৰ পদাধিকাৰ আসনত থাকি শঙ্কৰদেৱ গুৰুজনাৰ ধৰ্মাদিৰ্শৰ সেৱা আগবঢ়াই আহিছে। সোণাৰাম চুতীয়াই উপ-পদাধিকাৰ ৰূপেও কাৰ্যনিৰ্বাহ কৰিছিল। মুখ্যেশ্বৰ শইকীয়াই দুবছৰ কাল উপ-পদাধিকাৰ ৰূপে থকাৰ উপৰি ১২ বছৰ কাল প্ৰধান সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘক এক বিশেষ মাত্ৰা প্ৰদান কৰি গৈছে। মহাভাৰতৰ যুগৰে পৰা অসমৰ পূৰ অংশত বসবাস কৰি অহা চুতীয়া জনগোষ্ঠীৰ বিষয়ে চাৰ এডোৱাৰ্ড গেইট্ চাহাবে এনেদৰে মন্তব্য দি গৈছে - **'বৰ্তমান লক্ষীমপুৰ আৰু শিৱসাগৰৰ দাঁতি কাষৰীয়া অঞ্চল সমূহত ভালেমান চুতীয়া লোকে বাস কৰে। তেওঁলোকৰ দেউৰী বা পুৰোহিতসকলে আজিও চুতীয়া ভাষা বুজি পায়। এই ভাষাটো নিঃসন্দেহে বড়ো ভাষা। কিন্তু চুতীয়াসকলৰ গঢ়পিতলৈ চাই তেওঁলোক শাণসকলৰ সংমিশ্ৰণ যেনহে লাগে। শাণসকলৰ বাসস্থানৰ পৰা কিছু দূৰৈত বসবাস কৰা এই লোকসকলে সম্ভৱতঃ কালক্ৰমত তেওঁলোকৰ সৈতে মিলি গৈছিল। এনে ধৰণৰ সংমিশ্ৰণ একো অস্বাভাৱিক নাছিল। উদাহৰণ স্বৰূপে চুতীয়া আৰু আহোমসকলৰ সংমিশ্ৰণলৈ আঙুলিয়াব পাৰি। তেওঁলোকৰ এই সংমিশ্ৰণ কালক্ৰমত ইমান নিবিড় হৈ উঠিল যে ১৮৯৯ খৃঃৰ লোকপিয়লত এই লোকসকলে নিজকে আহোম-চুতীয়া বুলিহে পৰিচয় দিলে।' (অসম বুৰঞ্জী; মূল লেখক ঃ চাৰ এডোৱাৰ্ড গেইট্; অনুবাদিকা ঃ চেনেহী বেগম; প্ৰকাশ ঃ ২০০৫, লয়াৰ্ছ বুক ষ্টল)** চৰকাৰী দৃষ্টিৰে এই চুতীয়াসকল - "More Other Backward Classes." বিখ্যাত নৃতত্ত্ববিদ ড° ভূবনমোহন দাসে চুতীয়া জনগোষ্ঠীৰ সম্পৰ্কত এনেদৰে কয় - **'অসমৰ উত্তৰ-পূৰ কোণৰ গিৰিপথেৰে প্ৰৱেশ কৰা মূলতঃ মংগ'লীয় প্ৰজাতিৰ চুতীয়া জনগোষ্ঠীটো অতি প্ৰাচীন কালৰপৰাই উজনি অসমত বসবাস কৰি আহিছে। যুগ যুগ ধৰি বিভিন্ন জনসমষ্টিৰ সংস্পৰ্শলৈ অহা হেতুকে তেওঁলোকৰ পূৰ্বৰ মংগ'লীয় চাৰিত্ৰিক বৈশিষ্ট্যৰ কিছু পৰিৱৰ্তন ঘটাটো খুবেই স্বাভাৱিক। ভাষাৰ দিশৰপৰা তেওঁলোক মূলতঃ তিবৃতীয়-বৰ্মীভাষী পৰিয়ালৰ বুলি কোৱা হয় যদিও বহুকাল আগতেই তেওঁলোকে অসমীয়া ভাষা গ্ৰহণ কৰি বৃহত্তৰ অসমীয়া জাতিৰ এৰাব নোৱাৰা এক বুজন অংশ গঠন কৰিছে।' (ড° ভূবনমোহন দাস ঃ অসমীয়া জাতিৰ নৃবৈজ্ঞানিক পৰিচয়; পৃ. ৮৯)**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘত লক্ষেশ্বৰ শইকীয়াই ১৯৫৮ চনত শিৱসাগৰত অনুষ্ঠিত হোৱা বাৰ্ষিক অধিৱেশনত পদাধিকাৰ হিচাপে সভাপতিৰ আসন অলংকৃত কৰিছিল। নগাঁও জিলাৰ কামপুৰৰ পটীয়াপাম গাঁৱত ১৮৯৭ চনত জন্ম লাভ কৰা লক্ষেশ্বৰ শইকীয়া পটীয়া সম্প্ৰদায়ৰ লোক; চৰকাৰী হিচাপত অন্যান্য পিছপৰা সম্প্ৰদায়ৰ। ছাত্ৰাৱস্থাত এখেতে নগাঁও, কামৰূপ, দৰং আদি জিলালৈ গৈ সংস্কৃত অধ্যয়ন কৰিবলৈ সংস্কৃত টোলসমূহত আবেদন-নিবেদন কৰোঁতে শূদ্ৰ অৰ্থাৎ নীহকুলীয়া বুলি সংস্কৃত টোলৰ অধ্যক্ষসকলৰ দ্বাৰা প্ৰত্যাখিত আৰু লাঞ্চিত হ'বলগীয়া হৈছিল। সঙ্ঘৰ বৰ্তমান বৰ্ষৰ অৰ্থাৎ ২০১১-১২ বৰ্ষৰ পদাধিকাৰ হ'ল ৰজনীকান্ত দত্ত। দত্তদেৱ কোচ সম্প্ৰদায়ৰ লোক। কোচসকলো বুৰঞ্জীবিদ আৰু নৃতাত্ত্বিকসকলৰ মতে মংগোলীয় গোষ্ঠীৰ লোক। কোচসকলৰ বিষয়ে গেইট্ৰ এষাৰ কথা ইয়াত দাঙি ধৰিলোঁ - **"অসমত কোচ বুলিলে হিন্দু বৰ্ণৰ কেতবোৰ লোকক**

বুজায়। কছাৰী, লালুং, মিকিৰকে আদি কৰি হিন্দু ধৰ্মত দীক্ষিত হোৱা বিভিন্ন জনজাতীয় লোকক থোৰতে কোচ বোলা হয়।” (উপৰিউক্ত গ্ৰন্থ; পৃ. ৩৯) ড° ভূবনমোহন দাসৰ মতে - “**কোচৰ বিষয়ে নানাজনে বিভিন্ন মত প্ৰকাশ কৰিছে। কোনোৱে ক'ব খোজে তেওঁলোক ‘দ্ৰাবিড় মূল'ৰ লোক। পূৱ দিশত হিমালয়ৰ পাদদেশত বাস কৰা মংগ'লীয় লোকৰ লগত সংমিশ্ৰিত হৈ পৰিল। আনৰ মতে তেওঁলোক মূলতঃ দক্ষিণৰ মংগ'লীয় প্ৰকাৰৰ লোক। এই প্ৰকাৰ মংগ'লীয়ৰ লগত ক'কেছীয়ৰ সংমিশ্ৰণ ঘটিছে। অৰ্থাৎ এওঁলোকৰ মাজত প্ৰজাতীয় সংমিশ্ৰণ লক্ষণীয় ধৰণৰ।**

**কোৱা হয় কোচসকলৰ পূৰ্বপুৰুষ আদিতে কছাৰী, ৰাভা, তিৱা, কাৰ্বি প্ৰভৃতি মংগ'লীয় জনজাতিৰ লোক আছিল। সেই লোকসকলে আনুষ্ঠানিকভাৱে হিন্দু ধৰ্ম গ্ৰহণ কৰি জনজাতীয় পৰিচয় ত্যাগ কৰে। তেওঁলোক কোচ নামে পৰিচিত হয়।” (ড° ভূবনমোহন দাস ঃ অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয়; পৃ. ৮৬)**

শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘই নিৰ্দিষ্ট জাতিৰ ভিত্তিত পদাধিকাৰ বা বিষয়ববীয়া নিৰ্বাচন কৰাটো সংবিধান বিৰোধী। যোগ্যতাৰ ভিত্তিতহে গণতান্ত্ৰিকভাৱে বিষয়ববীয়া নিৰ্বাচন কৰা হয়। ময়ূৰ বৰাদেৱে কোৱাৰ দৰে কেৱল উচ্চ বৰ্ণৰ লোকেই পদাধিকাৰৰ পদ অধিকাৰ কৰা নাই। ওপৰৰ আলোচনাৰ পৰা জানিব পৰা গ'ল যে আহোম, কোচ, চুতীয়া আদি মংগোলীয় গোষ্ঠীৰ জনজাতীয় লোকসকলকো সঙ্ঘই গুৰুত্বপূৰ্ণ পদবীত অধিষ্ঠিত কৰি আহিছে।

উপ-পদাধিকাৰৰ পদবীটোও শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ মজিয়াত এটা সন্মানীয় আৰু গুৰুত্বপূৰ্ণ পদবী। পদাধিকাৰৰ অনুপস্থিতিত সভা-সমিতি পৰিচালনা কৰা, বিশেষ কাৰ্যসূচীত পতাকা উত্তোলন কৰা, বিশেষ সমস্যাত সমাধান সূত্ৰ নিৰূপন কৰা আদি বিষয়ত উপ-পদাধিকাৰ গৰাকীয়েই আগভাগ লৈ কাৰ্য সম্পাদন কৰে। উপ-পদাধিকাৰ গৰাকী কাৰ্যনিৰ্বাহক সভাৰ প্ৰস্তাৱ-সমৰ্থনৰ যোগেদি মনোনীত কৰা হয়। বৰ্তমানলৈকে একুৰি দুজন সংগীয়ে উপ-পদাধিকাৰৰ দায়িত্ব গ্ৰহণ কৰি সঙ্ঘৰ সেৱা আগবঢ়াই আহিছে। ইয়াৰে আঠজনে পৰৱৰ্তী সময়ত পদাধিকাৰো হৈছে। বাকী থকা চৈধ্যজনৰে ভিতৰৰে ইলাৰাম দাস অনুসূচিত জাতিৰ, গোবিন্দ চন্দ্ৰ শইকীয়া কোচ জনগোষ্ঠীৰ লোক (এখেতৰ ঘৰ গোলাঘাট জিলাৰ খুমটাই মৌজাৰ বুঢ়ালিকচন গাঁৱত। এখেতে ১৯৭৮ চনৰ পৰা ১৯৮৫ চনলৈ আঠ বছৰ কাল সঙ্ঘৰ প্ৰধান সম্পাদক আছিল।), ১৯৩৩ চনত শোণিতপুৰ জিলাৰ জামুগুৰিহাট অঞ্চলৰ শলগুৰি গাঁৱত জন্ম লাভ কৰা প্ৰাক্তন উপ-পদাধিকাৰ ডম্বৰুধৰ হাজৰিকা অনুসূচিত জাতিৰ লোক, ১৯৮৮-৮৯ চনত এখেতে উপ-পদাধিকাৰ ৰূপে কাৰ্য নিৰ্বাহ কৰিছিল। ডম্বৰুধৰ হাজৰিকা মূলৰ সংস্কৃতি শাখাৰ সভাপতি আৰু শৰণাচাৰ্যও আছিল। ১৯৪১ চনত শিৱসাগৰ জিলাৰ মেজেঙ্গা খঙীয়া গাঁৱত জন্ম লাভ কৰা প্ৰাক্তন উপ-পদাধিকাৰ কমলাকান্ত গগৈ আহোম জনগোষ্ঠীৰ লোক। এখেতে ২০০৩-০৪ আৰু ২০০৭-০৮ এই চাৰিবছৰ অৰ্থাৎ দুটা কাৰ্যকালৰ বাবে উপ-পদাধিকাৰ আছিল। এখেত মূলৰ প্ৰচাৰ শাখাৰ সভাপতি আৰু শৰণাচাৰ্যও আছিল। ১৯৩৮ চনত জন্ম লাভ কৰা যোৰহাট জিলাৰ বৰহোলা লোশলীয়া গাঁৱৰ নিবাসী বল্লভ শইকীয়া উপ-পদাধিকাৰ আছিল। এখেত চুতীয়া জনগোষ্ঠীৰ। এখেতে শৰণাচাৰ্য আৰু মূলৰ গ্ৰন্থ বিপণন শাখাৰ সভাপতি ৰূপে কাৰ্য নিৰ্বাহ কৰিছিল। এনেদৰে দেখা যায় যে উপ-পদাধিকাৰসকল অনুসূচীত জাতিৰ কৈৱৰ্তলোক, আহোম, চুতীয়া আদি সম্প্ৰদায়ৰ তথাকথিত নীহকুলীয়া।

সঙ্ঘৰ প্ৰধান সম্পাদকসকলৰ ভিতৰত (বৰ্তমানলৈকে এঘাৰজন প্ৰধান সম্পাদক) দ্বিতীয়গৰাকী প্ৰধান সম্পাদক ভানুকান্ত শইকীয়া ১৯১৪ চনত ময়ূৰ বৰাৰ পিতৃ-পিতামহৰ জন্মস্থান নগাঁও জিলাৰ পলাশনিত জন্ম হৈছিল। এখেত সুত কুলৰ। চতুৰ্থজন প্ৰধান সম্পাদক বোধেশ্বৰ শইকীয়া কোচ সম্প্ৰদায়ৰ। ১৯১৭ চনত যোৰহাট জিলাৰ কাকজান দুলীয়া গাঁৱত এখেতৰ জন্ম হৈছিল। অষ্টমজন প্ৰধান সম্পাদক বালিৰাম দাস কৈৱৰ্ত কুলৰ। ১৯২৫ চনত নগাঁও জিলাৰ পুৰণিগুদামৰ পহুকটা পানীগাঁৱত দাসৰ জন্ম হৈছিল। সঙ্ঘৰ বৰ্তমানৰ অৰ্থাৎ একাদশ গৰাকী প্ৰধান সম্পাদক হৰিপ্ৰসাদ হাজৰিকা ১৯৫৩ চনত নগাঁও জিলাৰ কুঁৰৰীটোলৰ শান্তিপুৰত জন্ম হৈছিল। এখেত অন্যান্য পিছপৰা সম্প্ৰদায়ৰ কোঁচ কুলৰ। কেইবাজনো প্ৰধান সম্পাদকে উপ-পদাধিকাৰ আৰু পদাধিকাৰৰ আসন অলংকৃত কৰিছে, যিকেইজনৰ জাতকুলৰ পূৰ্বে উল্লেখ কৰি আহিছোঁ। ময়ূৰ বৰাদেৱে ‘**সংঘই আজিলৈকে কোনো জনগোষ্ঠীয় লোকক গুৰুত্বপূৰ্ণ পদবীত অধিষ্ঠিত নকৰোৱা**’ বুলি যি মিছা অভিযোগ আনিছে, সেই কথাৰ সত্যাসত্য প্ৰমাণ আমি দাঙি ধৰা মতে নহয় বুলি তেখেতে মুকলিভাৱে প্ৰকাশ কৰক। ময়ূৰ বৰাদেৱে সঙ্ঘৰ লগত সদৌ অসম ছাত্ৰ সন্থা আৰু অসম সাহিত্য সভাৰো কিছু ক্ষেত্ৰত তুলনামূলক আলোচনা দাঙি ধৰিছে। বৰাদেৱে কব পাৰিবনে ছাত্ৰ সন্থা আৰু সাহিত্য সভাৰ মঞ্চত জাতি-জনগোষ্ঠী নিৰ্ণয় কৰি পদবীসমূহ দিয়া হয়? এই প্ৰশ্ন কেৱল শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ প্ৰতি কিয়?

শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘত শৰণাচাৰ্যসকলো অতি গুৰুত্বপূৰ্ণ আৰু সন্মানীয় পদবী। মূলৰ কাৰ্যনিৰ্বাহকৰ অনুমোদন সাপেক্ষে শৰণাচাৰ্য মনোনীত কৰা হয়। শৰণাচাৰ্যসকলে শংকৰদেৱ-মাধৱদেৱ মহাপুৰুষ দুজনাৰ ধৰ্মাদৰ্শৰ ভিত্তিত ভক্তসকলক ঈশ্বৰৰ ওচৰত শৰণাপন্ন অৰ্থাৎ আশ্ৰয় গ্ৰহণ কৰিবৰ বাবে পথ নিৰ্দেশনা দিয়ে। আধ্যাত্মিক তথা ধৰ্মীয় কথাবস্তুৰ ব্যাখ্যা দাঙি ধৰি গুৰুজনাৰ একশৰণ নামধৰ্মৰ তত্ত্ব এখেতলোকে শৰণ গ্ৰহণ কৰোঁতাজনক প্ৰদান কৰে। এইসকলক মনোনীত কৰোঁতে তথাকথিত উচ্চ-নীচ বৰ্ণৰ লোকক বাচি বাচি মনোনীত নকৰে। সোণাৰাম চুতীয়া, ইলাৰাম দাস, মোহনলাল উপাধ্যায়, প্ৰিয়নাথ চৰকাৰ,

নোমল দোলাকাষৰীয়া, ঘন তামুলী, ৰুক্মনাথ গগৈ, যোগেন দলে, গজেন ৰাভা, গুণীন্দ্ৰ কুলি, নন্দিৰাম ডেকা, পোনাৰাম চুতীয়া, পূৰ্ণচন্দ্ৰ ৰায়, জয়কান্ত কোচ, বংশীৰাম বড়ো, ৰমাকান্ত টাইদ, যতীন পাতৰ, অৰবিন্দ ৰাভা, মুনীন্দ্ৰ নাথ গগৈ, ৰবিৰাম নাথ, বিমলা নাথ, সুৰেন্দ্ৰ নাথ কোঁৱৰ (লালুং), মুক্তনাথ দলে, মহেন্দ্ৰ দেউৰী, পলিৰাম পেগু, খগেন মেচ আদি। এইসকলৰ উপাধি নিৰীক্ষণ কৰিলে বৰাদেৱে নিশ্চয় উমান পাব যে এইসকল তথাকথিত উচ্চ বৰ্ণৰ ব্ৰাহ্মণ-গোঁসাই-কলিতা-কায়স্থ নহয়; এইসকল তথাকথিত অন্ত্যজ আমাৰ সমাজৰ কিছুয়ে লেই-লেই, ছেই-ছেই কৰা তথাকথিত নীহকুলীয়া, কিন্তু গুৰুজনৰ একান্ত ভক্ত আৰু প্ৰকৃতাৰ্থত সমাজ সংস্কাৰক। এতিয়া বৰাদেৱে চুতীয়া, দাস, উপাধ্যায়, নাথ, চৰকাৰ, ৰায়, দলে, ৰাভা, কুলি, কোচ, বড়ো, টাইদ, পাতৰ/লালুং, দেউৰী, পেগু, মেচ আদি উপাধিবোৰ চাই বুৰঞ্জীৰ ছাত্ৰ হিচাপে নিশ্চয় জাত-পাতৰ নিৰ্ণয় কৰিব পাৰিব। আকৌ জিলা বিলাকৰ পৰা নিৰ্বাচিত অথবা মনোনীত হৈ অহা মূলৰ সদস্য আৰু জিলাবিলাকৰ সভাপতি/সম্পাদকসকলো অতি গুৰুত্বপূৰ্ণ পদবী। তেনেদৰে শাখা সমিতিসমূহৰ সভাপতি/সম্পাদক প্ৰমূখ্যে সদস্য-সদস্যাসকল, সাহিত্য আৰু সংস্কৃতি শাখাৰ গৱেষণা পৰিষদৰ গৱেষক সকলকো যোগ্যতা অনুসৰি জাত-পাত নিৰ্বিশেষে মনোনীত কৰা হয়। এই বিলাকৰ তালিকা দিবলৈ গ'লে এখন মহাভাৰতেই হ'বগৈ। জণ্ডিচ ৰোগীয়ে সকলোতে হালধীয়া দেখাৰ দৰে বৰাইও এক বিশেষ দৃষ্টিভংগী লৈ গ্ৰন্থখন ৰচনা কৰাৰ বাবে ৰঙীন চশ্মা পিন্ধাৰ দৰেই হ'ল। ইলাৰাম দাস আৰু জাত্যাভিমান প্ৰসংগত বৰাই উত্থাপন কৰা অভিযোগ আমি খণ্ডন কৰিছোঁ। বৰা ডাঙৰীয়াই বাতৰি কাকতৰ জৰিয়তে এই সম্পৰ্কত সকলোৱে আগত সত্যা-সত্য নিৰূপণ কৰিব। বৰা ডাঙৰীয়াই জাত-পাতৰ গোন্ধ কেনেদৰে ক'ৰপৰা পালে সেই কথা আমাক জনালে কৃতাৰ্থ হম। এজন ইংৰাজ লেখকৰ এটি সাৰুৱা কথা এইখিনিতে মনত পৰিছে। কথাষাৰ হ'ল - 'Give me a book and I shall tell you at once the history of the nation. Behind every book is a man and behind every man is a nation.' বৰাদেৱৰ গ্ৰন্থখন অধ্যয়ন কৰি বিদেশী বা স্বদেশী অনুসন্ধিৎসু পাঠকে কিবা শুদ্ধ তথ্য পাব বুলি আশা কৰিব পাৰিব জানো? অৱশ্যে গ্ৰন্থনৰ মাজত বৰাদেৱক এশ শতাংশই বিচাৰি পাব বুলি কব পাৰি, কিয়নো 'Behind every book is a man.'

কিছুমান অবাস্তৱ, অপ্ৰাসঙ্গিক আঁহফলা কথাৰে সমাজত বিভ্ৰান্তি আৰু বিভাজন অনাৰ যি অপচেষ্টা ময়ূৰ বৰাই আনিছে আৰু সমাজত বৃহৎ অনুষ্ঠানটিৰ ভাৱমূৰ্তি বিনষ্ট কৰিব বিচাৰিছে, তাৰ বাবে তেওঁ এদিন ক্ষমা খোজা উচিত।

# দ্বাদশ অধ্যায়
# ভাষা-জিজ্ঞাসা

ভাষা মানৱ সংস্কৃতিৰ অন্যতম প্ৰধান উপাদান। ভাষা থকাৰ বাবেই একপ্ৰকাৰ মানুহ জীৱ-জন্তু, চৰাই-চিৰিকতি আদি প্ৰাণী জগতৰ আন সমূহৰ পৰা পৃথক। জীৱ-জন্তু, চৰাই-চিৰিকতি আদিয়ে নিজৰ মনৰ ভাৱ-অনুভূতি বিভিন্ন মাধ্যমেৰে প্ৰকাশ কৰিলেও তেনেবিলাকক ভাষা-বিজ্ঞানৰ দৃষ্টিভংগীৰে ভাষাৰ ভিতৰত ধৰা নহয়। মানুহে ধৰ্মীয় তথা আধ্যাত্মিক জীৱনৰ অধিকাৰী হৈ মনৰ ভাৱ প্ৰকাশ কৰিব পাৰিছে একমাত্ৰ ভাষাৰ বাবেই। সভ্যতাৰ জখলাত মানুহ দোপতদোপে আগবাঢ়িব পাৰিছে ভাষাৰ বাবেই। আধুনিক বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ জয়যাত্ৰা ভাষাৰ বাবেই সম্ভৱপৰ হৈছে। ভাষা সৃষ্টি হৈছে ভাষাৰ সূক্ষ্মতম উপাদান ধ্বনি আৰু ধ্বনি সমষ্টিৰ সংযোগত। ঋষি-মুনিসকলে আৰু আলংকাৰিকসকলে এই ধ্বনি সমষ্টিকে অৰ্থাৎ শব্দক ব্ৰহ্ম আখ্যা দিছিল। অমৰ ব্ৰহ্মাৰ দৰেও শব্দও অমৰ। এই কথা আজি বিজ্ঞানৰ যুগত প্ৰমাণ হৈছে। লাখ লাখ কিলোমিটাৰ দূৰত্বৰ পৰা শব্দ আহি আমাৰ কৰ্ণকোহৰত প্ৰৱেশ কৰিছে। শব্দবোৰ মুখবিবৰৰ পৰা ওলাই আহোতেই মৃত্যু ঘটা হ'লে আজিৰ মানুহে দূৰভাষৰ দৰে যন্ত্ৰ ব্যৱহাৰ কৰিবই নোৱাৰিলেহেঁতেন।

ধ্বনি আৰু শব্দৰে গঠিত ভাষা বা কথাক কেন্দ্ৰ কৰি প্ৰতি ভাষা-ভাষীৰ মাজত অলেখ খণ্ড বাক্য, প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনা আদি প্ৰচলিত হৈ আহিছে। অসমীয়া ভাষাতো এনে কেইটামান খণ্ডবাক্য, যোজনা হ'ল - **কথা বুলিলে বতাহ, কথাত কটা যায় কথাত বঁটা পায়, মানুহ মৰে কৈ চৰাই মৰে বৈ, ভাৱে ভাষাইহে মানুহ, কথা চহকী** আদি। ছাত্ৰ অৱস্থাতে শিৱসাগৰ অঞ্চলত বয়োজ্যেষ্ঠ লোকৰ মুখত এটি যোজনা শুনা এতিয়াও মনত পৰে। যোজনাটি হ'ল - '**নাই পো মুখে, নাই পো গোফে, নাই পো লনী, নাই পো ধনী।**' অৰ্থাৎ মুখ, গোফ, লনী অৰ্থাৎ শুৱনি আৰু ধনী - কোনোবা এটা গুণত পুত্ৰ গুণী হোৱাটো বোলে পিতৃ-মাতৃয়ে কামনা কৰে। ঠিকেই 'নাই পো মুখে' অৰ্থাৎ কথা কব নোৱাৰা মানুহৰ কাম নাই। আগতেও নাছিল, এতিয়াও নাই। আগতে অৰ্থাৎ ৰাজতন্ত্ৰৰ যুগত অৱশ্যে প্ৰজাই মুখ খুলি কথা কব পৰা নাছিল। বুঢ়ালোকৰ মুখত সৰুতে তিনিটা কাম কৰাটো বৰ টান বুলি শুনিছিলো। কাম তিনিটা হ'ল - ৰজাৰ আগত কথা কোৱা টান, কাৰৈ মাছ বছা টান আৰু মদাৰ গছৰ পাণ পৰা টান। পিছৰ দুটা এতিয়াও টান যেন লাগিলেও প্ৰথমটো কিন্তু টান হৈ থকা নাই। কাৰণ দিন-কাল উকলিল, ৰাজতন্ত্ৰৰ ঠাইত গণতন্ত্ৰই খোপনি পুতিলে। 'কথা কোৱাৰ অধিকাৰ' সংবিধানে আমাক দিলে। কিন্তু অধিকাৰ দিলেও কথা কবলৈ যাওঁতে সুবিধা যেনেদৰে আছে, অসুবিধাও আছে। ভাষাই মানুহৰ ৰুচিবোধৰ পৰিচয় দিয়ে। অশ্লীল, অশালীন ভাষাই ব্যক্তিৰ নিম্ন ৰুচিৰ পৰিচয় দিয়ে; যেনেদৰে শিষ্ট সন্মত শালীনতা ৰক্ষা কৰি কোৱা কথাই ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশ ঘটায়।

'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ' গ্ৰন্থখনিত ময়ূৰ বৰাদেৱে এনে কিছুমান শব্দ আৰু বাক্য প্ৰয়োগ কৰিছে, যিবিলাকে কেৱল সঙ্ঘৰ মানুহ বুলিয়েই নহয়, আন সচেতন পাঠক সকলৰো চকু কপালত উঠিছে। বুদ্ধিজীৱী হিচাপে প্ৰতিষ্ঠা লাভ কৰিছোঁ বুলি ভবা বৰাৰ ব্যক্তিত্বৰ নমুনা প্ৰকাশ কৰা ভাষাই কিন্তু বৰাক এজন ব্যৰ্থ বুদ্ধিজীৱী হিচাপেহে চিহ্নিত কৰিছে। আমাৰ সন্মানীয় হোমেন বৰগোহাঞিদেৱে বৰাক দিয়া বুদ্ধিজীৱীৰ এখন প্ৰমাণ পত্ৰও গ্ৰন্থখনিত সন্নিবিষ্ট কৰিছে। প্ৰমাণ পত্ৰখন হ'ল - '....... **বুদ্ধিজীৱীসকল সৰ্বশ্ৰেষ্ঠ মানুহ নহ'ব পাৰে, কিন্তু আধুনিক পৃথিৱীখন বুদ্ধিজীৱীয়ে শাসন কৰি আছে। এজন মানুহ বুদ্ধিজীৱী হ'বলৈ যি চাৰিটা গুণৰ আৱশ্যক ময়ূৰ বৰাই সেই গুণ আয়ত্ব কৰিছে।**' বৰগোহাঞিদেৱে ময়ূৰ বৰাৰ গ্ৰন্থখনত ভাষা প্ৰয়োগৰ দিশটোলৈ নজৰ নিদিলে নিশ্চয়। বুদ্ধিজীৱী হিচাপে এনে ভাষা প্ৰয়োগ কৰিব লাগিব বুলি কিবা ধৰাবন্ধা নিয়ম আছে নেকি? যদি নাই - তেনেহ'লে হোমেন বৰগোহাঞিদেৱৰ প্ৰমাণ পত্ৰখনক বৰাই অপমান কৰা নাইনে অথবা প্ৰমাণপত্ৰখনৰ অপপ্ৰয়োগ হোৱা নাইনে? আমাৰ কথাতে কয় - 'ভাৱ আছে ভাষা নাই'; কিন্তু বৰাদেৱৰ ভাৱৰ লগতে ভাষাৰ ভঁড়ালো যে ঠাহ খাই আছে সেই কথা পাঠক মাত্ৰেই বুজি পাব। মহাকবি কালিদাস, সুধাকণ্ঠ ভূপেন হাজৰিকা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ ভাষা আৰু গীত, ব্যঞ্জনাপূৰ্ণ মাত-কথাই সহৃদয় শ্ৰোতা-দৰ্শক-পাঠকৰ মন জয় কৰাৰ দৰেই বৰাৰ ব্যঞ্জনাপূৰ্ণ ভাষায়ো পাঠকৰ হৃদয় নিবিন্ধি নোৱাৰে। কিন্তু বৰাৰ ভাষাৰ ব্যঞ্জনাৰ মাজত আৰু এটি সম্পদ পাঠকে পাব যিটো বৰাৰ নিজৰ ভাষাৰেই কবলৈ গ'লে - 'Sadistic Pleasure'। এনে 'Sadistic Pleasure' থকা বৰাৰ ভাষাৰ কিছু নমুনা ইয়াত উল্লেখ নকৰি নোৱাৰিলোঁ। যথা - (১) **ইমান লাজলগা ধৰণে বিভ্ৰান্ত** (পৃ. ১৯), (২) **ডিঙি ফুলাই ফুলাই বক্তৃতা প্ৰদান** (পৃ. ৪০), (৩) **বালিত মূৰগোঁজা উটপক্ষী** (পৃ.৪০), (৪) **ভিজা মেকুৰীৰ দৰে আচৰণ** (পৃ. ৪০), (৫) **অত্যন্ত লজ্জাজনক** (পৃ. ৪৩,৬৬), (৬) **একেখিনি কথাকে পাগুলি পাগুলি** (পৃ. ৪৩), (৭) **সংঘৰ যে কি এক 'মধুৰ নিস্পৃহা'** (পৃ. ৫২), (৮) **চকু মুদা কুলি** (পৃ. ৫৪), (৯) **ভেকোঁ ভাওনা** (পৃ. ৫৭), (১০) **তালিবানী চিন্তা** (পৃ. ৬২), (১১) **মৌলবাদী, তালিবানী আদৰ্শৰে অনুপ্ৰাণিত** (পৃ. ৬৮), (১২) **তেওঁলোকৰ শৰীৰৰ ছাল গড়ৰ দৰে** (পৃ. ৬৮), (১৩) **অবুজনক বুজোৱা ঢেৰুৱা ঠাৰী সিজোৱা** (পৃ. ৭৫), (১৪) **বৰমূৰীয়াসকল আঁৰকাপোৰৰ**

**তলত লুকাই দিয়ে** (পৃ. ৮৩), (১৫) **মুখ থেকেচা খোৱা** (পৃ. ৯০) ইত্যাদি। এনে অশালীন শব্দৰ উপৰি তাচ্ছিল্য ভাৱৰ প্ৰকাশ ঘটোৱা এনে ভাষাৰ প্ৰয়োগ সঙ্ঘৰ শুভাকাঙ্খী (?) এজনৰ ক্ষেত্ৰত কিমানদূৰ সমীচিন হ'ল - সেই কথা পাঠকে নিশ্চয় বিচাৰ কৰিব পাৰিব। সঙ্ঘৰ প্ৰতি এনে বাক্যবাণ প্ৰয়োগ কৰি বৰাই কিন্তু সঙ্ঘক পৰামৰ্শ প্ৰদান কৰিছে ভদ্ৰভাৱে কথা কবৰ বাবে। ড° নগেন শইকীয়াদেৱৰ ক্ষেত্ৰত বৰাই কৈছে - **'যুক্তিৰ খাতিৰত ধৰি লোৱা হ'ল যে ড° শইকীয়াৰ বক্তব্য বিসংগতিপূৰ্ণ আছিল। তেতিয়াহ'লে সেই ভাষ্যক ভদ্ৰ ভাষাৰেও প্ৰত্যুত্তৰ দিব পৰা গ'লহেঁতেন।'** (পৃ. ৬২) এনে ক্ষেত্ৰত বৰাদেৱক সকলোৰে ছাগে কবৰ মন যাব - **'উপদেশতকৈ আৰ্হি ভাল'**। বৰাই বা কি কয়?

ময়ূৰ বৰাদেৱে গ্ৰন্থখনিত ভাষা সম্পৰ্কীয় আন এটি বিষয় সঙ্ঘক কটাক্ষ কৰি উত্থাপন কৰিছে। বিষয়টো হ'ল - **'সঙ্ঘৰ নেতৃত্বৰ হিন্দী-ইংৰাজীত দখল আছেনে?' (পৃ. ৮৯)** বৰাদেৱে এনে কথা অৱতাৰণা কৰি কিবা পাৰ পাব জানো? বৰাই তেখেতৰ 'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ' গ্ৰন্থখন ইংৰাজীতে লেখা হ'লে তেখেতৰ ইংৰাজীৰ দখলো সঙ্ঘই গম পালেহেঁতেন আৰু সঙ্ঘই যিহেতু ইংৰাজীতে উত্তৰ দিব লাগিলহেঁতেন; তেতিয়া বৰাইও সঙ্ঘৰ মানুহৰ ইংৰাজীৰ দখলৰ কথা জানিব পাৰিলেহেঁতেন। বৰাদেৱে সঙ্ঘৰ নেতৃত্ববহনকাৰী সকলৰ ইংৰাজী ভাষাৰ জ্ঞান নাই বুলি কিয়নো বাৰু ধৰি ললে? নে কথা-বতৰা পাতি কিবা উমান পাইছিলে। বৰাদেৱক এই কথাটোৰ উত্তৰ দিয়াৰ পূৰ্বে মনলৈ অহা এটা কথা কবলৈ বিচাৰিছোঁ। কথাটো হ'ল সুসাহিত্যিক চৈয়দ আব্দুল মালিক চাৰৰ। (চাৰ এই লেখকৰ শিক্ষাগুৰু) মালিক চাৰৰ **'মাজত মাথোন হিমালয়'** নামৰ ৰুছ ভ্ৰমণৰ অভিজ্ঞতাৰে লিখা ভ্ৰমণমূলক গ্ৰন্থখন কলেজীয়া ছাত্ৰ জীৱনতে পঢ়া মনত আছে। ভ্ৰমণৰ বিৱৰণীত চাৰে লিখিছে যে মস্কোত এদিন এখন বিশেষ সভাত চাৰে অংশ গ্ৰহণ কৰিছিল। চাৰে ইংৰাজী ভাষাতে ভাষণ দিলে। ভাষণৰ শেষত সভাৰ উদ্যোক্ত এজনে চাৰৰ মাতৃভাষানো কি সুধিলে। চাৰে 'অসমীয়া' বুলি কোৱাত উদ্যোক্তাজনে চাৰক কলে যে আপুনি অসমীয়া ভাষাতে বক্তৃতা দিব পাৰিলেহেঁতেন। চাৰে আশ্চৰ্য প্ৰকাশ কৰি কলে যে অসমীয়া কলে ইয়াতনো কোনে বুজিব! সিজনে কলে যে ইংৰাজীও কোনেও বুজি নাপালে। আপোনাৰ ইংৰাজী ৰুচ ভাষালৈ দোভাষীয়ে ভাৱানুবাদ কৰি দিবলগীয়া হৈছিল। অসমীয়া ভাষাক এলাগী কৰি ইংৰাজীত ভাষণ দিয়া কাৰণে মানুহজনৰ আগত চাৰে লাজ পাইছিলোঁ বুলি গ্ৰন্থখনত উল্লেখ কৰিছে। উল্লেখযোগ্য যে চীন, জাপান, জাৰ্মান ফ্ৰান্স আদি বহু দেশত ইংৰাজীৰ পৰিবৰ্তে মাতৃ ভাষাৰেই যে বিজ্ঞানৰ যুগত বিশ্বৰ লগত ফেৰ মাৰি এইবোৰ দেশ আগবাঢ়ি গৈছে - সেই কথা বৰাদেৱে নিশ্চয় নজনা নহয়। আব্দুল মালিকদেৱৰ দিনতকৈও এতিয়া ভাষাৰ প্ৰযুক্তিবিদ্যা কিমান আগুৱাই গ'ল, সেইকথা টি.ভি., কম্পিউটাৰ, ইণ্টাৰনেটৰ লগত জড়িত সকলোৱেই জানে। ইংৰাজী ভাষাত চলি থকা টি.ভি.ৰ প্ৰগ্ৰেম এটা অন্য ভাষালৈ ৰূপান্তৰ কৰি চাবলৈ মাত্ৰ এটা আঙুলিৰ টিপাৰহে প্ৰয়োজন।

বাৰু যি নহওক, বৰাই সঙ্ঘৰ বিষয়ববীয়াৰ হিন্দী-ইংৰাজী ভাষাত দখলৰ কথা সুধিছে যেতিয়া কিছু তথ্য দিয়াৰ প্ৰয়াস কৰিছোঁ। হিন্দী-ইংৰাজীত কথা পাতি চাবৰ কাৰণে সঙ্ঘৰ কেইজনমান বিষয়ববীয়াৰ ওচৰলৈ আহিবলৈ বৰাক অলপ পৰিচয়কে দিওঁ বুলি ভাবিছোঁ। 'সংঘৰ নেতৃত্ব'ৰ কথা বৰাই সুধিছে যদিও সঙ্ঘত কেৱল পদাধিকাৰ আৰু প্ৰধান সম্পাদক দুজনেই নেতৃত্ব নিদিয়ে। তেখেতলোকৰ সমান্তৰালভাৱে শাখা-সমিতিৰ বিষয়ববীয়া, সদস্য, গৱেষকসকলেও বঠা ধৰি নাওখন চলাই নিয়ে। পদাধিকাৰ-প্ৰধান সম্পাদকৰ লগত পৰিচয় আছে বুলি গ্ৰন্থখনৰ পৰাই জানিব পাৰিলোঁ। বাকীসকলৰ লগতহে বৰাৰ পৰিচয়ৰ প্ৰয়োজন।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই ১৯৯৮ চনত ৰাজধানী চহৰ দিল্লীত গুৰুজনাৰ জন্ম জয়ন্তী বৰ উলহ মালহেৰে অনুষ্ঠিত কৰিছিলগৈ। ১৯৯৮ চনৰ ১ অক্টোবৰৰ পৰা ৩ অক্টোবৰলৈ অনুষ্ঠিত কৰা অনুষ্ঠানলৈ অসমৰ পৰা এখন ৰেল ভাৰা কৰি সঙ্ঘৰ বহু সংগী তালৈ গৈছিল। আমিও গৈছিলোঁ। দিল্লীৰ মাভালাংকাৰ প্ৰেক্ষাগৃহত গুৰুজনাৰ ৫৫০ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ মহাসমাৰোহেৰে উদ্‌যাপিত হৈছিল। অনুষ্ঠান শুভাৰম্ভ কৰিছিল ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° শঙ্কৰ দয়াল শৰ্মাদেৱে এগছি বন্তি প্ৰজ্বলনেৰে। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি এখনি আলোচনা চক্ৰ অনুষ্ঠিত কৰা হৈছিল। বিষয় আছিল - 'Mahapurusha Srimanta Sankaradeva, the great visionary, His versatilities, contributions to the Bhakti Movement, Social Reforms and Indian Culture.' আলোচনা চক্ৰত পদাধিকাৰ কৰুণাকান্ত কলিতাই সঞ্চালনা কৰিছিল। কলিতাদেৱে সেইদিনা হিন্দী আৰু ইংৰাজী ভাষাৰ মাধ্যমত সঞ্চালনা কৰা কথা আমাৰ লগতে বহুতেই নিশ্চয় পাহৰি যোৱা নাই। স্বতঃস্ফূৰ্তভাৱে ইংৰাজী আৰু হিন্দী ভাষাৰে বক্তৃতা প্ৰদান কৰা সেইদিনা প্ৰত্যক্ষ কৰিছিলোঁ। সঙ্ঘৰ পৰা দুজন আলোচক আছিল সঙ্ঘৰ সাহিত্য শাখাৰ তদানীন্তন সভাপতি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ভৱ প্ৰসাদ চলিহা আৰু বৈষ্ণৱ পণ্ডিত প্ৰাক্তন পদাধিকাৰ সোণাৰাম চুতীয়া। বৰাদেৱক কওঁ যে দুয়োজনে কিন্তু অসমীয়াত বক্তৃতা প্ৰদান কৰা নাছিল, ইংৰাজীতহে সম্পূৰ্ণভাৱে ভাগ লৈছিল। সেইদিনা আলোচনা চক্ৰৰ আন দুগৰাকী পণ্ডিত আছিল ড° কপিলা বাৎসায়ন আৰু ড° ইন্দিৰা গোস্বামী অৰ্থাৎ মামনি ৰয়চম গোস্বামী। ২০১০ চনলৈকে কেইবাবছৰো পদাধিকাৰ আসনত থাকি সঙ্ঘক এক বিশেষ মাত্ৰা প্ৰদান কৰোঁতা কৰুণাকান্ত কলিতা বাপৰ ইংৰাজী ভাষাৰ দখল বৰাদেৱে ভৱাৰ দৰে নাছিল।

২০০৭ চন; শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই শঙ্কৰদেৱৰ ধৰ্মাদৰ্শ, সাহিত্য-সংস্কৃতি অসমৰ বাহিৰত প্ৰচাৰ কৰাৰ অৰ্থে এলানি প্ৰচাৰমূলক কাৰ্যসূচী হাতত লৈছিল। সেইসূত্ৰে ২০০৭ চনৰ ৭ আৰু ৮ জানুৱাৰী তাৰিখে কলকাতা মহানগৰীত এখনি আলোচনা চক্ৰ আৰু শঙ্কৰী সংস্কৃতিৰ সাংস্কৃতিক অনুষ্ঠান এটিৰ আয়োজন কৰা হৈছিল। সংঘৰ লগত সহযোগিতা কৰিছিল কলকাতাৰ A.S.L. Club য়ে অৰ্থাৎ Assam Socio Literary Club. আলোচনাৰ বিষয় আছিল "National Seminar on Literature and Culture of Srimanta Sankaradeva." পদাধিকাৰ কৰুণাকান্ত কলিতাই সঞ্চালনা কৰা ৰাষ্ট্ৰীয় আলোচনা চক্ৰখনিত সংঘৰ পৰা ভিন ভিন বিষয়ত সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰিছিল - শঙ্কৰী সাহিত্য-সংস্কৃতিৰ গৱেষক অধ্যাপক কৈলাস দাস, অধ্যাপক ড° সঞ্জীৱ কুমাৰ বৰকাকতি আৰু বাদ্য বিশাৰদ যোগেশ্বৰ বৰদলৈয়ে। ইংৰাজী ভাষাতেই সঞ্চালক প্ৰমুখ্যে কেউজন গৱেষকে নিজ নিজ বিষয় উত্থাপন কৰিছিল। অনুষ্ঠানটিত ইংৰাজী ভাষাত ধাৰাবিৱৰণী আগবঢ়াইছিল সংঘৰ সংস্কৃতি শাখাৰ তদানীন্তন সভাপতি ডাঃ নৰকৃষ্ণ ৰাজখোৱাই। জ্ঞানপীঠ বঁটা প্ৰাপক ড° মামনি ৰয়চম গোস্বামীয়ে Key note Address প্ৰদান কৰা আলোচনা চক্ৰখনিত সংঘৰ বাহিৰৰ ব্যক্তিসকল আছিল পশ্চিমবঙ্গৰ সাহিত্য একাডেমিৰ সচিব ৰামকুমাৰ মুখোপাধ্যায়, কলকাতাৰ এচিয়াটিক ছ'ছাইটিৰ সচিব ৰমাকান্ত চক্ৰৱৰ্তী আৰু কলকাতাৰ বিদ্যাসাগৰ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ভাষাবিদ ড° অনিমেশ কান্তি পালে।

২০০৮ চন; সংঘৰ সাহিত্য শাখা সমিতি আৰু দিল্লী বিশ্ববিদ্যালয়ৰ Department of Modern Indian Languages and Literary Studiesৰ যুটীয়া ব্যৱস্থাপনাত এখনি ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত কৰা হৈছিল। আমি নিজে সাহিত্য শাখাৰ সম্পাদক হিচাপে আলোচনা চক্ৰৰ পূৰ্বে দুবাৰ বিশ্ববিদ্যালয়লৈ গৈ যোগাযোগ কৰিছিলোঁগৈ। আমাৰ লগত এবাৰ প্ৰধান সম্পাদক হৰিপ্ৰসাদ হাজৰিকা আৰু এবাৰ বৰ্তমান ট্ৰাষ্ট সমিতিৰ সভাপতি ডাঃ পুণিৰাম পাতৰ বাপ গৈছিল। আলোচনা চক্ৰৰ বিষয় আছিল "The Philosophy of Mahapurusha Srimanta Sankaradeva and Other Saints of Medieval India." দিল্লী বিশ্ববিদ্যালয়ৰ কলা বিভাগৰ টেগ'ৰ হলত আলোচনা চক্ৰ অনুষ্ঠিত হৈছিল। ১৪ আৰু ১৫ নবেম্বৰ তাৰিখে দুদিনীয়াকৈ এই আলোচনা চক্ৰ অনুষ্ঠিত কৰা হৈছিল। সংঘৰ ফালৰ পৰা সমল ব্যক্তি হিচাপে ভাগ লৈছিল সংঘৰ এগৰাকী গৱেষক কটন কলেজৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক ড° সুৰেশ চন্দ্ৰ বৰা, সংঘৰ শিক্ষা সমিতিৰ সভাপতি, অসম কৃষি বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ৰাতুল চন্দ্ৰ বৰা, সংঘৰ সাহিত্য শাখাৰ সভাপতি গোৱালপাৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ অধ্যাপক ড° ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী, আনন্দৰাম ঢেকীয়াল ফুকন মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ অধ্যাপক, সংঘৰ সাহিত্য গৱেষণা পৰিষদৰ এগৰাকী গৱেষক কৈলাস দাস আৰু দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ এগৰাকী অধ্যাপিকা, সংঘৰ সংগী ৰত্নোত্তমা দাসে (বৰ্তমান ড° ৰত্নোত্তমা দাস)। দিল্লী বিশ্ববিদ্যালয়ৰ উপৰি ভাৰতৰ কেইবাখনো আগশাৰীৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ পণ্ডিতে এই আলোচনা চক্ৰত অংশ গ্ৰহণ কৰিছিল। অসমৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা, বিশিষ্ট লেখিকা ড° নীলিমা শৰ্মা আৰু দেৰগাঁও কমল দুৱৰা কলেজৰ দৰ্শন বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক বিশিষ্ট লেখক ড° গিৰীশ বৰুৱাই অংশ গ্ৰহণ কৰিছিল। দিল্লী বিশ্ববিদ্যালয়ৰ মুৰব্বী প্ৰফেচৰ পি.চি. পট্টনায়ক আৰু অধ্যাপিকা ৰত্নোত্তমা দাসে ব্যৱস্থাপনাত বিশেষভাৱে সহায় কৰা আলোচনা চক্ৰখনিত উদ্বোধনী ভাষণ প্ৰদান কৰিছিল পদাধিকাৰ কৰুণাকান্ত কলিতাবাপে আৰু আলোচনা চক্ৰৰ বিষয়বস্তুৰ উত্থাপন কৰিছিল হৰিপ্ৰসাদ হাজৰিকা বাপে। সাহিত্য শাকাৰ সভাপতি ড° ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে সভাপতিত্ব কৰা উদ্বোধনী সভাখনত শলাগ জ্ঞাপন কৰে সম্পাদক জীৱকান্ত নাথে। এই আলোচনা চক্ৰখনিত পদাধিকাৰ প্ৰমূখ্যে সংঘৰ সকলোৱেই ইংৰাজী ভাষাতেই বক্তৃতা প্ৰদান কৰিছিল। ময়ূৰ বৰাদেৱ ইয়াত উপস্থিত থকা হ'লে সংঘৰ নেতৃত্বৰ ইংৰাজী ভাষাৰ দখলৰ বিষয়ে নিশ্চয় জানিব পাৰিলেহেঁতেন। উল্লেখযোগ্য যে এই অনুষ্ঠানতে ড° সুৰেশ চন্দ্ৰ বৰা, অধ্যাপক কৈলাস দাস আৰু অধ্যাপক জীৱকান্ত নাথৰ যুটীয়া সম্পাদনা আৰু ড° গিৰীশ বৰুৱাৰ মূখ্য সম্পাদনাত প্ৰকাশ পোৱা "Srimanta Sankaradeva and His Philosophy" নামৰ গ্ৰন্থখনি উন্মোচন কৰে দিল্লী উচ্চ ন্যায়ালয়ৰ বিচাৰপতি ড° মুকুণ্ডকাম শৰ্মাদেৱে। এই গ্ৰন্থখনিৰ দ্বিতীয় সংস্কৰণ প্ৰকাশ আৰু উন্মোচন হয় ২০১১ চনত সংঘৰ দ্বাৰা আয়োজিত গুজৰাটৰ আহমেদাবাদত আয়োজিত ৫৬৩ সংখ্যক গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱত। উন্মোচন কৰে গুজৰাট বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° গৌতম পেটেলে।

এইসকলৰ উপৰি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ বিভিন্ন দিশত নেতৃত্ব প্ৰদান কৰি থকা কেইগৰাকীমান ইংৰাজী ভাষাৰ দখল থকা ব্যক্তিৰ পৰিচয় ময়ূৰ বৰাদেৱৰ আগত দাঙি ধৰিবলৈ ইচ্ছা কৰিছোঁ একমাত্ৰ তেখেতৰ সন্দেহ ভঞ্জনাৰ্থে। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ বৰ্তমান উপ-পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকা। অলপতে তেখেতে ইংৰাজী ভাষাত দিয়া এটা ভাষণ শুনাৰ সৌভাগ্য হৈছিল অভয়াপুৰী মহাবিদ্যালয়ত। ২০১১ চনৰ ২৬ আৰু ২৭ ডিচেম্বৰ তাৰিখে বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ সাহায্যত অভয়াপুৰী কলেজ সংঘৰ সাহিত্য শাখা সমিতিয়ে যুটীয়াভাৱে এখনি ৰাষ্ট্ৰীয় আলোচনা চক্ৰ অনুষ্ঠিত কৰিছিল। বিষয় আছিল 'The Neo-Vaishnavite Movement in North-East India.' Co-ordinator আছিল উক্ত কলেজৰে সহযোগী অধ্যাপক সংঘৰ সাহিত্য

শাখাৰ সম্পাদক ড° জগত চন্দ্ৰ কলিতা। Key note Address প্ৰদান কৰিছিল ৰঙিয়া কলেজৰ এসময়ৰ ইংৰাজী বিষয়ৰ অধ্যাপক সঙ্ঘৰ উপ-পদাধিকাৰ ভৰেন্দ্ৰ নাথ ডেকাবাপে। ডেকাবাপৰ ইংৰাজী ভাষাৰ ভাষণে সকলোকে মুগ্ধ কৰিছিল। উল্লেখযোগ্য যে University Grants Commission ৰ 'National Assesment and Accreditation Council' ৰ অৰ্থাৎ চমুকৈ 'NAAC'ৰ Peer Teamৰ সদস্য নিৰ্বাচিত হৈ ভৰেন্দ্ৰ নাথ ডেকা বাপে ভাৰতৰ কেইবাখনো আগশাৰীৰ কলেজ পৰিদৰ্শন কৰি মূল্যাংকন কৰিছে। সঙ্ঘৰ বৰ্তমানৰ যুটীয়া সম্পাদক খগেন্দ্ৰ মহেলা, নগাঁও; এখেত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ সহযোগী অধ্যাপক। ডাঃ পুনিৰাম পাতৰ, মৰিগাঁও; এখেত সঙ্ঘৰ শিক্ষা আৰু আৰ্থ সামাজিক ন্যাস সমিতিৰ সভাপতি, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ৰূপে অৱসৰ গ্ৰহণ কৰিছে। মহেন্দ্ৰ আহোম, শিক্ষা আৰু আৰ্থ সামাজিক ন্যাস সমিতিৰ সদস্য; মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ 'বিশেষ কৰ্তব্যৰত বিষয়া' ৰূপে কাৰ্যনিৰ্বাহ কৰি আছে; ইংৰাজী ভাষা সাহিত্যৰ অধ্যাপক ৰূপে যোগদান কৰি জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষৰূপে প্ৰতিষ্ঠা লাভ কৰাৰ পিছত নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষৰূপে কাৰ্যনিৰ্বাহ আৰু তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ পৰা পঞ্জীয়কৰূপে অৱসৰ গ্ৰহণ কৰে। চন্দ্ৰ হাজৰিকা, গোলাঘাট; প্ৰচাৰ শাখাৰ সভাপতি, দীৰ্ঘদিন গুজৰাটত প্ৰাকৃতিক গেছ আৰু ৰেল নিগমৰ অভিযন্তা হিচাপে কাৰ্যনিৰ্বাহ কৰি 'অধীক্ষক অভিযন্তা' হিচাপে যোৰহাটৰ কাৰ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰিছে। ভৰেন দুৱৰী, গুৱাহাটী ঃ সাহিত্য শাখাৰ সদস্য, শিশু আলোচনী 'শিশু মঞ্জৰী'ৰ সম্পাদক, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ সঞ্চালক (কৰ্মচাৰী বিভাগ)। ড° ইন্দিৰা শইকীয়া বৰা, গুৱাহাটী ঃ সাহিত্য শাখাৰ সদস্যা, আই-মাতৃৰ আলোচনী 'মহীয়সী'ৰ সম্পাদিকা, প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা। ড° মহেশ্বৰ কলিতা, গুৱাহাটী ঃ সাহিত্য শাখাৰ সদস্য, কটন কলেজৰ অধ্যাপক। প্ৰভাত দাস, গুৱাহাটী ঃ সাহিত্য গৱেষণা পৰিষদৰ গৱেষক। হেমচন্দ্ৰ শইকীয়া, যোৰহাট ঃ সাহিত্য গৱেষণা পৰিষদৰ সদস্য। ড° অনিল শইকীয়া, মৰাণ ঃ সংস্কৃতি গৱেষণা পৰিষদৰ গৱেষক, অৰ্থনীতি বিজ্ঞানৰ স্নাতক, অধ্যাপক ৰূপে কাৰ্যনিৰ্বাহ, বৰ্তমান মৰাণ মহাবিদ্যালয়ৰ অধ্যক্ষৰূপে কাৰ্যনিৰ্বাহ কৰি আছে। কমলাকান্ত গগৈ, নামৰূপ ঃ মূলৰ সদস্য ঃ চাৰি বছৰ উপ-পদাধিকাৰ, সঙ্ঘৰ প্ৰচাৰ শাখাৰ প্ৰথমজন সভাপতিৰ পিছত কেইবাটাও কাৰ্যকালৰ সভাপতি, সুবক্তা গগৈ কলিকতা, দিল্লী, হাৰিয়ানা আদি ৰাজ্যত হিন্দী মাধ্যমেৰে গুৰুজনাৰ ধৰ্মাদৰ্শ, সাহিত্য-সংস্কৃতিৰ প্ৰচাৰত ব্যস্ত। আলোচনা চক্ৰত অংশ গ্ৰহণ কৰা আৰু বিভিন্ন বিষয়বাব লৈ সেৱা আগবঢ়াই থকা ইয়াত মাত্ৰ সঙ্ঘৰ কেইজনমান বিষয়ববীয়া তথা সংগীৰ পৰিচয়হে দাঙি ধৰিলোঁ। উয়াৰ উপৰি মূলৰ বিভিন্ন শাখা সমিতি সমূহত, জিলাৰ বিষয়ববীয়াসকলৰ মাজত ইংৰাজী-হিন্দী ভাষাৰ জ্ঞান থকা মানুহৰ নাম দিবলৈ গ'লে এখনি 'জীৱনী-কোষ'ৰ সৃষ্টি হ'ব। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘত ইংৰাজী-হিন্দী জনা বিষয়ববীয়া নাই বুলি বৰাই সঙ্ঘক পৰামৰ্শ দিছে - **'তদুপৰি ইংৰাজী আৰু হিন্দী ভাষা ভালদৰে শিকোঁ বুলি কলে বিশেষ কঠিন নহয়। ইয়াৰ বাবে প্ৰখৰ বুদ্ধিমত্তাৰ প্ৰয়োজন নাই। প্ৰয়োজন কিছু অনুশীলনৰ। কিন্তু সংঘৰ বৰ্তমান শীৰ্ষ নেতৃত্বৰ তেনে উমান পোৱা নাযায়।' (পৃ. ৮৯)** বৰাদেউ, বুঢ়া শালিকাইনো কি মাত লব এতিয়া? কেতিয়াবাই মাত ফুটি আছে ইংৰাজী-হিন্দী ভাষাত। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘক তথা বিষয়ববীয়াসকলক জনমানসত হেয় কৰাৰ মানসিকতাৰ আপোনাৰ কৌশলটো কিন্তু প্ৰশংসা কৰিবলগীয়া। আপোনাৰ আৰু এটা পৰামৰ্শ হ'ল - **'তদুপৰি মূল নেতাকেইজনে এইক্ষেত্ৰত কিবা অসুবিধা পালেও দ্বিতীয় পক্ষৰ নেতাসকলৰ মাজৰ পৰা কিছু কম বয়সীয়া, সপ্ৰতিভ মানুহক বাছনি কৰি সংঘৰ মুখপাত্ৰ হিচাপে দায়িত্ব অৰ্পণ কৰিব পাৰে।' (পৃ. ৮৯)** ২০১২ চনত আগবঢ়োৱা বৰাদেৱৰ এই পৰামৰ্শ পিছে বহুত পলম হ'ল। বৰাদেৱৰ এজন ৰসিক বন্ধুৱে কোৱাৰ দৰেই হ'ল - **'চোৰ গ'লে বুদ্ধি, বৰষুণ গ'লে জাপি।' (পৃ. ৪৭)** বৰাদেৱক কৈ থওঁ যে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই ১৯৯৩-৯৪ চনৰ পৰাই শিশু-আইমাতৃ আৰু যুৱক-যুৱতীৰ শাখা মুকলি কৰি তেওঁলোকক গুৰুজনাৰ সাহিত্য-সংস্কৃতিৰ অনুশীলনৰ বাবে প্ৰতিবছৰে শিশু-আইমাতৃ সমাৰোহ আৰু যুৱ সমাৰোহ অনুষ্ঠিত কৰি আহিছে। যুৱক-যুৱতী আৰু শিশুসকলৰ মাজত ইংৰাজী আৰু হিন্দী ভাষাৰ মাধ্যমত এই সমাৰোহ সমূহত ৰচনা প্ৰতিযোগিতা, বক্তৃতা প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰি ইংৰাজী-হিন্দী ভাষাৰ দক্ষতা বৃদ্ধি কৰা হৈছে। জিলা পৰ্যায়তো তেওঁলোকক হিন্দী-ইংৰাজী ভাষাৰ মাধ্যমত প্ৰতিযোগিতাৰ মাজেদি প্ৰশিক্ষিত কৰি তোলা হৈছে। বৰাদেৱে শিশু সমাৰোহ আৰু যুৱ সমাৰোহ আদিত এবাৰ পদাৰ্পণ কৰিলেই এনে কথাৰ উমান পাব পাৰিব। 'সেৱা বাহিনী'ত এনে যুৱচামৰ মাজত হিন্দী-ইংৰাজী জনা যুৱক-যুৱতী আৰু শিশুৰ সংখ্যা বা বিবৰণ ইয়াত দিয়াটো স্থানাভাৱৰ কাৰণেই সম্ভৱ নহ'ব। যি নহওক, ইংৰাজী-হিন্দী ভাষা বিষয়ক প্ৰশ্ন লৈ বৰাই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰণে চিন্তিত হোৱাটো চাউলত শিলগুটি পেলাই বাচি থকাৰ দৰেই হ'ব।

মযূৰ বৰাদেৱে **'ব্ৰজাৱলী ভাষাৰ শক্তি অব্যৱহৃত' (পৃ. ৮৭)** হোৱা বুলি সঙ্ঘক দোষাৰোপ কৰিবলৈ গৈ কৈছে - **'কিন্তু ৰাজ্যৰ ভিতৰত সততে দপদপাই থকা অনুষ্ঠানটো বাহিৰত এনেবোৰ কাৰ্যসূচী ল'বলৈ আগ্ৰহী নহয় যেন লাগে। কিবা এক অবুজ হীনমান্যতাৰ ভাৱে যেন নেতৃত্বক আৱৰি থাকে, যাৰ বাবে তেওঁলোকে ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত গুৰুজনাক প্ৰচাৰ কৰিবলৈ বিশেষ চেষ্টা নকৰে।' (পৃ. ৮৮)** বৰাই একো উম-ঘাম নোলোৱাকৈ এনেবোৰ ভিত্তিহীন কথাৰে গ্ৰন্থৰ পাত ভৰাই জনসাধাৰণৰ মনত বিভ্ৰান্তিৰ সৃষ্টি কৰাটো সমীচিন হোৱা নাই। ইতিমধ্যে বৰাক ১৯৯৮ চনৰ পৰা ৰাজ্যৰ বাহিৰত

সঙঘই লোৱা আলোচনা চক্ৰ, গুৰু জয়ন্তী আদি অনুষ্ঠানৰ আয়োজনে শঙ্কৰদেৱৰ ধৰ্মাদৰ্শ, সাহিত্য-সংস্কৃতি প্ৰচাৰত কেনে ভূমিকা পালন কৰি আহিছে - সেই কথা আমি ইয়াত আলোচনা কৰিছোঁ। এই অনুষ্ঠানসমূহত গুৰুজনাৰ গীত-নৃত্য-বাদ্যৰ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰাৰ উপৰি ব্ৰজাৱলী ভাষাৰ গুৰুজনাৰ নাটসমূহ অভিনয় কৰি অহা হৈছে। উল্লেখযোগ্য যে ১৯৮৫ চনতেই শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ সংস্কৃতি শাখাই এটি কেন্দ্ৰীয় শিল্পীদল গঠন কৰে। তেতিয়াৰ পৰাই বিভিন্নজনৰ নেতৃত্ব আৰু পৰিচালনাত কেন্দ্ৰীয় শিল্পীদলে ৰাজ্য তথা ৰাষ্ট্ৰৰ বিভিন্ন স্থানত গুৰুজনাৰ গীত-মাত-নৃত্য-বাদ্য আদি প্ৰচাৰ কৰাৰ উপৰি অংকীয়া নাট পৰিদৰ্শন কৰি আহিছে। ১৯৯৮ চনত দিল্লীত অনুষ্ঠিত হোৱা গুৰুজয়ন্তী আবিৰ্ভাৱ মহোৎসৱত বাদ্য বিশাৰদ যোগেশ্বৰ বৰদলৈৰ পৰিচালনাত 'শ্ৰীৰাম বিজয়' নাটখনি প্ৰদৰ্শন কৰা হয়। এই অনুষ্ঠানত অসমৰ প্ৰাক্তন ৰাজ্যপাল ভীষ্ম নাৰায়ণ সিং, সাংসদ মাধৱ ৰাজবংশী, ড° অৰুণ শৰ্মাৰ উপৰি ড° মামনি ৰয়ছম গোস্বামী, ড° জেনিচ দৰবাৰী, ভাস্কৰ বৰুৱা, সঞ্জয় হাজৰিকা প্ৰমূখ্যে বিশিষ্ট ব্যক্তিসকলৰ উপস্থিত আছিল। ২০০৭ চনত ৰাষ্ট্ৰীয় চেমিনাৰ আৰু শঙ্কৰী সংস্কৃতিৰ পৰিৱেশনৰ কাৰ্যসূচীত কলকাতাত অংকীয়া নাট পৰিবেশন নকৰিলেও গুৰুজনাৰ সৃষ্ট ব্ৰজাৱলী ভাষাৰ বিষয়ে বিশদ আলোচনা হয়। কলকাতাৰ বিদ্যাসাগৰ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক বিশিষ্ট ভাষাবিদ ড° অনিমেশকান্তি পালে 'শঙ্কৰদেৱৰ নাটৰ গদ্য' শীৰ্ষক পত্ৰ পাঠ কৰে। ড° পালে শঙ্কৰদেৱৰ প্ৰতিখন নাটৰে অৰ্থাৎ ছয়োখন নাটৰ প্ৰতিখনৰে পৰা পাঁচোটাকৈ সংলাপ বাছি লৈ ভাষাতাত্ত্বিক বিশ্লেষণ আগবঢ়ায়। সঙঘৰ সংস্কৃতি শাখাৰ সম্পাদক পৱিত্ৰ প্ৰাণ বৰাৰ পৰিচালনাত কেন্দ্ৰীয় শিল্পীদলে গায়ন-বায়ন, সূত্ৰধাৰী নৃত্য, চালি নৃত্য, ঝুমুৰা, নাদুভঙ্গী, বৰগীত, গোপীনাচ আদি প্ৰদৰ্শন কৰে। ২০১১ চনৰ ৮ আৰু ৯ অক্টোবৰত গুজৰাটৰ আহমেদাবাদত অনুষ্ঠিত হোৱা ৫৬৩ সংখ্যক গুৰু আবিৰ্ভাৱ মহোৎসৱত সংস্কৃতি শাখাৰ সম্পাদক পবিত্ৰপ্ৰাণ বৰাৰ পৰিচালনাত 'পাৰিজাত হৰণ' নাটৰ নাট্যাভিনয় অনুষ্ঠিত কৰা হয়। ইয়াৰ উপৰি ১৯৯৭ চনতে গঠন হোৱা সংস্কৃতি শাখাৰ কৰ্ম আঁচনিৰ ভিত্তিত ২০০০ চনৰে পৰা অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত মহাপুৰুষ দুজনাৰ নাট আৰু ঝুমুৰাসমূহ মঞ্চস্থ কৰি অহা হৈছে। এনেদৰে ৰাজ্যৰ ভিতৰে বাহিৰে অভিনয়ৰ যোগেদি মহাপুৰুষ দুজনাৰ নাটকত ব্যৱহৃত ব্ৰজাৱলী ভাষাৰ ব্যৱহাৰৰ ক্ষেত্ৰত সঙঘই কোনো কৃপণালি কৰাৰ বা শক্তি অব্যৱহৃত কৰাৰ প্ৰশ্ন উত্থাপন হোৱাটো অবান্তৰ কথা।

# ত্ৰয়োদশ অধ্যায়
# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আৰু অসমৰ জাতীয় অনুষ্ঠানসমূহ

ময়ূৰ বৰাদেৱে তেখেতৰ গ্ৰন্থখনত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঁঘৰ সৈতে আৰু অসমৰ তিনিটা বৃহৎ জাতীয় অনুষ্ঠানৰ এটি তুলনামূলক চমু আলোচনা দাঙি ধৰিছে। এই জাতীয় অনুষ্ঠান কেইটা হৈছে - অসম সাহিত্য সভা, সদৌ অসম ছাত্ৰ সন্থা আৰু অসম সত্ৰ মহাসভা। এই সম্পৰ্কত বৰাই দুটা লেখা গ্ৰন্থখনিত সংযোজিত কৰিছে। লেখা দুটা হ'ল - **'সংঘ, সাহিত্য সভা আৰু ছাত্ৰ সন্থা'** আৰু **'সাহিত্য সভাৰ লগত শীতল সম্পৰ্ক'**। 'অসম সত্ৰ মহাসভা'কো ইয়াৰ মাজলৈ আনিছে। 'সাহিত্য সভাৰ লগত শীতল সম্পৰ্ক' শীৰ্ষক লেখাটোত বৰাই কৈছে যে - **'তথাপি জাতীয় সংগঠন হিচাপে সাহিত্য সভাক সংঘই যিমানধৰণে নিজৰ কাৰ্যসূচীত জড়িত কৰিব লাগিছিল, তেনেধৰণে হয়তো কৰিবলৈ ইচ্ছা কৰা নাই নাইবা কৰিব পৰা নাই। সভা জড়িত হ'লেই যে গুৰুজনা সম্পৰ্কীয় বহু কাম হ'ব, সেই কথা আমি বিশ্বাস নকৰোঁ। তথাপি একো নোহোৱাতকৈ কিবা এটা হোৱাটো ভাল বুলি ভাবিও দুয়োটা অনুষ্ঠানৰে মাজত সম্পৰ্ক কিছু বেছি সৌহাৰ্দ্যপূৰ্ণ হ'লে কেতবোৰ কাম কৰাত সহজ হ'ব যেন লাগে।'** (পৃ. ৬৩) বৰাৰ ওপৰৰ কথাখিনি ভালদৰে নিৰীক্ষণ কৰিলে বুজিব পৰা যায় যে দুয়োটা অনুষ্ঠানক বৰাই জোৰ কৰিহে যেন লগ লগোৱাৰ কথা চিন্তা কৰি কিবা এযাৰ নকলে নহয় যেতিয়া কব লাগে কাৰণেই এনেবোৰ কথা টানি-আজুৰি গ্ৰন্থখনত উপস্থাপন কৰিছে। সঙঁঘৰ লগত সাহিত্য সভা জড়িত হলেও যদি গুৰুজনা সম্পৰ্কীয় কিবা কাম হ'ব বুলি বৰাই বিশ্বাসেই নকৰে তেনেহলে এনে প্ৰসঙ্গৰ কি প্ৰয়োজন আছিল ? অসম সাহিত্য সভা আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সঙঁঘৰ নিজা নিজা সংবিধান আছে। নিজ সংবিধানৰ লক্ষ্য-উদ্দেশ্য আগত ৰাখি দুয়োটা সংগঠনেই নিজৰ পথত আগবাঢ়ি গৈছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙঁঘৰ মূল লক্ষ্য হ'ল - গুৰুজনাৰ আদৰ্শৰে সমাজ গঠন আৰু অসম সাহিত্য সভাৰ মূল লক্ষ্য হ'ল - অসমীয়া সাহিত্য-সংস্কৃতিৰ যোগেদি আৰু লগতে অন্যান্য জনগোষ্ঠীৰ সাহিত্য-সংস্কৃতিৰ যোগেদি জাতিগঠন আৰু সমাজত ঐক্য-সম্প্ৰীতিৰ বান্ধোন কট্‌কটীয়া কৰা। চাবলৈ গ'লে দুয়োটা অনুষ্ঠানৰ উদ্দেশ্য একেই যদিও অসম সাহিত্য সভাই শঙ্কৰদেৱক প্ৰধান বিষয় হিচাপে গ্ৰহণ কৰা নাই বা কোনো এজন বিশেষ মহৎ লোকৰ আদৰ্শ গ্ৰহণ কৰি সাহিত্য-সংস্কৃতি, বা ঐক্য সংহতিৰ কাম কৰা নাই। কিন্তু সঙঁঘই গুৰুজনাৰ ধৰ্ম-দৰ্শন, সাহিত্য-সংস্কৃতিকে আধাৰ ৰূপে গ্ৰহণ কৰি সমাজত প্ৰেম, ভ্ৰাতৃত্ববোধ আদি মানৱীয় প্ৰমূল্যৰ বীজ ৰোপন কৰিছে। অসম সাহিত্য সভাৰ লগত সঙঁঘৰ কোনো বিৰোধ নাই, বৰঞ্চ মিত্ৰভাৱ হে আছে। ডিম্বেশ্বৰ নেওগ, ককা নীলমনি ফুকন দুয়োজন ব্যক্তিয়েই যে দুয়োটা অনুষ্ঠানৰ শীৰ্ষতম পদবী লৈ এসময়ত কাম কৰিছিল যদিও পৰৱৰ্তী কালত দুয়োটা অনুষ্ঠানৰ সম্পৰ্ক শীতল হোৱাটো দৃষ্টি কটু বুলি বৰাই উল্লেখ কৰিছে। আৰু কৈছে যে - **"কিন্তু পৰৱৰ্ত্তী কালত দুয়োটা অনুষ্ঠানৰ সম্পৰ্কত এনেবোৰ কথাই বিশেষ যোগাত্মক প্ৰভাৱ নেপেলোৱাটো অসমৰ বাবেই দুঃখজনক হ'ল"** (পৃ. ৬৪) এনেবোৰ কথা বৰাই বিশেষ ভাৱে ভাৱি-চিন্তি কোৱা নাই। পণ্ডিত ডিম্বেশ্বৰ নেওগ আৰু ককা নীলমনি ফুকনৰ দিনৰে পৰা বৰ্তমানলৈকে দুয়োটা অনুষ্ঠানে গুৰুজনৰ প্ৰচাৰ-প্ৰসাৰ আৰু শান্তি-সম্প্ৰীতিৰ বাবে কাম কৰি আহিছে। দুখন সংবিধানেৰে দুখন মঞ্চ হ'লেও নেওগ আৰু ককা ফুকনৰ দৰেই এতিয়াও একেবিলাক ব্যক্তিয়েই দুয়োটা অনুষ্ঠানৰ কামত ব্ৰতী হৈ আছে। একেজন মানুহেই সঙঁঘৰো সঙ্গী আৰু বিষয়ববীয়া আৰু সাহিত্য সভাৰো সদস্য আৰু বিষয়বাব লৈ দায়িত্ব সহকাৰে সমাজ আৰু জাতিৰ বাবে কাম কৰি আহিছে। সকলো ব্যক্তি ককা নীলমনি ফুকন আৰু পণ্ডিত ডিম্বেশ্বৰ নেওগ হ'ব নোৱাৰিলেও **'কেৰ্কেটুৱাৰ বাঁহপাতেই ভেটি'**ৰ দৰেই নিজ ক্ষুদ্ৰ শক্তিৰে দুয়োটা অনুষ্ঠানৰ কাম একেজন মানুহেই সমানে সমানে কৰাৰ উদাহৰণ অলেখ। হঠাতে মনত পৰা কেইটামান উদাহৰণ চমুকৈ বৰাক দিওঁ। বৰ্তমান অসম সাহিত্য সভাৰ উপ-সভাপতি ভূপেন শইকীয়াদেৱ (দুলীয়াজান) সঙঁঘৰ এগৰাকী সংগী, সঙঁঘৰ সাহিত্য শাখা সমিতিৰ এগৰাকী সদস্য আৰু সক্ৰিয় কৰ্মী। চিত্ৰ বৰুৱা (নাহৰকটীয়া) অসম সাহিত্য সভাৰ বৰ্তমানৰ আভ্যন্তৰীণ হিচাপ পৰীক্ষক, সঙঁঘৰ এগৰাকী সঙ্গী আৰু সক্ৰিয় কৰ্মী। বসন্ত দাস (বকলীয়াঘাট) বৰ্তমান অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য, সঙঁঘৰ সঙ্গী আৰু সক্ৰিয় কৰ্মী, পদাধিকাৰ ৰজনীকান্ত দত্ত (নিতাইপুখুৰী) নিতাইপুখুৰী শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, শিৱসাগৰ জিলা সাহিত্য সভাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত; আনন্দ কুমাৰ বৰা (শিৱসাগৰ) দিখৌমুখ শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, সঙঁঘৰ বৰ্তমান প্ৰচাৰ শাখাৰ সম্পাদক; ড° প্ৰদীপ হাজৰিকা (মৰাণ) সঙঁঘৰ সাহিত্য গৱেষণা পৰিষদৰ গৱেষক, সঙঁঘৰ সক্ৰিয় কৰ্মী, শিৱসাগৰ জিলা সাহিত্য সভাৰ বুৰঞ্জী গ্ৰন্থৰ সম্পাদকৰূপে বৰ্তমান কৰ্মৰত; সুহাগমনি বৰ্মণ (কাছাৰ) কাছাৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, আজীৱন সদস্য, সঙঁঘৰ দীৰ্ঘদিনীয়া কাৰ্যনিৰ্বাহক সদস্য; এনেদৰে প্ৰতিখন জিলাতে বহু ব্যক্তিয়ে সঙঁঘ আৰু সাহিত্য সভাৰ লগত একেসময়তে বিষয়বাব লৈ দুয়োটা অনুষ্ঠানৰ উন্নতি কল্পে কাম কৰি আছে। প্ৰকৃত পৰিসংখ্যা ইয়াত উলিয়াই দিয়াটো সম্ভৱ নহয়। আমি ইয়াত মৰিগাঁও জিলাৰ এখন ছবি দি বৰাক কথাটো আৰু বিতংভাৱে কব খুজিছোঁ। এখন জিলাৰ ছবি মনলৈ আহিলে বৰাই বাকী জিলাবিলাকৰ কথাও অনুমান কৰি

লবলৈ সুবিধা হ'ব যে দুয়োটা জাতীয় অনুষ্ঠানৰ গুৰিতে একেসকল ব্যক্তিয়েই জড়িত হৈ আছে। মৰিগাঁও জিলা সাহিত্য সভাৰ আঠজন সভাপতিৰ ভিতৰত তিনিজন শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সংগী আৰু বিষয়ববীয়া। তিনিজন হ'ল - জীৱকান্ত নাথ (মৰিগাঁও), ২০০১ চনৰ পৰা ২০০৪ চনলৈ মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি আৰু ২০০৫-০৬ বৰ্ষৰ অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য, আজীৱন সদস্য, সঙ্ঘৰ বৰ্তমান সাহিত্য শাখা সমিতিৰ সভাপতি; বিদ্যাধৰ দাস (ভূৰবন্ধা, মৰিগাঁও), জিলা সাহিত্য সভাৰ এটা কাৰ্যকালৰ সভাপতি, সঙ্ঘৰ জিলা শাখাৰ প্ৰাক্তন উপ-সভাপতি আৰু সক্ৰিয় কৰ্মী; মিলেশ্বৰ পাতৰ (মৰিগাঁও), জিলা সাহিত্য সভাৰ এটা কাৰ্যকালৰ সভাপতি, অসম সাহিত্য সভাৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য, সঙ্ঘৰ মৰিগাঁও জিলা শাখাৰ কাৰ্যনিৰ্বাহক সদস্য আৰু এগৰাকী সক্ৰিয় কৰ্মী, ১৯৯৯ চনত অনুষ্ঠিত সঙ্ঘৰ বাৰ্ষিক অধিবেশনৰ আদৰণী সমিতিৰ সম্পাদক; ইয়াৰ উপৰি প্ৰদীপ কুমাৰ শইকীয়া (মৰিগাঁও), জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, সঙ্ঘৰ বৰ্ত্তমান মূলৰ কাৰ্যনিৰ্বাহক সদস্য আৰু সাহিত্য শাখা সমিতিৰ সদস্য; হৰেন্দ্ৰ বৰা (মৰিগাঁও) জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য, সঙ্ঘৰ বৰ্তমান মৰিগাঁও জিলা শাখাৰ সাহিত্য শাখাৰ সভাপতি আৰু সক্ৰিয় কৰ্মী, ৰবীন্দ্ৰ মোহন নাথ (হাবিবৰগুাবাৰী, মৰিগাঁও) জিলা সাহিত্য সভাৰ উপ-সভাপতি, মৰিগাঁও জিলা শাখাৰ সঙ্ঘৰ সাহিত্য শাখাৰ প্ৰাক্তন সম্পাদক। এনেদৰে বহু ব্যক্তি জিলাখনত দুয়োটা অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত। বৰাই কবৰ দৰে সাহিত্য সভাৰ লগত সঙ্ঘৰ 'শীতল সম্পৰ্ক' বুলি কব নোৱাৰি; বৰঞ্চ দুয়োটা অনুষ্ঠানৰ মাজত অতীতৰ পৰা বৰ্তমানলৈকে 'মণিকাঞ্চন সংযোগ' ঘটি আহিছে আৰু বৰ্তমান তেনে সংযোগ অব্যাহত আছে। বৰাই এখন জিলাৰ ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰি চালেই প্ৰকৃত ছবিখন দেখিবলৈ পাব যে দুয়োটা অনুষ্ঠানৰ মাজত এক নিবিড় সম্পৰ্ক ৰক্ষা হৈ আহিছে। বৰাই এই ক্ষেত্ৰত **'অসমৰ বাবেই দুঃখজনক হ'ল'** বুলি কোৱা কথাৰ কোনো যুক্তি বিচাৰি পোৱা নাযায়। অসম সাহিত্য সভাৰ সভাপতিকে আদি কৰি বিষয়ববীয়াসকলক সঙ্ঘৰ অধিৱেশন, আলোচনা চক্ৰ আদি বিভিন্ন সভা-সমিতিসমূহলৈ নিমন্ত্ৰণ দি দুয়োটা অনুষ্ঠানৰ মাজত সৌহাদ্যপূৰ্ণ ভাৱ অব্যাহত ৰাখিবৰ বাবে সঙ্ঘই সদায় যত্ন কৰি আহিছে।

বৰাদেৱে আকৌ সঙ্ঘৰ লগত অসম সত্ৰ মহাসভাৰ সম্পৰ্কৰ কথা কবলৈ গৈ কৈছে যে - '.... **গুৰুজনাৰ আদৰ্শ প্ৰচাৰৰ বাবে এই দুয়োটা অনুষ্ঠানৰ মাজত বিশেষ সুসম্পৰ্ক গঢ়ি নুঠিল। সেই কাৰণেই হয়তো আজিও 'শংকৰী' আৰু 'সত্ৰীয়া' বিতৰ্কৰ পকনীয়াত সাধাৰণ মানুহ বিভ্ৰান্ত হয়।'** (পৃ. ৬৪) এটা কথা স্পষ্ট যে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল উদ্দেশ্যই হৈছে গুৰুজনাৰ ধৰ্মাদৰ্শ বাস্তৱত কাৰ্যকৰী কৰা আৰু গুৰুজনাক প্ৰচাৰ কৰা। কিন্তু ইয়াৰ বিপৰীতে 'অসম সত্ৰ মহাসভা'ৰ উদ্দেশ্য সঙ্ঘৰ লগত কিছু অমিল। সত্ৰ মহাসভাই শঙ্কৰদেৱক প্ৰচাৰৰ কাৰণে প্ৰধানতঃ সুসংগঠিত হোৱা নাই। অসমৰ বহু মহাপুৰুষীয়া সত্ৰই গুৰুজনাৰ আদৰ্শ মানি আহিছে যদিও সত্ৰ মহাসভাৰ সকলো সত্ৰানুষ্ঠানে গুৰুজনাক গুৰু হিচাপে মানি নলয় আৰু তাৰাৰ ধৰ্মাদৰ্শ প্ৰচাৰ কৰাত তেনে সত্ৰসমূহৰ প্ৰধান উদ্দেশ্য নহয়। শঙ্কৰদেৱৰ নামটোকে সত্ৰ মহাসভাৰ নিয়মাৱলীত নথকাটো কেৱল সঙ্ঘৰ বাবেই নহয়, অসমীয়া জাতিৰ বাবেই বেদনাদায়ক। তথাপিতো সত্ৰ মহাসভাৰ লগত সঙ্ঘৰ কোনো বিৰোধ নাই। সত্ৰ মহাসভাৰ বিষয়ববীয়া তথা সদস্যসকলকো সঙ্ঘৰ সভাসমূহলৈ নিমন্ত্ৰণ দিয়া হয়। বৰ্ত্তমানো দুয়োটা অনুষ্ঠানে মাৰ বান্ধি গুৰুজনাক জগত সভাত প্ৰচাৰ কৰিবৰ বাবে দৃঢ়মত প্ৰকাশ কৰিছে।

তেনেদৰে সদৌ অসম ছাত্ৰ সন্থাৰো নিজা নিয়ম, লক্ষ্য-উদ্দেশ্য আছে আৰু অসমৰ প্ৰতিটো জাতীয় সমস্যাতে সদৌ অসম ছাত্ৰ সন্থাই মাত মাতি আহিছে। সঙ্ঘৰ লগতো ছাত্ৰ সন্থাৰ এক মধুৰ সম্পৰ্ক আছে। ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলক সঙ্ঘৰ মঞ্চলৈ নিমন্ত্ৰণ দি তেখেতলোকৰো দিহা-পৰামৰ্শ গ্ৰহণ কৰা হয়। ছাত্ৰ সন্থাৰ সদস্য আৰু বিষয়ববীয়াসকলো এটা সময়ত অসম সাহিত্য সভা আৰু সঙ্ঘৰো সদস্য হৈ জাতিৰ স্বাৰ্থত কাম কৰে আৰু গুৰুজনাৰ ধৰ্মাদৰ্শৰ অনুগামী হয়। গতিকে কেউটা জাতীয় অনুষ্ঠানৰে নিজা নিজা লক্ষ্য থাকিলেও বহলভাৱে চাবলৈ গলে জাতিৰ জাতীয় স্বাৰ্থ বিঘ্নিত হোৱাটো কোনোটোৰে কাম্য নহয়।

# চতুৰ্দশ অধ্যায়
# সঙ্ঘৰ বাৰ্ষিক অধিৱেশনসমূহৰ গুৰুত্ব আৰু তাৎপৰ্য

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ বাৰ্ষিক অধিৱেশনসমূহ মেলামুখী হোৱাটো ময়ূৰ বৰাদেৱে সম্পূৰ্ণ সমৰ্থন জনোৱা নাই। বৰাদেৱৰ লগতে মাজে সময়ে কাকতে-পত্ৰই এনে অভিযোগ উত্থাপিত নোহোৱাকৈ থকা নাই ইয়াৰ পূৰ্বেও। এই ক্ষেত্ৰত এটা কথা বিশেষভাৱে মন কৰিবলগীয়া যে বিশেষ উদ্দেশ্য লৈ সুসংগঠিত আৰু সুপৰিকল্পিতভাৱে অসমৰ সমাজ জীৱনত গঢ় লৈ উঠা যিকোনো সামাজিক সংগঠনৰে বাৰ্ষিক অধিৱেশনেই হওক বা দ্বিবাৰ্ষিক অধিৱেশনেই হওক - বিশেষ কাৰ্যসূচীৰে অনুষ্ঠিত কৰাটো এটা সাধাৰণ নিয়মত পৰিণত হৈছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ উপৰি অসম সাহিত্য সভা, অসম সত্ৰ মহাসভাকে আদি কৰি জাতীয় সংগঠন সমূহে বাৰ্ষিক অধিৱেশন অনুষ্ঠিত কৰি আহিছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘয়ো প্ৰতি বছৰে একোখনি অধিৱেশনৰ অনুষ্ঠিত কৰি অনুষ্ঠানটিৰ কাৰ্যক্ৰমণিকা আৰু অগ্ৰগতিৰ লেখ লোৱা আৰু সম্প্ৰীতিৰ মিলন ভূমিলৈ ৰূপান্তৰিত কৰা এই অধিৱেশনৰ মূল লক্ষ্য। অধিৱেশন প্ৰতি বছৰে অনুষ্ঠিত কৰাটো সাংবিধানিক দায়িত্ব আৰু কৰ্তব্য। সঙ্ঘৰ সংবিধানৰ ১৭ নং দফা অনুসৰি বাৰ্ষিক অধিৱেশন অনুষ্ঠিত কৰাটো বাধ্যতামূলক। সেয়েহে কোনো নিৰ্দ্দিষ্ট জিলাই মূলৰ অধিৱেশন নিমন্ত্ৰণ কৰি আদৰণী সমিতি গঠন কৰি ১৯৩২ চনৰে পৰাই বাৰ্ষিক অধিৱেশনসমূহ অনুষ্ঠিত কৰি আহিছে। অৱশ্যে দেশ তথা জাতিৰ প্ৰতিকূল পৰিৱেশৰ কাৰণে ১৯৩৮ চনৰ পৰা ১৯৫০ চনৰ কালছোৱাৰ ভিতৰত আড়ম্বৰপূৰ্ণভাৱে বৃহৎ পৰিসৰৰ অধিৱেশন অনুষ্ঠিত কৰা হোৱা নাছিল। দেশৰ স্বাধীনতা সংগ্ৰামত পীতাম্বৰ দেৱগোস্বামী, সোণাৰাম চুতীয়াকে মুখ্য কৰি অনুষ্ঠানৰ গুৰি ধৰোঁতাসকল কাৰাগাৰত আবদ্ধ থকা হেতুকে অথবা স্বাধীনতা সংগ্ৰামৰ কামত আত্মনিয়োজিত হৈ থাকিবলগীয়া হেতুকে খুউব অনুষ্টুপীয়াকৈ এই কালছোৱাত অধিৱেশনসমূহ অনুষ্ঠিত কৰিছিল। অধিৱেশন অনুষ্ঠিত কৰাৰ অন্য এটা প্ৰধান কাৰণ হ'ল যে প্ৰতি দুবছৰৰ মূৰে মূৰে অধিৱেশনসমূহক কেন্দ্ৰ কৰিয়েই সাংবিধানিক দায়বদ্ধতাৰে বিষয়ববীয়া কৰ্মকৰ্তাসকলো সালসলনি কৰা হয়। অধিৱেশন সমূহতেই তৃণমূল পৰ্যায়ৰ প্ৰাথমিক সমূহৰ পৰা অহা প্ৰতিনিধিসকলে বিগত বৰ্ষৰ কৃতকৰ্মৰ অগ্ৰগতিৰ বা-বাতৰিও লাভ কৰিব পাৰে। অধিৱেশনৰ থলীতেই বিভিন্ন শাখা বিলাকৰ সভা অনুষ্ঠিত কৰি ভাগে ভাগে অগ্ৰগতিৰ খতিয়ান, ভুল-ক্ৰটিৰ আত্মসমালোচনাৰে আত্মশুদ্ধিৰ পথ গ্ৰহণ কৰাত সুচল হয়। বিশেষকৈ সাহিত্য শাখাৰ অধিৱেশন আৰু সংস্কৃতি শাখাৰ অধিৱেশন অনুষ্ঠিত কৰি গ্ৰন্থ উন্মোচন, স্মৃতিগ্ৰন্থ উন্মোচন কৰি গুৰুজনৰ সাহিত্য-সংস্কৃতিৰ আলোচনা আদিৰে শ্ৰোতা-দৰ্শকক উক্ত বিষয়ৰ প্ৰতি আকৰ্ষিত কৰিবলৈ প্ৰচেষ্টা কৰা হয়। অধিৱেশনত জিলা সভাপতি-সম্পাদকসকলৰ সন্মিলন, শৰণাচাৰ্যসকলৰ দ্বাৰা শৰণ সমিতিৰ বৈঠক, আইমাতৃৰ সাধাৰণ পৰিষদ, সেৱা বাহিনীৰ সাধাৰণ পৰিষদ, প্ৰতিনিধি সভা আদি অতি গুৰুত্বপূৰ্ণ সভা, বিশেষকৈ প্ৰতিনিধি সভাত প্ৰধান সম্পাদকৰ 'সম্পাদকীয় প্ৰতিবেদন'ৰ ওপৰত প্ৰতিনিধিসকলে অংশ গ্ৰহণ কৰি বছৰটোৰ আয়-ব্যয়, কৰ্ম সম্পাদন আদিৰ খতিয়ান এটা লোৱাৰ সুবিধা হয় আৰু বিষয়ববীয়াসকলক প্ৰতিনিধিসকলে বিভিন্ন পৰামৰ্শৰে নতুন চিন্তাৰ খোৰাক যোগায়। প্ৰতিনিধি সভাতেই জাতীয় সমস্যাকে কেন্দ্ৰ কৰি বিভিন্ন প্ৰস্তাৱ আদি গ্ৰহণ কৰা হয়। অধিৱেশনৰ কাৰ্যসূচীসমূহৰ ভিতৰত ধৰ্মধ্বজা উত্তোলন, ভাগৱত সহ সাংস্কৃতিক শোভাযাত্ৰা, ধৰ্মালোচনী তথা মুকলি সভা অনুষ্ঠিত কৰা হয়। মুকলি সভাত ৰাজ্যৰ ভিতৰৰ উপৰি বাহিৰৰ বিশিষ্ট সাহিত্যিক-শিল্পী, সাংবাদিক, সমাজকৰ্মী আদিক নিমন্ত্ৰণ কৰি আনি গুৰুজনৰ ধৰ্ম-দৰ্শন, সাহিত্য-সংস্কৃতিৰ সৈতে পৰিচয় কৰি দিয়াৰ এটা সুযোগ গ্ৰহণ কৰা হয় আৰু গুৰুজনৰ ধৰ্ম-দৰ্শন আৰু সাহিত্য-সংস্কৃতি সম্পৰ্কীয় গ্ৰন্থাদি উপহাৰ দি সঙ্ঘৰ কৰ্ম আঁচনি তথা লক্ষ্য-উদ্দেশ্যৰ বিষয়ে অৱগত কৰোৱা হয়।

অধিৱেশনসমূহক কেন্দ্ৰ কৰি নিজ নিজ স্থানত যাতায়ত ব্যৱস্থাৰ উন্নীতকৰণ, প্ৰকল্প আদি নিৰ্মাণ আদিৰে আঁচনি হাতত লৈ বহু ঠাইত বাস্তৱ ৰূপ দিবলৈ সমৰ্থ হৈছে। অধিৱেশন অনুষ্ঠিত হোৱা স্থানৰ চৰকাৰী-বেচৰকাৰী সংগঠন-সংস্থা আদিৰো ব্যস্ততা আৰু সচেতনতা বৃদ্ধি হোৱাটো লক্ষণীয়। অধিৱেশনসমূহৰ মূল কাৰ্যসূচী সমূহত দেশ-বিদেশৰ পণ্ডিতসকলে অংশ গ্ৰহণ কৰি মহাপুৰুষ গৰাকী আৰু সংগঠনৰ প্ৰশংসা কৰা পৰিলক্ষিত হৈছে। অধিৱেশনসমূহ সমাজৰ সকলো জনগোষ্ঠীৰে মিলনভূমি স্বৰূপ তীৰ্থক্ষেত্ৰলৈ ৰূপান্তৰিত হোৱা পৰিলক্ষিত হৈছে। এনেদৰে বিভিন্ন দিশৰ পৰাই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ অধিৱেশনসমূহৰ গুৰুত্ব আৰু তাৎপৰ্য দিনক দিনে বৃদ্ধি পাইছে বুলি কব পাৰি।

ময়ূৰ বৰাদেৱৰ গ্ৰন্থখনত **'মেলামুখী মানসিকতা আৰু বাৰ্ষিক অধিৱেশনত ভি.আই.পি.ৰ দপদপনি'** শীৰ্ষক এটি চমু লেখা আছে। সঙ্ঘৰ শুভাকাঙ্খী বুলি দাবী কৰা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ বিষয়ববীয়াসকলৰ প্ৰতি তাচ্ছিল্যসূচক ভাষাৰে বৰাই মন্তব্য কৰিছে যে - **'শংকৰ সংঘৰ বৰ্তমান শীৰ্ষ নেতৃত্বৰ অত্যন্ত প্ৰিয় বিষয় হ'ল বছৰেকীয়া অধিৱেশনসমূহৰ ৰাজকীয় আয়োজন আৰু ভি.আই.পি.ৰ লগত গা-ঘেলোৱা প্ৰৱণতা।'** (পৃ. ৬৯) বৰাদেউ, ৰাজকীয় আয়োজন মানে কিহৰ কথা কৈছে? আপুনি সঙ্ঘৰ অধিৱেশনৰ পৰিৱেশ ভালদৰে নিৰীক্ষণ কৰিছেনে? হাজাৰ-হাজাৰ অগণন বাপ-আইয়ে, যুৱক-যুৱতীয়ে, চেমনীয়া

ল'ৰা-ছোৱালীয়ে, মাতৃৰ লগত অহা পানী কেচুৱাই খেৰে-নৰাই সজা জুপুৰি শিবিৰবোৰত তিনি-চাৰিদিন মাটিয়ে-বালিয়ে পৰি থাকে ভক্তিৰসত মজি। দাইল পানী আৰু বতৰৰ শাক-পাচলিৰে ৰন্ধা এমুঠি নিৰামিষ অন্ন খাই প্ৰত্যেকেই নিজ নিজ কৰ্মত ব্যস্ত হৈ থাকে। ৰান্ধি-মেলি খোৱাবৰ বাবে অসমৰ কেইবাটাও জাতীয় অনুষ্ঠানে অনুষ্ঠিত কৰা অধিৱেশনৰ দৰে কাৰিকৰৰ ব্যৱস্থা সঙ্ঘত নাই। ভকতেই ৰান্ধে, ভকতেই যোগাৰ কৰি দিয়ে। গা-পা ধুবৰ বাবেও চেনিটেৰী স্নানাগাৰৰ ব্যৱস্থা নাই। খেৰ-বাহেৰে সজা ঘৰতেই গা-পা ধোৱাৰ ব্যৱস্থা কৰা হয়। ভকতসকলে মুকলিতেই সাধাৰণতে গা ধোৱে। এনে পৰিৱেশৰ লগত বোধকৰো আপোনাৰ মুখামুখি হোৱা নাই। অসমৰ জাতীয় অনুষ্ঠানসমূহে পতা অধিৱেশনৰ লগত সঙ্ঘৰ অধিৱেশনৰ তুলনা কৰি চাবচোন। ২০১৩ চনত অধিৱেশন হ'ব দক্ষিণ-পশ্চিম কামৰূপ জিলাৰ কোনো গ্ৰাম্য স্থানত। আপুনি অধিৱেশনলৈ এপাক মাৰি অলপ ভু ৰাখিবচোন বাৰু - কেনে পৰিৱেশতনো অধিৱেশন অনুষ্ঠিত হয়। আপুনি বোধকৰো অধিৱেশনত সজা কেৱল মঞ্চ আৰু পেণ্ডেলটো দেখি-শুনি 'ৰাজকীয় আয়োজন' বুলি কৈছে। অতিথি নিমন্ত্ৰণ কৰি আনি বাঁহ-খেৰ-নৰাৰে সজা জুপুৰিত সভা পাতিলে আপুনি ভাল পাবনে? আপোনাৰ গ্ৰন্থত লিখাৰ দৰে ধনবল আৰু জনবল থকা অনুষ্ঠানটোৱে অতিথি নিমন্ত্ৰণ কৰি আনি নিঃকিনভাৱে আপ্যায়ন কৰি ৰভা-দিয়া স্থানত সভা পাতিলে আপুনি বা আপোনাৰ দৰে কিছু লোকে সঙ্ঘক ওলোটাই সমালোচনা নকৰিবনে? বৰাদেউ, অসমীয়া ভাষাত কিছুমান যোজনা আছে; যেনে - **আগফালে মাৰো দাং পিছফালে ধোবাংবাং, বাটত বৰচুৰিয়াৰ ফেৰ ঘৰত ঢকুৱাৰ বেৰ, নামটো ভোগাই খায় পানী কাহুদি** ইত্যাদি। ঘৰলৈ আলহী এজন আহিলে গৃহস্থৰ স্বৰূপটো দেখুৱাই কোনেও ভাল নাপায়। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰণে অসমৰ ভিতৰৰে পৰিচিত অতিথিয়েই হওক অথবা অসমৰ বাহিৰৰ অন্য ৰাজ্যৰ অতিথিয়েই হওক - অতিথি অতিথিয়েই। তেনেজন অতিথি কেৱল ৰাজনীতিবিদেই নহয় - তেনে বিশিষ্ট অতিথিসকল সাহিত্যিক, শিল্পী, সাংবাদিক, শিক্ষাবিদ, যিকোনো ধৰণৰ বিশেষ ব্যক্তি হ'ব পাৰে। এনে অতিথিসকলক এক বিশেষ পৰিৱেশত আদৰ-সাদৰ কৰাটো ৰাজকীয় আয়োজন বুলি কোৱাৰ যুক্তি নাই।

বৰাই আকৌ কৈছে - **'সাধাৰণতে অসমৰ সকলো দলৰ ৰাজনীতিবিদে শংকৰদেৱৰ কথা ভাটৌৰ দৰে আওৰায়। ইয়াৰ কাৰণ কেৱল গুৰুজনাৰ প্ৰতি থকা গভীৰ ভক্তি নহয়।'** (পৃ. ৬৯) বৰাদেউ, ভাটৌৰ দৰে আওৰায় বুলি আপুনি কেৱল ৰাজনীতিবিদ কেইজনৰ কথাহে কলে দেখোন। ৰাজনীতিবিদৰ লগতে আৰু বহুতে যে ঘৰতে থাকি ভাটৌৰ দৰে আওৰায় - সেই কথাটো কোৱাৰ সাহস আপোনাৰ নহ'ল দেখোন। ৰাজনীতিবিদেই হওক বা অৰাজনীতিবিদেই হওক - আওৰাই থকাটোও অৱশ্যে একো বেয়া কথা নহয়। আওৰাই আওৰাই এদিন মনত ৰাখি বুজি উঠিব আৰু বুজি উঠাৰ পিছত বাস্তৱত ৰূপ দিয়াত সহজ হ'ব। আপুনি আশাবাদ লৈয়েই গ্ৰন্থখন ৰচনা কৰিছে যেতিয়া আপোনাৰ নিজৰ ক্ষেত্ৰতে হওক বা আনৰ ক্ষেত্ৰতে হওক আওৰাই থকা সকলোৱে এদিন গুৰুজনক বুজি উঠিব বুলি আশা কৰিব পাৰি।

বৰাদেৱৰ সঙ্ঘৰ প্ৰতি এটা ডাঙৰ প্ৰশ্ন হ'ল যে - **'সংঘৰ নেতৃত্বই নিজকে প্ৰশ্ন সুধিব লাগে কেইজন গুৰুত্বপূৰ্ণ ৰাজনীতিবিদক তেওঁলোকৰ নিজৰ ধৰ্মীয় পন্থাৰ পৰা একশৰণ নামধৰ্মৰ প্ৰতি আগ্ৰহান্বিত কৰিব পাৰিছে?'** (পৃ. ৬৯) শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই ৰাজনীতিবিদক বা আন কোনো সাহিত্যিক-সমাজকৰ্মীক একশৰণ নামধৰ্ম গ্ৰহণৰ উদ্দেশ্যৰে সঙ্ঘৰ বাৰ্ষিক অধিৱেশনৰ সভালৈ নিমন্ত্ৰণ নিদিয়ে। উল্লেখযোগ্য যে মহাপুৰুষ শঙ্কৰদেৱে ৰাজ পৃষ্ঠপোষকতা গ্ৰহণ কৰিছিল যদিও নৰনাৰায়ণ ৰজাক একশৰণ নামধৰ্মত শৰণ দিয়াৰ কোনো পৰিকল্পনা নাছিল। ৰজাই শৰণ লবলৈ ইচ্ছা প্ৰকাশ কৰিছিল যদিও গুৰুজনে শৰণ নিদিলে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘইও ৰাজনীতিবিদসকলক বা আনকোনো বিশিষ্ট ব্যক্তিৰ পৰা পৰামৰ্শ গ্ৰহণ কৰিবৰ বাবে বা গুৰুজনৰ ধৰ্ম, সাহিত্য-সংস্কৃতিৰ বিষয়ে তেখেতলোকক জনাবৰ বাবে অথবা সঙ্ঘৰ কাৰ্যক্ৰমণিকা অৱগত কৰিবৰ বাবেহে তেনে লোকসকলক সভালৈ নিমন্ত্ৰণ কৰা হয়।

অধিৱেশনৰ বিশাল প্ৰস্তুতি পৰ্ব দেখি বৰাই আশ্চৰ্য প্ৰকাশ কৰিছে আৰু দুখো পাইছে। পিছে বৰাদেউ ঘৰত নাম এযাৰ পাতিলেও, বিবাহ কাৰ্য এখন সম্পন্ন কৰিলেও বা শিক্ষানুষ্ঠান এটাই অনুষ্ঠান এটা পাতিলেও আলহী অতিথিৰ বাবে, ভকত-সজ্জনৰ ববে, নিৰ্দিষ্ট হৈ থকা সকলৰ বাবে সকলো দিশতে আয়োজন কৰিব লগা হয়। তেনেক্ষেত্ৰত জাতীয় অনুষ্ঠান এটাৰ সংগীসকলে, আই-বাপসকলে গুৰুজনৰ আদৰ্শৰে সমাজ সংস্কাৰ, সমাজ সংগঠনৰ নামত গাঁঠিৰ ধন ভাঙি অহা-যোৱা কৰি একেলগে বছৰেকৰ মূৰত আনন্দ মনেৰে নিৰামিষ ভাত এসাজ খোৱাত আপোনাৰ ইমান চকু কিয়? প্ৰস্তুতি পৰ্বৰ বিষয়ে সাংবাদিক আহি সুধিলে সঁচা কথাবোৰ কোৱাৰ পিছত সাংবাদিকে কাগজত প্ৰকাশ কৰিবই। কাগজত প্ৰকাশ পোৱাৰ বাবে আদৰণী সমিতি বা সঙ্ঘৰ বিষয়ববীয়াসকল জগৰীয়া নহয়। আপুনি সঙ্ঘৰ লগতে আৰু তিনিটা জাতীয় অনুষ্ঠানৰ তুলনা কৰিলে যদিও বাকী অনুষ্ঠান কেইটাৰ অধিৱেশনৰ খোৱা-বোৱাৰ বিষয়ে একো নিলিখিলে দেখোন।

বৰাদেৱৰ আন এযাৰ তাৎপৰ্যহীন কথা হ'ল - **'অধিৱেশনৰ সকলো মেলা সদৃশ কাৰ্যক আমি অকুণ্ঠ সমৰ্থন জনালোঁহেতেন যদিহে অধিৱেশনৰ বাহিৰে আন সময়ত তেওঁলোকে নিজে বৌদ্ধিক দিশত শংকৰদেৱৰ চৰ্চাক আগবঢ়াই নিলেহেঁতেন। কিন্তু সংঘৰ দুটা-এটা বিক্ষিপ্ত প্ৰয়াসৰ বাহিৰে সামগ্ৰিকভাৱে বৌদ্ধিক দিশত এক বিৰাট শূন্যতাৰ বাহিৰে**

**আন একো নেদেখোঁ।'** (পৃ. ৭০) বাৰু যি নহওক, উপৰিউক্ত বাক্যৰ পৰা জানিব পাৰিলো যে আপুনি আচলতে মেলামুখী অধিৱেশনৰ সমৰ্থক। বৌদ্ধিক দিশত শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘৰ সংগীসকল পিছপৰি থকা নাই। বৰঞ্চ সমাজৰ বহু লোকতকৈ সংগৰ সংগী-ভক্তসকল আগবঢ়াহে। বুদ্ধিজীৱী হিচাপে আপুনি জানে যে বৌদ্ধিক মানে বুদ্ধিৰ অনুশীলন। আজিৰ যুগৰ বুদ্ধিজীৱীসকলে কেৱল পাৰ্থিৱ দৃষ্টিভংগীৰে বৌদ্ধিক দিশৰ কথাহে বুজি পায়। কিন্তু মহাপুৰুষ শঙ্কৰদেৱ-মাধৱদেৱে অপাৰ্থিৱ দিশৰ ক্ষেত্ৰতহে এনে অৰ্থ কৰি গৈছে আৰু সেয়েহে সঁঘৰ ভক্তসকলে আধুনিক যুগৰ দৃষ্টিৰে বুদ্ধিৰ কচৰৎ কৰিব নোৱাৰিলেও ধৰ্মীয় তথা আধ্যাত্মিক দৃষ্টিভংগীৰে যৎপৰোনাস্তি বুদ্ধিৰ কচৰৎ কৰি বৌদ্ধিক বিকাশ নকৰাকৈ থকা নাই। ব্ৰহ্মপুৰাণত এই ক্ষেত্ৰত এটি অতি তাৎপৰ্যপূৰ্ণ শ্লোক আছে। শ্লোকটি হ'ল -

**'লোকঃ স ধন্যঃ স শুচিঃ স বিদ্বান মখৈস্তপোভিঃ স গুণৈৰ্ৱৰিষ্ঠঃ**
**জ্ঞাতা স দাতা স তু সত্যৰক্তা যস্যাস্তি ভক্তিঃ পুৰুষোত্তমাখেৎ।।"**

(ব্ৰহ্মপুৰাণ, ৪৯.৭১)

এই শ্লোকটিৰ অৰ্থ মহাপুৰুষ মাদৱদেৱে অতি অৰ্থপূৰ্ণভাৱে ভাৱানুবাদ কৰিছে এনেদৰে -

**'সেহি ধন্য লোক শুচিমন্ত　সৰ্ব্ব গুণে শ্ৰেষ্ঠ বিদ্যাৱন্ত**
**যজ্ঞে তপে সি সি জন আতি শুদ্ধমতি।**
**সি সি জন মহাদাতা জ্ঞানী　সি সি সত্যবাদী মহামানী**
**পুৰোষত্তমত আছয় যাৰ ভকতি।।৬৭১।।**

(নাম-ঘোষা)

আধুনিক অৰ্থত বিদ্যা-শিক্ষাত প্ৰখৰ বুদ্ধিমানজন যেনেদৰে বৌদ্ধিক দিশত আগবঢ়া তেনেদৰে মাধৱদেৱৰ দৃষ্টিভংগীৰে পুৰোযোত্তমত ভকতি থকাজনেই সৰ্বগুণী, শ্ৰেষ্ঠ বিদ্যাৱন্ত, সেইজনেই শুচিমন্ত, সেইজনেই জ্ঞানী, সত্যবাদী আৰু মহামানী।

মাধৱদেৱে সেইজনকহে অতি বুদ্ধিমান আৰু চতুৰ বুলি কৈছে যিজনে কৃষ্ণৰ চৰণত মন-প্ৰাণ সঁপি দি ৰসামৃত পান কৰি আছে -

**'সকলে নিগম কল্পতৰু　　　তাৰফল মহাভাগৱত**
**শুকমুখে আসি ভূমিত ভৈলা বিদিত।**
**ৰসত চতুৰ যিটোজন　　　কৃষ্ণৰ চৰণে দিয়া মন**
**পৰম সন্তোষে পিয়োক ৰস অমৃত।।৬০৩।।**

(নাম-ঘোষা)

**মূলঃ**

**নিগমকল্পতৰু গলিতং ফলং শুকমুখাদমৃত দ্ৰৱসংযুতম্।**
**পিৱত ভাগৱতং ৰসমালয়ং মুহুৰহো ৰসিক ভুৱি ভাৱকাঃ।।**

(ভাগৱত-পুৰাণ, ১.১.৩)

শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘৰ ভক্তসকলে, আইসকলে আৰু সমাজৰো বহু গুণী-জ্ঞানীজনে কৃষ্ণৰ চৰণত একান্তভাৱে মন দি **'ফুৰো হুয়া আমি আনন্দিত'** বুলি ধৰি লৈ নিজৰ লগতে আন দহজনকো এনে দিশেৰে আগুৱাই যাবলৈ উপদেশ দিয়ে। সঁঘৰ প্ৰতি প্ৰাথমিক, আঞ্চলিক, জিলা পৰ্যায়ৰ আলোচনা চক্ৰ, অধ্যয়ন চক্ৰ মাহেকে-পযেকে অনুষ্ঠিত কৰি ধৰ্মীয় তথা আধ্যাত্মিক দিশেৰে শঙ্কৰদেৱ-চৰ্চা নকৰাকৈ থকা নাই। সাহিত্য-সংস্কৃতিৰো চৰ্চা নোহোৱাকৈ থকা নাই। কিন্তু এটা কথা ঠিক যে গুৰুজন আজন্মভাৱে শিল্পী-সাহিত্যিক হলেও তাৰাই ধৰ্ম প্ৰচাৰ কৰিবৰ বাবেহে সাহিত্য-সংস্কৃতিক মাধ্যম ৰূপে ব্যৱহাৰ কৰিছিল। ধৰ্মৰ আৱৰণ সোলোকাই গুৰুজনৰ সাহিত্য-সংস্কৃতি চৰ্চা কৰা মানে চাউল ওলাব বুলি কাঠ পতান বানি থকাৰ দৰেহে। গুৰুজনৰ ভাষাৰে -

**'মুকুতি ৰসকো স্ৰৱৈ ভকতি।**
**তাক এড়ি কৰৈ জ্ঞানত ৰতি।।**
**দুখ মাত্ৰ পাৱৈ পাছেসে জানৈ।**
**কাষ্ঠ পতানক যেহেন বানৈ।।১২৬।।**

(কীৰ্ত্তন-ঘোষা, পাষণ্ড মৰ্দ্দন)

সঁঘৰ ভক্তসকলে এজাক মৌ-মাখিৰ দৰেই প্ৰাথমিকৰ পৰা মূললৈকে প্ৰত্যেকেই নিজ নিজ কৰ্মত অন্তঃসলিলাৰূপত অগ্ৰসৰ হৈয়ে আছে। সাহিত্য চৰ্চা কৰাই সাহিত্য চৰ্চা কৰিছে, সংস্কৃতি অনুৰাগীসকলে সংস্কৃতি চৰ্চা কৰিছে। কিন্তু সকলোৰে

'ধৰ্ম'ৰ প্ৰতি দৃষ্টি ৰাখি গুৰুজনৰ আদেশ মানি সাহিত্য-সংস্কৃতিৰ চৰ্চা কৰিছে আৰু তাকে কৰি থাকোতেই বৌদ্ধিকভাৱে সমৃদ্ধ হৈছে। এয়া গুৰুজনৰ মত আৰু গুৰুজনৰ আদেশ পালন কৰা সঙ্ঘৰ মত। বৰাদেৰৰ ফৰ্মূলাৰ লগত গুৰুজনৰ আৰু লগতে সঙ্ঘৰ ফৰ্মূলা নিমিলাতো স্বাভাৱিক। বৰাদেৰৰ দৃষ্টিৰে সঙ্ঘৰ এনে প্ৰয়াসত বিৰাট শূন্য এটা দেখিলেও সঙ্ঘৰ সংগী-ভক্তসকলে কিন্তু শূন্যৰ কাষতে থকা সংখ্যাৰ সৈতে ডাঙৰ অঙ্ক এটাহে দেখিবলৈ পাইছে। ভি.আই.পি.ৰ দপদপনি আৰু মেলামুখী মানসিকতাৰ বাবে চিন্তিত হোৱাৰ কাৰণ নাই বুলি ভাবিছোঁ। ৰাজনীতিবিদ ভি.আই.পি. সকলো সমাজৰে লোক।

# পঞ্চদশ অধ্যায়
# অন্যান্য

বৰাৰ লেখাসমূহৰ ভিতৰত এটি লেখা হ'ল - **'শক্তিশালী পুনঃজাগৰণে সঠিক পথলৈ আনিব পাৰে'** শীৰ্ষক লেখাটো। বৰাই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘক এক নৱ বিপ্লৱৰ সূচনা কৰিবলৈ আহ্বান জনাই লিখিছে - **'সেই বিপ্লৱ হ'ব লাগিব প্ৰগতিশীল আৰু উদাৰনৈতিক চিন্তাৰে অনুপ্ৰাণিত। ইয়াৰ অন্যথা ৰক্ষণশীল, গোড়া মানসিকতাই তাক কোঙা কৰি পেলাব।'** (পৃ. ৯৪) শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই সমাজ পৰিবৰ্তন আৰু পুনঃগঠনৰ কামত ১৯৩০ চনৰ পৰা যি আন্দোলন চলাই আহিছে, সেইটো উদাৰ আৰু প্ৰগতিশীল চিন্তাৰেই কৰি আহিছে। সঙ্ঘৰ মঞ্চত কোনো গোড়ামি আৰু ৰক্ষণশীলতা নাই। মহাপুৰুষ শঙ্কৰদেৱ নিজেই এজন প্ৰগতিশীল চিন্তাৰ যুগনায়ক। সেই প্ৰগতিশীলতা ধৰ্ম, ভাষা, সাহিত্য, সাম্প্ৰসায়িকতা সকলো দিশতে অতি জলজল-পটপট। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই গুৰুজনৰ তেনে প্ৰগতিশীল আদৰ্শকে বুকুত বান্ধি আগবাঢ়ি গৈছে। প্ৰধানতঃ নামঘৰক কেন্দ্ৰ কৰি জাতিগঠনৰ ক্ষেত্ৰত যি প্ৰগতিশীল আদৰ্শ দাঙি ধৰিছে তেনে আদৰ্শ অসমৰ সমাজখনে (দুই-এটা সংগঠনৰ ব্যতিৰেকে) দেখুৱাব পৰা নাই। কলিতাৰ নামঘৰ, কোঁচৰ নামঘৰ, কেওঁটৰ নামঘৰ, কৈৱৰ্তৰ নামঘৰ, নাথৰ নামঘৰ, আহোমৰ নামঘৰ - ভাগে ভাগে জাত-পাতক কেন্দ্ৰ কৰি এনে নামঘৰ বাৰিষা কালৰ কাঠফুলা গজাদি ভৰভৰকৈ গজিয়েই আছে। সঙ্ঘৰ নামঘৰৰ ভিতৰত জাত-পাতৰ প্ৰশ্ন নাই। যিটো প্ৰগতিশীল চিন্তাৰ আৰ্হি স্বৰূপ। সামন্ততান্ত্ৰিক সমাজত চলি থকা জাত-পাতৰ কুৎচ ৰূপটো সঙ্ঘৰ সমাজখনত পাবলৈ নাই। গুৰুজনৰ ধৰ্মাদৰ্শ মানি একশৰণ নামধৰ্ম গ্ৰহণ কৰাটো প্ৰগতিশীলতা নহয় নেকি? ধৰ্মৰ নামত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই মান্ধাতাযুগৰ এলান্ধুকলীয়া পৰম্পৰা কেতিয়াবাই বিসৰ্জন দিলে। ভক্তিমাৰ্গ যুগৰ লগত খাপখোৱা এটি প্ৰগতিশীল আৰু উদাৰ ধৰ্ম। বৰাই কোৱা ৰক্ষণশীল আৰু গোড়া মানসিকতা বোলা কথা দুটাই কি বুজাইছে স্পষ্ট নহ'ল। কথাবোৰ স্পষ্টভাৱে লিখিলে সঙ্ঘৰ সংগীসকলে বা আনেও নিশ্চয় বুজি পাব। অঙ্ক এটাৰ উত্তৰ ওলাবলৈ হ'লে ফৰ্মূলাৰ মতে কৰিলেহে শুদ্ধ উত্তৰ ওলাব। তাকে নকৰি নিজা মতে কৰিলে শুদ্ধ উত্তৰ নোলায়। গুৰুজনে দিয়া ফৰ্মূলা মতেই সঙ্ঘই ধৰ্ম ৰক্ষা কৰি সমাজ গঠনত ৰত হৈ আহিছে। গুৰুজনাৰ শাস্ত্ৰৰাজিৰ উদ্ধৃতিৰে ৰক্ষণশীলতা আৰু গোড়া মানসিকতা সঙ্ঘৰ মঞ্চত ক'ত আছে - সেই কথা বৰাই বুজাই দিলে সঙ্ঘৰ লগতে সমাজ জীৱনৰ আনসকলো নিশ্চয় উপকৃত হ'ব। সঙ্ঘৰ দ্বাৰা সমাজত পুনঃজাগৰণ সৃষ্টি কৰিবৰ বাবে বৰাই এটা পৰামৰ্শ দিছে - **'কিন্তু ইয়াৰ পৰিবৰ্তে তেওঁলোকে যদি পুনৰ নিৰ্লিপ্ততাৰ পোছাক পিন্ধি আগৰ কামবোৰকে কৰি থাকে, তেনেহ'লে সংঘৰ মধ্যম পৰ্যায়ৰ নেতাসকলে নৱপ্ৰজন্মৰ শিক্ষিত ডেকা-গাভৰুৰ লগ লাগি অনুষ্ঠানটোক সঠিক পথৰ সন্ধান দিব লাগিব।'** (পৃ. ৯৪) সঠিক পথৰ পৰা সঙ্ঘ বিচলিত হোৱা নাই। তাৰ বাবে সঙ্ঘত উত্তম, মধ্যম বা নৰম পৰ্যায়ৰ নেতাও নাই। কাৰ্যনিৰ্বাহক আৰু প্ৰতিনিধি সভাৰ অধিক সংখ্যক সদস্যই সমৰ্থন কৰা মতেই এটা বিষয় নিৰ্দ্ধাৰণ কৰা হয়। এনে সভাত পুৰণি প্ৰজন্ম আৰু নৱপ্ৰজন্ম সমানেই উপস্থিত থাকে। যি নহওক, নতুন-পুৰণি মিলি সঙ্ঘত নতুন নতুন দিশৰ অনুসন্ধান কৰি থকা হৈছে অহৰহ, যিটোৰ ফলস্বৰূপেই যোৱা তিনিটামান দশকত সঙ্ঘই নতুন নতুন শাখা গঠন কৰি সঙ্ঘক এক বিশেষ পথেৰে আগুৱাই নিবলৈ সক্ষম হৈছে। বৰ্তমান বিষয়ববীয়াসকল ইমান এলাগী হোৱা নাই যাৰবাবে মধ্যম পৰ্যায়ৰ নেতাৰ প্ৰয়োজন হৈছে। সাংবিধানিকভাৱে নতুন বিষয়ববীয়া নিৰ্দ্ধাৰণ হৈয়ে আছে আৰু ভৱিষ্যতলৈও হ'ব। তাৰ বাবে বৰা ইমান চিন্তিত হোৱাৰ সকাম নাই।

**'নৱপ্ৰজন্ম কিয় আহিব সংঘলৈ'** শীৰ্ষক লেখাটোত কৈছে যে - **'নৱপ্ৰজন্মক আকৃষ্ট কৰিবলৈ হ'লে সংঘৰ কিছু গঠনমূলক আনুষ্ঠানিক আৰু বৌদ্ধিক কামত জড়িত কৰাৱ লাগিব।'** (পৃ. ৯২) বৰাই এনে পৰামৰ্শ দিয়াৰ বহু পূৰ্বেই অৰ্থাৎ ১৯৯৭ চনৰে পৰা কেন্দ্ৰীয়ভাৱে সঙ্ঘৰ যুৱক-যুৱতীসকলক লৈ 'সেৱা বাহিনী' শাখাটি গঠন কৰা হৈছে। বৰ্তমান সেৱা বাহিনীৰ সদস্য-সদস্যাৰ সংখ্যা ত্ৰিশ হাজাৰৰ অধিক। এই সেৱক-সেৱিকাসকলে গুৰুজনাৰ শাস্ত্ৰৰাজি অধ্যয়নৰ দ্বাৰা তেওঁলোক অধ্যয়নপুষ্ট আৰু তাৰাৰ ধৰ্মাদৰ্শ পালন কৰি বৰ্তমান সমাজৰ অন্যতম প্ৰধান সমস্যা যুৱ উশৃঙ্খলতাৰ পৰা তেওঁলোক বহু নিলগত। খোল-তাল, বৰগীত-ভাওনাৰ অনুশীলনত তেওঁলোক সদা ৰত। নৱপ্ৰজন্মক সঙ্ঘলৈ আনবৰ বাবে নতুন নতুন কৰ্ম আঁচনিৰ প্ৰস্তুতি সঙ্ঘৰ মঞ্চত সদায় চলিয়েই আছে।

**'সংঘত নৱব্ৰাহ্মণ্যবাদ'** শীৰ্ষক লেখাটোত বৰাৰ অভিযোগ হ'ল - **'শুনিবলৈ পোৱা মতে বৰ্তমানৰ সাধাৰণ সম্পাদকজনৰ দিক্‌নিৰ্দেশনাতে সমস্ত অনুষ্ঠানটো পৰিচালিত হয়।'** (পৃ. ৭৭) আকৌ লিখিছে - **'বহুতে কোৱা মতে প্ৰধান সম্পাদকে তেওঁক ৰাবাৰ ষ্টাম্প হিচাপে ব্যৱহাৰ কৰি সকলো ক্ষমতা কুক্ষীগত কৰিছে।'** (পৃ. ৭৭) **'শুনিবলৈ পোৱা মতে'** আৰু **'বহুতে কোৱামতে'** কথাবোৰৰ ওপৰত ভিত্তি কৰিয়েই ময়ূৰ বৰাই বুদ্ধিজীৱীৰ বৃত্তিটোৰে নাম কিনি বাঃ বাঃ লৈছে সমাজৰ বহুজনৰ পৰা। বৰাৰ গ্ৰন্থখনৰ কথাবোৰ তথ্যভিত্তিক যে নহয় - এনে কথাই প্ৰমাণ কৰে। গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে দীৰ্ঘকাল অনুষ্ঠানটো পৰিচালিত

হৈ আহিছে সঙ্ঘৰ সাংবিধানিক নীতি-নিয়মেৰে। তেনেক্ষেত্ৰত এজন বিষয়ববীয়াৰ দ্বাৰা এটা অনুষ্ঠানৰ ক্ষমতা হস্তগত হ'ব নোৱাৰে। প্ৰমাণ নোহোৱাকৈ মাননীয় পদাধিকাৰজনক 'ৰাবাৰ ষ্টাম্প' বুলি মন্তব্য দিয়াটো প্ৰকৃত বুদ্ধিজীৱীৰ লক্ষণ নহয়। এনে ভাষা প্ৰয়োগ আৰু দৃষ্টিভংগীৰ দ্বাৰা উত্তৰ পুৰুষৰ বাবে বৰাই সমাজত কি আৰ্হি থৈ যাম বুলি ভাবিছে?

বৰাই **'বিত্তীয় দিশত অধিক স্বচ্ছতাৰ প্ৰয়োজন'** শীৰ্ষক লেখাটোত সঙ্ঘৰ বিত্তীয় দিশত খেলিমেলি থকা বুলি সন্দেহ প্ৰকাশ কৰিছে। এই ক্ষেত্ৰত অসমৰ জাতীয় সংগঠন হিচাপে সঙ্ঘই পূৰামাত্ৰাই দাবী কৰিব পাৰে যে বিত্তীয় দিশত সঙ্ঘ সম্পূৰ্ণৰূপে নিকা ভাবমূৰ্তিৰ এটি অনুষ্ঠান। প্ৰতি প্ৰাথমিক, আঞ্চলিক, জিলা আৰু মূল পৰ্যায়ত কাৰ্যনিৰ্বাহকৰ অনুমোদনক্ৰমে হিচাপ পৰীক্ষক নিয়োগ কৰি হিচাপ কৰোওৱা হয় আৰু সেই হিচাপ কাৰ্যনিৰ্বাহকত অনুমোদন কৰাই প্ৰতিনিধি সভাত আৰু মুকলি সভাতো পাঠ কৰা হয়। সঙ্ঘৰ মূল পৰ্যায়ত বাৰ্ষিক আৰ্থিক আয়-ব্যয়সমূহ পঞ্জীয়নভুক্ত চাৰ্টাৰ্ড একাউণ্টেণ্টৰ দ্বাৰা হিচাপ পৰীক্ষা কৰোৱাই কাৰ্যনিৰ্বাহক আৰু প্ৰতিনিধি সভাত উত্থাপন কৰা হয়। আয়-ব্যয়ৰ সম্পূৰ্ণ খতিয়ান সন্নিবিষ্ট সম্পাদকীয় প্ৰতিবেদন প্ৰধান সম্পাদকে পাঁচ হেজাৰ কৰি ছপা কৰি প্ৰতিনিধি সভাত আৰু মুকলি সভাত বিতৰণ কৰে। বহুবছৰ পূৰ্বৰে পৰা চাৰ্টাৰ্ড একাউণ্টেণ্টৰ দ্বাৰা হিচাপ কৰোৱাৰ নিয়ম সঙ্ঘৰ মঞ্চত প্ৰযোজ্য হৈ আহিছে। আয়কৰ আইনৰ অধীনত ৰেহাই পোৱাৰ ব্যৱস্থাও প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। ট্ৰাষ্ট সমিতি গঠনৰ পিছত PAN Card ৰ ব্যৱস্থা, 12A Registration, আয়কৰ ৰেহাই পাব পৰা 80G, 35 AC আৰু FCRAৰ ৰেজিষ্ট্ৰেচন আদি ব্যৱস্থাৱলী গ্ৰহণৰ যোগেদি আয়কৰ ৰেহাইৰ কাম প্ৰায় সম্পূৰ্ণ কৰি তোলা হৈছে।

**'দেহদান সন্দৰ্ভত সংঘৰ পশ্চাদ্‌মুখী চিন্তা'** শীৰ্ষক লেখাটোত বৰাই উত্থাপন কৰা অভিযোগটো হ'ল - **'অলপতে নগাঁও জিলাৰ ৰাইদিঙিয়াৰ এক অৱসৰপ্ৰাপ্ত শিক্ষক দম্পতীয়ে আনুষ্ঠানিকভাৱে দেহদান কৰিছিল। সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে উক্ত কাৰ্যক আদৰণি জনালে। শিক্ষক দম্পতী আছিল শংকৰ সংঘৰ একনিষ্ঠ সেৱক। গতিকে প্ৰথম আপত্তি আহিল সংঘৰ সেই নিৰ্দিষ্ট প্ৰাথমিক শাখাটোৰ পৰা। পাছত দুয়োজনৰে প্ৰাথমিক সদস্যপদ পৰ্যন্ত বাতিল কৰা হ'ল। উপশমহীন মানসিক যন্ত্ৰণাৰ সাগৰলৈ এই দম্পতীক ঠেলি দি সংঘৰ প্ৰাথমিক শাখাটোৱে হয়তো নিজকে ভাল কাম কৰা বুলি প্ৰবোধ দিলে।'** (পৃ. ৬৮) শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সংবিধানত দেহদান সম্পৰ্কীয় কোনো কথা এতিয়ালৈকে অন্তৰ্ভুক্ত কৰা নাই। যুগৰ পৰিবৰ্তনৰ প্ৰেক্ষাপটত ভৱিষ্যতলৈ সঙ্ঘই নিশ্চয় এই বিষয়ত চিন্তা-চৰ্চা কৰিব। কোনো প্ৰাথমিকে নিজাববীয়াকৈ লোৱা উক্ত সিদ্ধান্তৰ কথা সঙ্ঘৰ মূলৰ কাৰ্যনিৰ্বাহকত উত্থাপন হোৱা নাছিল। উক্ত প্ৰাথমিকে বা দেহদান দিবলৈ ইচ্ছা কৰা পৰিয়ালে লিখিতভাৱে কোনো আবেদন সঙ্ঘক দিয়াও নাছিল। বৰাই আৰু লিখিছে যে - **"কিন্তু সাংবাদিক বিকাশ শৰ্মাই এই বিষয়ে 'সাদিন'ত লিখা এটা প্ৰবন্ধত সংঘৰ সাধাৰণ সম্পাদক হৰিপ্ৰসাদ হাজৰিকাই 'দেহদান ভাল কাম নহয়' বুলি উল্লেখ কৰিছে।"** (পৃ. ৬৮) আমি তেখেতৰ পৰা জানিবলৈ পোৱা মতে প্ৰধান সম্পাদকগৰাকীয়ে এনে কোনো মন্তব্য দিয়া নাছিল। শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাক আৰু সঙ্ঘৰ আদৰ্শক ময়ূৰ বৰাৰ দৰেই কিছু ব্যক্তিয়ে সঙ্ঘৰ বিষয়ববীয়াসকলক সমাজৰ আগত হেয় কৰিবৰ বাবেই এনেবোৰ বিভ্ৰান্তি সৃষ্টিকাৰী বা-বাতৰি প্ৰচাৰ কৰি ফুৰিছে।

**'বৃন্দাৱনী বস্ত্ৰ বিতৰ্ক'** শীৰ্ষক লেখাটোত বৰাই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই ২০১১ চনত 'সাদিন' কাকতত চলা বিতৰ্কত ভাগ নোলোৱাৰ অভিযোগ উত্থাপন কৰিছে। সঙ্ঘই এই বিতৰ্কত ভাগ নললেও এই বিষয়ে সঙ্ঘৰ মঞ্চত একেবাৰে চিন্তা-চৰ্চা নোহোৱা নহয়। বৃন্দাৱনী বস্ত্ৰ সম্পৰ্কে গৱেষণা কৰা ব্যক্তি মৃণাল কলিতাদেৱৰ লগত সঙ্ঘৰ মঞ্চত এই বিষয়ে আলোচনা কৰা হৈছে। ভৱিষ্যতলৈ এই ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিবৰ বাবে সঙ্ঘই সিদ্ধান্ত গ্ৰহণ কৰিছে।

'ধৰ্মান্তৰকৰণ সম্পৰ্কত সঙ্ঘৰ দুৰ্বল ভুমিকা' শীৰ্ষক লেখাত বৰাৰ অভিযোগ হ'ল - " **... সেয়েহে ধৰ্মান্তৰকৰণ ৰোধ কৰাৰ ক্ষেত্ৰত সংঘই জনজাতীয় লোকসকলক সমঅধিকাৰ আৰু সমমৰ্যাদাৰ ভিত্তিত কিছু অৰ্থবহ পদক্ষেপ লোৱাটো সচেতন মহলে আশা কৰে। কিন্তু অসমৰ সচেতন মহল বা বিদ্বৎ মহলৰ যুক্তি সংগত আশাৰ লগত সংঘৰ কৰ্মপদ্ধতিৰ এক বিশাল ব্যৱধান পৰিলক্ষিত হয়। সেয়েহে প্ৰায়বোৰ ক্ষেত্ৰতে বৌদ্ধিক কিবা বিতৰ্কৰ উদ্ভাৱন হ'লেই সংঘৰ বৰমূৰীয়াসকল আঁৰকাপোৰৰ তলত লুকাই দিয়ে।"** (পৃ. ৮৩) বৰাই একে দৃষ্টিভংগীৰেই অসমৰ জাতি-জনগোষ্ঠীৰ মাজত গুৰুজনাক প্ৰৱেশ কৰোৱাব পৰা নাই বুলি আপত্তি কৰি লিখিছে - **"যিটো অনুষ্ঠানে ইমানবোৰ মানুহৰ সমৰ্থন লাভ কৰাৰ পাছতো কোনো এক ভৱিষ্যদৰ্শী আঁচনি লৈ গুৰুজনাক অসমৰ ভিতৰৰ বহু জাতি-জনগোষ্ঠীৰ হৃদয়ত প্ৰৱেশ কৰোৱাব পৰা নাই, তেওঁলোকে বাহিৰত প্ৰচাৰ কৰাৰ কথা কলে হাঁহিয়তাৰ পাত্ৰ নহ'বনে।"** (পৃ. ৫৪) বৰাক এই কথাবোৰৰ উত্তৰ হিচাপে কওঁ যে সঙ্ঘই জনজাতীয় লোকক সমঅধিকাৰ আৰু সমমৰ্যাদা কাহানিবাই প্ৰদান কৰি এখন সমাজ পাতি বসবাস কৰি আহিছে। খোৱা-বোৱা, বিয়া-বাৰু আদি সমাজৰ প্ৰতিটো স্তৰতে সঙ্ঘৰ কোনো ভিন-পৰ ভাৱ নাই। যদি অসমৰ সচেতন মহলে আপুনি কোৱাৰ দৰে ভাবিছে - তেনেহ'লে তেখেতলোক সঙ্ঘৰ তৃণমূল পৰ্যায়ৰ ভিতৰলৈ সোমোৱা নাই। ধৰ্মান্তৰকৰণ ৰোধ কৰাৰ ক্ষেত্ৰত সঙ্ঘই প্ৰত্যক্ষভাৱে বাধা দিয়া নাই যদিও গুৰুজনাৰ আদৰ্শৰে পৰোক্ষভাৱে জনজাতীয় লোকসকলক ভক্তিধৰ্ম গ্ৰহণৰ দ্বাৰাই তেনে

প্ৰতিৰোধী কৰ্ম আঁচনিৰ বাস্তৱত ৰূপায়িত কৰি আহিছে। বৰাই অসমৰ সঙ্ঘৰ দুই-এখন সাংগঠনিক জিলালৈ গৈ ক্ষেত্ৰ অধ্যয়নৰ দ্বাৰা বুজ লব পাৰে যে জনজাতীয় লোকসকলে সমঅধিকাৰ আৰু সমমৰ্যাদা সঙ্ঘৰ মঞ্চত লাভ কৰিছেনে নাই? একো প্ৰমাণ নোহোৱাকৈ অনুষ্ঠানৰ ভাৱমূৰ্তি বিনষ্ট কৰাৰ স্বাৰ্থত এনেবোৰ যুক্তি অৰ্থশূন্য। সঙ্ঘৰ দ্বাৰা গুৰুজনাৰ ধৰ্মাদৰ্শ গ্ৰহণ কৰা অসমৰ কেইখনমান জিলাৰ (সঙ্ঘৰ সাংগঠনিক জিলা) জনজাতীয় লোকৰ পৰিসংখ্যা থোৰতে বৰাক জনালোঁ। বোকাখাত জিলা শাখাত ৩১১ ঘৰ মিচিং জনগোষ্ঠীৰে ২৫ খন প্ৰাথমিক গঠন কৰা হৈছে। জিলাখনত চাহ মজদুৰ আৰু সোণোৱাল কছাৰীৰ লোকো যথেষ্ট আছে। মৰিগাঁও জিলাত ১১৪৭ ঘৰ তিৱা জনজাতীয় লোক সঙ্ঘভুক্ত সংগী। ইয়াৰ উপৰি জিলাখনত কাৰ্বি আৰু বড়ো লোকো সঙ্ঘভুক্ত হৈছে। তিতাবৰ জিলা শাখাত ৪৪৩ ঘৰ চাহ জনগোষ্ঠী, ৩৭৭ ঘৰ সোণোৱাল কছাৰী আৰু ঠেঙাল কছাৰী আৰু ১৫২ ঘৰ অনুসূচীত জাতিৰ লোক আছে। লখিমপুৰ জিলা শাখাত ৩৮৫ ঘৰ সোণোৱাল কছাৰী আৰু ঠেঙাল কছাৰী আৰু ৭৮ ঘৰ মিচিং লোক আছে। এইখন জিলাত দেউৰী লোকো কিছু সংখ্যক আছে। ঢকুৱাখনা জিলা শাখাত দেউৰী আৰু মিচিং জনগোষ্ঠীৰ লোক আছে ১৩১ ঘৰ। যোৰহাট জিলা শাখাত ৫২ খন প্ৰাথমিকেৰে ৮৩২ ঘৰ চাহ জনগোষ্ঠীৰ লোক সঙ্ঘৰ সংগী। মিচিং জনজাতীয় ৪৫ ঘৰ গৃহস্থীৰে ৩ খন প্ৰাথমিক গঠন কৰা হৈছে। জোনাই জিলা শাখাত সোণোৱাল কছাৰী, ৰাভা, ঠেঙাল কছাৰী, দেউৰী, বড়ো, নেপালী, নমোশূদ্ৰ জনগোষ্ঠীৰ সৰ্বমুঠ গৃহস্থী ১৫৩ ঘৰ। শিৱসাগৰ জিলাত ৯৯ ঘৰ চাহ জনগোষ্ঠী আৰু ১৭ ঘৰ মিচিং জনজাতিৰ লোক সঙ্গী হৈছে। ডিব্ৰুগড় জিলাত সোণোৱাল কছাৰী আৰু দেউৰী মিলি মুঠ ১৭০ ঘৰ আৰু চাহ জনগোষ্ঠীৰ ৩০ ঘৰ গৃহস্থী সঙ্ঘভুক্ত হৈছে। এনেদৰে সঙ্ঘৰ ৪৭ খন জিলাৰ প্ৰতিখন জিলাতে বিভিন্ন জনজাতীয় লোকে সঙ্ঘৰ অনুপ্ৰেৰণাত গুৰুধৰ্ম গ্ৰহণ কৰিছে। বৰাই ওচৰতে থকা বোকাখাত, যোৰহাট, তিতাবৰ আদি জিলাৰ ভিতৰলৈ গৈ এনে প্ৰাথমিক আৰু সঙ্গীৰ হিচাপ এবাৰ লৈ চাবগৈচোন। আমি অৱশেষত আশা কৰিছোঁ বৰাই সঙ্ঘৰ প্ৰতি থকা দৃষ্টিভংগী সলনি কৰি প্ৰকৃত ছবি এখন দিবলৈ পৰৱৰ্তী সময়ত যত্ন কৰিব।

# পৰিশিষ্ট (ক)

(বাতৰি কাকতত প্ৰকাশিত চিঠি-পত্ৰৰ কিয়দংশ আৰু উত্তৰ)

## শঙ্কৰদেৱ আৰু শঙ্কৰদেৱ সংঘ বিষয়ক চিন্তা-চৰ্চা

- অসমীয়া খবৰ, ৭ ফেব্ৰুৱাৰী, ২০১২

"... শঙ্কৰদেৱৰ প্ৰৱৰ্তিত ধৰ্ম তেতিয়াও এশ শতাংশই গ্ৰহণ কৰা নাছিল আৰু এতিয়াও কৰা নাই। কিন্তু তাৰাৰ সৃষ্ট সাহিত্য, গীত, নাট, নৃত্য আদিক মূল্যায়ন কৰি সাংস্কৃতিক উপাদান হিচাপে সকলো শ্ৰেণী লোকে গ্ৰহণ কৰিছে। ধৰ্মটো গ্ৰহণ কৰা বা নকৰাটো নিজস্ব কথা। সংস্কৃতিৰ অংগ হিচাপে গীত বা নৃত্য এটা সাংস্কৃতিক অনুষ্ঠানত পৰিৱেশন কৰিব পাৰে কিন্তু ঈশ্বৰক উদ্দেশি কৰা নামপ্ৰসংগ এভাগ দেৱ-দেৱীৰ আগত পৰিৱেশন কৰিববলৈ কোনোবা সংঘৰ ভকতে ইচ্ছা নকৰিলে বেয়া পাব নালাগে। এই ক্ষেত্ৰত ভকতজন গোড়া বুলি কোৱাৰ যুক্তি নাই। দেৱ-দেৱীৰ বন্দনা কৰাই যুগুত। খোৱা-বোৱাৰ ক্ষেত্ৰতো তেনে কিছু মন্তব্য শুনা যায়। যেনেকৈ গো-মাংস কিছু লোকে খায় আৰু কিছুৱে নাখায়। নোখোৱাসকলক গোড়া বুলি কোৱাও যুক্তি নাই বা সকলোৱে খাব লাগে বুলি কোৱাও যুক্তি নেদেখো। ই নিজৰ নিজৰ ৰীতি-নীতি বিশ্বাস আৰু মনৰ কথা।

প্ৰসংগক্ৰমে শঙ্কৰদেৱ সংঘও সমালোচনাৰ আৱৰ্তলৈ আহিছে। সমালোচকসকলে জানি লোৱা ভাল যে শঙ্কৰদেৱ সংঘ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্তিত ভক্তি ধৰ্মৰ ভিত্তিতে গঠন হৈছে। গতিকে ভক্তিধৰ্মটো মূল হিচাপে থাকিবই। শঙ্কৰদেৱ সংঘৰ গঠনৰ পটভূমি যিয়েই নহওক, মূল কাৰণ হ'ল গুৰু বাক্য পালন।..."

- ভৰেন দুৱৰী

ফোন - ৯৪৩৫৪-০৩০১১

প্ৰতি,

ভৰেন দুৱৰী,

দুৱৰীদেৱে উচিত কথাই কৈছে। মূৰ্গী মাংস খোৱা পুত্ৰৰ পিতৃয়ে মূৰ্গী মাংস নাখালে দেউতাকক গোড়া বুলি কোৱাৰ যুক্তি নাই। একেটা ফৰ্মূলায়েই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ক্ষেত্ৰতো প্ৰজোয্য। তেন্তে যুক্তিহীনভাৱে কোনোবাই সঙ্ঘৰ সঙ্গীক গোড়া বুলি কলেই নহ'ব। আনহাতেদি যদুৰ ঘৰত মধুক বিচাৰিলে ক'ত পাব? সৰস্বতীৰ বন্দনা নথকা কীৰ্ত্তন পুথিখন সৰস্বতী পূজাৰ দিনা সৰস্বতীৰ সমুখত পাঠ কৰাও একেই কথা নহয় জানো?

## পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ

- অসমীয়া খবৰ, ১৪ ফেব্ৰুৱাৰী, ২০১২

"ময়ূৰ বৰাই 'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ' নামৰ বিতৰ্কিত গ্ৰন্থখন মোলৈ পঠিয়াই দি কৈছে - 'ছাৰ, কিতাপখন নিৰ্মোহভাৱে বিশ্লেষণ কৰি ভূল-ক্ৰটিবোৰ দেখুৱাই দিব। গ্ৰন্থখন ইতিমধ্যে কলিয়াবৰৰ আই কনকলতা ক্ষেত্ৰখনত বিক্ৰী নিষিদ্ধ কৰা হৈছে।' কিতাপখন আদিৰ পৰা অন্তলৈ গভীৰভাৱে পঢ়িলোঁ। গ্ৰন্থখন উছৰ্গা কৰা হৈছে - 'শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰতিগৰাকী সংগী আই আৰু বাপলৈ এই গ্ৰন্থখন আগবঢ়ালোঁ, অসীম শ্ৰদ্ধা আৰু আগ্ৰহেৰে। ...**সমালোচনা মানে গুৱালগালি নহয়। বৌদ্ধিক বিতৰ্কত তথ্যভিত্তিক আলোচনা আৰু পৰিশীলিত বাকভংগীৰ প্ৰয়োজন**। ময়ূৰ বৰাৰ আলোচনাত তথ্যসহ সংঘৰ দুৰ্বল দিশসমূহ উন্মোচিত কৰাৰ লগতে সংঘক শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰাৰ আন্তৰিক প্ৰচেষ্টাও আছে। সংঘই যে আত্মপক্ষ সমৰ্থনত প্ৰতিটো অভিযোগৰে উত্তৰ দিব সেই বিষয়ত সন্দেহ নাই। কিন্তু জাতীয় অনুষ্ঠানত পৰিণত হোৱা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পৰা শংকৰদেৱ সম্পৰ্কীয় সকলো বিতৰ্কতে বলিষ্ঠ ভূমিকা বিচাৰে। গুৰুজনাৰ জন্মস্থান বৰদোৱা নে পাটেকিবৰী নে কপাহেৰা - সেই কথাত বিতৰ্ক থকাটো অসমীয়া জাতিৰ পক্ষেই লজ্জাজনক। সংঘই অসমৰ শংকৰপ্ৰেমী বুদ্ধিজীৱী, সংঘ-সমাজৰ পদাধিকাৰ, বৰদোৱা আলিপুখুৰী আৰু কপাহেৰাৰ প্ৰতিনিধিক লৈ এখন উচ্চ ক্ষমতাসম্পন্ন কমিটী গঠন কৰিব পাৰে। শংকৰদেৱৰ নামত গঠিত সংঘ, সমাজ, মঞ্চ আদিয়েও সংকীৰ্ণতা পৰিহাৰ কৰি এই মহৎ কামত একত্ৰিত হোৱা উচিত। যিখন ঠাই গুৰুজনাৰ জন্মভূমি বুলি নিৰ্ণীত হ'ব তাতে প্ৰস্তাৱিত 'শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়' স্থাপন কৰি সিচঁৰতি হৈ থকা সাঁচিপতীয়া পুথি, এতিয়ালৈকে প্ৰকাশিত বৈষ্ণৱ ধৰ্মৰ সকলো পুথি, সত্ৰ-সংস্কৃতিৰ লগত জড়িত গুৰু আসন, অক্ষয়বন্তি, বাদ্যযন্ত্ৰ আদি সংৰক্ষণ - এনে ধৰণৰ গঠনমূলক কিছু কাম কৰক। ... গালি-গালাজ কেতিয়া পাৰে? যুক্তিৰ অভাৱ হ'লে। চিঞৰি চিঞৰি কেতিয়া বক্তৃতা দিয়ে? তথ্যৰ অভাৱ হ'লে। শ্ৰীমন্ত শংকৰদেৱৰ অৱদানৰাজি ইমান বিশাল যে সেইবোৰ বৰ্ণাবলৈকে সময়ৰ অভাৱ - আনক গালি পাৰিবলৈ সময় ক'ত? আৰু এটি কথা, গালি পাৰি কাৰো মন জয় কৰিব নোৱাৰি। অসমীয়া মানুহ এনেয়ে তাকৰ - যুক্তিৰে, পাৰস্পৰিক শ্ৰদ্ধা

আৰু বুজাপৰাৰে এখন ঐক্যবদ্ধ বৃহত্তৰ অসমীয়া সমাজ গঠন কৰাটো সময়ৰ আহ্বান। এনে আহ্বানৰ প্ৰতি সজাগ হৈয়েই ৰৰাই ভৱা মতে সংঘৰ দুৰ্বল দিশ কিছুমান দেখুৱাই দিছে। তেওঁৰ সংঘৰ প্ৰতি শ্ৰদ্ধা-ভক্তি যেনেদৰে আছে, তেনেদৰে আছে বৃহত্তৰ অসমীয়া সমাজ গঢ়াত সংঘই ল'ব পৰা ভূমিকাৰ সন্দৰ্ভত আস্থা। আচাৰ সৰ্বস্ব অনুষ্ঠানৰ সীমাৱদ্ধতা পৰিহাৰ কৰি সংঘ বিচাৰ সৰ্বস্ব অনুষ্ঠান হওক। ৮২ বছৰীয়া অনুষ্ঠান এটাই আত্মবিশ্লেষণ কৰাৰ অভিজ্ঞতা নোপোৱাৰ কাৰণ নাই। বৰাৰ কিতাপখন নিষিদ্ধ কৰাৰ কোনো কাৰণ মই বিচাৰি নাপালোঁ। **বৰগছতহে ধুমুহাৰ কোব বেছিকৈ পৰে। সংঘও বৰগছেই।**"

- ড° ৰমেশ পাঠক

ফোন - ৯৮৬৪২-০৮৭৯১

প্ৰতি,

ড° ৰমেশ পাঠক,

পাঠকদেৱ, ময়ূৰ বৰাৰ যুক্তিৰ অভাৱ হোৱাৰ বাবেই সঙ্ঘক গালি-শপনি পৰাত লাগিল। অসমীয়াত থকা যোজনাটো - '**আচাৰ আছে বিচাৰ নাই**'ৰ ভিত্তিতহে গুৰুজনাৰ শাস্ত্ৰসন্মত যুক্তিৰে সঙ্ঘই কিছু আচাৰ-পদ্ধতি নিৰূপণ কৰি বিচাৰ কৰিছে। গুৰুজনৰ আদৰ্শৰে পুৰণি কুপৰম্পৰা ভংগ কৰাটোৰেই বহুতৰ বাবে সঙ্ঘ অপৰাধী। গুৰুজনেও প্ৰাচীন কুপৰম্পৰাবোৰ উফৰাই নতুন সমাজ গঠন কৰিবলৈ যাওঁতেই ৰজাঘৰে প্ৰজাঘৰে বিদ্ৰোহ কৰা নাছিলজানো? কিতাপখন সঙ্ঘই নিষিদ্ধ কৰাৰ ক্ষমতা নাই, মাত্ৰ চাৰিদিনৰ বাবে সঙ্ঘৰ অধিৱেশনৰ পৰিৱেশত বিক্ৰী বন্ধ কৰিছিল তাত থকা ভিত্তিহীন কথাবোৰৰ বাবে। ওখ গছত বতাহ লাগে বুলি সঙ্ঘইও বুজি পাইছে। কিন্তু এনে লাপি-লোপা বতাহে ডাল-পাতৰো ক্ষতি কৰাৰ ভয় নাই।

## চিন্তাৰ স্বাধীনতা হৰণ

- অসমীয়া খবৰ, ১৫ ফেব্ৰুৱাৰী, ২০১২

".. ময়ূৰ বৰাই ধৰ্মীয় অনুষ্ঠানটোৰ 'কেৰোণসমূহ' বস্তুনিষ্ঠ আলোচনাৰে উদঙাই দি অনুষ্ঠানটো উচিতভাৱে আগুৱাই নিয়াত অনুষ্ঠানটোৰ পৰিচালকসকলৰ পৰা 'অধিক সক্ৰিয় ভূমিকা' আশা কৰিছে। কিন্তু পৰিচালকসকলে সক্ৰিয় ভূমিকা গ্ৰহণ কৰাৰ সলনি গ্ৰন্থখনকহে নিষিদ্ধ কৰা ঘটনাটোৰে জনসাধাৰণলৈ এই বাৰ্তা প্ৰেৰণ কৰিলে যে ময়ূৰ বৰাই কেৰোণ বুলি কোৱা কথাবোৰ অনুষ্ঠানটোৰ পৰিচালকসকলে কেৰোণ বুলি নাভাৱে। বা অনুষ্ঠানটোৰে শুধৰণি কৰিবলগীয়া একো নাই। তেওঁলোক 'পথভ্ৰষ্ট' হোৱা নাই, সঠিক কৰ্ম আঁচনিৰে সঠিক পথতে আগবাঢ়ি আছে।

ধৰা হ'ল তেওঁলোকৰ ধাৰণাই সঁচা। তেওঁলোক শতকৰা এশভাগ শুদ্ধ। তথাপিও তেওঁলোকে অনুষ্ঠানটোৰ এজন শুভচিন্তকৰ পৰামৰ্শখিনি বিনয়েৰে গ্ৰহণ কৰিব নোৱাৰিলেহেঁতেননে? তাকে নকৰি তেওঁলোকে ওলোটাই পৰামৰ্শ সম্বলিত কিতাপখনকে নিষিদ্ধ কৰি এজন লেখকৰ চিন্তাৰ স্বাধীনতা হৰণ কৰা কাৰ্যই ইয়াকেহে প্ৰমাণ নকৰিলেনে যে লেখকজনে উদঙাই দিয়া কেৰোণবোৰ সত্য? - এনে অদূৰদৰ্শী কৰ্মৰ ফলত বিনয় আৰু সহিষ্ণুতা ধৰ্মই দিব পৰা গুণ বুলি মিছাকৈয়ে প্ৰচাৰ হৈ আছে বুলি বুজিবলৈ আমাৰ বাবে সহজ হৈ নপৰিলনে?...."

দেৱকান্ত সন্দিকৈ

ফোন - ৯৯৫৭৮-৩১৭৩৭

প্ৰতি,

দেৱকান্ত সন্দিকৈ,

সন্দিকৈদেৱ, 'শুভচিন্তক'ৰ (?) ভাষাবোৰ এবাৰ পঢ়ি চাইছিলনে? ভিত্তিহীন কথাৰে পৰিপূৰ্ণ এখন গ্ৰন্থ বিনয়েৰে গ্ৰহণ কৰাটো কেনে কথা? বিনয় কেৱল এটা পক্ষৰে নহয়, দুয়োটা পক্ষৰে থকা উচিত। অধিৱেশনস্থলীত গ্ৰন্থখনৰ বিক্ৰী নিষিদ্ধ কৰাটোৰে স্বাধীনতা হৰণ কৰা নুবুজায়।

## সঁচাকৈ শঙ্কৰ সংঘ পথভ্ৰষ্ট হৈছে নেকি?

- অসমীয়া খবৰ, ১৫ ফেব্ৰুৱাৰী, ২০১২

"অলপতে ময়ূৰ বৰাৰ 'শঙ্কৰ সংঘ পথভ্ৰষ্ট হৈছে নেকি' নামৰ চিন্তা উদ্ৰেককাৰী কিতাপখন পঢ়ি উঠাৰ পাছত মনলৈ বহু ভাৱেই আহিল। সূক্ষ্ম পৰ্যবেক্ষণ, শঙ্কৰদেৱৰ প্ৰতি গভীৰ আস্থাশীল আৰু আধুনিক মননশীলতাইহে এনে গ্ৰন্থ ৰচনাৰ প্ৰতি কোনো লোকক ব্ৰতী কৰাব পাৰে। ময়ূৰ বৰা নামৰ লেখকগৰাকীৰ ক্ষেত্ৰত ইয়াৰ একোৰে যেন খুঁত নাই। শঙ্কৰ সংঘ সম্পৰ্কত বিশেষ জ্ঞান নাই। শঙ্কৰ সংঘই শঙ্কৰদেৱৰ ৰচনাৰাজি অথবা মহাপুৰুষজনাৰ গীত-মাত, নাটকক কি পৰ্যায়ত তুলি ধৰিবলৈ সক্ষম হৈছে তাকো নাজানো। জানো মাথোঁ আধুনিক অসমীয়া জাতিৰ ৰাজনৈতিক ভেটি গঢ়োতা (চাও লুং চ্যুকাফা) স্বৰ্গদেউ চ্যুকাফা আৰু

অসমৰ সাংস্কৃতিক আৰু সমন্বয়ৰ ভেটি গঢ়োতা শঙ্কৰদেৱ। **শঙ্কৰদেৱৰ ওপৰত দেৱত্ব আৰোপ কৰাত মোৰ আপত্তি আছে, সেইবুলি মনে-প্ৰাণে কাহানিও মই এই বিশাল প্ৰতিভাৰ অধিকাৰী মানুহজনক মহাপুৰুষ বুলি গ্ৰহণ কৰাত মোৰ কোনো আপত্তি নাই।...”**

বিপুল শৰ্মা

ফোন - ৯০৮৫২-৭৫৬৯০

প্ৰতি,

বিপুল শৰ্মা,

শৰ্মাদেৱ, শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ বিষয়ে একো জ্ঞান নাই বুলি নিজে জানিও সঙ্ঘৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰা ময়ূৰ বৰাৰ একো খুঁত নাই বুলি কি যুক্তিত কলে ? আপুনি শঙ্কৰদেৱৰ ‘দেৱত্ব’ অৰ্থাৎ ঐশ্বৰিকত্ব মানি নলয়, কিন্তু শঙ্কৰদেৱক ‘মহাপুৰুষ’ বুলি মানি লয়। এইটো আকৌ কেনেকুৱা কথা। শৰ্মাদেউ, ‘মহাপুৰুষ’ শব্দটোৱে ‘ঈশ্বৰ’কে বুজায়। কলিকালৰ লোকসকলে ঈশ্বৰক কেনেকৈ প্ৰাৰ্থনা কৰিব লাগে, সেই বিষয়ে ব্যাসদেৱ প্ৰণীত শ্ৰীমদ্ভাগৱতত সিদ্ধ কৰভাজনে নিমিৰজাক এনেদৰে কৈছে-

‘ধ্যেয়ং সদা পৰিভৱঘ্নমভীষ্টদোহং তীৰ্থাস্পদং
শিৱবিৰিঞ্চিনুতং শৰণ্যম।
ভৃত্যাৰ্তিহং প্ৰণতপাল ভৱাব্ধিপোতং ৱন্দে মহাপুৰুষ
তে চৰণাৰৱিন্দম্।
ত্যক্তা সুদুস্ত্যজসুৰেপ্সিতৰাজ্যলক্ষ্মীং ধৰ্মিষ্ঠ
আৰ্য্যৰচসা য়দগাদৰণ্যম্।
মায়ামৃগং দয়িতয়েপ্সিতমন্বধাৱদ্ ৱন্দে মহাপুৰুষ
তে চৰণাৰৱিন্দম্।।
(ভাগৱত - ১১/৫/৩৩, ৩৪)

মহাপুৰুষ শঙ্কৰদেৱে এই শ্লোক দুটি ‘নিমিনৱসিদ্ধ সংবাদ’ত এনেদৰে অনুবাদ কৰিছে-

‘হে মহাপুৰুষ হে প্ৰণতপালক।
সদা বন্দো তোম্হাৰেসে পদপঙ্কজক।।
সদায়ে চিন্তিবে যোগ্য এহিসে চৰণ।
ভকতৰ কৰে ইসে বাঞ্চিত পূৰণ।।৩৬৮।।
ভৱ-পৰাভৱক এহিসে কয় ক্ষয়।
পৰম পৱিত্ৰ ইসে তীৰ্থৰো আশ্ৰয়।।
মহা সুখময় ইটো চৰণ দুখানি।
ব্ৰহ্মা হৰে আকেসে সেৱন্ত তত্ত্ব জানি।।৩৮৭।।
ভৃত্য মাত্ৰকতে যত পীড়াক গুচাৱে।
সংসাৰ সাগৰ তৰি ইসে মহানাৱে।।
হে কৃষ্ণ বন্দো হেৰা চৰণ তোম্হাৰ।
শ্ৰীৰাম চন্দ্ৰৰূপে ধৰি অৱতাৰ।।৩৮৮।।
........................................................ ইত্যাদি

গুৰুজনাৰ উক্ত অনুবাদকৰ্মত ‘মহাপুৰুষ’ মানে ঈশ্বৰ কৃষ্ণকে বুজোৱা হৈছে। মাধৱদেৱে নাম-ঘোষাৰ ‘মহিমা’ শীৰ্ষক পদত ‘মহাপুৰুষ’ শব্দটোৱে ভগৱানকে বুজাইছে। যথা-

‘তোম্হাত কহিবো সেহি শাস্ত্ৰ তুমি আক শুনিবাৰ পাত্ৰ
মহাপুৰুষৰ সেৱক তুমি সম্প্ৰতি।
ই শাস্ত্ৰৰ শ্ৰদ্ধা মাত্ৰকত মুকুন্দৰ পাদ পঙ্কজত
আতি শীঘ্ৰে তাৰ হুইবে জানা সতী মতি।।৬৫০।।

মূল শ্লোক ঃ তদহং তেহভিধাস্যাযি মহাপৌৰুষিকো ভৱান্।
য়স্য শ্ৰদ্ধধতামাশু স্যান্মুকুন্দে মতিঃ সতী।।
(ভাগৱত পুৰাণ, ২.১.১০)

প্ৰসিদ্ধ টীকাকাৰ শ্ৰীধৰ স্বামীৰ ভাষ্যমতে 'মহাপুৰুষ' শব্দই ঈশ্বৰ কৃষ্ণকে বুজায়। যথা- 'মহাপুৰুষং কৃষ্ণং প্ৰাপ্তুমৰ্হতীতি মহাপৌৰুষিকঃ।'

শঙ্কৰদেৱৰ ঐশ্বৰিকত্বৰ প্ৰথম উমান পাইছিল শিক্ষাগুৰু মহেন্দ্ৰ কন্দলিয়ে। '...তেনে পাঠশাল মচিবৰ নিবাৰ কৰি ওজা ছাত্ৰ পাতিলে। তাৰে পৰা ঈশ্বৰ বোধে মানে। সবাকে পাঠ দিয়াই, দেউ বোলায়। তাকে নসৈ ছাত্ৰ ভাগি মাধকন্দলিৰ শিষ্য ৰাঘ আচাৰ্য্যত কলেগৈ। পাচে তেঞ আহি মহিন্দ্ৰ কন্দলিক ধৰিলেহি, বোলে শূদ্ৰক হে ওজা কৈ বামুণক পাঠ দিওআ, দেউ বোলোৱা কিয় ?' ....

(কথা গুৰুচৰিত, সম্পাদক - উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, প্ৰথম প্ৰকাশ - ১৯৫২, পৃ. ২৬)

এইজনা সত্যদ্ৰষ্টা ব্ৰাহ্মণ পণ্ডিত মহেন্দ্ৰ কন্দলিয়েই 'শঙ্কৰ'ক 'দেৱ' অভিধাৰে বিভূষিত কৰি 'শঙ্কৰদেৱ' বুলি সামাজিকভাৱে স্বীকৃতি দিছিল।

শঙ্কৰদেৱক 'মহাপুৰুষ' বুলি প্ৰথম স্বীকৃতি দিছিল গুৰুজনাৰ এগৰাকী ব্ৰাহ্মণ অনুগামী দামোদৰদেৱে-

'পূৰ্বে মহাপুৰুষে কৰিলা দশস্কন্ধ।
কীৰ্ত্তন ভটিমা ছবি দুলৰী সুছন্দ।।
তাত কৰি সুগম কৰিয়ো ভাগৱত।
স্ত্ৰী শূদ্ৰ সৰ্বলোক বুজে যেন মত।।'

(ৰামৰায় দ্বিজ, গুৰুলীলা)

এনেবোৰ তথ্যৰ পৰা জানিব পাৰি যে 'দেৱত্ব' আৰু 'মহাপুৰুষ' শব্দ দুটাৰ মাজত তিলমানো প্ৰভেদ নাই। বিপুল শৰ্মাদেৱে **মাছ বুলি জিজিকে খাই** আছে যদিও ধৰিব পৰা নাই। দৰ্শনৰ তত্ত্ব মতে 'পুৰুষ' শব্দটোৱে 'আত্মা'ক বুজায়। 'মহাপুৰুষ' অথবা 'পৰমপুৰুষ' মানে পৰমাত্মা অৰ্থাৎ পৰমব্ৰহ্ম। মাধৱদেৱে নাম-ঘোষাৰ ঈশ্বৰ নিৰ্ণয় পটলত কৈছে -

"প্ৰকৃতি পুৰুষ দুইৰো নিয়ন্তা মাধৱ।
সমস্তৰে আত্মা হৰি পৰম বান্ধৱ।।৪০৫।।

## ময়ূৰ বৰা আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ

- অসমীয়া খবৰ, ১৯ ফেব্ৰুৱাৰী, ২০১২

".. এইটো একেবাৰে সত্য যে আমাৰ একাংশ লোকে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ উত্থানক সহজে ল'ব পৰা নাই। তাৰ বিভিন্ন কাৰণ আছে। সেয়েহে অতি প্ৰবল ধুমুহা এজাক আহি দিনক দিনে বাঢ়ি অহা বৰ গছজোপাৰ ডাল-পাত ভাঙি-ছিঙি গছজোপাক দুৰ্বল কৰিব বুলি কামনা কৰা লোকো নিশ্চয় আছে। সেই ধুমুহাৰ সুযোগ দিলে ময়ূৰ বৰাই নিজে। তেনে কামনা কৰা লোকৰ আনন্দৰ কথা এয়ে যে বৰা শঙ্কৰ সংঘ প্ৰতিষ্ঠাপক এজন সক্ৰিয় সদস্যৰ নাতিয়েক। এইখিনিতে এটা কথা কোৱা ভাল হ'ব যে এই লেখাটিৰ লিখক এতিয়ালৈকে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সদস্য হোৱা নাই। কিন্তু সংঘৰ বিভিন্ন কাৰ্যাৱলীৰ লগত সম্পৰ্ক ৰাখো। প্ৰায়বোৰ কাৰ্যসূচীৰ সম্পৰ্কে অৱগত। সকলোৱে স্বীকাৰ্য যে শ্ৰীমন্ত শঙ্কৰদেৱক মণিকূটৰ পৰা বৃহৎ অসমীয়া সমাজলৈ বাহিৰ কৰি আনিলে লক্ষ্মীনাথ বেজবৰুৱাই। অসমৰ পৰা জগতসভালৈ উলিয়াই আনিলে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই। সিদিনালৈকে শঙ্কৰদেৱক কেৱল কেইখনমান পত্ৰ আৰু নামঘৰৰ ভকতসকলৰ মাজতে আবদ্ধ কৰি ৰখাৰ কাৰণে অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্যই লিখিছিল - 'শঙ্কৰদেৱ/ দেখো জীৱনৰ/ চৰিত কেৱল ভকতত সীমা/ চৈতন্য জীৱন/ জগত ঘোষণ/ শ্মশানতে লয় শঙ্কৰৰ মহিমা।'

শঙ্কৰদেৱক জগতসভালৈ নিবলৈ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই যথেষ্ট প্ৰচেষ্টা লৈছে। শঙ্কৰদেৱে সৃষ্টি কৰা গীত, বাদ্য, নাটককে ধৰি সকলো কলা-সংস্কৃতি ভাৰতৰ অন্য ৰাজ্য আনকি আমেৰিকা, বিলাততো প্ৰচাৰৰ যো-জা কৰা হৈছে। অসমৰ এতিয়া লাখ লাখ মানুহ সংঘৰ সদস্য হৈছে। অসমৰ ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী, মহিলা, মাতৃসকলৰ কাৰণে যাৱতীয় কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। শিশু শিক্ষাৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়লৈকে শিক্ষাৰ আয়োজন কৰা হৈছে। অসমৰ বিভিন্ন ভাষাগোষ্ঠী যেনে - বড়ো, কাৰ্বি আদিৰ ভাষাত শঙ্কৰদেৱৰ দৰ্শন পুথি ৰচনা কৰি সকলো জনগোষ্ঠীৰ মাজত বিতৰণ হৈ আছে বুলি জানিব পাৰিছো। কীৰ্তন, ৰত্নাৱলী, নামঘোষা আদি শঙ্কৰ-মাধৱৰ যুগমীয়া কীৰ্তিবিলাক ইংৰাজী, হিন্দী ভাষালৈও অনূদিত কৰা হৈছে যাতে সকলো ভাষীয়ে শঙ্কৰদেৱৰ বিষয়ে জানিব পাৰে। অৱশ্যে কেৱল পুস্তিকা প্ৰচাৰৰ যোগেদি প্ৰকৃত প্ৰচাৰ হ'ব নোৱাৰে। কেৱল ধৰ্মৰ যোগেদিহে প্ৰকৃত প্ৰচাৰ হ'ব পাৰে। ....."

দণ্ডেশ্বৰ শইকীয়া

প্ৰতি,

দণ্ডেশ্বৰ শইকীয়া,

শইকীয়াদেৱ, আপুনি কোৱাৰ দৰে আৰু ভবাৰ দৰে ময়ূৰ বৰাদেৱে ভাবিব পৰা নাই। পৰা নাই এই কাৰণেই যে তেখেতে সঁঘৰ ভিতৰ চৰাৰ বিষয়ে জানিবলৈ হাবিয়াস কৰা নাই আৰু আক্ৰোশমূলক দৃষ্টিৰে সঁঘক নিৰীক্ষণ কৰিছে।

## এখন গ্ৰন্থই সৃষ্টি কৰা আলোড়ন

- আমাৰ অসম, ২০ ফেব্ৰুৱাৰী, ২০১২

"অগতানুগতিক বিষয় আৰু দৃষ্টিভংগীৰ এখন শক্তিশালী আৰু যুক্তিবাদী গ্ৰন্থই অসমৰ বৌদ্ধিক জগতত তোলপাৰ লগাইছে। তদুপৰি গ্ৰন্থখন প্ৰকাশ হোৱাৰ লগে লগেই অসমৰ সৰ্ববৃহৎ ধৰ্মীয় অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই বিগত কলিয়াবৰ অধিৱেশনৰ সময়ত কিতাপখন তৎমুহূৰ্ততেই নিষিদ্ধ ঘোষণা কৰিছিল। সেয়ে ভাবিছিলো যে এইখন গ্ৰন্থও ছাগৈ তিনি-চাৰি বছৰমানৰ আগতে প্ৰকাশ হোৱা অসমীয়া সমাজত বিভ্ৰাট সৃষ্টি কৰিবলৈ অপচেষ্টা কৰা তথাকথিত লেখক এজনৰ 'শংকৰ বিভ্ৰাট'জাতীয় গ্ৰন্থই হ'ব। তদুপৰি কিতাপখন 'সংঘ'ই নিষিদ্ধ কৰাৰ বাতৰি পাই এনে এটা ধাৰণাও কৰিছিলো যে ময়ূৰ বৰাই বোধকৰোঁ 'সংঘৰ বাৰ্ষিক অধিৱেশনৰ সময়ত সংঘৰ কৰ্মকৰ্তা আৰু সংঘৰ সেৱকসকলক অযথা আৰু অশালীনভাৱে মাত্ৰাধিক কঠোৰ ভাষা প্ৰয়োগ কৰি আটাইকে আঘাত কৰিলে। অৱশ্যে ময়ূৰ বৰা সম্পৰ্কে আমি যিখিনি জানিছোঁ আৰু শুনিছোঁ, তেওঁ মহাপুৰুষ শংকৰদেৱৰ বিষয়ে ইতিবাচক আৰু প্ৰগতিশীল দৃষ্টিভংগীৰে লেখা-মেলা আৰু চিন্তা-চৰ্চা কৰা এজন প্ৰতিশ্ৰুতিসম্পন্ন লেখক। তেওঁৰ চিন্তা-ভাৱনা আন বিষয়লৈকো প্ৰসাৰিত।

লেখক বৰাৰ শেহতীয়া গ্ৰন্থ 'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ'ই ইতিমধ্যে সকলো শ্ৰেণীৰে সচেতন লোকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে। মাত্ৰ দুদিনমানৰ আগতে কিতাপখন আমাৰ হাতত পৰাত পঢ়ি চাই লেখকৰ বক্তব্যৰ মৰ্ম অনুধাৱন কৰাৰ সুযোগ পালোঁ। কিতাপখন পঢ়ি প্ৰকৃততেই এজন সংবেদনশীল, নিৰ্ভীক আৰু মুক্ত মনৰ লেখকৰ মুখামুখি হোৱা যেন অনুভৱ কৰিলোঁ। তেওঁ যে স্পষ্টবাদী আৰু সাহসী মনৰ মানুহ, সেই কথা কোৱাৰ বোধকৰোঁ প্ৰয়োজন নাই। তাতে আমি তেওঁক সংঘৰ ভিতৰৰ মানুহ বুলিয়েই ভাবিছোঁ, বাহিৰৰতো নহয়েই।

... এনে বিচাৰ-বিশ্লেষণৰ যোগেদিয়েই ময়ূৰ বৰাই তেওঁৰ 'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ'খনৰ বক্তব্য উত্থাপন কৰি 'শ্ৰীমন্ত শংকৰদেৱ সংঘ'ৰ প্ৰতি আহ্বান জনাইছে 'পুনৰ জাগৰণ' আনিবৰ বাবে। ইয়াৰ লগতে তেওঁ প্ৰকাশ কৰিছে তেওঁৰ পৰম আশাবাদ। সেই উদ্দেশ্যে তেওঁ কৈছে - 'অদূৰ ভৱিষ্যতে অসমৰ জাতীয় জীৱনত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ভূমিকা অধিক ইতিবাচক আৰু আশাব্যঞ্জক হ'ব।'

আমাৰ ধাৰণা - লেখক ময়ূৰ বৰাৰ লক্ষ্য আৰু উদ্দেশ্য শ্ৰীমন্ত শংকৰদেৱ সংঘৰ দৰে অসমৰ সৰ্ববৃহৎ অনুষ্ঠানক একবিংশ শতিকাৰ উপযোগীকৈ গঢ়ি উঠাত আন্তৰিক সহযোগিতা আগবঢ়োৱাহে। সংঘৰ দৰে সুবিশাল অনুষ্ঠানে তেওঁ দিয়া পৰামৰ্শবোৰ বিচাৰ-বিশ্লেষণ কৰি চোৱা একান্তই প্ৰয়োজন। কিয়নো ময়ূৰ বৰাই যি প্ৰজন্মক, যিচাম নতুন ভাৱ-চিন্তাৰ মানুহৰ প্ৰতিনিধিত্ব কৰিছে, সেইসকলকো মনৰ মাজত উদয় হোৱা কথাবোৰ ক'বলৈ অনুমতি দিয়া উচিত আৰু তেওঁলোকৰ কথাও কাণ পাতি শুনা উচিত। সেয়ে 'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ' নামৰ কিতাপখনো সকলো পক্ষই পঢ়িব পাৰিলে ভাল।"

- প্ৰফুল্ল চন্দ্ৰ বৰা

প্ৰতি,

প্ৰফুল্ল চন্দ্ৰ বৰা,

ময়ূৰ বৰাৰ গ্ৰন্থখন শ্ৰীকান্ত দেৱশৰ্মাৰ 'শঙ্কৰ বিভ্ৰাট'ৰ দৰেই। এইখনৰ জানিবা নামটো বেলেগ। কথাবোৰে কিন্তু বিভ্ৰাট জন্মালে সকলোৰে মনত। বহুতো অসত্য কথাৰে মকৰাজাল তৰিলে ময়ূৰ বৰায়ে। বৰাদেৱ, আপুনি ছাগে গ্ৰন্থখন তন্নতন্নকৈ পঢ়া নাছিল। অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ বাবে অশ্যলীন আৰু কঠোৰ ভাষাৰ আৰ্হি থকা এখন ভাল গ্ৰন্থই হ'ব নিশ্চয়। এতিয়াও আপুনি গ্ৰন্থখন পঢ়ি চাবচোন। ময়ূৰ বৰাৰ সাহসৰ বিপৰীতে দুঃসাহসো কম নহয়। ময়ূৰ বৰা সঁঘৰ মানুহ নহয় কাৰণেই সঁঘৰ ভিতৰ চৰাৰ একো ভু-ভা নাপায়।

## শঙ্কৰ সংঘ আৰু ভূপেন হাজৰিকা

- অসমীয়া খবৰ, ২০ ফেব্ৰুৱাৰী, ২০১২

"..... উল্লেখযোগ্য যে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা বিশ্ববিশ্ৰুত সংগীতজ্ঞ আৰু অসমীয়াৰ হিয়াৰ আমঠু। তেনে এগৰাকী বিশ্ববৰেণ্য ব্যক্তিক, বিশেষকৈ মৃত্যুৰ পাছত শঙ্কৰ সংঘৰ মূধত বহা ভকতে সমালোচনা কৰাটো অতি নিৰ্লজ আৰু

ধিক্কাৰযোগ্য। অসমীয়া জাতিৰ পৰিচায়ক সুধাকণ্ঠ ড° ভূপেন হাজৰিকা ভাৰতৰ উপৰি বিদেশতো জনাজাত। তেওঁৰ সমকক্ষ বাদেই কেঞা আঙুলি এটাৰ যোগ্যও শঙ্কৰ সংঘত কোনোবা আছেনে? ড° হাজৰিকাক অসমৰ ভকত-অভকত, সংঘ-অনাসংঘৰ সকলোৰেই জানে। কিন্তু শঙ্কৰ সংঘৰ মূধৰ ভকতজনক কিমানে জানে? জ্ঞানীজনেহে জ্ঞানীৰ মোল বুজে। ধৰ্মৰ কথাত পাৰ্গত হ'লেই জ্ঞানী বুলি ভবা অনুচিত। অন্ধবিশ্বাসৰ আশ্ৰয় লৈ ধৰ্ম কৰি পণ্ডিত বুলি ভাবিয়েই ড° ভূপেন হাজৰিকাক সমালোচনা কৰি বাঃ বাঃ পোৱা বুলি কোনোবাই ভাবিছে যদি প্ৰকৃতাৰ্থত হাঁহিয়তাৰ পাত্ৰহে হৈছে। আমাৰ প্ৰশ্ন - যি শঙ্কৰ সংঘই অসমীয়া জাতীয় বীৰক অপমান কৰিবলৈ কুণ্ঠাবোধ নকৰে সেই অনুষ্ঠানক অসমীয়াই একমুখে নিন্দা কৰা উচিত। প্ৰথমে আত্মসমালোচনা কৰক, তাৰ পাছত অন্যক সমালোচনা কৰিব। মনত ৰখা উচিত, যি ধৰ্মই আনক নিন্দা কৰে সেই ধৰ্মক আনেও নিন্দা কৰে। শঙ্কৰদেৱৰ আদৰ্শক পঞ্চমুখে বখানাসকলে এবাৰ শঙ্কৰদেৱৰ - 'নিনিন্দিবা-নবঞ্চিবা' কথাষাৰ উপলব্ধি কৰক। শঙ্কৰদেৱে অসমীয়া জাতিক সকলো প্ৰকাৰে ঐক্যৰ দোলেৰে বান্ধিছিল আৰু আজি শঙ্কৰদেৱক আশ্ৰয় কৰি অসমীয়া জাতিক থানবান কৰাৰ চেষ্টা কৰিছে ধৰ্মৰ নামত।"

- গগন চেতীয়া,
ৰাজগড়, গুৱাহাটী

প্ৰতি,

গগন চেতীয়া,

আপোনাৰ কথাবোৰ কিবা '**ওলোটা বুজিলি ৰাম**'ৰ দৰে হৈছে। শঙ্কৰদেৱ, মহাত্মাগান্ধী আৰু বিশ্ববৰেণ্য বহু পণ্ডিত সমালোচনাৰ সমুখীন নোহোৱাকৈ থকা নাই। গতিকে ভূপেন হাজৰিকাক সমালোচনা কৰা মানে অসন্মান কৰা নুবুজায় আৰু এইটো লাজৰ কথা আৰু ধিক্কাৰযোগ্য কথা হ'বও নোৱাৰে। সঙ্ঘই হওক বা অনাসঙ্ঘই হওক বিখ্যাত হ'বৰ বাবে মূধত নহবে। ভগৱান বিশ্বাস কৰা এইসকলক আনে নাজানিলেও ভগৱানে জানে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘত অন্ধবিশ্বাস নাই - ভক্তিধৰ্ম হে আছে। অন্ধবিশ্বাস, কুসংস্কাৰ নিৰ্মূল কৰিবৰ বাবে সঙ্ঘই অভিযানহে আৰম্ভ কৰিছে। সঙ্ঘৰ বাহিৰৰ থান-বান হৈ থকা সমাজখনক একত্ৰিত কৰাৰ কিবা পৰিকল্পনা কৰিছে নেকি?

## বৰগীত বিকৃতি

- অসমীয়া খবৰ, ২০ ফেব্ৰুৱাৰী, ২০১২

".... কোনো আত্মমৰ্যাদাৰ প্ৰতি সচেতন জনগণে থলুৱা ভাষা, কৃষ্টি বিকৃত হোৱাটো বাঞ্ছা নকৰে। এনে ব্যক্তি, সংগঠনে অসমৰ লোক-সংস্কৃতি, লোকগীত, বৰগীত ইত্যাদি বিকৃত হোৱাটো নিবিচাৰে, ভূপেন হাজৰিকাৰ গীত ৰিমিক্স বিচৰা নাই, দুজনা মহাপুৰুষ শঙ্কৰ-মাধৱৰ গীত, বাদ্য সাংগীতিক বিকৃতিও কোনো জাতিপ্ৰেমী লোকেই আশা নকৰে - লাগে তেওঁ ড° ভূপেন হাজৰিকাই হওক। ড° ভূপেন হাজৰিকাৰ প্ৰসংগত অভিযোগটো উত্থাপন কৰাটো সমীচীন আছিল। কাকতত প্ৰকাশ পোৱা মতে গৱেষকজনাই উল্লিখিত বৰগীতটি শিল্পীজনাৰ জীৱিত কালত শুনিছিল নে নাই অথবা ইয়াৰ প্ৰতিকাৰ বিচাৰিছিল নে নাই আমাৰ জ্ঞাত নহয়। আমি বিচাৰো, অকল 'শুন শুন ৰে সুৰ বৈৰী প্ৰমাণা....'ই নহয়, যদি তেনে বিকৃতি অন্যান্য বৰগীত, লোকবাদ্য সংগতৰ ক্ষেত্ৰত ঘটিছে, সেইখিনি শুদ্ধ ৰূপত পৰিৱেশন কৰোৱাৰ দিহা কৰিলে অসমীয়া সমাজৰ স্বকীয়তা ৰক্ষাত নিশ্চয় সহায়ক হ'ব। আমাৰ তৰফৰ পৰা গৱেষকজনালৈ সশ্ৰদ্ধ প্ৰণাম।"

- অশোক দাস, গোলাঘাট

প্ৰতি,

অশোক দাস,

হয়, গাখীৰত পানী মিহলাই ভেজাল কৰিলে কোনেও ভাল নাপায়। বিশ্ববিখ্যাত হ'লেও ভুল হোৱাটো স্বাভাৱিক। গুৰুজনাৰ গীত, নৃত্য, বাদ্য সকলোবোৰ সম্পদৰেই স্থান-কাল ভেদে উচিত প্ৰয়োগ হ'ব লাগে।

## সমালোচনা ৰীতিৰ তুলাচনীত 'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ'

- অসমীয়া খবৰ, ২০ ফেব্ৰুৱাৰী, ২০১২

".... সমালোচনা গঠনমূলক হোৱা উচিত - সেইটোৱেই সৰ্বজন গ্ৰহণযোগ্য নীতি। সমালোচনা গঠনমূলক বা ধ্বংসাত্মক হোৱা-নোহোৱাটো নিৰ্ভৰ কৰে ভাষাৰ ওপৰত থকা নিয়ন্ত্ৰণ বা ভাৱৰ প্ৰকাশ ভংগীৰ ওপৰত। আমাৰ দৃষ্টিৰে ময়ূৰ বৰাই সংঘক সমালোচনা কৰিবলৈ গৈ ভাষাৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই পেলাইছে।

সমালোচনা বুলি ক'লেই বস্তুনিষ্ঠ আৰু যুক্তিপূৰ্ণ হোৱা প্ৰয়োজন। ময়ূৰ বৰাই 'অকণমান ব্যক্তিগত'ত 'অনুষ্ঠানটোৰ

কৰ্মপদ্ধতিত পৰিলক্ষিত হোৱা দুৰ্বলতাসমূহক বস্তুনিষ্ঠ ভাৱে উপস্থাপন কৰাৰ প্ৰয়াস কৰিছোঁ' বুলি লিখিছে যদিও তেওঁৰ বহুখিনি কথাই বস্তুনিষ্ঠ আৰু যুক্তিপূৰ্ণ নহয়। উদাহৰণ স্বৰূপে সংঘই 'শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ নামত ভেকোঁভাওনা' কৰিছে বুলি লিখাটো বস্তুনিষ্ঠ কথা হ'বই নোৱাৰে। সদ্য প্ৰকাশিত **'শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ইতিহাস'**ত 'মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়'ৰ 'অগ্ৰগতিৰ খতিয়ান' তথ্যপূৰ্ণভাৱে দাঙি ধৰিছে। তেওঁ উক্ত কথাষাৰ লিখাৰ পূৰ্বে সংশ্লিষ্টসকলৰ পৰা দুটামান তথ্য সংগ্ৰহ কৰাটো প্ৰয়োজন আছিল। আনহাতে ময়ূৰ বৰাই কৈছে - 'ড° নগেন শইকীয়া ১৯৭৫ চনৰ দেৰগাঁও অধিৱেশনতে এক ভৱিষ্যদৰ্শী চিন্তাৰে শঙ্কৰ সংঘক কিছু আৱাসিক বিদ্যালয় স্থাপন কৰাৰ পৰামৰ্শ দিছিল। ... কিন্তু আজি ছয়ত্ৰিশ বছৰ পাৰ হৈ যোৱাৰ পাছতো তেনে কোনো স্থায়ী কামৰ বাবে সংঘই নূন্যতম আগ্ৰহ প্ৰদৰ্শন কৰা নাই' (পৃ. ৬২)। তেওঁৰ এই কথাষাৰো তথ্যভিত্তিক নহয়। সদ্য প্ৰকাশিত 'শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ইতিহাস'ত পঢ়িবলৈ পোৱা মতে সংঘই 'শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়' নামকৰণেৰে সমগ্ৰ অসমত মুঠ ৫২ খন বিদ্যালয় পৰিচালনা কৰি আছে আৰু সেই সকলো বিদ্যালয়ৰ নাম, ঠিকনা আৰু স্থাপিত চন উক্ত গ্ৰন্থত উল্লেখ কৰা হৈছে (পৃ. ১২৭-১৩০)। সেয়েহে ক'ব বিচাৰো যে সমালোচকে যিটো প্ৰসংগত লিখাটো প্ৰয়োজন বুলি ভাৱে, সেই প্ৰসংগৰ কিছু তথ্য-পাতি সংগ্ৰহ কৰিবলৈ চেষ্টা কৰা প্ৰয়োজন। তেনে তথ্য-পাতিৰ আধাৰত সমালোচনা কৰিলেহে তেনে সমালোচনাক 'বস্তুনিষ্ঠ' সমালোচনা বুলি কোৱা হয়। তেনেজন সমালোচকৰহে সমাজত গ্ৰহণযোগ্যতা তথা বিশ্বাসযোগ্যতা অটুত থাকে।

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এটা বিশেষ গুণৰ কথাও তেওঁৰ গ্ৰন্থত প্ৰকাশ পাইছে। তেওঁ লিখিছে - 'বৰ্তমানলৈকে আমি গম পোৱাত কেন্দ্ৰীয় নেতৃত্বৰ পৃষ্ঠপোষকতাত বিশেষ বিত্তীয় বিশৃংখলতা হোৱা নাই' (পৃ. ৭২)। আজিৰ ভোগবাদী যুগত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ দৰে লাখ লাখ সদস্য থকা এটা অনুষ্ঠান 'বিত্তীয় বিশৃঙ্খলতা'ৰ পৰা মুক্ত হৈ থাকিব পৰাটো অত্যন্ত প্ৰশংসনীয় আৰু অনুকৰণীয় কথা। সংঘৰ নেতৃবৃন্দৰ ক্ষেত্ৰত তেওঁ যিদৰে বহুখিনি অপৰিশীলিত ভাষা ব্যৱহাৰ কৰিলে (ইতিপূৰ্বে উল্লেখ কৰাৰ দৰে), সেইদৰে বিত্তীয় শৃঙ্খলা বজাই ৰখা ক্ষেত্ৰতো ময়ূৰ বৰাই এটা হ'লেও প্ৰশংসাসূচক তথা প্ৰেৰণাদায়ক বাক্য ব্যৱহাৰ কৰিব পাৰিলেহেঁতেন। সমালোচকৰ কাম কেৱল বেয়াখিনি উদঙাই দিয়াই নহয়, যদিহে কিবা ভাল গুণ দেখা পায় তাৰো প্ৰশংসা কৰাৰ দৰকাৰ। তেনে সমালোচনাইহে মানুহক প্ৰেৰণা যোগাব পাৰে।

বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিৰ প্ৰসংগত মানুহৰ মাজত কিছুমান কথা প্ৰচলিত হৈ থাকে। ইতিহাস ৰচনা কৰোঁতে কিংবদন্তিক যেনেদৰে একেবাৰে অস্বীকাৰ কৰিব নোৱাৰি, তেনেদৰে সমালোচনাৰ প্ৰসংগতো লোক মুখত প্ৰচলিত কথাবিলাক একেবাৰে মূল্যহীন বুলি ক'ব নোৱাৰি। কিন্তু কেৱল কিংবদন্তিক লৈ ইতিহাস ৰচনা কৰিলে যেনেদৰে ইতিহাস বুলি ক'ব নোৱাৰি, তেনেদৰে কেৱল মানুহৰ মুখে মুখে প্ৰচলিত কিছুমান কথাৰ আধাৰত কাৰোবাক সমালোচনা কৰিলেও তেনে সমালোচনাক প্ৰকৃততে বস্তুনিষ্ঠ তথা সুস্থ সমালোচনা বুলি ক'ব নোৱাৰি। ময়ূৰ বৰাই ইতিহাসৰ ছাত্ৰ হিচাপে সেই কথা উপলব্ধি কৰিব পাৰিব লাগিছিল। তেওঁ সমাজত মুখে মুখে প্ৰচলিত হৈ থকা কিছুমান কথাৰ গাতে ভেজা দিও সংঘক সমালোচনা কৰিছে। সুস্থ সমালোচনাৰ ক্ষেত্ৰত তেনে নীতি গ্ৰহণযোগ্য হ'ব নোৱাৰে।

ময়ূৰ বৰাই কোনো এখন সংবাদ পত্ৰত প্ৰকাশিত বাতৰিৰ আধাৰত সংঘৰ বাৰ্ষিক অধিৱেশনৰ '৩০ হেজাৰ বৰ্গফুট আয়তনৰ' দুটা ভোজনালয় আৰু '২০ হেজাৰ বৰ্গফুট' আয়তনৰ 'ৰন্ধনশালা'ৰ অন্তৰ্গত ৩০০ চৌকাৰ বৰ্ণনাও দাঙি ধৰিছে। কথাটো সত্য। কিন্তু এই বিশাল ৰন্ধনশালা তথা ভোজনালয়ে অসমৰ সমাজলৈ এটা মহান বাৰ্তা প্ৰেৰণ কৰে। সেই বাৰ্তাটো হৈছে, এই ভোজনালয়ত জাতি-বৰ্ণ নিৰ্বিশেষে ধনী-দুখীয়া, শিক্ষিত-অশিক্ষিত, ইংৰাজী জনা-নজনা, বুদ্ধিজীৱী-সৰ্বসাধাৰণ লোক, পুৰুষ-মহিলা আদি সকলো শ্ৰেণীৰ, সকলো স্তৰৰ লোকেই একেটা চৰুতে একেডাল পাগমাৰিৰেই অন্ন মুঠি ধৰিব পাৰে। তুলনামূলকভাৱে হ'লেও সংঘই লাখ লাখ মানুহৰ মাজত এটা সমতা স্থাপন কৰিব পাৰিছে। সত্ৰীয়া ব্যৱস্থা অথবা মাহেকীয়া বা বামুণীয়া সমাজত এনে কথা সপোনৰো অগোচৰ। সত্ৰ মহাসভাৰ এশজন সত্ৰাধিকাৰ গোট খালে এশটা চৰুৰ প্ৰয়োজন হয়। মাহেকীয়া বা বামুণীয়া পন্থত দেখিছো - একে সত্ৰৰ শিচ হ'লৈও বামুণৰ কায়স্থৰ হাতে নচলে, কায়স্থৰ বামুণ-কলিতাৰ হাতে নচলে, কলিতাৰ কোঁচৰ হাতে নচলে, কোঁচৰো আকৌ চুতীয়াৰ হাতে নচলে, বিপৰীতে চুতীয়াৰো কোঁচৰ হাতে নচলে, তেনেদৰে তথাকথিত নীহকুলীয়া হিচাপে সমাজত পৰম্পৰাগতভাৱে পৰিচিতসকলৰ হাতে আকৌ কাৰোৰেই নচলে - এনেদৰে স্তৰে স্তৰে আমাৰ পৰম্পৰাগত বৰ্ণ-বৈষম্যমূলক সমাজ ব্যৱস্থা চলি আহিছে। আনহাতে একে সম্প্ৰদায়ৰ ভকত হ'লেও আকৌ এখন সত্ৰৰ শিচৰ হাতে অন্য এখন সত্ৰৰ শিচে অন্নমুঠি গ্ৰহণ কৰিলে ধৰ্মভ্ৰষ্ট হয়। এইবিলাক কথা বাস্তৱ সত্য, কোনেও অস্বীকাৰ কৰিব নোৱাৰে। অসমত জন্মগ্ৰহণ কৰা মহা মহা পণ্ডিত, বুদ্ধিজীৱী, ইংৰাজীত সলসলীয়াকৈ ভাষণ দিব পৰা গৱেষক-সাংবাদিক কোনেও সমাজৰ এই ব্যৱস্থাক সলাবলৈ সক্ষম হোৱা নাই। কিন্তু 'শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ বৌদ্ধিকভাৱে দিশহাৰা' হ'লেও (ময়ূৰ বৰাৰ মতে) সংঘৰ প্ৰচেষ্টাতে একেটা চৰু, একেডাল টাৰুৰে অন্ন মুঠি ধৰিব পৰা লোকৰ সংখ্যা বৰ্তমান বহু লাখ হৈছেগৈ। অসমত এনে দৃশ্য অন্যত্ৰ দেখিবলৈ পোৱাটো দূৰৈৰে কথা, সম্ভৱতঃ ভাৰততো দেখিবলৈ পোৱা যায় নে নেযায় তাত সন্দেহ

আছে। আমাৰ দৃষ্টিৰে এইটোৰেই হৈছে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ মহৎ সফলতা। অন্যান্য বৌদ্ধিক, ধৰ্মীয়-সামাজিক সফলতা-বিফলতাসমূহৰ আলোচনালৈ নগৈও ক'ব পাৰি যে জাত-পাতৰ বিচাৰ পাহৰি একেটা চৰুতে, একেডাল টাৰুৰে লাখ লাখ লোকে অন্ন মুঠি গ্ৰহণ কৰাৰ বাণীটো সমাজৰ সৰ্বশ্ৰেণীৰ লোকৰ মাজত বছৰি বছৰি বিলাই থাকিবৰ বাবেই এনে 'মেলা'ৰ প্ৰয়োজন। তাৰ প্ৰধান কাৰণ হৈছে, যিমানেই বৌদ্ধিক কচৰৎ কৰক নেলাগে বুদ্ধিজীৱীৰ বাণী গ্ৰন্থ বা বাতৰি কাকতৰ পৃষ্ঠাতে আৱদ্ধ থাকে। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই তাক বাস্তৱত ৰূপায়িত কৰি দেখুৱাবলৈ সক্ষম হৈছে। ময়ূৰ বৰাই শ্লেষাত্মকভাৱে কেৱল ৩০০ চৌকাৰ কথাই নিলিখি তাৰ যোগেদি সংঘই সমাজ জীৱনলৈ অহৰহ প্ৰেৰণ কৰি থকা উক্ত মহান বাণী বা বাৰ্তা (message)টোৰ কথাও উনুকিয়াব লাগিছিল। সমালোচক হিচাপে ময়ূৰ বৰাই এই ক্ষেত্ৰতো নিৰপেক্ষতা ৰক্ষা কৰিব পৰা নাই।

ময়ূৰ বৰাৰ গ্ৰন্থখন সূক্ষ্মভাৱে বিশ্লেষণ কৰিলে এনে ভাৱ হয় - তেওঁ যেন দ্বিধাগ্ৰস্ততাত ভূগিছে। এহাতে তেওঁক স্থিতাৱস্থাৰ বিৰোধী যেন লাগে, আকৌ আনহাতে তেওঁক স্থিতাৱস্থাৰ পক্ষপাতী যেন লাগে। গ্ৰন্থখন পঢ়ি আমাৰ ভাৱ হৈছে - তেওঁ যেন অন্তৰ্দ্বন্দত ভূগি আছে। যি কি নহওক, উক্ত দুটা পক্ষৰ মাজত যুগ যুগ সংঘাত চলি আহিছে। তাৰ ফলশ্ৰুতিতে বৰ্তমান আমি তুলনামূলকভাৱে এখন মুক্ত তথা গণতান্ত্ৰিক সমাজত বাস কৰিব পাৰিছো। ভাৰতৰ ধৰ্মীয়-সামাজিক, ৰাজনৈতিক তথা শিক্ষাৰ ইতিহাস চৰ্চা কৰিলে এইবিলাক কথা বুজিব পাৰি। যিসকলে স্থিতাৱস্থাৰ বিৰুদ্ধে যুঁজি আহিছে, সেইসকলেহে সমাজখন আগুৱাই নিয়াত সহায় কৰিছে - এয়ে ইতিহাসৰ শিক্ষা। সেয়েহে ক'ব বিচাৰো যে বিশেষকৈ ধৰ্মীয়-সামাজিক সমস্যাৰ সমাধান উলিয়াবলৈ যত্ন কৰিলে তেনে সমস্যাসমূহ প্ৰথমে ধৰ্মীয়-সামাজিক ইতিহাসৰ পটভূমিত থৈ তন্ন তন্নকৈ বিশ্লেষণ কৰাৰ প্ৰয়োজন হয়।..."

- হেম চন্দ্ৰ শইকীয়া

ফোন - ৯৮৫৪১-২২১৯৪

প্ৰতি,

হেমচন্দ্ৰ শইকীয়া,

শইকীয়াদেৱে ঠিকেই ধৰিব পাৰিছে যে ময়ূৰ বৰাদেৱে **'নগৈ গড়গাঁৱৰ বতৰা দিবলৈ'** গৈহে বিপাঙত পৰিছে। ৰান্ধনিয়ে আঞ্জাত নিমখ চোকা কৰাৰ দৰে বৰাৰ ভাষায়ো পাঠকৰ জিভাত ধৰি গৈছে। শইকীয়াদেৱ, সঁঘৰ ভকতে জাত-পাত এৰি একেটা পাগতে খোৱাৰ বাবে বহুতেই আকৌ সঁঘৰ সঙ্গীক ব্যভিচাৰী বুলিহে কয়! ময়ূৰ বৰাদেৱে অন্তৰ্দ্বন্দত ভূগি আছে যদি ককাকৰ পক্ষ ললেই দেখোন মনৰ বেমাৰটো জনি মৰিব। নে কি কয়?

## শঙ্কৰদেৱ আন্দোলন আৰম্ভ হওক

- অসমীয়া খবৰ, ২৩ ফেব্ৰুৱাৰী, ২০১২

"....শঙ্কৰদেৱ গুৰুজনাৰ এক প্ৰধান অনুসৰণকাৰী সংগঠন হ'ল - 'শঙ্কৰ সংঘ'। এসময়ত যাক সবল নেতৃত্ব দিছিল নীলমণি ফুকন আৰু ডিম্বেশ্বৰ নেওগৰ দৰে মহীৰুহয়ে। কিন্তু পৰম আশ্চৰ্যৰ কথা হ'ল - শঙ্কৰদেৱৰ আদৰ্শ, প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে প্ৰতিষ্ঠাপিত এই সংঘৰ কিছু কাৰ্যকলাপে শঙ্কৰদেৱ গুৰুজনাক যে বহু ক্ৰোশ পিছুৱাই লৈ গৈছে - সি দিনৰ পোহৰৰ দৰে এক সত্য ঘটনা। শঙ্কৰদেৱ গুৰুজনাই জাতিভেদৰ প্ৰাচীৰ ভাঙি, যি মহাবিশ্বৰ, মহাভাৰতৰ সন্ধান কৰিছিল, ব্ৰহ্মাণ্ড ভেদি যি বোৱাই দিছিল প্ৰেম অমৃতৰ নদী, সেইজন গুৰুৰ আদৰ্শৰ ওপৰত প্ৰতিষ্ঠাপিত সংঘৰ বহু সদস্য আৰু বিষয়ববীয়াই অন্য লোকৰ লগত উঠা-বহা, খোৱা-লোৱাত আৰু চাল-চলন কৰিবলৈ টান পায়। কয় এই কাৰ্য তেওঁলোকৰ আদৰ্শৰ পৰিপন্থী। তেন্তে ক'ত গ'ল গাৰোৰ গোবিন্দ, মুছলমানৰ চান্দসাই, মিচিঙৰ পুৰুষোত্তম? ই কেনে আদৰ্শ? শঙ্কৰদেৱ কাৰোৰে একচেতীয়া সম্পত্তি নহয়। অসমত জন্ম লৈও তেওঁ বিশ্বৰ। বিশ্ব সংস্কৃতিৰে পূৰ্ণ আছিল তেওঁৰ মন, বোধ, চিত্ত।......"

ৰাজীৱ দত্ত,

মাজুলী,

ফোন - ৯৪০১৫-৩৬৫৫৪

প্ৰতি,

ৰাজীৱ দত্ত,

দত্তদেৱ, আপুনি সমাজক শঙ্কৰদেৱ আন্দোলন আৰম্ভ কৰিবৰ বাবে আহ্বান জনাইছে। তাক আমি এশ শতাংশই আহ্বান জনাইছোঁ। কিন্তু আন্দোলন এটা কৰিবলৈ যাওঁতে লক্ষ্য-উদ্দেশ্য আৰু নীতি-নিয়ম লাগিব। শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘইও গুৰুজনাৰ আদৰ্শৰেই আন্দোলন কৰি আহিছে আজি চাৰিকুৰি বছৰে। আপোনাৰ প্ৰশ্ন হৈছে সঁঘৰ সঙ্গীয়ে আনৰ লগত খোৱা-বোৱা, উঠা-

বহা কিয় নকৰে? দত্তদেৱ, সঙ্ঘৰ মজিয়াত কিন্তু জাত-পাত, খোৱা-বোৱাৰ বিচাৰ নাই। এই বিষয়ে গ্ৰন্থৰ অন্যান্য স্থানত আমি আলোচনা কৰিছোঁ। আপুনি ডিম্বেশ্বৰ নেওগৰ কথা কলে যেতিয়া তেখেতৰ কথাৰেই আপোনাক কওঁ "**আমি অৱশ্যে এইটোও দুখেৰে মন কৰিছোঁ, শঙ্কৰ সঙ্ঘ কিয়, শঙ্কৰী মনৰো চাৰি সীমাৰ ভিতৰত ভৰি নিদিয়া অনেক বন্ধুৰ শঙ্কৰ প্ৰীতিটো পূৰ্ণিমাই আঁউসীয়ে উক দিয়ে আৰু অ'ত ত'ত থপিয়াই শঙ্কৰদেৱে শ্ৰাদ্ধবিধি-পূজা-পাতল আৰু অন্য দেৱ-দেৱী নিজে মনা আৰু আনকো মানিবলৈ কোৱা, মত বিচাৰিবলৈ প্ৰয়াস পায়। 'ধেকিত মহে খালে। উৰালত ফৰফৰালে।।' সেইদৰেই এওঁলোকৰ কোনো কোনোৱে আকৌ প্ৰায় পুৰুষানুক্ৰমেই চকুত টোপনি নোহোৱাকৈ ভাৰিছে। জগতগুৰু শঙ্কৰদেৱৰ গুৰু কোন? এইবোৰ আহুকালে তেওঁলোকক, খাই মৰাত, মোৰ এটা কাহিনী মনত পৰিছে। কোনোবা এজন বিধৰ্মীয়ে হেনো জগন্নাথ মন্দিৰৰ বাহিৰত মূৰ্ত্তিবোৰৰ অশ্লিলতা দেখি 'আপছোচ' কৰি তাৰ কাৰণ সোধাত তাৰ উত্তৰ পাইছিল - বাহিৰত সকলোবোৰেই এনেকুৱা অশ্লীল, যদি শ্লিল আৰু শুদ্ধবস্তু চাব খোজা, তেন্তে ভিতৰ সোমাই আঁহা। এই সমালোচক বন্ধুসকলৰ প্ৰতিও আমাৰ একে অনুৰোধ। তাকে নকৰিলে তেওঁলোকৰ 'অব্যাপাৰেষু ব্যাপাৰঃ' দোষ ঘটিব আৰু তেনে দোষত পঞ্চতন্ত্ৰৰ বান্দৰ ভায়াসকলৰ কি দশা ঘটিছিল, তাক তেওঁলোকে স্মৰণ কৰিব।**"

(শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰসকলৰ অভিভাষণ ঃ সঙ্কলক-সম্পাদক - জীৱকান্ত নাথ, প্ৰকাশ - ২০০৫, পৃ. ৪০)

দত্তদেৱকো আহ্বান জনাওঁ গুৰুজনাৰ শাস্ত্ৰৰাজি বিশেষকৈ 'ভক্তি প্ৰদীপ' খনিৰ ভিতৰলৈ সোমাবচোন; উত্তৰ নিজেই বিচাৰি পাব।

## চিন্তাৰ স্বাধীনতা হৰণ

- অসমীয়া খবৰ, ২৩ ফেব্ৰুৱাৰী, ২০১২

"এটা ধৰ্মীয় অনুষ্ঠানে ময়ূৰ বৰাৰ এখন গ্ৰন্থৰ বিক্ৰী নিষিদ্ধ কৰাক লৈ দেৱকান্ত সন্দিকৈয়ে বাতৰি কাকতৰ জৰিয়তে ধৰ্মীয় অনুষ্ঠানটোৰ কাৰ্যক তীব্ৰ সমালোচনা কৰিলে। কিন্তু ৰহস্যজনকভাৱে অনুষ্ঠানটোৰ নাম প্ৰকাশ নকৰিলে। তেওঁ অনুষ্ঠানটোৰ কৰ্তৃপক্ষক দোষাৰোপ কৰি লিখিলে যে ময়ূৰ বৰাৰ গ্ৰন্থখন নিষিদ্ধকৰণৰ দ্বাৰা অনুষ্ঠানটোৱে বৰাৰ চিন্তাৰ স্বাধীনতা আৰু বাক্ স্বাধীনতা হৰণ কৰিলে। আমি জনাত মানুহৰ চিন্তাৰ স্বাধীনতাৰ লগত অন্য মানুহৰ কোনো হাত নাই। মানুহ সদায়েই চিন্তা কৰাৰ ক্ষেত্ৰত স্বাধীন। বাক্ স্বাধীনতা ৰাষ্ট্ৰৰ দ্বাৰা প্ৰদত্ত সাংবিধানিক অধিকাৰ। ৰাষ্ট্ৰইহে প্ৰয়োজনবোধে সংবিধানপ্ৰদত্ত বাক্ স্বাধীনতা হৰণ কৰিব পাৰে। আন কোনো অনুষ্ঠানৰ বাক্ স্বাধীনতা হৰণ কৰাৰ অধিকাৰ নাই। বাক্ স্বাধীনতা গণতান্ত্ৰিক ৰাষ্ট্ৰৰ দ্বাৰা জনসাধাৰণক দিয়া সাংবিধানিক অধিকাৰ। সন্দিকৈয়ে কেনেকৈ লিখিলে যে ধৰ্মীয় অনুষ্ঠানটোৱে বৰাৰ চিন্তাৰ আৰু বাক্ স্বাধীনতা হৰণ কৰিলে? প্ৰকৃততে গ্ৰন্থখন নিষিদ্ধকৰণৰ দ্বাৰা বৰাৰ কোনো সাংবিধানিক অধিকাৰ খৰ্ব হোৱা নাই। গতিকে সন্দিকৈৰ অভিযোগ সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়।

ধৰ্মৰ নিচিনা এটা স্পৰ্শকাতৰ বিষয়ক বিতৰ্কিত বিষয়টোৰ লগত জড়িত কৰি সন্দিকৈয়ে সমালোচনা কৰাটো ধৰ্ম বিশ্বাসী মানুহৰ মনত আঘাত দিয়া আৰু সাম্প্ৰদায়িক মনৰহে পৰিচায়ক। এনে কাৰ্য সমাজৰ বাবে বিপজ্জনক। অকল সেয়ে নহয়, বিশ্বাসে মিলয় হৰিতকৈ বহুদূৰ উপদেশমূলক কথাষাৰৰ অৰ্থ ভুলকৈ কৰি অনৰ্থহে কৰিছে। কথাষাৰৰ গুঢ় অৰ্থ আছে। ইয়াৰ অৰ্থ দৰ্শন, পুৰাণ আদি শাস্ত্ৰৰ লগত জড়িত। সন্দিকৈৰ অপব্যাখ্যাৰ দ্বাৰা সমাজ বিভ্ৰান্ত হোৱাৰহে সম্ভাৱনা আছে আৰু ই একশ্ৰেণী মানুহৰ বাবে যিসকলৰ ধৰ্ম সম্পৰ্কে কোনো জ্ঞান নাই, তেওঁলোকৰ বাবে ই হ'ব উচটনিমূলক, সমাজৰ ক্ষতিকাৰক।...."

বিমলেন্দু ভট্টাচাৰ্য.<br>ভি আই পি চ'ক,<br>গুৱাহাটী বিমানবন্দৰ,<br>গুৱাহাটী - ১৫

প্ৰতি,

বিমলেন্দু ভট্টাচাৰ্য,

ভট্টাচাৰ্যদেৱ, আপুনি ঠিকেই কৈছে। সঙ্ঘই ময়ূৰ বৰাৰ বাক্ স্বাধীনতা বন্ধ কৰিব নোৱাৰে। বৰাৰ গ্ৰন্থখন কেৱল সঙ্ঘই অধিৱেশনস্থলীতহে বিক্ৰী নিষিদ্ধ কৰিছিল কেইবাটাও কাৰণত। ভাৰতবৰ্ষৰ দৰে এখন ভাৱবাদী দেশত ধৰ্মীয় মূল্যবোধক আঘাত কৰাটো কাৰোৱে বাবে কাম্য নহয়।

## পথভ্ৰষ্ট হৈছে কোন? (১)

- অসমীয়া খবৰ, ২৪ ফেব্ৰুৱাৰী, ২০১২

"... বিশ্বৰ কোনো ব্যক্তি বা অনুষ্ঠানেই সমালোচনাৰ উৰ্দ্ধত নহয়। শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘও তাৰ ব্যতিক্ৰম হ'ব নোৱাৰে। সেয়ে সংঘকো সমালোচনাৰ কষতি শিলাই ঘঁহাই চাৰিকুৰি বছৰীয়া মসৃণ গতিপথ অতিক্ৰম কৰি আহোতে গাত লাগি ধৰা ধূলি-মাকতি জোকাৰি ফট্‌ফটীয়া কৰি লোৱাটো সকলোৱে বিচাৰে। কিন্তু সমালোচনাৰ নীতি আৰু পথ শুদ্ধ নহ'লে তেনে সমালোচনা হৈ পৰে নিন্দাসূচক পদহে। বৰাৰ উদ্দেশ্য সৎ আছিল বুলিয়ে তেওঁ প্ৰকাশ কৰিছে; কাৰণ কিতাপখনৰ তিনি ঠাইত তেওঁ নিজকে সংঘৰ শুভাকাংক্ষী বুলি উল্লেখ কৰিছে। কিন্তু সংঘৰ শুভাকাংক্ষী বুলি চিনাকি দিয়া বৰাই সংঘক শুদ্ধ পথৰ সন্ধান দিবলৈ অনুষ্ঠানটোৰ মৰ্যাদা হানিকৰ পথ গ্ৰহণ কৰিলে কিয়? তেওঁৰ দৃষ্টিত ধৰা দিয়া সংঘৰ আসোঁৱাহখিনি সংশোধন কৰাৰ বাবে প্ৰথমে তেওঁ সময় সীমা বান্ধি দি সংঘৰ প্ৰধান সম্পাদক গৰাকীলৈ পত্ৰ প্ৰেৰণ নকৰিলে কিয়? নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত সংশোধনৰ ব্যৱস্থা নল'লেহে বৰাই কিতাপ লিখি ৰাইজক সকলো কথা জনোৱাৰ প্ৰয়োজন আছিল। তাকে কৰিলেহে তেওঁক সংঘৰ শুভাকাংক্ষী বুলি ভাবিলোহেঁতেন। এতিয়া বৰাক কোনো কাৰণতেই সংঘৰ শুভাকাংক্ষী বুলি ক'ব নোৱাৰি। বৰং তেওঁৰ অবিবেচক কৰ্মই শঙ্কৰদেৱৰ মূল নীতি-আদৰ্শত কুঠাৰাঘাত কৰা হ'ল। তেওঁৰ ত্ৰাণকৰ্তাৰ ৰূপত এতিয়া যিখন সমাজ থিয় হৈছে সেইখন সমাজে শঙ্কৰদেৱৰ মহত্বৰ বিষয়ে যিমানেই জয়গুণ নাগাওক কিয় তেওঁলোক ব্ৰাহ্মণ্যবাদৰ তীব্ৰ সমৰ্থক। কিন্তু নিজকে অসমীয়া সাজত চিনাকি দিবলৈ শঙ্কৰদেৱৰ ভাষা-সাহিত্য-সংস্কৃতি এলাগী কৰি চলাটো সম্ভৱ নহয় বুলি জানে। কিন্তু শংকৰদেৱ প্ৰকাশিত ধৰ্মটোহে তেওঁলোকৰ বাবে অস্পৃশ্য, এতেকে বৰ্জনীয়। সেইখন সমাজৰ বাবে অস্পৃশ্য হৈ পৰা শঙ্কৰদেৱৰ এক শৰণ হৰিনাম ধৰ্মটোকে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই সমাজত দাঙি ধৰিছে। গতিকে ব্ৰাহ্মণ্যবাদৰ লগত সংঘৰ সংঘাত অনিবাৰ্য। এই সংঘাত নাইকিয়া কৰিবলৈ ভকত-বৈষ্ণৱক কালী পূজা, দুৰ্গাপূজা, শিৱ পূজা, বলি বিধান আদিত অংশ গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিব লাগিব, তেতিয়াহে ব্ৰাহ্মণ্যবাদৰ সমৰ্থকসকলে সংঘৰ নীতি-আদৰ্শক মহান বুলি প্ৰশংসা কৰিব। আৰু সংঘই তাকে নকৰাৰ বাবেই বৰাৰ খং নহয় জানো? সংঘই সোঁতৰ বিপৰীতে তাৰ গতি অব্যাহত ৰাখিবই। কাৰো নিন্দাবাদ আৰু সমালোচনাত সংঘৰ গতি ৰুদ্ধ হৈ নপৰে। সোঁতত গতি কৰাসকলৰ দ্বাৰা সমাজৰ ৰূপান্তৰ হ'ব নোৱাৰে...."

প্ৰভাত চন্দ্ৰ দাস,

ফোন - ৯৮৬৪১-৫০১৩৯

প্ৰতি,

প্ৰভাত চন্দ্ৰ দাস,

দাসদেৱ, আপোনাৰ মতেই আমাৰো মত। ভক্তিধৰ্ম এৰি জ্ঞানমাৰ্গ, কৰ্মমাৰ্গ গ্ৰহণ কৰোতাজনক কৃষ্ণদেৱে অৰ্জ্জুনৰ আগত এইবুলি কৈছে-

স্বৰ্গকো নপাৰে সুধা জ্ঞানযোগ বলে।
যেন কাষ্ঠ-পতানে বাহানে নিষ্ফলে।।
মৎস্যে আশা কৰে যেন বৃষ্টিৰ জলত।
সুধা জ্ঞান-যোগ জানা সখি সেহিমত।।১৯।।

(ভক্তি প্ৰদীপ ঃ কৃষ্ণ-অৰ্জ্জুন সংবাদ)

বৰাই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কিবা আঁসোৱাহ দেখিলেও সেইবোৰ গুৰুজনাৰ দৃষ্টিভংগীৰে আঁসোৱাহ নহয়, তেনেবোৰ কথা বৰাৰ নিজা।

## মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱলৈ মুকলি চিঠি

- অসমীয়া খবৰ, ২৪ ফেব্ৰুৱাৰী, ২০১২

"..... শঙ্কৰ সংঘ নামৰ অনুষ্ঠান এটাও হ'ল নহয় - আপুনি নিশ্চয় গম পাইছে। এই অনুষ্ঠানটো এতিয়া বহুত ডাঙৰ হ'লহি। তেৰাসৱে অৱশ্যে আপোনাৰ বাহিৰে আন কাৰো নামকে নুশুনে। অনুষ্ঠানটোত জাত-পাতৰ কথাবোৰ নাই, ডাঙৰ ডাঙৰ অধিৱেশন পাতে - বৰ শৃংখলাবদ্ধভাৱে। সকলোখিনি ভালেই যদিও তেওঁলোকৰ আকৌ লোকাচাৰী নিয়মবোৰ বৰ কাঢ়া। কোনোবাই তেওঁলোকৰ মতে নীতি-নিয়ম পালন নকৰিলেই অপৰাধ হৈ যায়। এতিয়া সেইবোৰকে লৈ ককাই-ভায়ে মাক-বাপেকৰ সকাম বেলেগে বেলেগে পাতে। কোনোবা মৰিলেই আৰম্ভ হৈ যায় - এঘাৰ, তেৰ নে মাহেকীয়া - চুলি খুৰাবনে নুখুৰায়। চুৰাৰ কথানো কি ক'ব হে মোৰ আজন্মৰ গুৰু, কাৰ ক'ত কেতিয়া চুৰা লাগি যায় - ঠিকনা নাই ইয়াত। সংঘই সত্ৰৰ বিৰুদ্ধে যুঁজি নতুন অনুষ্ঠান কৰিলে - পিছে কি হ'ব, কথাবোৰ কিবা পুৰণা পুৰোহিতৰ ঠাইত নতুন পুৰোহিতৰ দৰেহে হ'লগৈ। হে মোৰ গুৰুজনা, আপুনি আটাইৰে পৰম গুৰু - পিছে সংঘই ভাৱে যে আপোনাৰ ওপৰত কেৱল তেওঁলোকৰহে সম্পূৰ্ণ অধিকাৰ আছে। এনেবোৰ কথাৰ সমালোচনা কৰা এখন গ্ৰন্থ অলপতে প্ৰকাশ হৈছিল। গ্ৰন্থখনৰ লেখক ময়ূৰ বৰাৰ ককাকজন আকৌ সংঘৰ প্ৰতিষ্ঠাপকসকলৰে

এজন - পিছে কিতাপখন সংঘই নিষিদ্ধ ঘোষণা কৰি দিলে নহয়। আপুনি দেখোন মাধৱ মহাপুৰুষে আপোনাক প্ৰথমতে সমালোচনা কৰোতে তেওঁক যুক্তি-তৰ্কতহে পৰাস্ত কৰিছিল, এতিয়া পিছে সেই দিন-কাল নাই। মুঠতে সত্ৰই কওক বা সংঘই কওক - এতিয়া ধৰ্মৰ নামত আমাৰ চৌদিশে মাথোন লোকাচাৰী কথাহে - কাৰ হাতেৰে কোনে খাব, কেইগছ চাকি দিব, নামৰ অন্তত অ' হৰি অ' ৰাম ক'বনে অ' হৰি অ' হৰি ক'ব - এইবোৰহে মূল বিষয়। আপুনি দেখুওৱা মানৱতাবাদৰ পথটোত এতিয়া হাবি-জংঘল গজি বন্ধ হোৱাৰ দৰেই হ'লগৈ, গোটেই ফৰফৰীয়া হৈ থকা পথটো হৈছে লোকাচাৰৰ পথটোহে। হে মোৰ পৰম গুৰুজনা, আপোনাক ক'বলৈ দুখেই লাগিছে যে আপুনি এতিয়া লোকাচাৰৰ কাৰাগাৰত বন্দী হৈ থকা যেনহে হৈছেগৈ।...."

- ডাঃ অজিত বৰুৱা, ফোন - ৯৪৩৫০-৫৪২৫৪

প্ৰতি,

ডাঃ অজিত বৰুৱা,

হয় বৰুৱাদেৱ, নীতি-নিয়মবোৰ বান্ধি নললে যে সমাজ নচলে। সঙ্ঘৰ নীতি-নিয়মবোৰত যুক্তি আছে। সঙ্ঘই হাবি-জংঘলবোৰ আঁতৰোৱাৰ ব্যৱস্থাহে কৰিছে। নীতি-নিয়মবোৰ কাঢ়া নকৰিলে তাছ পাতৰ ঘৰ ভগাদি সমাজ ভাগিবলৈ বেছি সময় নালাগে। এই ক্ষেত্ৰত আমাৰ অভিজ্ঞ লোকসকলে কোৱা কথা এষাৰ আছে - **'টানৰ আগত যাবা, ঢিলাৰ পিছতো নেযাবা।'**

## বৃহৎ অনুষ্ঠানৰ ক্ষুদ্ৰ চিন্তা দেখি...

- নিয়মীয়া বাৰ্তা, ২৫ ফেব্ৰুৱাৰী, ২০১২

"...কিতাপখনত উনুকিওৱা সংঘৰ দোষ-ক্ৰুটিবোৰ বিষয়ববীয়াসকলে এবাৰ সহৃদয়তাৰে পৰ্যালোচনা কৰিবলৈ আন্তৰিক প্ৰচেষ্টা লোৱা হ'লে ময়ূৰ বৰাই অনা অভিযোগসমূহৰ কিয়দংশ হ'লেও ভুল বুলি প্ৰমাণিত হ'লহেঁতেন। তাকে নকৰি কিতাপখনৰ বিক্ৰী বন্ধ কৰা কাৰ্যই তথা ভিন ভিন বৈদ্যুতিন মাধ্যমৰ আগত দিয়া তেওঁলোকৰ ভিন্নমুখী মন্তব্যই অনুষ্ঠানটোৰ আন কেতবোৰ দিশহে উদঙাই তুলিছে। যিবোৰ দেখি বা শুনি আমি অস্বস্তিত পৰাৰ লগতে অনিশ্চয়তাতো ভুগো। কাৰণ জাতীয় সন্ধিক্ষণত আমি যদি কাৰোবালৈ বাট চাবলগীয়া হয়, সেয়া নিশ্চয় শংকৰ সংঘ। তেনেক্ষেত্ৰত সংঘই যদি এনে ঠেক মন্তব্য আগবঢ়ায়, তেন্তে জাতিটোক ধৰি ৰাখিব কোনে?

গুৰুজনাৰ আদৰ্শক বিশ্বাস কৰোঁ বাবেই শংকৰ সংঘকো শ্ৰদ্ধা কৰোঁ। শ্ৰদ্ধাৰ অনুষ্ঠানটোৰ প্ৰতি উদাসীন মনোভাৱ ল'ব নোৱাৰাৰ বাবেই হয়তো বৰাই দোষ-ক্ৰুটিবোৰ আঙুলিয়াই এটা গঠনমূলক সমালোচনাৰে সকলো ফালৰে পৰা উজলি উঠাৰ কথা ভাবিছিল। কিন্তু এতিয়া হিতে-বিপৰীত হোৱাৰ দৰেহে হৈছেগৈ। জীৱনৰ কোনো ক্ষেত্ৰতে আপোচ নকৰা অজিত ভূঞাদেৱে সিদিনা খোলা-খুলিকৈয়ে কৈছিল যে শংকৰ সংঘ যদি কেৱল ধৰ্মীয় অনুষ্ঠান হ'লহেঁতেন, তেন্তে অনুষ্ঠানটোৰ প্ৰতি তেওঁৰ কিবা আগ্ৰহ থকাৰ প্ৰশ্নই নাহে। কিন্তু গুৰুজনাৰ আদৰ্শক ভেটি হিচাপে লৈ স্থাপন হোৱা সংঘই গুৰুজনাকে অপমান কৰা কাৰ্যতহে তেওঁলোক চিন্তিত হৈ আলোচনাত মিলিত হৈছেহি। ভূঞাদেৱে একেবাৰে সঠিক কথাটো প্ৰকাশ কৰিছে। শংকৰদেৱ কেৱল শংকৰ সংঘৰে একচেতীয়া সম্পদ নহয়, তেখেত সমগ্ৰ জাতিটোৰে পৰিচয়। সেয়েহে প্ৰতিজন অসমীয়াই সংঘৰ কাম-কাজৰ ওপৰত চকু ৰখাটো স্বাভাৱিক। লাগিলে তেওঁ সংঘৰ সদস্য হওকেই বা নহওকেই। শুভাকাংক্ষী হিচাপে আমি কেতিয়াও নিবিচাৰোঁ শংকৰ সংঘ বিতৰ্কৰ কেন্দ্ৰবিন্দু হোৱাটো। এনে বিতৰ্কৰ ধামখুমীয়াত বিষয়ববীয়াসকলেও সংযমী গুণটো পাহৰি তৰল মন্তব্যৰে জাতিটোক ভাগ কৰিব নালাগে। বৌদ্ধিক দিশত সংঘ আগবাঢ়কেই বা নাবাঢ়ক, কিন্তু সমাজখনক এক কৰি ৰখাত সংঘ যাতে কোনোধৰণৰ বিতৰ্কৰ আৱৰ্তত সোমাই নপৰে। কোচ, কলিতা, বামুণ, কায়স্থ আদি এমুঠিমান মানুহ লৈয়েইতো আমাৰ অসমীয়া জাতি। ধৰ্মৰ নামত আন এক বিতৰ্কৰ সূচনা হোৱাটো আমি কোনেও নিবিচাৰোঁ।

সেয়েহে কওঁ তৰ্ক-বিতৰ্ক ইমানতে শেষ হওক। এখন কিতাপৰ ভয়ত থৰকাছুটি হেৰুৱাই সংঘই নিজৰ বৌদ্ধিক দীনতা প্ৰকাশ কৰাতকৈ আত্মানুসন্ধানেৰে সঁচা অৰ্থত এটা গণতান্ত্ৰিক অনুষ্ঠানৰ ভূমিকা পালন কৰি আহি থকা দিনবোৰত নিজকে আৰু শক্তিশালী কৰি তোলক, যাতে আৰু হেজাৰখন ময়ূৰ বৰাৰ দৰে লেখকৰ কিতাপে সংঘৰ ভেটি ল'ৰাব নোৱাৰে। বিশ্বাসে মিলয় হৰি/তৰ্কে বহু দূৰ...।"

- পাপৰি সৌকাধৰা বৰঠাকুৰ

ফোন - ৯৪৩৫৭-০৪৮৯৫,

৯৮৬৪৩-১৪১১৯

প্ৰতি,

পাপৰি সৌকাধৰা বৰঠাকুৰ,

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই গুৰুজনাৰ ভক্তিধৰ্মক আশ্ৰয় কৰিয়েই কোচ, কলিতা, বামুণ, কায়স্থ এমুঠিমান মানুহক লগ

লগোৱাৰ আঁচনিৰে কাম কৰি আছে। সঁঘত কোনো বিভাজনমুখী নীতি নাই। ময়ূৰ বৰাদেৱৰ সমালোচনাই সঁঘক উজলাই তুলিলেহেঁতেন, যদিহে তেখেতে সঁঘৰ প্ৰকৃত তথ্য পাতি সংগ্ৰহ কৰি ললেহেঁতেন। অজিত ভূঞা ডাঙৰীয়াই ঠিকেই কৈছে শঙ্কৰদেৱ গুৰুজনা 'জগতগুৰু' যেতিয়া সকলোৰে। সঁঘই নিজৰ বুলি দাবী কৰা নাই। সঁঘই কেৱল গুৰুজনাৰ নীতি-আদৰ্শৰে ভাগ ভাগ হৈ থকা সমাজখনক একত্ৰিত কৰিবলৈহে যত্ন কৰিছে। জাতীয় অনুষ্ঠান হিচাপে সঁঘৰ কাম-কাজত চকু ৰখাটো সঁঘইও কামনা কৰে। কিন্তু শঙ্কৰদেৱ গুৰুজনাৰ অনুগামী সঁঘৰ লক্ষ্য উদ্দেশ্যৰ কথা ভালদৰে উপলব্ধি কৰিব নোৱাৰাৰ বাবেই বহুতে সঁঘক ভুল বুজি থাকে। সমস্যা ইয়াতেই। গুৰুজনাৰ আদৰ্শক বিশ্বাস কৰাৰ লগতে তেনে বিশ্বাসক বাস্তৱত কাৰ্যকৰী কৰিব পাৰিলেহে জগত ধুনীয়া হ'ব। তৰ্ক-বিতৰ্ক সঁঘই ভাল নাপায়। সঁঘই কোনো অনুষ্ঠান বা ব্যক্তিৰ বিৰুদ্ধে আজিলৈকে গ্ৰন্থ প্ৰকাশ কৰা নাই; কিন্তু সঁঘকহে বাতৰি কাকতৰ যোগেদি, দূৰদৰ্শনৰ যোগেদি, গ্ৰন্থৰ যোগেদি তৰ্কৰ বিষয় কৰি লৈছে এচামে। ওখ গছত অৱশ্যে বতাহ লগাটো স্বাভাৱিক।

## আঁহত গছ সদৃশ শঙ্কৰ সংঘ হওক

- অসমীয়া খবৰ, ২৫ ফেব্ৰুৱাৰী, ২০১২

"ময়ূৰ বৰাই তেওঁৰ সাৰুৱা তথা বুদ্ধিদীপ্ত ভাষাৰে পৰিপূৰ্ণভাৱে লিখা 'পথভ্ৰষ্ট হৈছে নেকি শঙ্কৰ সংঘ' গ্ৰন্থখন পঢ়িলো। DY365 চেনেলত মৃণাল তালুকদাৰে আঁত ধৰা আলোচনাখিনিও দেখাৰ লগতে শুনাৰ সৌভাগ্য হ'ল। ইয়াৰে পৰিপ্ৰেক্ষিতত মোৰো হৃদয়ৰ মাজত লুপ্ত হৈ থকা শঙ্কৰ সংঘৰ কিছুমাৰ কাৰ্যপদ্ধতিৰ বিৰুদ্ধে দিনৰ পোহৰৰ দৰে উজলি উঠিল। লগতে শঙ্কৰ সংঘৰ বিষয়ে মোৰ অন্তৰত থুপ খাই থকা কিছুমান অনুভূতি ব্যক্ত কৰিবলৈ সাহস পালো।

ময়ূৰ বৰাৰ গ্ৰন্থখনৰ প্ৰত্যেকটো অধ্যায় বৰ সময়োপযোগী আৰু মনোগ্ৰাহী হৈছে। শঙ্কৰ সংঘই আজিকোপতি গুৰুজনাই প্ৰতিষ্ঠা কৰি যোৱা কোনো এখন সত্ৰকে ভালকৈ সংৰক্ষণ কৰিব নোৱাৰাটো বৰ বেজাৰ লগা কথা। যিজনা মহাপুৰুষৰ সৃষ্টিৰাজিক লৈয়েই শঙ্কৰ সংঘ প্ৰতিষ্ঠা কৰিছিল সেইজনাৰ দ্বাৰা প্ৰতিষ্ঠা কৰা সত্ৰবিলাক সংৰক্ষণ নকৰাটো বৰ দুৰ্ভাগ্যজনক কথা। নে সত্ৰ শব্দটো জড়িত আছে বাবে সংঘ দূৰতে বিদূৰ হয়? সেয়েহে ময়ূৰ বৰাই ঠিকেই কৈছে 'এনে সংকীৰ্ণ মনোভাৱেৰে আমি গুৰুজনাক অসমৰ বাহিৰত প্ৰচাৰ কৰিব পাৰিম জানো? (পৃষ্ঠা ৫৩-৫৪)

গুৰুজনাই জাত-পাতৰ বিচাৰ পদ্ধতি তেওঁৰ দিনতে নোহোৱা কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। আজি-কালি শঙ্কৰ সংঘৰ বাপ-বাপুসকলে ব্ৰাহ্মণ সমাজৰ নিচিনাকৈ জাত-পাতৰ সৃষ্টি কৰি নামে-প্ৰসংগে, বিবাহ সভাতো নিজে ৰান্ধি-বাঢ়ি খায়। জাত-পাতৰ বিৰুদ্ধে যুঁজি যুঁজি নিজে জাত-পাতৰ সৃষ্টি কৰিলে। শঙ্কৰ সংঘৰ মাজত ব্ৰাহ্মণ্যবাদৰ বীজ আহি পৰিছে। সেয়েহে ময়ূৰ বৰাই তেওঁৰ গ্ৰন্থত বামুণ আৰু ব্ৰাহ্মণ্যবাদৰ ব্যাখ্যা বৰ ধুনীয়াকৈ আৰু সকলোৰে বুজি পোৱাকৈ উপস্থাপন কৰিছে। (পৃষ্ঠা ৭৩-৭৫) সেয়েহে শঙ্কৰ সংঘই হকে-বিহকে বামুণক গালি পৰা প্ৰৱণতা বাদ দিয়াৰ সময় আহি পৰিল। আজিৰ প্ৰজন্মই এইবিলাক কথা হৃদয়ত ভালকৈ হৃদয়ংগম কৰা উচিত।

শঙ্কৰদেৱৰ সৃষ্টিৰাজিক এখন শুদ্ধ আৰু বহল হৃদয়েৰে আন আন সম্প্ৰদায়ৰ মাজত প্ৰচাৰ কৰিলে বেছি ফলপ্ৰসূ হ'ব। শৰণ পদ্ধতিৰ নিচিনা কিছুমান পূৰ্বচৰ্তত বেছি গুৰুত্ব নিদি মিছনাৰীসকলৰ দৰে আন সম্প্ৰদায় লোকৰ অন্তৰ জয় কৰাটো বাঞ্চনীয়। তেওঁলোকক গুৰুজনাৰ সৃষ্টিৰাজিক জানিবলৈ দিয়াৰ লগতে তেওঁলোকৰ নিজা নিজা পুৰণিকলীয়া সংস্কৃতি, লোকাচাৰ আদি চলাই নিয়াত কোনো ক্ষেত্ৰতে বাধা দিব নালাগে। একে দিনাই কোনোৰে সংস্কাৰমুখী হ'ব নোৱাৰে। আৰম্ভণিতে শৰণৰ নিচিনা চৰ্ত আৰোপ কৰিলে তেওঁলোকে গুৰুজনাৰ সৃষ্টিৰাজিৰ প্ৰতি আকৰ্ষিত নহ'ব। শঙ্কৰদেৱৰ সৃষ্টিৰাজিৰ প্ৰতি লাহে লাহে আকৃষ্ট হ'লে তেওঁলোকে নিজে নিজে পুৰণিকলীয়া লোকাচাৰ আজি পাহৰণিৰ গৰ্ভত সোমাই দিব। শৰণৰ নিচিনা চৰ্ত আৰোপ কৰিলে তেওঁলোক আগুৱাই নাহিব। আমাৰ এই দুৰ্বলতাৰ সুযোগ লৈছে মিছনাৰীসকলে।"

- সহদেৱ চন্দ্ৰ নাথ
অৱসৰপ্ৰাপ্ত উপ-সচিব, অসম চৰকাৰ,
ৰুক্মিণীনগৰ (ময়ূৰ পথ)
ফোন - ৯৮৬৪১-২৬৩৫৭

প্ৰতি,

সহদেৱ চন্দ্ৰ নাথ

ময়ূৰ বৰাই সঁঘক তুচ্ছ-তাচ্ছিল্য, ইতিকিং কৰি লিখা অশালীন শব্দ আৰু বাক্যবোৰ যদি 'সাৰুৱা আৰু বুদ্ধিদীপ্ত' হ'ল, তেনেহ'লে আমাৰ কবলৈ নাই। নাথদেৱ, চাৰিকুৰি বচৰীয়া সঁঘ-শক্তিতকৈ চাৰিশ বছৰীয়া সত্ৰ-শক্তি কোনো গুণে কম নহয়। সত্ৰ সংৰক্ষণৰ বাবে অসমৰ অধিকাংশ ৰাইজ আৰু চৰকাৰে দৃষ্টি ৰাখিয়েই আছে। সত্ৰৰ লগত সঁঘৰ কোনো বৈৰিতা নাই। শৰণ

পদ্ধতিত পূৰ্বচৰ্তৰ প্ৰয়োজন আছে। মাধৱদেৱে নাম-ঘোষাত শৰণ সম্পৰ্কে কৈছে -

'ৰাঘৱৰ অভয় চৰণে।
সত্যে সত্যে পশিলো শৰণে।।৬৮৮।।'

ভক্তি-ৰত্নাৱলীত মাধৱ মহাপুৰুষজনাই কৈছে -

'ভগৱন্ত মাধৱৰ অভয় চৰণে।
আচয় শৰণ লৈয়া কায় বাক্য মনে।।
আন দেৱাদিৰ সেৱা যদ্যাপি নকৰে।
তথাপি সৱাৰে সেৱা সিজে নিৰন্তৰে।।১১৪৫।।

শৰণ শব্দৰ অৰ্থ হ'ল আশ্ৰয় অথবা আত্মসমৰ্পণ। গতিকে ভগৱন্তৰ চৰণত সত্যে সত্যে বুলি কৈ শপত খাই কায়-বাক্য-মন - আমাৰ লগত থকা তিনিটা সম্পদ অৰ্পণ কৰাৰ পিছত তেনেলোকে ভক্তি ব্যভিচাৰ কৰিলে অপৰাধ হ'ব বুলি শাস্ত্ৰত উল্লেখ আছে। গতিকে শৰণ পদ্ধতিত পূৰ্বচৰ্ত আৰোপ নকৰা মানে **'নাবান্ধি সিঁচিলে জলৰো ক্ষয় নাই'**ৰ দৰেই হ'ব। এৰাঁ ঘটত জল নোৰোৱাৰ দৰেই শৰণ বিহীনভাৱে ভকতি কৰিলে তেনে ভক্তিয়ে হৃদয়ত স্থান নাপায় বুলি আমাৰ গুৰুজনাই কৈ গৈছে। বিশ্বৰ সকলো ধৰ্মৰেই নীতি-নিয়ম আছে। ভক্তিধৰ্মৰো নীতি-নিয়মবোৰ আমি বিজ্ঞানমনস্ক বুলিয়েই ভাবিছো। নীতি-নিয়ম পালন নকৰি ধৰ্ম কৰিলে তেনে ধৰ্ম অধৰ্মহে হ'ব। নীতি-নিয়ম পালন কৰোঁতে তেনেবোৰ হ'বলাগে যুক্তিনিষ্ঠ আৰু শাস্ত্ৰসন্মত।

## 'পথভ্ৰষ্ট হৈছে নেকি শঙ্কৰ সংঘ' সন্দৰ্ভত

- অসমীয়া প্ৰতিদিন, ২৭ ফেব্ৰুৱাৰী, ২০১২

"ময়ুৰ বৰাই নিশ্চয় জানে যে প্ৰতিটো অনুষ্ঠানৰে কাৰ্য পৰিচালনাৰ সুবিধাৰ্থে বিভিন্ন নীতি-নিয়ম অন্তৰ্ভূক্তিৰে এখন সংবিধান প্ৰণয়ন কৰা থাকে। দুই-এজন সদস্যই কৰা মন্তব্যই অনুষ্ঠানটোৰ মন্তব্য তথা আদৰ্শক নিশ্চয় প্ৰতিফলিত নকৰে, যদিহে সদস্যকেইজন অনুষ্ঠানটোৰ মুখপাত্ৰ নহয়। শ্ৰীমন্ত শংকৰদেৱ সংঘই ৰাজহুৱা বিতৰ্কত কিয় অংশ নলয় - এই প্ৰশ্নটো তেওঁ কিতাপখনৰ কেইবা ঠাইতো অৱতাৰণা কৰিছে। কথা হ'ল বৰ্তমান সময়ত সুস্থ বিতৰ্ক কোনখন মঞ্চত অৱতাৰণা কৰা হৈছে। য'তেই বিতৰ্কৰ অৱতাৰণা হৈছে, তাতেই ইপক্ষই সিপক্ষক শালীনতাৰ সীমা অতিক্ৰমি আক্ৰমণ-প্ৰত্যাক্ৰমণ কৰিছে। প্ৰতিপক্ষৰ যুক্তি খণ্ডাব নোৱাৰি চালে-বেৰে কোবাই মূল বিষয়ৰ পৰা আঁতৰি যণ্ডামৰ্কৰ আচৰণ কৰিছে। এনেধৰণৰ বিতৰ্কত অংশ ল'বলৈ সংঘৰ বিষয়ববীয়াসকল এই ধৰণৰ অত্যাধুনিক শিক্ষাৰে শিক্ষিত নহয়। সংঘৰ কৰ্ম-কৰ্তাসকল সুস্থ বিতৰ্কত বিশ্বাসী।

তেওঁ মহাপুৰুষ গুৰুজনাৰ জন্মস্থান সন্দৰ্ভত সংঘৰ মৌনতাৰ কথা উল্লেখ কৰিছে। আমি আচৰিত হৈছোঁ। সংঘই এই সম্পৰ্কে নিজৰ স্থিতি কোন কাহানিবাই স্পষ্ট কৰি নিৰ্দ্দিষ্ট স্থানক গুৰুজনাৰ জন্মস্থানৰূপে ঘোষণা কৰিছে। ইয়াৰ পাচত এই প্ৰসংগত নীৰৱ অথবা সৰৱ হোৱাৰ প্ৰশ্নই নাহে ....."

- মৃত্যুঞ্জয় ভৌমিক, ফিল'বাৰী, তিনিচুকীয়া
ফোন নং - ৯৯৫৪৮-২৭৬৮৪

প্ৰতি,

মৃত্যুঞ্জয় ভৌমিক

হয়, ভৌমিকদেৱে কোৱাৰ দৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ সুস্থ বিতৰ্কতহে বিশ্বাসী। কিন্তু ময়ূৰ বৰাদেৱে যি অসুস্থ বিতৰ্কৰ বেহা মেলিলে - উপায় নাপাইহে ভাগ লবলগীয়া হ'ল। গুৰুজনাৰ জন্মস্থান সন্দৰ্ভত সঙ্ঘৰ স্থিতি আৰু মন্তব্য ইতিমধ্যে আমি এই গ্ৰন্থত বিস্তৃতভাৱে প্ৰকাশ কৰিছোঁৱেই।

## 'পথভ্ৰষ্ট হৈছে নেকি শঙ্কৰ সংঘ' সন্দৰ্ভত

- অসমীয়া প্ৰতিদিন, ২৭ ফেব্ৰুৱাৰী, ২০১২

".... গুৰুজনাক শ্ৰদ্ধা কৰা এশজন অসমীয়াৰ এশজনেই সংঘক নৈতিকভাৱে সমৰ্থন নকৰে কিয় ? শংকৰদেৱৰ আদৰ্শ আৰু সৃষ্টিৰ মূল্যায়ণ তথা চৰ্চা কৰাৰ পৰিবৰ্তে সংঘৰ মেলা আৰু অধিৱেশনথলীত কিমান ভকতে একেলগে আহাৰ গ্ৰহণ কৰিব পাৰিব বিষয়টোৱেহে প্ৰাধান্য পায় কিয় ? শংকৰদেৱক নতুন পুৰুষৰ মনত প্ৰতিষ্ঠা কৰিবলৈ সংঘৰ কি কাৰ্যসূচী আছে? গুৰুজনা সংগীত শিল্পী, সাহিত্যিক হিচাপে প্ৰতিষ্ঠিত হ'ব লাগিছিল নে ভগবান হিচাপে ? তেওঁৰ সৃষ্টি প্ৰতিভাৰ মূল্যায়ণ হ'ব লাগিছিল নে অলৌকিক কথাৰ প্ৰচাৰ হ'ব লাগে ? ....."

গণেশ চন্দ্ৰ নাথ,

গুৱাহাটী

প্ৰতি

গণেশ চন্দ্ৰ নাথ,

নাথদেৱৰ লগত আমি একমত হ'ব পৰা নাই। গুৰুজনাক ভালপোৱা এশজনৰ ভিতৰত এশজনৰ মনবোৰ একে নহয়। কাৰণ - **'ধানটোৰে প্ৰতি কণটো, মানুহটোৰে প্ৰতি মনটো।'** গুৰুজনাক মুখেৰে ভাল পাওঁ বুলি বহুতে কলেও কাৰ্যত দেখোন বিপৰীতহে দেখা যায়। অধিৱেশনস্থলীত আহাৰ গ্ৰহণ কৰাৰ বাতৰি পৰিৱেশন নকৰিবৰ বাবে সাংবাদিকসকলক আহ্বান জনাবচোন। নতুন পুৰুষৰ মনত গুৰুজনাক প্ৰতিষ্ঠা কৰিবৰ বাবে সঙ্ঘই কি কৰিছে আৰু কি আঁচনি আছে - এই সম্পৰ্কে আপুনি বিতংভাৱে জানিবলৈ সঙ্ঘই ২০১২ চনত প্ৰকাশ কৰা **'শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ ইতিহাস'** গ্ৰন্থখনৰ **'সঙ্ঘৰ সেৱাবাহিনী সঞ্চালন সমিতি'** অধ্যায়টো পঢ়িব পাৰে। সঙ্ঘৰ মঞ্চত আন বহু সমাজৰ দৰে অলৌকিকতা, অন্ধবিশ্বাস, কুসংস্কাৰ নাই, আছে বিজ্ঞানসন্মত দৃষ্টিভংগী। গুৰুজন আপোনাৰ বাবে ভগবান নহলেও অসমীয়া জাতিৰ বাবে, শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ বাবে আৰু বহুতৰ বাবে ভগৱান সদৃশ। সঙ্ঘই গুৰুজনাৰ সাহিত্য-সংস্কৃতি প্ৰচাৰ নকৰি হাত সাৱতি বহি থকা নাই।

## 'পথভ্ৰষ্ট হৈছে নেকি শঙ্কৰ সংঘ' সন্দৰ্ভত

- অসমীয়া প্ৰতিদিন, ২৭ ফেব্ৰুৱাৰী, ২০১২

"..... অনুষ্ঠানটিৰ দুৰ্দশা দেখি আবেগবিহ্বল হৈয়েই বৰাই এই গ্ৰন্থভাগ হয়তো লিখাৰ প্ৰয়োজনবোধ কৰিলে। সংঘক যিহেতু সাংবিধানিকভাৱেই এটি গণতান্ত্ৰিক অনুষ্ঠান বুলি স্বীকৃতি দিয়া আছেই তেন্তে অনুষ্ঠানটিৰে এজন বৈধ সংগী হৈ অনুষ্ঠানটোক নিকা কৰাৰ স্বাৰ্থত গঠনমূলক সমালোচনা কৰাৰ অধিকাৰ নাই নেকি ?....."

লোকনাথ কলিতা,
লাহদৈগড়, যোৰহাট
ফোন নং - ৮৮১১৯-৫৫৮০৯

প্ৰতি,

লোকনাথ কলিতা,

কলিতাদেৱ, শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ একো **'দুৰ্দশা'** ভগৱানৰ কৃপাত এতিয়ালৈকে হোৱা নাই। বৰাই যিবোৰ **'দুৰ্দশা'**ৰ কথা বৰ্ণনা কৰিলে, সেইবোৰ **আকাশত চাং পতা 'দুৰ্দশা'** মাথোন। বৰাৰ সমালোচনা সত্যৰ ওপৰত প্ৰতিষ্ঠিত আৰু গঠনমূলক সমালোচনা হোৱা নাই। বৰা শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ সঙ্গী বুলি আপোনাক কোনে কলে ? যদি ময়ূৰ বৰাদেৱে কৈছে তেন্তে সঁচা কথা কোৱা নাই। আনকি বৰাৰ পিতৃও সঙ্ঘৰ সঙ্গী নহয়।

## 'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ' সন্দৰ্ভত

- অসমীয়া প্ৰতিদিন, ২৭ ফেব্ৰুৱাৰী, ২০১২

"যোৱা ছয় ফেব্ৰুৱাৰীত প্ৰকাশিত পাপৰি সৌকাধৰা বৰঠাকুৰৰ লেখাটি পঢ়ি এনে ভাৱ হৈছে যেন লেখক শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ সাংগঠনিক কাম-কাজ সন্দৰ্ভত বিশেষ অৱগত নহয়। তদুপৰি নিজৰ অঞ্চলৰ সীমিতসংখ্যক লোকৰ আচাৰ-আচৰণ প্ৰত্যক্ষ কৰিয়ে সেয়া সংঘৰ সৰহসংখ্যক সদস্যৰে আচৰণ বুলি বিবেচনা কৰাটো উচিত নহয়। আনহাতে ধৰ্ম আচৰণ কৰাটো প্ৰত্যেক ব্যক্তিৰে নিজা কথা। তাৰ বাবে কোনো লোককে বাধ্য কৰোৱাৰ প্ৰয়োজন নাই। শংকৰ সংঘৰো এনে বাধ্যবাধকতা নাই। কোনো ব্যক্তিয়ে বাধ্যত পৰি সংঘত সোমাই থকা-নথকাটো ব্যক্তিগত কথা। সংঘৰ প্ৰাথমিক পৰ্যায়লৈকে তথা সাহিত্য-সংস্কৃতি প্ৰত্যেক বিভাগতে বিভিন্নজনক নেতৃত্ব প্ৰদান কৰা হৈছে। সংঘৰ সাহিত্য-সংস্কৃতি প্ৰত্যেক বিভাগৰ পৰা মাহেকীয়া, পষেকীয়া কাকত-আলোচনীত গুৰুজনাৰ সৃষ্টিৰাজিৰ পৰীক্ষামূলক আলোচনা, গৱেষণা অব্যাহত আছে। সেৱা বাহিনী গোটৰ দ্বাৰা বিভিন্ন সমাজ কল্যাণমূলক কাম-কাজ চলাই থকা হৈছে। কিছুসংখ্যক সদস্যৰ আচৰণে সংঘৰ উক্ত কাম-কাজসমূহক ম্লান কৰিব নোৱাৰে। সংঘ বছৰৰ প্ৰত্যেক দিনেই সক্ৰিয় হৈ থাকে বুলি ক'লেও মিছা কোৱা নহ'ব। প্ৰত্যেক বছৰে দুবাৰকৈ অসমৰ বিভিন্ন ঠাইত সাংস্কৃতিক প্ৰশিক্ষণ, প্ৰাথমিক পৰ্যায়ৰ পৰা মূল পৰ্যায়লৈকে শিশু, আই-মাতৃ, যুৱ সমাৰোহ, অংকীয়া নাট সমাৰোহ আদি সংঘই নিয়মীয়াকৈ অনুষ্ঠিত কৰে। অনুষ্ঠানসমূহত গুৰুজনাৰ সৃষ্টিৰাজি সম্পূৰ্ণৰূপে চৰ্চা কৰা হয় আৰু নতুন প্ৰজন্মক প্ৰত্যেক বছৰে অগ্ৰাধিকাৰ দিয়া হয়।"

- ৰুণজুন বৰা
বুঢ়াবুঢ়ী, বালিগাঁও, লখিমপুৰ

প্ৰতি,

ৰূণজুন বৰা,

**'খাৰ পো মেলত নাই, সি গোধীয়া'** বোলা কথাযাৰৰ দৰেই হ'ল বৰাৰ। বৰাই স'ঙ্ঘৰ খা-খবৰবোৰ নৰখাৰ বাবেই ভাল ঢোলটো বজাব নোৱাৰি ফুটুৱাই লৈ ভগা ঢোলকে বজালে।

## অন্য এক চিন্তাৰ উন্মেষ

- অসমীয়া খবৰ, ২৮ ফেব্ৰুৱাৰী, ২০১২

"ময়ূৰ বৰাৰ 'পথভ্ৰষ্ট হৈছে নেকি শঙ্কৰ সংঘ' গ্ৰন্থখনৰ ওপৰত 'অসমীয়া খবৰ' কাকতত এতিয়ালৈকে প্ৰকাশিত (২২/২/১২) আলোচনাসমূহৰ মাজেদি এই অথৰ্ব বুঢ়াই অনুভৱ কৰা বিষয়সমূহ পাঠকৰ বিচাৰাৰ্থে আগবঢ়োৱা হ'ল। অৱশ্যে অনুভৱ আৰু বিবেচনা প্ৰত্যেকৰে নিজা। এইবোৰ মোৰ ব্যক্তিগত অনুভৱহে মাথোন।

লেখক বৰা শঙ্কৰ সংঘ বা কোনো জাতীয় অনুষ্ঠানৰ হিতাকাংক্ষী হ'ব নোৱাৰে। বৰং তেওঁৰ আৱেগসৰ্বস্ব চিন্তাৰাজি আক্ৰোশৰহে বহিঃপ্ৰকাশ মাথোন। প্ৰমাণ (ক) অমাৰ্জিত ভাষা প্ৰয়োগ আৰু তথ্য বিকৃতি, (খ) পাৰত থাকি নাও চলাবলৈ পৰামৰ্শ আগবঢ়োৱা এক অপৰিপক্ক কাণ্ডাৰী (গ) ভকতলৈ অসৌজন্যমূলক শব্দসমৃদ্ধ এখন কিতাপ অৰ্পণ কৰাৰ অভিলাষা আৰু (ঘ) অকৰ্তৃত্বশীলভাৱে সংঘৰ প্ৰতীক ব্যৱহাৰ। গতিকে - **'আপোনাৰ ভৰি/থৈয়া আঁৰ কৰি/পৰক বোলয় গোধা'**ৰ দৰেই প্ৰয়োজনীয়। কোনো হিতাকাংক্ষীয়ে এনেবোৰ আচৰণৰ দ্বাৰা কাৰো একো হিত সাধিব নোৱাৰে।...."

উমেশ বৰা

ফোন - ৯৯৫৭৩-৪২৫৮১

প্ৰতি,

উমেশ বৰা,

বৰাদেৱ, ময়ূৰ বৰাদেৱক এনে কৰিবৰ বাবে ঈশ্বৰেই মতি দিছে। পিছে কৰ্মফলবোৰহে ঈশ্বৰে মূৰ পাতি নলয়। ইয়াতেই মহা সমস্যা।

## দুষ্ট লোকৰ কাৰ্য

- অসমীয়া খবৰ, ২৮ ফেব্ৰুৱাৰী, ২০১২

"যোৱা ১৪ ফেব্ৰুৱাৰীৰ 'অসমীয়া খবৰ' কাকতত প্ৰকাশিত ড° ৰমেশ পাঠকৰ 'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ' শীৰ্ষক নিবন্ধটো পঢ়ি, আমাৰ অভিমত প্ৰকাশ কৰিলো। ড° পাঠকৰ নিবন্ধৰ পৰা এইটো স্পষ্ট যে ময়ূৰ বৰাই 'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ' নামৰ গ্ৰন্থখন প্ৰকাশ কৰি কিতাপখনৰ নিৰ্মোহ বিশ্লেষণ কৰিবলৈ ড° পাঠকলৈ পঠাই দিছিল আৰু ড° পাঠকে কিতাপখনৰ ভূল-ক্ৰুটিবোৰ আঙুলিয়াই দিয়াৰ পৰিৱৰ্তে শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ দোষ আঙুলিয়াই দিয়াতহে ব্যস্ত হৈ পৰিল। যাৰ বাবে ড° পাঠকৰ নিবন্ধৰ পৰা ময়ূৰ বৰাৰ গ্ৰন্থৰ ধনাত্মক বা ঋণাত্মক কোনো এটা দিশৰে সম্ভেদ পোৱা নগ'ল।

সি যি নহওক, প্ৰকৃতাৰ্থত ময়ূৰ বৰাই বেদনা আৰু দ্বিধাগ্ৰস্ততাৰ বশৱৰ্তী হৈ 'পথভ্ৰষ্ট হৈছে নেকি শংকৰ শংঘ' গ্ৰন্থখন প্ৰকাশ কৰিছে নে বিতৰ্কৰ জৰিয়তে ৰাতিটোৰ ভিতৰতে বিখ্যাত হোৱাৰ দুষ্ট মানসিকতাৰে গ্ৰন্থ প্ৰকাশ কৰিছে, সেয়া সহজতে অনুমেয়। যদি মনস্তাত্বিক দৃষ্টিভংগীৰে চোৱা হয়, তেতিয়া ভয়, খং বেদনা আদি আৱেগসমূহৰ সৃষ্টিৰ আঁৰত একোটা কাৰণ বা উদ্দীপকৰ উপস্থিতি পোৱা যায়। কিন্তু ময়ূৰ বৰাৰ বেদনা বা দ্বিধাগ্ৰস্ত হোৱাৰ ক্ষেত্ৰত তেনে কোনো কাৰণ বিচাৰি পোৱা নগ'ল। যদি ময়ূৰ বৰাই শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘলৈ একাধিকবাৰ পৰামৰ্শ জনাই চিঠি-পত্ৰ, বিভিন্ন সভা-সমিতিত বক্তৃতা নাইবা সংবাদ-পত্ৰত নিবন্ধ আদি প্ৰকাশ কৰিছিল আৰু তেনে পৰামৰ্শ দিয়াৰ পিছতো সংঘৰ নেতৃত্বই কোনো গুৰুত্ব দিয়া নাছিল; তেতিয়া ময়ূৰ বৰাৰ বেয়া লগা নাইবা দ্বিধাগ্ৰস্ত হোৱাটো তেনেই স্বাভাৱিক আছিল। কিন্তু আমি জনাত ময়ূৰ বৰাই তেনে পৰামৰ্শ কোনোদিনে দিয়া নাছিল। এনে ক্ষেত্ৰত তেওঁৰ বেয়া লগাৰ যুক্তিযুক্ততা ক'ত? মুঠৰ ওপৰত এইটো সত্য যে ময়ূৰ বৰা শঙ্কৰদেৱৰ সংঘ স্থাপনত আগভাগ লোৱা সনতৰাম বৰাৰ নাতিয়েক হোৱা স্বত্বেও সংঘৰ মজিয়াত উচ্চ স্থান নোপোৱাৰ খঙত গ্ৰন্থ লিখি পৈশাচিক আনন্দ লাভ কৰিব বিচাৰিছে, যিটো কেতিয়াও সুস্থ মগজুৰ পৰিচায়ক নহয়। ময়ূৰ বৰাই গ্ৰন্থখনত লিখিছে, 'অত্যন্ত পৰিতাপৰ কথা যে সদস্যৰ সংখ্যা বেছি হোৱা স্বত্বেও আৰু সেই বৃহৎসংখ্যক সদস্যৰ নিৰ্ভেজাল আনুগত্যৰ দ্বাৰা সাংগঠনিক দিশত বলীয়ান হোৱা সত্বেও আজি শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘ বৌদ্ধিকভাৱে দিশহাৰা হৈছে কিয়?' প্ৰকৃতাৰ্থত শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘ বৌদ্ধিকভাৱে দিশহাৰা হৈছে নে তেওঁ নিজে বৌদ্ধিকভাৱে দিশহাৰা হৈছে; সেয়া সূক্ষ্মভাৱে আত্মবিশ্লেষণ কৰিলেই ওলাই পৰিব। সেইদৰে তেওঁ লিখিছে 'গুৰুজনাৰ ধৰ্ম প্ৰচাৰৰ কথাটোক - মাত্ৰাধিক গুৰুত্ব আৰোপ কৰি তাৰাৰ অভ্ৰভেদী ব্যক্তিত্বৰ অন্যান্য দিশক

আজিৰ পৰিবৰ্তিত পৰিস্থিতিত আওকাণ কৰি থকাটো কিমান বাস্তৱসন্মত আৰু সময়োপযোগী হৈছে?' এতিয়া কথা হ'ল যে মহাপুৰুষ শঙ্কৰদেৱে অসমত নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবৰ বাবে সাহিত্য-সংস্কৃতিসমূহ সৃষ্টি কৰিছিল আৰু সেই সাহিত্য-সংস্কৃতিসমূহৰ দ্বাৰা 'কৃষ্ণ'ৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছিল। গতিকে মহাপুৰুষ শঙ্কৰদেৱৰ অনুগামী প্ৰত্যেকজন ব্যক্তিয়ে পোনতে ধৰ্মৰ ওপৰত গুৰুত্ব আৰোপ কৰাটো নীতিগত কৰ্তব্য আৰু তাকে নকৰি সাহিত্য-সংস্কৃতিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিলে মহাপুৰুষ শঙ্কৰদেৱৰ সপোনৰ অসম দূৰতে বিদূৰ হ'ব। যিটো সম্প্ৰতি পৰিলক্ষিত হৈছে। কিন্তু এই সাধাৰণ সত্যটো উপলব্ধি কৰিব নোৱাৰাটো দুৰ্ভাগ্যজনক।

এটা প্ৰবন্ধত পাইছিলো - তৃতীয় শ্ৰেণীৰ লেখক বা সাহিত্যিকসকলে আত্মপ্ৰতিষ্ঠাৰ বাবে লিখে। তেওঁলোকৰ কোনো নিজস্ব ধ্যান-ধাৰণা, আদৰ্শ নাই। সেইদৰে তেওঁলোকৰ সাহিত্য সৃষ্টি কৰিব পৰা জোখাৰে প্ৰতিভাও নাই। কিন্তু লেখক বা সাহিত্যিক হোৱাৰ এটা তীব্ৰ উচ্চাকাংখা সদায় জাগ্ৰত হৈ থাকে। এনে ক্ষেত্ৰত এই শ্ৰেণীৰ লেখক বা সাহিত্যিক মিছা বিতৰ্ক বা ফুলজাৰি মৰা কথাৰে গ্ৰন্থ নাইবা প্ৰবন্ধ লিখি ৰাতিটোৰ ভিতৰতে সাহিত্যিক হোৱাৰ কৌশল গ্ৰহণ কৰে। এই ক্ষেত্ৰত ময়ূৰ বৰাও ব্যতিক্ৰম নহয়।.."

গোবিন্দ চন্দ্ৰ ডেকা
ফোন - ৯৮৫৪৬-৪০২৬৯

প্ৰতি,

গোবিন্দ চন্দ্ৰ ডেকা,

ডেকাদেৱ, আপোনাৰ মতামতৰ বিষয়ে আমাৰ কবলগীয়া নাই। আমিও আপোনাৰ মতৰ সমৰ্থক।

## জখলাৰ পৰা নামক

- অসমীয়া খবৰ, ২৮ ফেব্ৰুৱাৰী, ২০১২

"যোৱা ২০ ফেব্ৰুৱৰীত 'অসমীয়া খবৰ'ত প্ৰকাশিত 'মুকলি মঞ্চ' শিতানৰ লেখাকেইটা পঢ়ি একাষাৰ লিখিবলৈ বাধ্য হ'লো। ময়ূৰ বৰাৰ 'পথভ্ৰষ্ট হৈছে নেকি শঙ্কৰ সংঘ' নামৰ কিতাপখন আমি পঢ়া নাই। কিন্তু সেই কিতাপ উচ্চ প্ৰশংসা কৰি লিখা ড° ৰমেশ পাঠক, অজিত কুমাৰ ভূঞা, প্ৰফুল্ল চন্দ্ৰ বৰা আদিৰ প্ৰৱন্ধ-পাতি পঢ়িছো। ব্যক্তিগত নিউজ চেনেলসমূহতো আলোচনা হোৱা দেখিছো। কিন্তু 'অসমীয়া খবৰ'ত প্ৰকাশিত বিশিষ্ট সমালোচক হেমচন্দ্ৰ শইকীয়াৰ প্ৰৱন্ধটো পঢ়ি আমাৰ চিন্তাত আউল লাগিল। আউল লাগিল বুলি এই কাৰণেই ক'বলগা হৈছে যে উপৰোক্ত লেখকসকলৰ উপৰি নিউজ লাইভ আৰু ডি ৱাই ৩৬৫ এই দুটা নিউজ চেনেলত গ্ৰন্থখনৰ প্ৰশংসা কৰাহে দেখিছিলো। **কিন্তু হেমচন্দ্ৰ শইকীয়াৰ লিখনি পঢ়ি আমাৰ বুজিবলৈ বাকী নাথাকিল যে লেখক হিচাপে কেৱল ময়ূৰ বৰাই পথভ্ৰষ্ট হোৱা নাই, তেওঁৰ সমৰ্থকসকলো পথভ্ৰষ্ট হৈছে। তেওঁৰ সমৰ্থকসকল পথভ্ৰষ্ট নোহোৱা হ'লে এনে এখন অশালীন, অমাৰ্জিত, অশোভনীয় কথাৰে পৰিপূৰ্ণ কিতাপৰ তেওঁলোকে নিশ্চয় ভূয়সী প্ৰশংসা নকৰিলেহেঁতেন।** আনহাতে অসমৰ আগশাৰীৰ বুদ্ধিজীৱী হোমেন বৰগোহাঞিয়ে ময়ূৰ বৰাক চাৰ্টিফিকেট কি যুক্তিত দিলে বুজিব নোৱাৰিলো। নতুন লেখক এজনক এনেদৰে উচটনি দি জখলাত উঠোৱা কাৰ্য উচিত হৈছে জানো? আমি বুদ্ধিজীৱী নহয়, সাধাৰণ পেটে-ভাতে চলি থকা মানুহ। গতিকে আমাৰ কথাত নধৰে যেন।

আনহাতে ময়ূৰ বৰাক ক'ব বিচাৰো, তেওঁ জখলাৰ পৰা নামক। এনেদৰে ধামাকা (বৰ্তমান চলিত) দি বেছিদিন বুদ্ধিজীৱী হৈ টিকি থাকিব বুলি নাভাবিব। এনেকুৱা ভাষা লিখি মানুহক আৱেগিক তথা অপমানিত কৰাৰ চেষ্টা কৰা মানুহক বুদ্ধিজীৱীৰ শাৰীত ধৰিব পৰা নাযায়। গতিকে জখলাৰ পৰা নামি ৰাইজৰ ওচৰত সেৱা ধৰক; তেতিয়াহে আমি আপোনাক সঁচা বুদ্ধিজীৱী বুলি মানি ল'ম।"

ৰাজীৱ গোহাঁই
মেলাচকৰ, শিৱসাগৰ

প্ৰতি,

ৰাজীৱ গোঁহাই,

গোঁহাইদেৱ, বৰাদেৱে জখলাৰ পৰা নামি **'অপৰাধ বিনাশন/তযু নাম নাৰায়ণ/জানি নামে পশিলো শৰণে'** বুলি সেৱা ধৰিবলৈ ভগৱানে তেখেতক সুমতি দিয়ক, এয়ে আমাৰো আহ্বান।

## পথভ্ৰষ্ট কোন ঃ ময়ূৰ বৰা নে শঙ্কৰ সংঘ?

- অসমীয়া খবৰ, ২৮ ফেব্ৰুৱাৰী, ২০১২

"...শঙ্কৰদেৱ বিশ্ববিদ্যালয় আপোনাৰ গৃহ জিলা নগাঁৱতে স্থাপন হ'ব বুলি আপুনি উৎফুল্লিত হোৱাৰ বিপৰীতে বিমৰ্ষ হোৱাহে দেখা গৈছে। আপুনি কিতাপখনত লিখিছে - **'মানুহ আশাত বন্দী। ময়ো আশাবাদী, অদূৰ ভৱিষ্যতে অসমৰ জাতীয় জীৱনত শ্ৰীমন্ত শঙ্কৰ সংঘৰ ভূমিকা অধিক ইতিবাচক আৰু আশাব্যঞ্জক হ'ব।'** কিন্তু এয়া কেনে কথা - ইমান বৈপৰীত্য! আশাবোৰনো ভেঁকোভাওনা হ'ব পাৰেনে? নাবাৰ্ডৰ ওখ বিষয়া হিচাপে আপুনি বহুতো কৰিব পাৰিলেহেঁতেন বিশ্ববিদ্যালয়খনৰ বাবে। তদুপৰি আপোনাৰ গৃহজিলাত বিশ্ববিদ্যালয় এখন বৰ্তমান আকাশকুসুম। মই নিজে বিশ্ববিদ্যালয়খনৰ গ্ৰন্থাগাৰৰ বাবে ৫৭ হেজাৰ টকা মূল্যৰ কিতাপ গোটাই পঠাইছো। ২০১০ চনত একমাত্ৰ যোৰহাটৰ পৰাই ৫৭ হেজাৰ টকা মূল্যৰ কিতাপ হ'লে সমগ্ৰ অসমৰ পৰা কিমান লাখ টকাৰ কিতাপ হ'ব আপুনি অনুমান কৰিব পাৰিলে আপোনাৰ মনতো অধিক আশাব্যঞ্জক হৈ নৱজাগৰণৰ সৃষ্টি হ'ব। আপুনি কিতাপখনৰ পৃ. ৬০ত লিখিছে - **'ড° ভূপেন হাজৰিকাই এখন কৰ্টৰ নটিচ লাভ কৰিছিল আৰু তেওঁৰ বহুত ঘনিষ্ঠ বন্ধুৰ মতে এই ঘটনাটোৱে তেওঁৰ অন্তৰত খুব আঘাত কৰিছিল।'** অন্তৰবোৰ সকলোৰে একেই বৰা। কাৰোবাৰ শিলৰ আৰু কাৰোবাৰ কপাহৰ নহয়। প্ৰয়াত ভূপেন হাজৰিকালৈ ক্ষমা-প্ৰাৰ্থনা কৰি কওঁ যে আপুনি কিতাপখন লিখাৰ আগতেই বাতৰি কাকতত প্ৰকাশ পোৱা অনুসৰি ড° হাজৰিকাৰ কাৰ্যকলাপে তেওঁৰ পৰিয়ালৰ মানুহক কম মনোকষ্ট দিয়া নাই। **বালিলৈ যিপাট সুগ্ৰীবলৈও একেপাট শৰেই।**

... আপুনি কিতাপখনৰ ৭০ পৃ.ত সংঘই হকে-বিহকে বামুণক গালি পাৰে বুলি কৈছে। আপোনাৰ, ককাদেউতাকে কিহৰ তাড়নাত পৰি বামুণীয়া নীতি-নিয়মেৰে তেওঁৰ পত্নীৰ প্ৰেতকাৰ্য নকৰি আন নিয়মেৰে পাতিলে? ছাগে বামুণৰ অতপালিত অতিষ্ঠ হৈয়েই নহয় জানো? প্ৰথমে নিজৰ গাত চিকুট মাৰি চাব। ইয়ো আপোনাৰ আন এক মতলব। আপোনাৰ ককাদেউতাক হয়তো বামুণৰ অত্যাচাৰত অতিষ্ঠ হৈয়েই শঙ্কৰ সংঘ অনুষ্ঠানটি খোলাত আগভাগ লৈছিল। অতিষ্ঠ নোহোৱা হ'লে হয়তো অসমত শংকৰ সংঘ নামৰ অনুষ্ঠানটোৱেই জন্ম নাপালেহেঁতেন! বৰা, শঙ্কৰ সংঘত আপুনি লিখাৰ দৰে জাত-পাতৰ কথা নাই। যিকোনো জাতৰ, যিকোনো ধৰ্মৰ মানুহ শঙ্কৰ সংঘৰ সংগী হ'ব পাৰে আৰু তেনেদৰে সংঘই বান্ধি দিয়া পথেৰে গৈ পদাধিকাৰ পৰ্যন্ত হ'ব পাৰে। আপুনি হয়তো সংঘই বান্ধি দিয়া নিয়মকে 'মেৰপেঁচ' বুলি আখ্যা দিছে। নিয়ম থাকিবই। ই ধ্ৰুৱ সত্য। আপোনাৰ নাবাৰ্ডত জানো নিয়ম নাই। নিয়ম ভংগ কৰি বা আওপকীয়াকৈ যোৱাজনেই পথভ্ৰষ্ট পথিক নহয় জানো? যেনেকৈ শঙ্কৰ সংঘৰ জন্মদাতাজনৰ নাতি পথভ্ৰষ্ট হৈছে।..."

- হৰেশ দত্ত,
গ্ৰন্থাগাৰিক, জে.বি. কলেজ, যোৰহাট

প্ৰতি,

হৰেশ দত্ত,

দত্তদেৱ, ইচ্ছা কৰিলেনো মানুহে কি কৰিব নোৱাৰে। কথাতে কয় নহয়, **'মন কৰিলেই ছন, বাকৰি মাটিতো ধন'**। ময়ূৰ বৰাদেৱে সঁঘৰ শঙ্কৰদেৱ বিশ্ববিদ্যালয়খন 'ভেকোঁভাওনা' বুলি ভাবি আচল ভাওনা এখন কৰিবলৈ অপেক্ষা কৰি আছে নিশ্চয়! আপোনাৰ সুৰতে সুৰ মিলাই আমিও কওঁ যে **'সৰিয়হৰ জনম লৈ বেটেৰী চেপালৈ ভয়'** কৰিলে নহ'ব। প্ৰসৱ যন্ত্ৰণাৰ বাবেইতো মাতৃয়ে পুত্ৰ মুখ দেখে। সনতৰাম বৰাদেৱে সৃষ্টিৰ প্ৰসৱ যন্ত্ৰণাত ভোগাৰ বাবেই ৰূপান্তৰৰ সমাজ এখনৰ জন্ম হ'ল। ময়ূৰ বৰাদেৱে ককাকৰ সেইবোৰ যন্ত্ৰণাৰ কথা পাহৰণিৰ বুকুত সাঁচি থৈছে নেকি?

## ককাকৰ সন্মানত আঘাত হানিছে

- অসমীয়া খবৰ, ২৯ ফেব্ৰুৱাৰী, ২০১২

"নাবাৰ্ড বেংকৰ বিষয়া ময়ূৰ বৰাই লিখা সমালোচনামূলক গ্ৰন্থখন পঢ়িলো। উক্ত গ্ৰন্থৰ পৰা তেওঁৰ পৰিচয়টোও ভালদৰে জ্ঞাত হ'ল যে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ অন্যতম প্ৰতিষ্ঠাপক সদস্য পৰম পূজনীয় সনতৰাম বৰাৰ নাতি। কথাটো জানি আমাৰ ভাৱ হৈছে যে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘতকৈ তেওঁ নিজেহে পথভ্ৰষ্ট হৈছে। কাৰণ তেওঁৰ ককাকে সেই সময়ৰ সমাজখনৰ পৰা নানা ঘাত-প্ৰতিঘাত, লাঞ্চনা-বঞ্চনাৰ মুখামুখি হৈ অনেক কষ্ট কৰি, অতি সাহসেৰে শুদ্ধ মন লৈ বৰ্তমানৰ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ অনুষ্ঠানটিক গুৰুজনাৰ আদৰ্শৰে গঢ় দি গৈছিল। কিন্তু তেওঁৰ নাতিয়ে অনুষ্ঠানটোৰ পৰা আঁতৰত অৱস্থান কৰি ককাকৰ হিয়াৰ আমঠু এই অনুষ্ঠানৰ সমালোচনাত পঞ্চমুখ হ'ল। নিজকে এজন শুভাকাংক্ষী বুলি অনুষ্ঠানটোৰ যি ক্ষতি সাধনৰ ব্যৱস্থা কৰিবলৈ আঁচনি গ্ৰহণ কৰিছে সেইমতে 'শুভাকাংক্ষী' শব্দটোৰ প্ৰয়োগ শুদ্ধ হোৱা নাই। ইয়াৰ প্ৰমাণ হিচাপে তেওঁ যিকেইজন স্বনামধন্য পণ্ডিতক তেওঁৰ সমৰ্থক হিচাপে বাছি লৈ ইলেক্ট্ৰনিক মেডিয়াৰ ষ্টুডিঅ'ত গ্ৰন্থ উন্মোচনৰ পৰা আৰম্ভ কৰি বিতৰ্কত অংশগ্ৰহণ কৰিছে সেইসকলৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ বিষয়ত জ্ঞানৰ অভাৱ। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ অনুষ্ঠানৰ প্ৰকৃত লক্ষ্য আৰু উদ্দেশ্য আদিৰ প্ৰতিও বিশেষ গুৰুত্ব নাই। নহ'লেনো শঙ্কৰ সংঘ বা শঙ্কৰদেৱৰ বিষয়ে বিশেষ

অধ্যয়ন নাই বুলি প্ৰকাশ কৰেনে? **'নল মৰে গজালি ওপঙে'** বুলি এটি অপ্তবাক্য বা ফকৰা-যোজনা পঢ়িবলৈ, শুনিবলৈ ময়ূৰ বৰাই পাইছে ছাগে। সেই গজালিটোৱে নলৰ প্ৰজাতি এৰি খাগৰি হ'ব নালাগে। গুৰুজনাৰ সম্পৰ্কত কিবা কৰিব লগাখিনি কেৱল শঙ্কৰ সংঘকে এৰি বৰা আৰু তেওঁৰ সমৰ্থকসকলে গা এৰা দিয়া যেনহে লাগিছে। তেওঁলোকৰ দৰে পণ্ডিতসকলে কেৱল লাগে, উচিত, হেঁতেন আদি শব্দবিলাক ব্যৱহাৰ কৰিয়েই দায় সাৰিব খুজিছে। হয়, আমি তেওঁলোকে কোৱাৰ দৰেই মানি ল'লোহেঁতেন যদিহে তেওঁলোক অসমীয়া নহৈ বিদেশৰ ব্যক্তি হ'লহেঁতেন। আটাইতকৈ ডাঙৰ কথাটো হ'ল খেলপথাৰৰ বাহিৰৰ পৰা খেলুৱৈক উদ্দেশ্যি মতামত দিয়াটো অতি সহজ কাম। খেলুৱৈসকলেহে জানে বাস্তৱতে কি কষ্টেৰে খেলখন খেলিব লগা হয়। শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ বাহিৰত থাকি ময়ূৰ বৰায়ো একে কাৰ্যকে কৰিছে। যদিহে তেওঁ সংঘৰ ভিতৰত থাকি 'লাগে, উচিত, হেঁতেন' আদি ক্ৰিয়াবিলাক বাদ দি নিজেই সক্ৰিয়ভাৱে লাগিলহেঁতেন তেতিয়াহ'লে ময়ূৰ বৰাক আমি বৰ্তমান সমাজৰ অতি গুৰুত্বপূৰ্ণ ব্যক্তি হিচাপে গণ্য কৰিলোহেঁতেন।...."

- খগেন বৰা, পাৰিজাত নগৰ, যোৰহাট - ১

ফোন -৯৪৩৫৭-১৮৮৭১

প্ৰতি,

খগেন বৰা,

হয় বৰাদেৱ, ককাকে ৰুই যোৱা গছপুলিটোত সাৰ-জাবৰ নিদি ময়ূৰ বৰাদেৱে কুঠাৰেৰে বগৰোৱাৰ চেষ্টাহে কৰিছে দেখোন। পিছে গছপুলিটো বৰ ডাঙৰ হ'ল নহয়। বগৰাব পাৰিব জানো? আপুনি দিয়া খেলখনৰ উপমাৰে আমিও কবলৈ বিচাৰিছো - **'মোমায়ে কাঠ কাটে, মামীয়ে পানী যেন দেখে।'**

## 'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ' সন্দৰ্ভত

- অসমীয়া প্ৰতিদিন, ১ মাৰ্চ, ২০১২

"…. আমাৰ প্ৰশ্ন হ'ল যে যদিহে ময়ূৰ বৰাই প্ৰকাশ কৰা গ্ৰন্থখনৰ নামটোৱেই ভুল হৈছে, তেনেহ'লে গ্ৰন্থখন কি কাৰণে বিক্ৰী নিষেধ কৰিবলগা হ'ল? কোনোবাই শংকৰদেৱ সংঘ, কোনোবাই শংকৰ সংঘ বুলিলে সকলোৱে কলিয়াবৰৰ কনকলতা ক্ষেত্ৰত অনুষ্ঠিত হোৱা ৮১ সংখ্যক শংকৰদেৱ সংঘৰ ধৰ্মানুষ্ঠানটোকে অৰ্থ কৰে। 'শংকৰ'ৰ নামৰ পাচত 'দেৱ' শব্দটো সংযোগ কৰিছিল মহেন্দ্ৰ কন্দলিয়ে। ছাত্ৰ শংকৰৰ কিছুমান ঐশ্বৰিক শক্তিৰ উমান পাই শংকৰৰ নামৰ পাচত দেৱ শব্দটো সংযোগ কৰি শংকৰদেৱ বুলি মাতিবলৈ কৈছিল। এইখিনি আমাৰ কথা নহয় - লক্ষ্মীনাথ বেজবৰুৱাৰ 'মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ' নামৰ গ্ৰন্থৰ পৰাহে উল্লেখ কৰা হৈছে। আমাৰ দ্বিতীয় প্ৰশ্ন হৈছে যে শ্ৰীমন্ত শংকৰদেৱ সংঘই বিক্ৰী নিষিদ্ধ কৰা ময়ূৰ বৰাৰ গ্ৰন্থখন যদি একেবাৰে পঢ়িব নোৱাৰাবিধৰ, তেনেহ'লে ইয়াক প্ৰত্যাহ্বান জনাই সময়ত প্ৰত্যুত্তৰ হিচাপে সংঘই এখন কিতাপ প্ৰকাশ কৰাৰ চিন্তা কি কাৰণত কৰিবলগা হ'ল।….."

- গগন চেতিয়া,

ৰাজগড়, গুৱাহাটী

প্ৰতি,

গগন চেতিয়া,

চেতিয়াদেউ, গ্ৰন্থখনৰ বিক্ৰী নিষিদ্ধৰ কাৰণ আমি অন্যস্থানত আলোচনা কৰিছোঁ। গ্ৰন্থখন অশালীন ভাষা, ভিত্তিহীন তথ্যৰে পৰিপূৰ্ণ কাৰণেই পাঠৰ উপযোগী নাছিল। তথাপিতো উত্তৰ নিদিলে ময়ূৰ বৰাৰ লগতে আপোনালোকেই সঙ্ঘক নীৰৱ, নিৰ্লিপ্ত বুলি আকৌ সমালোচনা কৰিব। বাপেকে খঙৰ ভমকত পুতেকক **'তোৰ মুখ আজিৰ পৰা নাচাওঁ'** বুলি কলেও পুতেকে মুখখন ঢাকি আহিলে জানো বাপেকে ভাল পাব? অৰ্জ্জুনে কুৰুক্ষেত্ৰ সমৰত যুদ্ধ নকৰো বুলি কোৱাত ভগৱান কৃষ্ণই অৰ্জ্জুনক বুজনি দি কৈছিল - অৰ্জ্জুন, উঠা - যুদ্ধ কৰা, নহলে তোমাক লোকে কাপুৰুষ, ভীৰু বুলি কব। সঙ্ঘৰো দশা অৰ্জ্জুনৰ দৰেই হ'ল।

## শ্ৰীমন্ত শংকৰদেৱৰ সংঘ আৰু এখন গ্ৰন্থ

- আজিৰ দৈনিক বাতৰি, ১ মাৰ্চ, ২০১২

"…. গ্ৰন্থখন ময়ূৰ বৰাই অৰ্পণ কৰিছে শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ প্ৰতিগৰাকী আই-মাতৃ আৰু বাপৰ হাতত অসীম শ্ৰদ্ধা আৰু আগ্ৰহেৰে। যদি ময়ূৰ বৰাই গ্ৰন্থখনত অবান্তৰ তথা গোকাট মিছা কথাই লিখিলেহেঁতেন, তেন্তে কেতিয়াও বৰাই সংঘৰ আই-মাতৃ আৰু বাপসকলৰ হাতত গ্ৰন্থখন অৰ্পণ নকৰিলেহেঁতেন।....

…. অতি যুক্তিসংগত তথা এশ শতাংশ সত্য কথা এয়া। সংঘৰ এচাম তথাকথিত বৈষ্ণৱ পণ্ডিতে নিজকে সৰ্বশাস্ত্ৰ বিশাৰদ বুলি ভাবি বামুণসকলক জধে-মধে উপলুঙা কৰাটো তেওঁলোকৰ একেবাৰে সচৰাচৰ নিয়মত পৰিণত হৈছে। ধৰ্মৰ

কথাত পাৰ্গত হ'লেই জ্ঞানী বুলি ভবা অনুচিত। কিছুমান অন্ধবিশ্বাসৰ আশ্ৰয় লৈ কেৱল শাস্ত্ৰ-ভাগৱত অধ্যয়ন কৰিয়েই লোকৰ ধৰ্মীয় ব্যৱস্থাক তাচ্ছিল্য কৰি কোনোবাই যদি নিজকে বৈষ্ণৱ পণ্ডিত বুলি ভাৱে, তেন্তে তেওঁলোক হাঁহিয়তাৰ পাত্ৰহে। তেওঁলোকে এইষাৰ কথা জনা উচিত যে 'আনক নাহাহিবা, এদিন তুমি নিজেই হাহিয়তাৰ পাত্ৰ হ'বা।' আমাৰ পৰম গুৰুজনাই বাৰ বৈষ্ণৱক এক কৰি একতাৰ দেউল বান্ধি অসমীয়া জাতিটোক বান্ধি থৈ গৈছিল ঐক্য-সম্প্ৰীতিৰ ডোলেৰে। কিন্তু আজি আমাৰ শংকৰ গুৰুজনাক আশ্ৰয় কৰি অসমীয়া জাতিটোক থান-বান কৰাৰ চেষ্টা কৰিছে ধৰ্মৰ নামত। মই সেইসকল লোকলৈ অতি কাতৰভাৱে আহ্বান জনাইছো যে তেওঁলোকে কেতিয়াও শংকৰ গুৰুজনাক ঢাল হিচাপে ব্যৱহাৰ নকৰি গুৰুজনাৰ প্ৰকৃত আদৰ্শসমূহ অসমীয়াৰ হৃদয়ত উপলব্ধি কৰাবলৈ চেষ্টা কৰক।......

....... অতিশয় দুখৰ কথা যে এক নিৰ্ভৰযোগ্য সংবাদ মতে, সাংস্কৃতিক সভা উদ্বোধন কৰি বৰ্তমানৰ পদাধিকাৰজনে অসমীয়া জাতিৰ হিয়াৰ আমঠু, সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাক গীত বিকৃতকাৰী বুলি অভিহিত কৰি কঠোৰ ভাষাৰে সমালোচনা কৰাটো। **ডঃ ভূপেন হাজৰিকাৰ দৰে স্বনামধন্য এজন মহান অসমীয়া শংকৰ সংঘত আৰু ২০ বছৰলৈকে ওলাব পাৰিবনে?** সুধাকণ্ঠগৰাকীৰ ওপৰত এনে প্ৰতিশোধ লোৱা মূল কাৰণ হৈছে সত্ৰীয়া নৃত্যক ডঃ ভূপেন হাজৰিকাৰ কাৰণেই শংকৰী নৃত্য বুলি সৰ্বভাৰতীয় পৰ্যায়ত চিনাকি কৰি দিব নোৱাৰাটো। এনেবোৰ কথাৰ বাবেই শংকৰ সংঘ কেতিয়াবা নিন্দাৰ পাত্ৰ হ'ব লগা হৈছে। ভাবি-চিন্তি চাই কথা ক'বলৈ শিকক শংকৰ সংঘৰ নেতৃত্বই। যোৱা ১৭ ফেব্ৰুৱাৰীত টিভি চেনেল এটাত গ্ৰন্থখনক লৈ হোৱা এক নিৰ্মোহ বিশ্লেষণ মই চাইছিলো। তাত উপস্থিত আছিল প্ৰভাত দাস নামৰ এজন পণ্ডিত, সংঘৰ প্ৰধান সম্পাদক হৰিপ্ৰসাদ হাজৰিকা, শ্ৰদ্ধাৰ অজিত কুমাৰ ভূঞা আৰু গ্ৰন্থখনৰ লেখক ময়ূৰ বৰা। বিশ্লেষণ অনুষ্ঠানটোত হৰিপ্ৰসাদ হাজৰিকাই কৈছে যে ময়ূৰ বৰাই গ্ৰন্থখনত গোটাকাট মিছা কথা লিখিছে। ধৰি ল'লো কথাখিনি মিছা, তেন্তে সঁচা কথাবোৰ আমাক জনাওক। সেই সম্পাদকজনেইতো কৈছিল যে অনতিপলমে মাত্ৰ এমাহৰ ভিতৰতে ময়ূৰ বৰাৰ উক্ত গ্ৰন্থখনৰ বিপৰীতে তেওঁলোকেও এখন গ্ৰন্থ প্ৰকাশ কৰি উলিয়াব। খুব ভাল কথা। এতিয়া আমি মাত্ৰ তালৈকে অপেক্ষা কৰি আছো। তেতিয়াহে গম পোৱা যাব যে ময়ূৰ বৰাৰ গ্ৰন্থখনৰ কথাবোৰ গোটাকাট মিছা কথা হয় নে নহয়।

শেষত শংকৰ সংঘৰ উত্তৰোত্তৰ কামনা কৰিলো।

-ধ্ৰুৱজ্যোতি শইকীয়া

প্ৰতি,

ধ্ৰুৱজ্যোতি শইকীয়া,

আপোনাৰ যুক্তিবোৰত কিন্তু একো যুক্তি বিচাৰি নাপালো। দুষ্ট পুত্ৰই পিতৃ-মাতৃৰ প্ৰতি মুখেৰে শ্ৰদ্ধা-ভক্তি প্ৰদৰ্শন কৰি বিহুৰ দিনা সস্তীয়া কাপোৰকে দামী কাপোৰ বুলি দিব নোৱাৰে জানো? ব্ৰাহ্মণসকল সঙঘৰ চিৰনমস্য। শ্ৰীকান্ত দেৱশৰ্মাৰ দৰে ব্ৰাহ্মণ পণ্ডিতক(?) সঙঘতকৈ অনাসঙঘৰ লোকেহে দেখোন কাগজে-পত্ৰই বেছি গালি পাৰিলে। ইয়াকে কয় **'যথা কৰ্ম তথা ফল'**। সঙঘৰ বাহিৰে (আৰু কিছু সংগঠনক বাদ দি) অনাসঙঘৰ লোকসকলৰ গুৰুজনৰ নামত একতাটোৰ বিষয়ে অকণমান লিখিবচোন। সুধাকণ্ঠ ভূপেন হাজৰিকাক জন্ম দিয়াৰ কথাটোৰে কিন্তু হুহুৱালে দেই। শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙঘই ভূপেন হাজৰিকাৰ দৰে মহান শিল্পী সৃষ্টি কৰাৰ পৰিকল্পনা কৰা নাই। এইসকল শিল্পী আজন্ম, অজৰ-অমৰ। সঙঘই নালাগে কোনোৱেই ভূপেন হাজৰিকাক জন্ম দিব নোৱাৰে। এইয়া ভগৱানৰহে কাম আৰু কৃপা। ভূপেন হাজৰিকাই বৰগীত বিকৃত কৰিব নোৱাৰে বুলি কথা নাই। সমালোচনা কৰা মানে শিল্পীগৰাকীক বেয়া পোৱা নুবুজায়। বাৰু, প্ৰত্যুত্তৰ হিচাপে গ্ৰন্থ লিখা হ'ল। দুয়োখন গ্ৰন্থ পঢ়ি মিছা কথা আছেনে নাই - আকৌ ভাবি চাব।

## শ্ৰীমন্ত শংকৰদেৱ সংঘ

- সাদিন, ২ মাৰ্চ, ২০১২

"... তেনে অৱস্থাত আমাৰ মনলৈ পোনচাটেই আহিছিল শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নাম। কাৰণ, অসমত সক্ৰিয় হৈ থকা ধৰ্মভিত্তিক অনুষ্ঠানসমূহৰ ভিতৰত আটাইতকৈ বৃহৎ আৰু শক্তিশালী সংগঠন হৈছে শ্ৰীমন্ত শংকৰদেৱ সংঘ, যাক চমুকৈ ইয়াৰ পুৰণি নাম শংকৰ সংঘৰ নামেৰেই জনা যায়। কিন্তু দুৰ্ভাগ্যজনকভাৱে এই অনুষ্ঠানটোৰ দ্বাৰা তেনে কোনো জনহিতকৰ কাৰ্য সম্পাদন হোৱা আমি দেখিবলৈ নাপালো। প্ৰতিবছৰে কেৱল ইয়াৰ অধিৱেশনৰ সময়তহে সংগঠনটো প্ৰচাৰ মাধ্যমৰ শিৰোনামলৈ আহে। সংঘৰ কিমান হাজাৰ সদস্যই একেলগে বহি খাব, কিমান শ চৌকাত একেলগে ৰন্ধা-বঢ়া হ'ব ইত্যাদি চিত্তাকৰ্ষক বা-বাতৰিৰে সেইকেইদিন শংকৰ সংঘ প্ৰচাৰ মাধ্যমৰ কেন্দ্ৰবিন্দু হৈ পৰে। বছৰি ৮০-৯০ লাখ টকা ব্যয়ৰে চাৰিদিনীয়া অধিৱেশন পাতি সংঘৰ ভকতসকলে নিজে উদৰ পূৰাই খালেও ৰাজ্যৰ দলিত, দৰিদ্ৰ জনসাধাৰণকো এসাঁজ খুওৱাৰ কথা আমি ক'তো-কাহানিও শুনিবলৈ নাপালো।

...শংকৰ সংঘৰ বিৰুদ্ধে এনে অজস্ৰ অভিযোগ আছে, যিবোৰ লিখিবলৈ গ'লে এখন বিশাল গ্ৰন্থৰ ৰূপ ল'ব। ময়ূৰ বৰাই সেই কামটোকে নিষ্ঠাৰে সম্পাদন কৰিছে। অৱশ্যে বিষয়বস্তুৰ আৰু অধিক গভিৰতালৈ যোৱাৰ আৱশ্যক আছিল। সৰ্বোপৰি গ্ৰন্থখনৰ নামটোও যথেষ্ট প্ৰৰোচনামূলক হৈছে। ইয়াত ব্যাৱসায়িক দৃষ্টিভংগীয়েহে গুৰুত্ব লাভ কৰা যেন ধাৰণা হয়। তথাপি এই গ্ৰন্থখন আৰু ইয়াক লৈ হোৱা আলোচনাবোৰে এই বিশাল অনুষ্ঠানটোত অদূৰ ভৱিষ্যতে কিছু ইতিবাচক পৰিৱৰ্তন আনিব বুলি আশাৰে বাট চালো।"

- বিকাশ শৰ্মা,

ফোন - ৯৯৫৪০-০৪০৮৬

প্ৰতি,

বিকাশ শৰ্মা,

শৰ্মাদেউ, সঙ্ঘই জনহিতকৰ কাম আচলটোৰেই কৰি আছে। সমাজৰ একাংশই লেই লেই ছেই ছেই কৰি থকা নৰৰূপী নাৰায়ণ স্বৰূপ এচুকত পৰি থকা টাইড, পেগু, বড়ো, ৰাভা, কাৰ্বি, দাস, বৰদলৈসকলক লৈ সকলো জনৰে হিত সাধিম বুলি অস্পৃশ্যতা বৰ্জনৰ আঁচনিৰেই কাম কৰি আছে। সঙ্ঘৰ ভকতে দাইল-পানীৰে এসাজ উদৰ পোৰাই খোৱাত আপোনাৰ ইমান ঈৰ্ষা কিয়? অধিৱেশনৰ কেইদিন অৱশ্যে অসমৰ অন্যান্য জাতীয় অনুষ্ঠানৰ ভোজনালয়ত কুপন পদ্ধতি থকাৰ দৰে সঙ্ঘৰ ভোজনালয়ত নাই। সঙ্ঘৰ ভোজনালয়ত ওচৰ-পাজৰৰ জনসাধাৰণকো এসাজ খোওৱাৰ ব্যৱস্থা আছে। কিন্তু সঙ্ঘই খোৱালেও সকলোৱে তাত নাখায়; কাৰণ সঙ্ঘৰ ৰন্ধনশালাত কছাৰী, বড়ো, মিচিং, ৰাভাৰ ভকতে ৰান্ধি সকলোকে খোৱাই থাকে। সঙ্ঘৰ বিৰুদ্ধে অভিযোগ সমূহ সংগ্ৰহ কৰি গ্ৰন্থ এখন প্ৰণয়ন কৰিব। সঙ্ঘই সেই আসোঁৱাহবোৰ দূৰ কৰাৰ ব্যৱস্থা কৰিব; তাৰ পূৰ্বে সঙ্ঘৰ কৰ্মকৰ্তাসকলৰ পৰা তথ্যবোৰ যোগাৰ কৰি লব। নহ'লে ময়ূৰ বৰাৰ দৰেই হ'ব।

## লক্ষ্যপথত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ

- অসমীয়া খবৰ, ৪ মাৰ্চ, ২০১২

"... বৰ্তমান অসমত অন্ধবিশ্বাস আৰু কু-সংস্কাৰত বিলীন হৈ কিমান মানুহে ডাইনী বুলি সন্দেহ কৰি মানুহক হত্যা কৰিছে ভাবিলে আচৰিত লাগে। য'ত পূজা-পাতল, যাগ-যজ্ঞ, বলি-বিধান আৰু নিজৰ ভৱিষ্যতৰ বিষয়ে চোৰাচিতা ব্যৱস্থা থাকিব, তাতহে অন্ধবিশ্বাস আৰু কু-সংস্কাৰে স্থান পায়। কিন্তু শ্ৰীমন্ত শঙ্কৰদেৱ সংঘত এনে ধৰণৰ অন্ধবিশ্বাস আৰু কু-সংস্কাৰ নাই। গুৰুজনাৰ বৈজ্ঞানিক বিশ্লেষণাত্মক একশৰণ নামধৰ্মই শিক্ষিত-অশিক্ষিত সকলোকে এক বৈজ্ঞানিক মানসিকতা দিছে। সেইবাবে আমাৰ দৰে নৱপ্ৰজন্ম, এই অনুষ্ঠানটোৰ প্ৰতি আকৰ্ষিত।

মহাপুৰুষ শঙ্কৰদেৱে একশৰণ নামধৰ্ম প্ৰচাৰ কৰিবৰ বাবেহে বিভিন্ন সাহিত্য-সংস্কৃতিৰাজি সৃষ্টি কৰিছিল। এই কথা গুৰুজনাৰ বিভিন্ন লিখনিত প্ৰকাশ পাইছে।

নামেসে কৰিব পৰম সিদ্ধি।  
হৰিৰ নাম জগতৰে নিধি।।৫৯  
জ্ঞানতো কৰ্মতো কৰি সম্প্ৰতি।  
হৰি কীৰ্তনেসে পৰম গতি।।১০২

(কীৰ্ত্তন-ঘোষা)

গতিকে ময়ূৰ বৰাই লিখাৰ দৰে গুৰুজনাক ধৰ্মগুৰু বুলি যিসকলে নামানে, সেইসকলে গুৰুজনাক সাহিত্য-সংস্কৃতিৰ গুৰু বুলি আন্তৰিকতাৰে শ্ৰদ্ধা কৰে বুলি মনে নধৰে। কাৰণ গুৰুজনাৰ ৰচনাৰাজিক যি ভালদৰে অধ্যয়ন কৰিছে, নিশ্চয় এনে ধৰণৰ মন্তব্য নিদিয়ে।"

- ৰূপা বৰগোহাঁই গগৈ

আলুন নগৰ, ডিমৌ, শিৱসাগৰ

ফোন - ৯৬৭৮৪-৭৯২৮০

প্ৰতি,

ৰূপা বৰগোঁহাই গগৈ,

ভক্তিমাৰ্গৰ যুক্তিনিষ্ঠ আচাৰ-নীতিবোৰক বহুতে আকৌ অন্ধবিশ্বাস, গোড়ামি বুলি মন্তব্য কৰে। বেজবৰুৱাৰ দৃষ্টিৰে সেইসকল '**ওপৰচকুৱা**'। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘত অন্তৰ্ভুক্ত হোৱা নৱপ্ৰজন্মৰ যুৱক-যুৱতীসকলৰ পৰিসংখ্যা এটা প্ৰস্তুত গ্ৰন্থৰ এঠাইত পাঠকৰ জ্ঞাতাৰ্থে দিয়া হৈছে। সমাজৰ প্ৰতি, জাতিৰ প্ৰতি দায়বদ্ধ থকা যুৱক-যুৱতীসকল সঙ্ঘৰ মঞ্চখনলৈ আপোনাৰ

দৰে আহিয়েই আছে।

## অন্য এক চিন্তাৰ উন্মেষ ঃ উমেশ বৰাদেৰলৈ ধন্যবাদেৰে

- অসমীয়া খবৰ, ৪ মাৰ্চ, ২০১২

"অসমীয়া খবৰ কাকত (২৮/২/১২)ত **'অন্য এক চিন্তাৰ উন্মেষ'** শিৰোনামৰ লেখাটি পঢ়ি শ্ৰদ্ধাভাজন উমেশ বৰাদেৰলৈ আন্তৰিক ধন্যবাদ জনাই তেখেতৰ অনুভৱক মান্যতা প্ৰদান কৰি দুআষাৰ লিখিবলৈ প্ৰয়াস কৰা হ'ল। তেখেতৰ অনুভৱে কলিযুগত জন্ম লাভ কৰা মানৱৰ জীৱন সাৰ্থক কৰিব। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে লিখা শাস্ত্ৰত আছে-

সৰ্ব্ব ধৰ্ম্ম এড়ি এক শৰণ সাক্ষাত।
সুদৃঢ় বিশ্বাসে সখি লৈয়োক আমাত।।
নকৰিবা ভয় হেৰা কৰো অঙ্গীকাৰ।
সমস্ত পাপত মই কৰিবো উদ্ধাৰ।।

গুৰুজনে এনেহেন পৰম মঙ্গল উপদেশেৰে পৰিপূৰ্ণ শাস্ত্ৰসমূহ পানীযেন ভাষাত লিখি জীৱ তৰণৰ উপায় দি গৈছে। এনে মসৃণ শুদ্ধ ধৰ্মপথলৈ আহিবলৈ আপোনাসৱক প্ৰভু ভগৱন্তই কৃপা কৰিছে। আপোনাসৱক সাধাৰণ জ্ঞানৰ পৰা বিশেষ জ্ঞানৰ পথলৈ ধাৱমান কৰাইছে।"

- ভোলা কাকতি
প্ৰাক্তন সভাপতি, গ্ৰন্থ বিপণন শাখা
শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, অসম
ফোন - ৭৮৯৬১-০১৬৭৫

প্ৰতি,

ভোলা কাকতি,

উমেশ বৰাদেৱে প্ৰকৃত তত্ত্ব পোৱাৰ বাবেই **'সৰ্ব্বধৰ্ম্ম এড়ি এক শৰণ সাক্ষাত'** হৈছে। পৰমজনক নজনাৰ বাবেইতো মানুহ নামৰ প্ৰাণীবিধ ভৱসাগৰত মজি আছে- **'হৰি হৰি তোমাৰ চৰণে মনে ভজো/ তোহ্মাক নজানি ভৱসিন্ধু মাজে মজো।'**

## ময়ূৰে আকৌ পেখম ধৰক

- অসমীয়া খবৰ, ৪ মাৰ্চ, ২০১২

"...(১) একাশী বছৰীয়া এক বিশাল জন-গাঁথনি থকা ধৰ্ম-সাহিত্য-সংস্কৃতিৰ এটি সংঘৰ কৰ্মৰাজিৰ গতি, প্ৰকৃতি, আদৰ্শ বা আনুষংগিক দিশবোৰৰ সূক্ষ্ম আৰু স্থুল ৰূপটো বিশ্লেষণ কৰি চাই ইয়াৰ কল্যাণৰ বাবে মাত মতাটো, দিহা-পৰামৰ্শ দিয়াটো শুভবুদ্ধি সম্পন্ন অনুষ্ঠানপ্ৰিয় লোকৰ কৰ্তব্য হ'লেও ই সদায়েই সেই অনুষ্ঠানৰ কাকোৰেই আঘাত দিয়াৰ ব্যৱস্থা নথকাটো সবাৰে কাম্য। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰতিজন বাপ, বান্ধৱ, আইমাতৃক শ্ৰদ্ধা জনাই কৰাপাটতে বৰাই কিতাপখন উছৰ্গা কৰি **'ভিজা মেকুৰী', 'বালিত মুৰ গুজি থকা উটপক্ষী', বৌদ্ধিকভাৱে দীন** বুলি সংঘৰ সংগীসকলক ব্যংগাত্মক শব্দৰে শক্তিশেল হনা বৰাৰ বৈষ্ণৱীয় আচৰণেৰে উছৰ্গা কৰা আৰু সেৱাভাগ জনোৱাৰ অন্তৰালত বাৰু কিবা ক্ষোভ, জ্ঞানৰ অভিমান-অহংকাৰ আদিয়ে ক্ৰিয়া কৰি থকা নাইনে? বিদ্ৰোহী মানসিকতাৰে কৃত্ৰিম শ্ৰদ্ধা নিবেদন কৰি, আশীৰ উৰ্দ্ধৰ এক বিশাল সংগঠনৰ সমালোচনাৰে সংশোধন বিচৰা বৰাই সংগী-ভকত-বৈষ্ণৱৰ আশীৰ্বাদ পাব পাৰিলে জানো? ততাতৈয়াকৈ যুদ্ধংদেহি মনোভাৱেৰে কৰা কামবোৰে কেনে ফল দিয়ে তাৰ পৰিণতিৰ দৃষ্টান্ত ইতিহাস অথবা ধৰ্মশাস্ত্ৰত বহু আছে। বৰাই আমাতকৈ বহু বেছি জানে বুলি আমি ভাবো, সেয়ে হ'লেও অভিমানৰ, অহংকাৰৰ জুইত দগ্ধ হোৱাৰ কাহিনীও বহুত আছে। আমি ক'ব খোজো, ওপৰত উল্লেখ কৰা বৰাৰ তেনে জাতীয় বিশেষ্য-বিশেষণ সৰ্বনামবোৰে অসমীয়া ভাষাত বৰাৰ বিশেষ ব্যুৎপত্তিৰ কথা ঠাৱৰ কৰাতকৈ সেই শব্দবোৰে যে লক্ষজনৰ সাধন ক্ষেত্ৰত আঘাত হানিছে সেই কথাৰেহে আমিও বৰাক সমালোচনাৰ থলীলৈ আনিব খুজিছোঁ।

(২) আলোচনা-সমালোচনা হ'লে সত্যৰ সন্ধান পোৱা যায়। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এই বিশাল জাগৰণে গুৰুজনাৰ আদৰ্শ, মত, শিক্ষা আৰু অৱদানক যথানিয়মে, যথাৰীতিৰে সম্যকভাৱে প্ৰতিষ্ঠা কৰাত এশ শতাংশ কৃতকাৰ্য হ'ব পৰা নাই সেয়া অপ্ৰিয় সত্য। ইয়াৰ বাবে আন্তৰিকতাপূৰ্ণ আৰু সময়োপযোগী কাৰ্যব্যৱস্থা গ্ৰহণ কৰাটো সাম্প্ৰতিক কালত অত্যন্ত প্ৰয়োজন। এই দিশেৰে কথাখিনি দাঙি ধৰিবলৈ গৈয়ো বৰাই আনক সমালোচনা কৰি আত্মসমালোচনাৰ দুৱাৰডলিৰ ইপাৰে ৰৈ থকাজন বাৰু এই অনুষ্ঠানৰ হিতাকাংক্ষী বুলি ক'লে হ'ব জানো? আনক 'পৰিশীলিত' শব্দৰে কথা ক'বলৈ উপদেশ দিয়াজনে কোনোবাই কাৰোবাক কঠোৰ শব্দ প্ৰয়োগ কৰাটো 'দুৰ্ভাগ্যজনক' বোলা বৰাই তেওঁৰ এই গ্ৰন্থখনত কাক উদ্দেশি কেনে শব্দ প্ৰয়োগ কৰিলে এবাৰ

জুকিয়াই চাওক।

(৩) সংঘই সত্ৰক, সত্ৰই সংঘক পৰস্পৰে হকে-বিহকে উচিত-অনুচিত বিচাৰ নকৰি (যেনেদৰে চৰকাৰী পক্ষই বিৰোধীক, বিৰোধীয়ে চৰকাৰী পক্ষক) সমালোচনা কৰাৰ যি ধাৰো সি আজি কিছু প্ৰশমিত হ'লেও এনেধৰণৰ কিছুমান সমালোচনাই স্বাভাৱিকতেই মানসিক অন্তৰ্দ্বন্দ্বৰহে সৃষ্টি কৰে - যাৰ ফলত, ইয়াকে লৈ আঁহফলা পৰিৱেশ এটাৰ সৃষ্টি হয়, প্ৰতিদ্বন্দ্বীয়ে সুযোগ পায় আৰু কথাবোৰ ৰেকৰ্ড বজাদি বাজি থাকে। সেয়ে বৰাৰ বক্তব্যই বাস্তৱিকতে সংঘকে নহয় আমাকো কিছু আঘাত দিলে।..."

- গোলাপ বৰবৰা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ,

নামদেউৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, নামদেউৰী, যোৰহাট

ফোন - ৯৮৬৪২-৫৩৯৮৬

প্ৰতি,

গোলাপ বৰবৰা,

বৰবৰাদেৱ, আমাৰ কথা এযাৰ আছে নহয় - **'আইলৈ যেইহাত বাইলৈও সেইহাত।'** বেজীটোৰে সকলোকে বিন্ধাৰ দৰে বৰাৰ বেজীসদৃশ ভাষাই অন্তৰ থকাসকলক বিন্ধিবই। আপোনাৰ দৰে আমিও ভাবো - কোনো ব্যক্তি বা অনুষ্ঠান-প্ৰতিষ্ঠানেই perfect হ'ব নোৱাৰে একমাত্ৰ ভগৱন্তৰ ব্যতিৰেকে। বৰাৰ সমালোচনাত সঙ্ঘৰ প্ৰকৃত চিত্ৰখন উদ্ভাসিত নোহোৱাতহে আমি দুখ পাইছোঁ। বৰাদেৱক আপুনি প্ৰতীকাত্মক ভাষাৰে পেখম ধৰিবলৈ কোৱাৰ দৰে আমিও আহ্বান জনাইছোঁ সঙ্ঘক ওচৰৰ পৰা ভালদৰে পুনৰ নিৰীক্ষণ কৰিবৰ বাবে।

## পথভ্ৰষ্টতাৰ প্ৰসংগত

-- অসমীয়া খবৰ, ৪ মাৰ্চ, ২০১২

"...যুগ প্ৰাসংগিক একশৰণ হৰি নামধৰ্ম বা নৱবৈষ্ণৱ ভক্তি ধৰ্মমতৰ প্ৰৱৰ্তক তথা সমাজ সংগঠক সংস্কাৰক সৰ্বগুণাকৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই মধ্যযুগত অসমত প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰিছিল শ্ৰেণী বৈষম্যবিহীন, প্ৰগতিশীল ভকত সমাজ। কিন্তু গুৰুজনাৰ বৈকুণ্ঠপ্ৰয়াণৰ ঠিক পাছতেই ক্ৰমাৎ শিথিল হ'বলৈ ধৰে মহাপুৰুষীয়া এই প্ৰগতিশীল সমাজখনৰ সাংগঠনিক দৃঢ়তা। দুৰ্ভাগ্যজনক ৰূপত জাতি-গোষ্ঠীৰ ভেদ বিচাৰ, লিংগ আৰু বৰ্ণবৈষম্য তথা অস্পৃশ্যতাৰ দৰে মহাব্যাধিয়ে আক্ৰান্ত কৰিবলৈ ধৰে মহাপুৰুষীয়া সমাজখনক। এনে ধৰণৰ প্ৰেক্ষাপটতেই এক সংস্কাৰকামী আন্দোলনৰ ৰূপত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ দৰে অনুষ্ঠানৰ জন্ম হয়। এক আপোচবিৰোধী বিশুদ্ধ ভক্তিধৰ্মীয় মানসিকতা, সুদৃঢ় সংবিধান তথা নিয়ম-নীতিৰ আধাৰত জন্ম পোৱা এই অনুষ্ঠানটিয়ে সৰ্বগুণাকৰ মহাপুৰুষ গুৰুজনাৰ বিশাল জীৱন কৃতি আৰু দৰ্শনক অসম, ভাৰতবৰ্ষ বা বিশ্বৰ সৰ্বত্ৰ সম্পূৰ্ণ ৰূপত এশ শতাংশই উজ্জীৱিত কৰিব পৰা নাই, এয়া নিঃসন্দেহে সত্য, কিন্তু প্ৰয়াস অব্যাহত আছে নিশ্চয়কৈ। অৱশ্যে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ লেখীয়াকৈ গুৰুজনা বা চাৰিগুৰুৰ দৰ্শন প্ৰচাৰ-প্ৰসাৰত ব্ৰতী অন্যান্য জাতীয় অনুষ্ঠানসমূহে সংঘই ইতিমধ্যে সমাপ্ত কৰা কামৰ এক শতাংশও সমাপন কৰিব পৰা নাই। **সামগ্ৰিক বিচাৰত অসমীয়া জাতিটোৱেই আজি পথভ্ৰষ্ট।** জীৱনৰ মূল শিপাৰ সৈতে সম্পৰ্কৰহিত, পৰজীৱী তথা জাত্যাভিমানী (Ethnocentric) মানুহৰ দুৰন্ত টিঘিলঘিলনি এতিয়া সৰ্বত্ৰ। সুলভ এতিয়া আঁঠু লোৱাৰ ৰাজনীতি, সকলো স্তৰতেই এতিয়া মহাশূদ্ৰৰ (Uncultured) দৌৰাত্ম্য। স্বাভাৱিকতেই পথভ্ৰষ্টতাৰ কিছু ছিটিকনি জাতীয় অনুষ্ঠানসমূহৰ গাতো পৰিবই। সঁচাকৈয়েই 'The Paradise is lost but can it be regained' - এয়াহে সময় পৰীক্ষিত প্ৰশ্ন। গণতান্ত্ৰিক এক জাতীয় অনুষ্ঠানৰ ৰূপত শ্ৰীমন্ত শংকৰদেৱ সংঘও নিৰ্ধাৰিত নিয়ম-নীতিৰ আৱৰ্তত থাকিবই, এয়া এক শৃংখলা। আমাৰ বোধেৰে গুৰুজনাই 'ভক্তি প্ৰদীপ'ত লিখা **'পৰৰ ধৰ্মক নিহিংসিবা কদাচিত'** এই কথাৰ প্ৰতিফলনেৰে শ্ৰীমন্ত শংকৰদেৱ সংঘই এই অনুষ্ঠানটিৰ বিৰুদ্ধবাদীসকলক বা বাহিৰৰ লোকক জোৰ-জবৰদস্তি কৰি সংঘৰ আওতালৈ আনিব খোজা নাই বৰং অপেক্ষা কৰিছে এনেদৰে - **'বৰুণৰ পাশে বান্ধি থৈয়ো ক'তকাল। আপুনি বয়স হৈলে বুদ্ধি হৈবো ভাল।'** ...."

- নৃপেন ৰয়

পত্ৰিকা সম্পাদক, অসম সত্ৰ মহাসভা

প্ৰতি,

নৃপেন ৰয়,

আপোনাৰ সমালোচনাই নিশ্চয় সকলোকে উপকৃত কৰিছে। অসমৰ জাতীয় জীৱনৰ চিত্ৰ আপুনি **'হাতী মাৰি ভোৰোকাত ভৰোৱা'**ৰ দৰেই দাঙি ধৰাৰ বাবে আপোনালৈ ধন্যবাদ। সঙ্ঘই নিজৰ স্থিতাৱস্থাত দৃঢ়প্ৰতিজ্ঞ হৈ 'চৰৈৱতি চৰৈৱতি' নীতিৰে অবিৰত গতিত আগুৱাই গৈছে এশ শতাংশ পূৰ্ণ কৰাৰ আশাৰে কোনোবা এদিন।

## শঙ্কৰদেৱ সংঘৰ মঞ্চত সমালোচিত হ'ল সুধাকণ্ঠ

- অসমীয়া খবৰ, ৪ মার্চ, ২০১২

"গত ২০ ফেব্রুৱাৰী সংখ্যা 'অসমীয়া খবৰ' কাকতৰ মুকলি মঞ্চ পৃষ্ঠাত শঙ্কৰ সংঘ আৰু ভূপেন হাজৰিকা আৰু বৰগীত বিকৃতি সম্পৰ্কে লিখা দুটি পঢ়ি দুআষাৰ লিখাৰ প্ৰয়োজন বোধ কৰিলো। একেখনি কাকতৰ ৮ ফেব্ৰুৱাৰী সংখ্যাত **'শঙ্কৰদেৰ সংঘৰ মঞ্চত সমালোচিত হ'ল সুধাকণ্ঠ'** বুলি এটি বাতৰি ষ্টাফ ৰিপৰ্টাৰজনে প্ৰথম পৃষ্ঠাতে প্ৰকাশ কৰিছে। সেই বাতৰিৰ প্ৰতিক্ৰিয়া হিচাপেই ছাগে ২০ তাৰিখৰ চিঠি দুখন প্ৰকাশ হৈছে। পত্ৰ লেখক দুয়োজনলৈ কৃতজ্ঞতা জনালো। ষ্টাফ ৰিপৰ্টাৰগৰাকীলৈও হিয়াভৰা ওলগ আৰু ধন্যবাদ জ্ঞাপন কৰিলো। ড° ভূপেন হাজৰিকাক অসমহে নালাগে পৃথিৱীৰ সকলোৱে শ্ৰদ্ধা কৰে। বিশ্ববাসীৰ ভিতৰৰে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ভকতসকলো পৰিছে। পিছে এখন তোৰণ দিয়া-নিদিয়া কথাটোৰে তেওঁৰ সন্মানত আঘাত দিয়া কথাটো শুদ্ধ নহয়। শঙ্কৰী সংস্কৃতিৰ হকে প্ৰাণ দিয়াসকলৰ ক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই সদায়ে অগ্ৰাধিকাৰ দি আহিছে। আই কনকলতা ক্ষেত্ৰৰ নামকৰণ সেই সূত্ৰেই কৰা হৈছে। সুধাকণ্ঠগৰাকীয়ে বাণীবদ্ধ কৰি প্ৰচাৰ কৰা এটি গীতৰ সুৰ আৰু সেই সুৰৰ বাবে হানি হোৱা বৰগীতৰ মৰ্যাদা সম্পৰ্কে ৬ ফেব্ৰুৱাৰীৰ দিনা এই অভাজনে সংস্কৃতি শাখাৰ মুকলি অধিৱেশন উদ্বোধন কৰি ভাষণ ৰাখিছিলো। সুধাকণ্ঠ জীয়াই থাকোতেও একেখন মঞ্চৰ পৰা অনেকবাৰ ভকত বৈষ্ণৱ, বৰগীতৰ শিল্পীসকলক উদ্দেশ্য কৰি এনে ভাষণ ৰখা হৈছিল। দদৰা দলিবাৰীত অনুষ্ঠিত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ অধিৱেশনত নিৰ্দিষ্ট বক্তাৰ ভাষণত প্ৰখ্যাত গীতিকাৰ বৰ্তমান যোৰহাট জিলা শাখা, সাহিত্য সভাৰ সভাপতি নগেন বৰায়ো উক্ত বৰগীতৰ ৰাগৰ সমালোচনা কৰি ভাষণ ৰাখিছিল। এই বক্তব্যসমূহে সুধাকণ্ঠগৰাকীক তাচ্ছিল্য কৰা বা অপমান কৰাক বুজোৱা নাই। নৱ-প্ৰজন্মই যাতে মহাপুৰুষসকলৰ সৃষ্টিসমূহৰ প্ৰকৃত অধ্যয়ন কৰি শুদ্ধ ৰূপত পৰিৱেশন কৰিবলৈ চেষ্টা কৰে সেই পৰামৰ্শহে দিয়া হৈছে। ১৯৮৯ চনত শঙ্কৰদেৱৰ জন্মোৎসৱৰ এখন সভাত আৰম্ভণি গীত হিচাপে এই গীতটিকে গোৱা হৈছিল লোকগীত বুলি। আমি তেতিয়া বৰগীত শিকি আছিলো। অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক অমল ৰাজখোৱাই গীতটি আধাতে বন্ধ কৰি শিল্পীসকলক এনেদৰে বৰগীতক লোকগীত বুলি নাগাবলৈ সকীয়াই দিয়া আমি প্ৰত্যক্ষ কৰো। ঘৰত আহি বৰগীতৰ কিতাপ মেলি দেখো হয় আশোৱাৰী ৰাগৰ এই বৰগীতটি ৰাগত গোৱা হোৱা নাছিল। আনকি খোল-তালৰ ঠাইত ঢুলোকী, তাব্‌লা আদি বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰা হৈছিল। এনে ভুলৰ যাতে পুনৰাবৃত্তি নহয় তাকে আমাৰ ভাষণত যেতিয়াই সুবিধা পাওঁ উল্লেখ কৰো। সাধাৰণ ৰাইজৰ জ্ঞাতাৰ্থে পুনৰ নিবেদন এই যে দেশৰ পিতা মহাত্মা গান্ধীও বিভিন্ন কাৰণত সমালোচিত হৈছে। বিষয়জ্ঞান থকাসকলেহে বুকু ডাঠি সমাজত মুখ খুলিব পাৰে। 'শুন শুন ৰে সুৰ...' এই গীতটি সম্পৰ্কত অসমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ ঘৰত গৈ প্ৰকৃত ৰাগৰ স্বৰলিপি পৰ্যন্ত দি অনুৰোধ কৰা হৈছিল যে বৰগীতৰ সুৰ বান্ধিব নোৱাৰি, ই ৰাগতহে পৰিৱেশন হয়। 'লুইতৰ পাৰৰে আমি ডেকা ল'ৰা...' - এই জ্যোতি সংগীতৰ সুৰত সুধাকণ্ঠই সুৰ কৰি গ'ল - যিটো অতি গৰ্হিত কাম হ'ল। সুধাকণ্ঠপ্ৰেমীসকলৰ সন্মুখতে 'মানুহে মানুহৰ বাবে...' - গীতটি যদি মই ঢোল লৈ বিহুসুৰীয়া কৰি পৰিৱেশন কৰো তেওঁলোকে মোক কি কৰিব ? বাঃ বাঃ দিব নে জোতা দলিয়াব ?..."

- খগেন্দ্ৰ নাথ বৰা

প্ৰতি,

খগেন্দ্ৰ নাথ বৰা,

হয় বৰাদেৱ, সমালোচনা কৰিলেই অপমান কৰা নুবুজায়। ভুল সকলোৱে হ'ব পাৰে। **'হস্তীৰো পিছলে পাৰ, সজ্জনৰো বুৰে নাও'** দ্বাপৰ যুগত ভগৱান কৃষ্ণও সমালোচনাৰ সমুখীন হৈছিল, ত্ৰেতাত ৰামচন্দ্ৰও সমালোচনাত জৰ্জৰিত হৈছিল। গতিকে সুধাকণ্ঠ ভূপেন হাজৰিকা বা জুবিন গাৰ্গৰ আঁসোৱাহ এটা দেখুৱাই দিলে বেয়া পোৱা কথা আহিব নোৱাৰে। সুধাকণ্ঠগৰাকী সকলোৰেই। শ্ৰীমন্ত শঙ্কৰদেৱ সঁঘৰো। কলিয়াবৰ অধিৱেশনৰ আদৰণী সমিতি আৰু সঁঘৰ কাৰ্যনিৰ্বাহকৰ পৰা জানিব পৰা মতে সুধাকণ্ঠ গৰাকীৰ নামত তোৰণ দিয়াৰ কোনো প্ৰস্তাৱ গ্ৰহণ কৰা নাছিল। গতিকে সুধাকণ্ঠ গৰাকীক অপমান কৰা হোৱা নাছিল। উল্লেখযোগ্য যে ভূপেন হাজৰিকাদেৱ পৰলোকপ্ৰাপ্তি হোৱাৰ দিনা ৰঙিয়াত সঁঘৰ শিশু-যুৱ-আইমাতৃৰ সমাৰোহস্থলীত প্ৰতিযোগিতা চলি আছিল। আমি এই দুঃসংবাদটো মঞ্চত থাকোতেই পোৱাৰ লগে লগে পদাধিকাৰ প্ৰমুখ্যে মঞ্চৰ আৰু সভাগৃহৰ সকলোৰেই মাধৱ মহাপুৰুষজনাৰ এজোকা ঘোষাৰে সুধাকণ্ঠগৰাকীৰ বিদেহ আত্মাৰ সদ্গতিৰ বাবে প্ৰাৰ্থনা জনাই শোক প্ৰস্তাৱ গ্ৰহণ কৰি বাতৰি কাকতলৈ প্ৰেৰণ কৰা হৈছিল।

## আত্ম-সংশোধন হওক শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ

- অসমীয়া খবৰ, ৪ মার্চ, ২০১২

".... মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আদৰ্শৰ পৰা বিচলিত হোৱা, নিনিন্দাইবা নুভূঞ্জাইবা নীতি অৱলম্বন নকৰা, বেদৰ কৰ্ম পৰিহাৰ কৰা আদিৰ পৰা আমাৰ সমাজৰো ক্ষতি নোহোৱা নহয়। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰতিটো ধৰ্ম-কৰ্মত হোম-যজ্ঞ কৰি

বায়ুমণ্ডল প্ৰদূষণমুক্ত কৰি ৰাখিছিল। তাৰ উপৰি কিছুমান মহাপণ্ডিতে ছলে বলে কৌশলে উক্ত অনুষ্ঠানত সোমাইয়ো অসুবিধাৰ সৃষ্টি কৰিছে যেন দেখা যায়।...”

পবিত্ৰ কুমাৰ শৰ্মা, দিছপুৰ,
ফোন - ৯৪৩৫০-৪৬১৯৪

প্ৰতি,

পবিত্ৰ কুমাৰ শৰ্মা,

শৰ্মাদেউ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ শঙ্কৰদেৱৰ আদৰ্শৰ পৰা বিচলিত হোৱা নাই আৰু বেদ-ধৰ্মও পৰিহাৰ কৰা নাই। বেদত আছে কি? বাদৰায়ণ ব্যাসদেৱে বেদত কি আছে, এই সম্পৰ্কে কৈছে -

‘ৱেদে ৰামায়ণে চৈৱ পুৰাণে তথা।
আদিমধ্যাৱসানেষু হৰিঃ সৰ্ব্বত্ৰ গীয়তে।।’

(মহাভাৰত, শ্ৰৱণ-মাহাত্ম্য, ৯৩)

মহাপুৰুষ মাধৱদেৱে এই শ্লোকৰ ভাঙনি কৰিছে এনেদৰে-

‘বেদে ৰামায়ণে পুৰাণে ভাৰতে
আদি মধ্য অৱসানে।
হৰিকেসে মাত্ৰ কহৰে নিশ্চয়
জানা তত্ত্ব এহিমানে।।’

(নাম-ঘোষা)

মাধৱদেৱে নাম-ঘোষাত আকৌ কৈছে - **‘বেদৰ গুপুত বিত্ত নাৰায়ণ এ - দৈৱকীত হন্তে সাক্ষাতে ভৈলা বিদিত।’** বেদৰ কৰ্মকাণ্ড পৰিহাৰ কৰি গুপুত বিত্ত নাৰায়ণক গ্ৰহণ কৰাহে গুৰুজনাৰ ধৰ্মৰ মূলতত্ত্ব। **‘ৰাখিলন্ত কৰ্মকাণ্ড অজ্ঞানীৰ পদে’** বুলি গুৰুজনে ভাগৱতৰ ষষ্ঠস্কন্ধৰ অজামিল উপাখ্যানত কৈ গৈছে।

মহাপুৰুষ শঙ্কৰদেৱে হোম যজ্ঞ কৰি বায়ুমণ্ডল প্ৰদূষণ কৰাৰ কথা আপুনি ক’ত পালে? এটা প্ৰবন্ধ লিখি গুৰুজনৰ লিখনিৰ উদ্ধৃতিৰে বাতৰি কাকতৰ যোগেদি আমাক জানিবলৈ দিব। আমি গুৰুজনে কৰ্মকাণ্ডৰ বিৰুদ্ধে মাত মতাৰ কথাহে তাৰাৰ ৰচনাত পঢ়িবলৈ পাইছো। গুৰুজনে লিখিছে-

‘নলাগে ভক্তিত দেৱ দ্বিজ ঋষি হুইবে।
নলাগে সম্ভৃত শাস্ত্ৰ বিস্তৰ জানিবে।।
তপ জপ যজ্ঞ দান সৱে বিড়ম্বন।
কেৱল ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।।৩৮০।।

(কীৰ্ত্তন-ঘোষা, প্ৰহ্লাদ চৰিত ঃ পঞ্চদশ কীৰ্ত্তন)

যি মহাপণ্ডিতেই নহওক কিয়, সঙ্ঘত সোমাই অসুবিধাৰ সৃষ্টি কৰিছে (?) যদিও আপোনাৰ **কি কাঁহিপাতে গা কাটিছে?** লোকৰ ঘৰলৈ আলহী আহিলে খিৰিকীৰে জুমি চাই থকাটো ভাল কাম নহয় বুলি সকলোৱে জানে। মহাপণ্ডিত কাক বোলে আপোনাৰ দৰে অৱশ্যে নাজানো, কিন্তু ‘পণ্ডিত’ৰ সংজ্ঞা কৃষ্ণদেৱে নিজেই উদ্ধৱৰ আগত দিছে। গুৰুজনৰ ভাষাৰে-

‘বাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি একতুল।।
নীচত সাধুত যাৰ ভৈল এক জ্ঞান।
তাহাকেসে পণ্ডিত বুলিয় সৰ্ব্বজন।।১৮২১।।

(কীৰ্ত্তন-ঘোষা, শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ, চতুৰ্থ কীৰ্ত্তন)

## শংকৰ সংঘ আৰু পথভ্ৰষ্টতাৰ প্ৰশ্নটো

- নিয়মীয়া বাৰ্তা, ৫ মাৰ্চ, ২০১২

“...শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ জন্মৰ পৰ্যায়ৰ এটা পৰিয়ালৰ এজন সদস্য কিমান ব্যথিত হ’লে আৰু তেওঁৰ কিমান শুভেচ্ছাত্মক আশা থাকিলে এখন কিতাপ প্ৰকাশ কৰিব পাৰে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ দৰে এটা বৃহৎ অনুষ্ঠানৰ বাবে সাংবিধানিক পৰিধিৰ মাজত এনে এখন কিতাপক লৈ আনুষ্ঠানিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰাটো হয়তো কিছু দীঘলীয়া হ’ব পাৰে, তাত আচৰিত হ’বলগীয়া একো নাই; আচৰিত হ’বলগীয়া কথা হৈছে - সংঘৰ মুষ্টিমেয় বিষয়ববীয়াই দেখুওৱা তাৎক্ষণিক প্ৰতিক্ৰিয়াৰ বিষয়টোহে।

চিন্তা প্ৰকাশৰ প্ৰতি আদৰণি নজনাই, চিন্তাৰ স্বাধীনতা হৰণ কৰিবলৈ গৈ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ দৰে বৃহৎ গণতান্ত্ৰিক অনুষ্ঠানটো শুভাকাংক্ষী আৰু অনা সংগীসকলৰ দৃষ্টিত সৰু হ'বলৈ গৈ আছে যেন লাগিছে। আমি দ্বিমত প্ৰকাশ নকৰোঁ যে কিতাপখনৰ বহুকেইটা অধ্যায়ত ময়ূৰ বৰাই আলোচনাবোৰ ইমান সংক্ষেপ কৰিছে যে বহু পাঠকে হয়তো অনুধাৱন কৰিবই পৰা নাই - লেখকে কি ক'বলৈ গৈছে। বহুতৰে মনত এনে ধাৰণাৰো সৃষ্টি হ'ব পাৰে যে ময়ূৰ বৰাই শংকৰদেৱৰ একেশ্বৰবাদ পৰিহাৰ কৰি বিভিন্ন আগমপন্থী আচৰণৰ সহযোগিতাৰহে আহ্বান জনাইছে। সংঘৰে সদস্য, সংঘৰ একেশ্বৰবাদী মহাপুৰুষীয়া নীতি-আদৰ্শত অটল থাকিও লেখকে অনুভৱ কৰিছে যেন শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই সময়ৰ লগত খোজ মিলাই আগবাঢ়িব পৰা নাই আৰু শুভাকাংক্ষী হিচাপে লেখকে তেনে কিছু দিশেই কিতাপখনত আলোকপাত কৰিব বিচাৰিছে। প্ৰকাশৰ দুৰ্বলতা বা শব্দ চয়নৰ অপপ্ৰয়োগৰ বাবে লেখকক ক্ষমা কৰিব পৰা নাযায়, কিন্তু একে সময়তে সৰ্বজন শ্ৰদ্ধেয় এটা সৰ্বজন শ্ৰদ্ধেয় এটা জাতীয় অনুষ্ঠানৰ প্ৰতিক্ৰিয়া প্ৰকাশৰ তাৎক্ষণিক ব্যৱস্থাটোও সমৰ্থন কৰিব পৰা নাযায়। শ্ৰীমন্ত শংকৰদেৱ সংঘ এটা গণতান্ত্ৰিক অনুষ্ঠান আৰু এনে এটা অনুষ্ঠানৰ গালৈ কাঁড় টোঁৱাই লিখা লেখক বৰাৰ কিতাপখন সন্দৰ্ভত সংঘৰ ভিতৰতো আলোচনা-বিলোচনা গণতান্ত্ৰিকভাৱে হোৱাটোকেই সুধী আৰু বিজ্ঞজনে কামনা কৰিব। লেখক বৰাৰ চিন্তা আৰু প্ৰকাশৰ সীমাবদ্ধতাৰ কথা স্বীকাৰ কৰিও এই কথা আমি আশা কৰিম যে শ্ৰীমন্ত শংকৰদেৱ সংঘই এনে সীমাবদ্ধতাৰ পৰিচয় নিদিব।"

- ডাঃ প্ৰবীণ কুমাৰ নেওগ

প্ৰতি,

ডাঃ প্ৰবীণ কুমাৰ নেওগ,

নেওগদেৱ, ময়ূৰ বৰাৰ কিতাপখনত থকা ভিত্তিহীন কথাবোৰ সঙ্ঘৰ সঙ্গীক অধিৱেশনৰ আনন্দৰ মাজত পঢ়িবলৈ নিদিয়াৰ কথা ভাবিয়েই কাৰ্যনিৰ্বাহকে বিক্ৰী বন্ধ কৰিছিল, বৰাৰ স্বাধীনতা হৰণ কৰাৰ অধিকাৰ সঙ্ঘৰ নাই। ময়ূৰ বৰাদেৱ সঙ্ঘৰ সদস্য নহয়; অৱশ্যে একেশ্বৰবাদী মহাপুৰুষীয়া নীতি আদৰ্শ মানি চলে-নচলে নাজানো। গ্ৰন্থৰ ভিতৰৰ কিছুমান কথা পঢ়ি একেশ্বৰবাদী নহয় বুলিয়েই আমাৰ ধাৰণা হ'ল।

## শ্ৰীমন্ত শংকৰ সংঘক আত্মসংশোধনৰ প্ৰয়োজন

- নিয়মীয়া বাৰ্তা, ৬ মাৰ্চ, ২০১২

"মহান উদ্দেশ্য আগত লৈ বহুকেইজন গুণী-জ্ঞানী পণ্ডিতে মহাপুৰুষ শংকৰদেৱৰ আদৰ্শৰ বৰঅসমৰ পোষকতা কৰি গুৰুজনাৰ সাহিত্য-সংস্কৃতি নৱবৈষ্ণৱ ধৰ্মৰ যোগেদি প্ৰচাৰ আৰু প্ৰসাৰ কৰি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ আশাৰে ৮১ বছৰ আগতে এক পবিত্ৰ ক্ষণত জন্ম হৈছিল শ্ৰীমন্ত শংকৰদেৱ সংঘৰ। প্ৰথমাৱস্থাত সংঘৰ আচাৰ-নীতি, কৰ্ম-কাণ্ড ঠিকেই আছিল যদিও পাছলৈ তাৰ ব্যতিক্ৰম ঘটিব ধৰিলে। পাছলৈ সংঘৰ একাংশ সদস্যৰ লক্ষ্য হৈ পৰিল ব্ৰাহ্মণ, গোঁসাই, পূজা-পাতল, যাগ-যজ্ঞ, সত্ৰীয়া-সংস্কৃতি আদিৰ বিৰুদ্ধাচৰণ কৰা। সুবিধা পালেই ব্ৰাহ্মণ, গোঁসাইক বা বৈদিক সংস্কৃতি মানি চলা লোকক অপমান, আক্ৰমণ কৰা। ..."

- পৱিত্ৰ কুমাৰ নাথ

প্ৰতি,

পৱিত্ৰ কুমাৰ নাথ,

নাথ ডাঙৰীয়া, প্ৰতিষ্ঠাৰ কালতে সেই গুণী-জ্ঞানীসকলেও আগম পন্থৰ বিৰুদ্ধেহে মাত মাতিছিল। গুৰুজনাৰ ধৰ্মত প্ৰবৃত্তিমাৰ্গৰ যাগ-যজ্ঞ, পূজা-পাতলৰ ব্যৱস্থা নাই। সঙ্ঘৰ এনেবোৰ মত নিজা নহয়। গুৰুজনে কীৰ্ত্তনত কৈছে -

'হৰি ৰাম হৰি ৰাম এ মূল মন্ত্ৰ।
কলিত নাহি তপ যজ্ঞ যন্ত্ৰ।।২৪।। (কীৰ্ত্তন-ঘোষা, প্ৰহ্লাদ চৰিত)

সঙ্ঘই ব্ৰাহ্মণ-গোঁসাইসকলক অপমান কৰাৰ উদাহৰণ নাই, সন্মানহে জনোৱা হৈছে। সঙ্ঘ কৰ্মকাণ্ডৰ হে বিৰোধী। প্ৰস্তুত গ্ৰন্থৰ 'দশম অধ্যায়' চাবচোন। সঙ্ঘই ব্ৰাহ্মণ-গোঁসাইসকলক পদাধিকাৰৰ আসনতো বহুৱাই সন্মান জনাইছে।

## শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ ঃ কিছু অনুভৱ

- অসমীয়া খবৰ, ৬ মাৰ্চ, ২০১২

"..... সত্ৰসমূহৰ দ্বাৰা শঙ্কৰদেৱ গুৰুজনাৰ আদৰ্শ-দৰ্শন-সংস্কৃতি আদিৰ সংৰক্ষণ-সংবৰ্ধন-প্ৰচাৰ আৰু প্ৰসাৰ কাৰ্য চলি থকা অৱস্থাত শ্ৰীমন্ত শঙ্কৰ গুৰুজনাৰ নামেৰে আকৌ এটি অনুষ্ঠানৰ প্ৰয়োজনীয়তা কেনেদৰে অনুভূত হ'ল তাক জানিবলৈ মনত উদয় হোৱা উৎসুকতাৰ ফলশ্ৰুতিত লাহে লাহে জানিবলৈ পালো যে **কেইখনমান সত্ৰই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ আদৰ্শ-দৰ্শন-সংস্কৃতি আদিৰ চাৰিসীমাৰ বাহিৰত অৱস্থান কৰি আছে। ৰাজানুগ্ৰহপ্ৰাপ্ত এইকেইখন সত্ৰই সত্ৰৰ চাৰিবেৰাৰ ভিতৰত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ আদৰ্শ-দৰ্শন-সংস্কৃতি আদিৰ চৰ্চা নিষিদ্ধ কৰি ৰাখিছে আৰু ইয়াৰ বিপৰীয়ে**

**ৰাজকীয় আদব-কায়দাৰে শঙ্কৰ গুৰুপ্ৰেমীসকলৰ একাংশৰ ওপৰত গুৰুগিৰী কৰি আহিছে। আত্মিক উত্তৰণ ঘটাবলৈ কৰা ভগৱৎ ভক্তিৰ প্ৰক্ৰিয়া এইকেইখন সত্ৰৰ গুৰু আৰু শিষ্যসকলৰ একে নহয়।** শিষ্যসকলে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ গুৰুজনাক আত্মিকভাৱে পৰম গুৰু জ্ঞান কৰি তেৰাৰ লগতে তেৰাৰ পৰম্পৰাৰ পৰৱৰ্তী গুৰুসকলৰ ৰচনাৰাজি ব্যৱহাৰ কৰি ভগৱৎ ভক্তিৰ প্ৰক্ৰিয়া সম্পাদন কৰাৰ বিপৰীতে সত্ৰাধিকাৰকেইজনে শ্ৰীমন্ত শঙ্কৰ গুৰুজনাক গুৰু জ্ঞান নকৰে। এইকেইখন সত্ৰৰ শ্ৰীমন্ত শঙ্কৰ গুৰু বিৰোধী এনে কাৰ্যকলাপৰ প্ৰতিবাদ কল্পে আৰু বহু সত্ৰত সেই সময়ত বৰ্তি থকা অত্যাধিক শুচিবায়ুগ্ৰস্ততাৰ বাবেই শ্ৰীমন্ত শঙ্কৰ গুৰুজনাৰ নামেৰে 'শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ' নামৰ অনুষ্ঠানটোৰ জন্ম হোৱা বুলি প্ৰত্যয় গ'লো। ময়ূৰ বৰাৰ 'পথভ্ৰষ্ট হৈছে নেকি শঙ্কৰ সংঘ' শীৰ্ষক গ্ৰন্থখনৰ পৰা জানিলো - 'পুৰোহিত শ্ৰেণীৰ ধৰ্মীয় গোড়ামি আৰু মইমতালিয়ে অতিষ্ঠ কৰি ৰখা অসমৰ বহু ঠাইৰ সাধাৰণ মানুহৰ মনত জন্ম লৈছিল গভীৰ ক্ষোভ আৰু অসন্তুষ্টি। ৰাইজৰ মনত গঢ় লৈ উঠা অসন্তুষ্টিৰ জীপাল পথাৰতে সুপ্ত হৈ আছিল পৰৱৰ্তী সময়ত বলিষ্ঠভাৱে আত্মপ্ৰকাশ কৰা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ দৰে অনুষ্ঠানৰ।

........ ময়ূৰ বৰাৰ উল্লিখিত গ্ৰন্থখনৰ ৮০ পৃষ্ঠাত থকা এটা বাক্য হৈছে - 'গুৰুজনাই এক কৰে, ভকতেহে ভাগ কৰে।' আমি শ্ৰীমন্ত শঙ্কৰ গুৰুজনাৰ অনুগামীসকল বাৰু সঁচাকৈয়ে ভাগ ভাগ হোৱা নাইনে? এই বিভাজন বাৰু শঙ্কৰ গুৰুজনাৰ আদৰ্শ-দৰ্শন পালন সম্পৰ্কীয় সংঘাতৰ ফলশ্ৰুতিত নে সামাজিকভাৱে প্ৰাপ্ত অত্যাধিক আৱেগজনিত আচাৰ-নীতি সৰ্বস্ব পশ্চাদমুখী চিন্তাধাৰাৰ ফলশ্ৰুতিত। আচাৰ-নীতি আৰু লোকপৰম্পৰা পালনৰ ক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰ গুৰুজনাৰ অনুগামীসকলৰ মাজত থকা পাৰ্থক্যসমূহ একাষৰীয়া কৰি শ্ৰীমন্ত শঙ্কৰ গুৰুজনাৰ বহুমুখী প্ৰতিভাসমূহৰ প্ৰকৃত চৰ্চা আৰু বিশ্বব্যাপী প্ৰচাৰৰ দিশত একেলগে কৰিব পৰা কাম নিশ্চয় বহু আছে। সকলোৱে উচ্চাত্মিকতা পৰিহাৰ কৰি নব-প্ৰজন্মক জড়িতকৰণেৰে এই দিশত আগবাঢ়ি আহিলেহে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ আদৰ্শ-দৰ্শন-সংস্কৃতিৰ ওপৰত দেখা দিয়া ক'লীয়া ডাৱৰ আঁতৰিব। নহ'লে আমি শ্ৰীমন্ত শঙ্কৰ গুৰুজনাৰ অনুগামীসকলে নিজৰ মাজত খোৰা-কামোৰা কৰি থাকোতে আনে আমাৰ ভেটি উছন কৰিবলৈ আৰু সৰহ দিন নালাগিব।

ক'লীয়া ডাৱৰ ফালি শুভ্ৰ জ্যোতিৰ সন্ধানত আৰম্ভ হোৱা এক প্ৰয়াসে আমাক অতি উৎসাহিত কৰিছে। এক শৰণ ভাগৱতী সমাজৰ আচাৰ্যজনাৰ আহ্বানত অহা ৬ মাৰ্চত গুৱাহাটীত অসম সত্ৰ মহাসভা, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ আৰু এক শৰণ ভাগৱতী সমাজৰ মাজত যৌথ সভা অনুষ্ঠিত হ'ব। এই সভাত মহাপুৰুষ গুৰুজনাৰ ধৰ্ম, সাহিত্য আৰু সংস্কৃতি দেশ-বিদেশত ব্যাপকভাৱে প্ৰচাৰ-প্ৰসাৰৰ বাবে উমৈহতীয়া কাৰ্যসূচী প্ৰস্তুত হ'ব বুলি আশা কৰা হৈছে। শ্ৰীমন্ত শঙ্কৰ গুৰুজনাৰ অনুগামী এই তিনিওটা অনুষ্ঠানেই মুকলি মনেৰে এই আলোচনাত ভাগ ল'ব বুলি আশা কৰা হৈছে।

- ৰঞ্জন মহন্ত

ফোন - ৯৮৬৪২-৩৪৬৪৫

প্ৰতি,

ৰঞ্জন মহন্ত,

শ্ৰীমন্ত শঙ্কৰদেৱক যদি 'গুৰু' বুলি মানে, তেন্তে শঙ্কৰদেৱ অনুগামী সকলো অনুষ্ঠানেই অথবা সকলো ব্যক্তিয়েই গুৰুজনাৰ পৰামৰ্শসমূহ পালন কৰিলেহে তাৰাক প্ৰকৃততে শ্ৰদ্ধা কৰা হ'ব। অনুষ্ঠানসমূহৰ মাজত থকা ভক্তিধৰ্ম সম্পৰ্কীয় আচাৰ-নীতিসমূহো গৱেষণা-বিশ্লেষণৰ দ্বাৰা এক কৰিব পৰা নিশ্চয় হ'ব যদিহে শঙ্কৰদেৱ অনুগামী অনুষ্ঠানসমূহ একত্ৰিত হয়। এই ক্ষেত্ৰত আমাৰ সকলোৰে আন্তৰিকতা আৰু প্ৰচেষ্টাৰ অভাৱেই মূল কাৰণ হৈ পৰিছে।

## ময়ুৰ বৰাৰ গ্ৰন্থ 'পথভ্ৰষ্ট হৈছে নেকি শঙ্কৰ সংঘ'

- অসমীয়া খবৰ, ১৩ মাৰ্চ, ২০১২

"কোনো অনুষ্ঠান বা কোনো কিতাপ বা কোনো সাহিত্যিকৰ বিষয়ে সমালোচনামূলক গ্ৰন্থ প্ৰণয়নৰ পূৰ্বে নিৰ্বাচন কৰি লোৱা বিষয়বস্তুৰ সম্পৰ্কে শুদ্ধ-সত্য অভিজ্ঞতা বা জ্ঞানৰ অতি প্ৰয়োজন। বিষয়বস্তুৰ ওপৰত পুংখানুপুংখভাৱে জ্ঞান নোহোৱাকৈ সমালোচনা সাহিত্য সৃষ্টি কৰিলে হিতে বিপৰীত ক্ৰিয়া কৰাৰ পূৰ্ণ সম্ভাৱনা থাকে। সমালোচকৰ শব্দ আৰু বাক্যৰ ব্যৱহাৰিক জ্ঞান থকা নিতান্তই আৱশ্যক। সমালোচনা কৰাৰ সাধাৰণ অৰ্হতা থকা স্বত্বেও শব্দ আৰু বাক্য সংযোজনৰ সঠিক জ্ঞান নোহোৱাৰ বাবেই সমালোচনাকাৰী অৱশেষত মানসিক ক্লান্তিত কষ্ট ভোগ কৰিব লগা হয়। সমালোচনাকাৰী বিষয়বস্তুৰ বিষয়ত সূক্ষ্মাতিসূক্ষ্ম অংশবোৰৰ প্ৰতিও সতৰ্ক হোৱা উচিত। চালে-বেৰে কোবোৱা মন্তব্যই সমালোচনা সাহিত্যক নিম্নস্তৰলৈ অৱনমিত কৰাৰ লগতে সমালোচনাকাৰীৰ নিজৰ ক্ষতিৰ লগতে সমাজ, অনুষ্ঠানৰো ক্ষতি কৰা হয়। ৰবীন্দ্ৰনাথ ঠাকুৰে এই বিষয়ে 'What is Art' গ্ৰন্থত ব্যক্ত কৰিছে - 'কলাত কলাকাৰে নিজক অভিব্যক্ত কৰে।' (in art man reveals himself) তাৰ উপৰি বিদ্বান সাহিত্যিকৰ মতে সাহিত্য শব্দৰ উৎপত্তি 'সহিত' শব্দৰ পৰা হৈছে। সহিতৰ অৰ্থ হৈছে - দুটাৰ যোগ অথবা ধীয়তে, অৰ্থাৎ যাক ধাৰণ কৰা হয়,

সিয়েই হিত। হিতৰ লগত যাৰ সম্বন্ধ স্থাপন হয় সিয়েই সহিত আৰু ইয়াৰ অন্তৰ্নিহিত ভাৱ হৈছে - সাহিত্য অথবা সহযোগেৰে অন্বিতৰভাৱেই হৈছে সাহিত্য। 'সহিতয়ো ভাৰ্ত্তঃ সাহিত্যম্'ৰ আধাৰত কোৱা হৈছে যে শব্দ আৰু অৰ্থ দুয়োৰে মিলনক সাহিত্য বোলা হয়। সমালোচনামূলক লেখাসমূহ বা গ্ৰন্থসমূহো সাহিত্যৰে অংগ। যাক সমীক্ষা বা সমালোচনা সাহিত্য বোলা হয়।

সমালোচক ময়ূৰ বৰাই প্ৰকাশ কৰা 'পথভ্ৰষ্ট হৈছে নেকি শঙ্কৰ সংঘ' গ্ৰন্থখনৰ শব্দ সংযোজন, বাক্য গঠন পদ্ধতিয়ে পাঠক সমাজ তথা শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ সমূহ বাপ-বান্ধৱ, আই-মাতৃক চিন্তান্বিত কৰিছে। ......."

- নৰকান্ত লিগিৰা

উত্তৰ হয়বৰগাঁও, নগাঁও

ফোন - ৮৭৬১৮-৮৭১৯৪

প্ৰতি,

নৰকান্ত লিগিৰা

লিগিৰাদেৱৰ লগত আমিও একমত প্ৰকাশ কৰিছোঁ। তথ্যহীনভাৱে চালে-বেৰে কোবাই বৰাই সঁঘৰ ভাৱ মূৰ্ত্তি বিনষ্ট কৰিবলৈ অপচেষ্টা চলোৱাৰ উপৰি অশালীন ভাষাৰ প্ৰয়োগেৰে অসমীয়া সমালোচনা সাহিত্যকলাক কলা কৰি থোৱা নাই!

## 'পথভ্ৰষ্ট হৈছে নেকি শঙ্কৰ সংঘ' গ্ৰন্থৰ প্ৰসংগত

- অসমীয়া খবৰ, ১৩ মাৰ্চ, ২০১২

'অসমীয়া খবৰ'ৰ ২০ ফেব্ৰুৱাৰী সংখ্যাৰ মুকলি মঞ্চৰ শিতানত প্ৰকাশিত লেখাকেইটা পঢ়িলো। এই প্ৰসংগত আমাৰ ক'ব লগা হৈছে, অনুষ্ঠান-প্ৰতিষ্ঠান বুলিলে আলোচনা-সমালোচনা থাকেই। জুইত সোণ পুৰিলে চক্‌চকিয়া নিকা কৰে। কিন্তু এই ক্ষেত্ৰত সমালোচকসকলে এটা কথা সাৱধান হোৱাৰ প্ৰয়োজন যাতে সমালোচনাৰ নামত ধ্বংসাত্মক চিন্তা-চৰ্চা সমাজত বিয়পি নপৰে। বাতৰি কাকতৰ পৰা যিখিনি বুজিব পাৰিলো, ময়ূৰ বৰাৰ সমালোচনা গঠনমূলক হোৱা নাই, ধ্বংসাত্মকহে হৈছে। অপৰিশীলিত, অশালীন শব্দ ব্যৱহাৰ কৰি গঠনমূলক সমালোচনা কৰাটো সম্ভৱ নহয়। এনে ভাৱ-ভাষাই সমাজ ধ্বংসৰ বাটহে মুকলি কৰে, উঠি অহা প্ৰজন্মক বিপথে পৰিচালিত কৰে। **আশা কৰো ময়ূৰ বৰাই কথাখিনি বুজিবলৈ চেষ্টা কৰিব আৰু তেওঁ ভৱিষ্যতলৈ এনে ভাষা প্ৰয়োগ কৰি কাকো সমালোচনা নকৰে যেন।**

- ড° অৰুণ কুমাৰ নেওগ

দহাবৰা চুক, যোৰহাট

ফোন ঃ ৯৪৩৫৫-১৫১০৫

প্ৰতি

ড° অৰুণ কুমাৰ নেওগ

ড° নেওগদেৱে কোৱাৰ দৰে আমিও কওঁ যে বৰাই সোণ পুৰিব নাজানিলে। জুইত নিদি ফুটছাইতহে সোমোৱাই দিলে। নেওগদেৱে বৰাক ভৱিষ্যতে সোণ পুৰিবলৈ যি কৌশল শিকাই দিছে, সেইবোৰলৈ বৰাই কেনেপ কৰিব জানো?

## অধিৱেশন আৰু অধিৱেশনৰ প্ৰাসংগিক চিন্তা

- নিয়মীয়া বাৰ্তা, ১৪ মাৰ্চ, ২০১২

"...শ্ৰীমন্ত শঙ্কৰদেৱৰ আদৰ্শত প্ৰতিষ্ঠিত ধৰ্ম, সাহিত্য, সাংস্কৃতিক অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সামাজিক অৱদানক কোনেও নুই কৰিব নোৱাৰে। গুৰুজনাই দেখুৱাই যোৱা আদৰ্শকে সাৰোগত কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মজিয়াত আজি বাৰেবৰণীয়া জাতি, জনগোষ্ঠী, নানা ভাষা-ভাষীৰ লোকেৰে মিলিত হৈ সমাজত এক সু-সম্বন্ধ আৰু সুস্থ বাতাৱৰণ গঢ়ি তুলিবলৈ সক্ষম হৈছে। গুৰুজনাৰ সাহিত্য-সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰেৰে গুৰুজনাক বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত কৰাৰ চেষ্টা অতি প্ৰশংসনীয় যদিও শ্ৰীমন্ত শংকৰদেৱ সংঘই বাৰ্ষিক অধিৱেশনসমূহত মাথোন এখনকৈ সাহিত্য আৰু সংস্কৃতি শাখাৰ সভা অনুষ্ঠিত কৰিয়েই ক্ষান্ত থাকে। একোখন অধিৱেশন বিশেষ সাহিত্য আৰু সাংস্কৃতিক অধিৱেশন হিচাপে অনুষ্ঠিত কৰিলে গুৰুজনাৰ সাহিত্য-সংস্কৃতিৰ চৰ্চা, অধ্যয়ন আৰু গৱেষণা কাৰ্যত অধিক মাত্ৰা প্ৰদান কৰিব বুলি আশা কৰিব পাৰি। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ কাণ্ডাৰীসকললৈ আমাৰ সেৱা থাকিল, এই বিষয়টো যেন গুৰুত্ব সহকাৰে গ্ৰহণ কৰে।

সম্প্ৰতি দুই-একে 'শংকৰ সংঘ' একমাত্ৰ লোকাচাৰসৰ্বস্ব অনুষ্ঠান বুলি তৰল মন্তব্য কৰি, তৰল জনপ্ৰিয়তাৰ উথপথপনিত বুৰ যায় এথোন। **তেনে মন্তব্য কৰাজনে বগৰীৰ ওপৰৰ সাহটোহে দেখিছে, তলৰ গুটিটো দেখাই নাই।** লোকাচাৰ শব্দৰে কি অৰ্থ সূচাব বিচাৰিছে, সেয়াও দৃঢ় স্পষ্ট নহয়। পাহৰি যোৱাও উচিত নহয় লোকাচাৰৰ পৰাই লোক-সংস্কৃতি, লোক-সংস্কৃতিয়েই সমাজৰ মূল ভেটি। সত্ৰীয়া সংস্কৃতিয়েই বোলক অথবা শঙ্কৰী সংস্কৃতিয়েই বোলক, গুৰুজনাৰ ধৰ্মৰ মূল আচাৰ-সংস্কৃতিখিনিয়েই যে অসম মুলুকৰ সকলো জাতি-জনগোষ্ঠীৰ ৫০০ বছৰীয়া সভ্যতাক একপ্ৰকাৰে প্ৰভাৱিত কৰি আহিছে, তাক নুই কৰিব

নোৱাৰি। সেই আচাৰ-নীতি-সংস্কৃতিক নিলগাই কোনখন অসমীয়া সমাজৰ কল্পনা কৰা হৈছে সেয়াও আজি উত্তৰ আধুনিকতাৰ বাৰ্তাবাহী বুদ্ধিজীৱীৰ মনত এক ধোঁৱাময় সাঁথৰস্বৰূপ।..."

- গুণাৰাম শইকীয়া
ফোন - ৯৪০১৩-২৭৮০৫

প্ৰতি,

গুণাৰাম শইকীয়া,

শইকীয়াদেৱ, আপুনি দেখা সঙ্ঘৰ প্ৰকৃত ছবিখন বহুতে দেখাই নাই নহয়। দেখিছে বা শুনিছে যদিও সাৰ পাই কপট নিদ্ৰা মাৰি আছে বুলি ভাবিছো। অধিৱেশনস্থলীত সাহিত্য-সংস্কৃতিৰ সভা আৰু কৰিবৰ বাবে সময়ৰ অভাৱ। অধিৱেশনৰ বাহিৰে আন কাৰ্যসূচীবোৰত সাহিত্য-সংস্কৃতিৰ চৰ্চা চলিয়েই আছে। আপোনাৰ পৰামৰ্শৰ বাবে ধন্যবাদ জনাইছোঁ। লোকাচাৰ আৰু ভক্তিধৰ্মৰ বৈশিষ্টবোৰৰ পাৰ্থক্য বহুতেই আকৌ ধৰিবই নোৱাই মাখিটোকে হাতীটো সজাইছে।

## সংঘৰ উপকাৰী ময়ূৰ বৰা

- অসমীয়া খবৰ, ১৮ মাৰ্চ, ২০১২

"... বৰ্তমান মোবাইল ফোন, ইণ্টাৰনেটৰ যুগত, পৃথিৱীখন এখন গাঁৱত পৰিণত হোৱাৰ সময়ত, আনকি গোড়া সত্ৰসমূহেও সময়ৰ লগত খাপ খুৱাই ৰীতি-নীতি শিথিল কৰাৰ সময়ত সংঘই সময়ৰ লগত খাপ খুৱাই সংবিধান আৰু বিধিসমূহৰ সংশোধন কৰাৰ সময় আহিছে। সংকীৰ্ণতা নহয় 'উদাৰতা'ৰহে প্ৰয়োজন হৈছে। সংঘীয়া, নিসংঘীয়া, বামুণীয়া শঙ্কৰদেৱৰ অনুগামী সকলো ভকতে একেলগে বহি নাম-কীৰ্তন কৰি প্ৰসাদ খাব পৰা পৰিৱেশ এটা গঢ়ি তুলিব পৰাতহে মহত্ব আছে। আমি ঐক্যবদ্ধ হ'লেহে শঙ্কৰদেৱক জগতসভালৈ নিব পাৰিম। মোৰ বোধেৰে ময়ূৰ বৰা সংঘৰ উপকাৰীহে।

- প্ৰমোদ বৰা
কুমাৰপটি, কামপুৰ নগৰ, নগাঁও
ফোন - ৮৪৮৬২-৮১৭৮৮

প্ৰতি,

প্ৰমোদ বৰা,

বৰাদেৱ, সঙ্ঘৰ সংবিধান আৰু বিধি-ব্যৱস্থাবোৰ কীৰ্ত্তন-দশম, ঘোষা-ৰত্নাৱলীৰ আধাৰতেই গঢ়ি লোৱা হৈছে। নিয়মবোৰ শিথিল কৰিবলৈ হ'লে মহাপুৰুষ দুজনাৰ শাস্ত্ৰসমূহৰ বাক্যবোৰো সলাই লব লাগিব দেখোন। অসমৰ সকলো সত্ৰানুষ্ঠানে মহাপুৰুষীয়া ধৰ্মাদৰ্শ পালন নকৰে কাৰণে আপুনি শিথিল বুলি কৈছে। সঙ্ঘই 'সংঘীয়া, নিসংঘীয়া' সকলোকে গুৰুজনাৰ এটা নিয়মৰ অধীনলৈ আনিবলৈকে প্ৰচেষ্টা চলাই আছে। ময়ূৰ বৰা সঙ্ঘৰ উপকাৰী হ'লহেঁতেন যদিহে তেখেতৰ গ্ৰন্থত সঙ্ঘৰ সঁচা কথাবোৰ লিখিলেহেঁতেন।

## অস্পৃশ্য নীতিৰে গুৰুজনাক অৱমাননা কৰি পথভ্ৰষ্ট হোৱা নাইনে?

- অসমীয়া খবৰ, ১৮ মাৰ্চ, ২০১২

"... গুৰুজনাই চৌত্ৰিশ জাতি এক কৰি নগাৰ নৰোত্তম, মিকিৰৰ জয়হৰি, কৈৱৰ্তৰ পূৰ্ণানন্দ, মুছলমানৰ চান-খাঁ আদি বিভিন্ন সম্প্ৰদায়ৰ লোকেৰে বৰ অসম গঢ়ি একতাৰ ডোলেৰে বান্ধি থৈ গ'ল। এচাম লোকে ধৰি লৈছে অসমত একমাত্ৰ বৃহৎ অনুষ্ঠানটো হ'ল শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ। ইয়াৰ বাহিৰৰ মানুহখিনি অস্পৃশ্য। অস্পৃশ্য এই কাৰণে - নিজৰ শহুৰ, মোমাই-ভাগিন, খুৰা, বৰদেউতা যদি অনাসংগী হয় (শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সংগী নহয়) তেওঁলোকৰ গৃহত মাংগলিক বা শ্ৰাদ্ধ আদি হ'লেও সেই অনুষ্ঠানত প্ৰৱেশ নিষেধৰ লগতে নিমন্ত্ৰণ ৰক্ষা কৰিব নোৱাৰিব। নিজৰ কন্যাক কৰ্মকাণ্ডীয় পদ্ধতিৰে বিয়া দিব নোৱাৰিব, কিন্তু কৰ্মকাণ্ডীয় গৃহস্থৰ ছোৱালী বিবাহ কৰাত বাধা নাই। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ লোকে সংঘৰে উপযুক্ত বৰ চাই ছোৱালী বিয়া দিয়াত হাত উজান দিব পাৰিবনে? কৰ্মকাণ্ডীয় আত্মীয়ৰ গৃহত বিবাহ, শ্ৰাদ্ধ আদিৰ নিমন্ত্ৰণ ৰক্ষা কৰাত বাধা কিয়? আত্মীয় কুটুম্বৰ যোগসূত্ৰৰ পৰা নিষ্ঠুৰভাৱে বিচ্ছিন্ন কৰা সংঘৰ কৌশল নে সকলোকে সংঘমুখী কৰা কূটবুদ্ধি। গুৰুজনাই অহোপুৰুষাৰ্থ কৰি নামধৰ্ম প্ৰচাৰ কৰি থৈ গ'ল। নামে কাক তৰিব নোৱাৰে? নাম-প্ৰসংগত নেগেৰা, দবা, ভোৰতাল বজাই গুৰুজনাই নিজমুখে গাই ভকত মুহিছিল। কিন্তু আজি এনে অৱস্থাত উপনীত যে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সংগীসকলে (নাম-প্ৰসংগ) নিবিড় কীৰ্তনহে কৰে য'ত নেগেৰা, দবা কোনো দেৱবাদ্য সংগত কৰিব নোৱাৰিব।..."

- অমূল্য কুমাৰ ভাগৱতী
পূৱ শালমৰা, ফুলগুৰি

প্ৰতি,

অমূল্য কুমাৰ ভাগৱতী,

সঙঁঘই চৌত্ৰিশ জাতিৰেই সমাজ পাতি খোৱা-বোৱা, বিয়া-বাৰু চলাই অস্পৃশ্যতা পৰিহাৰ কৰাৰ আদৰ্শ স্থাপন কৰিছে। প্ৰস্তুত গ্ৰন্থৰ শেষৰ অধ্যায়টো চাবচোন। কেইখনমান জিলাৰ পৰিসংখ্যা এটা দিছো - সঙঁঘত চৌত্ৰিশ জাতিৰ সমাহাৰ কেনেদৰে ঘটিছে। আগম পন্থ গুৰুজনাৰ প্ৰচাৰিত ধৰ্মত নাই কাৰণে সঙঁঘৰ মজিয়াতো নাই। তেনেক্ষেত্ৰত গুৰুজনাৰ আদৰ্শৰে কৰ্মকাণ্ডীয় অনুষ্ঠানত সহযোগ কৰাৰ নীতি সঙঁঘত নাই। অসমৰ সমাজ জীৱনৰ সকলো লোকে সকলো মানুহৰ ঘৰলৈ গৈ খোৱা-বোৱা কৰে জানো ? নিজকে উচ্চ বৰ্ণৰ বুলি ভবা এচামে অনুসূচীত জাতিৰ বা জনজাতীয় ঘৰৰ ছোৱালী বিয়া কৰি ঘৰ সোমোৱালেহি তেওঁক ত্যজ্য পুত্ৰ কৰে দেখোন। এনেকুৱা উদাহৰণ দেধাৰ। সঙঁঘই নামধৰ্মৰ নিয়মেৰে যিকোনো ঘৰৰ ছোৱালীয়েই বিবাহ কৰোৱাত বাধা প্ৰদান নকৰে। সঙঁঘৰ সকলোকে সঙঁঘমুখী কৰাৰ 'কুটবুদ্ধি' নাই, আছে সুপৰিকল্পিত আঁচনি আৰু কাৰ্যকৰী কৰিও আছে। সঙঁঘটো আপোনাৰ কাৰণে ইমান বেয়া হ'লনে ? সঙঁঘই গুৰুজনাৰ আদৰ্শহে বাস্তৱত ৰূপ দিয়াৰ পৰিকল্পনাৰে এখন বহল সমাজৰ বাবে কাম কৰি আছে।

## এখন অন্তঃসাৰশূন্য গ্ৰন্থ

- অসমীয়া খবৰ, ১৮ মাৰ্চ, ২০১২

"পথভ্ৰষ্ট হৈছে নেকি শঙ্কৰ সংঘ' শীৰ্ষক গ্ৰন্থখনৰ শিৰোনামটোত আমাৰ প্ৰথম প্ৰতিক্ৰিয়া হৈছিল যে সম্পূৰ্ণ নিশ্চিত নোহোৱাকৈয়ে সংশয়াত্মক ভাবেৰে সংঘক দোষাৰোপ কৰা হৈছে। জীৱকান্ত নাথৰ 'স্খলন নাহিকে কদাচিত' (অসমীয়া খবৰ ২০/০২/২০১২, ২২/০২/২০১২) আৰু হেমচন্দ্ৰ শইকীয়াৰ 'সমালোচনা ৰীতিৰ তুলাচনীত 'পথভ্ৰষ্ট হৈছে নেকি শঙ্কৰ সংঘ' (অসমীয়া খবৰ ২০/০২/২০১২) শীৰ্ষক নিবন্ধ দুটাৰ লগত আমি সহমত প্ৰকাশ কৰিছো। ময়ূৰ বৰাৰ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ সফল ৰূপায়ণ সম্পৰ্কে কৰা সমালোচনাত ক'ব খোজে যে গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰ আদি অৱস্থাত পণ্ডিত ডিম্বেশ্বৰ নেওগে বিশ্ববিদ্যালয়ৰ নীতি-দ্বৈদ্ধতাৰ সম্পৰ্কে তেতিয়াৰ উপাচাৰ্যক সাক্ষাৎ কৰি তাৰ সবিশেষ এখন পুস্তিকাত প্ৰকাশ কৰি অসমবাসীক জনাইছিল। বৰাই সংঘৰ বিশ্ববিদ্যালয়ৰ বিষয়ে, বিত্তীয় দিশত স্বচ্ছতাৰ বিষয়ে, প্ৰকৃতপক্ষে সমালোচনাৰ প্ৰায়বোৰ ক্ষেত্ৰতে সংঘৰ লগত পোনপটীয়া আলোচনা নকৰি অন্য দ্বিতীয় স্তৰৰ তথ্য-তত্ত্বৰ ওপৰত নিৰ্ভৰশীল হৈছে। তেওঁ সংঘৰ শুভাকাংক্ষী বুলি দাবী কৰি আনক পৰিশীলিত ভাষাত ক'বলৈ, লিখিবলৈ পৰামৰ্শ দি নিজে সেইবোৰ গভীৰভাৱে উলংঘা কৰিছে। প্ৰায়বোৰ অধ্যায় এনে বিসংগতিৰে পৰিপূৰ্ণ বাবে গ্ৰন্থখন আমি অন্তঃসাৰশূন্য বুলি বিবেচনা কৰিছো। বৰাই সংঘৰ নেতৃবৰ্গ সকলো বিষয়তে তৎপৰ নোহোৱাৰ বাবে দোষাৰোপ কৰিছে। সংঘৰ তৃণমূল পৰ্যায়ৰ পৰা শিখৰলৈকে গণতান্ত্ৰিক পদ্ধতিৰে নিয়ন্ত্ৰিত। গণতান্ত্ৰিকতাৰ পাৰ্শ্বক্ৰিয়াৰ পৰা কেতিয়াবা কোনো ক্ষেত্ৰত সংঘ মুক্ত নহ'ব পাৰে, কিন্তু ইয়াৰ গত্যান্তৰ নাই।

... বৰ্তমানলৈকে আলোকিত নোহোৱা এটা বিশেষ সংবাদৰ অৱতাৰণা কৰি ক'ব খুজিছো যে **যোৰহাট নিবাসী সংঘৰ শৰণ সদস্য তুলসী নাথ বৰাৰ আজীৱন সাধনাৰে যোৰহাট জিলাৰ ম'হবন্ধা, চকলানি অঞ্চলৰ চাহ বাগান কিখনতে আৰম্ভ কৰি তিতাবৰ, শিৱসাগৰ, গোলাঘাট আদি বাগানত বিশ হেজাৰ চাহ কৰ্মীক প্ৰায় একক প্ৰচেষ্টাৰে সংঘভূক্ত কৰা হ'ল।** সদ্যহতে তেওঁ চকলানিত চাহকৰ্মীসকলৰ মাজত এখন শতাধিক ছাত্ৰ-ছাত্ৰীৰে শঙ্কৰী সংগীত বিদ্যালয় প্ৰতিষ্ঠা কৰিছে আৰু ইয়াৰ যাৱতীয় খৰছ তেওঁৰ নিজৰ প্ৰয়াসৰে কৰিছে। ইয়াৰ বিপৰীতে প্ৰায় অৰ্ধশতক সত্ৰ-সত্ৰাধিকাৰৰ আৱাসস্থলী মাজুলীত সত্ৰীয়া-ব্ৰাহ্মণ্যবাদীৰ তাড়নাত থলুৱা লোক খ্ৰীষ্টান ধৰ্মত দীক্ষিত হৈছে।

গুৰুজনাৰ ধ্ৰুপদী সাহিত্য উপজীব্য কৃষ্ণ ভক্তি। পাছৰ কালত পশ্চিমোত্তৰ নৱন্যাসী সাহিত্য ঈশ্বৰৰ বাহিৰেও প্ৰকৃতি, নাৰী, দেশপ্ৰেম সাহিত্যৰ বিষয়বস্তু বুলি সামৰি ল'লে। উত্তৰ আধুনিকতাবাদত কৃষ্ণ-সংস্কৃতিৰ দৰে কোনো সনাতন বা সত্য সত্তা নাই, সকলো আপেক্ষিক। বিশেষজ্ঞসকলৰ অভিমত, সুকুমাৰ কলা এটা অসত্য বস্তু নহয়। ই ভাব আৰু অনুভূতিৰ সাৰ্থক প্ৰকাশৰ সত্যতা। শঙ্কৰী সুকুমাৰ কলাৰ ভক্তসকল কেৱল পাৰমাৰ্থিক সত্যৰ উপলব্ধিৰহে পূজাৰী। শাস্ত্ৰীয় বিচাৰত সনাতন বস্তুৰ ৰূপান্তৰ নহয়, জড় পদাৰ্থৰহে উন্নতি বা অৱনতি হয়, বিৱৰ্তন হয়। সংঘৰ সমালোচকসকলে সংঘক এৰা-ধৰা কৰিবলৈ দিয়া পৰামৰ্শ এই পৰিপ্ৰেক্ষিতত সংগতিপূৰ্ণ নহয়।

- ড° পূৰ্ণ চন্দ্ৰ দলৈ

ফোন - ৯৮৬৪২-৫৩৬৪৬

প্ৰতি,

ড° পূৰ্ণ চন্দ্ৰ দলৈ,

দলৈদেৱ, এই অন্তঃসাৰশূন্য গ্ৰন্থখনৰ কথা এই প্ৰস্তুত গ্ৰন্থখনৰ এঠাইত লৰ্ড বেকনৰ উদ্ধৃতিৰে কৈছোঁৱেই। তুলসী নাথ

ৰাদেৰে গুৰুধৰ্ম প্ৰচাৰ কৰি থকা বাগানবোৰলৈ ময়ূৰ বৰাদেৰকো এবাৰ লৈ যাবচোন। বৰাই আকৌ বিভিন্ন জনগোষ্ঠী লোকৰ মাজত সঙ্ঘই গুৰুজনাৰ আদৰ্শ প্ৰচাৰ কৰিব পৰা নাই বুলিহে অভিযোগ কৰিছে।

## ‘পথভ্ৰষ্ট হৈছে নেকি শঙ্কৰ সংঘ’ সন্দৰ্ভত

- অসমীয়া খবৰ, ২০ মাৰ্চ, ২০১২

“.. বিশিষ্ট লেখকৰূপে খ্যাতি অৰ্জন কৰা ময়ূৰ বৰাই ‘পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ’ নামক পুথিখন নিজ জ্ঞান আৰু বিশ্বাসতে লিখি বৃহৎ অনুষ্ঠানৰূপে পৰিচিত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰতিগৰাকী সংগী, আই আৰু বাপৰ্লে অসীম শ্ৰদ্ধা আৰু আগ্ৰহেৰে আগবঢ়াইছে। কিন্তু শঙ্কৰ সংঘৰ কেইজনমান বিশেষ সদস্যই কিতাপখনৰ বিক্ৰী বন্ধ কৰা কাৰ্য অসংগত বুলি ভাবিছোঁ। কাৰণ সংঘৰ অধিকাংশ লোকেই শৰণ ধৰ্ম লোৱা লোক। গতিকে শৰণ প্ৰাসংগিক আমি ওপৰত কোৱা কথা অসাৰ যিহেতু শৰণ লোৱা লোকৰ বাক্য বচনত বৰা শৰবিদ্ধ হৈছে। ...”

ভূৱন চন্দ্ৰ দত্ত
গুৱাকুছি, নলবাৰী
ফোন - ৯৮৫৯৬-২৭৩৭৬

প্ৰতি,

ভূৱন চন্দ্ৰ দত্ত,

দত্তদেৱ, কিতাপখন সঙ্ঘই অধিৱেশনস্থলীত নিষিদ্ধ কৰিবলগীয়া হ’ল এইকাৰণেই যে সঙ্ঘৰ প্ৰতীক প্ৰয়োগ কৰি অনিয়ম কৰাৰ লগতে বহুতো ভিত্তিহীন তথ্য আৰু অবাইচ মাতেৰে সঙ্ঘৰ ভক্তসমাজক আক্ৰমণ কৰিছে। বৰা সঙ্ঘৰ ভকতৰ বাক্য-বচনত শৰবিদ্ধ হৈছেনে নাই - সেইটো অৱশ্যে তেখেতেহে গম পাব, কিয়নো **‘লুইতেহে জানে বঠা কিমানলৈ বহে।’**

## ‘পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ’ সন্দৰ্ভত

- অসমীয়া প্ৰতিদিন, ২৯ মাৰ্চ, ২০১২

“গ্ৰন্থখন পঢ়িলো আৰু পঢ়ি সুখী হ’লো। এই সন্দৰ্ভত দুআষাৰ লিখাৰ টান অনুভৱ কৰিলো। মই ভাবো, মোৰ দৰে আন বহুতৰে মনত সততে দোলা দি থকা কথাবোৰকেই তেওঁ স্পষ্ট ভাষাৰে গ্ৰন্থ আকাৰে প্ৰকাশ কৰিছে। প্ৰতিটো প্ৰবন্ধতে তেওঁ অকাট্য যুক্তি প্ৰদৰ্শন কৰি গঠনমূলক ভাৱেৰে ‘শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ’ক সমালোচনা কৰিছে। এই বিশ্বায়নৰ যুগত এই বিশাল অনুষ্ঠানটো কেৱল লোকাচাৰকেন্দ্ৰিক নহৈ সমগ্ৰ অসমবাসীৰ কল্যাণৰ বাবে আগবাঢ়ি অহাটো আমি বিচাৰো। অনুষ্ঠানটোৰ বিষয়ববীয়াসকলক আৱেগ বাদ দি ময়ূৰ বৰাই অৱতাৰণা কৰা প্ৰতিটো প্ৰশ্নৰ উত্তৰ যুক্তিসহকাৰে দিবলৈ অনুৰোধ জনাইছো। কাৰণ গ্ৰন্থখনক নিষিদ্ধ কৰি বা লেখকক গালি পাৰি যুক্তি খণ্ডন কৰিব নোৱাৰি।”

- হেমন্ত মাধৱ নাথ
গড়গাঁও, নাজিৰা, ফোন ঃ ৯৪৩৫৭-১৫৮৮৪

প্ৰতি,

হেমন্ত মাধৱ নাথ,

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ লোকাচাৰকেন্দ্ৰিক অনুষ্ঠান নহয়। লোকাচাৰ, লোকবিশ্বাস এইবোৰ লোকসংস্কৃতিৰ প্ৰধান বৈশিষ্ট্য। গুৰুজনাৰ ভক্তিমাৰ্গ তথা একশৰণ নামধৰ্মৰ আধাৰতহে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই নীতি-নিয়ম প্ৰস্তুত কৰি লৈছে। একশৰণ নামধৰ্ম এক বিজ্ঞানসন্মত ধৰ্ম। ময়ূৰ বৰাৰ ‘অকাট্য যুক্তি’বোৰ কিন্তু আমাৰ গ্ৰন্থত যুক্তিসহকাৰে খণ্ডন কৰা হৈছে। লেখক বৰাক সঙ্ঘই গালি পৰা নাই, বৰাইহে গালি-শপনিযুক্ত অভিধানৰ সকলো শব্দ প্ৰয়োগেৰে সঙ্ঘৰ সংগীৰ মুখলৈ নোচোৱাকৈ জাউৰিয়ে জাউৰিয়ে গালি বৰ্ষণ কৰিছে।

## ‘পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ’ সন্দৰ্ভত

- অসমীয়া প্ৰতিদিন, ২৯ মাৰ্চ, ২০১২

“... শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ বৰমূৰীয়াসকল সমালোচনাৰ উৰ্ধ্বত নহয়। ধৰ্মই একতা আনে। কিন্তু এতিয়া পৰিস্ফুট ছবিখনত দেখা গৈছে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই সমাজখনক একত্ৰিত কৰাতকৈ খণ্ড-বিখণ্ড কৰাতহে অধিক গুৰুত্ব পোষণ কৰিছে। গাঁওবোৰত সংঘৰ নামত চলিছে ভিন্ন মতভেদ। আগতে একেখন সমাজত সকলোৰে মিলি উদ্‌যাপন কৰা উৎসৱ এটা এতিয়া কিয় ভিন্ন সমাজত পৃথক হৈছে। গুৰুজনাৰ আদৰ্শৰে সজাগতা আনিবলৈ বৰমূৰীয়াসকলে কিবা ব্যৱস্থা লৈছেনে? যদি লৈছে গাঁওবোৰত গুৰুজনাৰ জন্মোৎসৱ আৰু তিৰোভাৱ তিথিত নাম-প্ৰসংগ, প্ৰসাদ বিতৰণৰ বাদে আন কিবা আদৰ্শমূলক অনুষ্ঠান হোৱা দৃষ্টিগোচৰ নহয় কিয়? নতুন প্ৰজন্মক গুৰুজনাৰ আদৰ্শৰ প্ৰতি আকৃষ্ট কৰিবলৈ কি ব্যৱস্থা হাতত লৈছে? গ্ৰন্থখন যদি শ্ৰীমন্ত

শংকৰদেৱ সংঘৰ বৰমূৰীয়াসকলে পঢ়া নাই তেনেহ'লে এবাৰ ভালকৈ পঢ়ি-বুজি আত্মসমালোচনা আৰু আত্মশুদ্ধিৰ জৰিয়তে বৃহৎ জাতীয় অনুষ্ঠানটোক কিদৰে অধিক টনকিয়াল কৰিব পাৰি সেই বিষয়ত অধিক গুৰুত্ব প্ৰদান কৰিব বুলি আশা কৰিলো।"

- ৰাজু বৰুৱা,

ধলাইবিল, তেজপুৰ,

ফোন - ৯৭০৬২-৪৫৪২৫

প্ৰতি,

ৰাজু বৰুৱা,

সঙ্ঘৰ বৰমূৰীয়াসকলেই হওক বা সৰুমূৰীয়াসকলেই হওক - সমালোচনাৰ উৰ্দ্ধত বুলি সঙ্ঘই কাকো কতো দাবী কৰা নাই। কিন্তু সমালোচনা যুক্তিনিষ্ঠ, সঁচা তথ্যসম্বলিত হোৱা উচিত। সঙ্ঘই সমাজখনক খণ্ড-বিখণ্ড কৰা নাই, একত্ৰিতহে কৰিছে গুৰুজনাৰ আদৰ্শৰে। সঙ্ঘৰ জন্মৰ পূৰ্বতে আৰু বৰ্তমানো হিন্দু ধৰ্মৰ ধৰ্মাৱলম্বীসকলৰ মাজত একতা আছে ক'ত? জাত-পাতৰ অচিলা লৈ খোৱা-বোৱা, বিয়া-বাৰু সকলোতে উচ্চ-নীচ দৃষ্টিভংগীৰে সনাতন ধৰ্মটোক কিম্ভূত কিম্বাকাৰ ৰূপ দিয়া নাইনে? শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ গুৰুজনাৰ জন্মোৎসৱ পাতি আপুনি কোৱাৰ দৰে কেৱল প্ৰসাদখোৱা অনুষ্ঠান নহয়। সঙ্ঘই কাম-কাজৰ বিষয়ে জানিবলৈ সঙ্ঘই প্ৰকাশ কৰা গ্ৰন্থ, আলোচনী আদি পঢ়ি চাব। **'শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ইতিহাস'** গ্ৰন্থখন এবাৰ চকু ফুৰাই চাব। আৱেগিকভাৱে এনেদৰে মনৰ ভাৱ প্ৰকাশ কৰিলেই সমাজ সংস্কাৰ নহয়, সমাজৰ উন্নতিও নহয়।

## 'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ' সন্দৰ্ভত

- অসমীয়া প্ৰতিদিন, ২৯ মাৰ্চ, ২০১২

"এক গতানুগতিক বিষয় আৰু বহল দৃষ্টিভংগীৰ যুক্তিবাদী এখন গ্ৰন্থ সন্দৰ্ভত আমি বেছ কিছুদিন ধৰি ছপা আৰু বৈদ্যুতিন মাধ্যমত বিভিন্নজনৰ মতামত পঢ়িবলৈ আৰু শুনিবলৈ পাইছো। এক বৈদ্যুতিন মাধ্যমত তেনে এটা অনুষ্ঠান চোৱাৰ সৌভাগ্য হৈছিল যোৱা ১৭ ফেব্ৰুৱাৰীত। অনুষ্ঠানটোত উপস্থিত আছিল অসমৰ এজন জ্যেষ্ঠ স্বনামধন্য সাংবাদিক-বুদ্ধিজীৱী অজিত কুমাৰ ভূঞা, শংকৰ সংঘৰ ভকত বৈষ্ণৱ তথা অতি বাকপটু পণ্ডিত প্ৰভাত চন্দ্ৰ দাস, গ্ৰন্থখনৰ লেখক ময়ূৰ বৰাৰ লগতে টেলিফোনিক লাইনত আছিল সংঘৰ প্ৰধান সম্পাদক হৰিপ্ৰসাদ হাজৰিকা। উক্ত অনুষ্ঠানটোত সংঘৰ প্ৰধান সম্পাদকে কৰা এক মন্তব্য শুনি আচৰিত হৈছিলো। তেওঁ কৈছিল - বৈদিক প্ৰথাৰে কৰা সকলোবোৰ কৰ্ম 'ব্যভিচাৰী'। শংকৰদেৱ সংঘৰ দৰে বৃহৎ অনুষ্ঠান এটাৰ সম্পাদকৰ গুৰুদায়িত্ব বহন কৰি অহা এজন ভকতৰ মুখত ব্যভিচাৰী শব্দই কেতিয়াও শোভা নাপায়। সমগ্ৰ বৈদিক প্ৰথাটোক এক ব্যভিচাৰী প্ৰথা বুলি ক'বলৈ তেওঁ ক'ত সাহস পালে? ব্যভিচাৰী শব্দৰ সংজ্ঞা তেওঁ জানেনে? তেওঁৰ এই কথাষাৰে কিমানজনৰ অন্তৰত আঘাত দিছে - সেই কথা এবাৰলৈ ভাবি চাইছেনে? সম্পাদকগৰাকীয়ে কিয় অজিত কুমাৰ ভূঞাৰ এটা প্ৰশ্নৰো সঠিক উত্তৰ দিব নোৱাৰিলে? আমি তেওঁক অনুৰোধ কৰিছো - ময়ূৰ বৰাই লিখা গ্ৰন্থখন আপুনি এবাৰ আকৌ ভালদৰে পঢ়ক। আৰু ভাবি চাওক শংকৰদেৱ সংঘই বৰ্তমান সময়ত কি কৰা উচিত আৰু কৰি আছে কি? শেষত আমি শংকৰদেৱ সংঘৰ উত্তৰোত্তৰ কামনা কৰিলো।"

-ধ্ৰুৱজ্যোতি শইকীয়া,

গণিত বিভাগ, তেজপুৰ বিশ্ববিদ্যালয়

প্ৰতি,

ধ্ৰুৱজ্যোতি শইকীয়া,

বৈদিক প্ৰথাৰে কৰা কৰ্মবোৰক প্ৰধান সম্পাদকে 'ব্যভিচাৰী' বুলি কবলৈ যোৱা নাই। একশৰণ গ্ৰহণ কৰি অন্য দেৱ-দেৱী উপাসনা কৰিবলৈ যোৱাটোহে তেখেতে ব্যভিচাৰ বুলি কৈছে। অজিত ভূঞা আৰু মৃণাল তালুকদাৰে আঁত ধৰা অনুষ্ঠান আমিও চাইছিলোঁ। প্ৰধান সম্পাদক গৰাকীক কবলৈ সময়-সুবিধা নিদিয়াৰ বাবে কথাবোৰ স্পষ্টভাৱে প্ৰকাশ নহ'ল। গুৰুজনা ৰচিত ভাগৱতৰ এটি শ্লোক প্ৰধান সম্পাদকে মাতোতে তাত থকা ব্যভিচাৰ শব্দটো শুনিয়েই মৃণাল তালুকদাৰদেৱে উচপ খাই উঠিছিল। ধৰ্ম ব্যভিচাৰ সম্পৰ্কে এই গ্ৰন্থৰ এটা অধ্যায়ত বহলাই লিখিছোঁ। শইকীয়াই পঢ়ি চাব পাৰিব। তথাপিতো কওঁ-

'হিহাৰ কীৰ্ত্তনং বিষ্ণোৰন্যথা গতিমিচ্ছতি।
কুলস্ত্ৰীঃ স্বপতিং ত্যক্তা জাৰং ভজতি ৰৈ যথা।।'

মাধৱদেৱে এই শ্লোকৰ ভাঙনি কৰিছে এনেদৰে-

'কলিত হৰিৰ কীৰ্ত্তন এড়িয়া
আনমতে চাহে গতি।

যেন কুলবধূ নিজ স্বামী তেজি
ভজে গৈয়া উপপতি।।৪০১।।
(নাম-ঘোষা)

অৰ্থাৎ যেনেকৈ কুলৰ বোৱাৰীয়ে নিজৰ স্বামী ত্যাগ কৰি উপপতি ভজনা কৰাটো পাপ বা ব্যভিচাৰ, তেনেকৈ কৃষ্ণৰ শৰণাগত ভক্তই কলিকালত হৰি নাম এৰি অন্য প্ৰকাৰে জীৱাত্মাৰ গতি বিচৰাটো উপপতি ভজনা কৰা কুলৰ বোৱাৰীৰ দৰেই ব্যভিচাৰ হ'ব। গতিকে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰে হওক বা অন্য কোনো কৃষ্ণ শৰণীয়া ভক্তই হওক - এনে লোকে আন দেৱ-দেৱী উপাসনা কৰাটো গুৰুজনাৰ উক্তিৰে প্ৰধান সম্পাদক গৰাকীয়ে 'ব্যভিচাৰ' বুলি কৈছিল। শইকীয়াদেৱ, গণিত শাস্ত্ৰৰ লগতে মহাপুৰুষ গুৰুজনাৰ ধৰ্মশাস্ত্ৰবিলাকো অধ্যয়ন কৰিবচোন - তেতিয়া সমাজ বিজ্ঞানৰ উত্তৰো পাব। শঙ্কৰদেৱ সঙ্ঘৰ উত্তৰোত্তৰ কামনা কৰাৰ বাবে ধন্যবাদ থাকিল।

## 'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ' সন্দৰ্ভত

- অসমীয়া প্ৰতিদিন, ২৯ মাৰ্চ, ২০১২

"প্ৰায়ে গুণী-জ্ঞানীজনে কৈ থকা শুনো শংকৰ গুৰুজনাক হেনো বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিব। কথাষাৰ শুনি ভাল লাগি যায়। কিন্তু বুজি নোপোৱা কথাটো হ'ল বিশ্বদৰবাৰত শংকৰদেৱৰ কি প্ৰতিষ্ঠা কৰিব? তেৰাৰ সৃষ্টিৰাজি কলা-সংস্কৃতি, কলা-কৌশল, বিজ্ঞান, সাহিত্য, তেৰাৰ প্ৰতিমূৰ্ত্তি, নামফলক, বিজ্ঞাপন নে তেৰাৰ নীতি-আদৰ্শসমূহ? এইবোৰ বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ যোৱাৰ আগে আগে শংকৰ-মাধৱপ্ৰেমী আমিবোৰে জানো তেৰাৰ বিষয়ে জানিব নালাগিব? শংকৰ-মাধৱক জানিবলৈ হ'লে তেৰাৰ সৃষ্ট পুথিবোৰ জানো পঢ়িব নালাগিব? কিমানজনে বাৰু এই পুথিবোৰ পঢ়ি চাইছে? প্ৰকৃততে সমাজৰ জ্যেষ্ঠসকলৰ উপৰি সমূহ নৱপ্ৰজন্মকে পুথিবোৰৰ জ্ঞান দিয়াৰ ব্যৱস্থা কৰিব লাগিছিল। স্কুলৰ পাঠ্য-পুথিবোৰতো তেৰাৰ নীতি-আদৰ্শসমূহ সন্নিৱিষ্ট হ'ব লাগিছিল। কিন্তু হোৱা নাই। নোহোৱাটো অসমীয়া জাতিটোৰ বাবে অত্যন্ত দুৰ্ভাগ্যজনক। এইক্ষেত্ৰত বৌদ্ধিক মহলৰ জানো কোনো কৰ্তব্য নাই? বিষয়সমূহ আলোচনা হ'ব লাগে কিন্তু গঠনমূলকভাৱে। নীতি-আদৰ্শবিহীন সমাজ দীৰ্ঘস্থায়ী হ'ব নোৱাৰে।

আমাৰ সমাজত চলি থকা আন এক বিষয়লৈ যাব বিচাৰিছো। বৈবাহিক সূত্ৰে হওক বা মিতিৰ-কুটুম্বৰ সূত্ৰেই হওক ইঘৰে-সিঘৰৰ লগত অহা-যোৱা, চলা-ফুৰা আৰু খোৱা-বোৱাও হয়। সেই একেখিনি মানুহে যেতিয়া সামাজিকভাৱে শংকৰ-মাধৱৰ পুথিকেইখন লৈ অনুষ্ঠান পাতে তেতিয়া কিন্তু কেইটামান দিশত সামাজিকভাৱে 'নিষিদ্ধ' শব্দটো আহি পৰে। বিশেষকৈ খোৱা-বোৱা ক্ষেত্ৰত নিষিদ্ধ। কিন্তু কিয় এনে হয়? প্ৰকৃততে শংকৰ-মাধৱ বেয়া মানুহ আছিল নেকি? নে তেৰাসৱৰ সৃষ্ট পুথিকেইখন বেয়া, নে আমি যিসকলে তেৰাৰ পুথিবোৰ ব্যৱহাৰ কৰো সেইসকলেই বেয়া। আজি আমি এই প্ৰশ্নসমূহ চালিজাৰি চোৱাৰ সময় আহি পৰিছে। কিছুদিনৰ আগতে এই বিষয়টো লৈ এক বৈদ্যুতিন মাধ্যমত এক অনুষ্ঠান প্ৰচাৰ হৈছিল। অনুষ্ঠানটোত বিশিষ্ট লেখক বুদ্ধিজীৱী অজিত ভূঞাও উপস্থিত আছিল। কথা প্ৰসংগত তেওঁ দুবাৰকৈ ক'লে, **'কিতাপখন মই লিখা হ'লে ইয়াতকৈ বেছি চোকা ভাষাত লিখিলোহেঁতেন।' সঁচা কথা - তেওঁৰ কলম চোকা, যি মন যায় লিখিব পাৰিব। কিন্তু তেওঁ এনে এখন কিতাপ লিখি উলিয়াব পাৰিবনে, যিখন কিতাপ পঢ়ি সমগ্ৰ শংকৰ-মাধৱপ্ৰেমী ৰাইজ একগোট হ'ব পাৰে?** য'ত সংঘ, সত্ৰ, সমাজ, সমিতি সকলো মিলি এক হ'ব পাৰে? শেষত ময়ূৰ বৰাৰ 'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ' কিতাপখনক বাদ দি সমূহ বিদ্বৎ মহল আৰু শংকৰ-মাধৱপ্ৰেমী ৰাইজক এই লেখাৰেই আহ্বান জনাব বিচাৰিছো - আহক আমি এক হৈ সৰে মিলি এক শুদ্ধ পথ উলিয়াওঁ আৰু মিলিজুলি থাকো।"

- পূৰ্ণিমা ঠাকুৰীয়া,
ডিগবৈ

প্ৰতি,

পূৰ্ণিমা ঠাকুৰীয়া,

আপোনাৰ মনত বহু মূল্যবান প্ৰশ্নবোৰেই ভুমুকি মাৰিছে। কিন্তু শঙ্কৰদেৱ-মাধৱদেৱক অধ্যয়ন কৰি তাৰাসৱৰ নীতি-আদৰ্শৰে সমাজ এখন একত্ৰিত কৰিবলৈ যোৱা সংগঠনসমূহ আজি বহুতৰে **চকুৰ কুটা-দাঁতৰ শূল**। মহাবিদ্যালয়, বিশ্ববিদ্যালয় পৰ্যায়ত অসমীয়া বিভাগৰ পাঠ্যপুথিত মহাপুৰুষ দুজনাৰ পাঠ্য-পুথিসমূহ পাঠ্যক্ৰমত দিছে যদিও সেইবোৰ পৰীক্ষাৰ কাৰাগাৰতেই আবদ্ধ। কেৱল ডিগ্ৰীৰ বাবে। অসমৰ জাতীয় অনুষ্ঠাসমূহেও শঙ্কৰদেৱক ভাল পায়, শ্ৰদ্ধাও কৰে - মেলে-মিতিঙে। কিন্তু তাৰাৰ গ্ৰন্থত থকা আদৰ্শৰে কাৰ্যকৰীৰূপত সমাজ প্ৰতিষ্ঠাৰ বাবে কোনো আগবাঢ়ি নাহে। শঙ্কৰদেৱৰ নাম তেনে অনুষ্ঠানৰ সংবিধানত বা নিয়মাৱলীত পাবলৈ নাই। শঙ্কৰদেৱৰ একশৰণ তত্ত্ব, অস্পৃশ্যতা বৰ্জন আদি বিষয়সমূহ সভা-সমিতিত কেৱল বক্তৃতাৰ বিষয়হে।

তাৰ পিছত **'গালো বালো খোলাকতিৰ তাল।'** আমাৰ সমাজখনৰো দশা এইটোৱেই। শঙ্কৰদেৱে কি কৈ গ'ল, সেইবোৰ অসমীয়া জাতিয়ে মানিছেনে - তেনেবোৰ আলোচনা আমাৰ মাজত নাই। সঙ্ঘই কটকটীয়াভাৱে গুৰুজনাৰ আদৰ্শ ৰূপায়িত কৰিবলৈ যোৱাৰ বাবেই বহুতে সঙ্ঘক চকু পাৰি দেখিব নোৱাৰে। আপুনি অজিত ভূঞাদেৱক জনোৱা আহ্বানৰ প্ৰতি আমাৰো সমৰ্থন আছে। ভূঞাদেৱক আমাৰো কবলৈ মন যায় - **'মোমায়ে কাঠ কাটে, মামীয়ে পানী যেন দেখে।'**

## শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সপক্ষে-বিপক্ষে

- অসমীয়া খবৰ, ৩ এপ্ৰিল, ২০১২

"…. দ্বিতীয়তে অসমত জাত-পাত-অস্পৃশ্যতাৰ ব্যৱস্থাটো কেইবাশ বছৰজুৰি টিকাই ৰখা আৰু বলবৎ কৰাৰ ক্ষেত্ৰত সত্ৰৰ ভূমিকাই প্ৰধান। মানুহক জুই-পানী নিষেধ কৰা, সামাজিকভাৱে এঘৰীয়া কৰা, বেলিমুখীয়াকৈ বান্ধি ৰাখি চমতাৰ কোব দিয়া, জৰিমনা কৰা আদি শাৰীৰিক-মানসিক-আৰ্থিক শাস্তি জাপি দি জাত-পাত-অস্পৃশ্যতাৰ সূক্ষ্মাতিসূক্ষ্ম বিভেদৰ বিষবাষ্পৰে অসমৰ সমাজ জীৱনক প্ৰদূষিত কৰি অহাৰ বাবে প্ৰধানতঃ দায়ী হৈছে সত্ৰসমূহ, ঘাইকৈ ৰাজসত্ৰসমূহ। এই কেইবাশতিকাৰ কলংকিত ইতিহাসৰ বিপৰীতে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ইতিহাস মাত্ৰ আশী বছৰ পুৰণি। ময়ূৰ বৰাই তাৰো শেহৰ ত্ৰিছ বছৰৰ কালছোৱাৰ সংঘ নেতৃত্বক আক্ৰমণৰ লক্ষ্যৰূপে বাচি লৈছে। কিন্তু প্ৰশ্ন হয় তিনি শতাধিক বছৰৰ এটা সামন্তীয়-জাত-পাতভিত্তিক শোষণ-শাসনৰ অনুষ্ঠানৰ পৰা সমালোচনাৰ বৰ্শামুখ ত্ৰিছ বছৰীয়া 'বৌদ্ধিক অসমৰ্থতা'ৰ ফালে টোওৱাৰ কাৰণ কি ? …. অৱশ্যে ময়ূৰ বৰাৰ লগত আমিও একমত যে সংঘই অসমৰ সমাজ জীৱনক স্পৰ্শ কৰা বা জোকাৰি যোৱা ভালেকেইটা গুৰুত্বপূৰ্ণ বিতৰ্কৰ পৰা দূৰত অৱস্থান লৈছে। আনহে নালাগে শ্ৰীকান্ত দেৱশৰ্মাৰ শঙ্কৰ বিভ্ৰাট, আউনীআটীৰ কীৰ্তন-বিকৃতি আদি প্ৰশ্নতো বহু দূৰলৈকে নীৰৱতা অৱলম্বন কৰি গৈছে। সংঘৰ প্ৰাক্তন মুখ্য পদাধিকাৰ দলিত-দৰদী সোণাৰাম চুতীয়াক অসমীয়া জাতীয় অভিধানৰ উপদেষ্টা কৰা আৰু তেওঁৰ সম্পৰ্কে অভিধানখনত সন্মানপূৰ্বক উল্লেখ কৰাৰ বিৰুদ্ধে যেতিয়া ড° নগেন শইকীয়া, লক্ষ্মীনাথ তামুলী, অৰিন্দম বৰকটকী আদিয়ে গৰ্জি উঠিল তেতিয়া সংঘৰ যোৰহাট জিলাৰ সদস্যসকল ক্ৰমে হৰেশ দত্ত, যুগল হাজৰিকা আদিয়ে বিছ হেজাৰ প্ৰচাৰ পত্ৰিকা উলিয়াই প্ৰতিবাদ কৰিলে, কিন্তু সংঘৰ পৰা আনুষ্ঠানিকভাৱে প্ৰতিবাদ কৰা নহ'ল, ইও সঁচা কথা........ ময়ূৰ বৰাৰ ব্যৰ্থতাটো হ'ল অসমীয়া ধৰ্মপ্ৰাণ সমাজখনৰ ওপৰত সামাজিক আধ্যাত্মিক শোষণ-শাসনৰ বৃহত্তম উৎসটো চিনাক্ত কৰিব নোৱাৰাটো। পুনৰ কৈছো, ৫,৩১,৬৫৫ বিঘা মাটিৰ মালিকানাৰ ওপৰত আধাৰিত সত্ৰ-মঠ-মন্দিৰ ভিত্তিক ব্ৰাহ্মণ্যবাদী সামন্তবাদেই অসমৰ সমাজত জাত-পাত-অস্পৃশ্যতাভিত্তিক শতধাবিভাজনৰ বাবে প্ৰধানকৈ দায়ী। তৰ্কৰ খাতিৰত যদি ধৰিও লওঁ সংঘৰ নেতৃবৃন্দ বৌদ্ধিকভাৱে সক্ষম নহয়, তেতিয়া হ'লেও ক'ব লাগিব যে এই নেতৃত্ব আহিছে খেতিয়ক-মজদুৰ-শ্ৰমজীৱী মানুহৰ ঘৰৰ পৰা। তেওঁলোকৰ বহুতৰে উপৰি পুৰুষ হয়তো নিৰক্ষৰেই আছিল। এতেকে হেজাৰ বছৰীয়া বিদ্যা-বুদ্ধিৰ চৰ্চাকাৰী সত্ৰাধিকাৰ গোঁসাই-ব্ৰাহ্মণৰ পটভূমিৰ লগত সংঘৰ নেতৃত্বৰ পটভূমি নিমিলাটো স্বাভাৱিক। সেয়েহে তেওঁলোকৰ বৌদ্ধিকতাক লৈ ঠাট্টা-মস্কৰা ইতিহাসসন্মত নহয়। আৰু মানৱতাবিধ্বংসী জাত-পাতৰ লালন-পালনকাৰী, ঘৃণা-বিদ্বেষৰ সদাগৰসকলৰ পাপৰ সৈতে এই 'বৌদ্ধিক দুৰ্বলতা'ক তুলাচনীত একাকাৰ কৰাটো অনুচিত। সেয়েহে ড° নগেন শইকীয়াই সংঘক আয়াতোল্লা খোমেইনিৰে ৰিজাবলৈ যোৱাৰ লগতে আন এক বাতুলে সোণাৰাম চুতীয়াক তালিবান সজোৱাৰ প্ৰতিধ্বনি আৰু অনুৰণন আমি ময়ূৰ বৰাৰ কিতাপত শুনিবলৈ পাইছো। এই একাকাৰকৰণ গ্ৰহণযোগ্য নহয়। আৰু সেই একেই কাৰণত ময়ূৰ বৰাৰ কিতাপৰ নিষিদ্ধকৰণো গ্ৰহণযোগ্য নহয়। আমাৰ প্ৰয়োজন মুকলি মনেৰে বৌদ্ধিক বিতৰ্কৰ মেজাজৰ। অসহিষ্ণু অৱদমনৰ নহয়।

ড° দেৱব্ৰত শৰ্মা
ফোন - ৯৪৩৫৩-৫১২৫৫

প্ৰতি,

ড° দেৱব্ৰত শৰ্মা,

শৰ্মাদেউ, ত্ৰিশবছৰীয়া কাৰ্যকালতো সঙ্ঘই বহুকামেই কৰিলে। এই সম্পৰ্কে আমি প্ৰথম অধ্যায়তে বিতংভাৱে আলোচনা কৰিছোঁ। সঙ্ঘই যিকোনো ক্ষেত্ৰতে প্ৰতিবাদ কৰোঁতে বহু কাৰণত কিছু পলম নকৰা নহয়। প্ৰতিবাদ কৰিবলৈ যাওঁতে এজন ব্যক্তি আৰু এটা অনুষ্ঠানৰ মাজত কিছু সমস্যা আছে। যিনহওক, গুৰুজনাৰ শাস্ত্ৰৰ শিক্ষা লৈ লৈ সঙ্ঘই বোধকৰো সকলো কথাতে প্ৰতিবাদ কৰাৰ পৰা বিৰত থাকে। গুৰুজনে কৈছে -

'কলিৰ ধৰ্ম্ম হৰি নাম জান।
পাপীৰ নিন্দাত নেদিবা কাণ।।৭।।

(কীৰ্ত্তন-ঘোষা, পাষণ্ড মৰ্দ্দন, প্ৰথম কীৰ্ত্তন)

মহাপুৰুষ শঙ্কৰদেৱ গুৰুজনাই পুত্ৰসম নিজৰ বৰজোঁৱাইক ৰজাৰ কটোৱালে শিৰশ্চেদ কৰাৰ পিছতো তাৰাই নিজ লেখনিৰ ক'তো এটা শব্দৰেও প্ৰতিবাদ নকৰিলে।

**অভিমত ঃ ময়ূৰ বৰা আৰু শঙ্কৰ সংঘ**

- নিয়মীয়া বাৰ্তা, ২০ এপ্ৰিল, ২০১২

"পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ' নামৰ কিতাপখন পঢ়িলো। লেখকৰ উদ্দেশ্য সৎ। সংঘাতলৈ সকলোৱে ভয় কৰিলে প্ৰগতি নহয়। কাৰ্লমাক্স আৰু ভূপেন হাজৰিকাৰ মতে সংঘাতৰ মাজেদিয়েই প্ৰগতি আৰু নতুনৰ সৃষ্টি হয়। আমাৰ মতে কিতাপখনত যিকেইটা বিষয় অৱতাৰণা কৰিছে তাৰ ওপৰত বহুল বিতৰ্ক হ'ব লাগে। কিতাপখন পাঠকৰ সহজলভ্য হ'বৰ কাৰণে তলত দিয়া ব্যৱস্থা লওক-

১) কিতাপখন কেঁচাবন্ধা কৰক আৰু পেপাৰ কোৱালিটি কমাই দিয়ক। ইয়াৰ বহুকেইটা পৃষ্ঠা উদং হৈ আছে। মাজৰ পৃষ্ঠাবোৰো আংশিকভাৱে উদং। সেইবোৰো আখৰেৰে ভৰালে পৃষ্ঠা ১৫ পৃষ্ঠামান কমিব। এইদুটা ব্যৱস্থা ল'লে কিতাপখনৰ দাম ৮০ৰ পৰা ৫০ টকা মানলৈ নামিব পাৰে।

২) বহুসংখ্যক ছপা কৰি অসমৰ চুকে কোণে বিক্ৰীৰ ব্যৱস্থা কৰক।

৩) তলত দিয়া প্ৰশ্নকেইটা দাঙি ধৰি নতুন এটা সংস্কৰণ উলিয়াওক।

ক) শঙ্কৰ সংঘৰ মতে শঙ্কৰদেৱ ঈশ্বৰৰ অৱতাৰী পুৰুষ নে নাই আমাৰ নিচিনা মানুহ?

খ) অসমৰ বৰ্তমান পুঁজিবাদী শোষণৰ পৰিস্থিতিত শঙ্কৰদেৱৰ প্ৰাসংগিকতা কোনখিনিত? পোন্ধৰশ শতিকাত শঙ্কৰে বহু ঈশ্বৰবাদৰ পৰা একেশ্বৰবাদলৈ আনি অনুন্নত সামন্তবাদৰ পৰা উন্নত সামন্তবাদলৈ আনি সামাজিক উন্নতি কৰিছিল। সেই আদৰ্শই বৰ্তমান পুঁজিবাদৰ পৰা সমাজবাদলৈ উত্তৰণ ঘটাব পাৰিব জানো?

গ) অসমৰ সকলো মানুহে দেৱতা পূজা বাদ দি একেশ্বৰবাদত বিক্ষিপ্ত হ'লেই সোণৰ অসম হ'ব জানো?

ঘ) অসমত সমাজবাদ আনিবলৈ পুঁজিবাদৰ বিৰুদ্ধে শ্ৰেণী সংগ্ৰাম কৰিব লাগিব। ইয়াৰ বাবে মানুহৰ ৰাজনৈতিক চেতনা লাগিব। সংঘৰ আদৰ্শ আৰু কামে-কাজে মানুহক ঈশ্বৰমুখী কৰি সেই শ্ৰেণীসংগ্ৰামৰ পৰা আতৰাই অনা নাইনে? অধিৱেশনবোৰত বহুত টকা লাগে আৰু প্ৰত্যক্ষ বা পৰোক্ষভাৱে ভ্ৰষ্টাচাৰী ৰাজনৈতিক নেতা বা দলবোৰ জড়িত হৈ পৰে। তেওঁলোকে ৰাইজৰ ধন ৰাইজক দিয়েই চিৰকৃতজ্ঞ হৈ পৰে। ফলত মানুহৰ সংগ্ৰামী চৰিত্ৰ দুৰ্বল হৈ নপৰেনে? এনেকৈয়ে সংঘই দুৰ্নীতিগ্ৰস্ত চিষ্টেম বৰ্তাই ৰখাত সহায় কৰা নাইনে?

আমি জনাত অসমীয়া মানুহৰ ধাৰণা যে শঙ্কৰদেৱ ঈশ্বৰৰ অৱতাৰী পুৰুষ। তেওঁ প্ৰৱৰ্তন কৰা নামবোৰ সেৱা প্ৰাৰ্থনা কৰিলে পাপ খণ্ডন হয় আৰু পূণ্য অৰ্জন হয়। ইয়াৰেই সংগঠিত ৰূপ হ'ল শঙ্কৰ সংঘ। ইয়াত বিজ্ঞান মনস্কতাৰ স্থান নাই। নগাঁও জিলাৰ ৰাইদঙিয়াৰ মৰোণোত্তৰ দেহাদান কৰা শিক্ষক দম্পতীক এঘৰীয়া কৰাটো ইয়াৰ জলন্ত উদাহৰণ। যিদৰে ঘৰত অদৰকাৰী চাউল এবস্তা পুৰি পেলোৱাতকৈ দুখীয়াক বিলাই দিয়া পুণ্যৰ কাম, তেনেকৈ মৰাৰ পাছত দেহাটো পুৰি পেলোৱাতকৈ মেডিকেল শিক্ষাত ব্যৱহাৰ কৰাটো পুণ্যৰ কাম। কোনখন শাস্ত্ৰত শঙ্কৰদেৱে এই কাম বেয়া বুলি উল্লেখ কৰিছে? ১৪শ-১৫শ শতিকাত শঙ্কৰদেৱৰ মূল্যাঙ্কন আৰু আজি ২০১২ চনত সামাজিক পৰিস্থিতিক মূল্যাঙ্কন একে হ'ব নোৱাৰে। ইয়াত লাগিব ঐতিহাসিক মূল্যাঙ্কন। সংঘই আজিৰ এই বিজ্ঞান যুগত গোড়ামি, মতান্ধতা এৰি সমালোচনাবোৰ গ্ৰহণ কৰি নতুনকৈ ভৰা আৰু চিন্তা কৰক। তাৰ বাবে বৌদ্ধিক চৰ্চা আৰম্ভ কৰক। ময়ূৰ বৰাৰ লগত কলমেৰে যুঁজক। ব্যক্তিগত ভাৱে তিৰস্কাৰ কৰি নহয়। ইয়াৰ বাবে লাগিব বৌদ্ধিক সাধনা। সংগঠন বৌদ্ধিকভাৱে আগবাঢ়ি গলে নেতৃত্ব থাকিব নে নেথাকে সেইটোৱেই হ'ল ডাঙৰ প্ৰশ্ন।

- ডাঃ দেৱেন্দ্ৰ নাথ মুক্তিয়াৰ

প্ৰতি,

ডাঃ দেৱেন্দ্ৰ নাথ মুক্তিয়াৰ,

ডাঃ মুক্তিয়াৰ ডাঙৰীয়া, আপোনাৰ পত্ৰখনৰ যোগেদি ময়ূৰ বৰাদেৱক যি পৰামৰ্শ দিলে, তাৰবাবে ময়ূৰ বৰাই আপোনাক ধন্যবাদ জনায়-নজনায় অৱশ্যে নাজানিম; কিন্তু সঙ্ঘৰ ফালৰ পৰাও আপোনাক ধন্যবাদ নিদি নোৱাৰিলোঁ। কিয়নো নতুন সংস্কৰণ উলিয়াই দিলে শঙ্কৰদেৱ আৰু সঙ্ঘৰ বিষয়ে আৰু অধিক মানুহে জানিব পাৰিব। অৱশ্যে গ্ৰন্থখন কেৱল অসমীয়াতে প্ৰকাশ নকৰি পৃথিৱীৰ বিভিন্ন ভাষালৈ অনুবাদ কৰি ভিন ভিন দেশলৈ পঠিয়াই দিলে শঙ্কৰদেৱ গুৰুজনাৰ আৰু অলপ প্ৰচাৰ বেছি হ'ব। বাৰু যি নহওক, এতিয়া আপুনি সঙ্ঘক সোধা দুই-এটা কথাৰ উত্তৰকে দিওঁ। আপুনি কাৰ্লমাক্সতকৈও আৰু এখোপ ওপৰলৈ গৈ যি বস্তুবাদী চিন্তাৰে কথাবোৰ সুধিছে, সঙ্ঘৰ ফালৰ পৰা দিয়া ভাৱবাদী উত্তৰবোৰ আপুনি গ্ৰহণ কৰিব পাৰিব জানো?

শঙ্কৰদেৱ আমাৰ দৰে মানুহ হৈও ঈশ্বৰৰ শক্তিৰে শক্তিমান। ভগৱান কৃষ্ণই শ্ৰীমদ্ভগৱদ গীতাত অৰ্জ্জুনক বুজনি দি থাকোতে ভগৱাননো ক'ত ক'ত থাকে বহুতো দীঘলীয়া ভাৱে বৰ্ণনা দিছিল। অৱশেষত কৈছিল-

'যদ্ যদ্ বিভূতিমৎ সত্বং শ্ৰীমদূৰ্জ্জিতমেব বা।
তত্তদেৱাবগচ্ছ ত্বংমম তেজোঽংশসম্ভৱম্।।৪১।।

(দশম অধ্যায়, বিভূতিযোগ)

অৰ্থাৎ যিবোৰ ঐশ্চৰ্য্যযুক্ত, লক্ষ্মীযুক্ত নাইবা অতিশয় শক্তিসম্পন্ন সেই সমস্তবিলাকেই মোৰ অপাৰ শক্তিৰ পৰা উৎপন্ন হৈছে বুলি জানিবা। আমি এনে কথাৰ পৰা বুজিব লাগিব যে শাৰীৰিক, মানসিক, নৈতিক আৰু আধ্যাত্মিকভাৱে ঐশ্চৰ্যশালী, শক্তিমন্ত শঙ্কৰদেৱ মানুহ হৈও ঈশ্বৰ। ধৰ্মপ্ৰচাৰক, সমাজ সংস্কাৰক, কবি, নাট্যকাৰ, অভিনেতা, গীতিকাৰ, সুৰকাৰ, গায়ক, নৃত্যবিশাৰদ, চিত্ৰশিল্পী, স্থাপত্যবিদ, ভাস্কৰ্যবিদ আদি বিশাল প্ৰতিভাৰ এজন ব্যক্তি আধুনিক যুগতে বা প্ৰাচীন যুগতে আছিলনে? মুক্তিয়াৰ ডাঙৰীয়াই বিশ্বত এনে এজন মানুহৰ নাম উল্লেখ কৰকচোন, যিজন সৰ্বদিশতে সমানে সৰ্বগুণাকৰ।

ভাগৱত শাস্ত্ৰৰ প্ৰসিদ্ধ টীকাকাৰ শ্ৰীধৰ স্বামীয়ে ভগৱান কৃষ্ণই কোৱা দৃষ্টিভংগীৰেই কৈছে যে ভগৱান কৃষ্ণ ঈশ্বৰ হৈও মানুহ আৰু মানুহ হৈও ঈশ্বৰ-

'চৰণস্মৰণং প্ৰেম্ণা তৱ দেৱ! সুদুৰ্ল্লভম্।
য়থা কথঞ্চিনৃহৰে মম! ভুয়াদহৰ্নিশম্।।

(শ্ৰীধৰ স্বামী, ভাগৱত-ভাৱাৰ্থ দীপিকা ১০।।২৩।।,১০, ৮৭, ২৩)

মহাপুৰুষ মাধৱদেৱে এই শ্লোকটিৰ সুন্দৰভাৱে স্পষ্ট ভাষাৰে অনুবাদ কৰিছে এনেদৰে-

'হে প্ৰভু নৰহৰি তোহ্মাৰ চৰণ দুই
প্ৰেমভাৱে স্মৰণ দুৰ্ল্লভ।
যথাকথঞ্চিত ৰূপে অহৰ্নিশে প্ৰভু মোৰ
সুমৰণ হুয়োক সুলভ।।৬১।।

(নাম-ঘোষা)

ইয়াত 'নৰহৰি' শব্দটোৱে ভগৱান কৃষ্ণক নৰৰূপী নাৰায়ণ অৰ্থত প্ৰকাশ কৰিছে।

মুক্তিয়াৰদেৱ, প্ৰতিটো বস্তুকে মানুহে ভিন ভিন দৃষ্টিভংগীৰে নিৰীক্ষণ কৰে। আনকি ভগৱান কৃষ্ণকো দ্বাপৰ যুগত সকলোৱেই ভগৱান বুলি গ্ৰহণ কৰা নাছিল। কৃষ্ণক বধ কৰিবৰ বাবে কংসৰ নিৰ্দেশত অক্ৰুৰে লৈ গৈ কৃষ্ণ-বলৰামক কংসৰ ৰাজসভাত প্ৰৱেশ কৰোৱাওঁতে তাত থকা প্ৰজাগণে কৃষ্ণক দহ প্ৰকাৰে নিৰীক্ষণ কৰিছিল। শঙ্কৰদেৱে কীৰ্ত্তন-ঘোষাত ইয়াৰ বৰ্ণনা 'উল্লেখ অলংকাৰ' প্ৰয়োগ কৰি এনেদৰে দিছে-

'কৰিলা প্ৰকাশ ৰামে সমে সমজ্যাত।
দেখৈ দশ প্ৰকাৰে কৃষ্ণক সিবেলাত।।
মালে বোলে কিনো বজ্ৰময় কলেৱৰ।
অন্যজনে বোলৈ এহেন্তেসে নৰবৰ।।১১৮১।।
নাৰীগণে বোলে মূৰ্ত্তি ধৰিছা মদনে।
আমাৰেসে বন্ধু বুলি মানে গোপগণে।।
আমাৰেসে শাস্ত্ৰা বোলে দুষ্ট ৰাজাচয়।
বসুদেৱ দৈৱকীয়ে বোলয় তনয়।।১১৮২।।
কংসে বোলে এহি কৃষ্ণ অন্তক আহ্মাৰ।
অজ্ঞানী সকলে বোলে নন্দৰ কুমাৰ।।
যোগীগণে বোলে এহেন্তেসে ব্ৰহ্মাতত্ত্ব।
বৃষ্ণি বংশে বোলে এন্তে কুলৰ দৈৱত।।১১৮৩।।

(কংসবধ, দ্বাদশ কীৰ্ত্তন)

কৃষ্ণক দশ প্ৰকাৰে দহশ্ৰেণীৰ লোকে দেখাৰ দৰে শঙ্কৰদেৱকো বিভিন্নজনে বিভিন্ন দৃষ্টিৰে চাই আহিছে। কোনোবাজনৰ বাবে কবি-সাহিত্যিক, কোনোবাজনৰ বাবে নৃত্য বিশাৰদ, কোনোবাজনৰ বাবে চিত্ৰশিল্পী, কোনোবাজনৰ বাবে সমাজ সংস্কাৰক, কোনোবা জনৰ বাবে ধৰ্ম প্ৰচাৰক ইত্যাদি ইত্যাদি। গতিকে একেজন মানুহকে ভিন ভিন লোকে ভিন ভিন দৃষ্টিৰে চাই আহিছে। ডাঃ মুক্তিয়াৰে এজন দুৰাৰোগ্য ৰোগীক চিকিৎসা কৰি জীৱন দান কৰাৰ পিছত ৰোগীজনৰ চকুত ডাক্তৰজনেই ভগৱান সদৃশ হয়। এই একেজন মানুহেই ঘৰত কাৰোবাৰ পিতা, কাৰোবাৰ পতি, কাৰোবাৰ মামা, ইত্যাদি ইত্যাদি। শঙ্কৰদেৱৰ ক্ষেত্ৰতো একে কথাই। এটা জাতিক সাংস্কৃতিক-আধ্যাত্মিকভাৱে ঐশ্চৰ্য্যশালী কৰা ব্যক্তিজন অসমীয়া জাতিৰ বাবে ভগৱান হোৱাটো একো আচৰিত

হ'বলগীয়া নাই। সঙ্ঘও অসমীয়া জাতিৰ এটা অঙ্গহে। ডাঃ মুক্তিয়াৰে কথাবোৰ অলপ তং কৰি চাবচোন বাৰু।

শঙ্কৰদেৱৰ কাহানিও সোণৰ অসম গঢ়াৰ পৰিকল্পনা নাছিল, মানুহৰ মনবোৰহে সোণৰ দৰে চক্‌চকীয়া কৰাৰ কথা ভাবি এজন ঈশ্বৰৰ উপাসনাৰে **"সমস্ত ভূততে ব্যাপি আছো মই হৰি। সৱাকো মানিবা তুমি বিষ্ণুবুদ্ধি কৰি।।"** বুলি কৈ সকলো প্ৰাণীকে ঈশ্বৰৰ আসনত উপবিষ্ট কৰাইছিল। আজিৰ পুঁজিবাদী সমাজ ব্যৱস্থাত শঙ্কৰদেৱৰ প্ৰসঙ্গিকতা আছে আৰু আগলৈও থাকিব যদিহে শঙ্কৰদেৱৰ মানৱতাবাদী আদৰ্শ প্ৰকৃত অৰ্থত সমাজে গ্ৰহণ কৰে। ডাঃ মুক্তিয়াৰক এটা কথা কওঁ যে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই চৰকাৰৰ টকাৰে অনুষ্ঠান চলাই থকা নাই। আজিৰ এনে সমাজ ব্যৱস্থাৰ কথা এবাৰো উল্লেখ নকৰিলে দেখোন আপোনাৰ পত্ৰখনত। দেহদান সম্পৰ্কত শঙ্কৰদেৱে ভাল-বেয়া কোনো কথা তেখেতৰ শাস্ত্ৰত উল্লেখ কৰি যোৱা নাই বুলি আপুনি জানিছেই দেখোন। সঙ্ঘৰ সংবিধানতো এনে কথাৰ অৱতাৰণা বৰ্তমানলৈ কৰা নাই। যুগৰ পৰিবৰ্তনৰ প্ৰেক্ষাপটত এনেবোৰ দৃষ্টিভংগী সঙ্ঘই এদিন হয়তো গ্ৰহণ কৰিব। ডাঃ মুক্তিয়াৰে সঙ্ঘৰ এটাও ভাল গুণ দেখিব নালাগেনে বাৰু! এনে লোককে মহৰ্ষি বাদৰায়ণ ব্যাসদেৱে কি বুলি কৈছে চাওক-

'দোষান্ পৰেষাং হি গুণেষু সাধৱো গৃহ্নান্তি কেচিন্ন ভৱাদৃশা দ্বিজ।
গুণাঞ্চ ফল্গুন্ বহুলীকৰিষ্ণৱো মহত্তমাস্তেষ্বৱিদদ্ভৱানঘম্।।"

(ভাগৱত-পুৰাণ, ৪.৪.১২)

ইয়াৰ ভাঙনি মাধৱ মহাপুৰুষজনাৰ ভাষাৰে-

'অধমে কেৱলে দোষ লৱয় মধ্যমে গুণ
দোষ লৱে কৰিয়া বিচাৰ।
উত্তমে কেৱলে গুণ লৱয় উত্তমোত্তমে
অল্পগুণ কৰয় বিস্তাৰ।।১২০।।

(নাম-ঘোষা)

কিমধিকমিতি

# পৰিশিষ্ট (খ)

(নিৰ্বাচিত গ্ৰন্থপঞ্জী)


(১) দাস, কৈলাস
বৰা, কমলাকান্ত
(সম্পাদনা) ঃ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া ৰচনাৱলী, প্ৰকাশক - শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ২০০৬

(২) সম্পাদক মণ্ডলী ঃ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বাক্যামৃত, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ১৯৯৮

(৩) সম্পাদক মণ্ডলী ঃ মহাপুৰুষ মাধৱদেৱ বাক্যামৃত, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ২০০৯

(৪) দাস, কৈলাস
নাথ, জীৱকান্ত
(সম্পাদনা) ঃ নাম-ধৰ্ম, একত্ৰ সঙ্কলন ঃ প্ৰথম খণ্ড, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ২০০৬

(৫) মহন্ত, গোলাপ ঃ শঙ্কৰী সঙ্গীতৰ আধাৰগ্ৰন্থ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ২০০২

(৬) দাস, কৈলাস
নাথ, জীৱকান্ত ঃ শঙ্কৰদেৱ-চৰ্চা ঃ বিদ্বেষ আৰু বিভ্ৰান্তি ('শঙ্কৰ-বিভ্ৰাট'ৰ প্ৰতিবাদ) শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ২০১০

(৭) শৰ্মা, ড° দেৱব্ৰত ঃ অসমীয়া জাতিগঠন প্ৰক্ৰিয়া আৰু জাতীয়-জনগোষ্ঠীগত অনুষ্ঠানসমূহ, একলব্য প্ৰকাশন, ২০০৮

(৮) দাস, কৈলাস
নাথ, জীৱকান্ত
(সম্পাদনা) ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ইতিহাস, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ২০১২

(৯) নাথ, জীৱকান্ত (সম্পা) ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰসকলৰ অভিভাষণ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ২০০৫

(১০) চুতীয়া, ড° ধৰ্মেশ্বৰ
(সম্পাদনা) ঃ কীৰ্ত্তন-ঘোষা আৰু নাম-ঘোষা, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ২০০৫

(১১) পাটগিৰী, ড° জগদীশ
কলিতা, কমল
(সম্পাদনা) ঃ অসম সাহিত্য সভাৰ আজীৱন সভ্য, অসম সাহিত্য সভা, ২০০৫

(১২) দাস, কৈলাস ঃ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু অসমীয়া জাতি গঠন, প্ৰকাশক ঃ মহাৰজত জয়ন্তী অধিৱেশন, আদৰণী সমিতি, বেবেজীয়া, নগাঁও শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ২০০৬

(১৩) ব্ৰহ্মচাৰী, কৃষ্ণানন্দ ঃ শ্ৰীমদ্ভগৱদ্গীতা, লয়াৰ্ছ বুক ষ্টল, ১৯৯৭

(১৪) দাস, ড° ভুৱন মোহন ঃ অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয়, অসম বিজ্ঞান সমিতি, ২০০৩

(১৫) নেওগ, ডিম্বেশ্বৰ ঃ যুগনায়ক শঙ্কৰদেৱ, পুৰ্বশ্ৰী প্ৰকাশন, যোৰহাট, ৫২৮ শঙ্কৰাব্দ

(১৬) নেওগ, মহেশ্বৰ : পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি আৰু সত্ৰীয়া নৃত্য আৰু নৃত্যৰ তাল, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১৯৯৯

(১৭) লেখাৰু, উপেন্দ্ৰ চন্দ্ৰ (সম্পাদনা) : কথা-গুৰুচৰিত, প্ৰকাশক ঃ হৰিনাৰায়ণ দত্তবৰুৱা, ১৯৫২

(১৮) বেজবৰুৱা, লক্ষ্মীনাথ : মোৰ জীৱন সোঁৱৰণ, বনলতা, ডিব্ৰুগড়, ১৯৯৮

(১৯) মুক্তিয়াৰ, ৰমাকান্ত ঃ বটদ্ৰৱা থানৰ চৰিত্ৰ, পদ্ম প্ৰকাশ, মৰিগাঁও, ২০০১

(২০) নাথ, জীৱকান্ত : শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ পদাধিকাৰসকল, মৰিগাঁও জিলা শাখা, শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ, ২০০৪

(২১) গোঁহাই, ড° হীৰেন ঃ জ্যোতিপ্ৰসাদ ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ, ২০০৭

(২২) নেওগ, হৰিপ্ৰসাদ ঃ গগৈ, লীলা (সম্পাদনা) অসমীয়া সংস্কৃতি, অসম সাহিত্য সভা, ১৯৭৫

(২৩) শৰ্মা, যজ্ঞেশ্বৰ (সম্পা) : শতপত্ৰ (কবিতা-সংকলন)

(২৪) চলিহা, হৰিপ্ৰসাদ ঃ ৰমাকান্ত মুক্তিয়াৰ আতা, ব্যক্তি আৰু প্ৰতিভা, প্ৰকাশক ঃ সৌন্দৰ্য প্ৰসাদ চলিহা, গুৱাহাটী, চান্দমাৰী, ১৯৯৮

(২৫) শৰ্মা, ড° সত্যেন্দ্ৰ নাথ : অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, সৌমাৰ প্ৰকাশ, ২০০৬

(২৬) শইকীয়া, হেম : ইতিবৃত্ত, শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ, প্ৰথম খণ্ড, ১৯৮৫

(২৭) সম্পাদনা সমিতি ঃ সংবিধান, শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ, ২০০৯

(২৮) সম্পাদনা ঃ নিয়মাৱলী, অসম সত্ৰ মহাসভা, কেন্দ্ৰীয় কাৰ্যালয়, যোৰহাট

(২৯) শইকীয়া, হেমচন্দ্ৰ ঃ অসমীয়াৰ ব্ৰহ্মতালুত সৰ্প দংশন, প্ৰথম প্ৰকাশ, ২০০৯


## স্মৃতিগ্ৰন্থ / আলোচনী


(১) হাজৰিকা, ফণী : বৰা, ৰঞ্জিত কুমাৰ অমিয়া মাধুৰী, স্মৃতিগ্ৰন্থ শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ একাশীতিতম বাৰ্ষিক অধিৱেশন, কলিয়াবৰ, আদৰণী সমিতি, ২০১২

(২) সম্পাদক মণ্ডলী ঃ বৈকুণ্ঠ বেহাৰ, স্মৃতিগ্ৰন্থ, সঙঘৰ চতুঃসপ্ততিতম অধিৱেশন, দুমৰদহ, গৌৰীপুৰ, ২০০৫

(৩) সম্পাদক মণ্ডলী ঃ পাঞ্চজন্য, স্মৃতিগ্ৰন্থ, সঙঘৰ ত্ৰিসপ্ততিতম অধিৱেশন, মঙ্গলদৈ, ২০০৪

(৪) সম্পাদক মণ্ডলী ঃ প্ৰেম মন্দাকিনী, স্মৃতিগ্ৰন্থ,

সঙঁঘৰ দ্বিসপ্ততিতম অধিৱেশন,
চৰাইদেউ, ২০০৩

(৫) নাথ, জীৱকান্ত ঃ প্ৰেম অমৃতৰ নদী, স্মৃতিগ্ৰন্থ,
অষ্টষষ্ঠিতম অধিৱেশন, মৰিগাঁও, ১৯৯৯

(৬) শইকীয়া, শোভনচন্দ্ৰ ঃ ভক্তিৰথ, স্মৃতিগ্ৰন্থ, সঙঁঘৰ সপ্তসপ্ততিতম
অধিৱেশন, সৰুপথাৰ, ২০০৮

## English

(1) Saikia, Dr. Purnananda: THE KIRTTANA-GHOSA,
Srimanta Sankaradeva Sangha, 2005

(2) SHARMA, SURESH : ANGLO-ASSAMESE DICTIONARY,
JYOTI PRAKASHAN, 2005